ৰমণ্যাসবাদৰ পটভূমি

শ্ৰীবসন্ত কুমাৰ শৰ্ম্মা

ৰীডাৰ অসমীয়া বিভাগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়

জাৰ্ণাল এম্পৰিয়াম

নলবাৰী অসম

RAMANYASHBADAR PATABHUMI (Background of Romanticism) Written by Dr Basanta Kumar Sharma and Published by Surendra Chandra Baishya Journal Emporium Nalbari 781335 First Edition February 95 Price Rupees Fifty only

---

প্ৰকাশক
সুৰেন্দ্ৰচন্দ্ৰ বৈশ্য
জাৰ্ণাল এম্প ৰিয়াম
নলবাৰী ৭৮১৩৩৫
অসম

প্ৰথম প্ৰকাশ
৬১তম সৰ্থেবাৰী অধিৱেশন অসম সাহিত্য সভা ১৯৯৫

মূল্য ঃ ৫০ টকা

মুদ্ৰক
নিউ বৈশাখী প্ৰেছ
৩৮ শিৱনাৰায়ণ দাস লেন
কলিকতা ৭ ৬

সহকৰ্মী আৰু বিভাগীয় মুৰব্বী

অধ্যাপক শ্ৰীনগেন শইকীয়াৰ হাতত

আগকথা

মোৰ আগৰথন পুথিৰ দৰে এইখনো একে উদ্দেশ্য আগত ৰাখি লিখা হ'ল। আমাৰ দুয়োখন বিশ্ববিদ্যালয়তে অসমীয়াৰ এম-এ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে ৰমন্যাসবাদ আৰু কেইজনমান ইংৰাজ ৰোমাণ্টিক কবিৰ কবিতা সম্পৰ্কে অধ্যয়ন কৰিব লাগে। ইয়াৰ কাৰণে অৱশ্যে ই বাজী পুথিৰ অভাৱ নাই। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গৈছে যে আমাৰ ল ৰা ছোৱালীয়ে ই বাজী কিতাপ পঢ়িবলৈ মুঠেই ইচ্ছা নকৰে। এই কথাটো লক্ষ্য কৰিয়েই আমাৰ কেইজনমান যোগ্য ব্যক্তিয়ে এই বিষয়ক দুখনমান পুথি ইতিমধ্যে লিখি উলিয়াইছে। তেখেতসকলৰ ভিতৰত আমি প্ৰথমতে উল্লেখ কৰিব লাগিব অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা চাৰক। তেখেতৰ পুথিখনৰ নাম হ'ল ৰমন্যাসবাদ। ইয়াৰ পিছত একে বিষয়বস্তুক লৈ আন এখন পুথি ৰচনা কৰে অধ্যাপক শ্ৰীবীৰেন বৰকটকী চাৰে। এখেতৰ পুথিখনৰ নাম হ'ল ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য-প্ৰতিভা। এই দুয়োখন পুথিয়েই মই অতি আগ্ৰহেৰে পঢ়িছোঁ আৰু উপকৃত হৈছোঁ। কিন্তু পুথি দুখনৰ গুণাগুণ সম্পৰ্কে মতামত প্ৰকাশ কৰিবলৈ মোৰ কোনো যোগ্যতা নাই কাৰণ এই দুয়োজন লেখকেই বিদ্যা বুদ্ধি আৰু চিন্তা চৰ্চাত মোতকৈ বহুত ওপৰত।

যোৱা কেইবছৰমানৰ ভিতৰত ৰমন্যাসবাদ সম্পৰ্কে আমাৰ কেইজনমান ডেকা অধ্যাপকে অধ্যয়ন আৰু চিন্তা চৰ্চা আৰম্ভ কৰিছে। ইয়াৰ ফলস্বৰূপেই অধ্যাপক হেম বৰাৰ কাপৰ পৰা ওলাইছে ৰমন্যাসবাদ অসমীয়া কবিতা আৰু জনদিয়েক প্ৰধান কবি। পুথিখনৰ আৰম্ভণিতে ৰমন্যাসবাদ সম্পৰ্কে চমু অথচ মনোগ্ৰাহী আলোচনা এটি আছে। পুথিখন কলেৱৰত সৰু হলেও ছাত্ৰ ছাত্ৰীৰ কাৰণে বৰ উপযোগী হৈছে। আজি কিছুদিন আগতে অধ্যাপক শ্ৰীহৰেন্দ্ৰ নাথ দত্তয়ো ৰোমাণ্টিচিজম্ আৰু গীতি মানস নামে এই বিষয়ক পুথি এখন লিখি উলিয়াইছে। অধ্যাপক দত্তৰ পুথিখন তেখেতৰ বিস্তৃত অধ্যয়ন আৰু গভীৰ ঐকান্তিকতাৰ পৰিচায়ক। এটা কথা ঠিক যে কোনো ছাত্ৰ ছাত্ৰীয়ে দুবছৰৰ ভিতৰত এনেকুৱা এটি বিষয়বস্তুৰ বিস্তৃত জ্ঞান লাভ কৰা সম্ভৱ নহয়। কিন্তু এম-এ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী হিচাপে ইয়াৰ যিবোৰ প্ৰাৰম্ভিক বা মূল কথা সেইবোৰ তেওঁলোকে জনা উচিত। এনেকুৱা এটি উদ্দেশ্য আগত ৰাখিয়েই মই ইয়াত ৰমন্যাসবাদৰ কেইটিমান দিশ আলোচনা কৰিছোঁ। মোৰ বিশ্বাস তেওঁলোকে ইয়াৰ পৰা নিশ্চয় দুটি-এটি কথা শিকিব পাৰিব।

পুথিখনৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি দিছে আমাৰ বিভাগৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে। তেওঁলোকৰ শলাগ ললোঁ আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

অৱশেষত পুৰণি বন্ধু শ্ৰীসুৰেন্দ্ৰচন্দ্ৰ বৈশ্যই পুথিখন প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা কাৰণে তেখেতক ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু তেখেতৰ ব্যৱসায়ৰ উন্নতি কামনা কৰিলোঁ।

শ্ৰীবসন্ত কুমাৰ শৰ্মা

অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
৩।৯।৭৪

সূচীপত্ৰ

বিষয়	পৃষ্ঠা
প্ৰথম অধ্যায় ঃ	
ৰোমান্স ৰোমাণ্টিক ৰোমাণ্টিছিজম্	১—৫
দ্বিতীয় অধ্যায়	
ৰমন্যাসবাদৰ কেইটিমান সংজ্ঞা	৬১—৫৯
তৃতীয় অধ্যায়	
ৰোমাণ্টিক যুগৰ বিশেষত্ব	৬ —৭১
চতুৰ্থ অধ্যায়	
ৰোমাণ্টিক পুনৰুত্থান	৭২—৭৭
পঞ্চম অধ্যায়	
ৰোমাণ্টিক পুনৰুত্থানৰ আদিপৰ্ব	৭৮—৮৫
ষষ্ঠ অধ্যায় ঃ	
ৰোমাণ্টিক ভাবধাৰাৰ উৎস	৮৬—৯৫
সপ্তম অধ্যায়	
ৰোমাণ্টিক আন্দোলনত বৈপ্লৱিক দৃষ্টিভংগী	৯৬—১ ১
অষ্টম অধ্যায়	
ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য	১ ২—১ ৬
নৱম অধ্যায়	
ক্লাছিকেল কবিতাৰ পটভূমি আৰু বৈশিষ্ট্য	১ ৭—১২১
দশম অধ্যায়	
ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতাৰ তুলনামূলক বিচাৰ	১২২—১২৮
একাদশ অধ্যায়	
ৰোমাণ্টিক কবিতাত ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ	১২৯—১৪২
দ্বাদশ অধ্যায়	
ৰোমাণ্টিক কবিতাত প্ৰকৃতিৰ স্থান	১৪৩—১৬
ত্ৰয়োদশ অধ্যায়	
ৰোমাণ্টিক কবিতাত মানৱতাবাদী ভাবধাৰা	১৬১—১৭২

হ'বলৈ ধৰে আৰু কেৱল ফৰাচী ভাষাকে নুবুজাই লেটিনৰ পৰা উদ্ভূত আন আন প্ৰাদেশিক ভাষা—যেনে প্ৰোভেনচেল (ফ্ৰান্সৰ প্ৰোভেন্স প্ৰদেশৰ ভাষা), স্পেনিচ ইটালিয়ান জাৰ্মান পৰ্তুগীজ আৰু ৰুমানীয়ান আদি ভাষাকো বুজাবলৈ লয়। আৰু এতিয়া শব্দটো লেটিনৰ পৰা ওলোৱা সকলো ভাষাকে বুজোৱা এটি সাধাৰণ বা সমষ্টিবাচক শব্দ হিচাপে ব্যৱহাৰ হয়। সেইকাৰণে "romance languages" বুলি কলে লেটিনৰ পৰা ওলোৱা উপৰোক্ত গোটেইবোৰ ভাষাকে বুজায়।

Romance শব্দটো বিশেষণ হিচাপেও ব্যৱহাৰ হয়। সেইকাৰণে ইয়াৰ লগে লগে অভিধানখনে বিশেষণ হিচাপে অৰ্থ দিছে এইদৰে—"Derived from or representing the old Roman tongue descended from Latin Also composed in using etc a vernacular tongue of Latin origin Roman tongue মানে হ'ল লেটিন গতিকে বিশেষণ হিচাপে শব্দটোৰ অৰ্থ হ'ল লেটিনৰ পৰা উদ্ভূত। ইয়াৰ আন এটা অৰ্থ হ'ল লেটিনৰ পৰা ওলোৱা প্ৰাদেশিক ভাষাবোৰত ৰচিত। গতিকে romance poetry বুলি কলে আমি লেটিনৰ পৰা ওলোৱা ভাষাবোৰত লিখা কবিতা বুজিব লাগিব।

(2) A tale in verse embodying the adventures of some hero of chivalry esp of those of the great cycles of mediaeval legend and belonging both in matter and form to the ages of knight hood ; also in later use a prose tale of a similar character

অভিধানখনত দিয়া এই দ্বিতীয়টো অৰ্থ মতে "ৰোমান্স হ'ল কোনো বীৰপুৰুষৰ বীৰত্বপূৰ্ণ দুঃসাহসিক কাৰ্য্যৰ পদ্যত ৰচিত আখ্যান। ৰোমান্সবোৰ প্ৰথমতে পদ্যত ৰচিত হৈছিল। এইবোৰে বিশেষকৈ মধ্যযুগীয় আখ্যান বা কিম্বদন্তিৰ যিবোৰ চক্ৰ আছিল সেইবোৰৰ পৰা বিষয়বস্তু আহৰণ কৰিছিল। ৰোমান্সবোৰৰ উদ্ভৱ হয় মধ্য যুগত যি সময়ত নাইটসকলক বীৰত্ব আৰু সন্মানৰ প্ৰতীক বুলি ধৰি লোৱা হৈছিল। বিষয়বস্তু আৰু কাব্যৰূপ—এই দুয়ো বিষয়তে এইবোৰ আছিল মধ্যযুগৰ ভিতৰুৱা। এইবোৰ প্ৰথমতে পদ্যত লিখা হৈছিল যদিও পিছত একে বৈশিষ্ট্যযুক্ত গদ্যত লিখা আখ্যানবোৰকো ৰোমান্স বোলা হৈছিল। গতিকে ৰোমান্স গদ্য আৰু পদ্য উভয়তে ৰচিত।

(3) 'A fictitious narrative in prose of which the scenes and incidents are very remote from those of ordinary lif ; esp one of the class prevalent in the 16th and 17th centuries in which the story

is often overlaid with long disquisitions and digressions. Also occas a long poem of a similar type

ইয়াৰ আগতে দিয়া অৰ্থটোত এইটো কোৱা হৈছিল যে ৰোমান্স গদ্যটো ৰচিত হ ব পাৰে। ইয়াত সেই কথাটোকে স্পষ্টকৈ কৈছে। ৰোমান্স হ'ল গদ্যত লিখা এটি কাহিনী বা আখ্যান যাৰ দৃশ্য (পৰিবেশ) আৰু ঘটনাবোৰ বাস্তৱ জীৱনৰ পৰিবেশ আৰু ঘটনাৰ পৰা বহু দূৰৱৰ্তী অৰ্থাৎ বাস্তৱ জীৱনৰ (বা সচৰাচৰ জীৱনৰ) পৰিবেশ বা ঘটনাৰ লগত নিমিলে। এনেকুৱা কিছুমান ৰোমান্স ষোড়শ আৰু সপ্তদশ শতিকাত ৰচিত হৈছিল। সেইবোৰৰ গদ্যটো দীঘলীয়া বৰ্ণনা আৰু বিষয়ান্তৰ কথাৰে ভাৰাক্ৰান্ত কৰা হৈছিল। একে বৈশিষ্ট্যযুক্ত দীঘলীয়া কবিতাকো ৰোমান্স বুলি কোৱা হৈছে। এই অৰ্থটোৰ লগতে ইয়াকো কোৱা হৈছে যে romantic novel বা romantic narrative —এই দুয়োবিধকো ৰোমান্সৰ শ্ৰেণীত ধৰা হয়। গতিকে আমি স্কটৰ উপন্যাসবোৰকো ৰোমান্স বুলি ধৰিব পাৰো।

(4) A Spanish historical ballad or short poem of a certain from এই অৰ্থ মতে এক বিশেষ গঢ় বা ৰূপবিশিষ্ট স্পেনীয় ভাষাৰে কিছুমান ঐতিহাসিক বেলাড বা চুটি কবিতাকো ৰোমান্স বোলা হয়।

(5) "That class of literature which consists of romances roman tic fiction এই অৰ্থ মতে ৰোমান্সৰ বৈশিষ্ট্যযুক্ত সকলো সাহিত্যকে ৰোমান্স সাহিত্য বুলি কোৱা হয়। ৰোমান্টিক উপন্যাসো ইয়াৰ ভিতৰুৱা।

(6) An extravagant fiction invention or story a wild or wanton exaggeration a picturesque falsehood এই অৰ্থ মতে romance হ ল অবিশ্বাস্য আৰু উদ্ভট কাল্পনিক কাহিনী বা উদ্ভাৱনা সংযমহীন বা মাত্ৰাধিক অতিৰঞ্জন অবাস্তৱ কাহিনীৰ চিত্ৰময়ী বৰ্ণনা। ইয়াৰ উপৰিও ৰোমান্স শব্দটো adjective হিচাপে romantic শব্দৰ সমাৰ্থক বুলিও অৰ্থ দিয়া হৈছে। যেনে romance novel অৰ্থাৎ romantic novel

অক্সফোৰ্ড অভিধানে আন কেতবোৰ গৌণ অৰ্থ উল্লেখ কৰিলেও ওপৰত উল্লেখ কৰা অৰ্থকেইটাহে আমাৰ কাৰণে প্ৰয়োজনীয়। এতিয়া আমি ৱেবষ্টাৰৰ অভিধানত দিয়া অৰ্থকেইটা বিচাৰ কৰি চাম। এইখন অভিধানত তলত দিয়া অৰ্থবোৰ দিয়া হৈছে

(1) "Originally a long narrative in verse or prose, originally written in one of the Romance dialects, about the adventures of

Knights and other chivalric heroes প্ৰথমতে ৰোমান্সবোৰ আছিল গদ্য বা পদ্যত ৰচিত দীঘলীয়া আখ্যান। এইবোৰ প্ৰথমতে লেটিনৰ পৰা অহা যি কোনো ভাষাতেই লিখা হৈছিল। এইবোৰৰ বিষয়বস্তু আছিল নাইট বা তেনেধৰণৰ আন বীৰপুৰুষৰ দুঃসাহসিক অভিযান। এই বীৰপুৰুষ সকলৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল সাহস সন্মানবোধ ভদ্ৰতা নম্ৰতা আৰু দয়া দাক্ষিণ্য আদি গুণবোৰ।

(2) "a ficlitious tale dealing not so much with everyday life as with extraordinary and often extravagant adventures or mysterious events as Washington Irving s romance of Rip Van Winkle এইটো অৰ্থমতে ৰোমাঞ্চ হ ল কাল্পনিক গল্প য ত আমাৰ দৈনন্দিন জীৱনৰ ঘটনাৰ বাস্তৱ ছবি নাথাকে থাকে মাথো অসাধাৰণ আৰু অবিশ্বাস্য দু সাহসিক কাৰ্য্যৰ বৰ্ণনা নাইবা ৰহস্যপূৰ্ণ ঘটনাৰ বৰ্ণনা। উদাহৰণ স্বৰূপে এই ক্ষেত্ৰত ৱাচিংটন আইৰভিঙৰ ৰিপ ভ্যান উইংকল নামৰ জনপ্ৰিয় গল্পটোৰ উল্লেখ কৰা হৈছে।

(3) "a type of novel in which the emphasis is on love adventure etc ৰোমাঞ্চ শব্দই একপ্ৰকাৰ উপন্যাসকো বুজায় য ত জোৰ দিয়া হয় প্ৰণয়লীলা আৰু দু সাহসিক কাৰ্য্যৰ ওপৰত। আমি এই অৰ্থত স্কটৰ উপন্যাসবোৰক ৰোমাঞ্চ বুলি কব পাৰো।

(4) "the type of literature comprising such stories এই অৰ্থমতে দু সাহসিক বা প্ৰেমমূলক ঘটনাৰ সকলো সাহিত্যই ৰোমাঞ্চৰ শাৰীত পৰে।

(5) real happenings or adventures as exciting and unusual as those of such literature এই অৰ্থমতে বাস্তৱ জীৱনৰ ঘটনা বা বিপদসঙ্কুল কাৰ্য্য বা অভিযা। আদি যদি কাল্পনিক ঘটনাৰ দৰে উত্তেজনাপূৰ্ণ বিস্ময়কৰ বা অনন্যসাধাৰণ হয় তেতিয়া হলে তাকো ৰোমাঞ্চ বুলিয়েই কোৱা হয়। গতিকে ৰোমাঞ্চত কল্পনাৰ স্থান অপৰিহাৰ্য্য নহবও পাৰে।

(6) the quality or characterstic of excitement, love and adventure found in such literature" ৰোমাঞ্চ সাহিত্যত প্ৰকাশ পোৱা আমাৰ মনত সৃষ্টি হোৱা উত্তেজনাৰ ভাৱ, আদিৰসৰ উদ্ৰেক আৰু দুঃসাহসিক কাৰ্য্যৰ প্ৰতি আকৰ্ষণ—এইবোৰ আনুভূতিক উপলব্ধিকো ৰোমাঞ্চ বুলি কোৱা হয়।

(7) The tendency to derive great pleasure from romantic adventures. ৰোমাঞ্চৰ গুণবিশিষ্ট (ৰোমাণ্টিক) দুঃসাহসিক কাৰ্য্যৰ পৰা আনন্দ পোৱা প্ৰৱণতাকো ৰোমাঞ্চ বুলি কোৱা হয়।

(8) "an exaggeration or falsehood অতিৰঞ্জিত কথা বা অবাস্তৱ কথাকো ৰোমান্স বুলি কোৱা হয়।

(9) "a love affair" নৰ নাৰীৰ মাজৰ প্ৰণয়লীলাকো ৰোমান্স বুলি কোৱা হয়।

(10) "in music a short lyrical usually sentimental piece suggesting a love-song. চমু গীতিধৰ্মী আৰু আবেগপ্ৰৱণ প্ৰেম-সংগীতকো ৰোমান্স বুলি কোৱা হয়।

(11) "the Romance languages collectively" ৰোমান্স শব্দটো লেটিনৰ পৰা ওলোৱা ভাষাবোৰক বুজোৱা এটি সমষ্টিবাচক শব্দও।

এতিয়া যদি আমি এই দুয়োখন অভিধানতে দিয়া অৰ্থবোৰলৈ চাওঁ তেতিয়া দেখিম যে ৱেবষ্টাৰৰ অভিধানত দিয়া অৰ্থবোৰ বেছি স্পষ্ট আৰু বোধগম্য। অৱশ্যে এটা কথা ঠিক যে বিস্তৃত অৰ্থবোৰ বাদ দি এক সাহিত্য ৰূপ হিচাপে দুয়োখন অভিধানে ৰোমান্সৰ বৈশিষ্ট্যবোৰ দাঙি ধৰিছে। অৱশ্যে এই ক্ষেত্ৰত আমি আন কিছুমান লেখকে ৰোমান্সৰ বৈশিষ্ট্য কেনেদৰে বিশ্লেষণ কৰিছে তাকো চাব পাৰো।

Karl Beckson আৰু Arthur Ganz নামে দুজনে লেখকে তেওঁলোকৰ A Reader s Guide of Literary Terms নামৰ পুথিত ৰোমান্সৰ সংজ্ঞা দিছে stories of love and chivalric adventure either in prose or in verse popular during the later Middle Age s বুলি। এওঁলোকৰ মতে ৰোমান্স হ'ল মধ্যযুগত জনপ্ৰিয়তা অৰ্জন কৰা গদ্য বা পদ্যত ৰচিত বীৰত্ব ব্যঞ্জক দুঃসাহসিক অভিযান আৰু প্ৰেমৰ কাহিনী। এই সংজ্ঞা অতি সীমিত পৰিসৰৰ।

C A Cuddon ৰ A Dictionary of Literary Term s নামৰ পুথিত ৰোমান্সৰ বৈশিষ্ট্য দাঙি ধৰিছে এইদৰে—"It is a European form which has been influenced by such collections as The Arabian Nights It is usually concerned with characters (and thus with events) who live in a world some what remote from the everyday This suggests elements of fantasy improbability extravagance and naivete It also suggests elements of love adventure the marvellous and the mythic For the most part the term is used rather loosely to describe a narrative of heroic or spectacular achivements of chivalry , of gallant love of deeds of derring-do"

উপৰোক্ত কথাখিনিত আমি এটা কথা মন কৰিব লাগিব যে লেখকে ইয়াত মধ্যযুগ বা সেইযুগৰ নাইট সকলৰ কাৰ্য্যাৱলীৰ কথা একো কোৱা নাই। বৰ্তমান

মূলত আমি 'ৰোমাঞ্চ' বুলিলে কেনেধৰণৰ আখ্যানক বুজো তাকেহে কৈছে। কিন্তু সেইবুলি মধ্যযুগীয় চৰিত্ৰ বা বিষয়বস্তুক পৰিহাৰ কৰা ইয়াত বুজোৱা নাই। Cuddon-ৰ মতে সাহিত্য ৰূপ (Literary from) হিচাপে ৰোমাঞ্চৰ সৃষ্টি হয় ইউৰোপত আৰু ইয়াৰ উত্তৰত আৰব্য উপন্যাসৰ প্ৰভাৱ পৰা বুলি তেওঁ ভাবে। ইয়াৰ চৰিত্ৰ আৰু ঘটনাবোৰ আমি দৈনন্দিন জীৱনত লগপোৱা বা দেখা পোৱা চৰিত্ৰ আৰু ঘটনাৰ দৰে নহয়। গতিকে কল্পনাপ্ৰৱণতা অবাস্তৱতা যুক্তিহীনতা আৰু সকল বিশ্বাস প্ৰৱণতা এইবোৰ আখ্যানত লক্ষ্য কৰা যায়। প্ৰণয়লীলা দুঃসাহসিক কাৰ্য্য অদ্ভুত বা বিস্ময়কৰ কাৰ্য্যকলাপ আৰু কাল্পনিক কাহিনীৰ বৰ্ণনা এই আখ্যানবোৰৰ আন কিছুমান বৈশিষ্ট্য। মোটামুটিকৈ ক বলৈ গ লে ৰোমাঞ্চ শব্দটো বীৰত্ব ব্যঞ্জক চমকপ্ৰদ বিপদসংকুল প্ৰেম প্ৰীতিমূলক বিস্ময়কৰ আৰু উগ্ৰ সাহসিক কাৰ্য্যৰ বৰ্ণনা থকা আখ্যানক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

Harry shaw নামে আন এগৰাকী পণ্ডিতে তেওঁৰ Dictionary of Literary terms নামে পুথিত ৰোমাঞ্চ সম্পৰ্কে এইদৰে কৈছে—"A term originally referring to a medieval narrative in prose or verse dealing with heroic persons and events. Romance now applies to any fictional accounts of heroic achievements colourful scenes passionate love or super natural experiences A romance is some times considerd a fanciful or extravagant story or daydream ইয়াত কোৱা হৈছে যে ৰোমাঞ্চ শব্দটো প্ৰথমতে মধ্যযুগত গদ্য আৰু পদ্যত ৰচিত আৰু বীৰপুৰুষৰ কাৰ্য্যকলাপ বৰ্ণনা কৰা কিছুমান আখ্যান বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। পিছলৈ শব্দটোৰ অৰ্থৰ সম্প্ৰসাৰণ ঘটে আৰু বৰ্তমান যুগত ৰোমাঞ্চ বুলিলে আমি বীৰত্বব্যঞ্জক কাৰ্য্যাৱলী বৰ্ণাঢ্য দৃশ্য প্ৰণয়লীলাৰ প্ৰতিচ্ছবি আৰু অলৌকিক কাৰ্য্যেৰে পৰিপূৰ্ণ একপ্ৰকাৰ কাল্পনিক আখ্যানক বুজো। কেতিয়াবা ই আকৌ কাল্পনিক অবিশ্বাস্য স্বপ্নতুল্য (অৰ্থাৎ অসাৰ) কাহিনীকো বুজায়।

ওপৰত উল্লেখ কৰা বিভিন্ন লেখকৰ মতৰ পৰা এইটো স্পষ্ট হৈ উঠে যে সাহিত্য ৰূপ (Literary form) হিচাপে ৰোমাঞ্চৰ সকলো দিশ সামৰি এটি সংজ্ঞা দাঙি ধৰা সম্ভৱ নহয়। এই প্ৰসংগত Ashlay Brown আৰু John L. Kimmey নামৰ দুজন লেখকৰ মতামত দাঙি ধৰিব পাৰি। ৰোমাঞ্চৰ ওপৰত মতামত দিবলৈ গৈ তেওঁলোকৰ Romance নামৰ পুথিৰ আগকথাত ইয়াক "the hardest to define yet the easiest to indentify বুলি কৈছে আৰু শব্দটোৱে "so many vague and

"confusing things" বুজাব বুলি উল্লেখ কৰিছে। পশ্চিমৰ তেওঁলোকে অধ্যয়নৰ পৰা বৰ্তমান কাললৈকে ৰচিত হোৱা সকলোবোৰ ৰোমান্স লক্ষ্য কৰি এটি বিশেষ সংজ্ঞা দিয়াৰ পৰা বিৰত থাকি ৰোমান্সৰ কেতবোৰ বৈশিষ্ট্যৰ কথাহে উল্লেখ কৰিছে। তেওঁলোকৰ মতামত তলত দিয়া হ'ল।

"Every romance involves improbale events that have no clear explanations. The characters are frequently symbolic of large moral philosophical or social abstractions. The hero is often engaged in a guest or struggle which gives the narrative a kind of dialectical structure He opposes a villain or he represents a good which opposed evil The world these opposite forces occupy is full of mystery and at times res mbles either the wish fulfillment ofa dream or the horror of a night mare Though there is often a sense of sadness from the passing of time and a sense of guilt from the committing of a dreadful act there is not the finality of tragedy Though there is often a feeling of pleasure in the land of make believe or delight in a love affair or a victory there is not the gaiety of comedy

ওপৰত উল্লেখ কৰা বৈশিষ্ট্য মতে সকলো ৰোমান্সৰে ঘটনাবোৰ অসম্ভৱ ধৰণৰ হয় আৰু সেইবোৰ ঘটনাৰ কোনো যুক্তিসঙ্গত স্পষ্ট ব্যাখ্যা দিব নোৱাৰি। চৰিত্ৰবোৰ প্ৰায়েই কোনো গুৰুত্বপূৰ্ণ নৈতিক দাৰ্শনিক বা সামাজিক ধ্যান ধাৰণাৰ প্ৰতীকস্বৰূপ হয়। ৰোমান্সৰ নায়কজনক সততে কোনো অন্বেষণত বা সংগ্ৰামত ব্যস্ত থকা দেখা যায় আৰু ইয়েই গোটেই আখ্যানটোৰ গঠনৰীতিক একপ্ৰকাৰ স্ববিৰুদ্ধ ৰূপ প্ৰদান কৰে। নায়কে কোনো খলনায়কৰ বিৰুদ্ধাচৰণ কৰে নাইবা তেওঁ কোনো শুভশক্তিক প্ৰতিনিধিত্ব কৰি কু শক্তিক বাধা দিয়ে। শুভ শক্তি আৰু অশুভ শক্তি—এই দুই শক্তিৰ সংমিশ্ৰণত যি পৰিবেশৰ সৃষ্টি হয় সি হয় ৰহস্যপূৰ্ণ আৰু মাজে সময়ে সপোনত অনুভৱ কৰা ইচ্ছা পূৰণৰ সন্তুষ্টি (নাইবা ইচ্ছা পূৰণৰ কাল্পনিক সন্তুষ্টি) আৰু দু স্বপ্নৰ বিভীষিকাৰ নিচিনা হৈ পৰে। যদিও এই ৰোমান্সবোৰত দুখানুভূতি আৰু অপৰাধবোধ দুয়োটাৰে সৃষ্টি হয় তথাপি এইবোৰ ট্ৰেজেডিৰ পৰিপূৰ্ণতা দাবী কৰিব নোৱাৰে। যদিও এই ৰোমান্সবোৰত কল্পনাৰাজ্যৰ আনন্দ অনুভূত হয় নাইবা বিজয় বা প্ৰণয় লীলাৰ আনন্দ পোৱা যায় তথাপি এইবোৰত কমেডিৰ আহ্লাদ পোৱা নাযায়।

সাহিত্যৰূপ হিচাপে ৰোমান্সৰ বৈশিষ্ট্য আৰু শব্দটোৰ আন আন আনুষঙ্গিক

অৰ্থৰ যি মতামত উপৰোক্ত লেখকসকলে দাঙি ধৰিলে তাৰ পৰা আমি তলত দিয়া সিদ্ধান্তত উপনীত হব পাৰো :—

(১) সাহিত্য ৰূপ (Literary form) হিচাপে ৰোমান্স হ'ল মধ্যযুগৰ সৃষ্টি আৰু ইয়াক গদ্য আৰু পদ্য উভয়তে লিখা হৈছিল। মধ্যযুগত ৰোমান্সৰ বিষয়বস্তু আছিল নাইটসকলৰ বীৰত্বব্যঞ্জক আৰু দুঃসাহসিক কাৰ্য্যাৱলী। পিছৰ কালৰ ৰোমান্সবোৰত চৰিত্ৰ আৰু বিষয়বস্তুৰ এই সীমাবদ্ধতা আঁতৰি যায়।

(২) বৰ্ত্তমান কালৰ ৰোমান্স শব্দটো বীৰত্বব্যঞ্জক বিস্ময়কৰ বা চমকপ্ৰদ বিপদসঙ্কুল আৰু উগ্ৰ সাহসিক কাৰ্য্যৰ বৰ্ণনা থকা দৈনন্দিন জীৱনৰ লগত সম্পৰ্ক নথকা কাল্পনিক কাহিনীক বুজাবলৈ ব্যৱহাৰ কৰা হয়। অলৌকিকতা আৰু ৰহস্যময়তা এই আখ্যানবোৰৰ প্ৰধান বৈশিষ্ট্য।

(৩) বাস্তৱ জীৱনৰ ঘটনা বা বিপদসঙ্কুল কাৰ্য্য বা অভিযান আদি যদি কাল্পনিক ঘটনাৰ দৰে উত্তেজনাপূৰ্ণ বিস্ময়কৰ বা অনন্যসাধাৰণ হয় তেতিয়া হলে তেনেকুৱা ঘটনা বা কাৰ্য্যকো ৰোমান্স বুলি কোৱা হয়। গতিকে ৰোমান্সত কল্পনাৰ স্থান অপৰিহাৰ্য্য নহবও পাৰে।

(৪) প্ৰণয়লীলা আৰু দুঃসাহসিক কাৰ্য্যৰ ওপৰত জোৰ দিয়া একপ্ৰকাৰ উপন্যাসকো ৰোমান্স বুলি কোৱা হয়। এই অৰ্থত স্কটৰ উপন্যাসবোৰক আমি ৰোমান্স বুলি কব পাৰো।

(৫) দুঃখসাহসিক বা প্ৰেমমূলক ঘটনাৰ সকলো সাহিত্যই ৰোমান্সৰ শাৰীত পৰে।

(৬) ৰোমান্স শব্দটো লেটিনৰ পৰা ওলোৱা ফৰাচী জাৰ্মান ইটালীয়ান আদি ভাষাবোৰক বুজোৱা এটি সমষ্টিবাচক শব্দও। এই শব্দটো বিশেষণ হিচাপেও ব্যৱহাৰ হয়। তেতিয়া ইয়াৰ অৰ্থ হয় লেটিনৰ পৰা উদ্ভূত। ইয়াৰ আন এটা অৰ্থ হ'ল লেটিনৰ পৰা ওলোৱা প্ৰাদেশিক ভাষাবোৰত ৰচিত। গতিকে romance literature বুলি কলে সেইবোৰ ভাষাৰ সাহিত্যক বুজায়।

(৭) ৰোমান্স শব্দটো ৰোমাণ্টিক শব্দৰ সমাৰ্থক হিচাপেও ব্যৱহাৰ হয়। সেইকাৰণে romance literature বুলি কলে ৰোমাণ্টিক সাহিত্যকো বুজাব পাৰে।

(৮) আমাৰ মনত সৃষ্টি হোৱা উত্তেজনাৰ ভাব আদি ৰসৰ উদ্ৰেক আৰু দুঃসাহসিক কাৰ্য্যৰ প্ৰতি আকৰ্ষণ (যিবিলাক ৰোমান্স সাহিত্যত প্ৰকাশ পায়)— এইবোৰ আত্মভূতিক উপলব্ধিকো ৰোমান্স বুলি কোৱা হয়।

(৯) ৰোমাণ্টিক পৰিৱেশ বা ৰোমাণ্টিক অনুভূতিকো ৰোমান্স বুলি কোৱা হয়।

(১০) ৰোমান্সৰ গুণবিশিষ্ট (ৰোমাণ্টিক) দুঃসাহসিক কাৰ্য্যৰ দ্বাৰা আনন্দ পোৱাৰ প্ৰৱণতাকো ৰোমান্স বুলি কোৱা হয়।

(১১) অতিৰঞ্জিত কথা বা অবাস্তৱ কথাকো ৰোমান্স বুলি কোৱা হয়।

(১২) নৰ নাৰীৰ মাজৰ প্ৰণয়লীলাকো 'ৰোমান্স' বুলি কোৱা হয়।

(১৩) এক বিশেষ ৰূপ বা গঢ়বিশিষ্ট কিছুমান স্পেনীয় ঐতিহাসিক বেলাড বা চুটি কবিতাকো ৰোমান্স বোলা হয়।

(১৪) চমু গীতিধৰ্মী আৰু আবেগপ্ৰৱণ প্ৰেম-সঙ্গীতকো ৰোমান্স বুলি কোৱা হয়।

"ৰোমান্স শব্দটোৰ এই বিভিন্ন অৰ্থবোৰ উল্লেখ কৰাৰ মূল কাৰণ হ'ল এয়ে যে এই অৰ্থবোৰৰ লগত ৰোমাণ্টিক শব্দটোৰ অৰ্থৰ বহুক্ষেত্ৰত সম্বন্ধ আছে।

(২)

ৰোমান্সৰ উৎপত্তি স্থান সম্পৰ্কে ইউৰোপীয় পণ্ডিতসকল একমত নহয়। কোনো কোনোৱে ইয়াক কেৱল European form বুলি উল্লেখ কৰিছে নিৰ্দিষ্ট ঠাইৰ কথা উল্লেখ কৰা নাই। আন কিছুমানে ইয়াৰ উদ্ভৱৰ ঠাই Western Europe বুলি কৈছে। কিন্তু এনছাইক্লোপেইদিয়া ব্ৰিটানিকাত ইয়াক Originated in medieval France in the period 1130-50 বুলি স্পষ্টভাৱে উল্লেখ কৰিছে। Reader s Guide to World Literature অতো প্ৰায় একেধৰণৰ মন্তব্য পোৱা যায়—French was the language of the early romances and it is likely that French poet were the first to join courtly love with pseudo historical narrative marvels folklore mythological thems Celtic and classical tales and occasionally (as in Tristan) even the fabliaux যদি এয়ে হয় ফ্ৰান্সকেই আমি ৰোমান্সৰ উৎপত্তি স্থান বুলি ধৰি লব পাৰো। এই ধাৰণাৰ আন এটা সবল ভিত্তি এয়ে যে পোন প্ৰথমতে romance শব্দটোৱে অক্সফোৰ্ড অভিধানত দিয়ামতে the vernacular language of France—অক বুজাইছিল। তাৰ পিছতহে ই লেটিনৰ পৰা ওলোৱা আন আন ভাষাক বুজাবলৈ লয়।

তিনিধৰ দেশৰ কাহিনী ৰূপকথা আৰু অতিকথাৰ পৰা ৰোমান্সবোৰৰ বিষয়বস্তু আহৰণ কৰা হৈছিল আৰু সেইকাৰণে বিষয়বস্তুৰ উৎস অনুসৰি ৰোমান্সবোৰক তিনিটা শ্ৰেণীত ভাগ কৰা হয়। ফৰাচী দেশৰ পৰা বিবোৰ কাহিনী আহৰণ কৰা হ'ল সেইবোৰক কোৱা হৈছিল Matter of France ফৰাচী দেশৰ ৰজা চাৰ্লেমান আৰু

ফ্ৰান্সৰ ৰজাৰ বিখ্যাত বীৰসকলক লৈ বহুতো কাহিনী ৰচিত হৈছিল, আৰু সেই কাহিনীবোৰক কোৱা হৈছিল Chansons de geste' ইয়াৰ অৰ্থ হ'ল বীৰত্বৰ কাহিনী। বীৰত্বৰ কাহিনীবোৰৰ ভিতৰত সৰ্বোত্তমকৈ বিখ্যাত হ'ল 'Chanson de Roland' ব্ৰিটেনৰ পৰা যিবোৰ বিষয়বস্তু আহৰণ কৰা হৈছিল সেইবোৰক কোৱা হৈছিল 'Matter of Britain ইংলণ্ডৰ ৰোমান্সবোৰ মুখ্য অবলম্বন হ'ল ৰজা আৰ্থাৰৰ কাহিনী। ৰোমৰ পৰা সংগ্ৰহ কৰা গল্প সম্ভাৰৰ নাম হ'ল Matter of Rome' ৰোম সম্পৰ্কীয় গল্প-সংগ্ৰহত আমি প্ৰাচীন গ্ৰীছ আৰু ৰোমৰ বীৰপুৰুষ বোৰৰ শৌৰ্য-বীৰ্য্যৰ কাহিনী দেখিবলৈ পাওঁ। ট্ৰয় নগৰ ধ্বংসৰ কাহিনী আৰু মহাবীৰ আলেকজেণ্ডাৰৰ অপ্ৰতিহত জয়যাত্ৰা আৰু বীৰত্ব এই গল্প-ভাণ্ডাৰৰ অন্তৰ্ভুক্ত। Reader s Companion to World Literature-ত এই তিনিশ্ৰেণীৰ বাহিৰে আন দুই শ্ৰেণীৰ ৰোমান্সৰ কথা উল্লেখ কৰিছে। চতুৰ্থ ভাগটোত King Horn Bevis of Hampton Havelok the Dane আৰু Guy of Warwick আদি কিছুমান ইংৰাজ বীৰপুৰুষৰ অভিযানৰ কাহিনী অন্তৰ্ভুক্ত কৰা হৈছে। পঞ্চম ভাগটোত প্ৰাচ্যদেশৰ বিষয়বস্তুৰ পৰা আহৰণ কৰা কিছুমান কাহিনী সোমৰা হৈছে। সেইবোৰৰ ভিতৰত Amis and Amiloun আৰু Floris and Blanchfleur উল্লেখযোগ্য।

ৰোমান্সৰ ওপৰত উল্লেখ কৰা শ্ৰেণী বা ভাগবোৰক একোটা চক্ৰ (cycle) বুলিও কোৱা হয়। যেতিয়া কেইবাটাও আখ্যানে একেজন বীৰৰ অভিযান বা দুঃসাহসিক কাৰ্য্যৰ কথা বৰ্ণনা কৰে তেতিয়াহলে তেনেকুৱা পৰস্পৰ সম্পৰ্ক থকা ৰোমান্সবোৰক একোটা চক্ৰ বুলি কোৱা হয়। উদাহৰণ স্বৰূপে ৰজা আৰ্থাৰৰ কাৰ্য্যকলাপ বৰ্ণনা কৰা একাধিক ৰোমান্স আছে।

বীৰত্বপূৰ্ণ কাৰ্য্যকলাপ দুঃসাহসিক আৰু বিপদসঙ্কুল অভিযান ৰোমান্টিক প্ৰেম এইবোৰেই আছিল ৰোমান্সৰ প্ৰধান বিষয়বস্তু। কিন্তু বিষয়বস্তুতকৈ বেছি তাৎপৰ্য্যপূৰ্ণ দিশটো হ'ল একপ্ৰকাৰ বিশেষ বৰ্ণনাশৈলীৰ উদ্ভাৱনা। এই ৰোমান্সবোৰ লিখা হৈছিল আঠ অক্ষৰযুক্ত couplet বা দুইশাৰীৰ অন্ত্যমিল থকা পদত। ইয়াৰ গঠন আছিল প্ৰায় বেলাডৰ দৰে। ৰোমান্সৰ বৰ্ণনাশৈলীৰ প্ৰধান বৈশিষ্ট্য এয়ে যে ইয়াত সকলোবোৰ চৰিত্ৰৰে কাৰ্য্যকলাপৰ হেতুপ্ৰদৰ্শন কৰা হয়, অৰ্থাৎ কোনো চৰিত্ৰই কামটো কিয় কৰিলে তাৰ ব্যাখ্যা দিয়া হয়। সেই কাৰণে ইয়াৰ বিষয়বস্তুৰ বৰ্ণনা বৰ দীঘলীয়া হৈ পৰে। সকলোবোৰ কাৰ্য্যাৱলীৰ ওপৰত একোটা মন্তব্য দিয়া হয়। এই মন্তব্য কেতিয়াবা লেখকে নিজে আৰু কেতিয়াবা আন চৰিত্ৰৰ মুখেৰে দিয়ে। ইয়াত

কাহিনীত বৰ্ণনা অনেক ক্ষেত্ৰত মূল বিষয়বস্তুৰ পৰা আঁতৰি যায়। ইয়াকে 'digression' বা বিষয়ান্তৰ বৰ্ণনা বুলি কোৱা হয়। সকলো কাৰ্য, চৰিত্ৰৰ অভিপ্ৰায় আৰু মানসিক অৱস্থাৰ ওপৰত মন্তব্য প্ৰদান কৰাৰ উপৰিও তৰ্কজালৰ সৃষ্টি কৰি সকলো কাৰ্যকে সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ কৰি কোৱা হয়। পৰৱৰ্তী পিছৰ যুগৰ উপন্যাসত পোৱা analytical method বিশ্লেষণাত্মক পদ্ধতি বা ৰীতিৰ আৰম্ভণি আমি এই ৰোমান্স-বোৰতেই লক্ষ্য কৰিব পাৰো।

ৰোমান্সৰ বিষয়বস্তু সম্পৰ্কে আগতে কিছু আভাস দিয়া হৈছে। পৰৱৰ্তীকে আমি এতিয়া সেই বিষয়বস্তুৰ অন্তৰ্গত কেতবোৰ বৈশিষ্ট্যৰ কথাহে উল্লেখ কৰিম। বহুতো ৰোমান্সৰ বিষয়বস্তু বিচ্ছেদ আৰু পুনৰ্মিলন। এই ক্ষেত্ৰত এপোলোনিয়াছ সম্পৰ্কে যি এটি লেটিন ভাষাত ৰচিত ৰোমান্স পোৱা যায় মধ্যযুগত তাৰ জনপ্ৰিয়তাৰ কাৰণেও এই বিষয়বস্তু গ্ৰহণীয় হ'ব পাৰে। তদুপৰি চেইণ্ট ইউষ্টেছৰ কিম্বদন্তিৰ প্ৰভাৱো এই ক্ষেত্ৰত কম বুলি কব নোৱাৰি। ইউষ্টেছ আছিল এজন ৰোমান সেনাধ্যক্ষ। তেওঁ অতি আচৰিত ধৰণে খৃষ্টধৰ্মত দীক্ষিত হয় নিজৰ সা সম্পত্তি হেৰুৱায় নিজৰ পৰিয়ালৰ লোকৰ পৰা বিচ্ছেদ হয় বনুৱা হিচাপে কাম কৰে কিন্তু পিছত আকৌ নিজৰ মৰ্যাদা ঘূৰাই পায় আৰু নিজৰ পৰিয়ালৰ লোকৰ লগত মিলিত হয়। এপোলোনিয়াছ সম্পৰ্কীয় লেটিন ৰোমান্সটোৰ ইংৰাজী স্পেনিছ ইটালিয়ান আৰু ফৰাচী ৰূপ বা সংস্কৰণো পোৱা যায়। ইয়াৰ মূল বিষয়বস্তুটো চেক্সপীয়ৰে তেওঁৰ Pericles নামৰ নাটকত প্ৰয়োগ কৰিছে। ইয়াৰ উপৰিও ফৰাচী মহাকাব্য Jourdain de Blaives অত একে বিষয়বস্তুকেই অনুকৰণ কৰা হৈছে। ফৰাচী ভাষাত ৰচিত Guillaume d Angleterre নামৰ ৰোমান্সটো ইউষ্টেছৰ কিম্বদন্তিৰ একেবাৰে অনুকৰণ বুলি কব পাৰি। এই ৰোমান্সটোত বৰ্ণনা কৰা হৈছে নায়কে কেনেকৈ নিজৰ সিংহাসন ত্যাগ কৰে ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীক হেৰুৱায় আৰু পিছত কেনেকৈ নিজৰ পৰিয়ালৰ লগত মিলিত হয় আৰু ৰাজ্যলাভ কৰে।

আন কিছুমান ৰোমান্সৰ বিষয়বস্তু গঢ় লৈ উঠে কোনো এটি নিপীড়িত শিশুক কেন্দ্ৰ কৰি। সেইবোৰত দেখুৱা হয় যে শিশুটি আন এখন দেশলৈ পলাই যায় তাতে ডাঙৰ দীঘল হয় সেই দেশৰে ৰাজকুঁৱৰীক বিয়া কৰায় আৰু বহুত দুখ কষ্টৰ পিছত নিজৰ ঠাইলৈ ঘূৰি আহি হেৰুৱাই যোৱা মৰ্যাদা ঘূৰাই পায়। ফৰাচী ভাষাৰ মহাকাব্য Beuve d Hantone- অত এইটোৱেই বিষয়বস্তু। একেধৰণৰ বিষয়বস্তুৰ আন আন কেতবোৰ ৰোমান্সো আছে। বহুতো ৰোমান্সৰ বিষয়বস্তু প্ৰেমমূলক। ইয়াত যুগৰাকী ডেকা-গাভৰুৰ সাময়িক বিচ্ছেদ আৰু শেষত মিলন দেখুৱা হয়। Escoufle,'

'Guillaume de Palerne' আদি এনে ধৰণৰ ৰোমান্স। কোনো নাইটৰ দুঃসাহসিক আৰু বীৰত্বপূৰ্ণ কাৰ্য্যাৱলীৰ বৰ্ণনা থকা ৰোমান্সৰ সংখ্যাও কম নহয়। এনে ৰোমান্সত কোনো নাইটে তেওঁৰ বাঞ্ছিত নাৰীৰ তেওঁ যে যোগ্যতাকে প্ৰমাণ কৰিবলৈ যত্ন কৰে।

এইবোৰৰ উপৰিও আন কেতবোৰ ৰোমান্স আছে যিবোৰৰ বিষয়বস্তুক cymbelive theme বুলি কোৱা হৈছে। এইবোৰ ৰোমান্সৰ বিষয়বস্তু এনেকুৱা ধৰণৰ —কোনো এজন লোকে আন এজনৰ লগত বাজি মাৰে যে তেওঁ আনজনৰ পত্নীক বা প্ৰেমিকাক হৰণ কৰিব আৰু সেইমতে প্ৰমাণ কৰি দেখুৱায় যে তেওঁ কথামতে কাম কৰিছে কিন্তু এই প্ৰমাণ মিছা বুলি প্ৰমাণিত হয়। Le comte de poiters এনেকুৱা এটি ৰোমান্স। আন কেতবোৰ ৰোমান্সৰ বিষয়বস্তুক 'Constance theme বুলি কোৱা হৈছে। এইবোৰ ৰোমান্সত নায়িকা নিজৰ দেউতাকৰ অবৈধ বা অস্বাভাৱিক প্ৰেমৰ লক্ষ্য হৈ পৰে আৰু সেইকাৰণে নায়িকা পলাই গৈ আন দেশত আশ্ৰয় লয় আৰু তাতে শাসনকৰ্ত্তাৰ লগত বিবাহ পাশত আবদ্ধ হয় কিন্তু পিছত সেই ৰাজ্যৰ পৰা নিৰ্বাসিত হয় আৰু শেষত বহুত দুখ কষ্টৰ মাজেৰে নিজৰ পতিৰ ওচৰ চাপিবলৈ সক্ষম হয়। এনেকুৱা বিষয়বস্তুৰ দুটা উল্লেখযোগ্য ৰোমান্স হ'ল La Manekine আৰু contesse d Anjou ইয়াৰ উপৰিও দুই চাৰিটা ৰোমান্স আছে যাৰ বিষয়বস্তু হ'ল ভ্ৰষ্টাচাৰ (adultery)। Chastelaine de Vergi এনেকুৱা এটি ৰোমান্স। Holy Grail বা যীশুখ্ৰীষ্টৰ পবিত্ৰ ৰক্তাধাৰ বিষয়বস্তু হিচাপে লোৱা ৰোমান্সো অনেক আছে। ইয়াৰ ভিতৰত perceval নামৰ ৰোমান্সটো বিশেষভাৱে উল্লেখযোগ্য।

মহাকাব্য আৰু ৰোমান্সৰ মাজত বহুক্ষেত্ৰত সাদৃশ্য থাকিলেও সাহিত্য ৰূপ হিচাপে দুয়োটাৰে মাজৰ পাৰ্থক্য স্পষ্ট। যুদ্ধ বিগ্ৰহ বীৰত্বপূৰ্ণ দুঃসাহসিক আৰু অলৌকিক কাৰ্য্যকলাপ দুয়োবিধ সাহিত্যৰে বিষয়বস্তুৰ অন্তৰ্গত। তথাপিও মহাকাব্যৰ বিষয়বস্তুৰ প্ৰসাৰতা আৰু গভীৰতা ৰোমান্সে দাবী কৰিব নোৱাৰে। ৰোমান্সে মহাকাব্যৰ কিছু কিছু বিষয়বস্তুহে অন্তৰ্ভুক্ত কৰে। সেইকাৰণে W P Ker-এ তেওঁৰ Epic and Romance নামৰ পুথিত কৈছে—"Epic poetry is one of the complex and comprehensive kinds of literature in which most of the other kinds may be included—romance history comedy " সেই কাৰণে তেওঁ ৰোমান্সক মহাকাব্যৰ "One of the constituent parts" আৰু "a limited and abstract from as compared with the fulness and variety of Epic" বুলি কৈছে। মহাকাব্য আৰু ৰোমান্স উভয়তে নায়কক আদৰ্শ বীৰপুৰুষ ৰূপে সজাই তুলিলেও ৰোমান্সত যুদ্ধ-বিগ্ৰহৰ কাৰণবোৰ তুলনামূলকভাৱে উপকৰা বা তথাং হোৱা

দেখা যায়। তদুপৰি ইয়াত কাৰ্যৰ ঐক্য-কম আৰু গঠন-ৰীতি শিথিল। মাত্ৰ দুই এঠাইতহে ইয়াৰ ব্যতিক্ৰম দেখা যায়। ৰোমান্সবোৰত চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ কম। চৰিত্ৰৰ বিকাশ দুই-এঠাইতহে লক্ষ্য কৰা যায় আৰু কোনো কাম কৰাৰ হেতু প্ৰদৰ্শন কৰিবলৈ কেতিয়াবা অলৌকিকতাৰ ব্যৱহাৰ কৰা হয়। ইয়াত নায়কবোৰ প্ৰায় একে ধৰণৰ হয়। সাহিত্য-ৰূপ হিচাপে মহাকাব্যৰ স্থান ৰোমান্সতকৈ ওপৰত। ৰোমান্সৰ কল্পনাৰ উদ্দেশ্য হ'ল আমাৰ মনত আশ্চৰ্য্য আৰু আনন্দৰ ভাব জগোৱা আৰু ইয়াত কোনো ধৰ্মীয় ৰাজনৈতিক শিক্ষণীয় বা নৈতিক উদ্দেশ্য নিহিত নাথাকে যিবোৰ হয়তো মহাকাব্যত থাকিব পাৰে।

ৰোমান্স আৰু বাস্তৱধৰ্মী উপন্যাসৰ মাজৰ পাৰ্থক্যও স্পষ্ট। এই ক্ষেত্ৰত William Congreve-অৰ মন্তব্য প্ৰণিধানযোগ্য। "To him romance dealt with the love and courage of heroes and heroines used a lofty language and told of the "miraculous and the impossible On the other hand the novel was composed of "more familiar material" that had about it a greater verisimilitude Romance gave the reader more of wonder novels more delight ৰোমান্সত আলোচিত হয় বীৰ বীৰাঙ্গনাৰ প্ৰেম আৰু সাহসৰ কাহিনী ইয়াৰ ভাষা হ'ল উচ্চ স্তৰৰ ঘটনা অবাস্তৱ আৰু বিস্ময়কৰ। আনহাতে বাস্তৱধৰ্মী উপন্যাসৰ বিষয়বস্তু আমাৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিতৰৰা আমাৰ পৰিচিত সমাজখনৰেই ছবি ইয়াত অঙ্কিত হয়। ৰোমান্সে আমাৰ মনলৈ আনে বিস্ময়ানুভূতি উপন্যাসে আমাৰ মনত যোগায় আনন্দ।

(৩)

আগতে উল্লেখ কৰা হৈছে যে ইউৰোপীয় সাহিত্যত ৰোমান্সৰ সৃষ্টি হয় মধ্যযুগত। মধ্যযুগ বুলি কলে আমি সাধাৰণতে দশম শতিকাৰ পৰা পঞ্চদশ শতিকালৈ এই কালডোখৰকে বুজো। আৰ্থাৰ কম্পটন্ ৰিকেটে ইংৰাজী সাহিত্যৰ মধ্যযুগ হিচাপে ১ ৬৬ চনৰ পৰা ১৪ চনলৈকে এই কালডোখৰক সামৰিছে। গতিকে মধ্যযুগীয় ইংৰাজী সাহিত্যৰ আৰম্ভণি হয় এংলো নৰ্মান যুগত আৰু এই যুগতেই ইংৰাজী সাহিত্যত ৰোমান্সৰ উদ্ভৱ হয়। ১ ৬৬ চনত নৰ্মানসকলে ইংলণ্ড অধিকাৰ কৰে আৰু ইয়াত বহুবছৰ ধৰি ৰাজত্ব চলায়। নৰ্মানসকলৰ ইংলণ্ড আগমনৰ প্ৰভাৱ ইয়াৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত পৰাৰ দৰে সাহিত্য জগততো পৰে। নৰ্মান সকলৰ আছিল ৰোমান্সৰ প্ৰতি তীব্ৰ আকৰ্ষণ। সেই কাৰণেই প্ৰেম সাহস আৰু

বীৰত্বক বিষয়বস্তু হিচাপে লৈ এংলো নৰ্মান যুগত কাব্যৰ সৃষ্টি হয়। নৰ্মানসকলে বীৰত্বৰ এক নতুন আদৰ্শ স্থাপন কৰে—যাক বোজা হৈছে chivalry' এই শব্দই বীৰত্বৰ উপস্থিত সাহস, দয়া দাক্ষিণ্য উদাৰতা উন্নত ৰুচিবোধ আদি বিভিন্ন গুণ বুজায়। নাৰীবন্দনা বীৰত্বৰ নতুন আদৰ্শৰ মূল সুৰ হৈ উঠে। এইখিনিতে এটা কথা মন কৰিব লাগিব যে নৰ্মান শব্দটোৰ অৰ্থ হল Norseman বা 'Northman অৰ্থাৎ উত্তৰাঞ্চলৰ অধিবাসী। এওঁলোকৰ আদিম বাসস্থান আছিল স্কেণ্ডিনেভীয়া (বৰ্তমানৰ নৰৱে চুইডেন ফিনল্যাণ্ড আদি)। খৃষ্টীয় নৱম শতিকাত এওঁলোকে ফ্ৰান্সৰ উত্তৰাঞ্চল দখল কৰে আৰু এওঁলোকৰ নাম অনুসৰি সেই অঞ্চলৰ নাম নৰ্মাণ্ডি হয়। নৰ্মান সকল ফৰাচী জাতিৰ লগত মিলি যায়। গতিকে নৰ্মান প্ৰভাৱ বুলি কলে ফৰাচী প্ৰভাৱৰ কথাই বুজিব লাগিব আৰু এই প্ৰভাৱৰ ফলতেই এংলো নৰ্মান যুগত প্ৰথমে ৰোমান্স জাতীয় কবিতাৰ উদ্ভৱ হয়।

ইংৰাজী সাহিত্যত যিমানবোৰ ৰোমান্সৰ সৃষ্টি হৈছে সেইবোৰৰ ভিতৰত সকলোতকৈ আকৰ্ষণীয় হ'ল ৰজা আৰ্থাৰৰ কাহিনী। ৰজা আৰ্থাৰৰ স্মৰণীয় মেজ আৰু এক্সকেলিবাৰ নামৰ বিখ্যাত তৰোৱাল তেওঁৰ অনুগত যোদ্ধাসকলৰ কীৰ্ত্তি কলাপ আৰু প্ৰণয়কাহিনী যাদুকৰ মাৰ্লিনৰ অলৌকিক কাৰ্য্য—এই সকলো বিষয়বস্তুক লৈ অনেক ৰোমান্সৰ সৃষ্টি হৈছে। আৰ্থাৰৰ অনুগত ১৫ জন নাইট বা বীৰপুৰুষৰ উল্লেখ কৰা হৈছে আৰু সেইসকলৰ মাজত প্ৰসিদ্ধ আছিল চাৰ লান্সলট্ (Lancelot) চাৰ গাৱেইন (Gawaryn) আৰু চাৰ গেলাহাড (Galahad)। আৰ্থাৰৰ পত্নী গিনিভিয়াৰ (Guinevere) আৰু চাৰ লান্সলটৰ অবৈধ প্ৰেমকাহিনী লৈও অনেক কবিতাৰ সৃষ্টি হৈছে। ফুলৰ দৰে পবিত্ৰ চাৰ গেলাহাডে যীশুখ্ৰীষ্টৰ পবিত্ৰ শোণিতাধাৰ (Holy grail) বিচাৰি যি দুঃসাহসিক অভিযান চলাইছিল তাৰো বৰ্ণনা আমি এই ৰোমান্সবোৰতেই পাওঁ। এইখিনিতে এটি অতি তাৎপৰ্য্যপূৰ্ণ কথা এয়ে যে ওপৰত আমি যি "matter of Britain অৰ কথা উল্লেখ কৰিছো তাৰ মূল হ'ল কিছুমান ফৰাচী আখ্যান। সেই আখ্যানবোৰে গদ্য আৰু পদ্য উভয়তে ৰজা আৰ্থাৰ সম্পৰ্কে যি প্ৰাচীন কেল্টিক কিম্বদন্তি চলিত আছিল তাকেই ৰূপায়িত কৰিছিল। ইংৰাজ সকলে ৰজা আৰ্থাৰক জাতীয় বীৰ বুলি মানিলেও এই কথা ঠিক যে সেই জাতীয় বীৰক কেন্দ্ৰ কৰি যি সাহিত্য গঢ়ি উঠিছিল তাক প্ৰথমতে লিখা হৈছিল ফৰাচী ভাষাত। খৃষ্টীয় দ্বাদশ আৰু ত্ৰয়োদশ শতিকাত আৰ্থাৰৰ কাহিনীবোৰৰ জনপ্ৰিয়তাৰ মূলতে আছিল ফৰাচী প্ৰভাৱ। ফৰাচী ভাষাত লিখা ৰোমান্সৰ জৰিয়তেহে ইংলেণ্ড-বাসীয়ে ৰজা আৰ্থাৰৰ বিষয়ে জানিবলৈ পায়।

ৰজা আৰ্থাৰ সম্পৰ্কে পোনপ্ৰথমতে উল্লেখ কৰে ওৱেলছবাসী কবি আৰু বুৰঞ্জীবিদ সকলে। এইসকলৰ মাজতে সকলোতকৈ প্ৰাচীন হ'ল গিলদাছ (Gildas)। এওঁ আছিল এজন বুৰঞ্জীবিদ আৰু খৃষ্টীয় ৬ষ্ঠ শতিকাৰ লোক। এওঁৰ লেটিন ভাষাত ৰচিত বুৰঞ্জীখনৰ নাম হ'ল De Excidio et Conquestu Britanniae¹। গিলদাছে প্ৰত্যক্ষভাৱে আৰ্থাৰৰ নাম উল্লেখ কৰা নাই কিন্তু Mount Badon অৰ যুদ্ধৰ কথা উল্লেখ কৰিছে। এই যুদ্ধখনতেই আৰ্থাৰে তেওঁৰ শত্ৰুক পৰাজয় কৰিছিল। এইজন লেখকে আৰ্থাৰক ঐতিহাসিক ব্যক্তি হিচাপেই গ্ৰহণ কৰিছে।

গিলদাছৰ পিছৰ আনজন উল্লেখযোগ্য ওৱেলছবাসী লেখক হ'ল এনিৰিন্ (Aneirin)। এওঁ আছিল এজন কবি। মাত্ৰ এবাৰহে এওঁ আৰ্থাৰৰ কথা উল্লেখ কৰিছে।

ওৱেলছৰ তৃতীয়জনে উল্লেখযোগ্য লেখক হ'ল নেনিয়াছ (Neanius)। এওঁৰ দ্বাৰা সংকলিত লেটিন ভাষাৰ বুৰঞ্জীখনৰ নাম হ'ল Historia Brittonum আৰু ইয়াক সংকলন কৰা হৈছিল আনুমানিক ৮ খৃষ্টাব্দত। নেনিয়াছেও আৰ্থাৰক ঐতিহাসিক ব্যক্তি বুলি গ্ৰহণ কৰিছে আৰু ব্ৰিটনসকলৰ এজন সামৰিক নেতাৰ ৰূপ দি চেক্সনসকলৰ বিৰুদ্ধে যুঁজ দি বীৰত্ব প্ৰদৰ্শন কৰা দেখুৱাইছে। নেনিয়াচৰ বুৰঞ্জীতো Mount Badon অৰ যুদ্ধৰ উল্লেখ আছে।

নেনিয়াচৰ পিছৰ যিসকল ওৱেলছবাসী লেখকে আৰ্থাৰৰ উল্লেখ কৰিছে সেই সকলৰ ৰচনাত চৰিত্ৰটোৰ পৰিৱৰ্তন ঘটে। ঐতিহাসিক ব্যক্তি আৰ্থাৰ পিছত কিংবদন্তিমূলক হৈ পৰে আৰু অলৌকিক শক্তিৰ অধিকাৰী হয়। আৰ্থাৰক লৈ বহুতো অতিকথা আৰু গল্পৰ সৃষ্টি হয়; বীৰ নায়কজন হৈ পৰে দৈৱিক গুণসম্পন্ন আৰু বিস্ময়কৰ। তেওঁৰ অনুগত নাইটকেইজনো হৈ পৰে বিস্ময়কৰ আৰু অতিমানৱীয়। এনেকুৱা ধৰণৰ ৰূপপ্ৰদানে আৰ্থাৰক কৰি তোলে Mythological figure।

'The Mabinogion নামৰ ওৱেলছ ভাষাৰ গল্প সংকলন এটিতো ৰজা আৰ্থাৰৰ উল্লেখ আছে। সংকলনটিত মুঠতে এঘাৰটা গল্প আছে। সেইবোৰৰ বিষয়বস্তু হ'ল কেল্টিক জাতিৰ মাজত প্ৰচলিত কিছুমান কিংবদন্তি আৰু পৌৰাণিক কাহিনী। অলৌকিক উপাদান হ'ল গল্পবোৰৰ প্ৰধান লক্ষ্যণীয় দিশ। এই গল্পবোৰৰ ভিতৰত পাঁচোটা গল্পত মাত্ৰ ৰজা আৰ্থাৰৰ উল্লেখ আছে। গল্পবোৰৰ ৰচয়িতাৰ নামৰ উল্লেখ নাই যদিও সেইবোৰ লিখা হৈছে "by a professional literary class"। Lady Charlotte Guest-এ এই গল্পবোৰৰ ইংৰাজী অনুবাদ কৰি প্ৰকাশ কৰে। এইবোৰ ৰচনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ওৱেলছৰ বহু কবি আৰু গল্পকাৰে আৰ্থাৰ সম্পৰ্কে বহুতো

নতুন নতুন কাহিনী ৰচনা কৰে।[1] এই নতুন লেখকসকলৰ মাজত Walter Map বিশেষভাৱে উল্লেখযোগ্য।

ৰজা আৰ্থাৰৰ কাহিনী ওৱেলছৰ লেখকসকলে পোনপ্ৰথমতে লিপিবদ্ধ কৰিলেও তেওঁলোকে ইয়াক জনপ্ৰিয় কৰি তুলিব নোৱাৰিলে। আৰ্থাৰৰ কাহিনী জনপ্ৰিয় কৰি তোলা লেখকজনৰ নাম হ'ল Geoffrey of Monmouth (১১ ১১৫৪)। মনমাউথ চহৰত জন্মগ্ৰহণ কৰা বাবে নামৰ লগত জন্মঠাইৰ সংযোগ। এওঁক বুৰঞ্জীবিদ বুলি নকৈ গাল্পিক বুলি কোৱাহে সমীচীন। জিওফ্ৰীয়ে সংকলন কৰা লেটিন ভাষাৰ বুৰঞ্জীখনৰ নাম হ'ল Historia Regum Britanniae অৰ্থাৎ History of the Kings of Britain (১১৩৬)। ইয়াত তেওঁ ব্ৰিটেনৰ ঐতিহাসিক আৰু কাল্পনিক ৰজাসকলৰ কাহিনী লিপিবদ্ধ কৰি। আৰ্থাৰ সম্পৰ্কীয় কাহিনীৰ ৰচয়িতাসকলৰ মাজত জিওফ্ৰী শীৰ্ষস্থানীয়। ঐতিহাসিক ব্যক্তি বুলি গ্ৰহণ কৰি তেওঁ ৰজা আৰ্থাৰক কল্পনাৰ ৰহণ সানি ৰোমাণ্টিক নায়ক কৰি তুলিছে— He is the creator of King Arthur as a romantic hero। আৰ্থাৰ সম্বন্ধে জীওফ্ৰীয়ে দিয়া বৰ্ণনাৰ বেছি ভাগেই তেওঁৰ কল্পনাপ্ৰসূত। এই বুৰঞ্জীখনক এখন prose epic বুলি আখ্যা দিয়া হৈছে য'ত সৃষ্টি কৰা হৈছে এনে এজন নায়ক যাক লৈ ইংলণ্ডৰ সকলো গোষ্ঠীৰ লোকেই গৌৰৱবোধ কৰিব পাৰিছিল। অলঙ্কাৰপূৰ্ণ ভাষা আৰু কল্পনাৰ স্ফুৰণ— এই দুয়োটাৰেই প্ৰয়োগ হৈছে ৰজা আৰ্থাৰৰ কাৰ্যাৱলীৰ বৰ্ণনাত। জিওফ্ৰীৰ বুৰঞ্জীয়ে আৰ্থাৰৰ জন্ম মাক দেউতাকৰ পৰিচয় আৰ্থাৰৰ ইউৰোপত সামৰিক অভিযান আৰু মৃত্যু—এই সকলোখিনি সামৰিছে। কিন্তু ইয়াত Lancelot Tristram বা Holly Grail-অৰ উল্লেখ নাই। তথাপিও এই কথা অনস্বীকাৰ্য্য যে আৰ্থাৰীয় সাহিত্যৰ ক্ৰমবিকাশত জিওফ্ৰীয় অৱদান আন সকলোতকৈ বেছি। সেইকাৰণ Compton Rickett য়ে কৈছে—"Among the writers who contributed to the literary evolution of the Arthurian cycle the first place must be assigned to Geoffrey of Monmounth জিওফ্ৰীৰ Historia কিমান জনপ্ৰিয় আছিল তাক পাণ্ডুলিপিৰ সংখ্যাৰ পৰাই বুজিব পাৰি। কেৱল বৃটিছ মিউজিয়ামতেই ইয়াৰ ৩৫টা প্ৰতিলিপি আছে। ইয়াৰ উপৰিও এই বুৰঞ্জীখন বিভিন্ন সময়ত বিভিন্নজনে অনুবাদ কৰিছে।

জিওফ্ৰীৰ মৃত্যুৰ পাঁচ বছৰ আগতে ১১৫ খৃষ্টাব্দত গেইমাৰ (Gaimer) নামৰ এজন এংলো নৰ্মান কবিয়ে Historia ৰ ফৰাচী ভাষাত পদ্যানুবাদ কৰে। এই অনুবাদ শেষ হৈছিল দুটা অংশত। প্ৰথম অংশটোৰ নাম আছিল Estorie des

Bretons' আৰু দ্বিতীয়টোৰ নাম আছিল Estorie des Angles প্ৰথম অংশটো এতিয়া পাবলৈ নাই কিন্তু ইয়াত 'rhyme ব্যৱহাৰ কৰা বুলি জানিব পৰা গৈছে। জিওফ্ৰীৰ বুৰঞ্জী'ৰ ফৰাচী ভাষালৈ পদ্যানুবাদ কৰা আনজন নৰ্মান কবি হ'ল ৰবাৰ্ট ওৱেছ (Robert Wace)। এওঁৰ ৰচিত পদ্যানুবাদটোৰ নাম হ'ল Roman de Brut সাধাৰণতে ইয়াক Brut বুলিয়েই জনা যায়। অনুবাদটিৰ কাম সম্পূৰ্ণ হয় ১১৫৫ চনত। ওৱেছ আছিল এজন দৰবাৰী কবি আৰু তেওঁৰ অনুবাদত ৰজা আৰ্থাৰ মূৰ্ত হৈ উঠিছে সাহস বীৰত্ব আৰু দয়া দাক্ষিণ্যৰ জীৱন্ত প্ৰতীকৰূপে নৰ্মান সকলৰ কল্পনাশক্তিয়ে সৃষ্টি কৰা তেওঁ এজন আদৰ্শ বীৰ যোদ্ধা। যদিও কবিতাটোৰ অনুবাদৰ ভিত্তি জিওফ্ৰীৰ বুৰঞ্জী তথাপি ওৱেছক আমি কেৱল এজন নীৰস আৰু আক্ষৰিক অনুবাদক বুলি কব নোৱাৰো। জিওফ্ৰীৰ বিষয়বস্তুক তেওঁ নিজস্ব ৰহণেৰে বোলাই চিত্ৰধৰ্মী বৰ্ণনাৰে মনোগ্ৰাহী কৰি তুলিছে। ৰোমান্টিক ঐতিহ্য বা ৰোমান্সধৰ্মী গল্পৰ জগতো ওৱেছৰ পৰিচয় নিশ্চয় আছিল যিটোৰ অভাৱ আমি জিওফ্ৰীৰ ক্ষেত্ৰত অনুমান কৰিব পাৰো। ৰজা আৰ্থাৰৰ Round table-অৰ উল্লেখ আমি পোন-প্ৰথমতে ওৱেছৰ অনুবাদতেই পাওঁ। ইয়াৰ উপৰিও আৰ্থাৰৰ বিদায়ৰ বৰ্ণনাও ওৱেছে বেছি বিস্তাৰিত ভাৱে দিছে। ওৱেছে আৰ্থাৰক এভেলনত এৰি থৈ অনুবাদ শেষ কৰা নাই তেওঁৰ মতে আৰ্থাৰ এতিয়াও তাতেই আছে ইংলণ্ডবাসীয়ে তেওঁক অপেক্ষা কৰি আছে আৰু তেওঁ ঘূৰি আহিব বুলি আশা কৰিছে। ওৱেছৰ অনুবাদৰ গুৰুত্ব এইখিনিতে যে কবিতাটোৱে বুৰঞ্জী (Chronicle) আৰু বিশুদ্ধ ৰোমান্সৰ (Pure romance) মধ্যৱৰ্তী স্তৰ এটাৰ নিদৰ্শন দাঙি ধৰে। Wace occupies an important position not only an account of his poetic gifts and his contribution to the Arthurian story but also because the metrical chronicle (Brut) forms a link between the prose chronicle and the metrical romance (Compton Rickett)

ৰজা আৰ্থাৰ সম্বন্ধে এতিয়ালৈকে আমি যিমানবোৰ আখ্যান উল্লেখ কৰিলো সেইবোৰৰ কেতবোৰ লিখা হৈছিল লেটিন ভাষাত আৰু কেতবোৰ ফৰাচী ভাষাত। এই আখ্যান ইংৰাজী ভাষাত পোনপ্ৰথমে ৰচনা কৰে লায়ামন (Layamon) নামৰ এজন ইংৰাজ কবিয়ে। তেওঁৰ ৰচিত কবিতাটোৰ নাম হ'ল 'Brut ইয়াক লিখা হৈছিল ত্ৰয়োদশ শতিকাৰ আগছোৱাত। লায়ামনৰ কবিতাটোৰ মূল হ'ল ওৱেছৰ একে নামৰ কবিতাটো। তথাপিও কবিতাটোত লায়ামনৰ স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ বৰ্তমান। লায়ামনৰ দৃষ্টিত ৰজা আৰ্থাৰ হ'ল এজন আদৰ্শ ইংৰাজ বীৰপুৰুষ এজন

ঐতিহাসিক ব্যক্তি যাৰ ৰোমাণ্টিক বিশদো বাদ দিলেও চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰাই ইংৰাজ জাতিৰ এজন সন্মানীয় ব্যক্তি। ওৱেছৰ কবিতাত নথকা বহুতো নতুন কথাৰ সন্ধেদ আমি লায়ামনৰ কবিতাটোত পাওঁ। উদাহৰণ স্বৰূপে স্বদেশলৈ শেষ বাৰৰ বাবে প্ৰত্যাবৰ্তন কৰাৰ আগতে আৰ্থাৰে দেখা সপোনৰ বৰ্ণনা লায়ামনৰ নিজা সংযোজন। সেইদৰে Round Table অৰ উৎপত্তি আৰু ইয়াৰ নিৰ্মাণৰ কাহিনীও তেওঁৰ নিজা। ঘূৰণীয়া মেজখনৰ কাষত একেলগে যোলশ জন মানুহ বহিব পাৰিছিল আৰু যাদুবিদ্যাৰ সহায়ত ইয়াক যলে তলে ৰজা আৰ্থাৰে লৈ যাব পাৰিছিল। লায়ামনে ইচ্ছা কৰিলে এনেকুৱা ধৰণৰ আৰু বহুকথা যোগ দি কাহিনীটো বেছি চিত্তাকৰ্ষক কৰি তুলিব পাৰিলেহেঁতেন। তথাপিও কবিতাটো হ'ল a notable contribution to Arthurian story and has the unique distinction of being the first celebration of "the matter of Britain in the English tongue লায়ামনৰ Brut অৰ বাহিৰেও এ লো নৰ্মান যুগত আন কেইটামান metrical romance বা পদ্যত ৰচিত ৰোমান্সৰ সৃষ্টি হয়। সেইবোৰৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল King Horn Havelok the Dane Guy of Warwick Sir Bevis of Hampton আৰু Athelston এই কেইটাৰ ভিতৰত প্ৰথমে উল্লেখ কৰাটো হ'ল আটাইতকৈ প্ৰাচীন।

ৰজা হৰ্ণৰ কাহিনী ফৰাচী ভাষাতো ৰচিত হৈছে কিন্তু ইংৰাজীত ৰচিত ছন্দোবদ্ধ ৰোমান্সটোৰ উৎস ফৰাচী কবিতা নহয় ই একেবাৰে স্বকীয় ৰচনা ইয়াৰ মূল ইংলণ্ডত ৰচিত গল্পই। ইয়াৰ ৰচনাৰ সময় হ'ল ত্ৰয়োদশ শতিকা আৰু কবিতাটো পোন্ধৰ শ শাৰীযুক্ত। হৰ্ণ হ'ল দক্ষিণ ডেনল্যাণ্ডৰ ৰজা মাৰীৰ পুত্ৰ। তেওঁৰ চেহেৰা আছিল অত্যন্ত চকুতলগা। ফুৰাচকা কৰোতে তেওঁৰ লগত আছিল সদায় বাৰজন সঙ্গী। সেইবোৰৰ ভিতৰত এথাল্‌ফ আৰু ফিকেন্‌হিল্ড নামৰ দুজনক তেওঁ বৰ ভাল পাইছিল। পিছত অৱশ্যে ফিকেন্‌হিল্ডে বিশ্বাসঘাতকতা কৰে। ৰজা মাৰীয়ে এদিন দেখিলে যে চেৰাচেন সকলে পোন্ধৰখন জাহাজ লৈ তেওঁৰ ৰাজ্য আক্ৰমণ কৰিছে। যুদ্ধত ৰজা মাৰী আৰু তেওঁৰ বহুতো সৈন্য নিহত হ'ল। শত্ৰুই দেশ এফালৰ পৰা চাৰখাৰ কৰা আৰম্ভ কৰিলে। গীৰ্জাবোৰ ধ্বংস কৰা হ'ল আৰু বহুতো লোকক হত্যা কৰা হ'ল। হৰ্ণৰ মাক ৰাণী গডহিল্ডে এটি গুহাত আশ্ৰয় ললে। চেৰাচেন সকলে হৰ্ণৰ প্ৰতি দয়া পৰবশ হৈ তেওঁক নামাৰি কেইজনমান লগৰীয়াৰ সৈতে জাহাজত তুলি দি সাগৰত মেলি দিলে। সাগৰেদি কেইদিনমান উটি আহি তেওঁলোকে আন এখন ৰাজ্যত উপস্থিত হ'ল। সেই ৰাজ্যৰ ৰজাজনৰ নাম আছিল আইলমাৰ। ৰজাই

হৰ্ণৰ নামধাম শুনি তেওঁৰ বাজ্যত থাকিবলৈ আবেবে অনুমতি দিলে। তেওঁৰ শিক্ষা দীক্ষাবো ব্যৱস্থা কৰি দিলে। চিকাৰ কৰা বাছবখা বাঁহী বজোৱা আদিৰ শিক্ষা তেওঁক দিয়া হ'ল। হৰ্ণে সকলোবোৰ ভতালিকে শিকি পেলালে আৰু বাজ্যৰ সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিল। ইয়াৰ উপৰিও তেওঁ বাজকুঁৱৰী বাইমেনহিল্ডৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল। বাজকুঁৱৰীয়ে এথেলব্ৰাহ্ম নামৰ বাজকৰ্মচাৰী এজনক হৰ্ণক তেওঁৰ ওচৰলৈ লৈ যাবলৈ আদেশ দিলে কিন্তু তেওঁ কিবা ভয় কৰি হৰ্ণৰ সহচৰ এথাল্ফকহে বাজকুঁৱৰীৰ ওচৰলৈ লৈ গ'ল। বাজকুঁৱৰীয়ে এথাল্ফকে হৰ্ণ বুলি ভাবি আলিঙ্গন কৰি নিজৰ গভীৰ অনুৰাগৰ কথা ব্যক্ত কৰে। এথাল্ফে নিজৰ পৰিচয় প্ৰদান কৰাত বাজকুঁৱৰীৰ এথেলব্ৰাহ্মৰ ওপৰত বৰ খং উঠিল। তাৰ পিছত এথেলব্ৰাহ্মে হৰ্ণক বাজকুঁৱৰীৰ ওচৰলৈ লৈ আহিব বুলি প্ৰতিজ্ঞা কৰে আৰু সেইমতে কাম কৰে। হৰ্ণক বাজকুঁৱৰীৰ উদ্যানলৈ লৈ অহা হ'ল। বাজকুঁৱৰীয়ে তেওঁৰ মনৰ কথা ব্যক্ত কৰিলে কিন্তু হৰ্ণে তেওঁক বিয়া কৰাবলৈ সম্মতি প্ৰদান নকৰিলে। বাজকুঁৱৰী মূৰ্চ্ছা গ'ল। তেতিয়া হৰ্ণে কথা দিলে যে যদি বাজকুঁৱৰীয়ে তেওঁক এজন নাইট্‌ হবলৈ সুবিধা দিয়ে তেতিয়াহলে তেওঁ বাজকুঁৱৰীক বিয়া কৰাব।

ইয়াৰ পিছদিনা এথেলব্ৰাহ্মে বজাক হৰ্ণৰ কথাটো জনালে আৰু বজাই আগ্ৰহেৰে হৰ্ণ আৰু তেওঁৰ লগৰীয়া সকলোকে নাইট্‌ বুলি ঘোষণা কৰিলে। নাইট্‌ হোৱাৰ পিছত হৰ্ণে এতিয়া তেওঁৰ সাহস আৰু বীৰত্বৰ প্ৰমাণ দিব লগা হ'ল। এইটো আছিল এটা প্ৰচলিত দস্তুৰ। গতিকে তেওঁ দু সাহসিক অভিযানৰ কাৰণে ওলাল। যোৱাৰ সময়ত বাইমেনহিল্ডে তেওঁৰ হাতত এটি আঙঠি পিন্ধাই দিয়ে আৰু কয় যে বিপদত পৰিলে তেওঁ আঙঠিটোৰ ফালে চাই বাজকুঁৱৰীক মনত পেলালেই বিপদৰ পৰা হাত সাৰিব পাৰিব। বাইমেনহিল্ডৰ পৰা বিদায় লৈ হৰ্ণ ঘোঁৰাৰ পিঠিত উঠি অভিযানৰ কাৰণে ওলাল। তেওঁ ওলাই আহিয়েই সাগৰৰ পাৰত চেৰাচেন কিছুমানক লগ পায়। হৰ্ণে চেৰাচেনৰ নেতাজনক হত্যা কৰে আৰু তৰোৱালৰ আগেৰে তেওঁৰ মূৰটো খুচি আনি বজা আইল মাৰৰ ওচৰ পায়। তাৰ পিছত বাজকুঁৱৰী বাইমেন হিল্ডৰ ওচৰলৈ গৈ দেখে যে তেওঁ কান্দি বহি আছে। কি হ'ল সোধাত উত্তৰ দিলে যে এটি অতি বেয়া সপোন দেখি তেওঁ ভয় খাইছে। সপোনৰ কথা ফলিয়ালে কাৰণ হৰ্ণৰ লগৰীয়া ফিকেন্‌হিল্ডে বজাক লগালে যে হৰ্ণে তেওঁক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰিছে। কথা শুনি বজা আইলমাৰৰ খঙে চুলিৰ আগ পালেগৈ আৰু হৰ্ণক নিৰ্বাসন দণ্ড দিলে। হৰ্ণে বাজকুঁৱৰীৰ পৰা বিদায় লৈ কলে যে সাত বছৰতকৈ বেছি তেওঁৰ কাৰণে অপেক্ষা কৰিব নালাগে।

এই সাত বছৰ হৰ্ণে বিভিন্ন বীৰত্বপূৰ্ণ অভিযান আৰু চেৰচেনবোৰৰ লগত যুদ্ধ কৰি কটালে। এই সময়ছোৱাত ৰাজকুঁৱৰীৰ লগত তেওঁৰ কোনো ধৰণৰ যোগাযোগ নাছিল। এখালফে হৰ্ণলৈ খবৰ পঠালে যে ৰাজকুঁৱৰী ৰাইমেনহিল্ডৰ পাণিপ্ৰাৰ্থী ৰজা এজন উপস্থিত হৈছে। ৰজাজনৰ নাম হ'ল মোদী। কথা শুনি হৰ্ণ ততালিকে ঘূৰি আহিল আৰু গম পালে যে ৰাইমেনহিল্ডৰ বিয়া ইতিমধ্যে হৈ গৈছে। তেতিয়া তেওঁ এজন তীৰ্থযাত্ৰীৰ ভাও জুৰি ৰাজকুঁৱৰী থকা প্ৰাসাদটোলৈ আহিল। ৰাজকুঁৱৰীয়ে তেওঁক চিনি নাপালে আৰু হৰ্ণৰ বিষয়ে কিবা জানে নেকি সুধিলে। হৰ্ণে ইয়াৰ কোনো প্ৰত্যক্ষ উত্তৰ নিদি সুৰাপান কৰাৰ পিছত ৰাজকুঁৱৰীয়ে দিয়া আঙঠিটো তাতে এৰি থৈ গুচি গ'ল। ৰাইমেনহিল্ডে আঙঠিটো পিছত্তহে পালে আৰু হৰ্ণক দিয়া নিজৰ আঙঠিটো এনেদৰে পাই বৰ আচৰিত হ'ল। তেওঁ তীৰ্থযাত্ৰী জনক মাতি পঠিয়ালে আঙঠিটো কেনেকৈ পালে তাকে জানিবলৈ। হৰ্ণ আকৌ ঘূৰি আহিল আৰু কলে যে তেওঁ ঘূৰি ফুৰোতে হৰ্ণক লগ পাইছিল। ৰাজকুঁৱৰীক দিয়া বৰ্ণনা মতে এবাৰ হৰ্ণৰ জাহাজতে বেমাৰ হ'ল আৰু মৃত্যুৰ আগে আগে তেওঁ আঙঠিটো তীৰ্থযাত্ৰীজনৰ হাতত দি ঘূৰাই দিবলৈ কয়। এই কথা শুনি ৰাজকুঁৱৰী বলিয়াৰ দৰে হৈ উঠে আৰু কটাৰী এখন লৈ আত্মহত্যা কৰিবলৈ উদ্যত হয়। হৰ্ণে এই কাৰ্য্যত ততালিকে বাধা দিয়ে আৰু তীৰ্থ যাত্ৰীৰ পোছাক সোলোকাই আত্মপ্ৰকাশ কৰে। ইয়াকে দেখি ৰাইমেনহিল্ড আনন্দত উত্ৰাৱল হৈ পৰে আৰু হৰ্ণে তেওঁক কয় যে ৰজা মোদীৰ লগত হোৱা তেওঁৰ বিয়া ব্যৰ্থ কৰি দিব। ইয়াকে কৈ হৰ্ণে তেওঁৰ বিশ্বাসী অনুচৰবৰ্গৰ সৈতে অতিথি থকা প্ৰাসাদটোত সোমায় আৰু ৰজা মোদী সহিতে বহুতো লোকক হত্যা কৰে। ইয়াৰ পিছত হৰ্ণ আৰু ৰাজকুঁৱৰী ৰাইমেনহিল্ডৰ বিবাহ সম্পন্ন হয়।

ইমানতে ঘটনাৰ ওৰ নপৰিল। দেউতাকৰ হত্যাৰ প্ৰতিশোধ লবলৈ আৰু নিজৰ ৰাজ্য উদ্ধাৰ কৰিবলৈ হৰ্ণ দৃঢ় প্ৰতিজ্ঞা হ'ল। বিশ্বাসী অনুচৰ এথাল্ফৰ সহায়ত তেওঁ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় আৰু মাকক জীৱিত অৱস্থাত পাই তেওঁ আনন্দত অধীৰ হৈ পৰে। কিন্তু ইফালে আন এটা অঘটন ঘটে। হৰ্ণৰ অনুপস্থিতিৰ সুবিধা লৈ বিশ্বাসঘাতক ফিকেন্‌হিল্ডে ৰাইমেনহিল্ডক জোৰ কৰি বিয়া কৰোৱাৰ উদ্দেশ্যে এটা দুৰ্গত বন্দী কৰি থয়। এই কথা শুনি হৰ্ণ আকৌ নিজ ৰাজ্যৰ পৰা উভতি যায় আৰু ফিকেন্‌হিল্ডক হত্যা কৰি ৰাইমেনহিল্ডক উদ্ধাৰ কৰে। ইয়াৰ পিছত তেওঁ ৰাইমেনহিল্ডক নিজ ৰাজ্যলৈ লৈ আহে আৰু সুখে সন্তোষে দিন কটায়।

Havelok the Dane নামৰ ৰোমান্সটোও ত্ৰয়োদশ শতিকাত ৰচিত আনুমানিক ১২৮০ চনত। কবিতাটোত মুঠতে তিনি হাজাৰ পংক্তি আছে। কাহিনী

আৰম্ভ হৈছে ইংলণ্ডৰ ৰজা এথেলউডৰ বৰ্ণনাৰে। এথেলউড হ ল ক্ষমতাশালী ৰজা আৰু কঠোৰ শাসনকৰ্তা। তেওঁৰ দিনত আইন ইমান কঠোৰ আছিল যে দেশত চোৰ ডকাইতৰ উৎপাত নাছিল আৰু সকলো ফালে শান্তি বিৰাজ কৰিছিল। সন্তান বুলিবলৈ ৰজাৰ আছিল একমাত্ৰ জীয়েক এজনী নাম হ ল গোল্ডবৰো। মৃত্যুৰ সময়ত ৰজা এথেলউডে আৰ্ল গড্ৰিছক ছোৱালীজনীৰ অভিভাৱকে পাতি থৈ যায়। আৰ্লে ছোৱালীজনীক উপযুক্ত পাত্ৰত গতাই দিবলৈ বুলি প্ৰতিজ্ঞা কৰে আৰু ৰাজ্যৰ সমস্ত দায়িত্ব গ্ৰহণ কৰে। আৰ্ল গড্ৰিছ ইমান ক্ষমতাশালী হৈ উঠিল যে তেওঁক সকলোৱে সমীহ কৰি চলিব লগা হ ল।

ইয়াৰ পিছত ৰোমাঞ্চটোৰ ঘটনা ডেনমাৰ্কৰ। ডেনমাৰ্কৰ ৰজাৰ নাম হ ল বাৰ্কেবিন। তেৱোঁ মৃত্যুমুখত। ৰজাৰ সন্তান তিনিটি। নাম হ ল যথাক্ৰমে হেভলক চোৱানবৰো আৰু হেলফিল্ড। মৃত্যুৰ সময়ত ৰজাই সন্তান তিনিটিৰ অভিভাৱক হিচাপে আৰ্ল গদাৰ্ডক নিয়োগ কৰে। বয়স হলে হেভলকক ডেনমাৰ্কৰ ৰজা পাতিব বুলি তেওঁ প্ৰতিজ্ঞা কৰে। কিন্তু বিশ্বাসঘাতক আৰ্লে নিজৰ কথা নাৰাখিলে। ৰজা বাৰ্কেবিনৰ মৃত্যুৰ পিছতেই তেওঁ সন্তান তিনিটিক এটি দুৰ্গত বন্দী কৰি ৰাখিলে। এই দুৰ্গতেই আৰ্লে দুটি সন্তানক হত্যা কৰে। হেভলকক নিজে নামাৰি গ্ৰীম নামৰ মাছমৰীয়া এজনক মাতি আনি হেভলকক তাৰ হাতত গতাই দি সাগৰত পেলাই দিবলৈ আদেশ দিলে। কিন্তু গ্ৰীমে ল ৰাটোক নামাৰি নিজৰ ঘৰতে খুৱাই বুৱাই ৰাখিলে আৰু সাগৰত দলিয়াই দিয়া বুলি গদাৰ্ডক মিছাকৈয়ে কলে। এনেদৰে কৈ মাছমৰীয়া গ্ৰীমে নিজৰ বিপদহে চপাই ললে। দুষ্ট আৰ্লে কলে যে ল ৰাটোক মৰা তাৰ অপৰাধ সেইকাৰণে তাৰ মৃত্যুদণ্ড হ ব। ইয়াকে শুনি গ্ৰীমে হেভলক আৰু নিজৰ ল ৰা তিৰোতাক লগত লৈ ডেনমাৰ্কৰ পৰা পলাই আহি ইংলণ্ডত আশ্ৰয় ললে। আৰু তাতে মাছৰ ব্যৱসায় কৰি বাৰ বছৰ কটায়।

হেভলক লাহে লাহে ডাঙৰ হৈ আহিল আৰু জীৱিকাৰ উপায় চিন্তিবলৈ ধৰিলে। তেৱোঁ গ্ৰীমৰ লগত মাছৰ ব্যৱসায়ত লাগিল। কিন্তু এবাৰ এনেকুৱা অভাৱ-অনাটন হ ল যে তেওঁলোকে এই ব্যৱসায় কৰি চলিব নোৱাৰাত পৰিল। সেইকাৰণে গ্ৰীমে হেভলকক লিঙ্কন নামৰ ঠাই ডোখৰলৈ চাকৰি বিচাৰি যাবলৈ উপদেশ দিলে। উপদেশ মতে হেভলক লিঙ্কনলৈ আহিল আৰু আৰ্লৰ বান্ধনিজনৰ সহায়ক হিচাপে কামত সোমাল। পানী অনা আৰু খৰি ফলা—এই দুটাই হ ল তেওঁৰ প্ৰধান কাম। বান্ধনিজনে হেভলকক নতুন কাপোৰ কানি আনি দিলে। লাহে লাহে হেভলক সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিল।

এনে সময়তে আৰ্ল গত্রিছে নিজনত এখন সভাৰ আয়োজন কৰিলে। খেল খেমালিৰ প্ৰতিযোগিতা চলিল। হেভলকে এজোখৰ ডাঙৰ শিল দাঙি নিজৰ শাৰীৰিক শক্তিৰ পৰিচয় দিলে। তেওঁৰ কৃতিত্বৰ কথা মানুহৰ মুখে মুখে হ'ল আৰু অৱশেষত আৰ্ল গত্রিছৰ কাণত পৰিল। তেওঁৰ মনত পৰিল যে ৰজা এথেলউল্‌ফে তেওঁৰ জীয়েকক আটাইতকৈ বলবান লোকজনৰ লগত বিয়া দিবলৈ কৈছিল। গতিকে তেওঁ ৰাজকুঁৱৰী গোল্ডবোৰক মাতি পঠিয়ালে আৰু হেভলকৰ লগত বিয়াৰ কথা কলে। আৰ্লে ভাবিছিল যে হেভলক নিশ্চয় কোনোবা নীচ জাতিৰ লোক আৰু যিহেতু তেওঁৰ ৰাজকুঁৱৰীৰ প্ৰতি কোনো ভালভাব নাছিল সেইকাৰণে তেওঁ ৰাজকুঁৱৰীক হেভলকৰ লগত বিয়া দিয়াৰ প্ৰস্তাৱ তুলিলে। কিন্তু এই প্ৰস্তাৱত ৰাজকুঁৱৰী মান্তি নহ'ল। কলে যে ৰজাৰ বংশধৰৰ বাহিৰে তেওঁ আন কাকো বিয়া নকৰায়। হেভলকেও সম্মতি দিয়া নাছিল কিন্তু আৰ্লে ভীতি প্ৰদৰ্শন কৰাত শেষত সম্মতি প্ৰদান কৰে। উপায় নাপাই ৰাজকুঁৱৰী গোল্ডবৰোৱা সম্মতি প্ৰদান কৰিলে আৰু দুয়োৰে বিয়া হৈ গ'ল। তাৰ পিছত দুয়ো গ্ৰীমৰ ওচৰলৈ আহিল। গ্ৰীমে তেওঁলোকক অতি আদৰ সাদৰ কৰি ৰাখিলে। গোল্ডবৰোই এটি সপোন দেখিলে। সপোনত যেন দেৱদূতে কৈছে—"গোল্ডবৰো দুখ নকৰিবা হেভলক ৰজা হব আৰু তুমি ৰাণী হবা। হেভলককো সপোনত কোনোবাই নিজৰ হৃতৰাজ্য ডেনমাৰ্ক উদ্ধাৰৰ কাৰণে আহ্বান জনালে।

গ্ৰীম আৰু তেওঁৰ ল'ৰা ছোৱালীক লগত লৈ হেভলকে ডেনমাৰ্কলৈ যাত্ৰা কৰিলে। ডেনমাৰ্কত তেওঁ উবে নামৰ আৰ্ল এজনৰ আশ্ৰয়ত থাকিল। কেইদিনমান পিছত হেভলকে ৬১ জন আক্ৰমণকাৰীক হত্যা কৰি আকৌ এবাৰ বীৰত্ব প্ৰকাশ কৰিলে। এইদৰে কেইদিনমান থকাৰ পিছত কথাটো ওলাই পৰিল যে হেভলক ডেনমাৰ্কৰ ৰাজপুত্ৰৰ বাহিৰে আন কোনো নহয়। তেতিয়া ডেনমাৰ্কৰ সকলো বিষয়াই তেওঁৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিলে। হেভলকক এনেদৰে পাই সকলো আনন্দিত হ'ল। তেওঁলোকে গদাৰ্ডক আটক কৰি মৃত্যুদণ্ড বিহিলে। হেভলক আকৌ ইংলণ্ডলৈ ঘূৰি আহিল আৰু যুদ্ধত গত্রিছক হত্যা কৰিলে। ডেনমাৰ্কৰ আন আন লোক নিজ দেশলৈ ঘূৰি গ'ল। হেভলক কিন্তু গোল্ডবৰোৰ লগত ইংলণ্ডতে ৬০ বছৰ ৰাজত্ব কৰি থাকিল।

এংলো নৰ্মান যুগৰ আন এটি উল্লেখযোগ্য ছন্দোবদ্ধ ৰোমান্স হ'ল "Guy of Warwick" ইয়াৰ ৰচনাকাল হ'ল চতুৰ্দশ শতিকাৰ প্ৰথম ছোৱা। কবিতাটোত মুঠতে সাত হাজাৰ পংক্তি আছে। আখ্যানটোৰ মুঠতে তিনিটা ভাগ আছে আৰু

সেইকাৰণে অনুমান কৰা হয় যে ৰোমান্সটো আচলতে দুটা বা তিনিটা ৰোমান্সৰ সমষ্টি। আখ্যানটোৰ প্ৰথম অংশটোত গাই (Guy) আৰু ফেলিছৰ প্ৰেম কাহিনী বৰ্ণনা কৰা হৈছে। গোটেই ৰোমান্সটোৰ ঘটনা হৈছে ওৱাৰউইকৰ আৰ্ল আৰু তেওঁৰ জীয়েক ফেলিছৰ ঘটনা সংক্ৰান্ত। ফেলিছ আছিল অত্যন্ত ধুনীয়া বুদ্ধিমতী আৰু উচ্চ শিক্ষিতা। বহুতো ডিউক আৰু আৰ্ল তেওঁৰ পাণিপ্ৰাৰ্থী হৈ বিফল হব লগা হৈছিল।

গাই হ'ল আৰ্লৰ বিশ্বাসী কৰ্মচাৰী এজনৰ পুতেক। তেওঁ আছিল ধুনীয়া ভদ্ৰ আৰু বিভিন্ন বিদ্যাত পাৰ্গত। এবাৰ আৰ্লে এটি ডাঙৰ ভোজমেলৰ আয়োজন কৰে আৰু ফেলিছৰ ইটো সিটো কাম কৰিবলৈ গাইক নিৰ্দেশ দিয়া হয়। একেবাৰে ওচৰ সান্নিধ্যৰ হেতু গাই স্বাভাৱিকতে ফেলিছৰ প্ৰতি আকৰ্ষিত হয়। তাৰ পিছত তেওঁ নিজৰ মনৰ কথা ফেলিছৰ আগত ব্যক্ত কৰে। ফেলিছে কিন্তু গাইৰ প্ৰতি কোনো সহানুভূতি প্ৰকাশ নকৰি তেওঁক আঁতৰাই পঠায়। নিজৰ ভাগ্যকে দোষ দি গাই নিজ ঘৰলৈ হতাশ মনেৰে গুছি আহিল। কিন্তু আকৌ এবাৰ তেওঁ ফেলিছৰ ওচৰ চাপিল। এইবাৰ কিন্তু ফেলিছৰ মনটো কিছু কোমলিল আৰু কলে যে যদি তেওঁ এজন নাইট্ হব পাৰে তেতিয়াহলে তেওঁ প্ৰেমৰ প্ৰতিদান পাব। আৰ্লে গাইক এজন নাইট্ বুলি ঘোষণা কৰিলে কিন্তু তেওঁ নিজৰ সাহসৰ পৰিচয় নিদিয়ালৈকে ফেলিছে তেওঁক গ্ৰহণ কৰিবলৈ সন্মত নহ'ল। গায়ে বহুতো দুঃসাহসিক অভিযান সমাপ্ত কৰি নিজৰ বীৰত্বৰ পৰিচয় দিলে। ফেলিছ তথাপিও সন্তুষ্ট নহ'ল। তেওঁৰ কথা হ'ল গায়ে নিজকে সৰ্বোৎকৃষ্ট নাইট্ বুলি প্ৰমাণ কৰিব লাগিব। গতিকে গাই দ্বিতীয়বাৰ অভিযানৰ বাবে ওলাল। এইবাৰ তেওঁ ইউৰোপৰ বিভিন্ন ঠাইত যুদ্ধত জয়লাভ কৰি বীৰত্বৰ পৰিচয় দিয়ে আৰু ওৱাৰউইকলৈ ঘূৰি আহি ফেলিছক বিয়া কৰায়। আখ্যানটোৰ ইয়াৰ পিছৰ ছোৱাত গাই আৰু ফেলিছৰ মৃত্যুৰ কথা বৰ্ণনা কৰা হৈছে।

Beivs of Hampton নামৰ ৰোমান্সটোও চতুৰ্দশ শতিকাৰ প্ৰথম ভাগৰ ৰচনা। ইয়াত মুঠতে ৪ হাজাৰ পংক্তি আছে। আখ্যানটো এনে ধৰণৰ —

চাউদামটনৰ আৰ্লৰ নাম হ'ল গাই (Guy)। তেওঁ স্কটলেণ্ডৰ ৰজাৰ জীয়েকক বিয়া কৰায়। আলমেইনৰ সম্ৰাটে এইজনী ছোৱালীক বিয়া কৰাব খুজিছিল কিন্তু ৰজাই গাইলৈকেহে জীয়েকক বিয়া দিয়ে। গাইৰ এটি পুত্ৰসন্তান জন্মে। নাম হ'ল বেভিছ (Bevis)। ল'ৰাটোৰ জন্মৰ পিছত মাকৰ বৰ অসন্তুষ্ট হৈ পৰিল আৰু দেউতাকৰ মৃত্যু ঘটাই সম্ৰাট আলমেইনৰ ওচৰলৈ ঘূৰি যোৱা ঠিক কৰিলে।

সেই উদ্দেশ্যে তেওঁ সম্ৰাটকে মে মাহৰ ১ তাৰিখে ইংলণ্ডলৈ আহিবলৈ মান্তি পটিয়ালে যাতে তেওঁ সাগৰৰ পাৰৰ হাবিত গাইক হত্যা কৰিব পাৰে। সম্ৰাটে গাইৰ বৈণীয়েকৰ কথা মতে কাম কৰিবলৈ গাত ললে। মে মাহৰ ১ তাৰিখে বৈণীয়েকে অসুখ হোৱা ভাও জুৰিলে আৰু কলে যে গাহৰিৰ মাংস খালে তেওঁৰ অসুখ ভাল হৈ যাব। এই ধৰণে বুদ্ধি সাজি তেওঁ গিৰীয়েকক হাবিলৈ গাহৰি চিকাৰ কৰিবলৈ পঠাই দিলে। সম্ৰাটে গাইক হাবিৰ মাজত হত্যা কৰে আৰু কটা মূৰটো বৈণীয়েকৰ ওচৰলৈ পঠাই দিয়ে।

দেউতাকৰ হত্যাকাণ্ডত বেভিছে মৰ্মান্তিক আঘাত পালে আৰু মাকক হত্যাকাণ্ডৰ কাৰণে গালি-গালাজ পাৰিলে। এইবাৰ মাকে নিজৰ ল'ৰাকো হত্যা কৰাৰ কাৰণে চেবাৰ নামৰ লোক এজনক ভাৰ দিলে। চেবাৰে কিন্তু ল'ৰাটোক নামাৰি মিছাকৈয়ে মৰা বুলি জনালে। তেওঁক ভেড়াৰখীয়াৰ সাজ পিন্ধাই ভেড়া চৰাবলৈ দিলে আৰু শিক্ষাদীক্ষাৰ কাৰণে আৰ্ল এজনৰ ওচৰলৈ পঠাবলৈ ঠিৰাং কৰিলে। বেভিছে এদিন সম্ৰাটক ঘৰ এটিত আনন্দত মতলীয়া হৈ থকা দেখিলে আৰু খণ্ডতে তিনি কোব সোধালে। সম্ৰাট কিন্তু নমৰিল বেভিছহে আটক হ'ল। মাকে তেওঁক আৰ্মেনিয়াৰ কিছুমান বেপাৰীৰ ওচৰত বিক্ৰী কৰি দিলে। বেভিছে আৰ্মেনিয়াৰ ৰজাৰ এজন বিষয়া হ'ল। ৰাজকুঁৱৰী জোচীয়ানৰ হৃদয়ো জয় কৰিলে। কিন্তু বেভিছ আৰ্মেনিয়াত বেছিদিন থাকিব নোৱাৰা হ'ল। আন আন বিষয়াই তেওঁক হিংসা কৰা আৰম্ভ কৰিলে আৰু তাৰ ফলস্বৰূপে তেওঁ আৰ্মেনিয়া ত্যাগ কৰি দামাস্কাছলৈ গুছি আহিল।

দামাস্কাছলৈ আহি বেভিছে সাত বছৰৰ বাবে জেল খাব লগা হ'ল। কিন্তু অৱশেষত জেলৰ পৰা পলাবলৈ সক্ষম হ'ল। জেলৰ পৰা ওলাই তেওঁ জেৰুচালেমলৈ গতি কৰিলে আৰু বাটতে এজন নাইটৰ পৰা জোচীয়ানৰ বিয়াৰ কথা জানিব পাৰিলে। ইয়াকে শুনি তীৰ্থযাত্ৰী এজনৰ বেশ ধৰি বেভিছ জোচীয়ানৰ ওচৰ পালে আৰু ঘোঁৰাৰ পিঠিত তুলি জোচীয়ানক পলুৱাই লৈ গুছি গ'ল। এইবাৰ তেওঁ আহি জাৰ্মেনী পালে। জাৰ্মেনীত জোচীয়ানক এৰি থৈ বেভিছ আহিল ইংলেণ্ডলৈ দেউতাকৰ হত্যাৰ প্ৰতিশোধ লবলৈ। এই কামত তেওঁ সফলতা লাভ কৰে। ৰোমান্সটোৰ মূলকথা এইখিনিয়েই। বেভিছ আৰু জোচীয়ানৰ মৃত্যুৰ বৰ্ণনাৰ পিছতে আখ্যানটোৰ সামৰণি পৰিছে।

Athelston নামৰ ৰোমান্সটো ওপৰত উল্লেখ কৰা কেইটাৰ সমান জীৱনীয়া

নহয় মাত্ৰ ৮ শাৰীৰ। ৰচনাৰ সময় আনুমানিক ১৭৫ চন। চাৰিজন বাৰ্তাবাহী এখন হাবিত অকস্মাৎ লগ লাগে আৰু তেওঁলোকৰ মাজত বন্ধুত্ব গঢ়ি উঠে। তাৰে এজনৰ নাম হ'ল এথেলষ্টন। তেওঁ ইংলণ্ডৰ ৰজা হয় আৰু বাকী তিনিজনৰ এজনক কেণ্টাৰবেৰীৰ আৰ্চবিছপ পাতে আৰু এজনক ডোভাৰৰ আৰ্ল পাতে আৰু তৃতীয়জনলৈ এথেলষ্টনে নিজৰ ভনীয়েকক বিয়া দিয়ে আৰু তেওঁক ষ্টেনৰ আৰ্ল পাতে। এই ৰোমান্সটোৰ আখ্যানভাগ বৰ আকৰ্ষণীয় নহয়।

এইবোৰৰ বাহিৰেও অনুপ্ৰাসযুক্ত কেইটামান ৰোমান্সে এংলো নৰ্মান যুগত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। সেই ৰোমান্সকেইটা হ'ল Sir Gawayn and the Green Knight The Pearl Cleanness আৰু Patience

আৰ্থাৰীয় ৰোমান্সবোৰৰ ভিতৰত গাৱেনক কেন্দ্ৰ কৰি লিখাবোৰ বেছি চিত্তাকৰ্ষক। সেইবোৰৰ ভিতৰত আকৌ Sir Gawayn and the Green Knight নামৰ ৰোমান্সটো বেছি মনোগ্ৰাহী। এই দীঘলীয়া কবিতাটোত মুঠতে ২৫ শাৰী আছে আৰু ই চতুৰ্দশ শতিকাৰ ৰচনা। লেখকৰ নাম অজ্ঞাত। এই ৰোমান্সটোৰ গুৰুত্ব কেইবাটাও কাৰণত। প্ৰথম হ'ল যদিও এই কবিতাটোৰ বিষয়বস্তুৰ উৎস ফৰাচী সাহিত্যৰ তথাপি ইংৰাজ কবিৰ কাব্যশৈলীৰ চমৎকাৰিত্ব অনস্বীকাৰ্য্য। দ্বিতীয়তে এই ৰোমান্সটোৰ ৰচকৰ নাম অজ্ঞাত হলেও তেওঁকেই এংলো নৰ্মান যুগৰ আটাইতকৈ শ্ৰেষ্ঠ ইংৰাজ কবি বুলি ধৰিব পাৰি। তৃতীয়তে, এই কবিতাটো নাটকীয় গুণবিশিষ্ট। ইয়াৰ চিত্ৰধৰ্মী বৰ্ণনা আৰু নৈতিক গুণৰ ওপৰত দিয়া গুৰুত্বই ৰোমান্সটোক পাঠকৰ বেছি আদৰণীয় কৰি তুলিছে। কবিতাটো অনুপ্ৰাস প্ৰধান আৰু একোটা স্তৱকত বিশৰ পৰা চল্লিশলৈকে পংক্তি আছে।

চাৰ গাৱেনৰ কাহিনী অত্যন্ত চমকপ্ৰদ। নৱবৰ্ষৰ দিনা ৰজা আৰ্থাৰে তেওঁৰ নাইটসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ এটি ভোজমেলত কথা বতৰা পাতি আছিল। ঠিক তেনে সময়তে সেউজীয়া বৰ্ম পৰিহিত এজন বিৰাটাকাৰ নাইট সেই ঠাইত উপস্থিত হ'ল আৰু ৰজা আৰ্থাৰৰ সৰ্বশ্ৰেষ্ঠ বীৰজনক দ্বন্দ্বযুদ্ধৰ কাৰণে প্ৰত্যাহ্বান জনালে। তেওঁ কলে যে তেওঁৰ প্ৰত্যাহ্বান গ্ৰহণ কৰা নাইটজনক তেওঁ নিজৰ ডিঙিটো কুঠাৰেৰে কাটিবলৈ আগবঢ়াই দিব যদিহে আনজনেও তেওঁৰ ডিঙিটো পিছত কাটিবলৈ আগ বঢ়াই দিয়ে। প্ৰথমতে সকলোৰে ভয়তে চক্ খাই উঠিল। পিছত আৰ্থাৰৰ বক্তৃতাত অনুপ্ৰাণিত হৈ চাৰ গাৱেন নামৰ নাইটজনে প্ৰত্যাহ্বান গ্ৰহণ কৰিলে। সেই অনুসৰি তেওঁ সেউজীয়া বৰ্ম পৰিহিত নাইটজনৰ হাতৰ পৰা কুঠাৰখন লৈ তেওঁৰ ডিঙিত এক

খাপ মাৰি মূৰটো মাটিত বগৰাই দিলে। কিন্তু সেই নাইটজন আছিল এজন যাদুকৰ। নিজৰ কটা মূৰ নিজে হাতত লৈ ঘোঁৰাত উঠি ততালিকে তেওঁ সেই ঠাই এৰি গুছি গ'ল। যাওঁতে কৈ গ'ল যে গাৱেনে তেওঁৰ কথা ৰাখিব লাগিব আৰু সেউজীয়া গীৰ্জা এটি থকা ঠাইডোখৰ বিচাৰি উলিয়াব লাগিব। তাতে তেওঁ পিছৰ নৱবৰ্ষৰ দিনা গাৱেনৰ শিৰচ্ছেদ কৰিব।

ইয়াৰ পিছত কবিতাটোত বৰ্ণনা কৰা হৈছে কেনেকৈ গাৱেনে গভীৰ অৰণ্যৰ মাজেদি ঘোঁৰাত উঠি সেউজীয়া গীৰ্জাৰ অন্বেষণ কৰে। বতাহ বৰষুণ বন্য জন্তু দৈত্য দানৱ আদিৰ সন্মুখীন হৈয়ো গাৱেনে গ্ৰীন নাইটক বিচাৰি চলাথ কৰে। তাৰ পিছত বৰদিনৰ আগদিনা তেওঁ মেৰীক প্ৰাৰ্থনা জনায় যাতে গীৰ্জাটো বিচাৰি উলিয়াব পাৰে। সেই প্ৰাৰ্থনাৰ ফলস্বৰূপে তেওঁ এটি বৰ ডাঙৰ দুৰ্গ দেখিবলৈ পায়। সেই দুৰ্গটোৰ ভিতৰত আছিল এজন বয়সীয়াল যোদ্ধা আৰু তেওঁৰ পত্নী। তিৰোতাগৰাকী আছিল অত্যন্ত সুন্দৰী। তেওঁলোক দুয়ো গাৱেনক আদৰ অভ্যৰ্থনা কৰি ভিতৰলৈ লৈ গ'ল। গাৱেনে অনুমান কৰিলে যে তেওঁ এতিয়া অন্তত সেই গ্ৰীন নাইটৰ গীৰ্জাৰ ওচৰ পাইছে। ঘূৰি ঘূৰি বৰ ভাগৰ লগা কাৰণে তেওঁ অলপ জিৰাই ল'লে।

কবিতাটোৰ ইয়াৰ পিছৰ অংশত গাৱেনে কেনেদৰে দিন কটালে তাৰ বৰ্ণনা আছে। বৃদ্ধ বীৰপুৰুষজনে চিকাৰৰ কাৰণে সদায় ৰাতিপুৱা বাহিৰলৈ ওলাই যায় আৰু গাৱেন সেই সুন্দৰী তিৰোতাগৰাকীৰ লগত দুৰ্গত বহি থাকে। গাৱেন আৰু সেই বীৰপুৰুষজনৰ মাজত এটা চুক্তি আছিল এয়ে যে দিনটোৰ ভিতৰত এজনে যিটো আটাইতকৈ ভাল বস্তু পায় সেইটো আনজনক গধূলি উপহাৰ দিব। গিৰীয়েকৰ অনুপস্থিতিত ঘৈণীয়েকে গাৱেনক প্ৰলোভিত কৰিবলৈ যত্ন কৰে আৰু এটি চুমা খায়। গধূলি ঘূৰি আহি বীৰপুৰুষজনে গাৱেনক চিকাৰ কৰা বস্তু দিয়ে আৰু গাৱেনে তেওঁক এটি চুমা খায়। এনেকৈ তিনিদিন যোৱাৰ পিছত সেই সুন্দৰীয়ে গাৱেনক আঙঠি এটি উপহাৰ দিয়ে কিন্তু গাৱেনে তাক গ্ৰহণ নকৰিলে। ইয়াৰ পিছত এটি মন্ত্ৰপুত সেউজীয়া বৰ্ম উপহাৰ দিয়ে। এই বৰ্ম পৰিহিত হ'লে মৃত্যুৰ পৰা হাত সাৰিব পাৰি। গাৱেনে এই উপহাৰটো গ্ৰহণ কৰিলে। এই বৰ্মৰ কথাটো গুপুতে ৰাখিব বুলিও সেই সুন্দৰীক তেওঁ কথা দিলে। গতিকে ইয়াত গাৱেন দুটা পৰস্পৰ বিৰোধী চুক্তিৰ সন্মুখীন হ'ল। আনদিনাৰ দৰে সেইদিনাও সেই বীৰপুৰুষ যেতিয়া ঘৰলৈ উভতিল, গাৱেনে তেওঁক চুমা এটি খালে কিন্তু বৰ্মটোৰ বিষয়ে একো নকলে।

কবিতাটোৰ শেষৰ অংশত গাৱেনক গীৰ্জাটোত দেখুওৱা হৈছে। গীৰ্জাটো আছিল এডোখৰ নিৰ্জন ঠাইৰ মাজত। গাৱেনে ইয়াৰ ওচৰ পাৱেই কুঠাৰত ধাৰ

দিয়া শৰ্ত শুনিবলৈ পালে। গীৰ্জাটোৰ পৰা গ্ৰীন্ নাইট ওলাই আহিল আৰু কুঠাৰেৰে গাৱেনক দুবাৰ আঘাত কৰিলে কিন্তু একো অনিষ্ট কৰিব নোৱাৰিলে। তৃতীয় বাৰতহে তেওঁ গাৱেনক আঘাত কৰিব পাৰিলে। আঘাত পোৱাৰ পিছত গাৱেনে হাতত তৰোৱাল তুলি ললে আৰু গ্ৰীন নাইটক কলে যে চুক্তি অনুসৰি তেওঁ এবাৰহে আঘাত কৰিব লাগিছিল তিনিবাৰ নহয়। গতিকে ইয়াৰ পিছত যদি তেওঁ আকৌ আঘাত কৰিব খোজে তেতিয়াহলে গাৱেনে ইয়াক প্ৰতিৰোধ কৰিব।

তেতিয়া গ্ৰীন্ নাইটে সকলো কথা ভাঙি পাতি কবলৈ ধৰিলে। যিটো দুৰ্গত গাৱেনে যোৱা কেইদিন আশ্ৰয় লৈছিল সেই দুৰ্গটো তেওঁৰেই। প্ৰথম দুবাৰৰ আঘাত নিষ্ফল হোৱাৰ কাৰণ হ ল গাৱেনৰ সত্যবাদিতা আৰু সততা। সুন্দৰীৰ পৰা চুমা লাভ কৰাৰ কথা তেওঁ লুকোৱা নাই। কিন্তু তৃতীয়বাৰ তেওঁ মন্ত্ৰপূত বৰ্মটোৰ কথা গোপনে ৰাখিলে আৰু সেইকাৰণে তৃতীয়বাৰ তেওঁ আঘাতপ্ৰাপ্ত হ ল। তাৰ পিছত গ্ৰীন্ নাইটে আকৌ কলে যে সেই মন্ত্ৰপুত বৰ্মটো তেওঁৰেই আৰু সেইটো ঘৈণীয়েকেই বুই দিয়া। এই কথাও লাজ পাই গাৱেনে বৰ্মটো দলিয়াই পেলালে আৰু নিজৰ দোষৰ প্ৰায়শ্চিত্ত কৰিবলৈ বিচাৰিলে। তেতিয়া গ্ৰীন্ নাইটে তেওঁক বুজালে যে তেওঁৰ দোষৰ প্ৰায়শ্চিত্ত হৈ গৈছে। বৰ্মটোও তেওঁক উপহাৰ দিলে। গাৱেন আৰ্থাৰৰ ৰাজসভালৈ ঘুৰি আহি গোটেই ঘটনাৰ বৰ্ণনা দিলে। তেতিয়াৰ পৰাই আৰ্থাৰৰ নাইট্‌সকলে সেউজীয়া বৰ্ম পিন্ধা প্ৰথা প্ৰৱৰ্তিত হ ল।

Sir Gawayn and the Green Knight কবিতাটোৰ লগত একে পাণ্ডুলিপিতে Pearl নামৰ কবিতাটোও পোৱা হৈছে আৰু দুয়োটি কবিতাৰ ৰচক একেজনেই বুলি অনুমান কৰা হয়। বোধহয় Cleanness আৰু Patience কবিতা দুটিও একেজন কবিৰে। Pearl-অৰ ৰচনাৰ সময়ো ১৩৫ খৃষ্টাব্দ বুলি অনুমান কৰা হয়। কবিতাটো বৰ আৱেগময় আৰু করুণ। গোটেই কবিতাটোতে পিতৃস্নেহৰ এটি অপূৰ্ব ছবি দেখিবলৈ পোৱা যায়। কবিৰ অতি মৰমৰ কন্যা পাৰ্লৰ মৃত্যু হৈছে। দেউতাকে কবৰৰ ওপৰত ফুল ছটিয়াই দিছে। কিছু সময়ৰ পিছত সেই কবৰৰ ওপৰতেই তেওঁ টোপনিত পৰিল আৰু এটি সপোন দেখিলে। সপোনত তেওঁ দেখিলে যে তেওঁৰ জীয়েক এই দুখ কষ্টেৰে ভৰা পৃথিৱীৰ পৰা আঁতৰি গৈছে। ছোৱালীজনী এনে এখন ৰাজ্যলৈ গৈছে য ত দুখ নাই দৈন্য নাই মৃত্যুৰ কৰাল স্পৰ্শ নাই। কবিয়ে সপোনত আকৌ দেখিলে যে তেওঁৰ সন্মুখত এটি নদী। নদী কেনেকৈ পাৰ হ'ব ইয়াকে লৈ তেওঁৰ বৰ চিন্তা হ ল। কিন্তু তেওঁ দেখি আচৰিত হ'ল যে তেওঁৰ হেৰাই যোৱা কন্যা নদীৰ সিপাৰে পাহাৰৰ দাঁতিত থিয় হৈ আছে। তাৰ পিছত ছোৱালীজনী নদীৰ পাৰলৈ

আছিল আৰু সেইজনাকৰ স্বৰ্গৰাজ্যৰ কথা কবলৈ ধৰিলে। জীয়েকৰ কথা শুনি সেই জনাকৰ মনৰ পৰা দুখ আঁতৰি গ'ল আৰু জীয়েকৰ লগতে মিলিত হোৱাৰ ইচ্ছা কৰিলে। কিন্তু এইটো সম্ভৱ নহয়। তেওঁলোকৰ মাজত নদীৰ ব্যৱধানেই নহয় আছে মৃত্যুৰ দুস্তৰ ব্যৱধান। এনে সময়তে কবিৰ স্বপ্ন ভাঙিল। তাৰ পিছত দেখে যে তেওঁ জীয়েকৰ কবৰৰ ওপৰতেই শুই আছে। তেওঁৰ চকু লোতকেৰে ভৰা। কবিতাটো অত্যন্ত করুণ ৰসসিক্ত। সেইকাৰণে W J Long অৰ মতে— It is the saddest of all our early po m s

Cleaness নামৰ কবিতাটোও একে সময়ৰে ৰচনা। ইয়াত ১৮ টা শাৰী আছে। ইয়াত কবিয়ে চৰিত্ৰৰ পবিত্ৰতা আৰু বিবাহিত জীৱনৰ আনন্দৰ কথা লিপিবদ্ধ কৰিছে। বিষয়বস্তুক সৰল কৰাৰ কাৰণে কবিয়ে বাইবেলৰ পৰা কিছুমান গল্প গ্ৰহণ কৰিছে। কবিতাটো North West Midland Dialect অত লিখা কাৰণে আৰু বিভিন্ন অঞ্চলৰ ভাষাৰ শব্দ ব্যৱহাৰ কৰাৰ কাৰণে বুজিবলৈ অলপ টান হৈছে। সেই কাৰণে ইয়াৰ প্ৰচাৰ আনবোৰতকৈ কম।

Patience নামৰ কবিতাটোৰ গল্পাংশ বাইবেলৰ পৰা গৃহীত। মহাপুৰুষ জোনাৰ অসাধাৰণ ধৈৰ্য্যৰ কাহিনী এই কবিতাটোৰ বিষয়বস্তু। কবিতাটোত মুঠতে ৫ শাৰী আছে।

ইংৰাজী সাহিত্যৰ বুৰঞ্জীত ৰোমান্সৰ ৰচনা এংলো নৰ্মান যুগতেই সীমিত হৈ থকা নাই। ৰোমান্সধৰ্মী ৰচনাৰ সৃষ্টি কুৰি শতিকালৈকে সম্প্ৰসাৰিত হৈছে। এ লো নৰ্মান যুগৰ পিছৰ উল্লেখযোগ্য ৰোমান্স হ'ল চাৰ টমাছ মেলোৰীৰ "Morte d Arthur ই পঞ্চদশ শতিকাৰ শেষৰ ৰচনা আৰু ইয়াক প্ৰকাশকৰে Caxton নামৰ লোক এজনে ১৪৮৫ চনত। ৰোমান্সটো গদ্যত ৰচিত কিন্তু কোনো কোনো ঠাইত গদ্যই কাব্যৰূপ পৰিগ্ৰহ কৰিছে। লেখকে ইয়াত আগৰ লেখকসকলৰ সকলো কথাই অন্তভু ক্ত কৰিছে যদিও দুটা বিষয়ত বেছি জোৰ দিছে। এটা হ'ল ৰজা আৰ্থাৰৰ ৰাজত্বকাল ইয়াৰ অৱসান ঘূৰণীয়া মেজৰ সভা ভঙ্গ আৰু আনটো হ'ল যীশুখৃষ্টৰ পৱিত্ৰ শোণিতাধাৰৰ অন্বেষণ। গোটেই পুথিখনতে আছে এটি বিষাদৰ সুৰ। ৰজা আৰ্থাৰৰ শৌৰ্য্য বীৰ্য্যৰ যুগ নিঃশেষ হৈ আহিছে। নতুন যুগৰ সূচনা দেখা গৈছে। এই যুগসন্ধিক্ষণত লেখকৰ মন ব্যথিত হৈ পৰিছে। ভাষাৰ সম্পদ এই ৰচনাত অপৰিমেয়। সহজ সৰল ভাষাৰ মাজতেই আছে সঙ্গীতৰ মূৰ্চ্ছনা। মেলোৰীৰ এই ভাষাই ইংৰাজী গদ্যসাহিত্যক সমৃদ্ধ কৰিছে।

বেনেছাঁ যুগতো ৰোমান্স ৰচনাৰ ঐতিহ্য বাহাল আছিল। স্পেন্সাৰৰ Faeric

Queene' এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য। এলিজাবেথীয় যুগৰ লোক আছিল গল্প শুনা আৰু গল্প কোৱাত বেছ আগ্ৰহী। এই যুগৰ কেতবোৰ ৰোমান্স আছিল সাধু কথাৰ লেখীয়া আৰু কেতবোৰ আছিল ৰোমান্স হিচাপে অতি তলখাপৰ। এই যুগৰ দুটি উল্লেখযোগ্য গদ্য ৰোমান্স হ'ল চিদনীৰ Arcadia আৰু গ্ৰীণৰ Pandasto এই যুগত ৰচিত নাটকতো ৰোমান্সৰ উপাদানৰ প্ৰয়োগ হৈছিল। এইবোৰেই নাম পাইছিল ৰোমাণ্টিক নাটক। এই উপাদানৰ প্ৰয়োগ কৰা হৈছিল বিশেষকৈ কমেডিবোৰত। এইবোৰ কমেডিয়ে নাম পাইছিল ৰোমাণ্টিক কমেডি। সপ্তদশ শতিকাতো ইংলণ্ড আৰু ফ্ৰান্সত ৰোমান্স জনপ্ৰিয় সাহিত্য ৰূপেই পৰিগণিত হৈছিল। অষ্টাদশ শতিকাৰ ইংৰাজী সাহিত্যত আমি একপ্ৰকাৰ নতুন ধৰণৰ ৰোমান্স পাওঁ যিবোৰক Gothic novel বা ৰহস্য উপন্যাস বুলি জনা যায়। হোৰেছ ওৱালপোল এই ধৰণৰ ৰোমান্সৰ জনক। এইজন লেখকে ৰহস্যময় আৰু বিভীষিকাপূৰ্ণ উপন্যাস ৰচনা কৰি সাহিত্যৰ ইতিহাসত এটি নতুন অধ্যায়ৰ সূচনা কৰে। মধ্যযুগৰ পৰিপ্ৰেক্ষিতত গথিক অট্টালিকাৰ প্ৰাঙ্গনত কাহিনীবোৰৰ অৱতাৰণা কৰা হয়। কুসংস্কাৰ ৰোমান্স বিভীষিকা ৰহস্যময়তা আৰু অলৌকিকতা এইবোৰ উপন্যাসৰ প্ৰধান উপাদান। ওৱালপোলে তেওঁৰ The Castle of Otranto নামৰ গথিক উপন্যাসখনত অনেক ভূত প্ৰেত ৰক্তপাত আৰু কংকালৰ অট্টহাস্যৰ সমাবেশ ঘটাইছে। উপন্যাসখনৰ সাহিত্যিক মূল্য বিশেষ নাথাকিলেও বাইৰণ আৰু স্কটে ইয়াৰ ভূয়সী প্ৰশংসা কৰি গৈছে। ওৱালপোলৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ আৰু কেইজনমান লেখক লেখিকাই গথিক উপন্যাস ৰচনা কৰে।

উনৈশ শতিকাত ৰজা আৰ্থাৰৰ কাহিনী আকৌ জীৱন্ত ৰূপত পাঠকৰ আগত দাঙি ধৰে টেনিচনে তেওঁৰ "The Idylls of the King নামৰ এলানি কবিতাত। এই যুগতেই চাৰ ওৱাল্টাৰ স্কটে তেওঁৰ ঐতিহাসিক উপন্যাসসমূহ ৰচনা কৰে। এই উপন্যাসসমূহো একপ্ৰকাৰ ৰোমান্স। স্কটে তেওঁৰ যুগক চেৰাই গৈ অতীতৰ পিনে দৃষ্টিপাত কৰিছে। মধ্যযুগৰ কঙ্কালতেই তেওঁ কৰিছে প্ৰাণ প্ৰতিষ্ঠা। বৰ্তমান আৰু অতীত ঐতিহাসিক সত্য আৰু মিছা কল্পনা তেওঁৰ দৃষ্টিত এক হৈ গৈছে। অতীতৰ লগত বৰ্তমানৰ কোনো সম্বন্ধ নথকা যেন লাগে। কিন্তু সকলো যুগৰ মানুহৰ একেই আবেগ একেই ভাষা। সেই আবেগ আৰু ভাষাই স্কটৰ উপন্যাসত সাৰ্বজনীন ৰূপ পাইছে। স্কটৰ উপন্যাসতো আছে গথিক উপন্যাসৰ দৰে বিভীষিকা আৰু অলৌকিকতা। কিন্তু তেওঁ উপন্যাসসমূহক বিশ্বাসযোগ্য কৰি তুলিব পাৰিছে। কুৰি শতিকাতো ৰোমান্সধৰ্মী ৰচনাৰ অভাৱ নাই। এই

ক্ষেত্ৰত আমি কনৰেডৰ কেইখনমান উপন্যাসত ৰোমান্সৰ বৈশিষ্ট্যলৈ আঙুলিয়াব পাৰো।

(৪)

ৰোমান্স ৰচনাত ফৰাচী সাহিত্য অতি সমৃদ্ধ। বেছিভাগ ৰোমান্সৰে ৰচনাকাল হ ল দশম শতিকাৰ পৰা পঞ্চদশ শতিকা। ফ্ৰান্সৰ ৰজা চাৰ্লেমেন আৰু তেওঁৰ বাৰজন বিখ্যাত বীৰ সৈনিক লৈ বহুতো কাহিনী ৰচিত হৈছিল। সেই কাহিনীবোৰক বোলা হৈছিল Chansons de geste অৰ্থাৎ বীৰত্বৰ কাহিনী। ফৰাচী সাহিত্যত এয়ে হ ল ৰোমান্সধৰ্মী সাহিত্যৰ আৰম্ভণি। এই কাহিনীবোৰৰ ঐতিহাসিক ভিত্তি থকা বুলি গণ্য কৰা হৈছিল আৰু এইবোৰ গোৱাৰ কাৰণে উপযুক্ত কৰি ৰচনা কৰা হৈছিল। ৰজা আৰ্থাৰ আৰু তেওঁৰ নাইটবোৰৰ কাহিনীৰ দৰে এই কাহিনীবোৰতো বৰ্ণনা কৰা হৈছে কেতবোৰ কাল্পনিক দুঃসাহসিক অভিযান। কবিতাবোৰৰ দৈৰ্ঘ্য সমান নহয়। ১৮ ৰ পৰা আৰম্ভ কৰি ১৮ লৈকে শাৰী থকা কবিতা আছে। এনেকুৱা আখ্যানমূলক কবিতা এতিয়ালৈকে ৮ টা মান পোৱা গৈছে আৰু ইয়াৰ বেছিভাগৰে ৰচনাৰ সময় হ ল একাদশ আৰু দ্বাদশ শতিকা। এই আখ্যানবোৰক ঐতিহাসিক বুলি কোৱা হৈছে ঘটনাৰ বৰ্ণনাত ঐতিহাসিক সত্যলৈ সিমান মন দিয়া নাই। তথাপিও এইবোৰত সেই সময়ৰ সামাজিক প্ৰথা মানুহৰ আচাৰ ব্যৱহাৰ আৰু দৃষ্টিভংগীৰ কিছু পৰিচয় পোৱা যায় বিশেষকৈ সামন্ত প্ৰথাৰ আভাস এই আখ্যানবোৰে দিয়ে। এই Chansons বা বীৰত্বব্যঞ্জক কাহিনীবোৰক তিনিটা ভাগত ভাগ কৰা হৈছে। প্ৰথম ভাগত চেৰাচেন সকলৰ লগত যুদ্ধৰ কথা বৰ্ণনা কৰা হৈছে। দ্বিতীয় ভাগত আছে গৃহযুদ্ধ আৰু চাৰ্লেমেনৰ কৰ্মচাৰীসকলৰ মাজৰ হিংসাত্মক কাৰ্য্য আৰু আনুগত্যহীনতা। এইভাগৰ আখ্যানবোৰত দেখুওৱা হৈছে সামন্ত প্ৰথাৰ অনুপযোগিতা আৰু ৰাজকীয় ক্ষমতা বৃদ্ধিৰ কাৰণে নাইট্‌সকলৰ অসন্তুষ্টি। এইবোৰ আখ্যানত চাৰ্লেমেনক অতি কঠোৰ আৰু বিবেচনাহীন বুলি দেখুওৱা হৈছে। তৃতীয় ভাগৰ আখ্যানবোৰত ৰোমান্টিক উপাদানৰ অৱতাৰণা কৰা হৈছে। চৰিত্ৰবোৰ হৈছে ৰাজকুমাৰ দৈত্যদানৱ পৰী আদি। প্ৰেম আৰু দুঃসাহসিক কাৰ্য্যই আখ্যানবোৰত প্ৰাধান্য লাভ কৰিছে।

এই বীৰত্বৰ কাহিনীবোৰৰ ভিতৰত Chanson de Roland (Song of Rolland) নামৰ কাহিনীটোৱে আটাইতকৈ বিখ্যাত। ফৰাচীসকলে এই আখ্যানটোক তেওঁলোকৰ সেইসময়ৰ জাতীয় জীৱনৰ ধ্যান ধাৰণা বা দৃষ্টিভংগীৰ বৈশিষ্ট্য প্ৰকাশক

বুলি ধৰি লয়। আখ্যানটোৰ সম্পূৰ্ণ পাঠ পোৱা গৈছে দ্বাদশ শতিকাত অক্সফোৰ্ডত। বহুতে অনুমান কৰে যে এই প্ৰতিলিপিটো ইয়াৰ আগৰ শতিকাৰ বৰ্ত্তমান হেৰাই যোৱা কোনো এটা কবিতাৰ পৰা লোৱা। এইটো কথিত আছে যে ১০৬৬ চনৰ হেষ্টিংছৰ যুদ্ধত নৰ্মানসকলে ৰোলাণ্ডৰ বীৰত্বপূৰ্ণ কাহিনীবোৰ গাইছিল। কবিতাটোত মুঠতে ৪০০১ টা পংক্তি আছে আৰু প্ৰত্যেকটো পংক্তিয়েই দহ অক্ষৰযুক্ত। শেষৰ পংক্তিটোত Taroldus নামৰ লোক এজনৰ নাম উল্লেখ আছে। এইজন হয়তো কবিতাটোৰ ৰচকো হ'ব পাৰে নাইবা লিপিকাৰো হ'ব পাৰে।

মধ্যযুগীয় আন আন কাহিনীৰ দৰে এই কাহিনীবো ঐতিহাসিক কথাবস্তু বৰ তাকৰীয়া। এইটো ঠিক যে চাৰ্লেমন ঐতিহাসিক ব্যক্তি। তেওঁৰ ৰাজত্বকালৰ সময় হ'ল ৭৪২ খৃষ্টাব্দৰ পৰা ৮১৪ খৃষ্টাব্দলৈ। তেওঁ স্পেইনৰ heathen বা পৌত্তলিক সকলৰ বিৰুদ্ধে কেইবাবাৰো অভিযান চলাইছিল। চাৰ্লেমনৰ জীৱনীলেখক এজিনহাৰ্ডৰ মতে চাৰ্লেমন ৭৭৮ খৃষ্টাব্দত স্পেনলৈ গৈছিল সন্ধি কৰি ৰাজ্যৰ সীমা সুৰক্ষা কৰাৰ উদ্দেশ্যে। সন্ধি স্থাপনৰ পিছত তেওঁৰ সৈন্যৰ বেছিভাগেই ঘুৰি আহে। পিছৰ সৈন্যবোৰ যেতিয়া পীৰেনীজ পৰ্বতমালাৰ গিৰিপথবোৰেৰে আহে তেতিয়া তেওঁলোকক গেছকন পৰ্বতবাসীবোৰে গোপনে আক্ৰমণ চলাই হত্যা কৰে। মৃত্যু হোৱা লোক-সকলৰ মাজত এজনৰ নাম আছিল ৰোলাণ্ড। তেওঁ আছিল ব্ৰিটেনিৰ প্ৰধান প্ৰশাসনীয় বিষয়া। বুৰঞ্জীৰ কথা ইমানখিনিয়েই। কিন্তু আখ্যানকাৰে ইয়াকে ভিত্তি কৰি লৈ কল্পনাৰ ৰহন সানি এই আকৰ্ষণীয় ৰোমান্সটোৰ সৃষ্টি কৰিছে।

Song of Rolland নামৰ এই দীঘলীয়া বৰ্ণনামূলক কবিতাটোত গেছকন সকলক চেৰাচেনলৈ পৰিৱৰ্তিত কৰা হৈছে আৰু গিৰিপথৰ সাধাৰণ যুদ্ধখনক এখন ডাঙৰ ধৰ্ম যুদ্ধৰ পৰিবেশ প্ৰদান কৰা হৈছে। আখ্যান মতে চাৰ্লেমন স্পেইনত সাত বছৰ থাকে আৰু চাৰাগোছা (Saragossa) নামৰ ঠাইডোখৰৰ বাহিৰে দেশৰ প্ৰায় আন সকলো ঠাই দখল কৰে। চাৰাগোছা তেতিয়াই মাছ্‌ াইল (Marsile) নামৰ চেৰাচেন সকলৰ ৰজা এজনৰ হাতত্তেই আছিল। চাৰ্লেমনৰ আক্ৰমণৰ হাত সাৰিবলৈ মাছ্‌ াইলে সন্ধিৰ প্ৰস্তাৱ কৰিলে। চাৰ্লেমনৰ বিষয়াসকলৰ ইয়াকে লৈ মতভেদ হ'ল। ৰোলাণ্ডে সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে কিন্তু জেনীলনে গ্ৰহণ কৰিলে। অৱশেষত জেনীলনৰ মতকেই সকলোৱে গ্ৰহণ কৰিলে। ৰোলাণ্ড হ'ল ৰজা চাৰ্লেমনৰ ভতিজাক আৰু এজন তলতীয়া ৰজা আৰু জেনীলন আছিল ৰোলাণ্ডৰ সতীয়া দেউতাক। সন্ধিৰ প্ৰস্তাৱ গৃহীত হোৱাৰ কাৰণে ৰোলাণ্ডৰ স্বাভাৱিকতে খং উঠিল আৰু প্ৰস্তাৱ গ্ৰহণৰ কথা জনাবলৈ জেনীলনকে মাৰ্ছাইলৰ ওচৰলৈ পঠোৱাৰ প্ৰস্তাৱ

দিলে। মাছ্ৰাইলৰ ওচৰলৈ কটকী হিচাপে যোৱাটো অতি বিপজ্জনক কাৰণ ইতিমধ্যে তেওঁ ক্ৰালৰ কেইবাজনো কটকীক হত্যা কৰিছে। এই বিপদ সত্ত্বেও জেনীলন মাছ্ৰাইলৰ ওচৰলৈ যাবলৈ বাধ্য হ'ল। জেনীলন (Ganelon) আছিল মাছ্ৰাইলৰ দৰে দুষ্ট প্ৰকৃতিৰ। জেনীলনে মাছ্ৰাইলৰ পৰা ভাৰ-ভেঁটী গ্ৰহণ কৰি চাৰ্লেমন আৰু ৰোলাণ্ডক বিশ্বাসঘাতকতা কৰিবলৈ গাত ললে। ৰোলাণ্ড সৈন্যবাহিনীৰ একেবাৰে পিছৰ গোটটোৰ অধ্যক্ষ নিযুক্ত হ'ল। এই গোটটোত আছিল ২ সৈন্য। সন্ধিৰ চৰ্ত অনুসৰি চাৰ্লেমনৰ সৈন্যবাহিনী স্পেইনৰ পৰা আঁতৰ কৰা হ'ল আৰু একেবাৰে শেষৰ এই বাহিনীটো পীৰেনীজ পৰ্বতমালাৰ গিৰিপথেৰে অগ্ৰগতি কৰিলে। কিন্তু মাছ্ৰাইল আৰু জেনীলনৰ মাজত হোৱা গোপন চুক্তি অনুসৰি চাৰিলাখ চেৰাচেন সৈন্যই তেওঁলোকক হঠাৎ আক্ৰমণ কৰিলে। ৰোলাণ্ডৰ লগত আছিল ওলিভাৰ নামৰ আন এজন তলতীয়া ৰজা। তেওঁ ততালিকে ৰোলাণ্ডক তেওঁৰ শিঙা বজাই মূল সৈন্যবাহিনীক ইয়াৰ সঙ্কেত দিবলৈ কলে। এই শিঙাটোত ফু দিলে ৩ লীগ দূৰৰ পৰা শুনা গৈছিল। ৰোলাণ্ডে কিন্তু ফু নিদিলে। ৰোলাণ্ডৰ লগত থকা ১২ জন বীৰ যোদ্ধাই অসীম বিক্ৰমেৰে যুঁজিও চেৰাচেনসকলক পৰাভূত কৰিব নোৱাৰিলে। লাহে লাহে গোটেই গোটটোৱে মৃত্যুৰ সম্মুখীন হ'ল। অৱশেষত মাত্ৰ ৬ জন সৈন্যহে ৰ'ল। ৰোলাণ্ডে তেওঁৰ শিঙাত তেতিয়া ফু দিলে যদিও কামত নাহিল। সহায়ৰ বাবে চাৰ্লেমন আহি পোৱাৰ সময়ত মাত্ৰ ৪ জন সৈন্যহে বাকী থাকিল। যুদ্ধত ৰোলাণ্ডৰ মৃত্যু হ'ল। চাৰ্লেমন ঘূৰি আহি চেৰাচেনসকলৰ ওপৰত প্ৰতিশোধ ললে আৰু চাৰাগোছা অধিকাৰ কৰিলে। ৰোলাণ্ডৰ মৃত্যুৰ বাতৰি শুনি ওলিভাৰৰ ভনীয়েক মূৰ্চ্ছা গ'ল কাৰণ তেওঁ আছিল ৰোলাণ্ডৰ বাগদত্তা। জেনীলনৰ বিশ্বাসঘাতকতা ধৰা পৰিল আৰু তেওঁক মৃত্যুদণ্ড দিয়া হ'ল।

বিধৰ্মীৰ প্ৰতি ঘৃণা আৰু ৰাজসেৱাত জীৱন আহুতি—এই দুটাই হ'ল আখ্যানটোৰ প্ৰধান বিষয়বস্তু। কবিৰ বৰ্ণনা সবল প্ৰত্যক্ষ আৰু স্পষ্ট। জীৱন্ত চৰিত্ৰ-সৃষ্টি নাটকীয় চমৎকাৰিত্ব আৰু মহাকাব্যিক বিশালতা আখ্যানটোৰ আন কেইটামান বৈশিষ্ট্য। ৰোলাণ্ড আৰু ওলিভাৰৰ মৃত্যুৱে গভীৰ কৰুণৰসৰ সঞ্চাৰ কৰে।

এই Chanson বা বীৰত্বৰ কাহিনীবোৰৰ লগত প্ৰায় একে সময়তে আন কেতবোৰ বিভিন্ন ধৰণৰ ৰোমান্সৰ সৃষ্টি হয়। সেইবোৰক একেলগে romance courtois বা courtly romance (দৰবাৰী ৰোমান্স) বোলা হৈছিল। এই ৰোমান্সবোৰৰ অন্তৰ্ভুক্ত হ'ল—(ক) romance d antiquite (romance of antiquity), (খ) romans bretons, আৰু (গ) romance d' adventure

(romances of adventure) এই ৰোমান্সবোৰৰ প্ৰায়ভাগেই পদ্যত লিখা আৰু প্ৰত্যেক শাৰীয়েই হ'ল আঠ অক্ষৰ যুক্ত। এই ৰোমান্সবোৰ মানুহৰ আগত আমাৰ মহাভাৰত ৰামায়ণ শুনোৱাৰ দৰে পঢ়ি শুনোৱা হৈছিল গোৱা নহৈছিল। এইখিনিতে courtly romance আৰু chansons বোৰৰ মাজত পাৰ্থক্য। এই ৰোমান্সবোৰ লিখা হৈছিল সুৰুচি সম্পন্ন অভিজাত লোকৰ মনোৰঞ্জনৰ উদ্দেশ্যেহে।

ওপৰত যি romances of antiquity ৰ উল্লেখ কৰা হৈছে সেইবোৰৰ বিষয়বস্তু লোৱা হৈছিল ৰোমান লেখক সকলৰ পৰা। বেছিভাগ বিষয়বস্তুৱেই আছিল আলেকজেণ্ডাৰৰ ৰাজ্যজয় আৰু ট্ৰয় নগৰৰ অৱৰোধ সংক্ৰান্ত। অৱশ্যে আন আন কিছুমান প্ৰাচীন কাহিনীও ইয়াৰ অন্তৰ্ভুক্ত হৈছিল। এইবোৰ ৰোমান্সৰ উদ্ভৱ হৈছিল একাদশ শতিকাৰ শেষছোৱাৰ পৰা আৰম্ভ কৰি ত্ৰয়োদশ শতিকাৰ আগছোৱাৰ ভিতৰত। এই শ্ৰেণীৰ কেইটিমান উল্লেখযোগ্য ৰোমান্স হ'ল Alexander le grand Roman de Troie আৰু Roman de Thibes এই কেইটা দ্বাদশ শতিকাৰ ৰচনা। একে সময়ৰে আন এটি উল্লেখযোগ্য ৰোমান্স হ'ল Eneas ইয়াত ওভিদৰ প্ৰভাৱ সুস্পষ্ট। ওভিদৰ প্ৰভাৱ পৰা আন কেইটিমান ৰোমান্স হ'ল piramus it Tisbe Narcissus আৰু philomela

যিবোৰ ৰোমান্সক romans bretous বুলি উল্লেখ কৰা হৈছে সেইবোৰৰ উদ্ভৱ হৈছিল ১১৫ খৃষ্টাব্দৰ পৰা ১২৫ খৃষ্টাব্দৰ ভিতৰত। কবিতাৰ চৰণসমূহ আছিল আঠ অক্ষৰযুক্ত। বিষয়বস্তুৰ পটভূমি আছিল ব্ৰিটেনি। অৱশ্যে ব্ৰিটেনি বুলি কওঁতে কৰ্ণোৱাল ওৱেলছ আৰু আয়াৰলেণ্ডকো সামৰা হৈছিল। চৰিত্ৰবোৰো আছিল ব্ৰিটন। ৰজা আৰ্থাৰ আৰু তেওঁৰ নাইটসকলৰ অভিযানৰ কাহিনীও ইয়াৰ ভিতৰৰা। এই শ্ৰেণীৰ ৰোমান্সৰ দুজন উল্লেখযোগ্য ৰচক হ'ল Marie de France আৰু Chretien de Troyes. কেইটিমান উল্লেখযোগ্য ৰোমান্স হ'ল Lancelot Tristan আৰু perceval

আন এক শ্ৰেণীৰ ৰোমান্স হ'ল romans d adventure এইবোৰ হ'ল দ্বাদশ আৰু ত্ৰয়োদশ শতিকাত ৰচিত কিছুমান কাল্পনিক আখ্যান য'ত কোনো বীৰপুৰুষৰ বীৰত্বপূৰ্ণ দুঃসাহসিক কাৰ্য্যৰ বৰ্ণনা দিয়া হৈছে। এই শ্ৰেণীৰ ৰোমান্সবোৰৰ কিছুমানত গদ্য কিছুমানত পদ্য আৰু কিছুমানত গদ্য-পদ্যৰ সংমিশ্ৰণ ঘটোৱা হৈছে। ৰোমান্সবোৰৰ বিষয়বস্তু হ'ল প্ৰেম আৰু বীৰত্বপূৰ্ণ কাৰ্য্যকলাপৰ বৰ্ণনা। এইবোৰ লিখা হৈছিল অভিজাত শ্ৰেণীৰ মহিলা সকলৰ মনোৰঞ্জনৰ কাৰণে। এই শ্ৰেণীৰ পদ্য ৰোমান্সৰ ভিতৰত কিছুমান উল্লেখযোগ্য হ'ল Ipomedon' Partenopeu' Guillaume de

Palerme আৰু Robert le Diable' গন্ত-পন্তৰ উৎকৃষ্ট উদাহৰণ হ'ল Aucassin et Nicolette গদ্য ৰোমান্সৰ দুটি উদাহৰণ হ'ল Court du roi constant l' empereur আৰু Le Roi filore et la belle Jeanne

দ্বাদশ আৰু ত্ৰয়োদশ শতিকাত যিবোৰ ৰোমান্স ৰচিত হৈছিল সেই সকলোবোৰৰে ৰচকৰ নাম জনা নাযায়। কিন্তু যিসকলৰ নাম পোৱা গৈছে সেই সকলৰ ভিতৰত Chretien de Troyes প্ৰখ্যাত। ক্ৰেচীয়েনে তেওঁৰ ৰোমাঞ্চবোৰ ৰচনা কৰে দ্বাদশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত আৰু ফৰাচী সাহিত্যত ৰজা আৰ্থাৰৰ কাহিনী তেৱেঁই জনপ্ৰিয় কৰি তোলে। তেওঁৰ ৰচিত ৰোমাঞ্চবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল Philomena Erec (১১৬) Cliges (১১৬২) Yvain and Lancelot (১১৭) আৰু Perceval (১১৮)। ক্ৰেচীয়েন আছিল তেওঁৰ যুগৰ এজন উল্লেখযোগ্য কবি আৰু তেওঁৰ ৰচনা বিভিন্ন ভাষালৈ অনূদিত হৈছে। তেওঁৰ যশস্যা আৰু প্ৰভাৱৰ মূলতে হ'ল প্ৰেম আৰু বীৰত্বপূৰ্ণ কাৰ্য্যৰ সংমিশ্ৰণ ঘটাই গল্প কোৱাৰ কৌশল তেওঁৰ কল্পনা শক্তি আৰু ৰহস্যময় আৰু অলৌকিক উপাদানৰ প্ৰৱৰ্তনৰ দক্ষতা। সূক্ষ্ম চৰিত্ৰ সৃষ্টি প্ৰকাশ ভংগীৰ মাধুৰ্য্যগুণ আৰু আঠ অক্ষৰযুক্ত চৰণ সমূহৰ প্ৰয়োগৰ সাৱলীলতাৰ ক্ষেত্ৰতো ক্ৰেচীয়েনে দক্ষতাৰ পৰিচয় দিছে। প্ৰেম সম্পৰ্কে তেওঁ যিবোৰ নৈতিক আৰু মনস্তাত্ত্বিক প্ৰশ্নৰ অৱতাৰণা কৰিছে সেইবোৰেও তেওঁৰ পাঠক সকলক আকৰ্ষিত কৰিছিল। তেওঁ লিখিছিল অভিজাত সম্প্ৰদায়ৰ কাৰণে আৰু তেওঁৰ কবিতাত সেইকাৰণে কেৱল courtly love বা দৰবাৰী প্ৰেমেহে স্থান পাইছে। গভীৰ আৱেগ অনুভূতিৰ প্ৰকাশ তেওঁৰ কবিতাত নাই।

দ্বাদশ আৰু ত্ৰয়োদশ শতিকাৰ পদ্য ৰোমাঞ্চবোৰৰ বাহিৰেও পঞ্চদশ শতিকাত যিবোৰ গদ্য ৰোমান্সৰ ৰচনা হৈছিল সেইবোৰেও ফৰাচী সাহিত্য চহকী কৰি থৈ গৈছে। এই ৰোমান্সবোৰৰ বেছিভাগেই আছিল romances of chivalry অৰ্থাৎ সাহস বীৰত্ব দয়া দাক্ষিণ্য উদাৰতা আদি গুণ প্ৰকাশক। অৱশ্যে এইটো কথা ঠিক যে পঞ্চদশ শতিকাৰ আগতেও গদ্য ৰোমান্সৰ উদ্ভৱ হৈছিল। ত্ৰয়োদশ শতিকাৰ আগভাগতে কোনো কোনো লেখকে আৰ্থাৰীয় কাহিনীবোৰক গদ্যৰূপ দিছিল আৰু ১২১৫ খৃষ্টাব্দৰ পৰা ১২৩ খৃষ্টাব্দৰ ভিতৰত Lancelot Merlin Perceval আৰু Tristan নামৰ আখ্যানকেইটাৰ গদ্যৰূপ প্ৰকাশ হৈছে। একে সময়তে Roman de Thebes নামৰ ৰোমান্সটোৰো গদ্যৰূপ দিয়া হয় কিন্তু ইয়াক Edipus নাম দি ষোড়শ শতিকাতহে ছপোৱা হয়। ত্ৰয়োদশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ এটি উল্লেখযোগ্য গদ্য ৰোমান্স হ'ল Alexander de grand. ঠিক সেইদৰে চতুৰ্দশ শতিকাতো

কেইটামান গদ্য ৰোমান্সৰ সৃষ্টি হয়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল Giron le Courtois Meliadus আৰু Berinus.

পঞ্চদশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পৰিবেশ ৰোমান্স ৰচনা বা অধ্যয়নৰ অনুকূল নাছিল। ১৪৫ খৃষ্টাব্দ মানৰ পৰাহে পদ্য ৰোমান্সবোৰক গদ্য-ৰূপ দিয়া আৰম্ভ হয়। Pierre de provence আৰু Huon de Bordeaux নামৰ ৰোমান্স দুটাৰ গদ্য ৰূপ দিয়া হয় যথাক্ৰমে ১৪৫৩ আৰু ১৪৫৮ খৃষ্টাব্দত। বাৰ্গাণ্ডিৰ ডিউকৰ পৃষ্ঠপোষকতাত এই গদ্য ৰোমান্সৰ জনপ্ৰিয়তা বাঢ়ে। ডিউকৰ বিষয়া এজনে Jason et Medee আৰু Recueil des histoires নামৰ দুটা গদ্য ৰোমান্স ৰচনা কৰে। সেইদৰে ডিউকৰ লাইব্ৰেৰীয়ান ডেনিয়েলে Perceforest নামৰ ৰোমান্স এটা ৰচনা কৰে। আন এজন বিষয়াই Girard de Roussillon আৰু La bella Helene নামৰ দুটি পদ্য ৰোমান্সৰ গদ্য ৰূপ দিয়ে। পঞ্চদশ শতিকাৰ শেষৰফালে Chivalry সম্পৰ্কীয় সকলোবোৰ পদ্য ৰোমান্সকে গদ্যৰূপ দিয়া হয়। এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে পঞ্চদশ শতিকাত ৰচিত বেছিভাগ ৰোমান্সৰ প্ৰকাশ হয় ষোড়শ শতিকাত। ষোড়শ শতিকাত পদ্যৰ পৰা গদ্যৰূপ দিয়া কেইটিমান ৰোমান্স হ'ল Richard sans Peur (1535) Flores et Blanche fleur (1550) আৰু Guillaume de Palerme (1550) Turpin (1527) Mabrian (1525) আৰু Meurvin (1540) নামৰ ৰোমান্সকেইটা মৌলিক ৰচনা।

(৫)

মধ্যযুগীয় জাৰ্মান সাহিত্যতো আমি ৰোমান্সৰ উদ্ভৱ লক্ষ্য কৰো। দ্বাদশ শতিকাৰ মাজভাগৰ পৰা জাৰ্মান লেখকসকলে এইশ্ৰেণীৰ সাহিত্যত হাত দিয়ে। ৰোমান্সবোৰ লিখা হৈছিল পদ্যত। ছন্দোবদ্ধ ৰচনা হলেও আৰু বীৰত্বপূৰ্ণ কাৰ্য্যৰ বৰ্ণনা থাকিলেও ৰোমান্স আৰু জাতীয় মহাকাব্যৰ মাজত প্ৰভেদ আছিল। ৰোমান্সবোৰ কোনো ঐতিহ্যৰ ওপৰত ভিত্তি কৰি লিখা হোৱা নাছিল। এইবোৰৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছিল ফৰাচী ভাষাৰ কাহিনী কাব্যৰ পৰা। ইয়াৰ বাহিৰে আন আন উৎসৰ পৰাও বিষয়বস্তু গ্ৰহণ কৰা হৈছিল। ফৰাচী সাহিত্যই সেই সময়ত গোটেই ইউৰোপীয় ঐতিহ্যক প্ৰতিনিধিত্ব কৰিছিল। গতিকে জাৰ্মান লেখকসকলেও ফৰাচী সাহিত্যৰ পৰা বিষয়বস্তু আহৰণ কৰি আখ্যানবোৰ নিজা ৰূপত সজাইছিল। কিন্তু কোনো আখ্যানৰ মৌলিকত্ব তেওঁলোকে দাবী কৰিব পৰা নাছিল। বিষয়বস্তুৰ অভিনৱত্ব বা নতুনত্বক তেওঁলোকে সন্দেহৰ চকুৰে চাইছিল আৰু এইক্ষেত্ৰত অভিনৱত্ব দেখুৱাব

খোজা লোকক তেওঁলোকে "a man of wild imagination" বুলি আখ্যা দিছিল। তেওঁলোকে জোৰ দিছিল প্ৰকাশভংগী বা ৰচনাৰীতিত বিষয়বস্তুত নহয়।

জাৰ্মান সাহিত্যত ৰোমাঞ্চৰ উদ্ভৱ ১১৭ খৃষ্টাব্দ মানৰ পৰা বুলি কব পাৰি। এ সম্পৰ্কত লেমব্ৰেখটৰ Lay of Alexander কনৰেডৰ Lay of Roland আৰু King Rother নামৰ আন এটি ৰোমাঞ্চলৈ আঙুলিয়াব পাৰি। এইবোৰ আছিল পদ্য ৰোমাঞ্চ। এইবোৰত rhyme বা অন্ত্যমিল প্ৰয়োগ কৰা হৈছিল। এইবোৰত আছিল দুঃসাহসিক আৰু বীৰত্বপূৰ্ণ কাৰ্য্যকলাপৰ বৰ্ণনা। অৱশ্যে বাহ্যিক ঘটনাৰ ওপৰত জোৰ দিলেও কোনো কোনো ৰোমাঞ্চক প্ৰতীকধৰ্মী কৰি তোলা হৈছিল। উদাহৰণস্বৰূপে কনৰেডৰ কাৰণে ৰোলাণ্ড কেৱল এজন বীৰ পুৰুষেই নহয় তেওঁ এজন খ্ৰীষ্টিয়ান ধৰ্মযোদ্ধাও। ঠিক সেইদৰে লেমব্ৰেখটৰ দৃষ্টিত আলেকজেণ্ডাৰ হ'ল ঐশ্বৰিক শাসনৰ প্ৰতিনিধি। এইবোৰ ৰোমাঞ্চত দুঃসাহসিক কাৰ্য্যকলাপৰ বৰ্ণনা থাকিলেও the age of Chivalry বা বীৰযুগৰ প্ৰথম প্ৰতিনিধি বুলি Heinrich van Veldeke নামৰ নাইট এজনকে ধৰা হয়। তেওঁৰ প্ৰধান ৰচনা হ'ল Exeit ইয়াৰ ভিত্তি হ'ল ভাৰ্জিলৰ ইনিদৰ এটি ফৰাচী সংস্কৰণ। কিন্তু জাৰ্মান আৰু ফৰাচী লেখক দুয়োজনৰ কোনোৱে নায়কৰ বীৰত্বপূৰ্ণ কাৰ্য্যৰ ওপৰত জোৰ দিয়া নাই। তেওঁলোকে জোৰ দিছে ইনিয়াছৰ ডিদো আৰু লেভিনিয়াৰ প্ৰতি অনুৰাগ প্ৰদৰ্শনৰ ঘটনাতহে। তথাপিত জাৰ্মান সাহিত্যত এইটোকে first romance of knighthood বুলি আখ্যা দিয়া হৈছে। লেখকে ৰোমাঞ্চটোৰ ৰূপ বা গঢ়টোত বৰ জোৰ দিছে। আখ্যানটো লিখা হৈছে Couplet বা দুইশৰীয়া অন্ত্যমিলযুক্ত ছন্দত। কবিতাটো পুৰণি নিম্নবাৰ্গ উপভাষাত লিখিলেও ই গ্ৰাম্যতা দোষদুষ্ট হোৱা নাই।

বীৰত্বপূৰ্ণ কাৰ্য্যৰ বৰ্ণনা থকা বা knightly romance বোৰৰ প্ৰথম উল্লেখযোগ্য লেখক হ'ল Hartman Von Ane তেওঁৰ জীৱনকাল হ'ল ১১৭ খৃষ্টাব্দৰ পৰা ১২১৫ খৃষ্টাব্দলৈকে। তেওঁৰ আছিল উচ্চশিক্ষা আৰু এখন ধৰ্মযুদ্ধতো তেওঁ ভাগ লোৱা বুলি জনা যায়। হাৰ্টমেন এজন জনপ্ৰিয় লেখক হিচাপে পৰিগণিত হৈছিল তেওঁৰ আৰ্থাৰীয় ৰোমাঞ্চবোৰৰ কাৰণে। তেওঁ বিষয়বস্তু গ্ৰহণ কৰিছিল ফৰাচী কবি Chretien de Troyes অৰ পৰা। তেওঁৰ ৰচিত দুটি উল্লেখযোগ্য ৰোমাঞ্চ হ'ল Eree (১১৯১) আৰু Iwein (১২ ৩)। ৰোমাঞ্চ দুটা ফৰাচী ভাষাৰ পৰা অনুবাদ নহয়। বিষয় বিশ্লেষণত জাৰ্মান কবিয়ে অবাধ স্বাধীনতা লৈছে।

হাৰ্টমেনৰ পিছৰ উল্লেখযোগ্য ৰোমাঞ্চ লেখকজনৰ নাম হ'ল উল্‌ফৰাম (Wolf

ram)। তেওঁ জাৰ্মানসকলৰ Chivalry সম্পৰ্কে এটি মনত লগা কলাসুলভ ৰূপ দিছে তেওঁৰ Parzival নামৰ ৰোমান্সটোত। ৰোমান্সটোৰ পৰা লেখকৰ ব্যক্তিগত জীৱনৰ কোনো কথা গম পোৱা নাযায় যিটো কথা আন আন ৰোমান্সলেখকৰক্ষেত্ৰতো খাটে। আমি কেৱল ইমানখিনিকে জানো যে তেওঁ এজন ফ্ৰাঙ্কোনীয়াবাসী নাইট আছিল আৰু তেওঁৰ জীৱনকাল হ'ল ১১৭ খৃষ্টাব্দৰ পিছৰ। তেওঁ অভিজাত সম্প্ৰদায়ৰ নাছিল আৰু তেওঁৰ আৰ্থিক অৱস্থাও সিমান টনকিয়াল নাছিল। শিক্ষা দীক্ষাও বৰ বেছি একো নাছিল। তেওঁ বাসস্থান সঘনে পৰিৱৰ্তন কৰিছিল। তেওঁৰ মৃত্যু ১২১৭ খৃষ্টাব্দৰ পিছত হোৱা বুলি অনুমান কৰা হয়। উল্‌ফ্ৰামে তেওঁৰ Parzival নামৰ ৰোমান্সটোৰ বিষয়বস্তু গ্ৰহণ কৰিছিল ক্ৰেটীয়েনৰ এটা অসম্পূৰ্ণ ৰোমান্সৰ পৰা। কিন্তু তেওঁৰ হাতত এই অসম্পূৰ্ণ কাহিনীয়ে স্বয়ংসম্পূৰ্ণ ৰূপ পৰিগ্ৰহ কৰে আৰু ইয়াক কেৱল অনুকৰণ বা অনুবাদ বুলি কব নোৱাৰি। ৰোমান্সটোৰ বৈশিষ্ট্য হ'ল ইয়াৰ প্ৰয়োগৰ দক্ষতা। তেওঁৰ ভাষা হ'ল ব্যঞ্জনধৰ্মী আৰু অলঙ্কাৰপুৰ্ণ। উপমা ৰূপক আদিৰ ব্যৱহাৰ সঘন। Parzival অৰ বাহিৰেও উল্‌ফ্ৰামে Schianatulander and Sigune নামৰ প্ৰেমৰ কাহিনী এটিও ৰচনা কৰে।

উল্‌ফ্ৰামৰ সমসাময়িক আন এজন ৰোমান্স লেখক হ'ল Gottfried Von Strassburg সমসাময়িক হ'লেও দুয়োজনৰ দৃষ্টিভংগী আছিল সম্পূৰ্ণ বিপৰীতধৰ্মী। উল্‌ফ্ৰাম জড়িত হৈছিল অতীন্দ্ৰিয় (transcendental) সমস্যাৰ লগত কিন্তু গট্‌ফ্ৰাইডৰ দৃষ্টিভংগী আছিল বাস্তৱমুখী বা বৈষয়িক। আনুমানিক ১২১ খৃষ্টাব্দত গট্‌ফ্ৰাইডে Tristan নামৰ ৰোমান্সটো ৰচনা কৰে। ইয়াৰো উৎস হ'ল টমাচ নামৰ লেখক এজনৰ ফৰাচী ভাষাত লিখা কবিতা এটি। ট্ৰীষ্টানৰ বিষয়বস্তুটো নতুন নাছিল আৰু সেইকাৰণে এই বিষয়বস্তুৰে লিখা পিছৰ আখ্যানবোৰৰ গুৰুত্ব ৰচনাৰীতিৰ দক্ষতাৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। প্ৰেমৰ মনস্তাত্বিক বৰ্ণনা দিয়াত আৰু ইয়াৰ জটিলতাৰ স্বৰূপ দাঙি ধৰাত গট্‌ফ্ৰাইডে দক্ষতাৰ পৰিচয় দিছে। প্ৰকৃতিৰ বৰ্ণনা দিয়াতো তেওঁ আছিল সিদ্ধহস্ত।

ইয়াৰ পিছৰ আনজন ৰোমান্স লেখক হ'ল Rudolf Von Ems তেওঁৰ ৰচনাৰ কালছোৱা হ'ল ১২২ খৃষ্টাব্দৰ পৰা ১২৫৪ খৃষ্টাব্দলৈকে। তেওঁৰ ৰচিত উল্লেখযোগ্য ৰোমান্সটো হ'ল Barloam and Josaphat. ইয়াৰ বিষয়বস্তু এটা Buddhistic legend-অৰ পৰা আহৰণ কৰা। এই আখ্যান গ্ৰীছ আৰু অৱশেষত খৃষ্টানধৰ্মৰ আদৰ্শৰ দ্বাৰা মিশ্ৰিত হৈ গোটেই ইউৰোপতে বিয়পি পৰে। এই ৰোমান্সটোত গোটেই জগতকে কেৱল মায়া (appearance) বুলি ব্যাখ্যা কৰা হৈছে। সেইমতে

তেওঁৰ আন এটা আখ্যান weltchronik-অৰ বিষয়বস্তু বাইবেলৰ পৰা গ্ৰহণ কৰা। এইটো কথা ঠিক যে কবিৰ আধ্যাত্মিক দৃষ্টিভংগী একপক্ষীয়। কন্‌ৰাড্‌ৰ ৰচিত আন এটি গল্প হ'ল Der gute Gerhard এই গল্পটোত বণিক্ এজনৰ দয়াক নৈতিক আদৰ্শ বুলি দেখুওৱা হৈছে। এই গল্পটোৰ নায়ক হ'ল বাস্তৱ জীৱনত লগ পোৱা এজন সাধাৰণ লোক কোনো নাইট নহয়। কন্‌ৰাড্‌ে তেওঁৰ আলেকজেণ্ডাৰ সম্পৰ্কে লিখা ৰোমাঞ্চটোতহে গতানুগতিক ধৰণে বীৰত্বপূৰ্ণ কাৰ্য্যৰ বৰ্ণনা দাঙি ধৰিছে।

মধ্যযুগীয় জাৰ্মান সাহিত্যত ৰোমাঞ্চলেখক হিচাপে আন দুজন লোকৰ নাম লব পাৰি। তাৰে এজন হ'ল কনৰেড (Konrad) আৰু আনজন হ'ল উলৰিক (Ulrich)। এওঁলোকৰ পিছৰ পৰা ৰোমাঞ্চ লিখাৰ ঐতিহ্য দুৰ্বল হৈ আহে আৰু ইয়াৰ ঠাই অধিকাৰ কৰে সৰু সৰু গল্প আৰু আখ্যানে।

(৬)

ইউৰোপীয় পণ্ডিতসকলে ৰোমাঞ্চৰ উৎপত্তি মধ্যযুগীয় ইউৰোপত বুলি কলেও সংস্কৃত সাহিত্যত ৰোমাঞ্চৰ উৎপত্তিলৈ লক্ষ্য কৰিলে এই মত প্ৰতীয়মান নহয়। পিটাৰছন আদি কেতবোৰ পণ্ডিতে সংস্কৃত সাহিত্যৰ ৰোমাঞ্চত গ্ৰীছদেশৰ আখ্যান সমূহৰ প্ৰভাৱৰ কথা কলেও এই ধাৰণা একেবাৰেই অমূলক। সংস্কৃত সাহিত্যত ৰোমাঞ্চৰ উৎপত্তি ইউৰোপীয় সাহিত্যতকৈ আগৰ। সংখ্যাত তাকৰীয়া হ'লেও কাব্যগুণত সংস্কৃত সাহিত্যৰ ৰোমাঞ্চ অতি উচ্চ স্তৰৰ। এইবোৰ গদ্যত ৰচিত। ক্লাছিকেল সংস্কৃত সাহিত্যত আমি যিবোৰ ৰোমাঞ্চৰ উল্লেখ পাওঁ সেইবোৰক সাধাৰণতে দুটা ভাগত ভাগ কৰা হৈছিল। কিছুমানক বোলা হৈছিল আখ্যায়িকা আৰু কিছুমানক কথা। কিন্তু আচাৰ্য্য দণ্ডীয়ে তেওঁৰ কাব্যাদৰ্শত উল্লেখ কৰিছে যে দুয়োবিধৰ মাজত বিশেষ তেনেকুৱা একো পাৰ্থক্য নাই আৰু একেবিধ ৰচনাৰে সেইবোৰ বেলেগ বেলেগ নাম মাথোন। কিন্তু অমৰসিংহই দুয়োবিধৰে মাজত পাৰ্থক্য আছে বুলি উল্লেখ কৰিছে। তেওঁৰ মতে আখ্যায়িকাৰ ঐতিহাসিক ভিত্তি আছে আৰু কথা হ'ল কল্পনাপ্ৰসূত।

সংস্কৃত সাহিত্যত ৰোমাঞ্চৰ উৎপত্তিৰ কথা আলোচনা কৰিলেই আমি নাম লব লাগিব আচাৰ্য্য দণ্ডীৰ। দণ্ডীৰ সময় সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ আছে। তেওঁৰ কাব্যাদৰ্শ নামৰ পুথিখনৰ ওপৰত ভিত্তি কৰি এইটো অনুমান কৰিব পাৰি যে তেওঁ প্ৰৱৰসেনৰ পিছৰ লোক। ৰাজতৰঙ্গিনীৰ মতে প্ৰৱৰসেনে ৬ষ্ঠ শতিকাত কাশ্মীৰত ৰাজত্ব কৰিছিল। এই প্ৰৱৰসেনেই বোধহয় সেতুবন্ধৰ ৰচক। দণ্ডী আৰু

ভামহৰ মাজৰ সম্বন্ধও বিতৰ্কমূলক। কিছুমান পণ্ডিতে মত পোষণ কৰে যে দণ্ডীয়ে ভামহক সমালোচনা কৰিছিল কিন্তু আন কেতবোৰে এই মতৰ বিৰোধিতা কৰিছে। আকৌ দণ্ডী আৰু ভট্টিৰ মাজৰ সম্বন্ধক লৈও কিছু তৰ্ক বিতৰ্কৰ সৃষ্টি হৈছে। কিছুমান পণ্ডিতে মত পোষণ কৰে যে দণ্ডীয়ে ভট্টিকাব্য পঢ়ি চাইছিল। এ'নকুৱা ধৰণৰ বহুতো তৰ্কজালৰ সৃষ্টি হ'লেও এতিয়া সকলোৱে ধৰি লৈছে যে দণ্ডীৰ আৱিৰ্ভাৱ কাল হ'ল সপ্তম শতিকা। মেক্সমূলাৰ বেবাৰ মেক্ডোনাল্ড কৰ্ণেল জেকব আদি পশ্চিমীয়া পণ্ডিত আৰু আধুনিক ভাৰতীয় পণ্ডিতসকলৰ মতে দণ্ডী সপ্তম শতাব্দীৰ লোক। দশকুমাৰ চৰিত আৰু কাব্যাদৰ্শই দিয়া আভ্যন্তৰীণ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি এইটো অনুমান কৰিব পাৰি যে দণ্ডী দক্ষিণ-ভাৰতৰ লোক আছিল। তেওঁৰ জন্মস্থান সম্বন্ধে মতভেদ আছে। কিছুমানৰ মতে জন্মস্থান হ'ল কাঞ্চী। কিন্তু তেওঁৰ দুয়োখন গ্ৰন্থতে বিদৰ্ভৰ উল্লেখ বেছিকৈ থকা কাৰণে কিছুমান পণ্ডিতে তেওঁক বিদৰ্ভৰ লোক বুলি কব খোজে। তেওঁৰ জন্মস্থান অৱশ্যে কাঞ্চী কিন্তু বিদৰ্ভৰ লগত তেওঁৰ ওতঃপ্ৰোত সম্বন্ধ আছিল।

দণ্ডী ৰচিত দশকুমাৰ চৰিত সংস্কৃত সাহিত্যত এটি উল্লেখযোগ্য ৰোমান্স। ই হ'ল আখ্যায়িকা শ্ৰেণীৰ। ইয়াত ৰাজবাহনকে মুখ্য কৰি আঠজন ৰাজকুমাৰৰ কাহিনী বৰ্ণনা কৰা হৈছে। ৰোমান্সটোৰ নাম অনুসৰি ই দহজন ৰাজকুমাৰৰ কাৰ্য্যাৱলীৰ বৰ্ণনা হব লাগিছিল। কিন্তু আন দুজন ৰাজকুমাৰৰ কাহিনী পূৰ্ব-পীঠিকা (Prelude) আৰু উত্তৰ-পীঠিকা (Sequel) নামৰ দুটা অধ্যায়ত দিয়া হৈছে। এই অধ্যায় দুটা আন কোনো লেখকে পিছত যোগ দিয়া যেন লাগে। এই আখ্যানটোৰ জৰিয়তে আমি সেই সময়ৰ সামাজিক প্ৰথাৰ স্পষ্ট পৰিচয় পাওঁ। দণ্ডীয়ে তেওঁৰ ৰচনাত বৈদৰ্ভীৰীতি প্ৰয়োগ কৰিছে।

আচাৰ্য্য দণ্ডীৰ লগতে আন এজন উল্লেখযোগ্য ৰোমান্স লেখক হ'ল সুবন্ধু। সুবন্ধুক বাণভট্টতকৈ আগৰ লোক বুলি অনুমান কৰা হৈছে কাৰণ বাণভট্টই তেওঁৰ কাদম্বৰী ৰ আৰম্ভণিতে সুবন্ধুৰ বাসৱদত্তা ৰ কথা উল্লেখ কৰিছে। বাসৱদত্তা ৰ এঠাইত সুবন্ধুৱে ৰজা বিক্ৰমাদিত্যৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰিছে। এই কথাৰ পৰা কিছুমান পণ্ডিতে অনুমান কৰে বিক্ৰমাদিত্যৰ মৃত্যুৰ পিছত ৰাজ্যত অৰাজকতাই দেখা দিয়ে আৰু ইয়াৰ ফলত সুবন্ধুৱে কিছু অসুবিধা ভোগ কৰিব লগা হয়। যদি এয়ে হয় তেনেহলে সুবন্ধুক আমি বহুত আগৰ বুলি ধৰি লব লাগিব। কিন্তু সেইটো হোৱা সম্ভৱ নহয়। সুবন্ধুক সপ্তম শতিকাৰ আৰম্ভণিৰ লোক বুলিয়েই বেছিভাগ পণ্ডিতে মতপোষণ কৰে।

সুবন্ধু ৰচিত বোমাঞ্চটোৰ নাম হ'ল 'বাসৱদত্তা'। ইয়াৰ বিষয়বস্তু হ'ল ৰাজকুমাৰ কন্দৰ্পকেতু আৰু ৰাজকুমাৰী বাসৱদত্তাৰ প্ৰণয়-কাহিনী। ইয়াত আছে কবি-কল্পনাৰ মুক্ত বিচৰণ। ৰাজকুমাৰ কন্দৰ্পকেতুৱে এদিন সপোনত সুন্দৰী ৰাজকুমাৰী এগৰাকী দেখি সাৰ পাই উঠিল আৰু তাৰ পিছতেই আৰম্ভ হ'ল ৰাজকুঁৱৰীৰ কাৰণে তেওঁৰ অন্বেষণ। ইতিমধ্যে ৰাজকুমাৰী বাসৱদত্তায়ে সপোনত ৰাজকুমাৰ কন্দৰ্পকেতুক দেখা পায় আৰু তেওঁক বিচাৰি উলিয়াবলৈ ৰাজবিষয়া নিয়োগ কৰে। ঘূৰি ফুৰোতে কন্দৰ্পকেতুৱে এহাল ভাটৌৰ কথোপকথনৰ পৰা বাসৱদত্তাৰ সন্ধান পায়। কন্দৰ্পকেতু পাটলিপুত্ৰলৈ আহে আৰু তাতে তেওঁৰ বাসৱদত্তাৰ লগত মিলন হয়। কিন্তু বাসৱদত্তাৰ দেউতাকে বাসৱদত্তাক আন এজন ৰাজকুমাৰলৈ বিয়া দিয়াৰ মন কৰিছিল। এই কথাৰ উমান পাই দুয়ো ৰাজকুমাৰেৰ পৰা যাদু ঘোঁৰাত উঠি বিন্ধ্যপৰ্বতৰ ফালে পলাই গ'ল। এদিন কন্দৰ্পকেতু শুই থাকোতে হাবিত বাসৱদত্তাক ঘূৰি ফুৰি থকা অৱস্থাত দেখি তেওঁৰ ৰূপত মুগ্ধ হৈ তেওঁক লাভ কৰাৰ অৰ্থে দুজন কিৰাতৰ মাজত তুমুল যুদ্ধ হয়। যুদ্ধত দুয়োজন কিৰাতৰ মৃত্যু হয়। সেই অৰণ্যত এজন ঋষিয়ে আশ্ৰম কৰি আছিল। বাসৱদত্তাই সেই আশ্ৰমত প্ৰৱেশ কৰাত ঋষিৰ শাপত তেওঁ শিলামূৰ্ত্তি ধাৰণ কৰিলে। ইফালে কন্দৰ্পকেতু টোপনিৰ পৰা সাৰ পাই উঠি বাসৱদত্তাক নেদেখি দুখতে আত্মহত্যা কৰিবলৈ উদ্যত হ'ল। এনেতে এক দৈৱবাণীয়ে তেওঁক প্ৰিয়াৰ লগত মিলন কৰি দিব বুলি আশ্বাস দিয়ে। শেষত হাবিত ভ্ৰমণ কৰি কৰি কন্দৰ্পকেতুৱে বাসৱদত্তাৰ শিলামূৰ্ত্তিক লগ পালে আৰু তেওঁৰ হাতৰ স্পৰ্শত বাসৱদত্তাই পুনৰ মানৱী জীৱন ধাৰণ কৰে। ইয়াতে ঋষিৰ শাপৰ প্ৰভাৱ সমাপ্ত হয়। ইয়াৰ পিছত নিজৰাজ্যলৈ গৈ কন্দৰ্পকেতুই বাসৱদত্তাৰ লগত অলভ্য মনোবাঞ্ছিত সুখ উপভোগ কৰি বহুকাল কটায়। সুবন্ধুৰ ৰচনাশৈলীত দীঘল দীঘল বাক্যৰ কোনো প্ৰয়োগ নাই। দীঘল দীঘল সমাসান্ত পদ প্ৰয়োগ কৰিলেও কথোপকথনত চুটি চুটি বাক্য প্ৰয়োগ কৰিছে। সুবন্ধুৰ ৰচনাৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল অনুপ্ৰাসৰ প্ৰয়োগ। যমক বা Pun অৰ ব্যৱহাৰো আন এটা চকুতপৰা বৈশিষ্ট্য। নায়ক নায়িকাৰ বৰ্ণনাত কবিয়ে উপমা উৎপ্ৰেক্ষা শ্লেষ আদি অলঙ্কাৰৰ পিনে অধিক মনোযোগ দিছে। সুবন্ধুৰ ৰচনাশৈলীত কলাকুশলত মাধুৰ্য্যৰ অভাৱ ঘটিলেও তেওঁৰ কাব্যিক প্ৰতিভাক অস্বীকাৰ কৰিব নোৱাৰি।

সংস্কৃত সাহিত্যত ৰোমান্স-লেখকসকলৰ মাজত আটাইতকৈ প্ৰখ্যাতজনৰ নাম হ'ল বাণভট্ট। বাণভট্টই হৰ্ষচৰিতৰ প্ৰথম তিনি উচ্ছ্বাস আৰু 'কাদম্বৰী'ৰ

প্ৰস্তাৱনাত নিজৰ পৰিচয় দিছে। বাণৰ পিতৃৰ নাম আছিল চিত্ৰভানু আৰু মাতৃৰ নাম ৰাজদেৱী। সৰু কালতেই তেওঁ পিতৃ মাতৃক হেৰুৱায়। পিতৃৰ মৃত্যুৰ পিছত অভিভাৱকৰ অভাৱত বাণ উচ্ছৃংখল হৈ পৰে। কিন্তু পিছলৈ তেওঁৰ স্বভাৱৰ পৰিৱৰ্তন ঘটে। বিদ্যা অধ্যয়ন কৰি তেওঁ আগৰ উচ্ছৃংখল স্বভাৱ পৰিহাৰ কৰে। এদিন মহাৰাজ হৰ্ষবৰ্দ্ধনৰ ভায়েক কৃষ্ণই বাণক ৰাজসভালৈ আমন্ত্ৰণ কৰে। ৰাজদৰবাৰত প্ৰথমতে তেওঁ সমাদৰ পোৱা নাছিল। কিন্তু পিছত আদৰ সম্ভাষণ পায় আৰু লাহে লাহে হৰ্ষৰ বিশ্বাসৰ পাত্ৰ তথা স্নেহভাজন হৈ পৰে। বাণৰ আবিৰ্ভাৱকাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত বৰ বেছি মতানৈক্য নাই। হৰ্ষবৰ্দ্ধন ৬০৬ খৃষ্টাব্দত ৰাজপাটত বহে আৰু ৬৪৮ খৃষ্টাব্দত তেওঁ মৃত্যুবৰণ কৰে। বাণভট্ট আছিল হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ কবি। গতিকে ইয়াৰ পৰা প্ৰমাণিত হয় যে বাণভট্টৰ আবিৰ্ভাৱকাল সপ্তম শতাব্দী।

বাণভট্টৰ দ্বাৰা ৰচিত ৰোমান্স হ'ল দুটা। এটা হ'ল হৰ্ষচৰিত আৰু আনটো হ'ল কাদম্বৰী হৰ্ষচৰিত আখ্যায়িকা শ্ৰেণীৰ আৰু কাদম্বৰী কথা শ্ৰেণীৰ ৰোমান্স। হৰ্ষচৰিতৰ প্ৰথম উচ্ছ্বাসত বাণে নিজৰ বংশ পৰিচয় দিছে। দ্বিতীয় উচ্ছ্বাসত বাণে হৰ্ষবৰ্দ্ধনৰ ৰাজদৰবাৰলৈ যোৱাৰ বৰ্ণনা কৰিছে। তৃতীয় উচ্ছ্বাসত আছে বাণ ৰাজসভাৰ পৰা নিজৰ ঘৰলৈ উভতি অহাৰ কথা। হৰ্ষচৰিতৰ প্ৰকৃত বিষয়বস্তু আৰম্ভ হয় চতুৰ্থ উচ্ছ্বাসৰ পৰা আৰু অষ্টম উচ্ছ্বাসত ই শেষ হৈছে। আগতে উল্লেখ কৰা হৈছে যে হৰ্ষচৰিত এখন আখ্যায়িকা শ্ৰেণীৰ গ্ৰন্থ। ইয়াত তৎকালীন ভাৰতৰ সাংস্কৃতিক আৰু বৌদ্ধিক জীৱনৰ হুবহু চিত্ৰ এখনি ডাঙি ধৰা হৈছে। সেই যুগত কাব্য আৰু কলাৰ প্ৰতি মানুহৰ কিমান অনুৰাগ আছিল তাৰ পৰিচয় হৰ্ষচৰিতৰ প্ৰথম উচ্ছ্বাসত বৰ্ণিত পদগোষ্ঠী কাব্যগোষ্ঠী বাদ্যগোষ্ঠী নৃত্যগোষ্ঠী আৰু বীণাগোষ্ঠীৰ উল্লেখৰ পৰা গম পাওঁ। সেই সময়ৰ দ্বিজসকল আছিল অতি সুসংস্কৃতিবান। ধৃতি ক্ষমা কৰ্তব্যনিষ্ঠা শাস্ত্ৰৰুচি আৰু কাব্যপ্ৰেম আদি গুণবোৰ তেওঁলোকৰ মাজত বিদ্যমান আছিল। হৰ্ষচৰিতত বাণৰ অলৌকিক বৰ্ণনাশক্তিৰ পৰিচয় পোৱা যায় হৰ্ষৰ জন্মকালৰ বৰ্ণনা আনন্দ উল্লাসেৰে ভৰপুৰ। প্ৰভাকৰ বৰ্দ্ধনৰ অন্তিম কালৰ দৃশ্য কৰুণা আৰু বিষাদেৰে পৰিপূৰ্ণ। ঐতিহাসিক দৃষ্টিকোণৰ পৰা হৰ্ষচৰিতৰ মূল্য যথেষ্ট।

বাণভট্টৰ আনখন ৰোমান্স-গ্ৰন্থ হ'ল কাদম্বৰী। এই গ্ৰন্থখন কথা শ্ৰেণীৰ। ইয়াত কবিৰ কল্পনাই অবাধ বিচৰণ কৰি গোটেই কাহিনীটোকে ৰমণীয় কৰি তুলিছে। কাদম্বৰী'ৰ বিষয়বস্তু হ'ল চন্দ্ৰাপীড় আৰু কাদম্বৰীৰ প্ৰণয়-কাহিনী।

এই প্ৰধান কাহিনীৰ লগত সমান্তৰালভাৱে পুণ্ডৰীক আৰু মহাশ্বেতাৰ প্ৰেমমূলক উপকাহিনীও বৰ্ণনা কৰা হৈছে। পুণ্ডৰীকৰ অভিশাপত চন্দ্ৰদেৱতাই পৃথিৱীত চন্দ্ৰপীড় হিচাপে জন্মগ্ৰহণ কৰে আৰু গন্ধৰ্বকন্যা কাদম্বৰীৰ প্ৰেমত পৰে। আনহাতে চন্দ্ৰদেৱতাৰ দ্বাৰা অভিশপ্ত হৈ পুণ্ডৰীকো পৃথিৱীত বৈশম্পায়ন হিচাপে জন্মগ্ৰহণ কৰে। চন্দ্ৰাপীড় আৰু বৈশম্পায়ন দুয়ো আকৌ পিছৰ জনমত যথাক্ৰমে ৰজা শূদ্ৰক আৰু এটি ভাটৌ হিচাপে জন্মগ্ৰহণ কৰে। কাহিনীটোৰ সামৰণি মৰা হৈছে এই জনমত মহাশ্বেতা আৰু পুণ্ডৰীকৰ আৰু কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ মিলনৰ যোগেদি। কাদম্বৰী বাণভট্টৰ শ্ৰেষ্ঠ ৰচনা। ইয়াক সংস্কৃত গদ্য সাহিত্য কাননৰ কাঞ্চন মণি বুলি কোৱা হৈছে। শব্দ আৰু অৰ্থ ভাষা আৰু ভাব—দুয়োবিধৰ যথাযথ সমাবেশ এই গদ্য কাব্যত দেখা যায়। বাণৰ বৰ্ণনাশক্তি অসাধাৰণ আৰু অপৰিসীম। তেওঁৰ ৰচনীশৈলীত স্বভাবোক্তি উপমা আৰু উৎপ্ৰেক্ষাই প্ৰধান স্থান অধিকাৰ কৰিছে। প্ৰকৃত বৰ্ণনাত বাণৰ কল্পনাত এটাৰ পিছত এটাকৈ ৰমণীয় পৰিবেশৰ সৃষ্টি হৈছে। ৰস-প্ৰৱণতা কলা সৌন্দৰ্য্য বক্ৰোক্তিময় অভিব্যঞ্জনা সানুপ্ৰাসিক সমাসান্ত পদাৱলী আৰু দীপক উপমা আৰু স্বভাবোক্তিৰ সংযোজন—এইবোৰেই হ'ল বাণৰ গদ্যশৈলীৰ বিশেষত্ব। তেওঁৰ শৈলীয়ে কেতিয়াবা গৌড়ী আৰু কেতিয়াবা বৈদৰ্ভী ৰীতি এৰি। পাঞ্চালী ৰীতিৰ আশ্ৰয় লৈছে।

সংস্কৃত সাহিত্যত ৰোমান্সৰ সংখ্যা বৰ কম। উপৰোক্ত ৰোমান্সকেইটাৰ বাহিৰে আমি তিলকমঞ্জৰী আৰু গদ্যমঞ্জৰী নামৰ আন দুটি ৰোমান্সধৰ্মী আখ্যানৰ উল্লেখ পাওঁ।

অসমীয়া সাহিত্যত ৰোমান্সধৰ্মী ৰচনা হ'ল ৰামসৰস্বতীৰ বধকাব্যসমূহ। এই কথাষাৰ পোনতে ড বাণীকান্ত কাকতীয়ে উল্লেখ কৰিছিল। ৰামসৰস্বতী হ'ল বৈষ্ণব যুগৰ কবি। বধকাব্যসমূহ মহাভাৰতৰ বন-পৰ্ব নাইবা অন্য কোনো পৰ্বৰ লগত জড়িত বুলি কবিয়ে কৈছে যদিও প্ৰকৃততে সেই আখ্যানবোৰ মহাভাৰতত নাই। মূল মহাভাৰতৰ লগত বিশেষ সম্পৰ্ক নথকা আখ্যানবোৰৰ ভিতৰত এই কেইটাই প্ৰধান—(১) বিজয় পৰ্ব (২) মণিচন্দ্ৰ ঘোষ পৰ্ব (৩) পুষ্পহৰণ পৰ্ব (৪) কালকূঞ্জ-শোষক বধ (৫) ভীম চৰিত (৬) বঘাসুৰ বধ (৭) কুলাচল বধ (৮) জঙ্ঘাসুৰ-বধ (৯) জটাসুৰ বধ আৰু (১০) খটাসুৰ বধ। পাণ্ডৱসকলৰ দুবাৰ বনলৈ যাব লগা হৈছিল। প্ৰথমবাৰ জতুগৃহৰ পৰা আত্মৰক্ষা কৰিবলৈ আৰু দ্বিতীয়বাৰ পাশাখেলত হাৰি পণ ৰক্ষা কৰিবলৈ। দুইবাৰতে বনে বনে ঘূৰি ফুৰোঁতে পাণ্ডৱসকল অশেষ বিপদ আৰু বাধা বিঘিনিৰ সন্মুখীন হ'ব লগা হৈছিল আৰু সেইসময়ত সেই অৰণ্যত অনেক দৈত্য

দানৱ আৰু অসুৰক বধ কৰিব লগাত পৰিছিল। সেই ধৰ্মদ্বেষী অসুৰ দৈত্য দানৱ আৰু ৰাক্ষসবোৰে কেনেকৈ হৰি পৰায়ণ পাণ্ডৱসকলক উৎপীড়ন কৰিবলৈ চেষ্টা কৰিছিল আৰু হৰি বা কৃষ্ণৰ সহায়ত সিহঁতক পাণ্ডৱসকলে কেনেকৈ বধ কৰিলে তাকে বিভিন্ন আখ্যানত বৰ্ণোৱা হৈছে। ড° বাণীকান্ত কাকতিয়ে এই বধকাব্যবোৰক মধ্য যুগীয় ইউৰোপৰ ৰোমাঞ্চৰ লগত তুলনা কৰি তলত দিয়া মন্তব্যখিনি দাঙি ধৰিছে—

"ইউৰোপৰ মধ্যযুগৰ ৰোমাঞ্চ-কাব্যবোৰৰ দানৱ অসুৰ (goblins orges) আদিৰ লগত নাইট্ বোলা ধৰ্মবীৰসকলৰ (knights of chivalry) সংঘৰ্ষ ধৰ্ম বিপ্লৱ মূলক। আমাৰ বধকাব্যবোৰ ইউৰোপীয় সাহিত্যৰ ৰোমাঞ্চ-কাব্যবোৰৰ দৰে সাম্যভাব প্ৰৱৰ্তনৰ চেষ্টাৰ পৰা উদ্ভুত। হিংসা দ্বেষ উৎপীড়ন সকলোকে সমূলে উৎপাটন কৰি জগতত এক ভাব এক মত এক ধৰ্ম এক সমাজ গঠন কৰি ধৰ্মৰাজ্য স্থাপনৰ আকাঙ্ক্ষা এইবোৰৰ ভিতৰেদি সজাগ হৈ উঠা দেখা যায়।

আমাৰ বধ কাব্যবোৰক আদৰ্শাত্মক হিচাপে ৰোমাঞ্চ-কাব্যৰ লগত আৰু পৌৰাণিক হিচাপে গ্ৰীক পৌৰাণিক বীৰসকলৰ কাহিনীৰ লগত তুল্যভাৱে বিজাব পাৰি। বধ কাব্যৰ নায়ক ভীম অৰ্জুন আদিয়ে যেনেকৈ দেৱ দেৱীৰ সহায়ত দানৱ অসুৰ আদি বধ কৰি ফুৰিছিল তেনেকৈ পৌৰাণিক গ্ৰীক আখ্যানবোৰতো দেৱ দেৱীৰ সহায়ত হাৰ্কিউলিছ থিছিয়াছ পাৰ্ছিয়াছ (Hercules Theseus Perseus) আদি বীৰ সকলে নানান বিৰূপ দৈত্য দানৱ বধ কৰি ফুৰিছিল আৰু বীৰত্বৰ সদৃশ পাৰিতোষিক হিচাপে বৈষ্ণৱ কবিৰ হেমা সুন্দৰীৰ সমকক্ষ আৰিয়াড নি এণ্ড্ৰমিদা (Ariadne Andromeda) আদি সুন্দৰীসকলক লাভ কৰিছিল।

(৭)

ওপৰত বিশ্বসাহিত্যৰ কেইটামান উল্লেখযোগ্য ৰোমাঞ্চৰ আভাস দাঙি ধৰা হ'ল। এই ৰোমাঞ্চ শব্দটোৰেই বিশেষণ ৰূপ হ'ল ৰোমাণ্টিক। ইয়াৰ অৰ্থ হ'ল ৰোমাঞ্চ সম্পৰ্কীয় বা ৰোমাঞ্চৰ বৈশিষ্ট্যযুক্ত। সেইকাৰণে আমি যেতিয়া ৰোমাণ্টিক কবিতা ৰোমাণ্টিক গল্প বা কাহিনী বা ৰোমাণ্টিক নাট বা উপন্যাসৰ কথা কওঁ তেতিয়া ৰোমাঞ্চৰ কেতবোৰ বৈশিষ্ট্য উপৰোক্ত সাহিত্য-ৰূপবোৰত লক্ষ্যণীয় হয়। ৰোমাণ্টিক শব্দটো আমি সাধাৰণতে কেনেকুৱা অৰ্থত ব্যৱহাৰ কৰো তাৰ এটি চমু আলোচনা ইয়াত দাঙি ধৰা হ'ল।

প্ৰথমতে আমি romantic শব্দটোৰ অভিধানিক অৰ্থ কেতবোৰ বিচাৰ কৰিম। অক্সফোৰ্ড অভিধানে শব্দটোৰ তলত দিয়া অৰ্থবোৰ দাঙি ধৰিছে—

(১) "Of the nature of having the qualities of romance in respect of form or content " শব্দিকে ইয়াৰ অৰ্থ হ'ল ৰূপ বা বিষয়বস্তুৰ বিষয়ত ৰোমাঞ্চধৰ্মী বা ৰোমাঞ্চৰ গুণবিশিষ্ট।

(২) Characterized by the subordination of form to them and by imagination and passion শব্দিকে ইয়াৰ অৰ্থ হ'ল যত ৰূপ বা গঢ় গৌণ আৰু বিষয়বস্তু বা ভাৱবস্তু মুখ্য যিটোক কল্পনা আৰু আৱেগ-অনুভূতিৰ দ্বাৰা বিশিষ্টতা প্ৰদান কৰা হয়।

(৩) Of a fabulous or fictctions character having no foundation in fact অৰ্থাৎ যিটো কাল্পনিক আৰু যাৰ বাস্তৱ ভিত্তি নাই।

(৪) Having no real existence imaginary purely ideal অৰ্থাৎ প্ৰকৃত অস্তিত্ব নথকা কাল্পনিক পুৰামাত্ৰাই আদৰ্শাত্মক।

(৫) Fantastic extravagant quixotic going beyond what is customary or practical অৰ্থাৎ উদ্ভট অসমত যুক্তিহীন অতি অসাৰ আৰু অদ্ভুত কল্পনাপূৰ্ণ অগতানুগতিক আৰু কাৰ্য্যত অসম্ভৱ (যিটো অসাধ্য)। যেতিয়া কোনো কাৰ্য্যৰ পৰিকল্পনা বা আঁচনিক আমি ৰোমাণ্টিক বুলি কওঁ তেতিয়া শব্দটো এই অৰ্থত ব্যৱহাৰ হয়।

(৬) Having a bent or tendency towards romance readily influenced by the imagination ৰোমাঞ্চৰ প্ৰৱণতা থকা কল্পনাৰ দ্বাৰা প্ৰভাৱিত—এনেকুৱা অৰ্থতো ৰোমাণ্টিক শব্দটো ব্যৱহাৰ হয়।

(৭) Tending towards characterized by romance as a basis or principle of literature or art সাহিত্য বা কলাকৃতিৰ মূলতত্ত্ব বা ভিত্তি হিচাপে ৰোমাঞ্চৰ প্ৰতি টানখোৱা বা ৰোমাঞ্চৰ গুণবিশিষ্ট। এই অৰ্থত ৰোমাণ্টিক শব্দটো ক্লাছিকেল শব্দৰ বিপৰীতধৰ্মী শব্দ হিচাপে ব্যৱহাৰ হয়।

(৮) "Characterized or marked by invested or environed with romance or imaginative appeal অৰ্থাৎ ৰোমাঞ্চৰ পৰিৱেশেৰে পূৰ্ণ বা আবৃত্ত নাইবা কল্পনাত্মক আবেদন সৃষ্টিকাৰী।

(৯) Redolent or suggestive of romance appealing to the imagination and feelings অৰ্থাৎ ৰোমাঞ্চগন্ধী আৰু কল্পনা আৰু অনুভূতিক পৰিতৃপ্ত কৰিব পৰা।

যেতিয়া কোনো বস্তু বা মানুহক বুজাবলৈ ৰোমাণ্টিক শব্দটো ব্যৱহাৰ কৰা হয়,

তেতিয়া ই কেতবোৰ বিশেষ অৰ্থ বহন কৰে। অৱশ্যে কেইটামান নিৰ্দিষ্ট শব্দই এই অৰ্থবোৰ বহন কৰিব নোৱাৰে। অৰ্থ প্ৰকাশৰ সীমাবদ্ধতা অনস্বীকাৰ্য্য। কোনো এখন ঠাইৰ পৰিবেশ যেতিয়া আমি 'ৰোমাণ্টিক বুলি কওঁ তেতিয়া চিত্তহাৰী মনোমুগ্ধকৰ স্বপ্নময় পৰিবেশৰ ঠাই এডোখৰৰ কথাই আমাৰ মনলৈ আহে। ৰূপালীম নাটকৰ প্ৰথম দৃশ্যটোক আমি ৰোমাণ্টিক বুলি কওঁ কাৰণ ইয়াত আছে পাহাৰৰ সৌন্দৰ্য্য নিজৰাৰ কুলু কুলু শব্দ আৰু বাঁহীৰ সুৰ। যিটোকৈয়ে মনোমুগ্ধকৰ। প্ৰেম মূলক অৰ্থতো ৰোমাণ্টিক শব্দটো ব্যৱহাৰ হয়। সেইকাৰণে নাটকৰ প্ৰেমমূলক দৃশ্যক ৰোমাণ্টিক দৃশ্য বুলি কওঁ। Romantic hero বা Romantic character বুলি কলে দুঃসাহসী অগতানুগতিক চিন্তাধাৰাৰ কল্পনা-প্ৰৱণ আৱেগ বিহ্বল স্বপ্ন বিলাসী—এনেকুৱা কোনো লোকৰ কথাই আমাৰ মনলৈ আহে। সেইদৰে Romantic young girl বুলি কলে কোনো প্ৰাণ চঞ্চল আৱেগ বিহ্বল আৰু কল্পনাবিলাসী ছোৱালী এজনীকেই আমি বুজো। অৱশ্যে এইটো কথা আগতেই কোৱা হৈছে যে অৰ্থবোৰ স্বয়ংসম্পূৰ্ণ কেতিয়াও হ ব নোৱাৰে। Romantic শব্দটো বিশেষ্যপদ হিচাপে romanticist বা "ৰোমাণ্টিক লেখক অৰ্থতো ব্যৱহাৰ হয়।

ওৱেবষ্টাৰৰ অভিধানেও romantic শব্দটোৰ প্ৰায় একেধৰণৰ অৰ্থই ডাঙি ধৰিছে। সেইবোৰ তলত উল্লেখ কৰা হ ল—

(i) "Of having the nature of characteristic of or characterized by romance ইয়াৰ অৰ্থ হ ল ৰোমাঞ্চৰ গুণবিশিষ্ট আৰু বৈশিষ্ট্যযুক্ত।

(ii) "Without a basis in fact fanciful fictitions or fabulons অৰ্থ হ ল "বাস্তৱ ভিত্তি নথকা উদ্ভট কল্পনাপ্ৰসূত বা অলীক (অসাৰ)।

(iii) not practical visionary or quixotic as a romantic scheme অৰ্থাৎ সাধ্যাতীত (যাক কাৰ্য্যত পৰিণত কৰি দেখুৱাব নোৱাৰি) স্বপ্নবিলাসী অসাৰ আৰু অদ্ভুত কল্পনাপূৰ্ণ। কোনো পৰিকল্পনা বা আঁচনিক romantic বুলি কলে শব্দটো এই অৰ্থত ব্যৱহাৰ হয়। এনেবোৰ কল্পনাই বাস্তৱ ৰূপ নাপায়।

(iv) "full of or dominated by thoughts feelings and attitudes characteristic of or suitable for romance as a romantic youth ৰোমাঞ্চৰ উপযুক্ত বা ৰোমাঞ্চৰ বৈশিষ্ট্যযুক্ত চিন্তা অনুভূতি আৰু দৃষ্টিভংগীৰ প্ৰাধান্য পূৰ্ণ। যেতিয়া আমি কোনো যুৱকক a romantic youth বুলি কওঁ তেতিয়া শব্দটো এই অৰ্থত ব্যৱহাৰ হয়।

(v) (a) "Of characteristic of or preoccupied with idealised love-making or courting (b) suited for romance or love making as a romantic night" প্ৰণয়-লীলা সম্পৰ্কীয় বা প্ৰণয় লীলাৰ উপযোগী।

(vi) Of characteristic of or supposed by characteristic of romanticism and the Romantic Movement contrasted with classical realistic ৰোমাণ্টিক ভাবধাৰা বা ৰমন্যাসবাদ আৰু ৰোমাণ্টিক আন্দোলনৰ বৈশিষ্ট্যযুক্ত। এই অৰ্থত শব্দটো ক্লাছিকেল বা বাস্তৱধৰ্মী আদি শব্দৰ বিপৰীতধৰ্মী। আবেগ অনুভূতিৰ প্ৰাধান্য থাকিলে romantic আৰু বিচাৰ বুদ্ধিৰ বা intellect অৰ প্ৰাধান্য থাকিলে classical

The Random house Dictionary of the English Language-অত romantic শব্দটোৰ অৰ্থবোৰ বৰ সহজ আৰু চমুকৈ দিয়া আছে কাৰণে সেইবোৰো ইয়াত তুলি দিয়া হ'ল—

(i) Of pertaining to or of the nature of romance characteristic or suggestive of the world of romance ৰোমান্স সম্পৰ্কীয় বা ৰোমান্সৰ পৰিৱেশসূচক। এনেকুৱা অৰ্থতেই আমি romantic scene বা romantic adventure আদিৰ উল্লেখ কৰোঁ।

(ii) Fanciful unpractical unrealistic কল্পনাপ্ৰসূত অসাধ্য (কাৰ্য্যত অসম্ভৱ) অবাস্তৱ। কোনো ধ্যান ধাৰণাক ৰোমাণ্টিক বুলি কলে শব্দটো আমি এই অৰ্থত ব্যৱহাৰ কৰে৷।

(iii) Imbued with or dominated by idealism a desire for adventure Chivalry etc কোনো আদৰ্শবাদ দু সাহসিক অভিযান বা বীৰধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত।

(iv) Characterised by a preoccupation with love or by the idealising of love or one s beloved প্ৰেমাশক্তিব্যঞ্জক প্ৰণয় বা প্ৰণয়িনীৰ প্ৰশস্তিসূচক।

(v) Displaying or expressing love or strong affection প্ৰেমমূলক প্ৰেমপ্ৰকাশক প্ৰেমৰ অভিব্যক্তিমূলক।

(vi) Ardent passionate fervent উদ্দীপনাময় আবেগ প্ৰৱণ ব্যাকুল।

(vii) "Of pertaining to or characteristic of a style of literature

and art which subordinates form to content encourages freedom of treatment emphasizes imagination emotion and introspection and often celebrates nature the common man and freedom of the spirit সাহিত্য আৰু শিল্পকৰ্মৰ একপ্ৰকাৰ ৰীতি বা প্ৰকাশভঙ্গী সম্পৰ্কীয় য'ত ৰূপ বা গঢ়ৰ স্থান বিষয়বস্তু বা ভাৱবস্তুতকৈ তলত য'ত আছে উপস্থাপন ৰীতি বা বিষয়বস্তু বিশ্লেষণৰ স্বাধীনতা কল্পনা আৱেগ আৰু অন্তৰ্দৃষ্টিৰ প্ৰাধান্য আৰু য'ত আছে প্ৰকৃতি জনসাধাৰণ আৰু মুক্তমনৰ গুণানুকীৰ্তন।

(viii) "Of or pertaining to a musical style characteristic chiefly of the 19th century and marked by the free expression of imagination and emotion Virtuosic display experimentation with form and the adventurous development of orchestral and piano music and opera ৰোমাণ্টিক শব্দটো সঙ্গীতৰ ক্ষেত্ৰত এই অৰ্থত ব্যৱহৃত হয়। ই হ'ল উনৈশ শতিকাত উদ্ভৱ হোৱা একপ্ৰকাৰ সঙ্গীতিক ৰীতি। যাৰ বৈশিষ্ট্য হ'ল কল্পনা আৰু আৱেগৰ মুক্ত স্ফুৰণ শৈল্পিক দক্ষতাৰ প্ৰদৰ্শন ৰূপ বা গঢ়ৰ পৰীক্ষা নিৰীক্ষা আৰু অৰ্কেষ্ট্ৰা সঙ্গীত বেহেলা সঙ্গীত আৰু গীতাভিনয়ৰ বিকাশত বলিষ্ঠ পদক্ষেপ।

(ix) Imaginary fictitous or fabulous কাল্পনিক অলীক বা অবাধ কল্পনা প্ৰসূত বা অসাৰ।

(x) Noting of or pertaining to the role of a suitor or lover in a play about love কোনো প্ৰেমমূলক নাটকত প্ৰায়াকাঙ্ক্ষীৰ ভূমিকা সম্পৰ্কীয় বা তেওঁৰ কাৰ্য্যাৱলীৰ লক্ষণযুক্ত।

এইবোৰ আভিধানিক অৰ্থৰ বাহিৰেও আন বহুতো অৰ্থত ৰোমাণ্টিক শব্দটো ব্যৱহাৰ হয়। Barzun নামে পণ্ডিত এজনে এই শব্দটোৰ ইমানবোৰ প্ৰতিশব্দৰ উদাহৰণ দিছে যে সেই উদাহৰণবোৰে স্পষ্টকৈ আঙুলিয়াই দিয়ে যে এই romantic শব্দটো এনে এটা তাৎপৰ্য্যপূৰ্ণ গুৰুত্বপূৰ্ণ বা অৰ্থব্যঞ্জক শব্দ যাৰ পৰা ব্যক্তিগত প্ৰয়োজন অনুসৰি ভিন ভিন অৰ্থ গ্ৰহণ কৰিব পাৰি। Romantic শব্দটোৰ এই পণ্ডিতজনে দিয়া প্ৰতিশব্দবোৰ হ'ল attractive (আকৰ্ষণীয় মনোমোহা চিত্তাকৰ্ষক) bomastic (দীৰ্ঘ উচ্চধ্বনি বিশিষ্ট) conservative (ৰক্ষণশীল ঠেক) emotional (আৱেগ ধৰ্মী) exuberant (উচ্ছ্বসিত) fanciful (কাল্পনিক) formless (ৰূপহীন) futile (অসাৰ নিৰৰ্থক) heroic (বীৰত্বব্যঞ্জক) irrational (অযুক্তিকৰ বিচাৰ শক্তি শূন্য) materalistic (বৈষয়িক) mysterious (ৰহস্যপূৰ্ণ) nordic (নৰ্দিক) ornamental (আলঙ্কাৰিক অলঙ্কাৰ বহুল) realistic (বাস্তৱধৰ্মী) stupid

(নিৰ্বোধ) unreal (অবাস্তৱ) আৰু unselfish (স্বাৰ্থশূন্য)। ইয়াৰ বাহিৰেও শব্দটোৰ সচৰাচৰ ব্যৱহৃত কেইটামান প্ৰতিশব্দ হ'ল adventurous (দুঃসাহসিক) daring (সাহসী নিৰ্ভীক) extraordinary (অসাধাৰণ) gallant (প্ৰেমানুৰাগী) আৰু wild (অসংযত অনিয়ন্ত্ৰিত)। এইবোৰৰ বাহিৰেও romantic শব্দটো বাহস্থিক প্ৰতীক ধৰ্মী অদৃশ্য (দৃশ্যাতীত দৰ্শনাতীত) মহান চিত্ৰধৰ্মী সৌন্দৰ্য্য মণ্ডিত আদি অৰ্থতো ব্যৱহাৰ হয়।

ইংৰাজী romantic শব্দটোৰ প্ৰয়োগৰ বুৰঞ্জী আউল লগা যদিও মন কৰিব লগীয়া। মধ্যযুগত ৰোমাণ্টিক শব্দৰ সলনি ৰোমাঞ্চ শব্দ ব্যৱহাৰ কৰা হৈছিল। তেতিয়া এই শব্দটোৱে লেটিনৰ পৰা ওলোৱা আন আন প্ৰাদেশিক ভাষাক বুজাইছিল। লেটিন আছিল কেৱল পণ্ডিত সকলে ব্যৱহাৰ কৰা ভাষা। Euromancier romancar romanz আদি শব্দই প্ৰাদেশিক ভাষাত ৰচনা কৰা বা অনুবাদ কৰা বুজাইছিল। এনেকুৱা ধৰণৰ ৰচনাক বোলা হৈছিল romanz roman romanzo আৰু ৰোমাঞ্চ। Roman বা romant বুলি কলে imaginative work অৰ্থাৎ কল্পনাত্মক ৰচনাক বুজাইছিল। এই শব্দকেইটাই courtly romance বা দৰবাৰী ৰোমাঞ্চকো বুজাইছিল। ইয়াৰ বাহিৰে popular book বা জনপ্ৰিয় পুথি অৰ্থতো শব্দ দুটা ব্যৱহৃত হৈছিল। মধ্যযুগত ৰোমাঞ্চ শব্দটোৱেই ৰোমাঞ্চৰ বৈশিষ্ট্যযুক্ত অৰ্থাৎ ৰোমাণ্টিক অৰ্থত ব্যৱহাৰ হৈছিল। সেইকাৰণে romance literature বুলি কলে romantic literature বুজোৱা হৈছিল। অৱশ্যে ইয়াৰ আন এটি অৰ্থ হ'ল লেটিনৰ পৰা ওলোৱা সকলো প্ৰাদেশিক ভাষাত লিখা সাহিত্য।

ইংৰাজী romance শব্দটোৰ বিশেষণ ৰূপ হ'ল romantic আৰু ফৰাচী roman (romance) শব্দটোৰ বিশেষণ ৰূপ হ'ল romantique আৰু romanesque সপ্তদশ শতিকাত ইংলণ্ড আৰু ফৰাচী দেশত শব্দটোৰ বিশেষণ ৰূপে কাল্পনিক অদ্ভুত অতিৰঞ্জিত উদ্ভট (অবাস্তৱ) আদি হীনতাসূচক অৰ্থ প্ৰকাশ কৰিছিল। ডায়েৰী লেখক ইভলিন আৰু পীপ ছে শব্দটো ব্যৱহাৰ কৰিছিল Wild extravagant and improbable অৰ্থাৎ "বিবেচনাহীন (চিন্তাশূন্য) অযুক্তিকৰ (অসংযত) আৰু অসম্ভৱ। ফৰাচী দেশত romanesque আৰু romantique শব্দ দুটাৰ মাজত পাৰ্থক্য এটি ৰখা হৈছিল। প্ৰথমটো হীনতাসূচক অৰ্থত ব্যৱহাৰ কৰা হৈছিল। দ্বিতীয়টোৱে কিন্তু কোমল নম্ৰ ভাৱপ্ৰৱণ আৰু বিষাদাত্মক আদি অৰ্থ প্ৰকাশ কৰিছিল। অষ্টাদশ শতিকাত শব্দটোৰ ইংৰাজী ৰূপ romantic' ইংলণ্ডত romantique অৰ সমাৰ্থক হিচাপে ব্যৱহাৰ হয়। সপ্তদশ শতিকাত জাৰ্মানীত

romantisch শব্দটো ফৰাচী শব্দ romanesque-অৰ সমাৰ্থক হিচাপে ব্যৱহাৰ হৈছিল। অৰ্থাৎ তেতিয়া ইয়াৰ অৰ্থ হীনতাসূচক আছিল। অষ্টাদশ শতিকাৰ মাজমানৰ পৰাহে ইয়াক নম্ৰ বিষাদাত্মক আদি অৰ্থত ব্যৱহাৰ কৰা হৈছিল।

সপ্তদশ শতিকাতে romantic শব্দটোৱে ইংলণ্ডত mediaeval অৰ্থাৎ মধ্যযুগীয় অৰ্থ লবলৈ লয়। ওৱাৰ্টনে এই অৰ্থতেই শব্দটো তেওঁৰ কেইটিমান কবিতাত ব্যৱহাৰ কৰিছিল। ইয়াৰ পিছত অষ্টাদশ শতিকাত শব্দটো মধ্যযুগীয় অট্টালিকাৰ দৃশ্য আৰু ভগ্নাৱশেষৰ ক্ষেত্ৰত ব্যৱহৃত হবলৈ ধৰে। শব্দটো এই অৰ্থত ব্যৱহাৰ কৰা দুজন প্ৰখ্যাত লেখক হ'ল এডিছন আৰু গ্ৰে। টমচনে তেওঁৰ The seasons নামৰ কবিতাটোত শব্দটো প্ৰাকৃতিক দৃশ্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। লাহে লাহে romantic শব্দটো gothic শব্দৰ সলনি ব্যৱহৃত হবলৈ ধৰে। এই ক্ষেত্ৰত এইটো অতি মন কৰিব লগীয়া কথা যে ওৱাৰ্ডছওৱাৰ্থ কোলেৰিজ চাউদী আদি কবিয়ে নিজকে কেতিয়াও ৰোমাণ্টিক বুলি ভবা নাছিল। ওৱাৰ্ডছওৱাৰ্থৰ দৃষ্টিত ৰোমাণ্টিক মানে হ'ল extravagant excessive and even undesirable কিন্তু অতি আমোদজনক কথা এয়ে যে শেষত এইকেইজন কবিয়েই সাহিত্য সমালোচনাত ৰোমাণ্টিক কবি বুলি প্ৰখ্যাত হ'ল।

ৰোমাণ্টিক শব্দটো ইমান ব্যাপক অৰ্থত ব্যৱহাৰ হয় যে সাহিত্যৰ এক বিশেষ ৰূপৰ সন্ধান ই দিব নোৱাৰে। এই অৰ্থবৈচিত্ৰ্যৰ কাৰণে লাভজয় নামে আমেৰিকাৰ সাহিত্য সমালোচক এজনে মন্তব্য কৰিছিল এইদৰে—"The word romantic has come to mean so many things that by itself it means nothing at all অৰ্থাৎ ৰোমাণ্টিক শব্দটোৱে ইমানবোৰ কথাক বুজায় যে অকলশৰীয়াকৈ ই একোকে নুবুজায়। গতিকে ভিন ভিন প্ৰসঙ্গত ইয়াৰ ভাবাৰ্থও ভিন ভিন। এই শব্দটোৱে এক নিৰূপিত অৰ্থ দাঙি ধৰাৰ পৰিবৰ্তে কিছুমান সাহিত্যিক মনোভঙ্গীহে স্পষ্ট কৰি তোলে। সাহিত্য-সমালোচনাৰ ক্ষেত্ৰত এই শব্দটো প্ৰথমতে ব্যৱহাৰ কৰিছিল জাৰ্মান সমালোচক শ্লিগেলে। তেওঁ ৰোমাণ্টিক শব্দটো ক্লাছিক শব্দৰ বিপৰীতধৰ্মী বুলি উল্লেখ কৰিছিল। ইয়াৰ পিছতে এই অৰ্থত শব্দটোৰ প্ৰচলন ইংলণ্ড আৰু ফ্ৰান্সত হয়।

ইংৰাজী romantic শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাপে নৱন্যাসিক শব্দটো ইমানদিনে ব্যৱহৃত হৈ আছিল। কিন্তু যশস্বী কবি আৰু সমালোচক অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰাই ৰমন্যাসিক শব্দটো ব্যৱহাৰ কৰাৰ পিছৰে পৰা আগৰ শব্দটোৰ ব্যৱহাৰ প্ৰায় নোহোৱাৰ দৰে হৈছে।

(৮)

ৰোমাণ্টিক শব্দৰ পৰাই সৃষ্টি হৈছে গুণবাচক বা ভাববাচক বিশেষ্য শব্দ ৰোমাণ্টিছিজম্ (romanticism) অক্সফোর্ড অভিধানত এই শব্দটোৰ অৰ্থ দিয়া হৈছে এনে ধৰণে : (১) "a romantic fancy or idea অৰ্থাৎ ৰোমাণ্টিক কল্পনা বা ভাৱধাৰা

(২) "tendency towards romance or romantic views অৰ্থাৎ ৰোমান্স বা ৰোমাণ্টিক দৃষ্টিভংগীৰ প্ৰতি প্ৰৱণতা ; (৩) "the distinctive qualities or spirit of the romantic school in art literature and music অৰ্থাৎ কলা সাহিত্য আৰু সঙ্গীতৰ ক্ষেত্ৰত ৰোমাণ্টিক গোষ্ঠীৰ বিশেষ গুণ বা ভাৱ (মানস)। ৰোমাণ্টিছিজম শব্দটোক ৰোমাণ্টিক গুণ ভাৱধাৰা বা দৃষ্টিভংগী অৰ্থতেই সাধাৰণতে ব্যৱহাৰ কৰা হয়। সাহিত্য পৰিভাষাৰ শব্দ হিচাপে ইয়াৰ অৰ্থ দিয়া হৈছে ৰমন্যাসবাদ বুলি।

দ্বিতীয় অধ্যায়

ৰমন্যাসবাদৰ কেইটিমান সংজ্ঞা

ৰমন্যাসবাদ (romanticism) শব্দটোৰ অৰ্থ হ'ল ৰমন্যাসিক চিন্তাধাৰা বা ভাৱধাৰা। ই হ'ল সাহিত্য আৰু শিল্পকৰ্মৰ আধাৰত প্ৰকাশিত হোৱা এক বিশেষ মনোভংগী বা মেজাজ। ই কোনো বিশেষ সাহিত্য বা শিল্পীগোষ্ঠীৰ সুনিৰ্দিষ্ট মতবাদ নহয়। এই মনোভংগীৰ প্ৰকাশ ইমান বৈচিত্ৰ্যপূৰ্ণ আৰু গতিধাৰা ইমান বহুমুখী যে ৰমন্যাসবাদৰ সকলো বৈশিষ্ট্য সামৰা কোনো এটা সংজ্ঞা দিয়া সম্ভৱ নহয়। এতিয়া লৈকে বহুতো কবি সৃষ্টিধৰ্মী লেখক আৰু সমালোচকে ইয়াৰ বহুতো সংজ্ঞা দাঙি ধৰিছে কিন্তু কোনোটো সংজ্ঞাই যথোপযোগী যুক্তিযুক্ত আৰু পৰিপূৰ্ণ বা স্বয় সম্পূৰ্ণ হোৱা নাই। অধ্যাপক এফ এল লুকাছে (F L Lucas) তেওঁৰ Decline and fall of the Romantic Ideal নামৰ পুথিত ৰমন্যাসবাদ সম্পৰ্কে ১১৩৯৬ খন পুথিৰ অৰ্থাৎ যিমানটা সংজ্ঞাৰ লেখ দিছে। এতিয়া নিশ্চয় বহুত বেছি হ'ব। কথাটো ভাবিলে বৰ আচৰিত যেন লাগে। লাভজয় নামে এজন আমেৰিকান সমালোচকে কৈছে The word romantic has come to mean so many things that by itself it means nothing It has ceased to perform the function of a verbal sign„ ইয়াৰ অৰ্থ হ'ল "ৰমন্যাসিক শব্দটোৱে ইমানবোৰ বস্তুক বুজাবলৈ লৈছে যে ই একো বস্তুকেই নুবুজায়। গ্ৰীয়াৰ্চন নামে আন এজন সমালোচকে কৈছে যে classic আৰু romantic এনেকুৱা দুটা শব্দ যাৰ সংজ্ঞা আমি নিজে সন্তুষ্ট হোৱাকৈ বা আনক সন্তুষ্ট কৰাকৈ কেতিয়াও দিব নোৱাৰি। এল্টনে (Elton) এই শব্দ দুটাক thought-confounding words অৰ্থাৎ আমাৰ চিন্তাশক্তিক বিবুদ্ধিত পেলোৱা শব্দ বুলি কৈছে। এনেকুৱা ধৰণৰ অসুবিধাৰ মাজতো আমাৰ বিশ্বাস যে সমালোচনাৰ ক্ষেত্ৰত সঘনে প্ৰয়োগ হোৱা কেইটিমান সংজ্ঞাই ৰমন্যাসবাদৰ প্ৰধান বিশেষত্বসমূহ প্ৰকাশ কৰিব পাৰিব।

পোনপ্ৰথমে আমি উনবিংশ শতিকাৰ প্ৰখ্যাত ইংৰাজ সমালোচক ওৱাল্টাৰ পেটাৰৰ (Walter Pater) সংজ্ঞাটোকে বিচাৰ কৰি চাওঁ। তেওঁৰ সংজ্ঞাটো পোৱা যায় তেওঁৰ Appreciations নামৰ পুথিখনৰ Postscript নামৰ ৰচনাখনত। তেওঁৰ মতে ৰমন্যাসবাদ হ'ল "addition of strangeness to beauty" অৰ্থাৎ "সৌন্দৰ্য্যৰ লগত অপৰিচিতৰ সংযোজন বা "সুন্দৰৰ লগত অদ্ভুতৰ সংযোগ।" ইয়াত

এইটোকে বুজোৱা হৈছে যে কল্পনাশক্তিৰ সহায়ত ৰোমাণ্টিক কবি বা আন লেখকে ৰমণীয় বা সুন্দৰ বস্তুক অচিন আচহুৱা কৰি তোলে। গোটেই বস্তুটোকে বিস্ময়কৰ কৰি তোলে। পেটাৰে তেওঁৰ ৰচনাখনত ব্যৱহাৰ কৰা গোটেই বাক্যটো হ'ল এই—"It is the addition of strangeness to beauty that constitutes the romantic character in art and the desire of beauty being a fixed element in every artistic organization it is the addition of curiosity to this desire of beauty that constitutes the romantic temper ইয়াৰ মূল কথাটো হ'ল এয়ে যে কোনো শিল্পকর্ম বা কলাকৃতিত ৰোমাণ্টিক বৈশিষ্ট্য ফুটি উঠে যোতয়াহ ইয়াক সৌন্দর্যমণ্ডিত আৰু বিস্ময়কৰ কৰি তোলা হয়। সৌন্দর্যপ্রিয়তা সকলো কলাকৃতিৰে এটা ধৰাবন্ধা উপাদান হোৱা গতিকে ইয়াৰ লগত যেতিয়া ঔৎসুক্যৰ সহযোগ ঘটে তেতিয়াই ৰোমাণ্টিক মেজাজ বা মনোভঙ্গীৰ সৃষ্টি হয়। এই ঔৎসুক্যৰ হেতুকেই ৰোমাণ্টিক লেখকসকলে নতুন ভাব বা চিন্তা নতুন বিষয়বস্তু আৰু নতুন প্ৰকাশভঙ্গী বিচাৰি লয় বা সেইবোৰৰ প্ৰতি আকৃষ্ট হয়। সেই কাৰণে পেটাৰৰ মতে ৰোমাণ্টিক মনোভঙ্গীৰ দুটা প্ৰধান উপাদান হ'ল curiosity and the love of beauty ইয়াৰ উদাহৰণ স্বৰূপে তেওঁ ৰোমাণ্টিক লেখকসকলৰ মধ্যযুগ প্ৰতিলৈকে আঙুলিয়াই দিছে। পেটাৰৰ মতে ৰোমাণ্টিক মনোভঙ্গী বা চিন্তাধাৰা কোনো এটা যুগৰ বিশেষ বৈশিষ্ট্য হ'লেও এই বৈশিষ্ট্য আন যিকোনো যুগৰ যি কোনো লেখকৰ ৰচনাতে ফুটি উঠিব পাৰে। তেওঁৰ আন এটা মন্তব্য হ'ল এয়ে যে একেজন লেখকৰে ৰচনাত ৰমন্যাসিক ভাবধাৰা আৰু ধ্ৰুপদী ভাবধাৰা সমানে ফুটি উঠিব পাৰে। ইয়াৰ উদাহৰণ হিচাপে তেওঁ দাঙি ধৰিছে চফ ক্লিজ ডাণ্টে আৰু গ্যেটেৰ ৰচনাৱলী।

পেটাৰৰ লগত মত মিলা আন এজন প্ৰখ্যাত ইংৰাজ সমালোচক হ'ল এবাৰক্ৰম্বি (Abercrombie)। ৰমন্যাসবাদৰ সংজ্ঞা দাঙি ধৰিছে তেওঁ Romanticism নামৰ জনপ্ৰিয় পুথিখনত। তেওঁৰ মতে Romanticism is a withdrawal from outer experience to concentrate upon inner experience ইয়াৰ অৰ্থ হ'ল "বাহ্যিক অভিজ্ঞতাৰ পৰা আঁতৰি গৈ অন্তলোকৰ ওপৰত দৃষ্টি নিবদ্ধ কৰাতেই ৰমন্যাসবাদ নাইবা "ৰমন্যাসবাদ হ'ল বাহ্যিক অভিজ্ঞতাৰ পৰা আঁতৰি আহি আভ্যন্তৰীণ অভিজ্ঞতাত মনোনিবেশ কৰা। এবাৰক্ৰম্বিৰ মতে ৰমন্যাসিক ভাবধাৰা হ'ল কলাকৃতি বা শিল্পকৰ্মত নিহিত থকা এক সুনিৰ্দিষ্ট গুণগত বৈশিষ্ট্য বা স্বাভাৱিক ধৰ্ম। কিন্তু কোনো কবি বা সাহিত্যিকৰ ৰচনাত ইয়াৰ প্ৰয়োগ হ'লেই তেওঁক ৰোমাণ্টিক কবি বা সাহিত্যিক বুলি কব নোৱাৰি। যেতিয়া কোনো লেখকৰ ৰচনাত

ই প্ৰধান বৈশিষ্ট্য হৈ পৰে তেতিয়াহে তেওঁক ৰোমাণ্টিক লেখক আখ্যা দিব পাৰি। এবাৰক্ৰম্বিয়ে ইয়াৰ উদাহৰণ দিছে পোপৰ আৰু শেলীৰ ৰচনাৰ উল্লেখ কৰি। তেওঁৰ মতে ওৱাৰ্ডছ্‌ৱৰ্থৰ ৰচনাত ৰোমাণ্টিক ভাবধাৰা প্ৰধান নহয় আৰু সেই কাৰণে তেওঁ ৰোমাণ্টিক কবিয়েই নহয়। এবাৰক্ৰম্বিয়ে আঙুলিয়াই দিছে যে ৰমন্যাসিক চিন্তাধাৰা কোনো এটা বিশেষ যুগৰ বা সংস্কৃতিৰ বৈশিষ্ট্যসূচক নহয়। পৰম্পৰাগত ৰচনাৰীতিৰ বিৰোধিতা কৰিলেই ৰমন্যাসিক ভাবধাৰাৰ সৃষ্টি নহয়— any revolt against traditional style in itself does not mean romanticism হাৰকোৰ্ডে অৱশ্যে ইয়াৰ ঠিক বিপৰীত কথাটোহে কৈছে। (তেওঁৰ মতামত পাছত ব্যাখ্যা কৰা হব)। এবাৰক্ৰম্বিৰ মতে ৰমন্যাসবাদ হ'ল এক বিশেষ মনোভঙ্গী কলাকৃতিৰ এক উপাদান। তেওঁৰ মতে ধ্ৰুৱবাদক আমি তেনেকুৱা ধৰণৰ কোনো উপাদান বুলি কব নোৱাৰো। ধ্ৰুৱবাদ হ'ল সাহিত্যৰ বিভিন্ন উপাদানৰ অতি সুষম সমন্বয়ৰ পৰিপূৰ্ণ প্ৰকাশ। ই হ'ল শিল্পৰ স্বাস্থ্য। ধ্ৰুৱবাদক শিল্পৰ স্বাস্থ্য বুলি কওঁতে গ্যেটেৰ সংজ্ঞাকে তেওঁ আমাক মনত পেলাই দিয়ে। ধ্ৰুৱবাদত কোনো বিশেষ এটা উপাদানে প্ৰাধান্য বিস্তাৰ নকৰে। ই বিভিন্ন উপাদানৰ সুশৃঙ্খলিত সমষ্টি। কিন্তু বাস্তৱবাদ যেনেকৈ এটা বিশেষ উপাদান ৰমন্যাসবাদো তেনে এটা বিশেষ উপাদান। যেতিয়া কোনো ৰচনাত এই উপাদানে প্ৰাধান্য বিস্তাৰ কৰে তেতিয়া তাক আমি ৰমন্যাসিক সাহিত্য আখ্যা দিওঁ। ৰমন্যাসবাদ হ'ল এটা বিশেষ মনোভঙ্গীৰ কলাত্মক ৰূপ। সেই মনোভঙ্গীয়ে কোনো এটা বস্তুৰ কেৱল বাহ্যিক দিশটোতে দৃষ্টি নিক্ষেপ কৰি সন্তুষ্ট হ'ব নোৱাৰে। বস্তুৰ বাহ্যিক ৰূপৰ পৰা আমি যিমানেই আঁতৰি আহো সিমানেই সি আমাৰ দৃষ্টিত মোহনীয় বা আকৰ্ষণীয় হৈ পৰে। সেই কাৰণে এবাৰক্ৰম্বিয়ে কৈছে— Do not get to close to things distance lends enchantment অৰ্থাৎ "বৰ বেছি কাষ চাপি নাযাবা দূৰত্বই যিকোনো বস্তুকেই মায়াময় কৰি তোলে। অনুভূতিৰ অস্পষ্টতা বাস্তৱৰ প্ৰতি ঔদাসীন্য আৰু কল্পনাৰ অবাধ অভিব্যক্তি ইত্যাদিয়েই হ'ল ৰমন্যাসবাদৰ প্ৰধান লক্ষণ। ৰমন্যাসিক কবিসকলৰ কাৰণে আভ্যন্তৰীণ বা মানসিক অভিজ্ঞতাইহে (inner experience) মূল কথা। তেওঁলোকে বাহ্যিক জগতক মনোজগতৰ অন্তৰ্ভুক্ত কৰাতকৈ মনোজগতকহে বাহ্যিক জগতৰ আগত দাঙি ধৰিব খোজে। এনেকুৱা এজন ৰোমাণ্টিক কবি আছিল শেলী। এবাৰক্ৰম্বিয়ে স্পষ্ট ভাবাবে কৈছে যে ৰমন্যাসবাদৰ লগত ধ্ৰুৱবাদৰ কোনো বিৰোধ নাই। ইয়াৰ বিৰোধ বাস্তৱবাদৰ লগতহে।

উপৰোক্ত সমালোচক দুজনৰ বাহিৰেও সমালোচনা সাহিত্যত বহুলাংশে প্ৰচলিত

আৰু জনপ্ৰিয় ৰমন্যাসবাদৰ আন এটি সংজ্ঞা আগবঢ়াইছে থিয়োডৰ ওৱাট্‌ছ ডাণ্টনে (Theodore Watts Dunton)। তেওঁৰ মতে ৰমন্যাসবাদ হ'ল "Renascence of wonder অৰ্থাৎ "বিস্ময়ৰ পুনৰ্জাগৰণ। অষ্টাদশ শতাব্দীত মানুহ আছিল মস্তিষ্ক আৰু বুদ্ধিৰ দাস। যুক্তিৰ প্ৰখৰ আলোকত সকলো কথাই হৈ পৰিছিল স্পষ্ট। কিন্তু ৰোমাণ্টিক কবিয়ে সৃষ্টি কৰিলে বিস্ময়বোধৰ। শিশুৰ যেনেকৈ সকলো কথাতেই কৌতূহল আৰু বিস্ময়বোধ জাগে তেনেকুৱা ধৰণে ৰোমাণ্টিক কবিৰ দৃষ্টিতো বাহ্যিক জগত বিস্ময়কৰ হৈ পৰিল। পাঠককো বিস্ময়াভূত কৰা কাৰণে লৈ গ'ল মধ্যযুগৰ অন্ধকাৰে ভৰা জগতলৈ। পাঠকে সেই যুগৰ দুৰ্গ প্ৰাচীৰ পুথুৰী সাধুকথাৰ বজা বীৰ সৈন্যদলৰ কাহিনী বিস্ময়াভিভূত হৈ শ্ৰৱণ কৰিলে। স্কটলেণ্ড আয়াৰলেণ্ড আৰু ৱেলছৰ কেল্টিক জাতিৰ কাহিনীবোৰৰ লগত পাঠকৰ পৰিচয় ঘটিল। Renascence of wonder কথাষাৰৰ ব্যাখ্যা দাঙি ধৰি ডাণ্টনে কৈছে The phrase Renascence of wonder merely indicates that there are two great impulses governing man the impulse of acceptance—the impulse to take unchallenged and for granted all the phenomena of the outer world as they are—and the impulse to confront these phenomena with the eyes of enquiry and wonder ইয়াৰ অৰ্থ এয়ে যে মানুহৰ মনত দুই ধৰণৰ প্ৰবৃত্তি বা অনুভূতি আছে (অৰ্থাৎ দুই ধৰণৰ বেলেগ বেলেগ মানুহ আছে)। কিছুমান মানুহে বাহ্যজগতৰ সকলো পৰিদৃশ্যমান বস্তুকে কোনো প্ৰশ্ন নকৰাকৈ যেনেভাৱে আছে তেনেভাৱে গ্ৰহণ কৰে। তেওঁলোকৰ মনত ঔৎসুক্য বা বিস্ময়ানুভূতি একো নাই। ইয়াৰ বিপৰীতে কিছুমান মানুহ আছে যিবিলাকৰ মনত বাহ্যজগতৰ সকলো বস্তুৱেই ঔৎসুক্য আৰু বিস্ময়ানুভূতি জগায়। এনেকুৱা লোক স্বাভাৱিকতে ভাৱপ্ৰৱণ আৱেগবিহ্বল আৰু কৌতূহলী হৈ উঠে। বাহ্যিক জগতে তেওঁলোকৰ মন ভাৱজগতলৈ লৈ যায়। বিস্ময়ানুভূতি কি তাক ব্যাখ্যা কৰি ডাণ্টনে আকৌ কৈছে "There may be different kinds of wonder the naive and eager child like wonder of primitive poetry or the Hamlet—like wonder at the mystery of human life There is the poetical attitude which the human mind assumes when confronting those unseen powers of the universe who if they did not weave the web in which man finds himself entangled dominate it ইয়াত কোৱা হৈছে যে বিস্ময়তাৰ কেবা ধৰণৰো হ'ব পাৰে। ই আদিম যুগৰ কাব্যত প্ৰকাশ পোৱা শিশু সুলভ সৰল আৰু উৎকণ্ঠিত বিস্ময় ভাৱো হ'ব পাৰে নাইবা জীৱন ৰহস্যৰ সন্মুখীন হৈ হেমলেটৰ মুখেৰে

ব্যক্ত হোৱা বিস্ময়ভাৱো হৰ্ব পাবে। কেতিয়াবা আকৌ মানুহে বিশ্বব্ৰহ্মাণ্ডৰ অদৃশ্য শক্তিৰ সন্মুখীন হৈ কাব্যিক দৃষ্টিভঙ্গী একোটি গ্ৰহণ কৰে। এইটোৱেই ৰোমাণ্টিক দৃষ্টিভঙ্গী। এনেকুৱা ধৰণৰ বিস্ময়ৰ ভাৱ ফুটি উঠিছে স্পেন্সাৰ মাৰ্লো চেক্সপীয়ৰ আদিৰ ৰচনাত। এইবোৰ কবি আৰু নাট্যকাৰে জগতৰ সৌন্দৰ্য্যক বিস্ময়ৰ কাল্পনিক চকুৰে চাইছিল। জীৱনৰ ৰহস্যই তেওঁলোকক অভিভূত কৰি তুলিছিল।

ফৰাচী ঔপন্যাসিক ভিক্টৰ হিউগোই (Victor Hugo) ৰমন্যাসবাদৰ যি সংজ্ঞা আমাৰ আগত দাঙি ধৰিছে সমালোচনা সাহিত্যত সি অতি পৰিচিত। তেওঁৰ মতে ৰমন্যাসবাদ হ'ল Liberalism in Literature অৰ্থাৎ সাহিত্যত উদাৰতাবাদ। হিউগোই ৰমন্যাসিক সাহিত্যৰ সৃষ্টিত গণতান্ত্ৰিক ভাৱধাৰাক বিশেষ গুৰুত্ব দিছে। অষ্টাদশ শতাব্দীত কবিসকলে কিছুমান ধৰা বন্ধা নীতি নিয়মৰ মাজেৰে কবিতা ৰচনা কৰিব লাগিছিল। বিষয়বস্তু নিৰ্বাচন আৰু প্ৰকাশভঙ্গীত তেওঁলোকে কোনো স্বাধীন চিন্তা চৰ্চাৰ পৰিচয় দিব নোৱাৰিছিল। কিন্তু এই শতাব্দীৰ শেষৰ ফালে আৰু ঊনবিংশ শতাব্দীৰ প্ৰাৰম্ভতে এই ক্লাছিকেল শৃঙ্খল আৰু বন্ধনৰ বিৰুদ্ধে এটি তীব্ৰ প্ৰতিক্ৰিয়া দেখা গ'ল। নিজৰ ৰুচি অনুসৰি বিষয়বস্তু বাচি লোৱাৰ আৰু ইয়াক উপস্থাপিত কৰাৰ স্বাধীনতা কবিসকলে পালে। কোনো ধৰণৰ ধৰা বন্ধা নিয়ম মানি চলাৰ এতিয়া কোনো প্ৰয়োজন নাথাকিল। কবিতাৰ ৰূপ বা গঢ় একে ধৰণৰ হ'লেও উপস্থাপন ৰীতি বেলেগ বেলেগ হ'ল। কবি সকলে সকলো প্ৰকাৰৰ বন্ধন ছিঙি পেলালে। বৈচিত্ৰ্যই ৰোমাণ্টিক কবিতাৰ প্ৰধান বৈশিষ্ট্য হৈ পৰিল। কাব্যৰচনাত পোৱা এই স্বাধীনতাৰ কাৰণেই ভিক্টৰ হিউগোৱে ৰমন্যাসবাদক সাহিত্যত উদাৰতাবাদ আখ্যা দিছে।

ৰমন্যাসবাদৰ আলোচনাৰ ক্ষেত্ৰত গ্ৰীয়াৰ্চন (Herbert Grierson) নামৰ খ্যাতনামা সমালোচকজনৰ মতামতো প্ৰণিধানযোগ্য। তেওঁ অকপটে স্বীকাৰ কৰিছে যে classic আৰু romantic এই শব্দ দুটাৰ ব্যাখ্যা দাঙি ধৰা বৰ কঠিন। গোটেই বিষয়টোক তেওঁ ৰূপৰ বা গঢ়ৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চাইছে। তেওঁ লিখিছে "The essence of Romantic art is that in it spirit counts more than the form or rather it gives to the form its peculiar indefinite charm its tendency to be rhapsodical and lyrical ইয়াৰ অৰ্থ হ'ল "ৰমন্যাসিক শিল্পৰ মূল কথাষাৰ হ'ল ইয়াৰ বহিৰংগতকৈ ভাৱবস্তুহে অধিক গুৰুত্বপূৰ্ণ; নাইবা ইয়াৰ ভাৱবস্তুৱেই বহিৰংগক তাৰ অপূৰ্ব ব্যাখ্যাতীত চাৰুতা উচ্ছলতা আৰু গীতিময়তাৰ প্ৰৱণতা দান কৰে" (অনুবাদ অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা)। ইয়াৰ ঠিক

পাহৰতেই তেওঁ কৈছে যে ৰমন্যাসিক কবিতাৰ উৎকৃষ্টতা বা নিকৃষ্টতা নিৰ্ভৰ কৰে তাৰবস্তুৰ অন্তৰালত থকা অনুপ্ৰেৰণাৰ তাৰতম্যৰ ওপৰত। অনুপ্ৰেৰণা নোহোৱা হৈ গ'লে কাব্যসৃষ্টিৰ প্ৰয়োজনীয়তাও নোহোৱা হৈ পৰে। কিন্তু ধ্ৰুপদী কবিয়ে অনুপ্ৰেৰণাৰ পৰা বঞ্চিত হ লেও কেৱল বহিৰংগৰ শুদ্ধ ৰূপায়ণেৰে কবিতা ৰচনা কৰিব পাৰে। শ্ৰীয়ৰ্চানৰ মতে কোনো বিষয়বস্তুৰ বৈশিষ্ট্যই ৰোমান্টিক কবিতাৰ সৃষ্টি নকৰে। যুক্তি বা বিচাৰ বুদ্ধিৰ সচেতন বিৰোধেহে সম্পূৰ্ণ অৰ্থত ৰমন্যাসৰ সৃষ্টি কৰে— "It is the conscious contrast with reason that makes romance in the full sense ৰোমান্টিক কবিতাই মানুহৰ স্বপ্ন ৰূপায়িত কৰে। বিশ্বাসেই ইয়াৰ মূলকথা যুক্তি বা বিচাৰ বুদ্ধি নহয়।

জাৰ্মান মনীষী গ্যেটেই (Goethe) ৰমন্যাসবাদ আৰু ধ্ৰুৱবাদ সম্পৰ্কে কৰা মন্তব্যষাৰ প্ৰায়বোৰ সমালোচক আৰু ছাত্ৰ ছাত্ৰীৰ মুখে মুখে। তেওঁৰ মতে "Romanticism is disease classicism is health এই কথাষাৰৰ চমু ব্যাখ্যা এটি দাঙি ধৰিছে অধ্যাপক শ্ৰীশচন্দ্ৰ দাসে তেওঁৰ সাহিত্য-সন্দৰ্শন নামৰ জনপ্ৰিয় পুথিখনত। তেওঁৰ মতে ৰোমান্টিক কল্পনাই মানৱচিত্তক আন্দোলিত উদ্বেলিত আৰু সচল কৰে ক্লাছিক কল্পনাই সংযত আৰু সংহত কৰে। ৰোমান্টিক দৃষ্টিভঙ্গী আপাদ সৃষ্টিকাৰী বৈপ্লৱিক কিন্তু ক্লাছিকেল দৃষ্টিভঙ্গী শান্ত সমাহিত সাধনাৰ পক্ষপাতী। ৰোমান্টিক দৃষ্টিভঙ্গী আবেগ বিহ্বল বং বিহ্বল কিন্তু ক্লাছিক কল্পনা স্বচ্ছ পৰিষ্কাৰ পৰিচ্ছন্ন। ৰোমান্টিক কবি প্ৰেৰণাৰ অধীন কিন্তু ক্লাছিকেল কবি এনেকুৱা ধৰণৰ প্ৰেৰণাৰ পৰা মুক্ত। ৰোমান্টিছিজম বুলি কলেই আমি উত্তেজনা উন্মাদনা প্ৰাণ-প্ৰাচুৰ্য্য সম্বন্ধে সচেতন হওঁ কিন্তু ক্লাছিচিজম্ বুলি কলেই আমি প্ৰশান্তি যথাযোগ্যতা সংযম স্থিৰতা প্ৰভৃতি সম্বন্ধে সজাগ হওঁ। মহাকবি গ্যেটৰ মতামতৰ মূলভিত্তি এয়েই। নৈৰাশ্যবাদৰ সুৰ বা বিষাদৰ সুৰ থকা কাৰণেও ৰমন্যাস বাদক ৰোগ (disease) বুলি কোৱা হয়। এই উক্তিটোত অৱশ্যে সত্যতা যিমান আছে অতিৰঞ্জনৰ আভাসো সিমানেই আছে কাৰণ ধ্ৰুপদী সাহিত্যৰো ভালেমান সৃষ্টি ৰক্তাৰ ৰোগৰ লক্ষণাক্ৰান্ত। আনহাতে ওৱাৰ্ডছৱৰ্থৰ দৰে কেতবোৰ ৰোমান্টিক কবিৰ কবিতাত বিৰাজ কৰিছে কল্পনাৰ সংযম আৰু প্ৰশান্তি।

এতিয়ালৈকে সমালোচনা-সাহিত্যত ৰমন্যাসবাদৰ যিমানবোৰ সংজ্ঞা প্ৰচলিত হৈছে তাৰ ভিতৰত হাৰফোৰ্ডৰ (Herford) সংজ্ঞাটোকে বেছিভাগ পণ্ডিত আৰু সমালোচকে আটাইতকৈ বেছি সন্তোষজনক বুলি আখ্যা দিছে। এই সংজ্ঞাটোৱে ৰমন্যাসিক যুগৰ প্ৰতিজন কবি আৰু কথাশিল্পীক যিদৰে সামৰি লৈছে আন কোনো

সংজ্ঞাই অনেকবে সামৰি লব পৰা নাই। তদুপৰি হাৰফোৰ্ডৰ সংজ্ঞাটোৱে ৰমন্যাসিক ধ্যান ধাৰণাৰে প্ৰভাৱিত পূৰ্ববৰ্তী আৰু পৰবৰ্তী কালৰো বহুকেইজন কবি, নাট্যকাৰ আৰু ঔপন্যাসিকৰ পিনেও আঙুলিয়াই দিবলৈ পাৰা নাই। সংজ্ঞাটো হল এই—Romanticism is the extraordinary development of imaginative sensibility অৰ্থাৎ ই হল "কল্পনাশক্তিৰ অনন্যসাধাৰণ বিকাশ" বা "কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশ। এই সংজ্ঞাটোৰো সহজ ব্যাখ্যা এটি অধ্যাপক শ্ৰীশচন্দ্ৰ দাসে তেওঁৰ পূৰ্বোক্ত গ্ৰন্থখনত দাঙি ধৰিছে। কল্পনা-প্ৰৱণতাৰ অসাধাৰণ বিকাশেই ৰোমাণ্টিক কবিতাৰ লক্ষণ। সঁচা কথা কবলৈ গলে কল্পনা-প্ৰৱণতাই উনবিংশ শতাব্দীৰ কবিতাক অষ্টাদশ শতাব্দীৰ সংযত-কল্পনাৰ যুগৰ পৰা পৃথক কৰি দেখুৱাইছে। যাৰ কল্পনাশক্তি নাই তেওঁ কেতিয়াও বিস্ময় বিমুগ্ধ দৃষ্টিৰে সাধাৰণ বস্তুৰ গাত নিহিত থকা মহিমামণ্ডিত দিশটোৰ কথা উপলব্ধি কৰিব নোৱাৰে। কল্পনাশক্তি নাথাকিলে কেতিয়াও কাৰো চকুত সৌন্দৰ্য্যৰ জগত অনুভৱৰ সুযোগ ধৰা নপৰে। অলপতে সন্তুষ্ট হোৱা কল্পনাবিহীন মানুহে কেতিয়াও আত্মমুক্তিৰ প্ৰয়োজন অনুভৱ নকৰে নাইবা বিশ্বৰ যাবতীয় বস্তু সত্তাক উদাৰ অনুভূতিৰ দ্বাৰা গ্ৰহণ কৰিব নোৱাৰে। আকৌ এই কল্পনাশক্তিৰ গুণতেই কবি বৰ্তমানৰ বন্ধনৰ পৰা মুক্ত হৈ কেতিয়াবা অতীতৰ স্মৃতি ৰোমন্থনত নাইবা কেতিয়াবা অনাগতৰ মোহত মুগ্ধ হৈ পৰে অথবা প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগত বিভোৰ হৈ পৰে। গতিকে দেখা যায় যে এই কল্পনাশক্তি বা কল্পনা-প্ৰৱণতাই ৰমন্তাসবাদৰ গোটেই অন্তৰ্নিহিত সত্যটোক সম্পূৰ্ণভাৱে প্ৰকাশ কৰে। ইংৰাজী সাহিত্যত আমি দেখিবলৈ পাওঁ যে এই কল্পনাশক্তিৰ বলতেই ওৱাৰ্ডছৱৰ্থে সাধাৰণ বস্তুতে অসাধাৰণত্ব প্ৰদান কৰি প্ৰকৃতিৰ সৌন্দৰ্য্য বন্দনাত আত্মনিয়োগ কৰিব পাৰি ছিল। কোলেৰিজে অতিপ্ৰাকৃত পৰিৱেশক স্বাভাৱিকতা দান কৰিছিল। শ্বেলী আছিল ভৱিষ্যৎ জগতৰ সপোন ৰচোতেই ব্যস্ত। এই কল্পনাশক্তিৰ বলতেই কীট্‌ছ আৰু স্কটে কৰিব পাৰিছিল অতীত আৰু মধ্যযুগৰ মধু আহৰণ আৰু বায়ৰণ হৈ উঠিছিল আত্মমুক্তিৰ আকাঙ্ক্ষাত অধীৰ। ৰোমাণ্টিক সাহিত্যত কবি কল্পনা কৰিব আনন্দোল্লাস আশা আকাঙ্ক্ষা হা হুমুনিয়াহ আদি সকলোতে বিভিন্ন ৰূপত প্ৰকাশ পায়। তেওঁলোকৰ কল্পনা হৈ পৰে অনেক ক্ষেত্ৰত আত্মপৰায়ণ আৰু আত্ম বিশ্লেষণমূলক।

ওপৰত আমি ৰমন্তাসবাদৰ প্ৰধান প্ৰধান সংজ্ঞা কেইটাৰ চমু পৰিচয় দাঙি ধৰিলোঁ। ইয়াৰ বাহিৰেও অনেক কবি নাট্যকাৰ, সমালোচক সাহিত্যৰ বুৰঞ্জী

লেখক আদিয়ে ৰমন্যাসবাদৰ বৈশিষ্ট্য সম্পৰ্কে নিজা নিজা মত ব্যক্ত কৰি গৈছে। সেই সকলোবোৰ ইয়াত উল্লেখ কৰা সম্ভৱ নহয়। ইয়াত মাত্ৰ কেইজনমানৰ মতামতহে দাঙি ধৰা হ'ল।

জাৰ্মান কবি হাইনেৰ (Heine) মতে ৰমন্যাসবাদ হ'ল "awakening of the middle ages অৰ্থাৎ মধ্যযুগৰ পুনৰ্জাগৰণ। ব্ৰনেটিয়াৰৰ (Brunetiere) মতে ই হ'ল সাহিত্যত আত্মমুক্তি। স্তাদালৰ (stendhal) মতে "romantic is identical with progress liberty and spirit of future অৰ্থাৎ ৰোমান্টিক ভাৱধাৰাই বুজায় প্ৰগতি মুক্তি আৰু ভৱিষ্যতৰ ধাৰণা বা কল্পনা। ৰমন্যাসবাদ আৰু ধ্ৰুৱবাদৰ তুলনা কৰিবলৈ গৈ স্তাদালে আন এটি গুৰুত্বপূৰ্ণ কথা কৈছে। তেওঁৰ মতে "Romanticism is at any time the art of the day classicism the art of the day before ইয়াৰ অৰ্থ হ'ল ৰমন্যাসবাদ হ'ল যি কোনো সময়ৰ শিল্প ধ্ৰুৱবাদ হ'ল বিগত দিনৰ শিল্প। তেওঁৰ এই কথাষাৰৰ সহজ অৰ্থটো হ'ল শিল্পবস্তুৰ অভিনৱত্বহে ৰমন্যাসবাদৰ সাৰবস্তু। আনহাতে পুৰাতন কথনভংগী জীৰ্ণ উপমা নিশ্চল কবি প্ৰসিদ্ধি ইত্যাদিৰ বাৰংবাৰ প্ৰয়োগেই হ'ল ধ্ৰুপদী সাহিত্যৰ একমাত্ৰ আশ্ৰয়। এই গতানুগতিকতাৰ অতিক্ৰমণতেই ৰমন্যাসিক সাহিত্যৰ সাৰ্থকতা। (অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা)। বিখ্যাত কবি আৰু সমালোচক টি এছ এলিয়টৰ (T S Eliot) মতে ৰোমান্টিক শব্দটোৱে স্বীয় বৈশিষ্ট্যমুক্ত (individual) আৰু বৈপ্লৱিক (revolutionary) অৰ্থ বহন কৰে। ড হেজৰ (Dr Hedge) মতে the essence of romanticism is aspiration ইয়াত aspiration শব্দই নতুন সৃষ্টিৰ অভিলাষৰ কথা বুজাইছে। গতিকে ইয়াতো কল্পনাশক্তিৰ কথা জড়িত হৈ পৰে। মনৰ উৰ্দ্ধমুখী গতি ৰোমান্টিক কবিৰ বিশেষ লক্ষণ। এইবোৰ সমালোচকৰ বাহিৰেও আন বহুতো অজ্ঞাত সমালোচক আছে। তেওঁলোকৰ কিছুমানে ৰমন্যাস বাদক প্ৰকৃতি প্ৰীতি (Return to Nature) অতীতৰ প্ৰতি শ্ৰদ্ধা আদি আখ্যা দিছে।

ইংৰাজী সাহিত্যৰ প্ৰখ্যাত ইতিহাস লেখক দুজনৰ মতামত উল্লেখ কৰি আমি আমাৰ আলোচনা সামৰিম। ইয়াৰ এজন হ'ল কাজামিয়াঁ (Cazamian) আৰু আনজন হ'ল কম্পটন ৰিকেট (Comption Rickett) কাজামিয়াঁই ৰমন্যাসবাদক সংজ্ঞাৰ অতীত (romanticism defies definition) বুলি কৈও দুটি বৰ উল্লেখযোগ্য মতামত আগবঢ়াইছে। তেওঁৰ মতে Romanticism can be defined only in terms of pure Psychology Any other formula alters or limits

orbitrarily its very essence." ইয়াৰ অৰ্থ হ'ল মনোবিজ্ঞান বা মনস্তত্বৰ ৰূপতহে (অৰ্থাৎ মনস্তাত্বিক দিশৰ পৰাহে) ৰমন্যাসবাদৰ সংজ্ঞা আগবঢ়াব পাৰি। আন যি কোনো পদ্ধতি গ্ৰহণ কৰিলেই ইয়াৰ সাৰবস্তু পৰিৱৰ্তিত বা সীমিত হৈ পৰিব। তেওঁৰ আনটো মন্তব্য হ'ল— The Romantic spirit can be difined as an accentuated predominance of emotional life provoked or directed by the exercise of imaginative vision ৰোমাণ্টিক ভাৱধাৰাৰ সাৰবস্তু হ'ল তীব্ৰ আৱেগিকতা আৰু এই আৱেগিকতাৰ সৃষ্টি কৰে উৎকট কাল্পনিকতাই। কম্প টন ৰিকেটৰ মতে the features most insistent in romanticism are a subtle s nse of mystery a i exuberant intellectual curiosity and an instinct for the elemental simpliciti s of life ৰিকেটে ইয়াত তিনিটা লক্ষণৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল (১) ৰহস্যঘন ভাবানুভূতি (subtle sense of mystery) (২) বৌদ্ধিক ঔৎসুক্যৰ আতিশয্য (exuberant intellectual curiosity) আৰু (৩) জীৱনৰ সহজাত সৰলতাৰ প্ৰতি প্ৰৱণতা (instinct for elemental simplicities of life)। দেখা যায় যে দুয়োজন লেখকে তেওঁলোকৰ সংজ্ঞাত ৰমন্যাসবাদৰ কেইবাটাও বৈশিষ্ট্য সামৰিছে।

সামৰণিত আমাৰ মন্তব্য এয়ে যে ইয়ানবোৰ স জ্ঞাৰ যেৰপাকত ৰমন্যাসবাদৰ এটা সুনিৰ্দিষ্ট সংজ্ঞা বিচাৰি উলিওৱা সম্ভৱ নহয়। আমি কেৱল কেতবোৰ বৈশিষ্ট্যৰহে উল্লেখ কৰিব পাৰো। মুঠতে কবলৈ গলে ব্যক্তিসত্তাৰ প্ৰাধান্য প্ৰকৃতি-প্ৰীতি সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাৱ বাস্তৱ বিমুখিতা অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ ৰঙীণ কল্পনা কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা প্ৰেম আৰু সৌন্দৰ্য্যৰ পূজা জাগতিক সৌন্দৰ্য্যৰ প্ৰতি বিস্ময় বিমূঢ় দৃষ্টি প্ৰিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন আৰু অতীন্দ্ৰিয়বাদ—এইবোৰ ৰোমাণ্টিক সাহিত্যৰ প্ৰধান লক্ষণ। (অসমীয়া সাহিত্যৰ ইতিবৃত্ত)। কেৱল যে কাব্য সাহিত্যতেই এই বৈশিষ্ট্যবোৰ ফুটি উঠে এনে নহয় গল্প উপন্যাস আদিতো এইবোৰৰ অভিব্যক্তি দেখা যায়।

তৃতীয় অধ্যায়

ৰোমাণ্টিক যুগৰ বিশেষত্ব

সোতৰ শ আঠাৰৰ চনৰ পৰা ওঠৰ শ বত্ৰিশ চনলৈকে এই কালছোৱাকে ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগ বুলি কোৱা হয়। সোতৰ শ আঠাৰৰ চনটো বিশেষ তাৎপৰ্য্যপূৰ্ণ এই কাৰণেই যে এই চনতেই ওৱাৰ্ডছ্ওৱাৰ্থ আৰু কোলেৰিজে তেওঁলোকৰ কবিতা সংকলন লিৰিকেল বেলাডছ (Lyrical Ballads) প্ৰকাশ কৰি অষ্টাদশ শতাব্দীৰ কাব্যদৰ্শৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ ঘোষণা কৰে আৰু এটি নতুন সাহিত্যিক আন্দোলনৰ সূচনা কৰে। এইটোৱেই হ'ল ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক আন্দোলন। গতিকে এই ৰোমাণ্টিক যুগৰ আৰম্ভণি হ'ল ১৭৯৮ চন। ৰোমাণ্টিক যুগৰ আৰম্ভণিৰ চনলৈ কোনো মতভেদ না থাকিলেও পৰিসমাপ্তিৰ চন লৈ সাহিত্যৰ বুৰঞ্জী লেখকসকলৰ মাজত মতভেদ দেখা যায়। ৰোমাণ্টিক যুগৰ পৰিসমাপ্তিৰ সময়সীমা হিচাপে ১৮৩২ চনটো গ্ৰহণ কৰাৰ যুক্তি আছে। এই চনতেই ইংলণ্ডৰ সংসদত ৰিফৰ্ম বিল (Reform Bill) গৃহীত হয় আৰু সেই দেশত প্ৰকৃত অৰ্থত গণতন্ত্ৰৰ সূচনা কৰা হয়। কাজামিয়াই এই চনটোকে ৰোমাণ্টিক যুগৰ শেষ সীমা বুলি ধৰিছে। কিছুমানে আকৌ ১৮৫০ চনটো শেষ সীমা বুলি ধৰি লৈছে। যুক্তি হয়তো এয়ে যে ৰোমাণ্টিক আন্দোলনৰ প্ৰধান হোতা ওৱাৰ্ডছ্ওৱাৰ্থৰ এই চনতেই মৃত্যু ঘটে। গতিকে তেওঁৰ মৃত্যুৰ লগে লগে যুগৰো শেষ। কম্পটন ৰিকেটে ৰোমাণ্টিক যুগৰ পৰিসমাপ্তি হিচাপে এই চনটোকে গ্ৰহণ কৰিছে। কিছুমানে আকৌ ১৮৩৭ চনটোকহে সমাপ্তি বুলি ধৰি লৈছে কাৰণ এই চনতেই মহাৰাণী ভিক্টোৰীয়া ৰাজপাটত বহে। গতিকে ইয়াৰ পিছত ইংৰাজী সাহিত্যৰ ভিক্টোৰীয় যুগৰ আৰম্ভ। ইংৰাজী সাহিত্যৰ ইতিহাস লেখক ডব্লিউ জে লঙে (W J Long) এই চনটোকে ৰোমাণ্টিক যুগৰ শেষ সীমাৰেখা বুলি ধৰি লৈছে। এইবোৰ মতভেদ অৱশ্যে বিশেষ গুৰুত্বপূৰ্ণ নহয়। কিন্তু অতি প্ৰয়োজনীয় আৰু বিশেষভাৱে মন কৰিবলগীয়া কথাটো হ'ল ৰোমাণ্টিক ভাৱধাৰাৰ উদ্ভৱ আৰু পৰিসমাপ্তি ওপৰত উল্লেখ কৰা বছৰ কেইটাতে সীমিত নহয়। ওৱাৰ্ডছ্ওৱাৰ্থ আৰু কোলেৰিজৰ আগতেও উইলিয়াম ব্লেইকৰ Songs of Innocence আৰু Songs of Experience আদিত ৰোমাণ্টিক ভাৱ ধাৰাৰ পূৰ্ণবিকাশ লক্ষ্য কৰা যায়। আকৌ ইয়াৰ আগেয়ে গ্ৰে কলিন্স আদিৰ কবিতাতো ৰোমাণ্টিক চিন্তা চৰ্চাৰ পূৰ্বাভাস পোৱা যায়। ঠিক সেইদৰে ১৮৩৭

বা ১৮৫ চনৰ পাছতেই ৰোমাণ্টিক ধ্যান ধাৰণাৰ অৱলুপ্তি ঘটা বুলি ক'ব নোৱাৰি। ভিক্টোৰীয় যুগৰ বহুতো কবিৰ ৰচনাত ৰোমাণ্টিক উপাদান বিদ্যমান। গতিকে ই কোনো এটা যুগৰ বিশেষ বৈশিষ্ট্য হলেও যি কোনো যুগৰ কবিৰ ৰচনাতে ৰোমাণ্টিক ভাৱধাৰা ফুটি উঠিব পাৰে। এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে —অষ্টাদশ শতাব্দীৰ শেষৰ ফালে গ্ৰে কলিন্স উইলিয়াম ব্লেইক আদিৰ কবিতাত ৰোমাণ্টিক ভাৱধাৰা ফুটি উঠা সত্বেও তেওঁলোকৰ সময়ছোৱাক ৰোমাণ্টিক যুগৰ অন্তৰ্ভুক্ত কৰা নহল কিয়? ইয়াৰ উত্তৰত আমি ক'ব লাগিব যে তেওঁলোকে সচেতন ভাৱে কোনো আন্দোলনৰ সৃষ্টি কৰা নাছিল। তেওঁলোকৰ সময়ৰ ৰচনা-ৰীতিৰ বিৰুদ্ধে তেওঁলোকে প্ৰকাশ্যে কোনো বিদ্ৰোহ ঘোষণা কৰা নাছিল। গতিকে তেওঁলোকৰ কবিতাত প্ৰকাশ পোৱা ৰোমাণ্টিক চিন্তাধাৰা আছিল তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য।

ৰোমাণ্টিক যুগটোৰ ঐতিহাসিক পটভূমি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাৰ ভিতৰত পৰে তৃতীয় জৰ্জৰ ৰাজত্বৰ শেষৰ ২২ বছৰ চতুৰ্থ জৰ্জৰ ৰাজত্ব (১৮২ ৩) আৰু চতুৰ্থ উইলিয়ামৰ ৰাজত্ব (১৮৩ ৩৭)। ১৮ ১ চনৰ পহিলা জানুৱাৰীতেই আয়াৰলেণ্ড ই লণ্ডৰ লগত চামিল হৈ যায় আৰু সংযুক্ত ৰাজ্য (United Kingdom) গঠন কৰে। নেপোলিয়নৰ লগত যুদ্ধ বাগৰ চলি থকাৰ পাছত ১৮১৫ চনত তেওঁৰ পতনৰ লগে লগে এই সংঘৰ্ষৰ অন্ত পৰে। কিন্তু যুদ্ধই দেশখনক অৰ্থনৈতিক দিশত জুৰুলা কৰি পেলায়। চতুৰ্থ জৰ্জৰ ৰাজত্বকালৰ এটি স্মৰণীয় ঘটনা হল Catholic Emancipation Act খন গ্ৰহণ কৰাটো। এই আইনখনৰ জৰিয়তে ৰোমান কেথোলিকসকলক তেওঁলোকৰ ৰাজনৈতিক অধিকাৰসমূহ সাব্যস্ত কৰিবলৈ সুবিধা দিয়া হয়। ঠিক সেইদৰে চতুৰ্থ উইলিয়ামৰ ৰাজত্বকালৰ দুটা উল্লেখযোগ্য কাম হল ১৮৩২ চনৰ Reform Act আৰু দাসত্ব প্ৰথা উঠাই দিয়া আন এখন আইন। অৰ্থনৈতিক দিশতো এই যুগত ই'লণ্ডত আমূল পৰিবৰ্তনে দেখা দিয়ে। বহুতো যন্ত্ৰপাতি আৱিষ্কাৰ হোৱা কাৰণে ঠায়ে ঠায়ে কল কাৰখানা গঢ়ি উঠিল। বহুতো শিল্প প্ৰধান নগৰৰ সৃষ্টি হল। শিল্পপতি আৰু মিলৰ মালিকসকলৰ অৱস্থা ভাল হল কিন্তু বনুৱাসকলৰ অৱস্থা বেয়াৰ পৰা বেয়ালৈ গল। ধনী বেছি ধনী হল আৰু দুখীয়া বেছি দুখীয়া হল। শিশু শ্ৰমিকসকলে দিনটোত প্ৰায় ১৬ ঘণ্টালৈকে কাম কৰিব লগা হল। ক্ষুধাতুৰ লোকেৰে জাউৰ চহৰবোৰ ভৰি পৰিল। খেতিয়কসকলৰ অৱস্থাও হল একেবাৰে শোচনীয়। অনাথ আশ্ৰমবিলাকৰ অৱস্থাও আছিল একেবাৰে দুখলগা। ফাটেকৰ কয়দীবিলাকে

ভূমিৰ লগা হৈছিল বিভিন্ন ধৰণৰ অত্যাচাৰ। শিক্ষা দীক্ষাৰ কাৰণে বা সুবিধা আছিল একেবাৰে কম। সেইকাৰণে বহুতো সংস্কাৰমূলক কাম হাতত লব লগা হৈছিল আৰু এই ক্ষেত্ৰত কিছু সফলতা লাভ কৰা দেখা গৈছিল। এই প্ৰসঙ্গত ডব্লিউ জে লঙে (W J Long) লিখিছে—"The destruction of the African slave trade the mitigation of horribly unjust laws which included poor debtors and petty criminals in the same class the preven tion of child labour the freedom of the press the extension of manhood suffrage the abolition of restrictions against Catholics in Parliament the establishment of hundreds of popular schools under the leadership of Andrew Bell and Joseph Lancaster —these are but a few of the reforms which mark the progress of civilization in a single half century

এই যুগৰ সাহিত্যত প্ৰথমে প্ৰতিফলিত হৈছিল ৰাজনৈতিক অস্থিৰতাৰ ছবি। কিন্তু যেতিয়া এই অস্থিৰতা আঁতৰি গ ল আৰু দেশত কিছুমান স স্কাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা হ ল তেতিয়াই সাহিত্যই সৃষ্টিধৰ্মী ৰূপ পৰিগ্ৰহ কৰে। সাহিত্যৰ এই সৃষ্টিধৰ্মিতা (creative spirit) লক্ষ্য কৰা যায় ওৱাৰ্ডছ্‌ৱৰ্থ কোলেৰিজ বায়ৰণ শ্বেলী কীট্‌ছ আদিৰ কবিতাত আৰু স্কট জেন অষ্টিন লেম্ব আদিৰ গদ্য সাহিত্যত। এই লেখকসকলৰ স্বদেশপ্ৰিয়তা আৰু উদ্দীপনাই আমাক এলিজাবেথীয় যুগলৈ মনত পেলাই দিয়ে আৰু এওঁলোকৰ প্ৰতিভাৰ বলতেই ৰোমাণ্টিক যুগটোৱে ই ৰাজী সাহিত্যৰ দ্বিতীয় সৃষ্টিশীল যুগ (cr ative period) বুলি আখ্যা পায়। এই লেখকসকলৰ ৰচনাৱলীতেই ৰোমাণ্টিক চিন্তাধাৰাৰ বিকাশ আৰু প্ৰসাৰ লক্ষ্যণীয় হৈ উঠে।

ৰোমাণ্টিক যুগৰ আন এটি লক্ষ্যণীয় বৈশিষ্ট্য হ ল এই যুগ প্ৰধানকৈ কাব্য সাহিত্যৰ যুগ (age of po try)। ইয়াৰ আগৰ অষ্টাদশ শতিকা আছিল গদ্যৰ যুগ। কিন্তু এই যুগৰ উদ্যমী লেখকসকলে কবিতালৈকেহে মন মেলে ঠিক যেনেকৈ মনত আনন্দ লাগিলে মানুহে গান গায়। এই যুগৰ কীৰ্ত্তিস্তম্ভ হ ল ওৱাৰ্ডছ্‌ৱৰ্থ কোলেৰিজ বায়ৰণ শ্বেলী চাউদী কীট্‌ছ আদিৰ কবিতা। ইয়াৰ উপৰি স্কট আৰু জেন অষ্টিনৰ উপন্যাস আৰু লেম্বৰ গদ্য ৰচনাও ই ৰাজী সাহিত্যৰ অমূল্য সম্পদ। কোলেৰিজ আৰু চাউদীৰ কবিতাতকৈ গদ্যৰচনাহে বেছি। চাউদীৰ কবিতাতকৈ গদ্যহে বেছি ভাল। এবাৰ চাউদীয়ে কৈছিল যে অৰ্থোপাৰ্জনৰ কাৰণেহে তেওঁ বহুকথা কবিতাৰ জৰিয়তে প্ৰকাশ কৰিব লগা হৈছে নহ লে গদ্যত সেইবোৰ বেছি ভালকৈ পৰিস্ফুট

কবিৰ পৰা গ লৈছেন। এই কথাবাৰৰ পৰাই ৰোমাণ্টিক যুগত কাব্য সাহিত্যৰ জনপ্ৰিয়তাৰ উমান পাব পাৰি।

এই যুগৰ আন এটি বৈশিষ্ট্য হ ল মহিলা সাহিত্যিকৰ সাহিত্য জগতলৈ অৱদান। ৰোমাণ্টিক যুগতেই পোনপ্ৰথম বাৰৰ বাবে মহিলাই সাহিত্য-জগতত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। ইয়াৰ কাৰণ হয়তো এয়ে যে এই যুগতেই পোনপ্ৰথমে স্ত্ৰী শিক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু তেওঁলোকক ইংৰাজ জাতিৰ বৌদ্ধিক জীৱনত ভাগ ল বলৈ সুবিধা দিয়া হৈছিল। এইটো কথা ঠিক যে মহিলাৰ প্ৰতি সুবিচাৰ কৰা হ লে দেশে তেওঁলোকৰ পৰা বহুতো আশা কৰিব পাৰে। আন এটা কাৰণ হয়তো যুগটোৰ প্ৰকৃতি নিজেই। এই গোটেই যুগটো আছিল তীব্ৰভাৱে আৱেগ প্ৰৱণ বা ভাৱপ্ৰৱণ (emotional)। ফৰাচী বিদ্ৰোহে গোটেই ইউৰোপীয় জাতিবোৰৰ আৱেগ উদ্বেলিত কৰি তুলিছিল আৰু সেইদেখি ইয়াৰ পাছৰ সকলোবোৰ সাহিত্যিক ৰাজনৈতিক বা ধৰ্মীয় আন্দোলনেই আৱেগৰ দ্বাৰা চালিত হৈছিল। এই ভাৱপ্ৰৱণতা আছিল অষ্টাদশ শতাব্দীৰ যুগধৰ্মৰ সম্পূৰ্ণ বিপৰীত। মহিলাসকল সাধাৰণতে পুৰুষতকৈ বেছি আৱেগ বিহ্বল আৰু সেইকাৰণে যুগধৰ্মই তেওঁলোকক আকৰ্ষণ কৰাটো স্বাভাৱিক। ইয়াৰ ফলস্বৰূপে আমি এই যুগত পাওঁ কেইগৰাকীমান মহিলা ঔপন্যাসিক। ইয়াৰ ভিতৰত এনী ৰেডক্লিফৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এওঁৰ উপন্যাসবোৰক বোলা হৈছিল গথিক উপন্যাস (Gothic novels)। গোমা পৰিবেশ উন্মত্ত বা অদ্ভুত কাৰ্য্য অধ পতন অৱক্ষয় নৈৰাশ্য ৰহস্যময়তা স শয় সন্দেহৰ জটিলতা ভয় উত্তেজনা আদিয়েই আছিল এই উপন্যাসবোৰৰ বৈশিষ্ট্য। গতিকে এইবোৰ হ ল সম্পূৰ্ণৰূপে ৰোমাঞ্চধৰ্মী ৰোমাণ্টিক যুগত এই উপন্যাসবোৰ আছিল অতি জনপ্ৰিয়। সাধাৰণ মানুহৰ কথাই নাই স্কট আৰু বায়ৰণ আদিৰ দৰে লোকেও এই উপন্যাস বোৰক সমাদৰ কৰিছিল। গথিক উপন্যাসৰ বিপৰীতে জেন অষ্টিনৰ উপন্যাসত পোৱা যায় দৈনন্দিন জীৱনৰ ঘৰুৱা চিত্ৰ। মেৰীয়া এজওৱাৰ্থ (Maria Edgeworth) নামৰ আন এগৰাকী ঔপন্যাসিকাৰ হাতত আয়াৰলেণ্ডৰ জনজীৱনৰ চিত্ৰ মোহনীয় ৰূপত প্ৰকাশ পাইছে। এই গৰাকী ঔপন্যাসিকাৰ আদৰ্শতে স্কটে তেওঁৰ ৰোমাণ্টিক উপন্যাসসমূহত স্কটলেণ্ডৰ জাতীয় জীৱনৰ চিত্ৰ আঁকে। আন দুগৰাকী মহিলা ঔপন্যাসিক হ ল হানা মুৰ (Hannah More) আৰু জেন পোৰ্টাৰ (Jane Porter)। জেন পোৰ্টাৰৰ Scottish Chiefs আৰু Thaddeus of Warsaw' নামৰ পুথি দুখনৰ এতিয়াও আদৰ আছে। এই সকলৰ উপৰিও ফেনী বাৰ্ণী (Fanny Burney) আৰু আন বহুতো মহিলা লেখকৰ ৰচনাৱলীয়ে উনৈশ শতিকাৰ ইংৰাজী সাহিত্যত

বিশেষ স্থান অধিকাৰ কৰে। ইংৰাজী সাহিত্যত মহিলাৰ ওখ আসন লাভ এই যুগৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য।

এই যুগৰ আন এটি প্ৰধান বৈশিষ্ট্য হ'ল বহু সংখ্যক আলোচনীৰ প্ৰকাশ। এই আলোচনীবোৰে সমালোচনা সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে এই আলোচনীসমূহৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল Edinburgh Review (1802) The Quarterly Review (1808) Blackwood's Magazine (1817) The Westminster Review (1824) The Spectator (1826) The Athenaeum (1828) আৰু Fraser's Magazine (1830)। এই আলোচনাবোৰে পৰৱৰ্তী কালৰ সাহিত্যসৃষ্টিত বহুতো প্ৰভাৱ বিস্তাৰ কৰে। যোন প্ৰথমতে এই আলোচনীবোৰে কবিতাৰ অতি কটু সমালোচনা কৰিছিল পাছলৈ অৱশ্যে আলোচনা গঠনমুখী হ'বলৈ ধৰে। এই আলোচনাবোৰে হেজলিট্ লেম্ লী হাণ্ট আদিৰ ৰচনা প্ৰকাশ কৰি লেখক হিচাপে প্ৰতিষ্ঠিত হ'বলৈ তেওঁলোকক সুবিধা আগবঢ়ায়। সাহিত্য জগতলৈ আলোচনাবোৰৰ এইটো এটা ডাঙৰ বৰঙণি যে এইবোৰে নতুন লেখকক পাঠকৰ লগত পৰিচয় কৰি দিয়ে। এইদৰে এটি লেখকশ্ৰেণীৰ সৃষ্টি কৰে।

ৰোমাণ্টিক যুগৰ কবিসকলক আমি দুইশ্ৰেণীত ভাগ কৰিব পাৰোঁ—জ্যেষ্ঠ শ্ৰেণী (older generation) আৰু কনিষ্ঠ শ্ৰেণী (younger generation)। জ্যেষ্ঠ শ্ৰেণীৰ কবি সকলক প্ৰথম চামৰ কবি আৰু কনিষ্ঠ শ্ৰেণীৰ কবিসকলক দ্বিতীয় চামৰ কবি বুলিও কোৱা হয়। প্ৰথম চামৰ কবিসকল হ'ল ওৱাৰ্ডছৱাৰ্থ কোলেৰিজ স্কট আৰু চাউদী দ্বিতীয় চামৰ কবিসকল হ'ল বায়ৰণ শ্বেলী আৰু কীট্‌ছ। এই দুয়ো চামৰ মাজৰ ব্যৱধান হ'ল প্ৰায় বিশ বছৰৰ। দ্বিতীয় চামৰ কবিসকল প্ৰথম চামতকৈ ৰুচি মেজাজ আৰু দৃষ্টিভংগীত ইমান বেলেগ যে তেওঁলোকক প্ৰায় বেলেগ যুগৰ কবি যেনেই লাগে। তলত উল্লেখ কৰা বিষয় কেইটাত দুয়োচামৰ কবিৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

(১) প্ৰথমতে আমি ফৰাচী বিদ্ৰোহৰ প্ৰভাৱৰ কথাই আলোচনা কৰি চাওঁ। ওৱাৰ্ডছৱাৰ্থে যেতিয়া ফ্ৰান্স ভ্ৰমণ কৰে তেতিয়া ফৰাচী বিদ্ৰোহৰ অগনি জ্বলি আছিল প্ৰচণ্ড ৰূপত। তেওঁ বিদ্ৰোহৰ দ্বাৰা প্ৰথমতে আকৰ্ষিত হৈছিল যদিও পাছলৈ এই আকৰ্ষণ নাথাকিল। কোলেৰিজৰ ক্ষেত্ৰতো একে কথাই খাটে। স্কটে বৈপ্লৱিক আদৰ্শবাদৰ প্ৰতি কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল। ইয়াৰ বিপৰীতে কিন্তু দ্বিতীয় চামৰ কবিসকল বিশেষকৈ বায়ৰণ আৰু শ্বেলী গভীৰভাৱে প্ৰভাৱান্বিত

হৈছিল। সেই কাৰণে এই দুজন কবিৰ কবিতাত আমি বৈপ্লৱিক দৃষ্টিভংগী, আৰু সাম্য মৈত্রী আৰু স্বাধীনতাৰ বাণীৰ প্ৰতিধ্বনি শুনিবলৈ পাওঁ। এই প্ৰসংগত অধ্যাপক হাৰফোৰ্ডে উল্লেখ কৰিছে The revolution which had profoundly disturbed the elder poets had for the younger already become history The ideas and aspirations which Wordsworth and Coleridge first embraced and then did battle with and which Scott abhorred had passed into the blood of Byron and shelley and kindled humanitarian ardours even in the artist Keats

(২) প্ৰথম চামৰ ৰোমাণ্টিক কবিসকল আছিল হাডে হিমজুৰে ইংৰাজ আৰু ইংলণ্ডীয় জীৱন যাত্ৰাৰ প্ৰতি আছিল তেওঁলোকৰ গভীৰ অনুৰাগ। তেওঁলোক আছিল ইংলণ্ডৰ প্ৰকৃতি-জগতৰ উপাসক। ইয়াৰ উপৰিও ইংলণ্ডৰ ভেড়াৰখীয়া আৰু কুটীৰবাসীৰ জীৱনৰ চিত্ৰ কবিতাত প্ৰদৰ্শন কৰি তেওঁলোকে পাইছিল পৰম আনন্দ। ওৱাৰ্ডছৱৰ্থৰ কবিতাত আমি পাওঁ কাম্বাৰলেণ্ডৰ মগনীয়া আৰু আন আন দুখীয়া লোকৰ জীৱনৰ চিত্ৰ। স্কটৰ কবিতাত আমি পাওঁ স্কটলেণ্ডবাসীৰ জীৱনযাত্ৰাৰ ছবি। কোলেৰিজে ভাল পাইছিল তেওঁ বাস কৰা হ্ৰদ এলেকাৰ (Lake District) প্ৰাকৃতিক পৰিৱেশ। মুঠতে প্ৰথম চামৰ কবিসকল আছিল পুৰামাত্ৰাই জাতীয়তাবাদী। তেওঁলোকৰ আকৰ্ষণ আছিল ইংলণ্ডৰ নদ নদী পৰ্বত পাহাৰ ৰাস্তা ঘাট গাঁও-চহৰ আৰু জনতাৰ প্ৰতি। ইয়াৰ বিপৰীতে কিন্তু দ্বিতীয় চামৰ কবিসকলৰ ইংলণ্ডৰ প্ৰতি মোহ আছিল কম। তেওঁলোকৰ কাৰণে ইটালী বা গ্ৰীছ আছিল বেছি মোহনীয়। বায়ৰণ আৰু শ্বেলীয়ে তেওঁলোকৰ উৎকৃষ্ট কবিতাবোৰ ইটালীতে ৰচনা কৰে। কীট্‌ছে ইটালীতে শেষ নিশ্বাস ত্যাগ কৰে। শ্বেলীৰ Cenci আৰু Epipsychidion অত আছে ইটালীয় চৰিত্ৰ আৰু ইটালীয় জীৱনৰ চিত্ৰ। দ্বিতীয় চামৰ কবিসকলৰ ৰচনাত ইংলণ্ডৰ ভেড়াৰখীয়া বা কুটীৰবাসীয়ে কাচিৎহে স্থান পাইছে।

(৩) প্ৰথম চামৰ কবিসকলৰ ৰচনাত কল্পনা প্ৰৱণতাতকৈ বাস্তৱ ধৰ্মিতাহে বেছি লক্ষণীয়। কোলেৰিজৰ বাহিৰে প্ৰথম চামৰ আন দুজন কবি ওৱাৰ্ডছৱৰ্থ আৰু স্কটৰ কাব্যত বাস্তৱ জীৱনৰ ছবিহে বেছিকৈ প্ৰকাশ পাইছে। ইয়াৰ বিপৰীতে দ্বিতীয় চামৰ কবিসকলৰ ভিতৰত বায়ৰণৰ বাহিৰে আনবোৰৰ কবিতাত কল্পনাই মুখ্য স্থান লাভ কৰিছে।

(৪) প্ৰথম চামৰ কবিসকলৰ ৰচনাত ব্যঙ্গৰ কোনো স্থান নাই। সেই সময়ৰ ইংলণ্ডবাসীৰ বিষয় বাসনাক তেওঁলোকে কটু সমালোচনা কৰিছিল ঠিকেই কিন্তু

প্ৰকাশভংগী ব্যঙ্গাত্মক নাছিল। আনহাতে শ্বেলী আৰু বায়ৰণৰ কবিতাত ব্যঙ্গবাণ হৈ উঠিছিল সুস্পষ্ট। শ্বেলীৰ Queen Mab আৰু বায়ৰণৰ Don Juan অত স্বৰ হ'ল একেবাৰে ব্যঙ্গাত্মক।

(৫) প্ৰথম চামৰ কবিসকল বিশেষকৈ স্কট আৰু কোলেৰিজ আছিল মধ্যযুগৰ প্ৰতি আকৃষ্ট। আনহাতে দ্বিতীয় চামৰ কবিসকল আছিল প্ৰাচীন গ্ৰীছৰ প্ৰতি আকৃষ্ট। প্ৰাচীন গ্ৰীছৰ সাহিত্য সংস্কৃতি সভ্যতা স্থাপত্য ভাস্কৰ্য্য আদিয়ে তেওঁলোকক বিশেষভাৱে আকৃষ্ট কৰিছিল।

ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ সূচনা হয় অষ্টাদশ শতাব্দীৰ নব্য ধ্ৰুপদী (Neo classical) সাহিত্যৰ প্ৰতিক্ৰিয়া স্বৰূপে। বিষয়বস্তু দৃষ্টিভংগী ভাষা আৰু ছন্দৰীতি —এই গোটেইবোৰ বিষয়তে ৰোমাণ্টিক লেখকসকলে নতুনত্বৰ সন্ধান দিয়ে। ৰোমাণ্টিক যুগৰ সূচনা হোৱাৰ লগে লগে আগৰ সামাজিক ৰীতি নীতিৰ গুৰুত্ব ক্ৰমে হ্ৰাস হৈ আহিল আৰু আগৰ জীৱনযাত্ৰাৰ প্ৰতিও মানুহৰ আগ্ৰহ কমিল। নিজৰ চাৰিওফালৰ পৰিচিত জগতখনতকৈ মধ্যযুগীয় নাইবা আন অপৰিচিত জগতৰ পিনেহে লেখকসকলৰ মন-প্ৰাণ আকৰ্ষিত হ'ল। ৰোমাণ্টিক সাহিত্যত মানুহৰ পৰিচয় স্বতন্ত্ৰবীয়া ব্যক্তিৰূপে কোনো সমাজৰ প্ৰতিনিধিৰূপে নহয়। ৰোমাণ্টিক লেখকৰ বিশিষ্ট অনুভূতিপ্ৰৱণ সত্তাই তেওঁলোকৰ সাহিত্যসৃষ্টিৰ মূলবস্তু কিন্তু তেওঁলোকৰ ভাৱানুভূতি সাধাৰণ মানুহৰ ভাৱানুভূতিতকৈ তীব্ৰ হ'লেও মূলত একেই। ৰোমাণ্টিক কবিতা মানৱহৃদয়ৰ চিৰন্তন সৌন্দৰ্য্যবোধ আৰু ৰহস্যানুভূতিৰ ওপৰতেই প্ৰতিষ্ঠিত আৰু সেইকাৰণে ই সমগ্ৰ বিশ্বমানৱৰ সাধাৰণ উপভোগৰ বিষয়। ৰোমাণ্টিক কবিৰ অনুভূতিৰ সাৰ্বজনীনতা স্বীকাৰ কৰিও এই কথা অৱশ্যে ক'ব লাগিব যে তেওঁলোকৰ অনুভূতি অসাধাৰণ আৰু কেতিয়াবা কেতিয়াবা অৱচেতন মনো ইয়াৰ উৎস হৈ পৰে। অৱচেতন মনেও যে কবিক অনুপ্ৰাণিত কৰিব পাৰে তাৰ সুন্দৰ নিদৰ্শন হ'ল কোলোৰিজৰ Kubla Khan কবিতাটো। সঁচা কথা ক'বলৈ গ'লে ৰোমাণ্টিক অনুভূতি সকলো সময়তে সুস্থ আৰু স্বাভাৱিক বুলি আমাৰ মনে নধৰে। শ্বেলী আৰু কীট্‌ছে এনেকুৱা অস্বাভাৱিক মনোবৃত্তিৰ পৰিচয় মাজে মাজে দিছে।

ৰোমাণ্টিক কবিতা অধ্যয়ন কৰিলে এটা কথাৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষিত হয় যে মৃত্যু চিন্তাই প্ৰায় প্ৰত্যেক ৰোমাণ্টিক কবিকে বিচলিত কৰিছে। আনকি ৱৰ্ডছৱাৰ্থেও তেওঁৰ লুচী কবিতাৱলীত অত্যন্ত সংযতভাৱে মৃত্যুচেতনা ব্যক্ত কৰিছে। অন্ধকাৰ ৰাতি প্ৰাচীন ধ্বংসাৱশেষ আদিৰ প্ৰতিও ৰোমাণ্টিক কবিসকলৰ এটি স্বাভাৱিক প্ৰৱণতা দেখা যায়। শ্বেলীয়ে তেওঁৰ To Night নামৰ কবিতাটিত

ৰাত্ৰিৰ লগত মৃত্যু আৰু নিদ্ৰাৰ আত্মীয়তা কল্পনা কৰি ৰাত্ৰিকেই আহ্বান জনাইছে। ধ্বংসাৱশেষো ৰোমাণ্টিক কবিৰ কাৰণে হৈ পৰিছে ৰোমাঞ্চৰ প্ৰতীক। মৃত্যু অন্ধকাৰ আৰু ধ্বংসাৱশেষ আদিৰ লগত অতিপ্ৰাকৃত বিষয়ৰ (অৰ্থাৎ অলৌকিকতাৰ) সহজে সম্বন্ধ স্থাপন কৰিব পাৰি আৰু বোধহয় এই কাৰণেই অলৌকিকতাও ৰোমাণ্টিক কাব্যৰ এটি প্ৰধান বৈশিষ্ট্য। এই ক্ষেত্ৰত কোলেৰিজে সৰ্বাধিক সাফল্য লাভ কৰিছে আৰু এই বিষয়ত কোলেৰিজৰ পাছতেই স্থান হ'ল কীট্‌ছৰ। কোলেৰিজৰ The Rime of the Ancient Mariner Christabel আৰু Kubla Khan—এই তিনিটি কবিতা অতিপ্ৰাকৃত বিষয়ক কবিতাবোৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ। মৃত্যু-জগতৰ দৰে ভূত প্ৰেতৰ জগতখনো ৰহস্যাবৃত আৰু সম্ভৱত ৰহস্যজগতৰ দুৰ্নিবাৰ আকৰ্ষণেই কোলেৰিজ আৰু কীট্‌ছক এই বাটেদি আগবঢ়াইছে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল এওঁলোকে অলৌকিক পৰিবেশৰ ভয়াবহতা প্ৰদৰ্শন নকৰি বিষয়টোক মানৱীয় অনু ভূতিৰ দ্বাৰা সঞ্জীৱিত কৰি তুলিছে আৰু সেই কাৰণে অবিশ্বাস্য ঘটনাও আমাৰ আগত বিশ্বাসযোগ্য হৈ উঠিছে। ৰোমাণ্টিক কবিতাৰ অলৌকিক পৰিবেশৰ লগত গথিক উপন্যাসৰ পৰিবেশৰ বাহ্যিক সামঞ্জস্য পৰিলক্ষিত হ'লেও ৰোমাণ্টিক কবিৰ অলৌকিকতাত গথিক উপন্যাসৰ কোনো প্ৰভাৱ নাই। ইয়াৰ উৎপত্তিস্থল হ'ল কবিৰ নিজৰ অন্তৰ্জগত।

ৰোমাণ্টিক লেখকসকলে যে কেৱল অলৌকিক বা অচিন আচহুৱা বিষয়বস্তুকেই তেওঁলোকৰ ৰচনাৰ আহিলা হিচাপে লৈছিল সেইটো নহয়। সাধাৰণ বস্তুকো তেওঁ লোকে উপেক্ষা কৰা নাই আনকি লোকচক্ষুত যি অতিশয় তুচ্ছ তাকো তেওঁলোকে কাব্যৰ বিষয় কৰি লৈছে। এই কথাৰ প্ৰমাণ স্বৰূপে আমি ওৱাৰ্ডছওৱাৰ্থ আৰু কোলেৰিজৰ লিৰিকেল বেলাৰ্ডছ্‌ৰ Preface বা আগকথালৈকে আঙুলিয়াব পাৰোঁ।

ৰোমাণ্টিক যুগৰ প্ৰকৃতিবিষয়ক কবিতা অতুলনীয়। এই যুগৰ কাব্যত বহি প্ৰকৃতিৰ যি বিচিত্ৰ ৰূপ উপস্থাপিত হৈছে সিয়ো কবিৰ হৃদয়ানুৰঞ্জিত। অষ্টাদশ শতাব্দীৰ কবিতাত বহি প্ৰকৃতিৰ স্থান আছিল অতি গৌণ। সেই সময়ত nature বা প্ৰকৃতি শব্দটো ব্যৱহাৰ হৈছিল সুবুদ্ধি বা মানুহৰ সাধাৰণ ব্যৱহাৰিক বুদ্ধিৰ প্ৰতিশব্দ হিচাপে। কিন্তু ৰোমাণ্টিক যুগত আমি দেখা পাওঁ যেন প্ৰত্যেক কবিয়ে সহজাত প্ৰবৃত্তিৰ বশ হৈ বিশ্বপ্ৰকৃতিৰ সৌন্দৰ্যত মুগ্ধ হৈছে। প্ৰকৃতিৰ প্ৰতি বিস্ময় বিমূঢ় মনোভাৱতেই প্ৰকাশ পাইছে কবিৰ ৰহস্যবাদী দৃষ্টিভঙ্গী। প্ৰকৃতিৰ লগত মানৱৰ সংস্পৰ্শ আৰু একাত্মবোধৰ পৰিচয় এই যুগৰ কবিতাত যেনেদৰে পোৱা যায় আগৰ কোনো যুগতে এনেদৰে পোৱা হোৱা নাছিল। এই যুগৰ কবিতাত প্ৰকৃতি বৰ্ণনাৰ

বৈচিত্র্য ইমান বেছি যে ইয়াৰ বৰ্ণনা চমুকৈ দিয়া সম্ভৱ নহয়। ফুল আৰু চৰাই সম্পৰ্কেই বিভিন্ন কবিৰ কল্পনাৰ লীলাবৈচিত্র্যৰ কথা ভাবিলে বিস্ময় মানিব লাগে। কোনো কোনো ঠাইত আকৌ প্ৰকৃতিৰ বৰ্ণনা প্ৰতীকধৰ্মী হৈ উঠিছে। কেতিয়াবা আকৌ প্ৰকৃতি হৈ পৰিছে নৈতিক আৰু আধ্যাত্মিক শক্তিৰ বাহক। ৰোমাণ্টিক অনুভূতিৰ আন এটি বিশিষ্ট দিশ হ'ল শৈশৱস্মৃতি আৰু শিশুৰ দেৱত্ব আৰু পবিত্ৰতা সম্পৰ্কে দৃঢ় বিশ্বাস। ওৱাৰ্ডছ্‌ওৱাৰ্থ হ'ল এই ধাৰণাৰ প্ৰধান প্ৰবক্তা আৰু ব্লেইক হ'ল তেওঁৰ পূৰ্বসূৰী।

ৰোমাণ্টিক দৃষ্টিভংগীৰ অন্যতম প্ৰধান বিশেষত্ব হ'ল আত্মগত (নিজৰ অভিজ্ঞতা অনুভূতি চিন্তা বা বোধশক্তিৰ পৰা উদ্ৰেক হোৱা) ভাবৰ প্ৰাধান্য। আত্মমগ্ন হ'লেও ৰোমাণ্টিক কবিসকল বহি ঘটনাৰ প্ৰভাৱৰ পৰা একেবাৰে মুক্ত হ'ব পৰা নাছিল। এই প্ৰসংগত আমি প্ৰথমতে উল্লেখ কৰিব লাগিব ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ কথা। ফ্ৰান্সৰ এই যুগান্তকাৰী ঘটনাই ৰোমাণ্টিক আন্দোলনক ব্যাপকতা দান কৰে। ৰোমাণ্টিক আন্দোলন কেৱল ইংলণ্ডৰ ভিতৰতে সীমাবদ্ধ নাছিল নৱজাগৰণৰ দৰে ই বিয়পি পৰিছিল সমগ্ৰ পশ্চিম ইউৰোপত। অৱশ্যে এই আন্দোলন সকলো ঠাইতে একে সময়তে আৰম্ভ হোৱা নাই বা একে আকাৰো ধাৰণ কৰা নাই। কিন্তু সকলো দেশৰ ৰোমাণ্টিক লেখকসকলৰ মাজত ভাবৰ ঐক্য লক্ষ্য কৰা যায় আৰু এই ভাবৰ ঐক্যবন্ধনৰ মূল কথাটো হ'ল ব্যক্তিস্বাতন্ত্ৰবোধ—যাৰ উৎস হ'ল ফৰাচী বিপ্লৱ। সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ যি বাণী ফৰাচী দেশৰ সকলো ঠাইতে সেই সময়ত উচ্চাৰিত হৈছিল তাৰ প্ৰতিধ্বনি আমি ৰোমাণ্টিক যুগৰ ইংৰাজী কাব্য সাহিত্যতো শুনিবলৈ পাওঁ। ফৰাচী বিপ্লৱৰ আৰম্ভণিত কবি ওৱাৰ্ডছ্‌ওৱাৰ্থ আনন্দত কেনেকুৱা ধৰণে আপ্লুত হৈ পৰিছিল তাক তলত দিয়া শাৰী দুটাৰ পৰাই বুজিব পাৰি—

Bliss was it in that dawn to be alive
But to be young was very heaven !

পিছে কবিৰ মোহভংগ হ'বলৈ বেছি দিন নালাগিল। সন্ত্ৰাসৰ ৰাজত্ব (Reign of Terror) দেখি ওৱাৰ্ডছ্‌ওৱাৰ্থে মূৰে কপালে হাত দিলে। কোলেৰিজৰ প্ৰতিক্ৰিয়াও একে ধৰণৰ হ'ল। বিপ্লৱীসকলৰ হত্যালীলা দেখি তেওঁলোকৰ প্ৰতি বিৰূপ মনোভাব দুয়োজন কবিয়েই ধাৰণ কৰিলে। নেপোলিয়নৰ অভ্যুদয়েও তেওঁলোকৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সঞ্চাৰ কৰে। দ্বিতীয় চামৰ কবিসকলৰ ভিতৰত বায়ৰণ আৰু শেলী ফৰাচী বিপ্লৱৰদ্বাৰা প্ৰভাৱিত হয়। দুয়োজনেই

আছিল বৈপ্লৱিক আদৰ্শৰ অনুগামী। একমাত্ৰ কীট্‌ছৰ কবিতাত সমসাময়িক ৰাজনৈতিক ঘটনাৰ কোনো প্ৰভাৱ লক্ষণীয় নহয়।

ইংলণ্ডৰ শিল্পবিপ্লৱৰ (Industrial Revolution) প্ৰতি ৰোমাণ্টিক কবিসকলৰ দৃষ্টিভঙ্গী কেনে আছিল তাকো আমি বিচাৰ কৰি চোৱা উচিত। শিল্পবিপ্লৱৰ ফলত দেশৰ সামাজিক অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনত যি অভাৱনীয় পৰিৱৰ্তন ঘটে বেছিভাগ ৰোমাণ্টিক কবিয়েই তাৰ বিৰোধিতা কৰে। ওৱার্ডছ্‌ওৱাৰ্থৰ London নামৰ চনেটটোৱেই ইয়াৰ উৎকৃষ্ট নিদৰ্শন। বিজ্ঞানৰ অগ্ৰগতিয়েও দুই এজন কবিক প্ৰভাৱিত কৰা দেখা যায়। বিজ্ঞানৰ প্ৰতি শেলীৰ স্বাভাৱিক প্ৰৱণতা আছিল আৰু দুই এঠাইত তেওঁৰ এই বিজ্ঞানপ্ৰীতি প্ৰতীক ধৰ্মিতাৰ লগত সংযুক্ত হৈ তেওঁৰ কবিতাক গভীৰ তাৎপৰ্য প্ৰদান কৰিছে। বৈজ্ঞানিক সত্যৰ প্ৰতি শেলীৰ যে নিষ্ঠা কিমান দৃঢ় আছিল তাক তেওঁৰ The Cloud নামৰ কবিতাটোৰ পৰা উপলব্ধি কৰিব পাৰি।

চিন্তা চৰ্চাৰ কেতবোৰ দিশত ৰোমাণ্টিক কবিসকল যে কেইজনমান চিন্তানায়কৰ ওচৰত ঋণী আছিল এই কথা সহজে অনুমান কৰিব পাৰি। এওঁলোক হ'ল ৰুছো উইলিয়াম গডউইন আৰু টমাছ পেন। ৰোমাণ্টিক কবিতাৰ ওপৰত এই তিনিজনৰ প্ৰভাৱ অতি ব্যাপক। এওঁলোকৰ স্বাতন্ত্ৰ্যবাদ আৰু মানৱচৰিত্ৰ সম্বন্ধে গতানুগতিকতা বিৰোধী মনোভাৱ যি কোনো প্ৰকাৰেই নহওক প্ৰত্যেক ৰোমাণ্টিক কবিৰ ৰচনাতে প্ৰতিফলিত হৈছে। ওৱার্ডছ্‌ওৱাৰ্থৰ Three years she grew in sun and show r কবিতা আৰু তেওঁৰ Prelude ৰ কেবাঠাইতো ৰুছোৰ শিক্ষাতত্ত্বই কাব্যৰূপ লাভ কৰিছে। ৰোমাণ্টিক কবিসকলৰ পলায়নবাদী মনোভাৱৰ (escapism) ক্ষেত্ৰতো ৰুছো প্ৰভৃতি চিন্তানায়কৰ ৰাষ্ট্ৰ বা সমাজচিন্তা কিছু পৰিমাণে দায়ী বুলি অনুমান কৰিব পাৰি। বহুতো ৰোমাণ্টিক কবিয়ে ভাবে যে প্ৰচলিত সমাজ আৰু ৰাষ্ট্ৰ ব্যৱস্থাই মানুহক কলুষিত কৰিছে আৰু সেইকাৰণে বাস্তৱজীৱনক এৰাই চলিব খোজে। আনহাতে তেওঁলোকৰ যিটো ইপ্সিত সি হ'ল কল্পলোকৰ বস্তু আৰু তাক নোপোৱাৰ ফলতেই তেওঁলোক হৈ পৰে বিষাদগ্ৰস্ত। ৰোমাণ্টিক কবিসকল হ'ল আত্মমুখী কেতিয়াবা জড় পদাৰ্থও তেওঁলোকৰ ওচৰত চৈতন্যময় হৈ উঠে আৰু সেই মুহূৰ্তত তেওঁলোকে সেইবোৰৰ লগত একাত্মবোধ স্থাপন কৰে। এই ক্ষেত্ৰত প্ৰাচীন সৰ্বেশ্বৰবাদ (pantheism) জাৰ্মান অতীন্দ্ৰিয়বাদ (transcendentalism) আৰু প্লেটোবাদ বা নব্য প্লেটোবাদৰ (platonism or Neo-Platonism) প্ৰভাৱ

লক্ষণীয়। ৰোমান্টিক কবিতাত অৱশ্যে দাৰ্শনিক বিষয়বস্তুকৈ আৱেগ অনুভূতিৰ মূল্যহে বেছি হৈ পৰে।

আৱেগ প্ৰৱণতা বা আত্মনিষ্ঠতাৰ নিচিনাকৈ কল্পনাশক্তিও ৰোমান্টিক লেখকসকলৰ এটি প্ৰধান বৈশিষ্ট্য। কল্পনাশক্তিৰ বলতেই তেওঁলোকে বহিৰ্জগতকৈ অন্তৰ্জগতক বেছি গুৰুত্বপূৰ্ণ বুলি ভাবে। কল্পনাশক্তিৰ বলতেই সাধাৰণ বস্তুও অসাধাৰণ হৈ পৰে যি অতিশয় তুচ্ছ সিয়ো কল্পনাৰ আলোক সম্পাতত অলৌকিক হৈ উঠে। কল্পনাশক্তিৰ বলতেই ৰোমান্টিক কবিয়ে ৰামৰাজ্যৰ সপোন ৰচনা কৰে। এই কল্পনাশক্তিৰ বলতেই কবি ব্লেইক (Blake) সমৰ্থ হৈছে—

To see a world in a grain of sand
And a heaven in a wild flower
Hold infinity in the palm of your hand
And Eternity in an hour

ৰোমান্টিক যুগৰ কবিতাত প্ৰকৃতিয়ে মুখ্যস্থান লাভ কৰিলেও কবিসকলে মানৱ জীৱনৰ ফালে একেবাৰে পিঠি দিয়া নাই। অৱশ্যে এই যুগৰ কবিতাত মানৱজীৱনৰ যি চিত্ৰ আঁকা হৈছে তাৰ প্ৰতি কবিৰ দৃষ্টিভঙ্গী বেলেগ বেলেগ। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ মতে মানুহ প্ৰকৃতিৰেই সন্তান। তেওঁ কেইবাটাও কবিতাত নি কিন মানুহৰ জীৱনৰ চিত্ৰ অতি সহানুভূতিৰে অংকন কৰিছে। এই প্ৰসঙ্গত তেওঁৰ Michael Two Brothers The Leech Gatherer The Old Cumberland Beggar The Ruin d Cottage আদি কেইটামান কবিতালৈ আঙুলিয়ালেই যথেষ্ট। অৱশ্যে ওৱৰ্ডছ্‌ওৱাৰ্থৰ বাহিৰে আন ৰোমান্টিক কবিৰ ৰচনাত মানৱ চিত্ৰই সিমান উল্লেখযোগ্য স্থান অধিকাৰ কৰা নাই। কোলেৰিজ আছিল অলৌকিক বিষয়বস্তু লৈয়েই ব্যস্ত। ৰাজনৈতিক বা দাৰ্শনিক মতবাদ কেতিয়াবা আলোচনা কৰিলেও কোনো ব্যক্তি বা পৰিয়ালৰ সুখ দুখৰ কাহিনী তেওঁ ক তো ৰূপায়িত কৰা নাই। আনহাতে শ্বেলীৰ নায়ক নায়িকাসকল হ ল আদৰ্শৰাজ্যৰ অধিবাসী নাইবা তেওঁৰ নিজৰ মনোজগতৰ প্ৰতিমূৰ্তি। কীট্‌ছৰ কবিতাত মানৱজীৱনৰ যি চিত্ৰ পোৱা যায় সি সম্পূৰ্ণৰূপে প্ৰেমাশ্ৰয়ী। তেওঁৰ প্ৰায় সকলো নৰ নাৰীয়েই প্ৰেমিক প্ৰেমিকা। স্কটে তেওঁৰ কবিতাত বীৰোচিত আদৰ্শৰ লগত সামঞ্জস্য ৰাখি মধ্যযুগৰ দৈনন্দিন জীৱনৰ উপভোগ্য বৰ্ণনা দিছে। সমসাময়িক জীৱনৰ চিত্ৰ তেওঁৰ কবিতা বা উপন্যাস ক তো নাই। ৰোমান্টিক কবিসকলৰ ভিতৰত যিজন কবি সমসাময়িক মানৱ-জীৱনৰ চিত্ৰ আঁকাত আগ্ৰহী আছিল সেইজন হ ল বায়ৰণ। তেওঁৰ Don Juan হ ল এখন ব্যঙ্গাত্মক

মহাকাব্য। ইয়াত আমাৰ সামাজিক নীতি-নিয়মৰ অন্তৰালত থকা তথাপি স্বাৰ্থপৰতা আত্মসাৰশূন্যতা আদি সুন্দৰভাৱে ফুটাই তোলা হৈছে। জৰ্জ ক্ৰেবৰ (George Crabb) কবিতাতো আমি গাঁৱলীয়া সমাজৰ চিত্ৰ পাওঁ। অৱশ্যে তেওঁৰ দৃষ্টিভঙ্গী হ'ল ওৱাৰ্ডছ্ওৱাৰ্থৰ সম্পূৰ্ণ বিপৰীত। তেওঁ গাঁওবাসীৰ দাৰিদ্ৰ্যৰ কৰুণ বৰ্ণনা দিছে কিন্তু ওৱাৰ্ডছ্ওৱাৰ্থৰ নিচিনাকৈ গ্ৰাম্যজীৱনত কোনো আদৰ্শৰ মহিমা আৰোপ কৰা নাই। ক্ৰেব হ'ল একেবাৰে বাস্তৱবাদী কবি।

এতিয়া আমি ৰোমাণ্টিক যুগৰ কাব্যৰ প্ৰকাশভঙ্গী সম্পৰ্কে অলপ আলোচনা কৰি এই অধ্যায়ৰ সামৰণি মাৰিম। এই যুগৰ কবিসকলে অষ্টাদশ শতাব্দীৰ কাব্যৰীতিৰ বিৰোধিতা কৰি অহা কথা আমি আগতে উল্লেখ কৰি আহিছোঁ। এই ক্ষেত্ৰত ওৱাৰ্ডছ্ওৱাৰ্থৰ বিৰোধিতা আছিল অতি তীব্ৰ। তেওঁৰ মতামত লিৰিকেল বেলাড্ছৰ আগকথাত বিস্তাৰিতভাৱে আলোচনা কৰা আছে। তেওঁৰ মতে কাব্য সাহিত্যত অষ্টাদশ শতাব্দীৰ gaudy and inane phraseology ৰ কোনো প্ৰয়োজন নাই। তেওঁ আছিল সাধাৰণ গ্ৰাম্যভাষাৰ পৰা শব্দচয়ন কৰি কাব্যৰ উপযোগী কৰি লোৱাৰ পক্ষপাতী। যুগৰ পৰিৱৰ্তন ঘটাৰ লগে লগে ভাষা প্ৰয়োগৰ ৰীতিৰো পৰিৱৰ্তন ঘটাটো স্বাভাৱিক। সেই কাৰণে অষ্টাদশ শতাব্দীত যতে ততে নিৰ্বিচাৰে ব্যৱহাৰ হোৱা swain (কৃষক) the finny prey (মাছ) the bleating kind (ভেড়াছাগলী) phoebus (সূৰ্য) আদি কৃত্ৰিম আৰু বাগাড়ম্বৰপূৰ্ণ শব্দবোৰ ৰোমাণ্টিক লেখকে পৰিহাৰ কৰিছিল। ৰোমাণ্টিক ৰীতিৰ সাধাৰণতে চকুত পৰা বৈশিষ্ট্যবোৰ হ'ল বক্তব্য বিষয়ৰ অত্যধিক বিস্তাৰ আৰু অস্পষ্টতা সংকেতময়তা ব্যঞ্জনাবৃত্তি চিত্ৰকল্পৰ বহুলতা গীতিধৰ্মিতা আৰু সহসংবেদন (synaesthesis)। মুঠৰ ওপৰত প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত ৰোমাণ্টিক সাহিত্যৰ গতিপথ সৰল নহয়। ছন্দৰ ক্ষেত্ৰত দেখা যায় যে এই যুগত অষ্টাদশ শতাব্দীত ব্যৱহৃত হিৰোয়িক কাপলেট (heroic couplet) বা দ্বিপ ক্তিক শ্লোকৰ ব্যৱহাৰ নোহোৱা হৈ যায় আৰু ইয়াৰ সলনি স্পেন্সেৰীয় স্তৱকক ধৰি আন বহুবিধ স্তৱক গঠনৰ প্ৰক্ৰিয়া চলে। ইয়াৰ উপৰি অমিত্ৰাক্ষৰ বেলাড আদি ছন্দৰো প্ৰয়োগ প্ৰৱৰ্তিত হয়। সাত মাত্ৰাৰ বেলাড ছন্দক বহুতো কবিয়ে দুই পংক্তিৰ চাৰি আৰু তিনি মাত্ৰা হিচাপে প্ৰয়োগ কৰে আৰু ইয়েই নতুন নাম পায় ৰোমাণ্টিক ছন্দ। কোলেৰিজে তেওঁৰ The Rime of the Ancient Mariner কবিতাটোত এই ছন্দ ব্যৱহাৰ কৰিছে।

চতুৰ্থ অধ্যায়

ৰোমাণ্টিক পুনৰুত্থান

আমি যিটো ৰোমাণ্টিক যুগৰ বিশেষত্ব ইয়াৰ আগতে আলোচনা কৰিলোঁ সেই যুগটোক ৰোমাণ্টিক পুনৰুত্থানৰ (Romantic Revival) যুগ বুলিও কোৱা হয়। ৰোমাণ্টিক আন্দোলন অষ্টাদশ শতাব্দীৰ ক্লাছিকেল আদৰ্শৰ প্ৰতিক্ৰিয়া হিচাপে আৰম্ভ হৈছিল কাৰণে ইয়াক ৰোমাণ্টিক ৰিয়েক্সন (Romantic Reaction) বুলিও আখ্যা দিয়া হয়। ৰোমাণ্টিক যুগটোক কিহৰ ভিত্তিত নো পুনৰুত্থানৰ যুগ আখ্যা দিয়া হ'ল বা ইনো ইংৰাজী সাহিত্যৰ কোনটো যুগৰ পুনৰুত্থান তাকে ইয়াত চমুকৈ বিচাৰ কৰি চোৱা যাব।

ভাব চিন্তা ধ্যান ধাৰণা দৃষ্টিভঙ্গী কাব্যৰূপ আৰু এইবোৰৰ প্ৰকাশভঙ্গী আৰু অনুপ্ৰেৰণাৰ দিশ কেইটি চিন্তা কৰি ঊনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ৰোমাণ্টিক আন্দোলনক এলিজাবেথীয় যুগৰ (১৫৫৮ ১৬০৩) পুনৰুত্থানৰ যুগ বুলি কোৱা হৈছে। এলিজাবেথীয় যুগটোৱেই হ'ল ইংৰাজী সাহিত্যৰ আটাইতকৈ গৌৰৱময় যুগ। এইটোৱেই হ'ল ইংৰাজী সাহিত্যত প্ৰথম ৰোমাণ্টিক যুগ। ক্লাছিকেল ঐতিহ্য উপেক্ষা কৰি কবি আৰু নাট্যকাৰসকলে এই যুগতেই ৰোমাণ্টিছিজমৰ আশ্ৰয় গ্ৰহণ কৰে। ঊনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ (১৭৯৮ ১৮৩২) যুগটোক ইংৰাজী সাহিত্যৰ দ্বিতীয় ৰোমাণ্টিক যুগ বুলিহে অভিহিত কৰিব পাৰি। ৰোমাণ্টিক পুনৰুত্থানৰ যুগ হিচাপে এই যুগৰ ভাৱধাৰাৰ সম্পূৰ্ণ আভাস পাবলৈ হ'লে আমি এলিজাবেথীয় যুগৰ বিশেষত্ববোৰ ভালদৰে অধ্যয়ন কৰি লব লাগিব।

এলিজাবেথীয় যুগৰ সাহিত্য সমৃদ্ধিৰ মূলতে তিনিটা কাৰণ উল্লেখ কৰিব পাৰি— স্পেন্সাৰ চেক্সপীয়াৰ আদি লেখকৰ অসাধাৰণ প্ৰতিভা নৱজাগৰণৰ প্ৰভাৱ আৰু নৱজাগ্ৰত জাতীয় চেতনা। এই যুগত জাতীয় জীৱনৰ সৰ্বাঙ্গীণ উৎকৰ্ষ সাধন হোৱা লক্ষণীয়। ৰাজনীতিৰ ক্ষেত্ৰত নতুন শক্তিৰ সঞ্চাৰ সাহিত্যৰ ক্ষেত্ৰত নতুন সৃষ্টি শক্তিৰ বিকাশ সমাজ জীৱনত নতুন আৱিষ্কাৰৰ উন্মাদনা —এই সকলোৱে মিলি যুগৰ ঐশ্বৰ্য্য বিকাশৰ অবিহণা যোগায়। এলিজাবেথীয় সাহিত্যৰ সমৃদ্ধিত নৱজাগৰণৰ (Renascence) প্ৰভাৱ অনস্বীকাৰ্য্য। মধ্যযুগত ইউৰোপৰ অৱস্থা আছিল ইংৰাজ অহাৰ আগৰ ভাৰতবৰ্ষৰ অৱস্থাৰ দৰে। ধৰ্ম আৰু ধৰ্মমতৰ আধিপত্য স্বাধীন চিন্তাৰ অভাৱ জীৱনত গতানুগতিকতাৰ প্ৰভাৱ শাসনৰ ক্ষেত্ৰত ৰাজশক্তিৰ দুৰ্বলতাৰ হেতু সামন্তবাদৰ অভ্যুদয় স্বেচ্ছাচাৰী মনোভাৱৰ প্ৰাধান্য আৰু ঐক্য আৰু সংহতিৰ অভাৱ

—এই সকলোৱে জাতীয় জীৱনক পঙ্গু কৰি তুলিছিল। যেনেকৈ ৰাজ্যত শিক্ষাৰ বিস্তাৰ বিশেষ নাছিল আৰু ধৰ্মপুথিৰ বাহিৰে আন কোনো পুথিৰেই মানুহৰ মাজত সমাদৰ নাছিল। পুৰোহিতৰ মতামতেই সমাজ জীৱন নিয়ন্ত্ৰণ কৰিছিল আৰু অজ্ঞান অন্ধকাৰ আৰু কু-সংস্কাৰে মানুহৰ চিন্তাশক্তি আৰু বিচাৰ বুদ্ধিক পঙ্গু কৰি ৰাখিছিল।

নৱজাগৰণৰ লগে লগে এই সকলোৰে আমূল পৰিবৰ্তন ঘটে। মানুহৰ বিচাৰ বুদ্ধি আৰু কল্পনাশক্তি জাগ্ৰত হয়। মানুহৰ ভাবজগতত বহুতো নতুন ধাৰণা আৰু আদৰ্শই ঠাই লয়। নৱ জাগৰণ হ'ল প্ৰধানত এক বৌদ্ধিক আন্দোলন। ইয়াত আগভাগ লয় ইটালীৰ পণ্ডিতসকলে। তেওঁলোকৰ প্ৰধান কামবোৰৰ ভিতৰত হ'ল বিস্মৃত প্ৰায় গ্ৰীক ভাষাত ব্যুৎপত্তি লাভ প্ৰাচীন সাহিত্য আৰু দৰ্শন বিষয়ৰ গ্ৰন্থ সমূহৰ প্ৰামাণ্য পাঠোদ্ধাৰ যথোচিত বিন্যাস আৰু সম্পাদনা আৰু নৱলব্ধ বিদ্যা অনুযায়ী কালৰ উপযোগী জীৱনদৰ্শনৰ সৃষ্টি। এই সকলো কামৰ গতি খৰতকীয়া হয় ১৪৫৩ চনত কনষ্টাণ্টিনোপুলৰ (constantinople) পতনৰ পাছত। বিজয়ী তুৰ্কীসকলৰ ভয়ত সেই ঠাইৰ পণ্ডিতবোৰ ইটালীলৈ পলাই আহি আশ্ৰয় গ্ৰহণ কৰে আৰু স্থানীয় বিদ্বৎসমাজে তেওঁলোকক আদৰণি জনায়। অজ্ঞান অন্ধকাৰত ডুব গৈ থকা মানুহে জ্ঞানৰ সন্ধান পায় আৰু এই অৰ্থতেই Renaissance শব্দটোৰ অৰ্থ হ'ল Revival of Learning অৰ্থাৎ বিদ্যাৰ নৱজাগৰণ। এই নৱজাগৰণৰ ফলত মানুহৰ মনত যি নতুন দৃষ্টিভঙ্গীৰ উদয় হয় তাক বহুতে humanism বা মানৱতাবাদ আখ্যা দিছে। এই শব্দটো বহুতো অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়। কিন্তু ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যুক্তিনিষ্ঠতা প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ জ্ঞান বিজ্ঞান সভ্যতা আৰু সংস্কৃতিৰ প্ৰতি আনুগত্য অতীত আৰু বৰ্তমানৰ সঙ্গতি ৰক্ষা আৰু জ্ঞানৰ জগত আধ্যাত্মিকতাৰ সামঞ্জস্য বিধান। কোনো কোনোৱে এই শব্দটো মানৱৰ মাহাত্ম্য বা শক্তি সামৰ্থ্যত বিশ্বাস বুলিও মতামত দাঙি ধৰে আৰু সেই অৰ্থতেই নাট্যকাৰ চেক্সপীয়াৰে তেওঁৰ হেমলেট নাটকত কৈ উঠিছে— What a piece of work is man! How noble in reason! How infinite in faculty! In form in moving how express and admirable! In action how like an angel! In apprehension how like a God! The beauty of the world! The paragon of animals! হেমলেটৰ এই মানৱ বন্দনাত নৱজাগৰণৰ মৰ্মকথাই উচ্চাৰিত হৈছে।

কেৱল সাহিত্য বা শিল্পকলাই নহয় বিজ্ঞানৰ অগ্ৰগতিও নৱজাগৰণৰ লগত প্ৰত্যক্ষভাৱে সংযুক্ত। কোপাৰ্নিকাছ আৰু গেলিলিওৱে সৌৰজগত সম্পৰ্কে নতুন তথ্য

আৱিষ্কাৰ কৰিলে। সূৰ্য্য পৃথিৱীৰ চাৰিওফালে ঘূৰে বুলি ইমান দিনে থকা ভ্ৰান্ত ধাৰণাৰ অৱসান ঘটে। মুদ্ৰাযন্ত্ৰৰ প্ৰৱৰ্তনৰ ফলত জ্ঞান বিজ্ঞানৰ চৰ্চা সম্প্ৰসাৰিত হোৱাত সুবিধা হয়। আন এটি প্ৰাসঙ্গিক আৰু বিশেষ অৰ্থপূৰ্ণ ঘটনা হ'ল Refor mation বা ধৰ্ম সংস্কাৰ। এই ধৰ্মীয় আন্দোলনটো আৰম্ভ কৰে জাৰ্মেনীত মাৰ্টিন লুথাৰে। Catholicism অৰ বিৰুদ্ধে Protestant মতবাদৰ উৎপত্তি আৰু প্ৰৱৰ্তন হয়। জাৰ্মেনী ইংলণ্ড আৰু স্কটলেণ্ডে প্ৰটেষ্টাণ্ট মতবাদ গ্ৰহণ কৰে। এলিজাবেথীয় যুগত ইংলণ্ড প্ৰটেষ্টাণ্ট দেশৰূপে পৰিগণিত হয়।

নৱজাগৰণৰ প্ৰভাৱ ই লণ্ডত যেনেকুৱা ধৰণে পৰে তেনেকুৱা ধৰণে বোধহয় আন কোনো দেশতে পৰা নাই। সেই কাৰণে ইয়াত এক নতুন জাতীয়তাবোধৰ উদ্ভৱ হয়। অৱশ্যে এই জাতীয়তাবোধ ইয়াৰ আগৰপৰাই লাহে লাহে জাগ্ৰত হ'ব ধৰিছিল। এতিয়া আকৌ স্পেইনৰ আশংকাত ই তীব্ৰ আৰু গভীৰ হৈ উঠে। স্পেইনৰ আক্ৰমণ প্ৰতিহত কৰি ৰাণী এলিজাবেথে স্বদেশ প্ৰীতি সুপ্ৰতিষ্ঠিত কৰে। ৰাণী এলিজাবেথেই হ'ল এই নৱজাগ্ৰত দেশাত্মবোধৰ প্ৰতীক আৰু প্ৰতিমা। শত শত কবি কণ্ঠত ৰাণীৰ জয়গান ঘোষিত হ'ল। শত শত যোদ্ধাই তেওঁৰ চৰণত ভক্তি উপহাৰ নিবেদন কৰিলে। ইয়াকে কেন্দ্ৰ কৰি ইংৰাজ জাতিৰ ঐক্যবোধ আৰু জলন্ত দেশপ্ৰেম ফলে ফুলে বিকশিত হৈ উঠিল। ইংৰাজ জাতিয়ে ইউৰোপীয় জাতিবোৰৰ মাজত সৰ্বোচ্চ স্থান লাভ কৰিলে।

বাণিজ্য আৰু ৰাজ্য বিস্তাৰৰ ক্ষেত্ৰতো ইংৰাজ জাতিয়ে এই সময়ত বহুতো সফলতা লাভ কৰে। কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰিলেও এই আৱিষ্কাৰত সুফল লাভ কৰে ইংৰাজ সকলেই। এই সময়ত ভাৰতবৰ্ষৰ লগতো বাণিজ্যিক সম্বন্ধ স্থায়ীভাৱে প্ৰতিষ্ঠিত হয়। জাতিৰ নৱ লব্ধ শক্তি নানা দু:সাহসিক সমুদ্ৰ অভিযানত অভিব্যক্তি লাভ কৰে। ড্ৰেকে গোটেই পৃথিৱী প্ৰদক্ষিণ কৰে আৰু স্পেইনৰ জাহাজ লুণ্ঠন কৰি ইংলণ্ডৰ ৰাজকোষ সমৃদ্ধ কৰে। ৰাণী এলিজাবেথক কেন্দ্ৰ কৰি জাতিৰ আশা আৰু উদ্দীপনা বাঢ়ি যায়। দেশৰ গৌৰৱ বৰ্দ্ধনত জীৱন আহুতি দিয়াৰ কাৰণে মানুহৰ মাজত প্ৰতিদ্বন্দ্বিতা চলে। নতুনকৈ আৱিষ্কৃত ঠাইবোৰত ইংলণ্ডৰ বিজয় পতাকা উৰে। এতিয়া ইংৰাজ জাতিৰ চাৰিওফালে জয় জয় ময় ময়।

এই বিজয় অভিযান আৰু নৱজীৱনৰ স্পন্দন এই যুগৰ বিভিন্ন সাহিত্য-জগত অনুভৱ কৰা যায়। সমুদ্ৰৰ আকৰ্ষণ আৰু দু:সাহসিক অভিযানৰ প্ৰতি সাহস আৰু উদ্যম— এই দুয়োটা বিষয়েই এলিজাবেথীয় সাহিত্যত ঠাই পাইছে। বহুত নাটকত চিত্ৰিত হৈছে সমুদ্ৰ অভিযানৰ ছবি। অধ্যাপক বেলীয়ে এঠাইত লিখিছে—"Without the

Voyagers Marlowe is inconceivable টেম্বাৰলেনৰ বিজয়যাত্ৰা সাহস আৰু উত্তমত প্ৰকাৰান্তৰে ড্ৰেক হকিন্স আদিৰ সাহস আৰু উত্তমেই ফুটি উঠিছে। সমুদ্ৰ আৰু সমুদ্ৰযাত্ৰাৰ পৰিবেশ চেক্সপীয়াৰৰ Tempest Pericles Marchant of Venice Othello আদি নাটকতো আছে। হেমলেট্ নাটকখনত ৰাজকুমাৰ হেমলেট্‌ৰ সমুদ্ৰ যাত্ৰাই নাটকখনৰ কাহিনীৰ গতি পৰিৱৰ্তন কৰে। এইদৰে আন বহুতো নাটক আছে য ত মহাসমুদ্ৰই হ ল পটভূমি। আনকি ভাষা চিত্ৰকল্প আৰু উপমাও সমুদ্ৰৰ ছবিৰে ৰঞ্জিত। Romeo and Juliet নাটকত জুলিয়েটে কৈছে— My bounty is as boundless as the sea এই যুগৰ লোকৰ বিশ্ৰামহীনতা উদ্দীপনা আৰু নজনা কথা জনাৰ প্ৰতি কৌতূহলো সাহিত্যত ঠায়ে ঠায়ে প্ৰকাশ পাইছে। বন্ধু বান্ধৱৰ অনুৰোধ প্ৰত্যাখ্যান কৰিও হেমলেটে অকলে দেউতাকৰ প্ৰেতাত্মাক লগ ধৰিবলৈ যোৱা ছনবস্থিত মেকবেথে ডাইনী কেইজনীক লগ ধৰা স্পেন্সাৰৰ নাইটে অৰগোগলিওৰ লগত যু জ কৰা আদি কেইটিমান ইয়াৰ সাধাৰণ উদাহৰণ।

এলিজাবেথীয় সাহিত্যৰ আছিল জনজীৱনৰ লগত নিবিড় সম্পৰ্ক। এই যুগৰ প্ৰায়বোৰ লেখকৰে আছিল জীৱনৰ তিতা কেহা সকলো ধৰণৰ অভিজ্ঞতা। অধ্যয়ন পুষ্ট হোৱা কাৰণে তেওঁলোকৰ ভাষা হ ল প্ৰাচুৰ্য্যপূৰ্ণ। ভাষাৰ সৌন্দৰ্য্যই তেওঁলোকক এনেকুৱা ধৰণে আপ্লুত কৰিছিল যেন তেওঁলোকে কিবা এটা নতুন ভাষাহে ব্যৱহাৰ কৰিছে। শব্দ চয়ন উপমা চিত্ৰকল্প আদি সকলোতে তেওঁলোকৰ এই ভাষা বিলাসিতা ফুটি উঠিছে।

কাব্য ৰূপৰ ফালৰ পৰা এলিজাবেথীয় যুগটো হ ল গীতি কবিতা (lyric) আৰু চনেটৰ (Sonnet) সোণালী যুগ। গোটেই যুগটোৰ আৱেগ অনুভূতিয়ে এই দুবিধ কাব্য ৰূপৰ জৰিয়তে অভিব্যক্তি লাভ কৰে। গীতি কবিতা আৰু চনেটৰ প্ৰধান বিষয়বস্তু আছিল প্ৰেম (Love)। মধ্যযুগত মানৱজীৱনৰ আৱেগিক দিশটোক দমন কৰি ৰখা হৈছিল। প্ৰেমক কোনো গুৰুত্ব দিয়া হোৱা নাছিল। সেই সময়ৰ ধৰ্ম যাজকসকলৰ মতে নাৰী আছিল চয়তানৰ ফান্দ (Devil s snare) আৰু দৈহিক আনন্দ হ ল পাপ। এলিজাবেথীয় যুগত কিন্তু এনেকুৱা দৃষ্টিভঙ্গীক কোনো মূল্য দিয়া নহ ল। নাৰী বন্দনা মানুহৰ এটি প্ৰচলিত ৰীতিৰ দৰে হৈ পৰিল। এই যুগত নাৰীক ঈশ্বৰৰ আটাইতকৈ সৌন্দৰ্য্যশালী আৰু মোহনীয় সৃষ্টি বুলি ধৰি লোৱা হ ল। সেই কাৰণেই চেক্সপীয়াৰৰ Tempest নাটকত ফাৰ্ডিনাণ্ডে সুন্দৰী মিৰাণ্ডাক দেখি কৈ উঠিছিল— O you wonder। এলিজাবেথীয় যুগত গীতি কবিতা আৰু চনেটত

প্ৰেমে মুখ্য স্থান অধিকাৰ কৰাৰ এটা প্ৰধান কাৰণ হ'ল ইয়াৰ ৰচকসকলৰ প্ৰেম সম্বন্ধে প্ৰত্যক্ষ অভিজ্ঞতা। ব্যক্তিগত আবেগ অনুভূতিৰ অভিব্যক্তিৰ কাৰণে গীতি কবিতা আৰু চনেট উপযুক্ত মাধ্যম। এই মাধ্যম গ্ৰহণ কৰাৰ আন এটা কাৰণ হ'ল লেখকসকলে ইয়াৰ জৰিয়তে স্বকীয় ভাৱ অনুভূতি কোনো ৰূপক বা উপকথাৰ সহায় নোহোৱাকৈ প্ৰকাশ কৰিব পৰাটো। প্ৰেমিক কবিয়ে চনেটৰ জৰিয়তে প্ৰেমিকাৰ ওচৰত নিজৰ হিয়া উজাৰি দিছিল। এৰ পৰম্পৰা পোনতে আৰম্ভ কৰে চিডনীয়ে তেওঁৰ Astrophel and Stella ৰ জৰিয়তে। ই হ'ল তেওঁৰ ১৮টা চনেটৰ সমষ্টি। চিডনীৰ পদাংক অনুসৰণ কৰি স্পেন্সাৰ চেক্সপীয়াৰ ডেনিয়েল ড্ৰেটন আদিয়েও চনেট ৰচনা কৰে।

ওপৰত আমি এলিজাবেথীয় যুগৰ বৈশিষ্ট্যবোৰ চমুৱাই আলোচনা কৰিলোঁ। এতিয়া আমাৰ কাম হ'ল এই বৈশিষ্ট্যবোৰ উনৈশ শতিকাৰ প্ৰাৰম্ভৰ ৰোমাণ্টিক কবিতাত কেনেদৰে ফুটি উঠিছিল তাকে প্ৰদৰ্শন কৰা। কল্পনাশক্তিৰ পৰিপূৰ্ণতা আৰু ভাবানুভূতিৰ বিশালতাই হ'ল এলিজাবেথীয় সাহিত্যৰ প্ৰধান বৈশিষ্ট্য। এই যুগৰ সাহিত্যকৃতি হ'ল নৱজাগৰণৰ মুক্ত বতাহত অসাধাৰণ কল্পনাশক্তিৰ সৃষ্টি। বিস্ময়ানুভূতি আৰু ৰহস্যময়তা উদ্দীপনা আৰু আৱেগাতিশয্য অনুসন্ধিৎসা আৰু চপলতা—এলিজাবেথীয় সাহিত্যৰ এই বৈশিষ্ট্যবোৰ ৰোমাণ্টিক সাহিত্যতো ফুটি উঠিছে। ইয়াৰ উপৰি এই যুগৰ তীব্ৰ ভাবাবেগ গীতিধৰ্মিতা আৰু ভাষা-প্ৰাচুৰ্য্যৰো নতুন উন্মেষ উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ৰোমাণ্টিক সাহিত্যত লক্ষণীয়। এই বৈশিষ্ট্যবোৰ বিশেষভাৱে ফুটি উঠিছে কোলেৰিজ বায়ৰণ শ্বেলী আৰু কীট্‌ছৰ কবিতাত।

যিহেতু ৰোমাণ্টিক কবিতাৰ মৰ্মবস্তু আৰু দৃষ্টিভঙ্গী এলিজাবেথীয় যুগৰ দৰে আছিল সেই কাৰণে এলিজাবেথীয় যুগৰ সাহিত্য ৰূপ আৰু বিষয়বস্তুক ৰোমাণ্টিক যুগত পুনৰ প্ৰৱৰ্তন কৰা হয়। এইবোৰৰ ভিতৰত পৰে চনেট গীতিকবিতা গৰথীয়া কাব্য অমিত্ৰাক্ষৰ ছন্দৰ নাটক স্পেন্সেৰীয় স্তৱক বেলাড আদি। ৰোমাণ্টিক কবিতাতো পোৱা যায় একে ধৰণৰ কল্পনাশক্তিৰ পৰিপূৰ্ণতা ভাষাৰ প্ৰাচুৰ্য্য ভাবানুভূতিৰ বিশালতা গীতিধৰ্মিতা আৰু চিত্ৰধৰ্মিতা। কাব্যিক অভিব্যক্তিৰ কাৰণে চনেট এলিজাবেথীয় যুগত যেনে জনপ্ৰিয় আছিল ৰোমাণ্টিক যুগতো সিমানেই জনপ্ৰিয় হয়। উদাহৰণ স্বৰূপে ওৱাৰ্ডছৱাৰ্থৰ দ্বাৰা ৰচিত চনেটৰ সংখ্যা প্ৰায় ৫ মান হ'ব। তেওঁৰ চনেট হ'ল এলিজাবেথীয় কবিসকল আৰু মিল্টনৰ পৰম্পৰাৰ সংশ্লেষণ। কিন্তু এইবোৰৰ বিষয়বস্তু প্ৰেম নহয়। মিল্টনৰ নিচিনাকৈ ওৱাৰ্ডছৱাৰ্থে এই বিষয়টোক

পৰিহাৰ কৰিছিল। মিল্টনৰ দৰে ওৱাৰ্ডছ্ৱাৰ্থৰো চনেটৰ বিষয়বস্তু আছিল ৰাজনৈতিক ব্যক্তিগত আৰু ধৰ্মীয়। কীটছেও প্ৰায় ৬ টা মান চনেট ৰচনা কৰিছিল। সেইবোৰৰ কিছুমানত তেওঁ গ্ৰহণ কৰিছিল চেক্সপীয়েৰীয় গঠন ৰীতি আৰু কিছুমানত পেট্ৰাৰ্কীয়। তেওঁ অৱশ্যে বহুত চনেটত প্ৰেমক বিষয়বস্তু হিচাপে লৈ এলিজাবেথীয় পৰম্পৰা ৰক্ষা কৰে। কোলেৰিজ বায়ৰণ শ্বেলী আৰু লী হাণ্টৰ হাতত্তো চনেট জনপ্ৰিয় হৈ উঠিছিল।

ৰোমাণ্টিক কবিসকলে গীতিকবিতাৰো পুনৰ প্ৰৱৰ্তন কৰে। গীতিকবিসকলৰ ভিতৰত শ্বেলীৰ স্থান সৰ্ব্বোচ্চ। তাত্বিক দৃষ্টিভঙ্গীত ওৱাৰ্ডছ্ৱাৰ্থ গীতিকবি নাছিল যদিও তেওঁৰ কবিতাত গীতিসুৰ বৰ্তমান। গীতিকবিৰ দক্ষতা বায়ৰণৰো আছিল। প্ৰশস্তি কবিতাৰ (Ode) ৰূপত কীটছে লিৰিকক পৰিপক্কতা দান কৰে। বেলাডেও (Ballad) ৰোমাণ্টিক যুগত নৱজীৱন লাভ কৰে। কোলেৰিজৰ Ancient Mariner আৰু কীটছৰ La Belle Dame Sans Merci এই যুগৰ দুটি উল্লেখ যোগ্য বেলাড। এই দুয়োটাৰে সঙ্গীত ধৰ্মিতা অনস্বীকাৰ্য্য। এলিজাবেথীয় যুগৰ স্পেন্সেৰীয় স্তৱকো (Spenserian Stanza) ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ শোক কবিতা আৰু বৰ্ণনামূলক কবিতাত প্ৰয়োগ কৰে। কীটছে তেওঁৰ The Eve of St Agnes বায়ৰণে Childe Harold আৰু শ্বেলীয়ে তেওঁৰ Adonais ত এই স্তৱক ব্যৱহাৰ কৰিছে। শ্বেলী বায়ৰণ আৰু ওৱাৰ্ডছ্ৱাৰ্থে অমিত্ৰাক্ষৰ ছন্দৰ নাটকো পুনৰ লিখাত হাত দিয়ে। এই গোটেইবোৰ দিশ বিবেচনা কৰি ৰোমাণ্টিক যুগটোক এলিজাবেথীয় যুগৰ পুনৰুত্থান বুলি কোৱা হৈছে। দুয়োটা যুগৰ মাজৰ পাৰ্থক্য হ'ল অধ্যাপক সত্যপ্ৰসাদ সেনগুপ্তৰ মতে এই —"এলিজাবেথীয় ৰোমাণ্টিছিজম্ এটি নৱলব্ধ অভিজ্ঞতাৰ উদ্দাম প্ৰকাশ। দ্বিতীয় পৰ্য্যায়ত ৰোমাণ্টিছিজম্ পুৰণিক ঘুৰাই পোৱাৰ প্ৰয়াস। এলিজাবেথীয় ৰোমাণ্টিছিজম্ প্ৰকাশ পায় নাটকত দ্বিতীয় পৰ্য্যায়ৰ ৰোমাণ্টিছিজম্ ৰূপায়িত হয় আত্মলীন কাব্যত। এলিজাবেথীয় ৰোমাণ্টিছিজম্ আনন্দৰ আৰু যৌৱনৰ কালোচ্ছ্বাসত বান্ময়। দ্বিতীয় পৰ্য্যায়ৰ ৰোমাণ্টিছিজমত আছে অলপ বেদনাৰ আভাস অলপ নোপোৱাৰ গ্লানি।

পঞ্চম অধ্যায়

ৰোমাণ্টিক পুনৰুত্থানৰ আদিপৰ্ব্ব

আমি ইয়াৰ আগৰ এটি আলোচনাত উল্লেখ কৰিছোঁ যে ইংৰাজী সাহিত্যৰ ১৭৯৮ চনৰ পৰা (অৰ্থাৎ Lyrical Ballads প্ৰকাশ হোৱা চনৰ পৰা) ১৮৩২ চনলৈকে এই কালছোৱাক ৰোমাণ্টিক পুনৰুত্থানৰ যুগ বুলি কোৱা হয়। কিন্তু প্ৰকৃতপক্ষে ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰিবলৈ গলে এই মত মানি লব নোৱাৰি। লিৰিকেল বেলাডছ ৰ প্ৰকাশৰ বছৰকেই ৰোমাণ্টিক পুনৰুত্থানৰ আৰম্ভণি বুলি ধৰি লব নোৱাৰি। ৰোমাণ্টিক আন্দোলনটোক কেতিয়াও কাব্যিক অভিব্যক্তিৰ হঠাতে হোৱা বিস্ফোৰণ বুলি কব নোৱাৰি। ইয়াৰ প্ৰস্তুতি আৰু অনুশীলন ১৭৯৮ চনৰ বহুতো আগৰ পৰা হৈ আছিল। অধ্যাপক আইফৰ ইভান্‌ছে (Ifor Evans) তেওঁৰ Tradition and Romanticism নামৰ পুথিত ৰোমাণ্টিক চেতনাৰ নিৰৱচ্ছিন্নতাৰ কথা আলোচনা কৰিছে। অষ্টাদশ শতিকাটোক আমি ক্লাছিকেল যুগ বুলি আখ্যা দিওঁ যদিও এই যুগতেই কেইজনমান কবিৰ হাতত ৰোমাণ্টিক ভাৱধাৰা পৰিস্ফুট হৈ উঠে। তেওঁলোকৰ ভিতৰত টমচন্ (Thomson) কুপাৰ (Cowper) ক্ৰেব (Crabbe) কলিন্স (Collins) গ্ৰে (Gray) আৰু বাৰ্ণছৰ (Burns) নাম বিশেষভাৱে উল্লেখযোগ্য। এই কেইজন কবিৰ প্ৰত্যেকৰে ৰচনাত ৰমন্যাসবাদৰ কিবা নহয় কিবা এটা বৈশিষ্ট্য ফুটি উঠিছে। এই যুগৰ ইংৰাজ কবি সকলৰ কাৰণে ফৰাচী বিদ্ৰোহে কোনো নতুন ধ্যান ধাৰণা বা প্ৰেৰণাৰ সৃষ্টি কৰা নাই। সেইবোৰ তেওঁলোকৰ মনত আগৰে পৰা আছিলেই। এই ভাবভঙ্গীবোৰকেই ফৰাচী বিদ্ৰোহে তীব্ৰ ৰূপত বিশ্ববাসীৰ আগত দাঙি ধৰে। এই প্ৰসঙ্গত অধ্যাপক মহেন্দ্ৰ বৰাই লিখিছে দৰাচলতে কছোৰ ফৰাচী চিন্তাধাৰাৰ প্ৰভাৱে আৰু জাৰ্মান দাৰ্শনিকসকলৰ ৰচনাৱলীৰ অধ্যয়নে ইংৰাজী ৰমন্যাসিক সাহিত্যক মাথোন এটা খৰতৰ গতিহে দিলে। ইংৰাজী সাহিত্যৰ ৰমন্যাসবাদ বিদেশৰ মাটিৰ পৰা উঘালি আনি ইংলেণ্ডৰ মাটিত কই দিয়া ফুলৰ গছ মুঠেই নহয়। বিদেশী চিন্তাৰ দুজাক এজাক বৰষুণে জীপ দি গলেও ই ইংলেণ্ডৰ মাটিত আপোনা আপুনি গজি উঠি ঠন ধৰা গছ।

আমি আগতে এঠাইত উল্লেখ কৰিছোঁ যে প্ৰকৃতি প্ৰীতি বা প্ৰকৃতিলৈ প্ৰত্যাগমন (Return to Nature) হ ল ৰোমাণ্টিক আন্দোলনৰ এটি প্ৰধান বৈশিষ্ট্য। প্ৰকৃতি-

বন্দনাৰ চিত্ৰ আমি অষ্টাদশ শতিকাৰ কবিসকলৰ ভিতৰত পাওঁ টমচন কুপাৰ আৰু বাৰ্ণছৰ কবিতাত। অষ্টাদশ শতিকাৰ প্ৰাৰম্ভতে জন্মগ্ৰহণ কৰিলেও ৰোমাণ্টিক আন্দোলনৰ এজন পথ প্ৰদৰ্শক হিচাপে টমচনে পোপৰ যুগক আংশিকভাৱে হ লেও অস্বীকাৰ কৰিছে। প্ৰকৃতিৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্য্যক তেওঁ ৰূপায়িত কৰিছে The S asons (ঋতুচক্ৰ) নামৰ বিখ্যাত কবিতাটোত। হিৰোয়িক কাপলেট্ বাদ দি কবিয়ে এই কবিতাটো অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰিছে। কবিতাটো প্ৰথমতে খণ্ড খণ্ড ভাৱে Winter Summar আৰু Spring নামত প্ৰকাশিত হৈছিল। তাৰ পিছত Autumn নামৰ কবিতাটো যোগ দি গোটেই কবিতাটোৰ নাম চীজনছ দিয়া হয়। এই কবিতাটোত প্ৰত্যেকটো ঋতুৰ বৰ্ণনাত কবিয়ে তীক্ষ্ণ পৰ্য্যবেক্ষণ শক্তিৰ পৰিচয় দিছে। শীতৰ বৰ্ণনাত আছে ধৰ্মনিষ্ঠ মনৰ মাধুৰী। গ্ৰীষ্মৰ বৰ্ণনাত আমি পাওঁ বৈজ্ঞানিক আৰু দাৰ্শনিকসকলৰ প্ৰেৰণা। বসন্তকালৰ বৰ্ণনাত আছে বৈবাহিক জীৱনৰ প্ৰেমৰ প্ৰশান্তি। শৰৎ বৰ্ণনাত আমি পাওঁ প্ৰকৃতিৰ চিত্ৰময় ৰূপ। কবিতাটো বস্তুধৰ্মী আৰু মনোধৰ্মী দুয়োটাই। ঠায়ে ঠায়ে বহিঃপ্ৰকৃতিৰ বৰ্ণনা কবিৰ নিজৰ অনুভূতিৰ ৰোলেৰে ৰঞ্জিত। এই যুগত ৰচিত প্ৰকৃতি বিষয়ক আন এটি উল্লেখযোগ্য কবিতা হ ল কুপাৰৰ The Task কবিতাটো লিখা হৈছে অমিত্ৰাক্ষৰ ছন্দত। টমচনত আৰম্ভ হৈ যি দৃষ্টিভঙ্গীয়ে ওৱাৰ্ডছওৱাৰ্থত পৰিণতি লাভ কৰিছিল কুপাৰ হ ল তাৰ মধ্যৱৰ্তী পৰ্য্যায়ৰ কবি। The Task কবিতাটো এটি দীঘলীয়া কবিতা। মিল্টনৰ মহাকাব্যৰ ভাব আৰু ভাষাক অনুকৰণ কৰি কুপাৰে প্ৰথমতে ইয়াক এটি ধেমেলীয়া কবিতা হিচাপে আৰম্ভ কৰিছিল। কিন্তু লাহে লাহে অন্যান্য বিষয়বস্তুৰ অৱতাৰণা কৰা হ ল আৰু শেষত ই হৈ পৰিল প্ৰকৃতি বিষয়ক এটি প্ৰখ্যাত কবিতা। ইয়াত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য প্ৰকাশ পালে অপৰূপ ছন্দত। প্ৰকৃতিৰ বৰ্ণনাত কবি সমসাময়িক সকলো কবিকেই চেৰাই গ ল। উজ (Ouse) নদীৰ পাৰৰ যি গ্ৰাম্য সৌন্দৰ্য্যৰ বৰ্না আমি কবিতাটোত পাওঁ সি হ ল একেবাৰে আত্মনিষ্ঠ ; অৰ্থাৎ নিজ চকুৰে যি দেখিছে তাৰেই বৰ্ণনা দিছে। তেওঁৰ মতে গাঁওবাসী বিত্তহীন হ লেও চিত্তহীন নহয় তেওঁলোক সকলো প্ৰকৃতিৰেই সন্তান। এই কবিতাটোত ডাকপিয়ন ঘোঁৰাগাড়ীৰ চালক আদি সৰল গ্ৰাম্য চৰিত্ৰবোৰ অতি সুন্দৰভাৱে বৰ্ণিত হৈছে। প্ৰকৃতি-প্ৰীতিৰ বাহিৰে কবিৰ মানৱ প্ৰীতিও কবিতাটোত পৰিস্ফুট হৈছে। কুপাৰৰ আছিল সংসাৰৰ প্ৰতি বৈৰাগ্যৰ ভাৱ আৰু ইয়েই তেওঁক প্ৰকৃতি জগতৰ প্ৰতি বেছি আকৃষ্ট কৰি তুলিছিল। তেওঁৰ মতে প্ৰকৃতি কেৱল সৌন্দৰ্য্যৰ আকৰেই নহয় শান্তিৰো উৎস। প্ৰকৃতিৰ মাজত তেওঁ ভগৱানৰো উপস্থিতি উপলব্ধি কৰিছিল—

A soul in all things and that soul is God প্ৰকৃতিৰ প্ৰতি এই দৃষ্টিভঙ্গীত তেওঁ কবি ওৱাৰ্ডছৱাৰ্থৰ পূৰ্ববৰ্ত্তী।

অষ্টাদশ শতিকাৰ আন এগৰাকী প্ৰকৃতি-প্ৰেমী কবি হ'ল ৰবাৰ্ট বাৰ্ণছ (Robert Burns)। বাৰ্ণছৰ দৰে প্ৰকৃতিৰ জগত ইমান অন্তৰঙ্গ পৰিচয় থকা কবি ইংৰাজী সাহিত্যৰ বুৰঞ্জীত খুব কমেইহে ওলাব। প্ৰকৃতি সম্পৰ্কীয় তেওঁৰ কবিতাবোৰত ওৱাৰ্ডছৱাৰ্থ আৰু শ্বেলীৰ দৰে দাৰ্শনিক তত্ত্বকথাৰ ব্যাখ্যা নাই আছে মাথো ৰূপ ৰং শব্দ আৰু গোন্ধৰ অতি নিখুঁত বৰ্ণনা। তেওঁৰ প্ৰকৃতি কবিতাবোৰৰ ভিতৰত To a Mouse আৰু To a Mountain Daisy নামৰ কবিতা দুটিয়েই সৰ্ব্বোৎকৃষ্ট। অনাদৃত যিকোনো বস্তুৱেই যে কবিতাৰ জৰিয়তে ৰমণীয় হৈ উঠিব পাৰে তাৰ প্ৰমাণ এই কবিতা দুটিয়েই। কবিতা দুটি প্ৰকৃতিৰ বাহ্যিক বৰ্ণনাতেই সমাপ্ত। Winter আৰু Ye banks and braes O bonie Doon আদি কেইটিমান কবিতাত বাৰ্ণছে প্ৰকৃতিক মানৱ মনৰ আৱেগ অনুভূতিৰ বিচৰণক্ষেত্ৰৰ পটভূমি হিচাপে চিত্ৰিত কৰিছে। টমাছ গ্ৰে'ৰ কবিতাতো প্ৰকৃতি মানৱৰ হৃদয়ানুভূতিৰ পটভূমি হিচাপে থিয় দিছে। তেওঁৰ কাব্য জীৱনৰ প্ৰথম ছোৱাৰ কবিতাৰ এটি বৈশিষ্ট্য হ'ল "The study of nature not for its own beauty or truth but rather as a suitable background for the play of human emotions (W J Long) এই বৈশিষ্ট্যযুক্ত কবিতা কেইটা হ'ল Hymn to Adversity To Spring আৰু On a Distant Prospect of Eton College এটি মন কৰিব লগীয়া কথা এয়ে যে এই যুগৰ কোনো প্ৰকৃতি কবিয়ে প্ৰকৃতি জগতক দাৰ্শনিক তত্ত্বৰে ভাৰাক্ৰান্ত কৰা নাই। প্ৰকৃতি জগতৰ কোনো নৈতিক আধ্যাত্মিক বা বৌদ্ধিক ব্যাখ্যা আমাৰ আগত তেওঁলোকে তাঙি ধৰা নাই। কেৱল কুপাৰেহে এঠাইত প্ৰকৃতি জগতত ঈশ্বৰৰ অস্তিত্বৰ কথা উল্লেখ কৰিছে।

ৰোমাণ্টিক আন্দোলনৰ আন এটি বৈশিষ্ট্য হ'ল চনেট লিৰিক ওড আৰু বেলাড আদি প্ৰাচীন কাব্যৰূপৰ নতুন প্ৰচলন। প্ৰাচীন লেখকসকলৰ ৰচনাৱলী অধ্যয়নৰ প্ৰতি লোকৰ আগ্ৰহ বাঢ়ি অহা পৰিলক্ষিত হ'ল। নতুন কবিসকলে দক্ষতা অৰ্জন কৰিবলৈ ললে গীতিকবিতাৰ ক্ষেত্ৰত। তেওঁলোকৰ অনুপ্ৰেৰণাৰ উৎস হ'ল এলিজাবেথীয় কবি স্পেন্সাৰ। টমচনে তেওঁৰ The castle of Indolence নামৰ কবিতাটোত স্পেন্সেৰীয় স্তৱক (Spenserian Stanza) ব্যৱহাৰ কৰিছে। ইয়াৰ উপৰি জেমছ বীটিয়ে (James Beattie) তেওঁৰ Minstrel নামৰ কবিতাত আৰু টমাছ কেম্বেলে তেওঁৰ Gertrude of Wyoming ত স্পেন্সেৰীয় স্তৱক ব্যৱহাৰ কৰে।

কৰে। ইয়াৰ পাছতহে বাৰ্ণছ শেলী আৰু কীট্‌ছে তেওঁলোকৰ কবিতাত এই ছন্দক ব্যৱহাৰ কৰে। গীতি কবিতাৰ প্ৰচলনৰ ক্ষেত্ৰতো এই যুগৰ গ্ৰে আৰু কলিন্সক অগ্ৰদূত বুলি ধৰি ল'ব পাৰি। এওঁলোকে ঐতিহ্য দলিয়াই পেলাই তেওঁলোকে গুড চনেট আৰু ইলিজি বা শোক কবিতাৰ নতুনকৈ প্ৰচলন কৰে। গীতিকবিসকলৰ ভিতৰত কলিন্স উল্লেখযোগ্য। তেওঁৰ ৰচিত To Spring How Sleep the Brave আদি কেইটামান গুডত সঙ্গীত ধৰ্মিতা লক্ষণীয়। কলিন্স আৰু গ্ৰে'ৰ ৰচনা হ'ল প্ৰধানত অনুভূতি-প্ৰধান। গ্ৰে'ৰ মতে প্ৰাকৃতিক দৃশ্যাৱলী (landscape) কেৱল দৃশ্যাৱলীয়েই নহয় এইবোৰৰ আছে অনুভূতি চৰিত্ৰ অৰ্থ—মুঠতে কবলৈ গলে ব্যক্তিত্ব। গীতিকবি হিচাপে আমি বাৰ্ণছ ব্লেইক মুৰ আৰু কেম্বেলকো ৰোমাণ্টিক আন্দোলনৰ পথ প্ৰদৰ্শক হিচাপে উল্লেখ কৰিব লাগিব।

ৰোমাণ্টিক কবিতাৰ আন এটি প্ৰধান বৈশিষ্ট্য হ'ল অতীত-প্ৰীতি (Love of the Past) আৰু মধ্যযুগৰ প্ৰতি আকৰ্ষণ। প্ৰায় ১৭৬ চন মানৰ পৰা লেখকসকলৰ মন মধ্যযুগৰ কালে ধাবিত হবলৈ ধৰে। এই জাগৰণৰ বাটকটীয়াসকল আছিল কেইজনমান পুৰাতত্ত্ববিদ পণ্ডিত। তেওঁলোকৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল ওৱাৰ্টন ভ্ৰাতৃদ্বয় (Warton Brothers) মেলেট (Mallet) পাৰ্চি (Percy) বিচপ হাৰ্ড (Bishop Hurd) আৰু আন কেইজনমান। ইয়াৰ ভিতৰত টমাছ ওৱাৰ্টনৰ (ওৱাৰ্টন ভ্ৰাতৃদ্বয়ৰ আনজন হ'ল জোচেফ ওৱাৰ্টন) History of English Poetry আৰু পাৰ্চিৰ Reliques of Ancient English Poetry য়ে ইংৰাজী কবিতাক নৱজাগৰণত আন পুথিতকৈ বেছি সহায় কৰে। কবিতাৰ ক্ষেত্ৰত নৱ জাগৰণৰ সূচনা কৰে গ্ৰে আৰু কলিন্সে। গ্ৰে'ৰ বহুতো প্ৰশস্তি কবিতাৰ (Odes) বিষয়বস্তু স্কেণ্ডিনেভীয়াৰ পৌৰাণিক কাহিনী (Scandinavian mythology) কলিন্সৰ বহুতো কবিতাৰ বিষয়বস্তু হ'ল স্কটলেণ্ডৰ জনবিশ্বাস। এই কবিসকলে ইংৰাজী কবিতাক চাকচিক্য আৰু চিত্ৰধৰ্মিতা প্ৰদান কৰে। ইংৰাজী কবিতা এতিয়া কল্পনাৰ বিচৰণক্ষেত্ৰ হৈ পৰিল।

ৰমন্যাসিক চেতনাৰ পুনৰুত্থানত পাৰ্চি আৰু মেকফাৰচনৰ বৰঙণি অলপ বহলভাৱে আলোচনা কৰা প্ৰয়োজন। টমাছ পাৰ্চি আছিল এজন বিচপ। তেওঁ ইংলণ্ড আৰু স্কটলেণ্ডৰ জনসাধাৰণৰ মাজত মুখে মুখে প্ৰচলিত প্ৰায় ১৮ টা মান ছন্দোবদ্ধ ৰোমাঞ্চ লোকগীত আৰু বেলাড সংগ্ৰহ কৰি সম্পাদনা কৰে। হেৰাই যাব ধৰা এই মধ্যযুগীয় বেলাডবোৰক উদ্ধাৰ কৰি পাঠকৰ গুচৰত উপস্থাপিত কৰিব পৰাটোৱেই হ'ল পাৰ্চিৰ সাহিত্যিক-জীৱনৰ ডাঙৰ অৱদান। তেওঁৰ সম্পাদিত Reliques of Ancient

English Po try (1765)-য়ে ইংৰাজ ৰমন্যাসিক কবিসকলক মধ্যযুগৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল। এই সংকলনটি প্ৰকাশ নহলে The Ancient Mariner The Lady of the Lake La Belle Dame Sans Merci আদি কবিতাবোৰ হয়তো লিখাই নহ'লহেঁতেন। আনকি Lyrical Ballads অবো প্ৰকৃতি বেলেগ হ'লহেঁতেন। স্কটৰ হয়তো কবিতা লিখাই নহ'লহেঁতেন। ওৱাৰ্ডছৱৰ্থ কোলেৰিজ কীট্‌ছ আদি কেবাজনো ৰোমাণ্টিক কবিয়ে এই বেলাডবোৰৰ মৰ্মবস্তুকেই এক নতুন ব্যঞ্জনাময় ৰূপ দিছে। পাৰ্চিয়ে অতীত আৰু মধ্যযুগৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি ৰোমাণ্টিক আন্দোলনৰ এজন অগ্ৰদূত বুলি আখ্যা পায়।

জেমছ মেকফাৰছন আছিল স্কটলেণ্ডৰ এজন স্কুল শিক্ষক। প্ৰাচীন মহাকাব্যৰ বীৰ বীৰাঙ্গনাৰ কাহিনী শুনাৰ প্ৰতি মানুহৰ যি নতুন ৰমন্যাসিক আগ্ৰহ জন্মিল তাকেই সন্তুষ্ট কৰাৰ কাৰণে আগবাঢ়ি আহিল মেকফাৰছন। ১৭৬ চনত তেওঁ Fragments of Ancient Poetry Collected in the Highlands প্ৰকাশ কৰে আৰু এইবোৰ তেওঁ প্ৰাচীন গেলিক ভাষাৰ পাণ্ডুলিপিৰ পৰা অনুবাদ কৰা বুলি প্ৰচাৰ কৰে। ইয়াৰ সাফল্যৰ পাছত তেওঁ Fingal (1762) আৰু Temora (1763) নামৰ দুখন মহাকাব্য প্ৰকাশ কৰে আৰু এই দুখনক তেওঁ তৃতীয় শতাব্দীৰ কেণ্টিক কবি ওচিয়ানৰ ৰচনা বুলি কয়। তেওঁৰ মতে তেওঁ অনুবাদকহে। পাছত অৱশ্যে মেকফাৰচনৰ চতুৰালি ধৰা পৰিল। এই সকলো যে তেওঁৰ নিজৰ ৰচনা তাক সকলোৱে গম পালে। এইবোৰ যিয়েই নহওক তেওঁৰ তথাকথিত অনুবাদৰ সহায়ত জনসাধাৰণৰ দৃষ্টি অতীতৰ পিনে আকৃষ্ট কৰে। মেকফাৰচনৰ ৰচনাই কোলেৰিজ আৰু বায়ৰণক বিশেষভাৱে প্ৰভাৱান্বিত কৰে।

ৰমন্যাসিক চিন্তাধাৰাৰ আন এটি প্ৰধান বৈশিষ্ট্য হ'ল বিষাদৰ সুৰ (melan choly note) আৰু ইয়াক আমি প্ৰাক্ ৰোমাণ্টিক যুগৰ বহুতো কবিৰ ৰচনাত শুনিবলৈ পাওঁ। জোচেফ ওৱাৰ্টনে তেওঁৰ The Pleasures of Melancholy নামৰ কবিতাত ৰোমাণ্টিক বিষাদৰ স্বৰূপ বৰ্ণনা কৰিছে। কুপাৰৰ The Castway আৰু On the Receipt of My Mother s Picture নামৰ কবিতা দুটি কবিৰ বিষণ্ণ হৃদয়ৰ কৰুণ প্ৰতিচ্ছবি। গ্ৰে ৰ বিখ্যাত শোক কবিতা Elegy Written in a Country Churchyard টো হ'ল কাৰুণ্যৰ এক জলন্ত প্ৰতিচ্ছবি। এডৱাৰ্ড ইয়ঙৰ (Edward Young) The Complaint or Night Thoughts on Life Death and Immortality নামৰ গোটেই কবিতাটোতে বিষাদৰ সুৰ ধ্বনিত। ইয়াৰ উপৰি কলিন্সৰ কবিতাতো গভীৰ বিষাদৰ সুৰ শুনিবলৈ পোৱা যায়।

মানৱপ্ৰীতি ৰোমাণ্টিক ভাৱধাৰাৰ আন এক বৈশিষ্ট্য। এই ক্ষেত্ৰত আমি প্ৰাক্-ৰোমাণ্টিক কবিসকলৰ ভিতৰত ৰবাৰ্ট বাৰ্ণছৰ নাম প্ৰথমতে লব লাগিব। দৰিদ্ৰৰ সন্তান বাৰ্ণছৰ মানৱ প্ৰীতি আছিল প্ৰকৃতিগত আৰু সমাজত যিসকল উপেক্ষিত আৰু নিন্দিত তেওঁলোকো কবিৰ সহানুভূতিৰ পৰা বঞ্চিত হোৱা নাছিল। মানৱদৰদী বাৰ্ণছে আমেৰিকাৰ স্বাধীনতা সংগ্ৰাম আৰু ফৰাচী বিপ্লৱক আদৰণি জনাইছিল। এবাৰ এমাৰ্চনে (Emerson) মন্তব্য কৰিছিল যে স্বাধীনতাৰ ঘোষণাৰ বাণী আৰু মাছাইৰ স্বাধীনতাৰ সঙ্গীততকৈ বাৰ্ণছৰ সঙ্গীতত মানুহৰ স্বাধীনতাৰ সুৰ বেছি স্পষ্টভাৱে ধ্বনিত। হাডছনৰ মতে বাৰ্ণছ হ'ল "mouthpiece of the growing faith in Liberty Equality and Fraternity অৰ্থাৎ মুক্তি সমতা আৰু ভ্ৰাতৃত্বৰ মুখপাত্ৰ। বাৰ্ণছৰ ব্যঙ্গকবিতাবোৰতকৈ মানৱতাৰ সপক্ষে ৰচিত কবিতাবোৰ বেছি সুখপাঠ্য। A Man s a Man for A that নামৰ কবিতাটোত কবিৰ জীৱনৰ মূলমন্ত্ৰ "মানৱ প্ৰীতি ধ্বনিত হৈ উঠিছে। Jolly Beggars নামৰ কবিতাটোত বাৰ্ণছে দৰিদ্ৰ অধৰীবোৰৰ প্ৰতি গভীৰ সহানুভূতি প্ৰদৰ্শন কৰিছে। To a Louse নামৰ কবিতাটোত তেওঁ প্ৰচলিত সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। বাৰ্ণছৰ বাহিৰে আন কেইজনমান কবিৰ ৰচনাতো তেওঁলোকৰ মানৱ দৰদী অন্তৰৰ পৰিচয় পোৱা যায়। টমছনৰ The Seasons প্ৰকৃতি বিষয়ক কবিতা হলেও ইয়াত তেওঁৰ মানৱ প্ৰীতিও ফুটি উঠিছে। টমাছ গ্ৰে ৰ ওপৰত উল্লেখ কৰা বিখ্যাত শোক কবিতাটোতো সাধাৰণ মানুহৰ প্ৰতি সহানুভূতি অতি স্পষ্ট হৈ উঠিছে। মানৱ প্ৰীতি আৰু সকলো জীৱৰ প্ৰতি অনুকম্পাই কবি উইলিয়াম কুপাৰকো মহান কবি তুলিছে। তেওঁৰ The Task নামৰ কবিতাটোৱেই ইয়াৰ সাক্ষ্য। কুপাৰৰ মানৱ-প্ৰীতিয়ে গোটেই বিশ্ববাসীকে সামৰি লৈছে।

আমি আগতে উল্লেখ কৰিছো যে ৰমন্যাসিক চিন্তাধাৰা ইংৰাজ কবিসকলৰ নিজা বস্তু। এইটো ঠিক যে অষ্টাদশ শতাব্দীত ৰমন্যাসিক চিন্তাধাৰাৰ যি বিকাশ হয় তাত কোনো বিদেশী প্ৰভাৱ নাই। এই শতিকাৰ ৰোমাণ্টিক দৃষ্টিভঙ্গী আপোনা-আপুনি গঢ়ি উঠা। কিন্তু সত্যৰ খাতিৰত আমি কব লাগিব যে এই শতিকাৰো শেষৰ ফালে ফৰাচী আৰু জাৰ্মান প্ৰভাৱ লেখকসকলৰ ওপৰত পৰিবলৈ ধৰে। ফৰাচী বিদ্ৰোহৰ লগত ৰোমাণ্টিক কবিতাৰ সম্পৰ্ক সম্বন্ধে দুই এটি মন্তব্য আগত দিয়া হৈছে আৰু বিষয়টো ইয়াৰ পিছত বিস্তাৰিতভাৱে আলোচনা কৰা হ'ব। ইয়াত জাৰ্মান প্ৰভাৱ সম্পৰ্কেহে অলপ উল্লেখ কৰা হ'ব। অষ্টাদশ শতাব্দীত জাৰ্মেনীতো এটি ৰোমাণ্টিক আন্দোলনৰ সূত্ৰপাত হৈছিল। কিছু কিছু বিষয়ত ইংলণ্ডত হোৱা আন্দোলনৰ লগত

ইয়াৰ মিল আছিল। দুয়োখন দেশতে প্ৰতিক্ৰিয়াটো আৰম্ভ হৈছিল যুক্তিবাদী মনিষ ভাৱধাৰাৰ বিৰুদ্ধে। এই ভাবধাৰাৰ বিৰুদ্ধে বিশ্বাস প্ৰৱণতাৰ সৃষ্টি কৰিবলৈ যত্ন কৰা হ'ল যাতে মানুহৰ পৌৰাণিক কাহিনী সাধুকথা ঈশ্বৰ আত্মা ভূত প্ৰেত আদি অলৌকিক বিষয়বস্তুত বিশ্বাস জন্মে। দুয়োখন দেশতে এই নতুন আন্দোলনটো আছিল ফৰাচী দেশৰ ধ্ৰুৱবাদৰ পৰা একেবাৰেই বিচ্ছিন্ন। দুয়োখন দেশতে এই পুনৰুত্থানে উনৈশ শতিকাৰ আগতে পৰিপূৰ্ণতা লাভ কৰিব পৰা নাছিল। ইমানবোৰ মিল থাকিলেও দুয়োটা আন্দোলনৰ মাজত অমিল নথকাও নহয়। ইংলণ্ডত এই আন্দোলনৰ বাটকটীয়াসকল (একেনচাইড ওৱাৰ্টন পাৰ্চি আদি) প্ৰথম শ্ৰেণীৰ লেখক নাছিল। কিন্তু জাৰ্মেনীত এই আন্দোলনৰ গুৰি ধৰোতা সকল আছিল অতি উচ্চ মেধাসম্পন্ন লোক। ইয়াৰ ভিতৰত কেইজনমান হ'ল লেছিং (Lessing) হাৰ্ডাৰ (Herder) আৰু শীলাৰ (Schiller)। তদুপৰি জাৰ্মান আন্দোলনটোৰ গতি আছিল বেছি বেগী আৰু শক্তিশালী।

Man of feeling —ৰ লেখক হেনৰী মেকেঞ্জীয়ে ১৭৮৮ চনত এডিনবৰাৰ ৰয়েল চোচাইটিত (Royal Society) এটি গৱেষণা প্ৰবন্ধ পাঠ কৰি জাৰ্মান সাহিত্যৰ প্ৰতি ইংৰাজ পাঠকৰ আগ্ৰহ বঢ়াই তোলে। ইয়াৰ উপৰিও ১৭৯৬ চনত স্কটে জাৰ্মান কবি বাৰ্জাৰৰ দুটি কবিতা অনুবাদ কৰি প্ৰকাশ কৰে। ইয়াৰ ভিতৰত এটি আছিল Lenore নামৰ এটি বেলাড। ই তৎক্ষণাৎ জনপ্ৰিয় হৈ উঠে। ইয়াৰ বাহিৰেও নৰউইছৰ উইলিয়াম টেইলৰ (William Taylor) নামৰ লেখক এজনে Monthly Magazine আৰু Monthly Review আদি আলোচনীত জাৰ্মান সাহিত্যৰ অনুবাদ আৰু সমালোচনা প্ৰকাশ কৰি ইংৰাজ পাঠকক জাৰ্মান সাহিত্যৰ সোৱাদ দিয়ে। টেইলৰৰ কামৰ সঁহাৰিয়ে এনেকুৱা এটা অৱস্থা পাইছিল যে ১৭৯৯ চনত কবি চাউদীয়ে তেওঁলৈ লিখে— you have made me hunger and thurst after German poetry

স্কটেও জাৰ্মান সাহিত্যৰ বেলাড আৰু নাটকবোৰ অনুবাদ কৰাত লাগিল। স্কটৰ আন এটি প্ৰকাশন হ'ল গ্যেটেৰ goetz নামৰ ট্ৰেজেডিখনৰ অনুবাদ। শীলাৰৰ Die Rauber আৰু গ্যেটেৰ Goetz আদিৰ দৰে পুথিয়ে ওৱালপোল বেভক্লিফ আৰু লুইছ (Lewis) আদি ইংৰাজ লেখক সকলক মধ্যযুগৰ ছবি তেওঁলোকৰ ৰচনাত দাঙি ধৰিবলৈ উদগনি যোগায়। ১৭৯৭ চনৰ পৰা ১৮ ৪ চন মানলৈ লুইছে বহুতো জাৰ্মান নাটকৰ অনুবাদ কৰি অভিনয় কৰায়। কিন্তু অষ্টাদশ শতিকাৰ শেষৰ ফাললৈ জাৰ্মেনীৰ প্ৰভাৱ লাহে লাহে কমি যায়। কিন্তু কেইবছৰমান পিছত আকৌ ই শক্তিশালী হৈ উঠে আৰু কোলেৰিজৰ ৰচনাত মচিব নোৱাৰা চাপ পেলায়।

অষ্টাদশ শতিকাৰ ই বাজ ৰোমাণ্টিক কবি সকলৰ ক্ষেত্ৰত এটি মন কৰিবলগীয়া কথা হ'ল তেওঁলোকৰ কোনো পথ-প্ৰদৰ্শক বা বাটকটীয়া নাছিল। তেওঁলোকৰ আগত কোনো নিৰ্দিষ্ট পৰিকল্পনা বা কৰ্মসূচীও নাছিল। তেওঁলোকে কোনো কাব্য তত্ত্বত দাঙি ধৰা নাছিল নাইবা তেওঁলোকৰ কোনো বিষয়ত কোনো সমূহীয়া প্ৰচেষ্টাও নাছিল। এই কথাটো গ্ৰে কলিন্স কুপাৰ আদি সকলো কবিৰ ক্ষেত্ৰতে খাটে। তেওঁলোকে কাম কৰিছিল গাইগুটীয়াভাৱে। তেওঁলোকে সচেতন ভাৱে কোনো এটি আন্দোলন গঢ়ি তোলা নাছিল। তেওঁলোকৰ প্ৰচেষ্টা সমূহীয়া নোহোৱা কাৰণে ই কোনো আন্দোলন নাম নাপালে। তেওঁলোক যেন প্ৰাপ্য যশস্যাৰ পৰা বঞ্চিত হৈ গ'ল। যশস্যাৰ পৰা বঞ্চিত হ'লেও আমি স্বীকাৰ কৰিব লাগিব যে এইকেইজন কৰিয়েই ইংৰাজী কৰিতাক প্ৰৱাদৰ শৃঙ্খলৰ পৰা মুক্ত কৰে আৰু ৰমন্যাসিক কৰিতাৰ চল বোৱায়। কুপাৰে তেওঁৰ The Task নামৰ কৰিতাত, ক্ৰেবে তেওঁৰ The village নামৰ কৰিতাত আৰু বাৰ্ণছে তেওঁৰ কেইবাটাও কৰিতাত গাঁৱলীয়া জীৱনৰ চিত্ৰ দাঙি ধৰে দুখীয়া মানুহৰ সুখ দুখৰ চিত্ৰ দাঙি ধৰে আৰু এইবোৰেই কবি সকলৰ প্ৰিয় বিষয়বস্তু হৈ পৰে। কবিসকলৰ ভিতৰত বাৰ্ণছ আছিল স্কটলেণ্ডবাসী কুপাৰ আৰু ক্ৰেবে দিন কটাইছিল অতীতৰ পৰিবেশত (অষ্টাদশ শতিকা) নৱজীৱনৰ মধুৰতা তেওঁলোকে উপভোগ কৰিবলৈ নাপাইছিল। গতিকে ওৱাৰ্ডছ্ওৱাৰ্থৰ কৰিতাৰ আনন্দানুভূতি তেওঁলোকৰ কৰিতাত নাই। তেওঁলোকে প্ৰকাশভঙ্গীতো বিশেষ নতুনত্ব প্ৰদৰ্শন কৰিব নোৱাৰিছিল আনকি প্ৰকৃতি বিষয়ক কৰিতাবোৰতো। কুপাৰ পুৰণি ধৰ্মীয় ধ্যান ধাৰণাৰ পৰা মুক্ত হ'ব পৰা নাছিল। পুৰণি সামাজিক আচাৰ নীতিয়ে ক্ৰেবক বাৰুকৈয়ে অশান্তি দিছিল। মানৱ সমাজ সম্বন্ধে প্ৰাচীন ধ্যান ধাৰণাবোৰৰ পৰা তেওঁলোক মুক্ত হ'ব পৰা নাছিল।

এতিয়া প্ৰশ্ন হ'ল—অষ্টাদশ শতিকাৰ কবিসকলৰ সাফল্য কি বা কত? ইয়াৰ উত্তৰত আমি ক'ব লাগিব যে ধ্ৰুপদী পৰম্পৰা বাদ দি তেওঁলোকে অন্ততঃ এনেকুৱা এটি পৰিবেশৰ সৃষ্টি কৰিছিল য'ত মৌলিক সৃষ্টিধৰ্মী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হ'ব পাৰে।

ষষ্ঠ অধ্যায়

ৰোমাণ্টিক ভাৱধাৰাৰ উৎস

আমি আগতে উনুকিয়াই থৈছোঁ যে অষ্টাদশ শতাব্দীৰ ৰোমাণ্টিক কবিসকলৰ চিন্তাধাৰাত মহাদেশীয় প্ৰভাৱ বিশেষ নাই। তেওঁলোকৰ কবিতাৰ মাজেৰে প্ৰকাশ পোৱা ৰমন্যাসিক চিন্তাধাৰা তেওঁলোকৰ স্বকীয় ধ্যান-ধাৰণাৰেই ফল। কেৱল উইলিয়াম ব্লেইকৰ (William Blake) কবিতাত ৰুছোৰ প্ৰভাৱৰ কথা দুই চাৰিজন সমালোচকে আঙুলিয়াই দিছে। অষ্টাদশ শতিকাৰ ৰোমাণ্টিক কবিসকলৰ কবিতাৰ দাৰ্শনিক ভিত্তি আছিল একেবাৰে দুৰ্বল। তেওঁলোকৰ কোনো সুসংগত দৰ্শনো নাছিল যিয়ে হয়তো তেওঁলোকৰ নতুন কাব্যচিন্তাক কিবা বিশিষ্টতা প্ৰদান কৰিব পাৰিলেহেঁতেন। কিন্তু উনবিংশ শতিকাৰ কবিসকলৰ চিন্তাধাৰাত মহাদেশীয় প্ৰভাৱ সুস্পষ্ট। এই সময়ত কবিসকলৰ দাৰ্শনিক ভিত্তি সবল কৰে ফৰাচী আৰু ইংৰাজ চিন্তানায়কসকলে আৰু জাৰ্মান অতীন্দ্ৰিয়বাদীসকলে। সেই কাৰণে এটা কথা কোৱা হয় যে ৰমন্যাসবাদে ৰুছোৰ আত্মানুভূতিবাদত (Subjectivism) আৰম্ভ হৈ কাণ্ট আৰু হেগেলৰ অতীন্দ্ৰিয়বাদত বিকাশ লাভ কৰিছে। উনৈশ শতিকাৰ ৰোমাণ্টিক ভাৱধাৰাৰ উৎসক আমি তিনিটা ভাগত ভাগ কৰিব পাৰো। সেই কেইটা হ'ল— (১) ৰুছো গডউইন টমাছ পেইন আদি চিন্তানায়কসকলৰ প্ৰভাৱ (২) জাৰ্মান দাৰ্শনিকসকলৰ প্ৰভাৱ আৰু (৩) ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ।

(১) ইংৰাজ ৰমন্যাসিক কবি সাহিত্যিকসকলৰ ওপৰত ফৰাচী বিপ্লৱৰ দাৰ্শনিক সকলৰ ভিতৰত ৰুছোৰ ধ্যান ধাৰণাৰ প্ৰভাৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ। ৰুছো হ'ল অষ্টাদশ শতাব্দীৰ এজন বিখ্যাত ফৰাচী চিন্তানায়ক। চিন্তাজগতত তেওঁ আৰু তেওঁৰ সমসাময়িক কেইজনমান লেখকে যি চাঞ্চল্যৰ সৃষ্টি কৰিছিল সেয়ে পিছত গৈ ৰাজনৈতিক বিপ্লৱৰ আকাৰ ধাৰণ কৰে। সাহিত্যক্ষেত্ৰত ৰুছোৰ তিনিখন গ্ৰন্থ— Emile The Social Contract আৰু The Confessions বিশেষ গুৰুত্বপূৰ্ণ। The Confessions নামৰ পুথিখন তেওঁৰ ব্যক্তিনিষ্ঠ ধ্যান ধাৰণাৰ সুপ্ৰকাশ আৰু আন দুখন হ'ল চিৰাচৰিত সমাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা। Emile গ্ৰন্থত ৰুছোৱে তেওঁৰ শিক্ষানীতি ব্যাখ্যা কৰিছে। খ্ৰীষ্টধৰ্মৰ মতবাদ অস্বীকাৰ কৰি ৰুছোৱে এই গ্ৰন্থত উল্লেখ কৰিছে যে মানুহৰ সকলো অপকৰ্মৰ মূলতে হ'ল সমাজৰ কু-প্ৰভাৱ। তেওঁৰ বৌদ্ধিক স্থিতি (প্ৰকাশিত মত) হ'ল এই— Original impulses are good because they are natural Man have become evil because

they left uncontaminate nature, growing luxurious and artificial To escape from this state of sickness we must return to the mountains and meadows. In other words we are to destroy the social structure raised by man during centuries of human history and start afresh. Why do political institutions exist ? Merely to enable the rich man to rob the poor the tyrant to oppress the weak Force is mischievous There is no compulsion with anything but love There is no way of erecting a new social order save by the light of pure reason. (Compton Rickett)। অধ্যাপক বীৰেন বৰকটকীয়ে ইয়াৰ অনুবাদ কৰিছে এইদৰে— মানুহৰ মৌলিক অনুভূতিবিলাক ভাল কিয়নো এই বিলাক স্বাভাৱিক। মানুহ বিলাসী কৃত্ৰিম আৰু বেয়া হৈছে কিয়নো মানুহে প্ৰকৃতিৰ পৰিবেশ এৰি দিছে। এই ব্যাধিগ্ৰস্ত পৰিবেশৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে আমি পৰ্বতে-কন্দৰে যাব লাগিব। মুঠতে যুগে যুগে ইতিহাসে সৃষ্টি কৰা মানৱ সমাজৰ বুনিয়াদ ধ্বংস কৰিব লাগিব। ৰাজনৈতিক অনুষ্ঠানবোৰৰ অৱস্থিতি কিহৰ কাৰণে? কেৱল ধনী মানুহে নিছলাক সবলে দুৰ্বলীক অত্যাচাৰ কৰিবৰ কাৰণে। শক্তি হ'ল অনিষ্টকাৰী। প্ৰেমেৰে জয় কৰাৰ বাহিৰে কোনো ক্ষেত্ৰতেই বাধ্য বাধকতা নাই। নতুন সমাজ ব্যৱস্থা গঢ়ি তুলিবলৈ হলে শুদ্ধ বিচাৰ বুদ্ধি বা যুক্তিৰ আশ্ৰয় গ্ৰহণ কৰাৰ বাহিৰে আন কোনো উপায় নাই। ইয়াত মন কৰিবলগীয়া কথা এইটোই যে ৰুছোৱে কোনো কাব্যাদৰ্শক বিৰোধিতা কৰা নাই বিৰোধিতা কৰিছে প্ৰচলিত সমাজ ব্যৱস্থাকহে। এই কথাটোকে স্কট জেমছে তেওঁৰ The Making of Literature নামৰ আলোচনা গ্ৰন্থত উল্লেখ কৰিছে এইদৰে—"It is no literature which Roussean Challanges but society His life and writings were a protest not against classical literary standards but against classical stereotyped order of the world He demands not the freedom of the artist but the freedom of the man. অৰ্থাৎ ৰুছোৱে সাহিত্যক প্ৰত্যাহ্বান জনোৱা নাছিল—প্ৰত্যাহ্বান জনাইছিল সমাজখনকহে। তেওঁৰ জীৱন আৰু লেখনী ধ্ৰুপদী সাহিত্যৰ প্ৰতিবাদ নাছিল—প্ৰতিবাদ আছিল একেদৰে চলা পৃথিৱীৰ ব্যৱস্থাৰহে। তেওঁ শিল্পীৰ স্বাধীনতা বিচৰা নাছিল—স্বাধীনতা বিচাৰিছিল মানুহৰহে। (অনুবাদ বীৰেন বৰকটকী)। ৰুছোৰ সামাজিক চিন্তাধাৰাই বিভিন্ন ৰোমাণ্টিক কবি সাহিত্যিকৰ ৰচনাত ঠাই পাইছে। এই প্ৰসঙ্গত কম্পটন ৰিকেটে কোৱা কথা এবাৰ উল্লেখযোগ্য। তেওঁৰ মতে "Rousseau s sentimental

influence touched Blake Wordsworth and Coleridge his intellectual influence Godwin and through Godwin Shelley A lover of external nature and of simple ways of living these things found expression in the earlier poets The compelling value of love shown in the New Heloise is what Shelley reiterated with so much ecstatic eloquence ইয়াৰ অৰ্থ হ'ল—"ৰুছোৰ ভাৱপ্ৰৱণ প্ৰভাৱে স্পৰ্শ কৰে ব্লেইক ওৱাৰ্ডছ্‌ৱাৰ্থ আৰু কোলেৰিজক। তেওঁৰ বৌদ্ধিক প্ৰভাৱ পৰে গডউইনৰ ওপৰত আৰু গডউইনৰ জৰিয়তে শ্বেলীৰ ওপৰত। ৰুছোৰ প্ৰকৃতি প্ৰীতি আৰু সহজ সৰল জীৱনৰ প্ৰতি অনুৰাগৰ অভিব্যক্তি পোৱা যায় পূৰ্ববৰ্ত্তী কবিসকলৰ ৰচনাত। তেওঁৰ New Heloise নামৰ উপন্যাসখনত প্ৰেমৰ যি শক্তিৰ কথা উল্লেখ কৰা হৈছে শ্বেলীয়ে তেওঁৰ কবিতাত তাকেই উদাত্ত কণ্ঠে আৰু পৰমানন্দেৰে ঘোষণা কৰিছে।" ইয়াৰ বাহিৰেও ওৱাৰ্ডছ্‌ৱাৰ্থৰ There Years She grew in Sun and Shower আৰু Prelude কাব্যৰ কেইবাঠাইতো ৰুছোৰ শিক্ষাতত্ত্বই কাব্যৰূপ লাভ কৰিছে।

ৰোমাণ্টিক কবিসকলৰ ৰচনাত ৰুছোৰ চিন্তাধাৰাৰ আন কেইটিমান দিশো সহজে আমাৰ চকুত ধৰা দিছে। প্ৰথমতেই উল্লেখ কৰা হ'ল প্ৰকৃতি বন্দনাৰ। প্ৰকৃতিৰ প্ৰতি যি এক নতুন দৃষ্টিভঙ্গী ৰোমাণ্টিক কবিতাৰ অন্যতম বৈশিষ্ট্য বুলি পৰিগণিত সেয়া ৰুছোৰেই দান। ৰুছোৰেই প্ৰথমতে এই চিন্তাধাৰাৰ সূচনা কৰিছিল যে মানুহৰ অশান্ত মনে শান্তি পাব পাৰে কেৱল প্ৰকৃতিৰ বুকুতহে। তেওঁ প্ৰচাৰ কৰা প্ৰকৃতিৰ বুকুলৈ প্ৰত্যাবৰ্তন (Return to Nature) আদৰ্শ ওৱাৰ্ডছ্‌ৱাৰ্থ আৰু কোলেৰিজৰ কবিতাত প্ৰতিধ্বনিত হৈ ৰয়। ৰুছোৰ মতে মানুহে নীৰৱ প্ৰকৃতিৰ পৰা যি মহৎ শিক্ষা লাভ কৰিব পাৰে আন কোনো শিক্ষাদাতাৰ পৰা নোৱাৰে। এই বিশ্বাসৰ অভিব্যক্তি ঘটিছে ওৱাৰ্ডছ্‌ৱাৰ্থৰ Education of Nature নামৰ কবিতাটোত।

অষ্টাদশ শতিকাৰ কাব্যৰ উপজীব্য স্বৰূপ সভ্যতাৰ বিৰুদ্ধে ৰমন্যাসবাদৰ যি অনীহা তাৰো উৎস ৰুছোৰ চিন্তাধাৰায়েই বুলি ক'ব পাৰি। তেওঁ তেওঁৰ এমিলি নামৰ কিতাপখনৰ এঠাইত লিখিছে যে সভ্যতা সকলো ধৰণৰ অনৰ্থৰ মূল। জন্মৰ পৰা মৃত্যুলৈকে সভ্য মানুহ পৰাধীন। জন্মৰ লগে লগে সি কানি কাপোৰৰ সঁজাত সোমাই পৰে আৰু মৃত্যুৰ পিছতেই তাক কফিনত বন্দী কৰি পেলোৱা হয়। তথা-কথিত সভ্য জগতৰ মানুহ এজনে আপজনৰ কাৰণে একো নকৰে। ওৱাৰ্ডছ্‌ৱাৰ্থে যেতিয়া তেওঁৰ Written in Early Spring নামৰ কবিতাটোৰ

এটাইত প্ৰশ্ন কৰে "What man has made of man ? বুলি, তেতিয়া ইয়াত আমি ৰুছোৰ কণ্ঠস্বৰকেই শুনিবলৈ পাওঁ।

শিশুৰ দেৱত্ব আৰু পৱিত্ৰতা সম্পৰ্কে যি দৃঢ় বিশ্বাস ৰোমাণ্টিক কবিতাত ফুটি উঠিছে তাৰো মূল ৰুছোৰ চিন্তাধাৰাই। ৰুছোই তেওঁৰ এমিলি গ্ৰন্থৰ আৰম্ভণিতে লিখিছে "ঈশ্বৰৰ ওচৰৰ পৰা আঁতৰি আহিবৰ সময়ত সকলোখিনিয়েই থাকে। মানুহৰ ওচৰ চাপি অহাৰ পিছতহে লাহে লাহে আটাইখিনি নোহোৱা হৈ আহে।" এই ভাবৰ প্ৰধান সাধক হ'ল ওৱাৰ্ডছৱৰ্থ আৰু ব্লেইক হ'ল তেওঁৰ অব্যৱহিত পূৰ্বসূৰী। অৱশ্যে সপ্তদশ শতিকাৰ ভনৰ (Vaughan) কবিতাতো শৈশৱ স্মৃতি আৰু শৈশৱৰ মাহাত্ম্যৰ উল্লেখ আছে। তথাপি এই ভাৱধাৰাৰ সুন্দৰতম কাব্যিক অভিব্যক্তি হিচাপে আমি ওৱাৰ্ডছৱৰ্থৰ Immortality Ode উল্লেখ কৰিবই লাগিব। আন আন কেইজনমান কবিৰ ৰচনাতো এই ভাৱৰ চিটিকনি আছে। চমুকৈ কবলৈ হ'লে ৰোমাণ্টিক কবিতাৰ ভাৱগত দিশটোত ৰুছোৰ ধ্যান-ধাৰণাৰ প্ৰভাৱ আটাইতকৈ বেছি। ৰুছোৰ প্ৰভাৱ অবিহনে হয়তো ৰমন্যাসবাদৰ স্বৰূপেই বেলেগ হ'লহেঁতেন।

ৰমন্যাসিক চিন্তাধাৰাৰ ওপৰত প্ৰভাৱ পেলোৱা আন এগৰাকী চিন্তাবিদ হ'ল উইলিয়াম গডউইন (William Godwin)। ৰোমাণ্টিক কবিসকলৰ ৰাজনৈতিক চিন্তাধাৰাক এটা ৰূপ দিয়াত গডউইনে যথেষ্ট ৰৰঙণি যোগায় তেওঁৰ বিখ্যাত গ্ৰন্থখনৰ নাম হ'ল Enquiry Concerning Political Justice যাক চমুকৈ Political Justice বুলি জনা যায়। এই পুথিখনত পৰোৎকৰ্ষবাদৰ (Perfectibility of man) ওপৰত জোৰ দিয়া হৈছে। এই মত অনুসাৰে পাপ মানুহৰ চৰিত্ৰগত নহয় আৰু সেই কাৰণে ইয়াক সহজে বৰ্জন কৰিব পাৰি। গডউইনে বিশ্বাস কৰিছিল যে মানুহে নিজৰ বিচাৰ বুদ্ধি অনুসৰি কাম কৰে আৰু বিচাৰ বুদ্ধি থকা প্ৰাণীয়ে কোনো অনুষ্ঠান নাইবা আইন কানুনৰ সহায় নোহোৱাকৈয়ে আনৰ লগত মিলিজুলি বাস কৰিব পাৰে। গডউইনৰ এই পুথিখনে ইংৰাজী সাহিত্যৰ প্ৰায় যুগ এটাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু ৰোমাণ্টিক কবিসকলৰ দুয়োটা চামৰ কবিয়েই ইয়াৰ ভাৱধাৰা গ্ৰহণ কৰে। গডউইনৰ প্ৰভাৱ কবিতা আৰু উপন্যাসত সমানে পৰে। ওৱাৰ্ডছৱৰ্থ গডউইনৰ প্ৰভাৱৰ পৰা শেষলৈ মুক্ত হ'লেও শ্বেলী কোনো দিনে মুক্ত হব নোৱাৰিলে। শ্বেলীয়ে মুক্তকণ্ঠে স্বীকাৰ কৰিছিল যে গডউইনৰ পৰা তেওঁ শিকিলে all that was valuable in knowledge and virtue অৱশ্যে এই কথা ঠিক যে গডউইনে তেওঁৰ ভাৱধাৰা গ্ৰহণ কৰিছিল আনৰ পৰা বিশেষকৈ ৰুছোৰ পৰা। এই ক্ষেত্ৰত আটাইতকৈ শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছিল ৰুছোই।

কৰো আৰু গডউইনৰ বাহিৰেও আমি এই প্ৰসঙ্গত আন দুজন লেখকৰ নাম উল্লেখ কৰা প্ৰয়োজন। ইয়াৰে এজন হ'ল টমাছ পেইন (Thomas Paine) আৰু আনজন হ'ল আদাম স্মিথ (Adam Smith)। ৰাজনীতিজ্ঞ হিচাপে টমাছ পেইন আছিল চৰমপন্থী আৰু বৈৰতন্ত্ৰ বিৰোধী। তেওঁ আছিল ফৰাচী বিদ্ৰোহৰ ঘোৰ সমৰ্থক। বাৰ্কৰ (Burke) Reflections on the Revolution in France নামৰ পুথিৰ প্ৰত্যুত্তৰ হিচাপেই পেইনে ৰচনা কৰে দুই খণ্ডত তেওঁৰ Rights of man এই পুথিখন আছিল "like one of Burn s lyric outcries against institutions which oppressed humanity আৰু ইয়াৰ প্ৰভাৱ সম্বন্ধে কোৱা হৈছে যে "it added fuel to the flames kindled in England by the France Revolution." আদাম স্মিথ আছিল এজন বিখ্যাত অৰ্থনীতিবিদ। বিখ্যাত গ্ৰন্থ The Weatlh of Nations অত তেওঁ দাঙি ধৰে যে কোনো এটা জাতিৰ সম্পদৰ মূল উৎস হ'ল শ্ৰমিকশ্ৰেণী। এই শ্ৰেণীটোক নিজাকৈ কেঁচামাল যোগাৰ কৰি শিল্প-উদ্যোগ গঢ়ি তোলাত বাধা প্ৰদান কৰাটো তেওঁৰ মতে অন্যায় আৰু ধ্বংসমুখী। সাহিত্যৰ জগত পোনপটীয়া সম্বন্ধ নথকা এনেকুৱা ধৰণৰ বহুতো লিখনীয়েও ৰমন্যাসিক চিন্তা ধাৰাৰ বিকাশত অৱদান আগবঢ়ায়।

(২) ৰোমাণ্টিক চিন্তা চৰ্চাৰ বিকাশত জাৰ্মান সকলৰ অৱদানৰ বিষয়ে চমু আভাস এটি দিবলৈ এতিয়া যত্ন কৰা হ'ব। অষ্টাদশ শতিকাৰ শেষৰ কেইটামান বছৰত জাৰ্মান সাহিত্যৰ প্ৰভাৱ ইংৰাজী সাহিত্যৰ ওপৰত পৰিবলৈ ধৰে। ইতিমধ্যে এডিচন পোপ আৰু জনচনৰ যুগৰ সাহিত্যিক ধ্যান ধাৰণাৰ বিৰুদ্ধে এটি পৰিৱৰ্তনৰ সোঁত বৈছিলেই। জাৰ্মান প্ৰভাৱে এই পৰিৱৰ্তনকাৰী সোঁতক বেছি কোবাল কৰি তোলে। এই সময়ত জাৰ্মানীতো সাহিত্য জগতৰ পৰিবেশ ইংলণ্ডৰ দৰেই আছিল। যি ফৰাচী ধ্ৰুপদী আদৰ্শই সপ্তদশ শতিকাৰ পৰাই ইংৰাজী সাহিত্যত প্ৰভাৱ বিস্তাৰ কৰিছিল সেই একে আদৰ্শই জাৰ্মান সাহিত্যত ইয়াৰ খোপনি বেছি দৃঢ় কৰিহে তুলিছিল। ফৰাচী সাহিত্যৰ এই প্ৰাধান্যক কিন্তু বহুত জাৰ্মান লেখকে অন্তৰেৰে গ্ৰহণ কৰিব নোৱাৰিলে। জোহান জেকব বোদমাৰ (Johann Jacob Bodmer) আৰু তেওঁৰে অনুগামী হেনৰিক মাইলাৰে (Heinrich Myller) ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা কৰিলে। তেওঁলোকৰ জাতীয় সাহিত্যক এটি নতুন ৰূপ দিবলৈ নৱ চেতনাৰে উদ্বুদ্ধ হোৱাৰ কাৰণে দেশবাসীক তেওঁলোকে আহ্বান জনালে। সাহিত্য সৃষ্টিত কল্পনাৰ স্ফুৰণ প্ৰকাশভঙ্গীৰ স্বতঃস্ফূৰ্ততা আৰু আন কিছুমান স্বাধীনতাৰ দিশত তেওঁলোকৰ ভাব চিন্তা নিমজ্জিত হ'ল। এওঁলোকৰ অনুগামীসকলৰ সাহিত্য কৃতি আমাৰ

আলোচনাৰ বস্তু নহয় কাৰণ ই হ'ল জাৰ্মান সাহিত্যৰ আলোচনাৰ ভিতৰুৱা। কিন্তু মধ্যযুগীয় বিষয়বস্তুৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ লক্ষণীয় হৈ পৰিল কাৰণ ই ইংৰাজ ৰসজ্ঞ সমালোচকসকলৰ চেতনাত উদয় হৈছিল। ইয়াৰ বাহিৰে চেক্সপীয়াৰৰ নাটকৰ প্ৰতিও তেওঁলোক আগ্ৰহান্বিত হৈ পৰিল। চেক্সপীয়াৰৰ নাটকবোৰৰ অনুবাদ আৰু অভিনয় হ'বলৈ ধৰে। উইলেণ্ড (Wieland) নামে অনুবাদক এজনে চেক্সপীয়াৰৰ নাটকৰ প্ৰতি গ্যেটেৰ আগ্ৰহ জগাই তোলে। হাৰ্ডাৰ (Herder) নামে আন এজন লেখকে মধ্যযুগীয় লোকগীতি-বোৰ জনপ্ৰিয় কৰি তোলে। লেছিঙে (Lessing) তেওঁৰ আলোচনাৰ জৰিয়তে প্ৰমাণ কৰিবলৈ যত্ন কৰিলে যে গ্ৰীক ট্ৰেজেডিৰ ফৰাচী ধ্ৰুপদী লেখক সকলৰ লগত সামঞ্জস্য যিমান তাতোকৈ বহুত বেছি হ'ল চেক্সপীয়াৰৰ লগত। মুঠতে ইংৰাজী সাহিত্যৰ দৰে জাৰ্মান সাহিত্যতো এই ৰোমাণ্টিক আন্দোলনটো হ'ল পুৰণি কাব্যাদৰ্শৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া। এই প্ৰতিক্ৰিয়া ইংলণ্ডত হোৱা প্ৰতিক্ৰিয়াতকৈ বেছি শক্তিশালী। জাৰ্মান ৰোমাণ্টিক সাহিত্যৰ মধ্যযুগ প্ৰীতিয়ে অলৌকিকতা আৰু পৌৰাণিক কাহিনীতহে বেছি জোৰ দিলে। সাহিত্যত কাল্পনিকতাই এক উদ্ভট ৰূপ ললে যাৰ তুলনা ইংলণ্ডত পাবলৈ নাই। ইংলণ্ডত ৰোমাণ্টিক আন্দোলনৰ গতি আছিল অতি মন্থৰ এই আন্দোলনৰ বাটকটীয়া সকলৰ ৰচনাৰ পৰা ধ্ৰুপদী বৈশিষ্ট্য একেবাৰে বাদ পৰা নাছিল আৰু আনকি প্ৰখ্যাত ৰোমাণ্টিক লেখকসকলেও ড্ৰাইডেন আৰু পোপৰ প্ৰভাৱৰ সাঁচ মচিব পৰা নাছিল।

জাৰ্মেনীত ধ্ৰুপদী গোষ্ঠীৰ পৰা বিখ্যাত লেখক সৃষ্টি হোৱা নাছিল। সেই কাৰণে ৰোমাণ্টিক আন্দোলন আগবাঢ়ি গৈছিল অতি তীব্ৰবেগত আপোচৰ কোনো কথা নাই। ৰোমাণ্টিক আন্দোলনৰ লগত একে সময়ত জাৰ্মেনীত জাতীয় আত্ম সচেতনতা জাগি উঠে। গতিকে ইংৰাজী সাহিত্যৰ ওপৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা গুৰুত্ব এই আন্দোলনটোৱে পোৱাটো স্বাভাৱিক। এই আন্দোলনটোৰ আন এটা কৃতিত্ব হ'ল গ্যেটে শ্লিগেল ভ্ৰাতৃদ্বয় নোভেলিছ (Novalis) আদি প্ৰখ্যাত লেখক সকলক নৱজাগ্ৰত ধ্যান ধাৰণাৰ প্ৰৱক্তা হিচাপে পোৱাটো।

জাৰ্মান ৰোমাণ্টিক আন্দোলনে ইংলণ্ডক স্পৰ্শ কৰাৰ আন কেইটামান কাৰণো উল্লেখযোগ্য। ভাৱপ্ৰৱণ লেখক হেনৰী মেকেঞ্জীয়ে ১৭৮৮ চনত এডিনবৰাৰ ৰয়েল চোচাইটিৰ এখন সভাত এটি গৱেষণা প্ৰবন্ধ পাঠ কৰে আৰু ইয়াৰ জৰিয়তে এডিনবৰাৰ বিদ্বৎসমাজক জাৰ্মান ৰোমাণ্টিক সাহিত্যৰ প্ৰতি আগ্ৰাহান্বিত কৰি তোলে। তেওঁলোকে দেখিলে যে যি ভাৱধাৰাই জাৰ্মেনীত ৰোমাণ্টিক সাহিত্যৰ সৃষ্টি কৰিলে, সেই একে ধৰণৰে চিন্তা চৰ্চা ইংৰাজ লেখকসকলৰ মাজতো বিৰাজমান।

তেওঁলোকে দেখি আনন্দ পালে যে মিল্টন বা চেক্সপীয়াৰৰ প্ৰতি তেওঁলোকৰ যিমান আগ্ৰহ জাৰ্মানসকলৰে সিমানেই আগ্ৰহ। তেওঁলোকে দেখিলে যে জাৰ্মান নাটকৰ পৰাও ধ্ৰুপদী ৰীতি-নীতি আঁতৰাই পেলোৱা হৈছে বৰ্ণনামূলক কবিতা, বেলাড আদিও কাল্পনিকতা অলৌকিকতা আদি ৰোমাণ্টিক বৈশিষ্ট্যযুক্ত। গতিকে ইংৰাজ লেখক আৰু পাঠকবোৰ এই সাহিত্যৰ প্ৰতি লাহে লাহে আগ্ৰহ বাঢ়ি আহিবলৈ ধৰিলে।

জাৰ্মান ৰোমাণ্টিক সাহিত্য ইংলণ্ডত জনপ্ৰিয় কৰি তোলাত উইলিয়াম টেইলৰৰ (William Taylor) ৰৰঙণি আটাইতকৈ বেছি বুলি আগতে উল্লেখ কৰা হৈছে। টেইলৰে জাৰ্মান কবি বাৰ্জাৰৰ কেতবোৰ কবিতা ইংৰাজীলৈ অনুবাদ কৰে। ঔপন্যাসিক স্কটে এই অনুবাদ পঢ়িবলৈ পাই মুগ্ধ হয় আৰু নিজেও Lenore নামৰ বেলাড এটি অনুবাদ কৰে। স্কটৰ বাহিৰে আন কেইজনমানেও এই কবিতাটোৰ অনুবাদ কৰে। এই বেলাডটো অলৌকিক উপাদানেৰে পাঠকৰ কাৰণে সম্মোহনীয়। টেইলৰ হ'ল জাৰ্মান ৰমন্যাসবাদ আৰু ইংৰাজ ৰমন্যাসবাদৰ মাজৰ সংযোগ সেতু। অনুবাদ আৰু সমালোচনাৰ জৰিয়তে তেওঁ জাৰ্মান সাহিত্যৰ ইংলণ্ডত প্ৰচাৰ সফল কৰি তোলে। জাৰ্মেনীত থাকোতে তেওঁ গ্যেটেৰ লগত পৰিচয় হয় আৰু তেওঁৰ Iphigenie auf Tauris নামৰ নাটকখনৰ অনুবাদ কৰে। সমালোচক হিচাপে যিমান সফল নহ'লেও অনুবাদক হিচাপে টেইলৰৰ দক্ষতা অনস্বীকাৰ্য্য। তেওঁৰ অনুবাদত মুগ্ধ হৈয়েই কবি চাউদীয়ে লিখিছিল "You have made me hunger and thirst after German Poetry

জাৰ্মান ৰোমাণ্টিক সাহিত্যৰ এটি চকুত লগা দিশ হ'ল গদ্য আৰু পদ্যত ৰচিত অনেক কাল্পনিক কাহিনী। এই কাহিনীবোৰৰ এটা প্ৰধান উপাদান হ'ল যাদুবিদ্যা বা তন্ত্ৰ মন্ত্ৰ আদিৰ উপস্থাপন। ভয়ানক ৰসৰ উপাস্থাপনত জাৰ্মান ঔপন্যাসিকসকলে ইংৰাজ সকলোতকৈ বেছি দক্ষতা দেখুৱাব পাৰিছিল। গথিক উপন্যাস ৰচনাৰ ক্ষেত্ৰত হোৰেছ ওৱালপোল (Horace Walpale) জাৰ্মান লেখক সকলৰ ওচৰত ঋণী নহ'লেও শ্ৰীমতী ৰেডক্লিফ মঙ্ক লুইছ বেকফোৰ্ড আদি আন কেইজনমানে তেওঁলোকৰ পৰা আদৰ্শ গ্ৰহণ কৰিছিল। সেইদৰে স্কটৰ Lay of the Last Minstrel আৰু Marmion আদি কবিতাবোৰ গ্যেটেৰ নাটক Goetz অৰ প্ৰভাৱৰ পৰা মুক্ত নহয় গ্যেটেৰ প্ৰভাৱ আন দিশতো লক্ষ্য কৰিব পাৰি। তেওঁৰ Sorrows of werther নামৰ পত্ৰোপন্যাস খনে বায়ৰণৰ ৰচনাক প্ৰভাৱিত কৰে। শীলাৰৰ নাটকত ঠাই পোৱা অলৌকিকতাই কোলেৰিজৰ কবিতাত গাঁঠ বান্ধিছে।

ওপৰত উল্লেখ কৰা জাৰ্মান কবি-সাহিত্যিক সকলৰ বাহিৰেও কেইজনমান অতীন্দ্ৰিয়বাদী দাৰ্শনিকে ইংৰাজ ৰমন্যাসিক কবিসকলৰ ওপৰত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰে। ৰোমাণ্টিক কবিতাৰ বৌদ্ধিক দিশটোৰ পৰিপুষ্টি সাধন কৰাত এই দাৰ্শনিক কেইজনৰ অৱদান অপৰিসীম। ফিখ্‌টে (Fichte) আৰু শেলিঙৰ (Schelling) কিছুমান ধ্যান ধাৰণাই ৰোমাণ্টিক কবিসকলৰ জীৱন-সম্পৰ্কীয় দৃষ্টি ভঙ্গীৰ ওপৰত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। ফিখ্‌টে আছিল কাণ্টৰ (Kaunt) শিষ্য আৰু তেওঁৰ দাৰ্শনিক মতবাদ তুৰীয় আদৰ্শবাদ বা অতীন্দ্ৰিয় আদৰ্শবাদৰ (transcendental idealism) প্ৰৱক্তা। পিছলৈ অৱশ্যে তেওঁ এই মতবাদৰ পৰা আঁতৰি পৰে। ফিখ্‌টেৰ দাৰ্শনিক চিন্তাধাৰাক নৈতিক আদৰ্শবাদ (ethical idealism) বুলি জনা যায়। তেওঁৰ মতে knowledge is not merely knowledge of itself but of being and of the One Being God that really is পৰমাত্মাৰ স্বৰূপ সম্বন্ধে ফিখ্‌টে এঠাইত আৱেগিক ভাষাত এইদৰে বৰ্ণনা কৰিছে— চিন্তাৰে তোমাৰ ধাৰণা কৰিব নোৱাৰি। মোৰ আত্মাক মই তোমাৰ ওচৰলৈ লৈ যাব পাৰোঁ। কাৰণ মই আৰু তুমি অভিন্ন। তোমাৰ কণ্ঠস্বৰ মোৰ কণ্ঠত ধ্বনিত হয় আৰু মোৰ কণ্ঠস্বৰ তোমাৰ কণ্ঠত। যি জগতত মোৰ বাস সেই জগত আৰু মই আমি উভয়েই তোমাৰ মাজতেই বুৰ গৈ আছোঁ। সেই চেতনাই মোৰ অস্তিত্বৰ সকলো ৰহস্য মোৰ দৃষ্টিৰ সন্মুখত মুকলি কৰি ধৰে লগে লগে মোৰ অন্তৰ পৰিপূৰ্ণ শান্তিৰে উপচি উঠে। (অনুবাদ অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা)। এয়েই হ'ল জাৰ্মান দাৰ্শনিক সকলৰ সৰ্বেশ্বৰবাদৰ (Pantheism) মূলতত্ত্ব। ওৱাৰ্ডছৱাৰ্থৰ Glntern Abbey আৰু শ্বেলীৰ Adonais অৰ দৰে বিখ্যাত কবিতা দুটাত সৰ্বেশ্বৰবাদী দৰ্শনৰ যি গভীৰ স্বাক্ষৰ বিচাৰি পোৱা যায় সেয়া জাৰ্মান দৰ্শনৰে মনোৰম কাব্যিক অভিব্যক্তি। শেলিঙৰ দৰ্শনো একপ্ৰকাৰ সৰ্বেশ্বৰবাদী দৰ্শন। ইয়াত গোটেই বিশ্বব্ৰহ্মাণ্ডখনকেই এটা বৃহৎ সজীৱ বস্তু বুলি ধাৰণা কৰা হৈছে। পৰম শক্তিয়ে পৰিপাটীপূৰ্ণ এখন ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰি তেওঁৰ নিজৰ উদ্দেশ্য উপলব্ধি কৰিছে। ব্ৰহ্মাণ্ডৰ সকলোবোৰ অংশই সমগ্ৰ সৃষ্টিটোৰ উদ্দেশ্য সাধনৰ অংশীদাৰ। কৰ্তা আৰু কৰ্ম বস্তু আৰু ৰূপ আদৰ্শ আৰু বাস্তৱতা এইবোৰৰ কোনোটোকে আনটোৰ পৰা আঁতৰাব নোৱাৰি। শেলিঙে ব্যক্তিবাদৰ (individualism) ওপৰতো গুৰুত্ব দিয়া দেখা গৈছে।

ইংৰাজ ৰোমাণ্টিক কবিসকলৰ ওপৰত কাণ্টৰ জ্ঞানতত্ত্ব আৰু হেগেলৰ পৰাতত্ত্বৰ প্ৰভাৱ সহজে অনুমান কৰিব পাৰি। কাণ্টৰ মতে ইন্দ্ৰিয়গ্ৰাহ্য জ্ঞানৰ সহায়েৰে পৰম

সত্তাৰ বিষয়ে জ্ঞানলাভ কৰা অসম্ভব। পৰম সত্তা হ'ল অজ্ঞাত আৰু অজ্ঞেয় আৰু ইয়াৰ মুখামুখি হ'ব পাৰি যাথোন প্ৰজ্ঞাদৃষ্টিৰ যোহৰত। শেলিঙৰ মতে কাণ্টো আছিল ব্যক্তিবাদৰ বিশেষ পৃষ্ঠপোষক। বমন্যাসিক সাহিত্যিক সকলে ব্যক্তিবাদৰ অনুপ্ৰেৰণা পাইছিল কাণ্টৰ মতবাদৰপৰা। হেগেলৰ মতে বস্তুজগত চিন্তাজগতৰে আলোকিত ৰূপ মাত্ৰ। সসীমৰ সৃষ্টি অসীমৰ পৰাই হৈছে। অসীমৰ বুকুতেই বৈ গৈছে। ওৱাৰ্ডছ্ওৱাৰ্থ আৰু শ্বেলীৰ প্ৰখ্যাত কবিতাকেইটাত এইবোৰ ধ্যান ধাৰণাৰে অতি সুন্দৰ কাব্যিক অভিব্যক্তি পোৱা যায়। ওৱাৰ্ডছ্ওৱাৰ্থ শ্বেলী আৰু কীট্‌ছে বিশ্বাস কৰিছিল যে জন্ম আৰু মৰণৰ সীমাৰে ঘেৰা এই জীৱন মহাজীৱনৰে সাময়িক নিদ্ৰা। মৃত্যু সেই নিদ্ৰাৰে জাগৰণ। এই কেইজন কবিৰ বহুতো কবিতাত জীৱনৰ ৰহস্যভেদৰ যি অদম্য প্ৰচেষ্টা লক্ষ্য কৰা যায় সেই হ'ল কাণ্ট আৰু হেগেলৰ অতীন্দ্ৰিয়বাদী দৰ্শনৰে প্ৰভাৱ। অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰাৰ মতে বমন্যাসিক কাব্যৰ ঘাই গুণ দুটা। ইয়াৰ এটা হ'ল সুন্দৰৰ প্ৰতি গভীৰ অনুৰাগ আৰু আনটো হ'ল জীৱন-ৰহস্যৰ আৱৰণ গুচাই চোৱাৰ হেপাহ। ইয়াৰ প্ৰথমটো ফৰাচী চিন্তাৰ প্ৰভাৱপুষ্ট আৰু আনটো জাৰ্মান চিন্তাৰ দান। জাৰ্মান চিন্তাধাৰাৰ তিনিটা দিশ আমাৰ চকুত পৰে। ইয়াৰ প্ৰথমটো হ'ল মানৱজীৱন আৰু প্ৰকৃতিজগতৰ মাজত এক মহাশক্তিৰ বিৰাজমানতা দ্বিতীয়টো হ'ল মানুহ আৰু প্ৰকৃতিৰ মাজত আত্মিক সম্বন্ধ স্থাপনৰ ধাৰণা আৰু তৃতীয়টো হ'ল মানুহ প্ৰকৃতি আৰু ঈশ্বৰৰ মাজত একাত্মবোধৰ মানসিক উপলব্ধি। এই দাৰ্শনিক দৃষ্টিভঙ্গীৰ পটভূমিতে আৱিষ্কৃত হৈছে ওৱাৰ্ডছ্ওৱাৰ্থে দাঙি ধৰা প্ৰকৃতি জগতৰ আধ্যাত্মিক ব্যাখ্যা শ্বেলীৰ সৰ্বেশ্বৰবাদ আৰু কোলেৰিজৰ কল্পনাতত্ত্বৰ উৎস।

(৩) ফৰাচী সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ সূচনা হয় ফৰাচী বিদ্ৰোহৰ পিছত। এই আন্দোলন জাৰ্মেনী বা ইংলণ্ডৰ ৰোমাণ্টিক আন্দোলনৰ পৰৱৰ্তী। স্কট বায়ৰণ আৰু গ্যেটৰ ওচৰত ফৰাচী ৰোমাণ্টিক লেখকসকল কিছুপৰিমাণে ঋণী কিন্তু ইয়াৰ বিপৰীতে তেওঁলোকৰ প্ৰভাৱ ইংৰাজী বা জাৰ্মান সাহিত্যৰ ওপৰত কম। অৱশ্যে ভিক্টোৰীয় যুগত চুইনবাৰ্ণকে ধৰি কেইজনমান লেখকৰ ওপৰত ফৰাচী প্ৰভাৱ কিছু নপৰা নহয়। কিন্তু ১৭৮৯ চনত হোৱা ফৰাচী বিপ্লৱে ইংৰাজী ৰোমাণ্টিক সাহিত্যক ভালকৈয়ে এটি জোকাৰণি দি যায়। পৃথিৱী বিখ্যাত এই সামাজিক আৰু ৰাজনৈতিক বিপ্লৱটোৰ অগ্ৰগতিত আমি তিনিটা পৰ্য্যায় (phase) লক্ষ্য কৰো আৰু এই তিনিওটা পৰ্য্যায়ৰেই প্ৰভাৱ ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ ওপৰত পোনপটীয়াকৈ পৰে। এই পৰ্য্যায় কেইটা হ'ল (১) তত্ত্বগত পৰ্য্যায় (The Doctrinaire Phase)। এই পৰ্য্যায়ক কছোৰ কাল বুলি কোৱা হৈছে। ইয়াৰ পিছত হ'ল (২) ৰাজনৈতিক

পর্য্যায় (The Political Phase)। এই পৰ্য্যায়ক ৰোবেছপীয়েৰ আৰু ডেণ্টনৰ কাল বুলি কোৱা হৈছে। তৃতীয় পর্য্যায় হ'ল (৩) সামৰিক পৰ্য্যায় (The Military Phase)। এই খিনিয়েই হ'ল নেপোলিয়নৰ কাল।

দাৰ্শনিক ৰুছোৰ চিন্তাধাৰাই ১৭৮৯ চনত আৰম্ভ হোৱা ফৰাচী বিপ্লৱৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। ৰুছোৱে তেওঁৰ লিখনিৰ জৰিয়তে প্ৰচাৰ কৰিছিল যে মানুহ মুক্ত হৈয়েই জন্মে কিন্তু পিছত শিকলিৰ বান্ধ খায়। তেওঁৰ মতে মানুহৰ দুৰ্দশাৰ মূলতে হ'ল চৰকাৰ সমাজ আৰু কু সংস্কাৰেৰে ভৰা অনুষ্ঠানবোৰ। ৰুছোৰ এই চিন্তাধাৰাই মানুহক সচেতন কৰি তোলে আৰু বিপ্লৱৰ কাৰণে মানসিকভাৱে প্ৰস্তুত কৰি তোলে। সাহিত্যৰ দিশৰ পৰা বিচাৰ কৰি চালে আমি দেখো যে ৰুছোৰ বৌদ্ধিক প্ৰভাৱ পৰে গড উইনৰ ওপৰত আৰু গড উইনৰ জৰিয়তে শ্যেলীৰ ওপৰত। ফৰাচী বিপ্লৱৰ বৌদ্ধিক দিশটোৰ প্ৰভাৱ বায়ৰণৰ ওপৰত একো নপৰিল। ইয়াৰ শেষৰ পৰ্য্যায়ৰ ছাপহে তেওঁৰ কবিতাত লক্ষ্যণীয়। বায়ৰণৰ নিজৰ আত্মম্ভৰিতাই তেওঁক নেপোলিয়নৰ প্ৰতি আকৰ্ষিত কৰাটো স্বাভাৱিক। ফৰাচী বিদ্ৰোহৰ তত্ত্বগত দিশটোৱে কেৱল গড উইনৰ দাৰ্শনিক তত্ত্বৰেই জন্ম দিয়া নাই ব্লেইকৰ আধ্যাত্মিক মতবাদবো সৃষ্টি কৰিছে। ফৰাচী বিপ্লৱৰ দ্বিতীয় পৰ্য্যায়টোৱে আকৰ্ষিত কৰে ওৱাৰ্ডছ্‌ওৱাৰ্থ কোলেৰিজ আৰু চাউদীক। কিন্তু শ্যেলীৰ কবিতাতহে আমি বিপ্লৱৰ জয়গান মুক্তকণ্ঠে গোৱা শুনিবলৈ পাওঁ। ইয়াৰ অৰ্থ এয়ে নহয় যে তেওঁ সন্ত্ৰাসৰ ৰাজত্বক সমৰ্থন জনাইছিল। মূল কাৰণ হ'ল তেওঁ আছিল আদৰ্শবাদী, ফৰাচী বিপ্লৱৰ আদৰ্শ তেওঁ গ্ৰহণ কৰিছিল। সেই কাৰণে সাম্য মৈত্ৰী আৰু স্বাধীনতা ৰ যি বৈপ্লৱিক মূলমন্ত্ৰ তাৰ প্ৰতিধ্বনি আমি তেওঁৰ বহুতো কবিতাত শুনিবলৈ পাওঁ। শ্যেলীয়ে ফৰাচী বিপ্লৱক এটি আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল কোনো ঐতিহাসিক ঘটনা হিচাপে নহয়।

সপ্তম অধ্যায়

ৰোমাণ্টিক আন্দোলনত বৈপ্লৱিক দৃষ্টিভঙ্গী

(Romantic Revolt)

ওৱার্ডছৱার্থ আৰু কোলেৰিজৰ যুটীয়া কবিতা সংকলন লিৰিকেল বেলাডছ (Lyrical Ballads) প্ৰকাশ হোৱা ১৭৯৮ চনটোকে সচৰাচৰ ইংৰাজী কাব্য সাহিত্যত ৰোমাণ্টিক অন্দোলনৰ আৰম্ভণি বুলি ধৰা হয়। এই তাৰিখটোক ৰোমাণ্টিক আন্দোলনৰ আৰম্ভণি বুলি ধৰাৰ যুক্তিযুক্ততা এয়ে যে ৰোমাণ্টিক চিন্তাধাৰাৰ উদ্ভৱ অষ্টাদশ শতাব্দীৰ শেষৰ ফালে লক্ষ্য কৰিব পৰা গ লেও এই লিৰিকেল বেলাডছতে এই চিন্তাধাৰাই পূৰ্ণ কাব্যিক অভিব্যক্তি লাভ কৰে। ইয়াতেই আমি পোনপ্ৰথম বাৰৰ বাবে পাওঁ অষ্টাদশ শতিকাৰ কবিতাৰ বিষয়বস্তু আৰু ৰূপৰ বিৰুদ্ধে কৰা প্ৰকাশ্য প্ৰতিবাদ বা বিদ্ৰোহ। অৱশ্যে লিৰিকেল বেলাড ছ পুথিখনক সম্পূৰ্ণৰূপে বৈপ্লৱিক বুলি নকৈ ভঙ্গকাৰী (disintegrating) বুলিহে ক ব পাৰি। প্ৰাক ৰোমাণ্টিক যুগৰ কবিসকলে যি ভেটি ভাঙিবলৈ আৰম্ভ কৰিছিল তাক সম্পূৰ্ণ কৰি তোলে এই কবিতা সংকলনটিয়ে। এই প্ৰাক ৰোমাণ্টিক যুগৰ কবিসকলেই লিৰিকেল বেলাডছ ৰ কাৰণে বাট মুকলি কৰি দিয়ে। লিৰিকেল বেলাডছ ত আমি প্ৰাক ৰোমাণ্টিক যুগৰ কবি সকলৰ (অৰ্থাৎ অষ্টাদশ শতিকাৰ শেষভাগৰ কবিসকলৰ) কাব্যাদৰ্শৰ অলপহে ইফাল সিফাল দেখিবলৈ পাওঁ। ইয়াত কেৱল প্ৰাক ৰোমাণ্টিক যুগৰ কবিসকলৰ ধ্যান ধাৰণাকে বেছি স্পষ্ট আৰু সবল ৰূপ দিয়া হৈছে। প্ৰাৰম্ভিক কামখিনি কৰিছে অষ্টাদশ শতিকাৰ শেষভাগৰ কবিসকলেই। লিৰিকেল বেলাডছৰ গুৰুত্ব এইখিনিতেই যে ই অষ্টাদশ শতিকাৰ শেষভাগৰ কবিসকলৰ প্ৰচেষ্টাক আগবঢ়াই নিয়ে আৰু পৰিপূৰ্ণতা প্ৰদান কৰে। তথাপি আমি মনত ৰাখিব লাগিব যে অষ্টাদশ শতিকাৰ শেষভাগৰ কেইজনমান কবিৰ ৰচনাত ৰোমাণ্টিক চেতনাৰ উদ্ভৱ হলেও সেই যুগটোক ৰোমাণ্টিক যুগ বুলি কোৱা নহয় কাৰণ তেওঁলোকে যুগক প্ৰতিনিধিত্ব কৰিব পৰা নাছিল। যুগক প্ৰতিনিধিত্ব কৰিছিল ড্ৰাইডেন পোপ আদি ধ্ৰুপদী কবিসকলেহে। অষ্টাদশ শতিকা হ ল ক্লাছিকেল যুগ।

ৰোমাণ্টিক আন্দোলনটো হ ল গোটেই ইউৰোপীয় সাহিত্যজগতৰে এটি আন্দোলন কেৱল ইংৰাজী সাহিত্যৰ নহয়। ৰোমাণ্টিক ভাৱধাৰা উদ্ভৱ হয় অষ্টাদশ শতাব্দীৰ শেষৰফালে কিন্তু ইয়াৰ বিকাশ বেলেগ বেলেগ দেশত বেলেগ বেলেগ সময়ত আৰু

বেলেগ বেলেগ ধৰণে হয়। পৰিবৰ্ত্তিত ভাবধাৰাৰ লক্ষণ পোন প্ৰথমতে জাৰ্মেনীতে ফুটি উঠে। ইংলণ্ডত ৰোমাণ্টিক ভাবধাৰাৰ পূৰ্ণ প্ৰস্ফুটনৰ সময় হ'ল ঊনবিংশ শতিকাৰ প্ৰাৰম্ভিক কাল। ফ্ৰান্সত ৰোমাণ্টিক আন্দোলনৰ সূচনা অলপ পলমকৈ হয়, ১৮৩ চনৰ পিছতহে ইয়াৰ আৰম্ভণি। এই সময়ত ইংলণ্ডত এই আন্দোলনৰ চৌ লাহে লাহে কমি আহে। ৰোমাণ্টিক ভাবধাৰাৰ বিকাশ সকলো দেশতে একে ধৰণৰ নহয় আনকি একেখন দেশতে বেলেগ বেলেগ কবিৰ হাতত ইয়াৰ বেলেগ বেলেগ দিশ প্ৰকাশ পাইছে। ই লণ্ডত আমি ওৱাৰ্ডছৱাৰ্থ শ্বেলী কোলেৰিজ কীট্‌ছ আদি সকলোকে ৰোমাণ্টিক কবি বুলি কওঁ কিন্তু ইজনৰ লগত সিজনৰ পাৰ্থক্য অতি সুস্পষ্ট। তথাপি এই পাৰ্থক্য সত্বেও গোটেই আন্দোলনটোৱেই আছিল এটি প্ৰতিক্ৰিয়া। ই লণ্ডত এই প্ৰতিক্ৰিয়া হ'ল ড্ৰাইডেন পোপ ড জনছন আদিৰ সাহিত্যিক আদৰ্শ আৰু লক্ষ্যৰ বিৰুদ্ধে। ইংৰাজ ৰোমাণ্টিক কবিসকলৰ মাজত পাৰ্থক্য বিৰাজ কৰিলেও তেওঁলোক সকলোৱে বিদ্ৰোহ ঘোষণা কৰিছিল নব্য ক্লাছিকেল যুগৰ (অৰ্থাৎ অষ্টাদশ শতিকাৰ) কবিতাৰ বিষয়বস্তু উদ্দেশ্য আৰু কাব্যৰীতিৰ বিৰুদ্ধে। গতিকে মূলতে ৰোমাণ্টিক আন্দোলনটো হ'ল এটি সাহিত্যিক ঐতিহ্যৰ বিৰুদ্ধে বিদ্ৰোহ। কিন্তু ইয়াৰ লগতে ই সামাজিক কৰ্তৃত্বৰ বিৰুদ্ধেও বিদ্ৰোহৰ ৰূপ লয়। ব্যক্তিগত বা স্বকীয় ভাৱধাৰাক সামাজিক কৰ্তৃত্ব বা সাহিত্যিক ঐতিহ্যৰ বন্ধনৰ পৰা মুক্ত কৰাই আছিল প্ৰত্যেকজন ৰোমাণ্টিক কবিৰে উদ্দেশ্য। এই প্ৰসঙ্গত সাহিত্যৰ বুৰঞ্জী লেখক ডব্লিউ জে লঙে কোৱা কথাষাৰ উল্লেখযোগ্য। তেওঁ কৈছে The romantic movement was marked and is always marked by a strong reaction and protest against the bondage of rule and custom which in science and theology as well as in literature generally tend to fetter the free human spirit এই প্ৰসঙ্গতে এটা মন কৰিবলগীয়া কথা এয়ে যে ৰোমাণ্টিক কবিসকলে যেনেকৈ অষ্টাদশ শতিকাৰ কাব্যাদৰ্শৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল ঠিক সেইদৰে ড্ৰাইডেন আৰু পোপেও তেওঁলোকৰ আগৰ যুগৰ সাহিত্যিক ঐতিহ্যৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। ৰোমাণ্টিক কবিসকলে অনুপ্ৰেৰণা আৰু পথ-প্ৰদৰ্শনৰ কাৰণে চাইছিল স্পেন্সাৰ আৰু মিল্টনৰ মুখৰ ফালে। ঠিক সেইদৰে ড্ৰাইডেন আৰু পোপেও অনুপ্ৰেৰণা বিচাৰিছিল প্ৰাচীন ৰোমান কবি সকলৰ পৰা। গতিকে দেখা যায় যে ৰোমাণ্টিক কবি আৰু ক্লাছিকেল কবি উভয়েই প্ৰাচীন পৰম্পৰাৰ সমৰ্থক। ই বাজ ৰোমাণ্টিক কবিসকলে কি কি দিশত অষ্টাদশ শতাব্দীৰ কাব্যাদৰ্শৰ পৰা আঁতৰি আহিছিল তাকেই এতিয়া বিচাৰ কৰি চোৱা যাব।

পোন প্ৰথমতেই আমি কব লাগিব যে ৰোমাণ্টিক আন্দোলনটো হ'ল অষ্টাদশ

শতিকাৰ বিচাৰ বুদ্ধি বা যুক্তিৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া। অষ্টাদশ শতাব্দীৰ নব্য ধ্ৰুপদবাদীসকল আছিল বিচাৰ বুদ্ধি আৰু যুক্তিৰ প্ৰবক্তা। লেখকৰ স্বকীয় চিন্তাধাৰা বা ভাবানুভূতিৰ তেওঁলোকৰ কাৰণে কোনো মূল্য নাছিল। তেওঁলোকে মূল্য দিছিল সুবুদ্ধি বুদ্ধিমত্তা যুক্তি সংযম আৰু পাৰিপাট্যত। আনহাতে ৰোমাণ্টিক কবিসকলে মূল্য দিছিল স্বকীয় আবেগ অনুভূতি আৰু জীৱনৰ ৰহস্যময়তাত। অষ্টাদশ শতিকাৰ সমালোচনাত্মক দৃষ্টিভংগীক বাদ দি তেওঁলোকে গ্ৰহণ কৰে সৃজনীমূলক দৃষ্টিভংগীক। বুদ্ধিদীপ্ত হাস্যৰস আৰু ব্যঙ্গৰ ঠাই লয় বিমল হাস্যৰস আৰু করুণ ৰসে। কবিতাৰ স্বৰূপ সম্পৰ্কে ধাৰণাতো ৰোমাণ্টিক কবি আৰু নব্য ধ্ৰুপদী কবিসকলৰ মাজত আছিল ডাঙৰ পাৰ্থক্য। ওৱাৰ্ডছৱৰ্থৰ মতে কবিতা হ'ল The breath and finer spirit of all knowledge it is the impassioned expression which is in the countenance of all science ৰোমাণ্টিক কবিৰ দৃষ্টিভংগীৰ এটা দিশ ওৱাৰ্ডছৱৰ্থৰ The Tables Turned নামৰ কবিতাটোত বৰ সুন্দৰকৈ প্ৰকাশ পাইছে—

Sweet is the lore which Nature brings
Our meddling imtelleet
Misshapes the beauteous forms of the things
We murder to dissect
Enough of science and of Art!
Close up those barren leaves
Come forth and bring with you a heart
That watches and receives

বিজ্ঞানৰ পুথি বাদ দি প্ৰকৃত জ্ঞানৰ কাৰণে তেওঁ মানুহক কাব্যজগতলৈ দৃষ্টি নিক্ষেপ কৰিবলৈ উপদেশ দিছে। কবিৰ প্ৰকৃতি সম্পৰ্কেও আছিল ৰোমাণ্টিক কবি আৰু ক্লাছিকেল কবিৰ দৃষ্টিভংগীৰ মাজত বহুতো প্ৰভেদ। ড্ৰাইডেন আৰু পোপে বিশ্বাস কৰিছিল যে কবি হ'ল এই মৰ্ত্যৰ এজন সুসভ্য (civilized) লোক। তেওঁ পৃথিৱীৰ আন সভ্যলোকতকৈ বেছি বুদ্ধিদীপ্ত আৰু প্ৰতিভাশালী। আনহাতে ৰোমাণ্টিক কবিসকলৰ মতে কবি হ'ল পথ-প্ৰদৰ্শক দ্ৰষ্টা সিদ্ধ পুৰুষ দাৰ্শনিক। শ্বেলীৰ মতে কবিসকল হ'ল unacknowledged legislators of the world নব্য ধ্ৰুপদী কবিসকলে কেতবোৰ বিমূৰ্ত দাৰ্শনিক কথাৰ আলোচনা কৰি ভাল পাইছিল। আনহাতে ওৱাৰ্ডছৱৰ্থ আৰু শ্বেলীৰ দৰে ৰোমাণ্টিক কবিসকলে কবিতাৰ মাজতে দৰ্শনৰ সন্ধান বিচাৰি পাইছিল। তেওঁলোকৰ মতে কবিতাই হ'ল সৰ্বোচ্চ

আৰু গভীৰতম দৰ্শন। নব্য ধ্ৰুপদী কবিতা আছিল প্ৰধানকৈ বুদ্ধি মত্তাৰ প্ৰকাশ, আৰু ই আমাৰ বুদ্ধি মত্তাকহে স্পৰ্শ কৰিব পাৰিছিল। আনহাতে প্ৰায়বোৰ ৰোমাণ্টিক কবিৰে দৃষ্টিভঙ্গী আছিল বুদ্ধিমত্তা বিৰোধী। বুদ্ধিমত্তাৰ সলনি তেওঁলোকে জোৰ দিছিল মননশীলতাত। বিচাৰ বুদ্ধি বা যুক্তিৰ সলনি তেওঁলোকৰ কবিতাত ঠাই পাইছিল কল্পনা আৰু কাব্যিক অন্তদৃষ্টিয়ে যাৰ ফলত তেওঁলোকৰ কবিতাত সৃষ্টি হৈছে এক ৰহস্যঘন ভাবানুভূতি।

নব্য ধ্ৰুপদী কবিসকলে তেওঁলোকৰ কবিতাত wit বা বুদ্ধি দীপ্ততাক উচ্চ স্থান দিছিল। কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ কবিতাত উচ্চ স্থান দিয়ে কল্পনা আৰু আবেগ অনুভূতিক। নব্য ধ্ৰুপদী কবিতাত কল্পনাৰ স্থান আছিল গৌণ এই কবিতা আছিল উপদেশ ধৰ্মী আৰু ব্যাঙ্গাত্মক। আনহাতে ৰোমাণ্টিক কবিতাত কল্পনা আৰু অনুভূতিয়ে বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। স্বতঃস্ফূৰ্ত্ততা এই কবিতাৰ এটি বিশেষ লক্ষণ আৰু কবিসকলেও পাইছিল'তেওঁলোকৰ কল্পনাৰে স্ফুৰণৰ অবাধ স্বাধীনতা। সেয়েহে ৱাৰ্ডছ্ৱাৰ্থে কবিতাক spontaneous overflow of powerful feelings বুলি কৈছে। ৰোমাণ্টিক কবিসকলৰ কাৰণে কল্পনাৰ এই অবাধ বিচৰণেই হ'ল তেওঁলোকৰ আধ্যাত্মিক শক্তিৰ উৎস আৰু ই ঐশ্বৰিক। কবি উইলিয়াম ব্লেইকে (William Blake) কৈছে This world of Imagination is the world of eternity it is the divine bosom into which we shall all go after the death of the vegetated body This world of Imagination is Infinite and Eternal whereas the world of generation or vegetation is finite and Temporal There exist in that eternal world the permanent realities of everything which we see reflected in this vegetable class of nature All things are comprehended in their eternal forms in the divine body of the saviour the true vine of eternity The human imagination

কল্পনাশক্তিৰ এই মহিমাবন্দনেই হ'ল ৰোমাণ্টিক কবিতাৰ মূলকথা। এই কল্পনাৰ ডেউকাত উৰিয়েই ৰোমাণ্টিক কবিসকলে একোখন স্বপ্নৰাজ্যৰ সৃষ্টি কৰে য'ত তেওঁলোকে পাৰ্থিৱ দুখ শোক পাহৰি স্বৰ্গীয় সুখ অনুভৱ কৰিব পাৰে। বাস্তৱ জগতখনক পাহৰিবলৈ তেওঁলোকে চেষ্টা কৰি এক পলায়নবাদী মনোবৃত্তি প্ৰকাশ কৰে। এই পলায়নবাদেই হ'ল বাস্তৱ পৰিস্থিতিৰ বিৰুদ্ধে একপ্ৰকাৰ বিদ্ৰোহ ঘোষণা। অষ্টাদশ শতিকাৰ কবিসকল কিন্তু পলায়নবাদী নাছিল বাস্তৱ জগতৰ লগতেই

তেওঁলোকৰ প্ৰাণৰ সম্পৰ্ক। ৰোমাণ্টিক কবিসকল কিন্তু এই মাটিৰ পৃথিৱীত সন্তুষ্ট নাছিল। ওৱাৰ্ডছ্ওৱাৰ্থৰ বাহিৰে প্ৰায় আন সকলো ৰোমাণ্টিক কবিয়ে হয়তো মধ্যযুগলৈ চাপলি মেলিছে নাইবা ৰামৰাজ্যৰ (Utopia) সপোন ৰচনা কৰিছে। Ode to a Nightingale কবিতাত কীট্‌ছে শোকে-দুখে ভৰা এই পৃথিৱীৰ পৰা আঁতৰি নাইটিংগেল পখীৰ ৰাজ্যলৈ উৰা মাৰি যাবলৈ বাঞ্ছা কৰিছে। ঠিক তেনেকুৱা ধৰণে শ্বেলীয়েও তেওঁৰ Queen Mab নামৰ দীঘলীয়া কবিতাটোত আশা প্ৰকাশ কৰিছে যে মানৱসমাজ পৰিৱৰ্তিত হ'বলৈ বেছি দিন নাই যাৰ ফলত সৃষ্টি হ'ব এক আদৰ্শ ৰাজ্যৰ য'ত মানুহে লাভ কৰিব শান্তি আৰু স্বাধীনতা।

ৰোমাণ্টিক আন্দোলনটো অষ্টাদশ শতিকাৰ ছন্দ আৰু শব্দচয়নৰ বিৰুদ্ধেও বিদ্ৰোহ সূচক আছিল। অষ্টাদশ শতিকাৰ কবিসকলে ব্যৱহাৰ কৰিছিল heroic couplet আৰু gaudy and inane phraseology অৰ্থাৎ আড়ম্বৰপূৰ্ণ আৰু নীৰস বা মাদকতাহীন কেতবোৰ শব্দ। ইয়াৰ বিপৰীতে ৰোমাণ্টিক কবিসকলে স্পেন্সেৰীয় স্তৱক (Spenscrian Stanga) আৰু অমিত্ৰাক্ষৰ ছন্দ (Blank verse) ব্যৱহাৰ কৰে। কীট্‌ছ আৰু বায়ৰণে মাজে মাজে heroic couplet অৰ ব্যৱহাৰ কৰিলেও এই couplet ড্ৰাইডেন আৰু পোপে ব্যৱহাৰ কৰা couplet তকৈ সুকীয়া। ই হ'ল শিথিল আৰু প্ৰবহমান। ইয়াৰ বাহিৰে ৰোমাণ্টিক কবিসকলে গীতিকবিতা (Lyric) প্ৰশস্তি কবিতা (Ode) চনেট (Sonnet) শোককবিতা (elegy) আদি বিভিন্ন কাব্যৰূপত হাত দিয়ে যিবিলাকৰ প্ৰতি নব্য ধ্ৰুপদী কবিসকল আছিল একেবাৰে উদাসীন। ইয়ো এক বৈপ্লৱিক দৃষ্টিভঙ্গী। ইয়াৰ উপৰিও নব্য ধ্ৰুপদী কবিতা আছিল নগৰীয়া জীৱনৰ কবিতা (Town poetry)। ৰোমাণ্টিক কবিসকলে কিন্তু গাঁৱলীয়া চহা জীৱনকো তেওঁলোকৰ কবিতাত স্থান দিয়ে।

সামাজিক কৰ্তৃত্বৰ বিৰুদ্ধে ৰোমাণ্টিক বিপ্লৱে কেবা ধৰণৰো ৰূপ লয়। বেছিভাগ ৰোমাণ্টিক কবিয়েই আছিল চৰমপন্থী আৰু মানৱৰ মুক্তিৰ হকে তেওঁলোকে ঘোষণা কৰিছিল জেহাদ। ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত বেলেগ বেলেগ ধৰণে পৰে। ওৱাৰ্ডছ্ওৱাৰ্থ কোলেৰিজ চাউদী আদি প্ৰথম চামৰ ৰোমাণ্টিক কবিসকলে প্ৰথমতে বিপ্লৱী হিচাপে আত্মপ্ৰকাশ কৰি শেষলৈ ৰক্ষণশীল হৈ পৰে। সেয়েহে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে তেওঁলোকৰ কবিতাত কোনো প্ৰতিবাদৰ সুৰ নাই। কিন্তু কীট্‌ছৰ বাহিৰে দ্বিতীয় চামৰ ৰোমাণ্টিক কবিসকল (বিশেষকৈ শ্বেলী আৰু বায়ৰণ) আছিল পূৰামাত্ৰাই বিপ্লৱী। তেওঁলোকে সমাজ ব্যৱস্থা ৰাজতন্ত্ৰ ধৰ্মতন্ত্ৰ আৰু দমনমূলক আইন কানুনৰ বিৰোধিতা কৰিছিল। বায়ৰণ আছিল প্ৰচলিত

সমাজ ব্যৱস্থাৰ ঘোৰ বিৰোধী। তেওঁ তুলি লৈছিল ৰক্ষণশীল লোকৰ বিৰুদ্ধে ব্যঙ্গবাণ। ডনজুৱানৰ (Don Juan) দৰে নায়কৰ সৃষ্টি কৰি তেওঁ গতানুগতিক নৈতিকতাৰ অৰ্থহীনতা আমাৰ আগত দাঙি ধৰিছে। মধ্যবিত্ত শ্ৰেণীৰ মৰ্য্যাদাবোধক তেওঁ বিদ্ৰূপৰ চকুৰে চাইছে। তেওঁ আছিল সঁচাকৈয়ে স্বাধীনতাপ্ৰিয় আৰু কোনো স্বেচ্ছাচাৰী শাসককে তেওঁ সহনশীল দৃষ্টিভঙ্গীৰে চাব নোৱাৰিছিল। The Isles of Greece নামৰ কবিতাটোত বায়ৰণে গ্ৰীকসকলক তেওঁলোকৰ অতীত গৌৰৱৰ কথা সোঁৱৰাই দিছে আৰু তেওঁলোকৰ স্বাধীনতা আৰু জাতীয় মৰ্য্যাদাৰ হকে যুঁজ দিবলৈ আহ্বান জনাইছে। বায়ৰণৰ দৰে শ্বেলীও আছিল এগৰাকী বিপ্লৱী কবি। প্ৰচলিত সমাজ ব্যৱস্থাৰ তেৰে া আছিল ঘোৰ বিৰোধী। তেওঁ বিশ্বাস কৰিছিল যে অতি সোনকালে এখন নতুন সমাজ গঢ়ি উঠিব। শাসনকৰ্ত্তা আৰু যাজক—এই দুয়ো শ্ৰেণীৰে তেওঁ আছিল কটু সমালোচক। তেওঁৰ আছিল এক বৈপ্লৱিক উদ্দীপনা আৰু সেই কাৰণে ইংৰাজসকলক তেওঁ শোষক শাসকসকলৰ বিৰুদ্ধে ওলাই আহিবলৈ উৎসাহ প্ৰদান কৰিছিল। জনসাধাৰণৰ দুখ কষ্ট দেখি তেওঁৰ অন্তৰ জ্বলি উঠিছিল আৰু ইয়াৰে বহিঃপ্ৰকাশ ঘটিছে তেওঁৰ Men of England নামৰ কবিতাত—

> Men of England wherefore plough
> For the lords who lay you low ?
> Wherefore weave with toil and care
> The rich robes your/tyrants wear ?

ৰোমাণ্টিক কবিসকলে সামাজিক কৰ্তৃত্বৰ বিৰুদ্ধে যি বিদ্ৰোহ ঘোষণা কৰিছিল সি কেৱল ৰাজনৈতিক কৰ্তৃত্বক গৰিহণা দিয়াত বা গণতন্ত্ৰ সমাজবাদ সমাজ ব্যৱস্থাৰ আদিক সমৰ্থন কৰাতেই সীমাবদ্ধ নাছিল। আন আন কেতবোৰ সামাজিক বাধা নিষেধবো তেওঁলোকে বিৰোধিতা কৰিছিল। তেওঁলোক আছিল মুক্ত প্ৰেমৰ (free lov) সমৰ্থক আৰু ইয়াৰ অভিব্যক্তি হৈছে শ্বেলীৰ The Cenci আৰু The Revolt of Islam শ্বেলী আনকি ঈশ্বৰ বিশ্বাসীও নাছিল আৰু অক্সফোৰ্ডত পঢ়ি থাকোতে On the Necessity of Atheism নামৰ পুস্তিকা এখন প্ৰকাশ কৰিছিল। ইয়াৰ ফলত তেওঁ বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কৃত হব লগা হৈছিল। অক্সফোৰ্ডত থকা দিন কেইটাত শ্বেলী গডউইনৰ Political Justice নামৰ পুথিখনৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল।

অষ্টম অধ্যায়

ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য

ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্টসমূহ বিচাৰ কৰিবলৈ হ'লে আমি অষ্টাদশ শতিকাৰ শেষভাগৰ কবিসকলৰ কাব্যকৃতি আৰু উনবিংশ শতিকাৰ প্ৰথম তিনি দশকৰ কবিসকলৰ কাব্যকৃতি—এই দুয়োটাকে বিচাৰ কৰি চাব লাগিব। মোটামুটিকৈ ১৭৮ চন মানৰ পৰা ১৮৩২ চনলৈকে বিস্তৃত কালছোৱাৰ কাব্যকৃতিসমূহৰ আধাৰত এই বৈশিষ্ট্যসমূহ বিচাৰ কৰি চাব পাৰি। অষ্টাদশ শতিকাৰ প্ৰাক্ ৰোমাণ্টিক যুগত কবিসকলক বাদ দিও এই বৈশিষ্ট্যসমূহ বিচাৰ কৰাত বিশেষ অসুবিধা নহয় কাৰণ এই যুগৰ কবিসকলৰ ৰচনাত যি ৰোমাণ্টিক বৈশিষ্ট্য দৃষ্টিগোচৰ হয় সেইবোৰে উনবিংশ শতিকাৰ আগছোৱাৰ কবিসকলৰ ৰচনাতো ভুমুকি মাৰিছে। সহজ ভাষাত কবলৈ গলে ওৱাৰ্ডছ্‌ওৱাৰ্থৰ পৰা আৰম্ভ কৰি কীটছলৈকে এই সময়খিনিৰ কাব্যসাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰিলেই ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰি পোৱা যাব। তলত এই বৈশিষ্ট্যবোৰ প্ৰণালীবদ্ধভাৱে দাঙি ধৰা হ'ল।

(১) ৰোমাণ্টিক কবিতাৰ প্ৰথম বৈশিষ্ট্য হ'ল বন্ধনমুক্তি (break from set rules)। এই ক্ষেত্ৰত অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবি আৰু ৰোমাণ্টিক কবিৰ মাজৰ প্ৰধান বিৰোধ ধৰা পৰে। অষ্টাদশ শতিকাত কবিসকলে কিছুমান ধৰা বন্ধা নীতি আগত লৈ কবিতা ৰচনা কৰিব লাগিছিল। এই ৰীতি ভঙ্গ কৰাটো এটা দোষ বুলি গণ্য কৰা হৈছিল। ৰোমাণ্টিক কবিসকলে কিন্তু এনেকুৱা নীতি নিয়মৰ বন্ধনৰ পৰা নিজকে মুক্ত কৰে। ৰমন্যাসবাদক liberalism in literature বুলি কোৱাৰ যুক্তিও এই খিনিতেই। সাহিত্যৰ বুৰঞ্জী লেখক ডব্লিউ জে লঙেও এই প্ৰসঙ্গত কৈছে The romantic movement was marked and is always marked by a strong reaction and protest against the bondage of rule and custom which in science and theology as well as in literature generally tend to fetter the free human spirit ইয়াকেই বোলা হয় ৰোমাণ্টিক কবিসকলৰ ব্যক্তিবাদ বা ব্যক্তিস্বাতন্ত্ৰবাদ (individualism)।

(২) ৰোমাণ্টিক কবিতাৰ দ্বিতীয় বৈশিষ্ট্য হ'ল প্ৰকৃতি প্ৰীতি আৰু গাঁৱলীয়া জীৱনৰ প্ৰতি আকৰ্ষণ। অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবিতাৰ সম্পৰ্ক আছিল লণ্ডনৰ ক্লাবঘৰ কফিৰ দোকান বৈঠকখানা আৰু সামাজিক আৰু ৰাজনৈতিক জীৱন। এই কবিতাৰ বিষয়বস্তু আছিল নগৰীয়া জীৱন। ধ্ৰুপদী কবিতাত প্ৰকৃতিৰ স্থান আছিল

একেবাৰে গৌণ। ৰোমাণ্টিক কবিসকল কিন্তু নগৰীয়া জীৱনৰ সলনি গাঁৱলীয়া জীৱনৰ প্ৰতিহে আকৰ্ষিত হয় আৰু ধনী লোকৰ বৈঠকখানাৰ কৃত্ৰিম সৌন্দৰ্য্যৰ সলনি প্ৰাকৃতিক সৌন্দৰ্য্যইহে তেওঁলোকক মোহিত কৰে। প্ৰকৃতিয়ে ৰোমাণ্টিক কবিতাত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ লয়। প্ৰকৃতি-প্ৰেমী কবি ওৱাৰ্ডছৱাৰ্থে আমাৰ আগত প্ৰকৃতিৰ বাহ্যিক আৰু আধ্যাত্মিক দুয়োবিধ সৌন্দৰ্য্যই দাঙি ধৰে। ফুল চৰাই গছ পাত আদি সকলোতে তেওঁ নৈতিক আৰু আধ্যাত্মিক তাৎপৰ্য্য প্ৰদান কৰে। এই যুগৰ কবিসকলে প্ৰকৃতিৰ বিভিন্ন উপাদানক চিন্তা আৰু নীতিৰ বাহন হিচাপে গ্ৰহণ কৰিছিল। প্ৰকৃতিৰ লগত মানুহৰ সম্বন্ধ অন্তৰঙ্গতা বিশেষভাৱে উপলব্ধি কৰিছিল এই যুগৰ ভালেকেইজন কবিয়ে। তেওঁলোকে অনুভৱ কৰিছিল যে জটিলতাৰ পথ এৰি মানুহে যদি প্ৰকৃতিৰ পৰিবেষ্টনীত আদিম কালৰ সৰল জীৱনলৈ উভতি যাব পাৰে তেনেহলে মানুহৰ জৰ্জৰিত আত্মাই অমেয় শান্তিৰ আস্বাদ লাভ কৰিব।

(৩) কেৱল প্ৰকৃতিৰ প্ৰতি গভীৰ আকৰ্ষণেই নহয় চহা জীৱনৰ প্ৰতি অনুৰাগো ৰোমাণ্টিক কবিতাৰ এটি বিশেষ লক্ষণ। সেই কাৰণে আমি এই যুগৰ কবিতাত পাওঁ ভেড়াৰখীয়া কুটীৰবাসী আদি সাধাৰণ লোকৰ জীৱনৰ সৰল চিত্ৰ। ওৱাৰ্ডছৱাৰ্থৰ কবিতাৰ যি মানুহ সেই মানুহ হ'ল সহজ সৰল প্ৰকৃতিৰ মাজত ভাওৰ-দীঘল হোৱা সাধাৰণ মানুহ। তেওঁৰ মতে চহা জীৱনৰ পৰা বুটলি অনা সাধাৰণ মানুহৰ চৰিত্ৰ আৰু ঘটনাই তেওঁৰ কবিতাৰ বিষয়বস্তু। গাঁৱলীয়া জীৱনৰ পৰা বুটলি অনা সৰল চৰিত্ৰবোৰ তেওঁ অতি সহানুভূতিৰে অঙ্কন কৰিছে। ঠিক সেইদৰে শেলী আৰু বায়ৰণৰো আছিল সাধাৰণ মানুহৰ প্ৰতি গভীৰ সহানুভূতি। ৰোমাণ্টিক কবিসকলে সাধাৰণ চৰিত্ৰৰ মাজেদিয়ে সাধুতাৰ উচ্চ আদৰ্শ দাঙি ধৰি তাক এটা সাৰ্বজনীন ৰূপ দিবলৈ যত্ন কৰিছে। এই সাধাৰণ মানুহৰ মাজত তেওঁলোকে বিচাৰি পাইছে দেৱত্ব বা ঐশ্বৰিকত্ব।

(৪) বৈপ্লৱিক ভাৱধাৰা হ'ল ৰোমাণ্টিক কবিতাৰ আন এটি লক্ষণ। ৰোমাণ্টিক কবিসকলে ব্যক্তি স্বাধীনতাত বিশেষ গুৰুত্ব দিয়া লক্ষ্য কৰা যায়। তেওঁলোকে বিদ্ৰোহ কৰিছিল শাসক শোষকৰ বিৰুদ্ধে দমনমূলক আইন-কানুনৰ বিৰুদ্ধে। মূল্যহীন ঐতিহ্যকো তেওঁলোকে কেতিয়াও সম্মানৰ চকুৰে চাব নোৱাৰিছিল। এই মনোভাৱ শেলী আৰু বায়ৰণৰ কবিতাত বিশেষভাৱে অনুৰণিত হৈছে।

(৫) মধ্যযুগ প্ৰীতি ৰোমাণ্টিক কবিসকলৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। বহুতো ৰোমাণ্টিক কবিয়ে তেওঁলোকৰ যুগৰ পৰিবেশৰ লগত নিজকে খাপ খুৱাই ল'ব

সোমাবিছিল। জড়বাদী দৃষ্টিভঙ্গী সামাজিক অনাচাৰ-অত্যাচাৰ আদিয়ে তেওঁলোকৰ মন তিক্ত কৰি তুলিছিল। সেয়েহে শান্তিৰ উৎস বিচাৰি তেওঁলোকৰ মনে চাপৰি মেলিছিল মধ্যযুগৰ ফালে। তেওঁলোকৰ দৃষ্টিত মধ্যযুগ আছিল সৌন্দৰ্য্য আৰু আনন্দৰ প্ৰতীক। মধ্যযুগৰ প্ৰতি কবিসকলৰ এই দৃষ্টিভঙ্গীয়ে তেওঁলোকক পলায়নবাদী কৰি তুলিছিল। মধ্যযুগীয় অলৌকিক কাহিনী ধ্বংসপ্ৰাপ্ত পুৰণি অট্টালিকা আদি অতীতৰ সোঁৱৰণী সনা বস্তুৱে ৰমন্যাসিক কবিৰ কল্পনাক যিমান সোনকালে দোলা দি যাব পাৰে আন একো বস্তুৱেই তেনেকৈ নোৱাৰে। ৰমন্যাসিক কবিৰ মনে নিলগৰ নেদেখা সৌন্দৰ্য্যৰ কাৰণে হাবাথুৰি খাই ফুৰে। এই প্ৰসঙ্গত সমালোচক পেটাৰৰ মন্তব্য উল্লেখযোগ্য। তেওঁৰ মতে "The essential elements of the romantic spirit are curiosity and the love of beauty and it is as the accidental effect of these qualiti s only that it seeks the Middle Ages because in the over charged atmosphere of the Middle Ages there are unworked sources of romantic effect of a strange beauty to be won by strong imagination out of things unlikely or remote পেটাৰৰ মতে ৰোমাণ্টিক ভাবধাৰাৰ মূল উপাদান হ ল উৎসুক্য আৰু সৌন্দৰ্য্যপ্ৰিয়তা আৰু এই গুণ বা লক্ষণ দুটাৰ ফলস্বৰূপেই ৰোমাণ্টিক কবিসকলৰ মন মধ্যযুগলৈ উৰা মাৰে কাৰণ মধ্যযুগৰ অতি পৰিপূৰ্ণ পৰিমণ্ডলত প্ৰখৰ কল্পনাশক্তিৰে অপ্ৰত্যাশিত অথবা সুদূৰৱৰ্তী বস্তুৰ পৰাই বিস্ময়কৰ সৌন্দৰ্য্যমণ্ডিত ৰমন্যাসিক কৃতিৰ যোগান ধৰিব পৰা অজস্ৰ অপ্ৰযোজিত উপকৰণ পৰি আছে। এই উপকৰণবোৰৰ আশ্ৰয় লৈয়েই ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ কবিতাত কল্পনাৰ মোহময় ইন্দ্ৰজাল ৰচনা কৰে। মধ্যযুগ প্ৰীতিয়ে ৰোমাণ্টিক কবিসকলৰ আবেগপূৰ্ণ বিস্ময়ানুভূতি আৰু বৌদ্ধিক ঔৎসুক্য—এই দুয়োটাকে পৰিতৃপ্ত কৰে। বহুতো সমালোচকৰ মতে এই মধ্যযুগ প্ৰীতিয়েই ৰমন্যাসবাদৰ মূল লক্ষণ কাৰণ এই লক্ষণটোৱেই ৰমন্যাসবাদক ৰমন্যাসৰ লগত সম্পৰ্কিত কৰি ৰৈছে।

(৬) ৰোমাণ্টিক কবিতাৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল কল্পনাপ্ৰিয়তা বা কল্পনা-প্ৰৱণতা আৰু ভাবাবেগৰ প্ৰাধান্য। অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবিতাত ঠাই পাইছিল যুক্তি বিচাৰ বুদ্ধি বা বুদ্ধিমত্তাই। ৰোমাণ্টিক কবিতাত কিন্তু ইয়াৰ ঠাই ল লে কল্পনা আৰু আবেগ অনুভূতিয়ে। সেয়েহে হাৰফোৰ্ডে ৰমন্যাসবাদক কল্পনা প্ৰৱণতাৰ অসাধাৰণ বিকাশ (extraordinary development of imaginative sensibility) বুলি কৈছে। সীমাহীন কল্পনাৰে সকলো ৰোমাণ্টিক কবিয়ে জাগতিক

আৰু অজাগতিক সৌন্দৰ্য্যৰ অনুসন্ধানত মন মেলিছিল। কল্পনাশক্তিৰ বলতেই তেওঁলোকে পৰিচিত বস্তুটোকে অচিন আচহুৱা কৰি তুলিব পাৰিছিল। কল্পনাৰ বলতেই তেওঁলোকে লাভ কৰিছিল বিস্ময়ৰ বিচিত্ৰ অভিজ্ঞতা। এই কল্পনাশক্তিয়েই ৰোমাণ্টিক কবিক স্ৰষ্টা কৰি তোলে। কল্পনাশক্তিৰ বলতেই তেওঁলোকে সৃষ্টি কৰে এক সপোন ৰাজ্যৰ য ত বিৰাজ কৰে চিৰশান্তি।

(৭) অলৌকিকতা (supernaturalism) ৰোমাণ্টিক কবিতাৰ এটি উল্লেখনীয় বৈশিষ্ট্য। বিস্ময়বোধ আৰু ৰহস্যময়তা প্ৰায়বোৰ ৰোমাণ্টিক কবিতাৰ এটি সাধাৰণ বিশেষত্ব হৈ পৰে। কোলেৰিজ আৰু স্কটৰ কবিতা এই দিশত বিশেষভাৱে উল্লেখযোগ্য। ৰোমাণ্টিক যুগৰ কবিসকলে অতি কৌশলেৰে বিস্ময় ৰহস্যময়তা আৰু সৌন্দৰ্য্যক একীভূত কৰিছিল। ৰমন্যাসবাদক Renascence of wonder" বুলি কোৱাৰ যুক্তিযুক্ততাৰ মূলতে হ ল ৰোমাণ্টিক কবিৰ এই দক্ষতা। অলৌকিক উপাদানৰ প্ৰতি আকৰ্ষিত হোৱাৰ কাৰণে এই যুগৰ বহুতো কবিতাত পৰী ভূত-প্ৰেত আদিয়ে স্থান পাইছে। কিন্তু মনত ৰাখিব লাগিব যে কবিতাত এইবোৰৰ উপস্থাপন ব্যঞ্জনাধৰ্মীহে কৰি তোলা গৈছে। গাৰ নোম শিয়ৰি উঠা বৰ্ণনা নাই।

(৮) ৰোমাণ্টিক কবিতাৰ লক্ষণ হিচাপে যিটো বস্তুৱে সহজে আমাৰ দৃষ্টি আকৰ্ষণ কৰে সেয়া হ ল ইয়াৰ মন্ময়ধৰ্মিতা (subjectivity)। এই যুগৰ কবিসকলে প্ৰাণ উজাৰি নিজৰ আৱেগ অনুভূতি প্ৰকাশ কৰিছিল। তেওঁলোকে বাহ্যিক বস্তুৰ উপলব্ধিতকৈ নিজৰ অন্তৰৰ অভিজ্ঞতা প্ৰকাশতেই বেছি গুৰুত্ব দিছিল। বাহ্যিক বস্তুৰ মনোধৰ্মী ব্যাখ্যা দিয়াৰহে তেওঁলোক আছিল পক্ষপাতী। ইয়াৰ কাৰণ হ ল তেওঁলোকৰ মানত বস্তুৰ নিজস্ব অস্তিত্বতকৈ কৰিৰ অন্ত লোকৰ অভিজ্ঞতা বহুত বেছি মূল্যবান। সেই কাৰণে ডব্লিউ জে লঙে (W J Long) ৰোমাণ্টিক আন্দোলনটোক expression of individual genius বুলি কৈছে। লুকাছৰ (Lucas) মতেও ই হ ল expression of id

(৯) বিষয়বস্তু প্ৰকাশভঙ্গী আৰু কবিৰ দৃষ্টিভঙ্গীৰ সীমাহীন বৈচিত্ৰ্যও ৰোমাণ্টিক কবিতাৰ এটি উল্লেখযোগ্য বিশেষত্ব। এই যুগৰ কবিসকলৰ চাৰিত্ৰিক আৰু মানসিক বৈশিষ্ট্য যেনেকুৱা বিভিন্ন ধৰণৰ কবিতাও আছিল তেনেকুৱা ধৰণে বৈচিত্ৰ্যসূচক। ৰোমাণ্টিক কবিতা অধ্যয়ন কৰা মানে একোখন নতুন নতুন গাঁৱৰ মাজেৰে যোৱাৰ দৰে বেলেগ বেলেগ শ্ৰেণীৰ মানুহ লগ পোৱাৰ দৰে যিবিলাকৰ গাত কিবা এটা নহয় কিবা এটা ভাল পাব লগা বা মনত ৰাখিব লগা থাকে।

(১) গীতিধৰ্মিতা (Lyricism) ৰোমাণ্টিক কবিতাৰ আন এটি বিশেষত্ব।

ৰোমান্টিক কবিতা সঁচাকৈয়ে "spontaneous overflow of powerful feelings" এই কবিতা গীতিধৰ্মী কাৰণেই সঙ্গীতধৰ্মী (musical)। এই ক্ষেত্ৰত শ্বেলীৰ "To a skylark" কবিতাটোৰ উল্লেখেই যথেষ্ট।

(১১) ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো ৰোমান্টিক কবিতাৰ নিজা বৈশিষ্ট্য আছে। ৰোমান্টিক কবিসকলে দৈনন্দিন জীৱনৰ ঘৰুৱা ভাষাক কবিতাৰ জগতলৈ আদৰি আনে। অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবিসকলৰ ভাষা আছিল পুথিগত পৰিশীলিত আৰু গুৰুগম্ভীৰ অলঙ্কাৰ বহুল। ইয়াৰ পৰিবৰ্তে ৰোমান্টিক কবিসকলে আদৰি ললে অনাড়ম্বৰ অনাড়ষ্ট আৰু ভিতৰৰ সৌন্দৰ্য্যৰে মধুময় ভাষাক কবিতাৰ বাহন স্বৰূপে। বুদ্ধিদীপ্ত উজ্জ্বল ভাষাৰ সলনি কল্পনামণ্ডিত ধ্বনিশীল ভাষাই হল ৰোমান্টিক কবিতাৰ ভাষা।

(১২) ছন্দ প্ৰয়োগৰ ক্ষেত্ৰতো ৰোমান্টিক কবিতাৰ নিজা বৈশিষ্ট্য লক্ষণীয়। অষ্টাদশ শতাব্দীৰ হিৰোয়িক কাপ লেটৰ সলনি কবিসকলে ব্যৱহাৰ কৰিলে স্পেন্সেৰীয় ছন্দ (Spenserian Stanza) আৰু অমিত্ৰাক্ষৰ ছন্দ (Blank verse)। মালিতাৰ ছন্দকো গীতিময় কবিতাৰ বাহন কৰি ললে কোনো কোনো কবিয়ে। প্ৰকাশভঙ্গীৰ ক্ষেত্ৰতো ৰোমান্টিক কবিসকলে সৰলতা আৰু স্বতঃস্ফুৰ্ততাতে গুৰুত্ব আৰোপ কৰে। অষ্টাদশ শতিকাৰ কৃত্ৰিম প্ৰকাশভঙ্গী তেওঁলোকে প্ৰত্যাখ্যান কৰে।

ওপৰত আমি ৰোমান্টিক কবিতাৰ সাধাৰণ বিশেষত্বসমূহ আলোচনা কৰিলোঁ। অৱশ্যে সকলো পণ্ডিত সমালোচকে এই গোটেইবোৰ বৈশিষ্ট্যত সমানে গুৰুত্ব দিয়া নাই। ডব্লিউ জে লঙে বহুতো বৈশিষ্ট্য থকাৰ কথা মানি লৈও মাত্ৰ ছয়টাতহে বিশেষ গুৰুত্ব দিছে। সেইকেইটা হল the protest against the bondage of rules the return to nature and the human heart the interest in old sagas and mediaeval romances as suggestive of a heroic age the sympathy for the toilers of the world the emphasis upon individual genius and the return to Milton and the Elizabethans instead of to Pope and Dryden for literary models এই লক্ষণকেইটাক তেওঁ the most noticeable and the most interesting বুলি কৈছে। এই প্ৰসঙ্গত এবাৰ মনত ৰাখিবলগীয়া কথা এয়ে যে যি কোনো ৰোমান্টিক কাব্য বুলিলেই আটাইকেইটা লক্ষণৰ সমষ্টি নহয়। ইয়াৰ দুটা এটা লক্ষণৰ মনোৰম ৰূপ দিলেও কোনোজন ৰোমান্টিক কবি হিচাপে প্ৰখ্যাত হৈ পৰিব পাৰে। কোলেৰিজৰ বাহিৰে আন কোনো ৰোমান্টিক কবিৰ কাব্যত আমি আটাইকেইটা লক্ষণ বিচাৰি নাপাওঁ।

নৱম অধ্যায়

ক্লাছিকেল কবিতাৰ পটভূমি আৰু বৈশিষ্ট্য

ইংৰাজী সাহিত্যৰ বুৰঞ্জীত অষ্টাদশ শতিকাটোকে ক্লাছিকেল যুগ (Classical Age) বুলি কোৱা হয় আৰু এই যুগৰ (প্ৰকৃতাৰ্থত এই যুগৰ প্ৰথমাৰ্দ্ধৰ) কবিতাকে ক্লাছিকেল (ধ্ৰুপদী) কবিতা বুলি কোৱা হয়। এই যুগটোক ক্লাছিকেল যুগ বুলি কিয় কোৱা হয় তাক ব্যাখ্যা কৰাৰ আগতে ক্লাছিকেল শব্দটো কি কি অৰ্থত ব্যৱহাৰ কৰা হয় তাৰ মোটামুটি ধাৰণা এটা থকা অতি প্ৰয়োজন। এই শব্দটোৱে উচ্চমানৰ উৎকৃষ্ট কালজয়ী পৌৰাণিক প্ৰাচীন আদি অৰ্থ প্ৰকাশ কৰে। শব্দটো শ্ৰেষ্ঠত্ববাচক। গতিকে ক্লাছিকেল সাহিত্য বুলিলে সেই সাহিত্যকে বুজায় যাৰ উৎকৰ্ষ উচ্চতম স্তৰৰ আৰু সৰ্বৰুচিসম্মত সি সাহিত্য সকলো সময়ৰ সকলো শ্ৰেণীৰ লোকৰ আদৰণীয়। প্ৰথমতে ক্লাছিকেল সাহিত্য বুলিলে প্ৰাচীন গ্ৰীছ আৰু ৰোমৰ লেখক সকল যেনে হোমাৰ ভাৰ্জিল আদিৰ ৰচনাকে বুজোৱা হৈছিল। সেই অৰ্থত ইলিয়াদ ওডিছি ইনীদ আদি ক্লাছিকেল সাহিত্য। পিছত এই শব্দটোৱে আন লেখকৰ উচ্চস্তৰৰ কালজয়ী ৰচনাকো সামৰি লয়। এই অৰ্থত আমাৰ গীতা ভাগৱত মহাভাৰত ৰামায়ণ খৃষ্টান সকলৰ বাইবেল পাৰ্চীসকলৰ এভেষ্টা (Avesta) আদি সকলো ক্লাছিকেল সাহিত্য। একে অৰ্থত চেক্সপীয়াৰ মিল্টন কালিদাস আদিৰ ৰচনাও ক্লাছিকেল। অষ্টাদশ শতাব্দীৰ লেখকসকলৰ মনটো আছিল এটি উচ্চাত্মিকা বোধ। তেওঁলোকে ভাবিছিল যে আগৰ লেখক সকলোতকৈ তেওঁলোক সকলো বিষয়তে শ্ৰেষ্ঠ। মহাকবি চেক্সপীয়াৰৰ ৰচনাও তেওঁলোকৰ কটু সমালোচনাৰ হাত সাৰিব নোৱাৰিছিল। কিন্তু শ্ৰেষ্ঠ বা কালজয়ী অৰ্থত অষ্টাদশ শতাব্দীৰ সাহিত্য ক্লাছিকেল সাহিত্য নহয়। এই সাহিত্যক এটা বেলেগ অৰ্থতহে ক্লাছিকেল বুলি কোৱা হৈছে। সেই সম্বন্ধে অলপ পিছত আলোচনা কৰা হ ব।

বিভিন্ন দেশৰ সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে আমি লক্ষ্য কৰো যে সেইবোৰৰ কোনো এটা যুগত আনবোৰতকৈ বেছিসংখ্যক প্ৰখ্যাত লেখকৰ সৃষ্টি হয় আৰু তেতিয়া এই যুগটোকে সেই দেশৰ সাহিত্যৰ ক্লাছিকেল যুগ বুলি কোৱা হয়। উদাহৰণ স্বৰূপে সম্ৰাট অগষ্টাছৰ ৰাজত্বকাল লেটিন সাহিত্যৰ কাছিকেল বা সোণালী যুগ মহাকবি ডান্টেৰ সময়ছোৱাই ইটালীয় সাহিত্যৰ ক্লাছিকেল যুগ চতুৰ্দ্দশ লুইৰ ৰাজত্বকালেই ফৰাচী সাহিত্যৰ ক্লাছিকেল যুগ। ইংৰাজী সাহিত্যৰ ক্ষেত্ৰত

ৰাণী এনৰ (Queen Anne) ৰাজত্বকালকেই ক্লাছিকেল যুগ বুলি ধৰা হয়। ৰাণী এনৰ ৰাজত্বকাল হ'ল অষ্টাদশ শতিকাৰ আগছোৱা। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে এলিজাবেথীয় যুগৰ সাহিত্য সৃষ্টিত ৰাণী এলিজাবেথৰ যি প্ৰভাৱ আছিল সেই প্ৰভাৱ ৰাণী এনৰ তেওঁৰ ৰাজত্বকালত নাছিল।

এতিয়া আমি অষ্টাদশ শতিকাটোক কিয় ক্লাছিকেল যুগ বুলি কোৱা হয় এই মূলকথাটোলৈ আহোঁ। আমি আগতে উল্লেখ কৰিছোঁ যে প্ৰথমতে ক্লাছিকেল সাহিত্য বুলিলে গ্ৰীক আৰু ৰোমান লেখকসকলৰ সাহিত্যকহে বুজাইছিল। এই লেখকসকলৰ ৰচনা ৰীতিত এটি বিশেষ বৈশিষ্ট্য আছিল। ৰোমান সম্ৰাট অগষ্টাসৰ ৰাজত্বকালত লেটিন সাহিত্য সমৃদ্ধিৰ চৰম শিখৰত উপনীত হৈছিল। এই সময়ত বিখ্যাত লেখকসকল আছিল ভাৰ্জিল ওভিদ হোৰেছ আদি। এই লেটিন সাহিত্যৰ প্ৰতি অষ্টাদশ শতিকাৰ ইংৰাজ সাহিত্যিকসকলৰ অতিমাত্ৰা শ্ৰদ্ধা আছিল। অনুগত শিষ্যৰ দৰে তেওঁলোকে লেটিন লেখকসকলৰ পদাংক অনুসৰণ কৰিছিল। নৈতিক আলোচনা আৰু ব্যঙ্গ বিদ্ৰূপ—অষ্টাদশ শতিকাৰ সাহিত্যৰ এই দুই বিভাগ লেটিন কবিতাৰেই অনুকৰণ। কাব্য ৰূপৰ উপৰিও তেওঁলোকে অনুকৰণ কৰিছিল ৰচনা ৰীতি বা প্ৰকাশভংগীক। কবিসকলৰ ৰচনা ৰীতিক অষ্টাদশ শতিকাৰ ইংৰাজ কবিসকলে নতুনকৈ প্ৰৱৰ্তন কৰে। সেই কাৰণে এই যুগটো প্ৰকৃতাৰ্থত নব্য ক্লাছিকেল যুগ (Neo-classical Age)। কোনো কোনোৱে pseudo-classical শব্দটোত ব্যৱহাৰ কৰিছে কাৰণ ই আচল ক্লাছিকেল নহয় নকল বা কৃত্ৰিম। ক্লাছিকেল ৰচনাৰীতি প্ৰয়োগ কৰা কাৰণে ক্লাছিকেল যুগ কিন্তু এই ৰচনাৰীতি লোকৰপৰা ধাৰ কৰি নতুনকৈ প্ৰয়োগ কৰা কাৰণে নব্য ক্লাছিকেল যুগ আকৌ মৌলিক নহৈ অনুকৰণ বা নকল কাৰণে কৃত্ৰিম ক্লাছিকেল বা pseudo-classical যুগ। লেটিন কবিসকলৰ ৰচনা ৰীতিৰ অনুকৰণৰ ক্ষেত্ৰত অষ্টাদশ শতিকাৰ ইংৰাজ কবিসকল ফৰাচী লেখক বইলো (Boileau) আৰু ৰেপিনৰ (Rapine) দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। তেওঁলোকেই ইংৰাজ কবি সকলৰ আগত ক্লাছিকেল ৰীতিমতে কাব্যৰচনাত হাত দিয়াৰ আদৰ্শ দাঙি ধৰে। হোৰেছৰ Art Poeteca ৰ লগত বইলোৰ Art Poetique (দুয়োখনেই সমালোচনা তত্ত্বমূলক কাব্যগ্ৰন্থ) নামৰ পুথিখনো অষ্টাদশ শতাব্দীত বৰ জনপ্ৰিয় হৈ উঠে। পোপে তেওঁৰ Essay on Criticism খন বইলোৰ Art Poetique ৰ আদৰ্শতে ৰচনা কৰে।

প্ৰাচীন (ক্লাছিকেল) ৰীতি-নীতিৰ প্ৰতি এই যুগৰ লেখকসকলৰ কেনেকুৱা

ধৰণৰ গভীৰ আনুগত্য আছিল তাৰ পোপৰ (Pope) কেইটিমান মন্তব্যই প্ৰমাণ কৰিব।

(ক) Learn hence for ancient rules a just esteem ;
To copy Nature is to copy them

(খ) These rules of old discovered not devised
Are Nature still but Nature methodised

(গ) First follow Nature and your judgement frame
By her just standard which is still the same

অষ্টাদশ শতিকাৰ কাব্যত Nature শব্দটো কি অৰ্থত ব্যৱহাৰ কৰা হৈছিল সেই সম্পৰ্কে বহুতো তৰ্ক বিতৰ্কৰ সৃষ্টি হৈছে আৰু এই সম্বন্ধে এতিয়াও কোনো থাটা সিদ্ধান্তত উপনীত হ'ব পৰা নাই। এইটো কথা ঠিক যে এই যুগৰ কবিৰ Nature ৰোমাণ্টিক যুগৰ কবিৰ Nature নহয়। Nature শব্দটোক আমি ইয়াত দুটা অৰ্থত ধৰি ল'ব পাৰো। কিছুমান পণ্ডিতৰ মতে Nature মানে human nature বা মানৱ প্ৰকৃতি। কাৰণ অষ্টাদশ শতিকাৰ কবিসকলৰ উদ্দেশ্য আছিল মানুহৰ স্বভাৱ চৰিত্ৰ চাল চলন ৰীতি নীতি আদৱ কায়দা আদিৰ ৰূপ দিয়া। সেইকাৰণে পোপে কৈছে— The proper study of mankind is man আন কেতবোৰৰ মতে Nature শব্দৰ অৰ্থ হ'ল যৌক্তিকতা স্বাভাৱিকতা যথোপযুক্ততা ঔচিত্য সুবুদ্ধি অথবা সাধাৰণ ব্যৱহাৰিক বুদ্ধি আদি। এইবোৰ লক্ষ্য কৰিব পাৰি প্ৰাচীন গ্ৰীক আৰু লেটিন কবিসকলৰ ৰচনাৰীতিত। সেইকাৰণে তেওঁলোকে ক'ব খোজে যে To Copy Nature মানে এই প্ৰাচীন লেখকসকলক অনুকৰণ কৰা। এওঁলোকৰ ৰচনাৰীতিক অনুকৰণ কৰিলেই Correct হোৱা বুজাইছিল। গতিকে Correct হ'বলৈ হ'লে লেখকৰ স্বকীয়তা বা মৌলিক চিন্তাৰ কাব্য ৰচনাত কোনো স্থান নাছিল। অষ্টাদশ শতিকাত লেখক সকলে জীৱনৰ ওপৰত আলোকপাত কৰিছিল সমীক্ষকৰ দৃষ্টিৰে কল্পনাপ্ৰৱণতাৰ ঠাইত তেওঁলোকে জোৰ দিছিল বুদ্ধিমত্তাত বা বিচাৰ বুদ্ধিত বিষয়বস্তুতকৈ ৰূপ বা গঢ়েহে তেওঁলোকৰ বেছি দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁলোকে নিজস্ব আবেগ-উদ্দীপনা সকলো দমন কৰিছিল আৰু যথাযথ পৰিপাটী আৰু মাৰ্জিত প্ৰকাশভংগী গ্ৰহণ কৰিছিল।

অষ্টাদশ শতিকাটোক অগষ্টান যুগ (Augustan Age) বুলিও জনা যায়। কবি গোল্ডস্মিথেই (Goldsmith) পোনপ্ৰথমে যুগটোক এই নামে অভিহিত কৰে। ৰোমান সম্ৰাট অগষ্টাছ চিজাৰৰ ৰাজত্বকালকেই (খ্ৰী পূ ৩১—খৃষ্টাব্দ ১৪) ৰোমান

বুৰঞ্জীত সোণালী যুগ বুলি কোৱা হয়। ঠিক সেইদৰে আমাৰ ভাৰত বুৰঞ্জীতো দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ ৰাজত্বকালকে সোণালী যুগ বুলি আখ্যা দিয়া হৈছে। সম্ৰাট অগষ্টাছৰ ৰাজত্বকালকেই সাহিত্য সংস্কৃতি কলা বেহা বেপাৰ আদি সকলো দিশত ৰোমান সাম্ৰাজ্যই চৰম উৎকৰ্ষ লাভ কৰে। দেশত শান্তি আৰু সমৃদ্ধি বিৰাজ কৰে। সাহিত্যৰ ক্ষেত্ৰত এইটো আছিল ভাৰ্জিল হোৰেছ ওভিদ আদিৰ যুগ। ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ অষ্টাদশ শতিকাটোক সম্ৰাট অগষ্টাছৰ ৰাজত্বকালৰ লগত তুলনা কৰাৰ কোনো যুক্তি নাই কাৰণ এই যুগত ইংলণ্ডত এনে কোনো প্ৰখ্যাত সাহিত্যিকৰ আবিৰ্ভাৱ হোৱা নাই যাক হোৰেছ ভাৰ্জিল বা ওভিদৰ লগত সমকক্ষ বুলি তুলনা কৰিব পাৰি। কিন্তু এই যুগত ইংৰাজসকলৰ সভ্যতা আৰু সংস্কৃতি অতি উচ্চস্তৰৰ আছিল বুলি মানুহৰ মনত এটি ধাৰণাৰ উদয় হৈছিল"আৰু সাহিত্যত ইয়াৰেই প্ৰতিফলন লক্ষ্য কৰা যায়। এই যুগৰ লেখকসকলৰ এটি উচ্চাশ্মিকা ভাব আছিল। তেওঁলোকে ড্ৰাইডেন পোপ এডিচন চুইফ্ট জনচন বাৰ্ক আদিক হোৰেছ ভাৰ্জিল চিচেৰো আদিৰ সমকক্ষ বুলি গণ্য কৰিছিল। এই ধাৰণা আজিকালি অৱশ্যে কোনেও সমৰ্থন নকৰে। কিন্তু এই যুগ দুটাৰ মাজৰ কিছু সাদৃশ্য আমাৰ দৃষ্টিগোচৰ হয়। হাডছনে এই প্ৰসঙ্গত আলোচনা কৰি লিখিছে—"In both cases men of letters were largely dependent upon powerful patrons In both cases a critical spirit prevailed In both cases the literature produced by a thoroughly artificial society was literature not of free creative effort and inspiration but of self conscions and deliberate art

এই যুগটোক পোপৰ যুগ (Age of Pope) বুলিও কোৱা হয় কাৰণ পোপেই হল এই যুগৰ আটাইতকৈ প্ৰতিনিধিমূলক কবি। এইটো ঠিক যে এই যুক্তি বা বিচাৰ বুদ্ধিৰ যুগৰ ভেটি স্থাপন কৰে ড্ৰাইডেনে। কিন্তু যুগৰ যি নতুন ভাৱধাৰা তাৰ নিখুঁত আৰু পৰিপূৰ্ণ ৰূপ দিয়ে পোপে। সেই কাৰণে যুগটোক ড্ৰাইডেনৰ যুগ বুলি নকৈ পোপৰ যুগ বুলি কোৱাৰ যুক্তি সৰল।

সাহিত্যৰ লগত সমাজৰ সম্বন্ধ এৰাব নোৱাৰা। সাহিত্য হল সমাজৰ দাপোণ স্বৰূপ গতিকে কোনো যুগৰ সাহিত্যৰ প্ৰকৃত মূল্যাঙ্কন কৰিবলৈ হলে যুগৰ বৈশিষ্ট্য সমূহৰ লগত আমাৰ পৰিচয় থকা অতি প্ৰয়োজনীয়। অষ্টাদশ শতিকাৰ ইংৰাজী সাহিত্যৰ ক্ষেত্ৰতো একে কথাই খাটে। গতিকে আমি এই যুগৰ সাহিত্যৰ মূল্যাঙ্কন কৰিবলৈ হলে যুগটোৰ ৰাজনৈতিক সামাজিক অৰ্থনৈতিক ধৰ্মীয় আদি বিভিন্ন

দিশৰ এটি থূলমূল ধাৰণা আমাৰ থকা দৰকাৰ। এই যুগৰ ৰাজনৈতিক বুৰঞ্জীৰ আলোচনা কৰিলে আমি পোনতে ১৬৮৮ চনৰ গৌৰৱময় বিপ্লৱৰ (The Glorious Revolution) কথা উল্লেখ কৰিবই লাগিব। এই বিপ্লৱৰ ফলস্বৰূপে ৰাজনৈতিক স্বাধীনতাৰ কাৰণে ইংলণ্ডত বহুদিন ধৰি চলি থকা সংগ্ৰামৰ ওৰ পৰে। ষ্টুৱাৰ্ট বংশসকলক আঁতৰাই পঠোৱা হ'ল আৰু তৃতীয় উইলিয়ামক ৰাজসিংহাসনত বহুওৱা হ'ল। এওঁ ৰাজত্ব কৰে ১৬৮৯ চনৰ পৰা ১৭০২ চনলৈকে। ৰাজনৈতিক স্বাধীনতা পোৱাৰ পিছত ইংৰাজসকলে গঠনমূলক ৰাজনৈতিক আলোচনাত আৰু শাসনব্যৱস্থা উন্নত কৰাত মনোনিবেশ কৰে। আইন সংস্কাৰ কৰাৰ কাৰণে এতিয়া ভোটৰ প্ৰয়োজন হ'ল। আকৌ ভোট পোৱাৰ কাৰণে মানুহৰ ওচৰ চাপিব লাগিব নীতি বাস্তৱ পৰিস্থিতি যুক্তি তথ্য আদি তেওঁলোকৰ আগত দাঙি ধৰি। ইয়াৰ কাৰণে প্ৰয়োজন হ'ল বাতৰি কাকতৰ। বাতৰি কাকত প্ৰচাৰ পত্ৰিকা আলোচনী আৰু আন আন কিতাপ জাতীয় প্ৰগতিৰ ক্ষেত্ৰত প্ৰধান হাতিয়াৰ বা আহিলা হৈ পৰিল। গৌৰৱময় বিপ্লৱৰ পিছতেই ইংলণ্ডত সাংবিধানিক ৰাজতন্ত্ৰৰ (Constitutional Monarchy) সূচনা হয়।

অষ্টাদশ শতিকাৰ কালছোৱাত চাৰিজন শাসনকৰ্তা ইংলণ্ডৰ ৰাজপাটত বহে। ইয়াৰ প্ৰথম গৰাকী হ'ল ৰাণী এন (Queen Anne 1702 1714)। এওঁৰ ৰাজত্ব কালৰ প্ৰধান ঘটনা কেইটা হ'ল হুইগ দলৰ (The Whigs) ক্ষমতা দখল ডিউক অফ মাৰ্লবৰোৰ (Duke of Marlborough) ফ্ৰান্সৰ বিৰুদ্ধে চাৰিবাৰ যুদ্ধত জয়লাভ আৰু ইংলণ্ড আৰু স্কটলেণ্ডৰ একত্ৰীকৰণ। এনৰ পিছত ৰজা হয় প্ৰথম জৰ্জ (George I 1741—1727)। এওঁৰ ৰাজত্বৰ প্ৰধান ঘটনা দুটা হ'ল চাউথ চি বাবল্ (South Sea Bubble) নামৰ জাতীয় বাণিজ্য পৰিকল্পনাটোৰ বিফলতা আৰু হুইগ প্ৰধানমন্ত্ৰী চাৰ ৰবাৰ্ট ওৱালপোলৰ সবল নেতৃত্বত ইংলণ্ডৰ আৰ্থিক দিশত সমৃদ্ধি লাভ দ্বিতীয় জৰ্জৰ (George II 1727—60) ৰাজত্বকালত ফ্ৰান্স আৰু স্পেইনৰ লগত যুদ্ধবাগৰ চলি থাকিলেও দেশৰ সমৃদ্ধি অটুট আছিল আৰু ভাৰতবৰ্ষ আৰু আমেৰিকাত বৃটিছ সাম্ৰাজ্যৰ বিস্তাৰ ঘটিছিল। তৃতীয় জৰ্জৰ (George III 1760—1820) ৰাজত্বকালত আমেৰিকাই স্বাধীনতা লাভ কৰে যদিও ফ্ৰান্সৰ বিৰুদ্ধে লগা যুদ্ধত ইংলণ্ডই নিজৰ মৰ্য্যদা বজাই ৰাখে আৰু ভাৰতত সাম্ৰাজ্য বিস্তাৰিত আৰু সুদৃঢ় হয়। জল আৰু স্থলত ইংলণ্ড অপ্ৰতিদ্বন্দ্বী সামৰিক শক্তি হিচাপে স্বীকৃত হয়।

এতিয়া আমি সামাজিক দিশটোলৈ আহোঁ। অষ্টাদশ শতিকাৰ প্ৰথমাৰ্দ্ধ দ্ৰুত সামাজিক অগ্ৰগতিৰ কাৰণে স্মৰণীয়। ইয়াৰ আগলৈকে মানুহ চালিত হৈছিল ঠেক

মধ্যযুগীয় ধ্যান-ধাৰণা বা দৃষ্টিভংগীবজাৰা। কোনোবাই অলপ বেলেগ দৃষ্টিভংগী গ্ৰহণ কৰিলেই বিৰোধৰ সন্মুখীন হ'ব লগা হৈছিল। এই যুগতেই মানুহে পোন প্ৰথম বাৰৰ বাবে শিকে যে মতভেদ থাকিলেও সকলো মানুহে একেলগে সুস্থ সামাজিক জীৱন যাপন কৰিব পাৰে। কেইবছৰমানৰ ভিতৰতে কেৱল লণ্ডনতে প্ৰায় দুই হাজাৰ মান কফি হাউছ গঢ়ি উঠিল। প্ৰাইভেট ক্লাববোৰৰতো সীমা সংখ্যাই নোহোৱা হ'ল। কফিৰ দোকানবোৰ সকলো শ্ৰেণীৰ মানুহৰে আড্ডা হ'বলৈ ধৰিলে। কফি খাই আমোদ লোৱাৰ উপৰিও তেওঁলোকে তাত দেশ বা সমাজৰ সকলো দিশৰ আলোচনা কৰিবলৈ লাগিল। আলোচনাৰ কেন্দ্ৰ হোৱাৰ কাৰণে সেইবোৰ একপ্ৰকাৰ শিক্ষাকেন্দ্ৰও হৈ পৰিল। ক্লাববোৰত মদ্যপান আৰু জুৱাখেলা সচৰাচৰ ঘটনাত পৰিণত হ'ল। মদ্যপানক কোনো অপৰাধ বুলি ধৰা নহৈছিল। আঢ্যৱন্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকৰ মাজত ই একপ্ৰকাৰ ঢং বা বিলাসত পৰিণত হৈছিল। নস্য ৰখা সৰু টেমা (snuff box) লগত লৈ ফুৰাটোও উচ্চশ্ৰেণীৰ মানুহৰ এটা ঢং হৈ পৰিছিল। এনেকুৱা ধৰণৰ নতুন সামাজিক জীৱনে মানুহৰ আচাৰ ব্যৱহাৰ মাৰ্জিত কৰাত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। তথাপিও বাণী এনৰ দিনত লণ্ডনৰ সাধাৰণ লোকসকলক ব্যৱহাৰত কঠোৰ আৰু ৰুচিত গ্ৰাম্য যেনেই লগা হৈ আছিল। লণ্ডন চহৰখন আছিল একেবাৰে লেতেৰা তদুপৰি ৰাস্তাত নাছিল লাইট। চোৰ ডকাইতৰ ভয়ত ৰাতি ওলোৱাই নিৰাপদ নাছিল। তথাপিও বাহ্যিকভাৱে মানুহে ভদ্ৰ আচৰণ দেখুৱাইছিল। আচাৰ ব্যৱহাৰত শিষ্ট আৰু পোছাক পৰিচ্ছদত নিকা আৰু পৰিপাটী হোৱাটো মানুহে তেওঁলোকৰ প্ৰথম কৰ্তব্য বুলি ধৰি লৈছিল। এই দৃষ্টিভংগীটো তেওঁলোকৰ ব্যৱহাৰ আৰু লিখনি—এই দুয়োটাতে ফুটি উঠিছিল। যি কোনো এখন কিতাপ বা এটি কবিতা পঢ়িলেই এই বাহ্যিক বা উপৰুৱা ৰুচিবোধটো ধৰা পৰিছিল। ৰাজনৈতিক দল দুটা আছিল টোৰী (Tory) আৰু হুইগ (Whig) আৰু খৃষ্টান ধৰ্মাৱলম্বী লোক কেথেলিক (Catholics) এংলিকান (Anglicans) আৰু ডিচেণ্টাৰ (Dessenter)। এই তিনিটা সম্প্ৰদায়ত বিভক্ত হৈছিল। তথাপিও নতুনকৈ গঢ়ি উঠা সমাজ জীৱনে বহুত ধৰণৰ বিৰোধ শাম কটাব পাৰিছিল। অন্ততঃ দেখাত চাৰিওফালে শান্তি আৰু ঐক্যই বিৰাজ কৰিছিল। প্ৰায় সকলোবোৰ লেখকৰে ধৰ্ম আৰু ৰাজনীতিৰ লগত সম্পৰ্ক আছিল আৰু বিভিন্ন পৰস্পৰ বিৰোধী গোষ্ঠীভুক্ত হ'লেও সকলোৱে সহিষ্ণুতা প্ৰদৰ্শন কৰিছিল। যুক্তি প্ৰদৰ্শনত বিচাৰ বুদ্ধি নাইবা ধৰ্মশাস্ত্ৰৰ মত তেওঁলোকে গ্ৰহণ কৰা দেখা গৈছিল আৰু বিৰোধী পক্ষক আক্ৰমণ কৰিব লাগিলে তেওঁলোকক চয়তানৰ অনুগামী বুলি বেয়া ভাষা ব্যৱহাৰ কৰাৰ সলনি

সুস্থ ব্যক্তৰ সহায় লৈছিল। কেতিয়াবা ব্যতিক্রম দেখা গ'লেও গোটেই যুগটোৰ সাধাৰণ দৃষ্টিভঙ্গী আছিল উদাৰ বা সহনশীল। বহুদিন সংগ্ৰাম কৰি ব্যক্তি স্বাধীনতা লাভ কৰাৰ পিছত মানুহে এতিয়া নিজৰ প্ৰকৃতি সম্বন্ধে অধ্যয়ন কৰাত লাগিল। তেওঁলোকে দেখিলে যে হুইগ টোৰী কেথেলিক এংলিকান আদি বিভিন্ন গোষ্ঠী-সম্প্ৰদায়ৰ মাজত একে মানৱ বৈশিষ্ট্যই বিৰাজমান। মানুহৰ এই উদাৰ আৰু সুস্থ দৃষ্টিভ গীৰ মূলতে হ ল শিক্ষা বিস্তাৰ আৰু স্বদেশানুৰাগৰ উন্মেষ। সকলোৱে উপলব্ধি কৰিলে যে ৰাজনৈতিক বা ধৰ্মীয় মতভেদ থাকিলেও তেওঁলোক একে ইংৰাজ জাতি।

এই শতিকাৰ দ্বিতীয়াৰ্দ্ধত সামাজিক আৰু ৰাজনৈতিক অগ্ৰগতি বেছ চকুত লগা। ৰজা প্ৰথম জৰ্জৰ ৰাজত্বকালত আজিকালিৰ দৰে মন্ত্ৰীসভা গঠন কৰা হয়। ১৭৫৭ চনত প্ৰধানমন্ত্ৰী ওৱালপোলৰ (Walpole) দুৰ্নীতিমূলক কামবোৰৰ ঠাইত পিটৰ (Pitt) উদাৰ কল্যাণকামী আৰু গঠনমূলক নীতি গ্ৰহণ কৰা হয়। বিভিন্ন ঠাইত স্কুল প্ৰতিষ্ঠা কৰা হয়। আৰু ক্লাবঘৰ আৰু কফিৰ দোকানৰ সংখ্যা বাঢ়ে। কিতাপ আৰু আন আন আলোচনীৰ প্ৰকাশ বাঢ়ি যায় বাতৰি কাকত অতি শক্তিশালী হৈ উঠে। The Chronicle The Post The Times আদি দৈনিক বাতৰি কাকতে বোৰে জনশিক্ষাৰ দিশত বহুতো সাফল্য লাভ কৰে। ধৰ্মীয় দিশত মেথডিষ্ট সম্প্ৰদায়ৰ প্ৰভাৱ বাঢ়ে। ইয়াৰ উপৰিও পৃথিৱীৰ বিভিন্ন ঠাইত ইংলণ্ডৰ সাম্ৰাজ্য বিস্তাৰ হয়। অৰ্থনৈতিক দিশতো কিছু সাফল্য এই যুগত লক্ষ্য কৰা যায়। আগতে উল্লেখ কৰা হৈছে যে এই যুগত দেশৰ আৰ্থিক সমৃদ্ধি লাভ হয়। কিন্তু লেখক সকলৰ অৱস্থা সিমান টনকিয়াল হোৱা নাছিল। কোনো পৃষ্ঠপোষক নাথাকিলে তেওঁলোকৰ পুথি পাজি প্ৰকাশ কৰাই সম্ভৱ নহৈছিল। শিল্প বিপ্লৱৰ ফলস্বৰূপে বিভিন্ন ধৰণৰ মেচিনৰ প্ৰবৰ্তন হ ল আৰু বহুতো কাৰখানা গঢ়ি উঠিল। ইয়াৰ ফলত জাতীয় আয় বাঢ়ি গ ল ঠিকেই কিন্তু গাঁও অঞ্চল কল কাৰখানাবে ভৰি পৰা কাৰণে খেতিয়ক সকলৰ বহুতো অসুবিধাও হ ল। আইন শৃঙ্খলাৰ ক্ষেত্ৰতো কিছু অসুবিধাই দেখা দিলে। ঠায়ে ঠায়ে অপৰাধ বাঢ়ি যোৱা কাৰণে ফৌজদাৰী আইন অতি কঠোৰ হ ব লগা হ ল। এই যুগৰ এটি মন কৰিব লগীয়া কথা এয়ে যে সামাজিক ৰাজনৈতিক অৰ্থনৈতিক আদি সকলো দিশত উচ্চ শ্ৰেণীৰ মানুহবহে প্ৰতিপত্তি দেখা গৈছিল আৰু সেইকাৰণে সাহিত্যয়ো তেওঁলোকৰ জীৱনৰ চিত্ৰহে দাঙি ধৰে।

প্ৰখ্যাত কবি আৰু সমালোচক মেথিউ আৰ্ণল্ডে (Mathew Arnold) অষ্টাদশ শতিকাটোক আখ্যা দিছিল The Age of Prose and Reason বুলি। অষ্টাদশ

শতিকাক age of prose বুলি কোৱাৰ যুক্তি যুক্ততা নোহোৱা নহয়। ইয়াৰ আগলৈকে ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ সকলো কেইটা যুগতে আছিল কবিতাৰ প্ৰতিপত্তি ইয়েই আছিল ইংৰাজী সাহিত্যৰ গৌৰৱৰ বস্তু। অষ্টাদশ শতাব্দীতেই পোন প্ৰথমবাৰৰ কাৰণে গদ্য সাহিত্যই গুৰুত্ব লাভ কৰে। গদ্য সাহিত্যৰ উন্নব আৰু বিকাশৰ মূলতে হ ল কেতবোৰ সামাজিক আৰু ৰাজনৈতিক কাৰণ। এই সময়ত জনশিক্ষাৰ বাহন হিচাপে বহুতো কিতাপ আলোচনী আৰু বাতৰি কাকতৰ প্ৰয়োজন হয়। এনেবোৰ কামৰ কাৰণে কবিতা কেতিয়াও উপযোগী হব নোৱাৰে। সেই কাৰণে প্ৰসাৰ লাভ কৰে গদ্য সাহিত্যই। গদ্য সাহিত্যৰ চমৎকাৰ নিদৰ্শন হ ল এডিচনৰ ৰচনাৱলী চুইফ টৰ ব্যঙ্গ ৰচনা ফিল্ডিঙৰ উপন্যাস গিবনৰ বুৰঞ্জী সাহিত্য আৰু বাৰ্কৰ বক্তৃতাৱলী। এই যুগৰ কোনো কাব্যসাহিত্যই এই গদ্য সাহিত্যৰ সমকক্ষ নহয়।* প্ৰকৃতপক্ষে ক বলৈ গ লে এই যুগৰ কাব্য সাহিত্যও আছিল গদ্য ধৰ্মী। ইয়াৰ উন্নব কল্পনাৰ অভিব্যক্তি হিচাপে হোৱা নাছিল হৈছিল কেৱল সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ ব্যঙ্গ আৰু সমালোচনাৰ কাৰণেহে। গদ্য সাহিত্য যি উদ্দেশ্যত ব্যৱহাৰ হয় কবিতাও সেই একে উদ্দেশ্যতে ব্যৱহাৰ হৈছিল পোপৰ কবিতা মসৃণ আৰু বুদ্ধিদীপ্ত ঠিকেই কিন্তু ই আছিল একেবাৰে কৃত্ৰিম। ইয়াত উদ্দীপ্ততা কবি কল্পনা সূক্ষ্ম অনুভূতি প্ৰাণ চাঞ্চল্য বা উদ্দীপনা এলিজাবেথীয় যুগৰ উল্লাস বা পিউৰিটান সকলৰ নৈতিক একাগ্ৰতা আদি একেবাৰেই নাই। এনেকুৱা ধৰণৰ কবিতাই সাধাৰণতে মানুহক আকৰ্ষণ কৰে জীৱনৰ সমালোচনা হিচাপে। ই কল্পনা শক্তিক উদ্দীপ্ত কৰি আমাক আনন্দ প্ৰদান কৰিব নোৱাৰে বা অনুপ্ৰাণিত কৰিব নোৱাৰে। অষ্টাদশ শতাব্দীৰ গদ্য সাহিত্য বিচিত্ৰময় আৰু উচ্চ মানবিশিষ্ট আৰু গদ্যৰীতিয়ে বিকাশ লাভ কৰে পোন-প্ৰথমে ড্ৰাইডেনৰ হাতত।

অষ্টাদশ শতিকাক age of reason বুলি কোৱাৰ যুক্তিও বৰ দুৰ্বল নহয়। এই যুগত সকলো দিশতে আৱেগ অনুভূতিতকৈ reason বা বিচাৰ বুদ্ধিৰদ্বাৰা চালিত হোৱা প্ৰৱণতা এটা মানুহৰ মাজত গঢ়ি উঠে। Reason শব্দটোৰ অৰ্থ হ ল সুবুদ্ধি যুক্তিবাদ বুদ্ধিমত্তা ইত্যাদি। ই অত্যধিক আৱেগ-প্ৰৱণতা ভাৱপ্ৰৱণতা সংযমহীনতা উৎকেন্দ্ৰিকতা বা অস্বাভাৱিকতা আৰু কাল্পনিকতাৰ বিৰোধী। এই প্ৰসঙ্গত কাজামিয়াই কৈছে "The true source and the real quality of English classicism are of a psychological nature Its ideal its characteristics its method all resolve themselves into a general searching after rationality লেখকসকলৰ যুক্তিবাদী মনৰ প্ৰতিফলন ঘটে

সাহিত্যত। হাডচনৰ মতে "it is a literature of intelligence (though of intelligence which rarely goes much b>neath the surface of things) of wit and of fancy not a literature of emotion passion or creative en rgy , and in it spontancity and simplicity are sacrificed to the dominant mania for elegance and correctn ss যুক্তি বা বিচাৰ বুদ্ধিক চুইফ ট পোপ ড জনচন আদি সকলোৱে তেওঁলোকৰ ৰচনাত উচ্চস্থান দিছে আৰু যিহকেই অযুক্তিকৰ বা বুদ্ধিহীন বুলি গণ্য কৰিছে তাকেই ব্যঙ্গ কৰিছে। A C Ward প্ৰমুখ্যে কিছুমান পণ্ডিতে অৱশ্যে এই যুগটোক Age of Reason বুলি মানি লোৱা নাই।

ব্যঙ্গৰ (satire) প্ৰভাৱ এই যুগৰ সাহিত্যৰ এটি উল্লেখযোগ্য দিশ। ব্যঙ্গধৰ্মিতা অষ্টাদশ শতাব্দীৰ গদ্য পদ্য উভয়ৰে এটি বিশেষ লক্ষণ। ইয়াৰ মূল কাৰণ দুটা। ইয়াৰ প্ৰথমটো হ ল সাহিত্যক ৰাজনীতিৰ লগত কৰা সংমিশ্ৰণ। এই যুগত বাতৰি কাকত আছিল অতি শক্তিশালী আৰু ৰাজনৈতিক দলবোৰৰ মাজত আছিল প্ৰবল প্ৰতিদ্বন্দ্বিতা বা অৰিয়াঅৰি। ৰাজনীতিজ্ঞ সকলে প্ৰায় সকলো লেখকক নিজৰ স্বাৰ্থত আনক আক্ৰমণ কৰিবলৈ আৰু নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ কামত লগাইছিল। এই ক্ষেত্ৰত অৱশ্যে পোপক ব্যতিক্ৰম বুলি ধৰা হৈছে। ব্যঙ্গসাহিত্যৰ উদ্ভৱৰ আন এটি কাৰণ হ ল বিচাৰ বুদ্ধিৰ দ্বাৰা চালিত কবিসকলৰ সমাজক সংস্কাৰ কৰাৰ প্ৰৱণতা। ব্যক্তিগত ব্যৱহাৰত উৎকেন্দ্ৰিকতা বা সামাজিক আচৰণত কপটতা অসাধুতা ভণ্ডামি অ ত্ম সম্মানবোধৰ অভাৱ অমাৰ্জিত ৰুচি ধন বা পদগৌৰৱৰ কাৰণে অভিমান আদিৰ দোষৰ প্ৰাধান্যই বহুতো কবিৰ অন্তৰত আঘাত দিয়ে। গতিকে নৈতিক উপদেশৰদ্বাৰা সমাজক এইবোৰ দোষৰ পৰা নিৰাময় কৰিবলৈ তেওঁলোকে যত্ন কৰে। তাকে কৰিবলৈ যাওঁতে তেওঁলোকে ব্যঙ্গৰ আশ্ৰয় ল ব লগা হয় কাৰণ তেওঁলোকৰ উপদেশ একেবাৰে গুৰুগম্ভীৰ হলে মানুহৰ মনোগ্ৰাহী নহ বও পাৰে। গতিকে যদি হাস্য ব্যঙ্গ ৰস মিশ্ৰিত কৰা যায় মানুহে তাক পঢ়িও আমোদ পায় আৰু নিজৰ দোষ সম্বন্ধেও সচেতন হৈ পৰে। গতিকে দেখা যায় যে ব্যঙ্গধৰ্মিতা আৰু উপদেশধৰ্মিতা বা প্ৰচাৰধৰ্মিতাৰ মাজত থাকে এটি ওতপ্ৰোত সম্বন্ধ। সেই কাৰণে এই যুগৰ কবিতা প্ৰচাৰধৰ্মী বা উদ্দেশ্যধৰ্মী। অষ্টাদশ শতিকাৰ ব্যঙ্গৰচনাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ ল চুইফ টৰ Gulliver s Travels পোপৰ The Dunciad The Rap of th Lock আৰু এডিচন আৰু ষ্টীলৰ Th Sp-ctator Pap rs আদি।

উপৰোক্ত পটভূমিৰ ভিত্তিত আমি এতিয়া ক্লাছিকেল বা ধ্ৰুপদী কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ বিচাৰ কৰি চাম। অষ্টাদশ শতাব্দীৰ ধ্ৰুৱবাদ আছিল এক বিশেষ ধৰণৰ। এই বিশেষত্ব প্ৰকাশ পায় ফৰাচী ধ্ৰুৱবাদৰ প্ৰভাৱৰ জৰিয়তে। ফৰাচী প্ৰভাৱৰ ফলত ভাৱবস্তুকৈ ৰূপবৈচিত্ৰ্যতহে জোৰ দিয়া দেখা যায়। অন্ত্যমিলযুক্ত ছন্দত ৰচিত ট্ৰেজেডিবোৰৰ বিষয়বস্তুও ফৰাচী দেশৰ ৰোমাঞ্চবোৰৰ পৰা সংগৃহীত হ'বলৈ ধৰে। গ্ৰীক আৰু লেটিন সাহিত্যত আমি ব্যঙ্গ মহাকাব্যৰ (mock heroic epic) নিদৰ্শন নাপাওঁ। ইংৰাজ কবিসকলে ইয়াৰ নমুনা গ্ৰহণ কৰে ফৰাচী নব্য ধ্ৰুপদী লেখক সকলৰ পৰা। ফৰাচী কবি আৰু সমালোচক বইলোৰ Le Lutrin নামৰ ব্যঙ্গ মহাকাব্যৰ অনুকৰণত ড্ৰাইডেনে Mac Flecknoe আৰু পোপে The Rape of the Lock The Dunciad আদি ৰচনা কৰে।

অষ্টাদশ শতিকাৰ কাব্য সাহিত্যত ৰোমাণ্টিক কাব্যৰ ৰহস্যময়তা বিস্ময়ানুভূতি কাল্পনিকতা আদিৰ স্থান নাই। ই হ'ল সমসাময়িক জীৱনৰ চিত্ৰ। আবেগ অনুভূতি বা কল্পনাবিলাসক বাদ দি যিটো সহজে বোধগম্য তাকেহে কবিসকলে তেওঁলোকৰ কাব্যত ৰূপ দিছিল। প্ৰাঞ্জলতা কবিতাৰ বৈশিষ্ট্য হ'লেও এই প্ৰাঞ্জলতাত কোনো সূক্ষ্মতা নাইবা গভীৰতা নাই। লোকৰ বোধগম্য নোহোৱা কোনো কথাকে কবিসকলে তেওঁলোকৰ কবিতাত স্থান দিয়া নাই। মানুহৰ স্বাভাৱিক অভিজ্ঞতা অথবা দৃষ্টি ভংগীৰ কথা তেওঁলোকে সততে মনত ৰখা লক্ষ্য কৰিব পাৰি।

এই যুগৰ কবিতাৰ আন এটি বৈশিষ্ট্য হ'ল ৰচনা ৰীতিৰ সংযম ইয়াৰ বস্তুধৰ্মিতা আৰু ঔৎসুক্য বিহীনতা (Lack of Curiosity)। ই সমসাময়িক জীৱনৰ চিত্ৰ হ'লেও সমাজৰ সকলো দিশ সামৰা নাই। ই ৰাজসভা আৰু চহৰৰ বিলাসী আৰু চৌখিন জীৱনৰহে চিত্ৰ। ক্লাবঘৰ কফিৰ দোকান সুসজ্জিত বৈঠকখানা আৰু তাছখেল আদিৰ আনন্দ-উল্লাসৰ ছবিহে ইয়াত পোৱা যায়। পোপে কৈছিল যে মানুহৰ অধ্যয়নৰ প্ৰধান বিষয় হ'ল মানুহেই কিন্তু তেওঁলোকৰ কবিতাত গোটেই মানৱসমাজে স্থান নাপালে পালে মাত্ৰ লণ্ডন আৰু আন জেনে চহৰত বাসকৰা একশ্ৰেণী লোকেহে। এই কবিতা হ'ল নগৰীয়া জীৱনৰ কবিতা (town poetry)। ইয়াত গ্ৰাম্য জীৱন বা প্ৰকৃতিৰ কোনো স্থান নাই ইয়াত অতীতৰ প্ৰতি আৰ্কষণো নাই আৰু ভৱিষ্যতৰ স্বপ্নও নাই। ইয়াক আকৃষ্ট কৰিছিল সভ্যতাই (Civilization) কিন্তু এই সভ্যতাও মানৱ সভ্যতা নহৈ লণ্ডন চহৰৰ কৃত্ৰিম সভ্যতাহে। এই কবিতাত সৌন্দৰ্য্যৰ লগত বিস্ময়ানুভূতিৰ সংযোগো নাই। অস্বাভাৱিক বিস্ময়কৰ বা অচিন আচহুৱা কোনো কথা বা ধ্যান ধাৰণাকে ই গ্ৰহণ নকৰে। প্ৰাচ্যদেশৰ প্ৰতি স্কট

চাউণ্ডী বা বায়ৰণৰ যি অলপ আৰ্কৰণ আছিল অষ্টাদশ শতাব্দীৰ ক্লাছিকেল কবিৰ সি অকণো নাছিল।

যেখিউ আৰ্ণল্ডে কৈছে যে প্ৰকৃত অৰ্থত কবিতা বুলিলে আমি যি বুজো সেই কবিতা অষ্টাদশ শতিকাত পাবলৈ নাই। প্ৰকৃত কবিতা আৰু অষ্টাদশ শতিকাৰ কবিতাৰ পাৰ্থক্য আলোচনা কৰি তেওঁ কৈছে—"The difference between genuine poetry and the poetry of Dryden Pope and all their school is briefly this their poetry is conc ived and composed in their wits genuine poetry is conceived and composed in the soul প্ৰকৃত কবিতাৰ সৃষ্টি হয় হৃদয়ৰ পৰা ই হ'ল মনোজগতৰ প্ৰকাশ কিন্তু ড্ৰাইডেন পোপ আদিৰ কবিতাৰ উৎস হ'ল মগজু বা বুদ্ধিদীপ্তি। এই বুদ্ধিদীপ্তিৰ প্ৰাধান্য অষ্টাদশ শতিকাৰ প্ৰায় সকলোবোৰ প্ৰখ্যাত ৰচনাতে লক্ষ্য কৰিব পাৰি। এই শতিকাৰ প্ৰধান ৰচনাবোৰ হ'ল ব্যঙ্গধৰ্মী।

বুদ্ধিদীপ্তিৰ (wit) উদ্ভৱ হয় ধীশক্তি মেধা বা মগজুৰ (intellect) পৰা আৰু ইয়াৰ উপযুক্ত প্ৰকাশ মাধ্যম হ'ল গদ্য। আগতে উল্লেখ কৰা হৈছে যে অষ্টাদশ শতিকা হ'ল মুখ্যত গদ্যৰ যুগ। এই যুগটোক ইংৰাজী গদ্য সাহিত্যৰ সোণালী যুগ বুলি কব পাৰি। ড্ৰাইডেন এডিচন ষ্টীল চুইফ্‌ট ড জনচন গোল্ডস্মিথ গিবন বাৰ্ক আদিৰ গদ্য ৰচনা ইংৰাজী গদ্য সাহিত্যৰ অমূল্য সম্পদ। এই যুগৰ কাব্য সাহিত্যও হ'ল গদ্যগন্ধী। Essay on Man Essay on Criticism Vanity of Human Wishes Sheep Farming and Wool Trade Education Art of Preserving Health আদি শিৰোনামাবোৰেই গদ্য ৰচনাৰ শিৰোনামাৰ দৰে। এই কবিতাই আমাৰ বুদ্ধিমত্তাক স্পৰ্শ কৰিব পাৰে কিন্তু হৃদয়ক নোৱাৰে। বিচাৰ বুদ্ধিয়েই আছিল কবিসকলৰ মূলকথা। জীৱনক তেওঁলোকে চাইছিল সমীক্ষকৰ দৃষ্টিভংগীৰে। নিজৰ আৱেগ অনুভূতিৰ যাতে কোনো প্ৰকাশ নহয় তাৰবাবে কবিসকল আছিল সচেষ্ট। তেওঁলোকে জোৰ দিছিল যথাযথ সুবিন্যস্ত আৰু মনোৰম প্ৰকাশভংগীত। এই কবিতা হ'ল মগজুৰ হৃদয়ৰ নহয়।

অষ্টাদশ শতাব্দীত মানুহৰ আচাৰ ব্যৱহাৰ যেনেকৈ বাহ্যিকভাৱে মাৰ্জিত আছিল সাহিত্যবো তেনেকৈ বাহ্যিক ৰূপ (অৰ্থাৎ প্ৰকাশভংগী) আছিল নিমজ বা মসৃণ (polished)। এই যুগটো আছিল ধুন পেছ মাৰি ফুৰা যুৱক-যুৱতী কৰি নস্য পাউডাৰ চুলি লগোৱা টুপী গান বাজনা আৰু ৰংচঙীয়া পোছাক-পৰিচ্ছদৰ যুগ। টুপীটো খুলি লওঁতে বা নস্যৰ টেমাটো আনক দিওঁতে মানুহে যেনেকৈ বিশেষ এটা

ধৰাবন্ধা নিয়ম বা ধৰণ অনুসৰণ কৰিছিল তেনেকৈ কাব্য ৰচনাৰ ক্ষেত্ৰতো কবিসকলে কেতবোৰ ধৰাবন্ধা নিয়ম বা পৰম্পৰা মানি চলিছিল। এই যুগৰ কবিতাই সমাজৰ বাহ্যিক ৰূপটোৰহে প্ৰতিফলন ঘটাইছিল কোনো লোকৰ মৌলিক অনুভূতিৰ নহয়।

পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন আৰু প্ৰাচীন ৰীতি নীতি আদি মানি লোৱাৰ পৰিপ্ৰেক্ষিতত অষ্টাদশ শতাব্দীৰ কবিতাক ধ্ৰুপদী কবিতা বুলি কোৱা হয়। এই ক্ষেত্ৰত কবিসকলৰ পথ প্ৰদৰ্শক আছিল হোৰেছ। হোৰেছৰ নীতি ব্যাখ্যা কৰিছিল ফৰাচী কবি আৰু সমালোচক বইলোৱে আৰু ইংৰাজ কবিসকলে মানি লৈছিল বইলোৰ ব্যাখ্যা। এই যুগৰ সকলো কবি সাহিত্যিকে ঠিক কৰি লৈছিল যে তেওঁ লোকৰ কৰ্তব্য হ'ল correct হোৱা। এতিয়া correct হোৱা মানে কি? প্ৰাচীন লেখকসকলৰ ৰচনাৰীতি গ্ৰহণ কৰাই হ'ল correct হোৱা। যেনে নাটকৰ ক্ষেত্ৰত তিনি ঐক্য ৰক্ষা কৰা আৰু ট্ৰেজেডি আৰু কমেডিক (অৰ্থাৎ ট্ৰেজিক আৰু কমিক উপাদানক) সংমিশ্ৰণ নকৰা কবিতাত অমিত্ৰাক্ষৰ ছন্দক বাদ দি হিৰোয়িক কাপ লেট ব্যৱহাৰ কৰা অন্ত্যমিল (rhyme) গ্ৰহণ কৰা ইত্যাদি। বিৰোধাভাসযুক্ত (antithetical) আৰু শ্লেষাত্মক (epigrammatic) প্ৰকাশভঙ্গীয়েই আছিল বেছিভাগ লেখকৰ লক্ষ্য।

অষ্টাদশ শতিকাৰ আগছোৱাত গীতিকবিতাই বিশেষ গা কৰিব পৰা নাছিল। গ্ৰে কলিন্স আৰু বাৰ্ণছৰ আগলৈকে গীতিকবিতা প্ৰায় নাছিল বুলিলেই হয়। চনেটৰ ক্ষেত্ৰতো একে কথাই খাটে। মিল্টন আৰু ওৱাৰ্টনৰ চনেটৰ মাজত ওৱালছ (Walsh) নামৰ লেখক এজনৰ দুই এটি চনেটহে মাত্ৰ পোৱা যায়। পোপৰ যুগৰ কাব্যসাহিত্যৰ আন কিবা গুণ থাকিলেও গীতিসুৰ নাছিল। ক্লাছিকেল যুগত গীতি কবিতাৰ অভাৱ তাৎপৰ্য্যপূৰ্ণ। ব্যক্তিগত আবেগ অনুভূতি প্ৰকাশ কৰাৰ কাৰণে গীতিকবিতাই হ'ল উপযুক্ত মাধ্যম। নীতি-নিয়ম আৰু পৰম্পৰাত জোৰ দিয়াৰ কাৰণে ক্লাছিকেল যুগত এইবিধ কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ নহ'ল ইয়াৰ কাৰণে আমি ৰোমাণ্টিক কবিসকললৈকে অপেক্ষা কৰিব লগা হ'ল।

ক্লাছিকেল যুগৰ কবিসকলৰ বিবেচনা বা আলোচনাৰ বিষয় হ'ল নৈতিকতা আৰু আচাৰ পদ্ধতি বা ৰীতি নীতি। উপদেশধৰ্মী কবিতা ৰচনা কৰাই আছিল এই যুগৰ প্ৰচলিত ৰীতি। সেই কাৰণে আমি বহুতো কবিৰ ৰচনাত প্ৰবাদ বাক্য বা প্ৰবচনৰ লেখীয়া বহুতো বাক্য দেখিবলৈ পাওঁ। পোপৰ ৰচনাৰ বহুতো বাক্য এতিয়া প্ৰবচনলৈ ৰূপান্তৰিত হৈছে।

ক্লাছিকেল কবিতাত প্ৰকৃতিৰ স্থানো সুকীয়া। Nature শব্দটো এই যুগৰ কি

কি অৰ্থত ব্যৱহাৰ কৰা হৈছিল তাৰ উল্লেখ আগতে অলপ কৰা হৈছে। বহিঃপ্ৰকৃতিৰ বৰ্ণনা ক্লাছিকেল কবিতাত নোহোৱা নহয় কিন্তু ই ৰোমাণ্টিক কবিতাৰ প্ৰকৃতি নহয়। ক্লাছিকেল কবিসকলৰ চৰাই চিৰিকতি ফুল-পাত গছ লতা হাবি বননি আদিৰ প্ৰতি কোনো আকৰ্ষণ নাই। প্ৰকৃতি তেওঁলোকৰ মতে শান্তিৰ উৎসও নহয় বা কাব্য ৰচনাৰ প্ৰেৰণাশক্তিও নহয়। প্ৰকৃতিৰ কোনো লক্ষ্য নাই বুলিও তেওঁলোকে ভাবে। কোনো নৈতিক আৰু আধ্যাত্মিক দৃষ্টিকোণৰ পৰা প্ৰকৃতি জগতৰ ব্যাখ্যা তেওঁলোকে আগবঢ়োৱা নাই। সেই কাৰণে প্ৰকৃতি জগতত এক মহাশক্তিয়ে বিৰাজ কৰিছে বুলিও তেওঁলোকে কোৱা নাই। তেওঁলোকৰ কবিতাত প্ৰকৃতিৰ যি অলপ বৰ্ণনা পোৱা যায় সিও একেবাৰে নীৰস। চিত্ৰকল্পসমূহ বহু ঠাইত অস্পষ্ট আৰু বহু ঠাইত গতানুগতিক নতুনত্ব একো নাই। গুণবাচক শব্দবোৰো সকলো ঠাইতে প্ৰায় একেই। অৰ্থাৎ কোনো এটা বস্তুক সকলো ঠাইতে একে গুণবাচক শব্দেৰেই বৰ্ণনা কৰা হৈছে। যেনে মলয়া বতাহক সকলো ঠাইতে balmy, নিৰ্জন স্থানক sylvan আৰু বসন্ত কালক crystal বুলি কোৱা হৈছে।

অষ্টাদশ শতিকাৰ কবিতাত ব্যক্তিগত পৰ্যবেক্ষণ বা আবেগ অনুভূতিৰ কোনো স্থান নাই। ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো তেওঁলোকে মিল্টনৰ অনুকৰণেৰে আৰম্ভ কৰিছে। ইয়াৰ উপৰিও সকলো বস্তুকে ব্যক্তিৰূপ দিয়াটো (personification) তেওঁলোকৰ এটা দস্তুৰ হে পৰিছিল। গুণ দোষ আদিৰ কথাই নাই বসন্ত ৰোগৰ ছিটাকো এগৰাকী দেৱী বুলি সম্বোধন কৰা দেখা গৈছে। ক্লাছিকেল কবিসকলে ভাবিছিল যে কোনো এটা বস্তু সচৰাচৰ আনে যি বুলি কয় তাকে কোৱাটো নিম্নতা বা অনগ্ৰসৰতা ৰ চিন। গতিকে তেওঁলোকে বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰিছিল। যেনে blood হ'ল gore sun হ'ল phoebus bird হ'ল feathered tribe fish হ'ল scaly breed ইত্যাদি। এনেকুৱা কৰাৰ ফলত ভাষা প্ৰয়োগৰ ক্ষেত্ৰত কবিসকলৰ ব্যক্তিগত বৈশিষ্ট্য লোপ পায়।

ক্লাছিকেল কবিতাত heroic couplet অৰ প্ৰয়োগৰ কথা আগতে উল্লেখ কৰা হৈছে। কিন্তু ইয়াৰ অলপ বহল ব্যাখ্যাৰ প্ৰয়োজন। ই হ'ল অন্ত্যমিলযুক্ত দুশৰীয়া ছন্দৰূপ। প্ৰত্যেক শাৰীতে দহোটাকৈ অক্ষৰ থাকে। ইয়াৰ উদ্ভৱ ক'ত কেতিয়া হয় সি অজ্ঞাত—"of uncertain origin (C A Cuddon) ই বাজী সাহিত্যত কিন্তু ইয়াৰ প্ৰথম প্ৰয়োগ চচাৰৰ কবিতাত দেখিবলৈ পাওঁ। পঞ্চদশ শতিকাৰ ইংৰাজ কবিসকলে মাজে সময়েহে ইয়াৰ ব্যৱহাৰ কৰিছিল কিন্তু ষোড়শ আৰু সপ্তদশ শতিকাত ই কাব্য জগতত দৃঢ়ভাৱে খোপনি পুতি লয়। অষ্টাদশ শতিকাৰ আগতে

ইয়াক ছেগাচোবোকাকৈ ব্যৱহাৰ কৰা কবিসকলৰ ভিতৰত হ'ল স্পেন্সাৰ চেক্সপীয়াৰ বেন জনচন হ'ল গ্ৰেটন স্নেহাৰ বুমণ্ট ভান ৺ৱালাৰ ডেনহাম আদি। ইয়াৰ পিছত ড্ৰাইডেন (সপ্তদশ শতিকা) আৰু পোপৰ (অষ্টাদশ শতিকা) হাতত ই প্ৰসাৰতা লাভ কৰে। উনবিংশ শতিকাত ইয়াৰ ব্যৱহাৰ কমি যায়। তথাপিও ধায়ৰণ শ্বেলী ব্ৰাউনিং আদিয়ে ইয়াক মাজে মাজে ব্যৱহাৰ কৰা দেখা যায়। আধুনিক যুগত অৱশ্বে ইয়াৰ ব্যৱহাৰ প্ৰায় নায়েই। কেৱল ৰায় কেম্বেল (Roy Campbell) আৰু আন দুই এজনেহে ব্যৱহাৰ কৰিছে।

ওপৰত আমি ক্লাছিকেল কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰিলো। হাডচনে তেওঁৰ An Outline History of English Literature—অত এই বৈশিষ্ট্যবোৰ প্ৰণালীবদ্ধভাৱে উল্লেখ কৰিছে। ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ কাৰণে আমি তলত হাডছনৰ কথাখিনি উল্লেখ কৰিলো—

(১) ক্লাছিকেল কবিতা হ'ল বুদ্ধিমত্তা বা বিচাৰ বুদ্ধিৰ প্ৰকাশ। ইয়াত মানৱ জীৱনৰ বাহ্যিক দিশটোৰহে প্ৰতিফলন হৈছে। আবেগ অনুভূতি বা কল্পনাৰ স্থান ইয়াত নাই। এই কবিতা হ'ল উপদেশধৰ্মী (প্ৰচাৰ ধৰ্মী) আৰু ব্যঙ্গাত্মক। ই হ'ল যুক্তি তৰ্ক আৰু সমালোচনাৰ কবিতা ৰাজনীতি আৰু কিছুমান ব্যক্তিক কেন্দ্ৰ কৰি লিখা কবিতা।

(২) ই হ'ল পুৰামাত্ৰাই নগৰীয়া জীৱনক কেন্দ্ৰ কৰি লিখা কবিতা। চৌখিন সমাজৰ চিত্ৰইহে ইয়াত স্থান পাইছে। সাধাৰণ মানুহৰ জীৱনৰ চিত্ৰ ইয়াত নাই। প্ৰকৃতি জগতৰ প্ৰতি নাইবা আন কোনো গ্ৰাম্য বস্তু বা লোকৰ প্ৰতি এই কবিতাই কোনো আকৰ্ষণ প্ৰকাশ কৰা নাই।

(৩) ৰোমাণ্টিক শব্দটোৱে যি যি উপাদান বা বৈশিষ্ট্যৰ কথা আমাৰ মনলৈ আনে সেইবোৰৰ অভাৱ আমি ক্লাছিকেল কবিতাত বাৰুকৈয়ে অনুভৱ কৰো। পোপৰ যুগৰ কবিতাত ভাবানুভূতিৰ কোনো স্থান নাই। এই যুগত ধৰ্ম বিষয়ত উন্মাদনাক (enthuseasm) যেনেকৈ ঘৃণা কৰা হৈছিল যেনেকৈ সাহিত্যৰ ক্ষেত্ৰতো ৰোমাণ্টিক ধ্যান ধাৰণাক ঘৃণা বা অৱজ্ঞাৰ চকুৰে চোৱা হৈছিল। ৰমন্যাসিক ভাবধাৰা আৰু ধৰ্মীয় উন্মাদনা এই দুয়োটাই অষ্টাদশ শতাব্দীৰ যুক্তিযুক্ততা বা উচিত্য (reasonable ness) আৰু বিচাৰ বুদ্ধিৰ (good sense) ধাৰণাৰ পৰিপন্থী। এই যুগত সমালোচনাৰ যিটো অভিৰুচি যি আছিল চচাৰ স্পেন্সাৰ চেক্সপীয়াৰ আদি পূৰ্বৱৰ্তী লেখকসকলৰ প্ৰতি সহানুভূতি শূন্য। মধ্যযুগৰ প্ৰতিও এই যুগৰ কবি সাহিত্যিক সকলৰ কোনো আকৰ্ষণ নাছিল। মধ্যযুগীয় নাইটসকলৰ বীৰত্বপূৰ্ণ কাৰ্য্যকলাপ সেই

যুগৰ ভাৱবিলাসী আদৰ্শবাদ আৰু প্ৰবল ধৰ্ম বিশ্বাস আদিৰ প্ৰতি অষ্টাদশ শতিকাৰ কবিসকলে অৱজ্ঞাৰ ভাবহে পোষণ কৰিছিল। ৰোমাণ্টিক সাহিত্যৰ প্ৰতি এই বিৰুদ্ধ মনোভাৱ অষ্টাদশ শতিকাৰ কাব্য সাহিত্যত প্ৰতিফলিত হৈছে।

(৪) এই যুগৰ কবিতাৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল বাহ্যিক ৰূপ আৰু উপকৰণ চাকচিক্যৰ প্ৰতি অধিক মনোযোগ। ইয়াৰ ফলত এটি কৃত্ৰিম আৰু গতানুগতিক কাব্যৰীতিৰ সৃষ্টি হয় আৰু ইয়েই শেষত নিয়মীয়া আৰু স্থায়ী হৈ পৰে। প্ৰয়োজন হোৱাই নোহোৱাই বাহ্যিক ৰহণত ইমান জোৰ দিয়া হ'ল যে ই শেষত একেবাৰে হাস্যকৰ হৈ পৰিল। ৰচনা আৰু প্ৰকাশভঙ্গীৰ স্বাভাৱিকতা বা সৰলতা আঁতৰি এক প্ৰকাৰ কৃত্ৰিম ৰুচিবোধৰ সৃষ্টি হ'ল। সহজ সৰল প্ৰকাশভঙ্গীৰ ঠাইত বাগাড়ম্বৰপূৰ্ণ খণ্ডবাক্য বা শব্দ আৰু পাক লগোৱা ভাষাৰ প্ৰয়োগ হ'ল। সাধাৰণ বিষয়বস্তু এটাৰ ক্ষেত্ৰতো এনেকুৱা ধৰণৰ ভাষাৰ প্ৰয়োগ হ'বলৈ ধৰিলে। উদাহৰণ স্বৰূপে God rest his soul —অৰ ঠাইতে কবিসকলে লিখিবলৈ ল'লে Eternal blessing on his shade attend এনেকুৱা ধৰণৰ ভাষা প্ৰয়োগ কৰি তেওঁলোকে গ্ৰাম্য ভাষাক কাব্যিক ভাষালৈ উন্নত কৰা বুলি আত্মসন্তুষ্টি লাভ কৰিলে। এনেকুৱা ধৰণৰ অলঙ্কাৰবহুল আৰু শূন্য বাগাড়ম্বৰপূৰ্ণ ভাষাৰ বিৰুদ্ধেই পিছত ওৱাৰ্ডছ্‌ওৱাৰ্থে বিদ্ৰোহ ঘোষণা কৰিছিল।

(৫) অষ্টাদশ শতিকাৰ কবিসকলে ব্যৱহাৰ কৰিছিল heroic couplet প্ৰবচনৰ লেখীয়া সংক্ষিপ্ততাৰ কাৰণে এইবিধ ছন্দৰূপ এই শতিকাৰ কাব্যৰ বিষয়বস্তু প্ৰকাশৰ কাৰণে বৰ উপযোগী হৈ পৰিছিল। কিন্তু তীব্ৰ ভাৱাবেগ বা উদ্দাম কল্পনা প্ৰকাশৰ বাবে ই উপযোগী নহয়।

শেষত এটা উল্লেখ কৰি থোৱা ভাল হ'ব। সমালোচক হিচাপেও ড্ৰাইডেন পোপ আদি ক্লাছিকেল কবিসকলৰ দৃষ্টিভঙ্গী আছিল সমীক্ষাত্মক। তেওঁলোকৰ ভূমিকা আছিল বিচাৰকৰ ৰোমাণ্টিক সমালোচকসকলৰ দৰে ব্যাখ্যাকাৰীৰ নহয়।

দশম অধ্যায়

ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতাৰ তুলনামূলক বিচাৰ

ইয়াৰ আগৰ অধ্যায়বোৰত ৰোমাণ্টিক কবিতা (ৰমন্যাসিক কবিতা) আৰু ক্লাছিকেল কবিতাৰ (ধ্ৰুপদী কবিতাৰ) তুলনামূলক বিচাৰ প্ৰক্ষিপ্তভাৱে কৰা হৈছেই। তথাপি ইয়াত আমি ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ কাৰণে প্ৰণালীবদ্ধভাৱে ইয়াৰ অলপ আলোচনা আগবঢ়াম।

অধ্যাপক বুছে (Bush) তেওঁৰ English Poetry নামৰ পুথিখনত ৰমন্যাসবাদ আৰু ধ্ৰুৱবাদৰ বৈশিষ্ট্যসমূহৰ এটি সুন্দৰ তুলনামূলক বিৱৰণ এটা বাক্যতে দাঙি ধৰিছে। এই বাক্যটোৱেই আমাক ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতাৰ মাজত থকা মূল পাৰ্থক্যখিনি উলিয়াই লবলৈ ভালেখিনি সহায় কৰে। অধ্যাপক বুছে কৈছে The many related symptoms are familiar the turning from reason to the senses feelings imagination and intuition from the civilised modern and sophisticated to the primitive medieval and natural from urban society to rural solitude from preoccupation with human nature to preoccupation with the aesthetic and spiritual values of external nature from mundane actuality to visions of the mysterious the ideal and the infinite from satire to myth from the expression of accepted moral truth to discovery of beauty that is truth from realistic recognition of things as they are to faith in progress from belief in good and evil to belief in man and goodness from established religious and philosophical creeds to individual speculations and revelations from normal generic abstractions to the variety of concrete particulars from impersonal objectivity to subjectivism from public to private themes from formal correctness to individual expressivenss from the ideal of order to the ideal of intensity from the poetry of prose statement to image and symbol from poetic diction to common language from self-conscious traditionalism to self-conscious originality from the rational sobriety of Latin literature to romantic Hellenism এই

দীঘলীয়া ব্যাখ্যাটোৰ ভিত্তিতেই আমি এতিয়া ৰমন্যাসবাদ আৰু ধ্ৰুৱবাদৰ মাজত থকা মূল পাৰ্থক্যখিনি বিচাৰ কৰি চাম।

(১) ধ্ৰুৱবাদত গুৰুত্ব দিয়া হয় reason অৰ্থাৎ যুক্তি বা বিচাৰ বুদ্ধিত। কেতিয়াবা আকৌ reason অৰ সলনি good s nse নাইবা দুয়োটাকে ব্যৱহাৰ কৰা হয়। অষ্টাদশ শতিকাৰ ক্লাছিকেল সাহিত্যত এই যুক্তিনিষ্ঠা বা বিচাৰ বুদ্ধিয়েই আছিল সাহিত্য বা শিল্পকলাৰ শ্ৰেষ্ঠত্ব বা গুণাগুণ বিচাৰৰ প্ৰধান মাপকাঠি। এতিয়া প্ৰশ্ন হ'ল—সাহিত্যত আমি কেতিয়া ইয়াৰ প্ৰতিফলন হোৱা বুলি কম? ইয়াৰ উত্তৰত আমি কব লাগিব যে যেতিয়া কোনো ৰচনাত শব্দ বা বাক্য বিন্যাসৰ পাৰিপাট্য (order) সুসমতা (balance) সুৰ সমন্বয় তাল মান সৌষ্ঠৱ (harmony) সংযম (restraint) আৰু বিষয়বস্তু অনুযায়ী প্ৰকাশভঙ্গী লক্ষণীয় হয় আৰু যেতিয়া এই ৰচনা অযুক্তিকৰ বা মাত্ৰাধিক অলঙ্কাৰ বহুলতাৰ পৰা মুক্ত হয় তেতিয়াই আমি তাত reason বা good sense অৰ প্ৰতিফলন হোৱা বুলি কওঁ। ধ্ৰুৱবাদৰ এই বৈশিষ্ট্যৰ বিপৰীতে ৰমন্যাসবাদত গুৰুত্ব লাভ কৰে সংবেদনশীলতা ভাবানুভূতি বা আৱেগ অনুভূতি কল্পনা আৰু গভীৰ অন্তদৃষ্টিয়ে।

(২) ধ্ৰুৱবাদত ঠাই পায় সাধাৰণতে সভ্য (মাৰ্জিত) আধুনিক আৰু সৰলতাহীন জীৱন যাত্ৰাৰ চিত্ৰই। ইয়াৰ বিপৰীতে ৰমন্যাসবাদত ঠাই পায় আদিম মধ্যযুগীয় আৰু কৃত্ৰিমতাবিহীন (অৰ্থাৎ সহজ সৰল) জীৱন যাপনৰ চিত্ৰই।

(৩) ধ্ৰুৱবাদত দেখা যায় নগৰীয়া সমাজৰ প্ৰতি আকৰ্ষণ ইয়াৰ বিপৰীতে ৰমন্যাসবাদত লক্ষ্য কৰোঁ গাঁৱলীয়া জীৱনৰ প্ৰতি আকৰ্ষণ গ্ৰাম্য নিৰ্জনতাৰ প্ৰতি হৃদয়ৰ টান।

(৪) ধ্ৰুৱবাদত প্ৰকৃতি বুলিলে আমি বুজোঁ মানৱ প্ৰকৃতি কিন্তু ৰমন্যাসবাদত প্ৰকৃতি হ'ল ঈশ্বৰ সৃষ্ট বাহ্যিক প্ৰকৃতি—গছ গছনি নৈ বিল ফুল পাত পৰ্বত পাহাৰ আদি। এই প্ৰকৃতিৰ মাজতে নিহিত আছে নৈতিক আৰু আধ্যাত্মিক মূল্য। এই প্ৰকৃতিয়েই হ'ল আমাৰ মানসিক শান্তি আৰু আধ্যাত্মিক শিক্ষাৰ উৎস।

(৫) ধ্ৰুৱবাদত আছে বাস্তৱবাদী দৃষ্টিভঙ্গী। সমসাময়িক সমাজ জীৱনৰ চিত্ৰই হ'ল ধ্ৰুৱবাদী সকলৰ লক্ষ্য। ইয়াৰ বিপৰীতে ৰমন্যাসবাদত আছে অসীম বা অনাদি অনন্তৰ প্ৰতি আকৰ্ষণ ভূমাস্পৃহা যি ৰহস্যাবৃত যি আদৰ্শনীয় তাৰ প্ৰতি মোহাচ্ছন্নতা।

(৬) ধ্ৰুৱবাদৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াৰ ব্যঙ্গধৰ্মিতা বা ব্যঙ্গ প্ৰৱণতা। ৰমন্যাসবাদত কিন্তু আমি ইয়াৰ সলনি অতিকথা সৃষ্টিৰ প্ৰৱণতাহে দেখিবলৈ পাওঁ।

(৭) ধ্ৰুৱবাদে গ্ৰহণ কৰে চিৰাচৰিত বা পূৰ্বাপৰ চলি অহা নৈতিক সত্য বা ধ্যান ধাৰণাক। ৰমন্যাসবাদত কিন্তু আমি পাওঁ সৌন্দৰ্য্যতে সত্যৰ আৱিষ্কাৰ সৌন্দৰ্য্যই সত্য।

(৮) ধ্ৰুৱবাদে যি বস্তু য'ত যেনেকৈ আছে তেনেভাবে গ্ৰহণ কৰি বাস্তৱধৰ্মী দৃষ্টিভঙ্গীৰ পৰিচয় দিয়ে। ইয়াৰ বিপৰীতে ৰমন্যাসবাদে কিন্তু প্ৰগতি অগ্ৰগতি বা বিকাশত বিশ্বাস কৰে। অৰ্থাৎ প্ৰচলিত ধ্যান-ধাৰণাৰ পৰিৱৰ্তন ৰমন্যাসিক লেখক সকলৰ কাম্য।

(৯) ধ্ৰুৱবাদত আমি পাওঁ ভাল বেয়া দুয়োটাতে আস্থা অৰ্থাৎ ইয়াত আছে ভাল বেয়া দুয়োটাৰে গ্ৰহণ। ৰমন্যাসবাদত কিন্তু সততা আৰু মানৱ চৰিত্ৰৰ ভাল দিশটোতহে বিশ্বাস স্থাপন কৰা দেখা যায়। অৰ্থ নৈতিকতা অসাধুতা আদিক ৰমন্যাসিক দৃষ্টিভঙ্গীয়ে গ্ৰহণ কৰা নাই।

(১০) ধ্ৰুৱবাদে গ্ৰহণ কৰে প্ৰচলিত ধৰ্মীয় আৰু দাৰ্শনিক মতবাদ বা চিন্তাধাৰাক। ৰমন্যাসবাদে কিন্তু ব্যক্তিগত চিন্তা চৰ্চা ধ্যান ধাৰণা বা মতবাদক মূল্য দিয়ে। ৰমন্যাসবাদত আছে নতুনত্বক আদৰণি জনোৱাৰ প্ৰৱণতা।

(১১) ধ্ৰুৱবাদত আমি পাওঁ একোটা শ্ৰেণীক সামৰি লোৱা কোনো তত্ব বা সিদ্ধান্ত। কিন্তু ইয়াৰ বিপৰীতে ৰমন্যাসবাদত আমি পাওঁ নিৰ্দিষ্ট বিষয় বা ঘটনা বিশেষৰ বৈচিত্ৰ্য প্ৰদৰ্শন।

(১২) ধ্ৰুৱবাদৰ এটি বৈশিষ্ট্য হ'ল নৈৰ্ব্যক্তিক বস্তুনিষ্ঠতা কিন্তু ইয়াৰ বিপৰীতে ৰমন্যাসবাদৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল মন্ময়ধৰ্মিতা বা ব্যক্তিনিষ্ঠতা।

(১৩) ধ্ৰুৱবাদে সামৰি লয় সাৰ্বজনীন বা সমূহীয়া বিষয়বস্তুক কিন্তু ৰমন্যাসবাদে সামৰি লয় নিজস্ব বা ব্যক্তিগত বিষয়বস্তুক।

(১৪) ধ্ৰুৱবাদত জোৰ দিয়া হয় প্ৰাচীনপন্থী সকলৰ অৰ্থাৎ গ্ৰীক আৰু ৰোমান লেখক সকলৰ ৰচনা ৰীতিৰ অনুকৰণত। ইয়েই হ'ল শুদ্ধতা। ইয়াৰ বিপৰীতে ৰমন্যাসবাদত জোৰ দিয়া হয় নিজস্ব বা গাইগুটীয়া প্ৰকাশভঙ্গীত বা ৰচনাৰীতিত।

(১৫) ধ্ৰুৱবাদত আছে বাহ্যিক বা আৱয়বিক পাৰিপাট্যৰ আদৰ্শ কিন্তু ইয়াৰ বিপৰীতে ৰমন্যাসবাদত আছে তীব্ৰ ভাবাৱেগৰ আদৰ্শ। আৱেগৰ তীব্ৰতা ৰমন্যাসবাদৰ এটি প্ৰধান লক্ষণ।

(১৬) ধ্ৰুৱবাদত বৰ্ণনাই বা উপস্থাপিত বিষয়ে গদ্যধৰ্মী ৰূপ লয়। সেই কাৰণে ধ্ৰুপদী কবিতা গদ্যধৰ্মী। কিন্তু ইয়াৰ বিপৰীতে ৰমন্যাসবাদত চিত্ৰকল্প আৰু প্ৰতীকৰ প্ৰয়োগ প্ৰচুৰ।

(১৭) ধ্ৰুৱবাদৰ এটা লক্ষণ হ'ল কাব্যিক বা কাব্যধৰ্মী শব্দ বা ভাষাৰ প্ৰয়োগ। ইয়াৰ বিপৰীতে ৰমন্যাসবাদে আদৰি লৈছে সাধাৰণ মানুহৰ কথিত ভাষাক।

(১৮) ধ্ৰুৱবাদত আছে আত্ম সচেতন পৰম্পৰাবাদ বা ৰক্ষণশীলতা কিন্তু ইয়াৰ বিপৰীতে ৰমন্যাসবাদত আছে আত্ম সচেতন মৌলিকতা।

(১৯) ধ্ৰুৱবাদত আছে লেটিন সাহিত্যৰ সংযম পৰিমিতাচাৰ আৰু আতিশয্য হীনতা। ইয়াৰ বিপৰীতে ৰমন্যাসবাদ হ'ল হেলাচীয়বাদৰ লক্ষণযুক্ত।

অধ্যাপক বুছে ধ্ৰুৱবাদ আৰু ৰমন্যাসবাদৰ যি পাৰ্থক্য ওপৰত দাঙি ধৰিছে তাৰপৰাই ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতাৰ প্ৰভেদসমূহ বিচাৰ কৰি চাব পাৰি। মুখ্য প্ৰভেদসমূহ ইয়াত প্ৰণালীবদ্ধভাৱে আলোচনা কৰা হ'ল।

(i) ক্লাছিকেল কবিতা ৰচনা কৰা হৈছিল কিছুমান ধৰা বন্ধা ৰীতিৰ মাজেৰে। কবিতাৰ বিষয়বস্তু কেনে হ'ব লাগিব কি ছন্দ ব্যৱহাৰ কৰিব লাগিব আদি সকলো বিষয়তে আছিল অনুশাসন। ৰোমাণ্টিক কবিতাত কিন্তু এই অনুশাসন নাই। কবি সকলে নিজৰ ৰুচি অনুসৰি বিষয়বস্তু আৰু প্ৰকাশভঙ্গী বাচি লব পাৰিছিল।

(ii) ক্লাছিকেল কবিতা আছিল মগজুৰ কবিতা। হৃদয়ৰ লগত সেই কবিতাৰ কোনো সম্পৰ্কই নাছিল। গোটেই অষ্টাদশ শতিকাটো আছিল গদ্যৰ যুগ। সেই কাৰণে কবিতাও আছিল গদ্যধৰ্মী। বিষয়বস্তু গদ্যৰ উপযোগী। কিছুমান কবিতাৰ শিৰোনামা দেখিলেই এই কথাৰ উমান পোৱা যায়— Essay on Man (মানুহৰ বিষয়ে ৰচনা) Vanity of Human Wishes (মানৱীয় আকাঙ্খাৰ অসাৰ দম্ভ) The Art of Preserving Health (স্বাস্থ্যৰক্ষাৰ উপায় বা কৌশল) ইত্যাদি। কবিতাৰ ছদ্মবেশত এইবোৰ আছিল কেৱল নীতিকথাৰ ভঁৰাল। এইবোৰৰ শাৰীয়ে শাৰীয়ে আছিল যুক্তি তৰ্কৰ জাল। কল্পনাৰ কোনো নাম গোন্ধেই নাই। দুই এটি কবিতাত কল্পনাৰ পৰশ থাকিলেও সি আছিল একেবাৰে সংযত। আনহাতে ৰোমাণ্টিক কবিতাত হ'ল কল্পনা আৰু তীব্ৰ আৱেগ অনুভূতিয়েই মূলবস্তু। কল্পনাশক্তিৰ বলতেই ৰোমাণ্টিক কবিসকলে সৌন্দৰ্য্যত বিস্ময়ৰ বোল সানে পৰিচিতক অপৰিচিত বা অচিন আচহুৱা কৰি তোলে আৰু সপোনপুৰী ৰচনা কৰে।

(iii) ক্লাছিকেল কবিতাৰ বিষয়বস্তু হ'ল নগৰীয়া জীৱনৰ পৰা আহৰণ কৰা। সেই কাৰণে ইয়াক town poetry বুলি কোৱা হয়। এই কবিতাত পোৱা যায় কেৱল লণ্ডন মহানগৰীৰ লাহ বিলাহত মগ্ন সমাজৰ ওপৰ মহলৰ মানুহৰ কৃত্ৰিম সুখ দুখৰ ছবি। ক্লাছিকেল কবিসকলৰ কাৰণে চহা মানুহৰ জীৱনত ভুমুকি মাৰিবলৈ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ নাইবা অতীত জীৱনৰ কথা সুঁৱৰিবলৈ আজৰিয়েই

নাছিল। ইয়াৰ বিপৰীতে আমি ৰোমাণ্টিক কবিতাত পাওঁ গ্ৰাম্য জীৱনৰ চিত্ৰ সাধাৰণ মানুহৰ সুখ-দুখৰ ছবি। ওৱাৰ্ডছওৱাৰ্থ আৰু শ্বেলীৰ কেইটিমান কবিতা পঢ়িলেই এই কথাৰ সত্যতা ওলাই পৰিব।

(iv) ক্লাছিকেল কবিতা হ'ল বস্তুধৰ্মী ইয়াত কবিৰ ব্যক্তিগত আৱেগ অনুভূতিৰ স্থান নাই। ৰোমাণ্টিক কবিতা হ'ল মনোধৰ্মী। ইয়াত বাহ্যিক ঘটনাৰ বৰ্ণনাতকৈ কবিৰ ব্যক্তিগত আৱেগ অনুভূতিয়েহে প্ৰাধান্য লাভ কৰে।

(v) ক্লাছিকেল কবিতাৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ ভাবপ্ৰকাশৰ প্ৰাঞ্জলতা বা সৰলতা। ইয়াৰ অৰ্থ পঢ়ি যাওঁতেই হৃদয়ঙ্গম হয়। ৰচনাৰ অন্তৰালত কোনো গূঢ়াৰ্থ লুকাই নাথাকে। ইয়াৰ ৰচনা ৰীতি সৰল আৰু পোনপটীয়া ধ্বনি বা ব্যঞ্জনাৰ উজাৰি লুকোৱা গুণ ইয়াত নাই নাইবা হ অস্পষ্ট নহয়। ভাবপ্ৰকাশৰ মাধ্যম ৰূপে ৰচনাৰীতি শাণিত তৰোৱালৰ দৰে তীক্ষ্ণ উজ্জ্বল আৰু বিশ্লেষণধৰ্মী। ইয়াৰ বিপৰীতে ৰোমাণ্টিক কবিসকলৰ ৰচনাৰীতি ব্যঞ্জনাধৰ্মী। ইয়াত আছে অস্পষ্টতা ৰহস্যঘনতা।

(vi) ক্লাছিকেল কবিতাৰ আন এটি বৈশিষ্ট্য হ'ল ৰচনাৰ সংযম আৰু কল্পনাৰ উদ্দাম গতি ভাৱাবেগৰ আকুলতা আৰু অসহনীয় তীব্ৰতা সাধাৰণতে নাথাকে। "ৰোমাণ্টিক ৰচনাক যদি শিলনিৰ মাজেদি বৈ অহা পৰ্বতীয়া নদীৰ উচ্ছল আৰু ফেনিল প্ৰবাহ বুলি কোৱা হয় তেন্তে ক্লাছিকেল কাব্য কবিতাক ভৈয়ামৰ গভীৰ বেগবাহী নদী বুলি ক'লে বোধকৰোঁ বৰ ভুল নহ'ব। কল্পনাত সংযম শব্দ প্ৰয়োগত সংযম অলঙ্কাৰ প্ৰয়োগত সংযম বৰ্ণনাত সংযম এই সকলোবোৰ হ'ল ক্লাছিকেল কবিতাৰ বৈশিষ্ট্য। ৰোমাণ্টিক কবিতাত আছে এই সংযমৰ অভাব। ইয়াত প্ৰকাশভঙ্গীৰ ব্যক্তিগত উৎকেন্দ্ৰিকতাকহে বেছি প্ৰশ্ৰয় দিয়া হৈছে। সংযমৰ লগতে ঘনিষ্ঠভাৱে জড়িত হয় ক্লাছিকেল কবিতাৰ শৃঙ্খলা। ৰোমাণ্টিক কবিৰ দৰে উদ্দাম কল্পনাৰ বশৱৰ্তী হৈ অসংলগ্ন অতিৰঞ্জিত নাইবা শিথিল গাঁথনি ক্লাছিকেল কবিতাই প্ৰশ্ৰয় নিদিয়ে।

(vii) ক্লাছিকেল কবিতাত বৈপ্লৱিক দৃষ্টিভঙ্গী নাই। ৰোমাণ্টিক কবিতাত কিন্তু এই দৃষ্টিভঙ্গী আছে। ৰোমাণ্টিক কবি সাহিত্যিকসকলৰ কোনো কোনোৱে পুৰণি সমাজখন ধ্বংস কৰি এখন নতুন আদৰ্শাত্মক সমাজৰ সপোন দেখিছিল আৰু বৰ্তমানৰ প্ৰতি অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰিছিল। ক্লাছিকেল পন্থীয়ে সাধাৰণতে সমাজক অগ্ৰাহ্য কৰিব নোখোজে বৰং প্ৰয়োজন হ'লে তাক সংস্কাৰ কৰিহে লব খোজে। তেওঁলোকৰ ৰচনাত ব্যঙ্গ বিদ্ৰূপ আছে কিন্তু প্ৰচলিত সমাজ ব্যৱস্থাক ধ্বংস কৰাৰ প্ৰৱণতা নাই।

(viii) প্ৰকৃতিৰ প্ৰতি ৰোমাণ্টিক আৰু ক্লাছিকেল কবিসকলৰ দৃষ্টিভঙ্গী আছিল

একেবাৰে সুকীয়া। ৰোমাণ্টিক কবিসকলৰ দৰে নৈসৰ্গিক প্ৰকৃতিৰ বৰ্ণনাত ক্লাছিকেল কবিসকল পঞ্চমুখ নাছিল। অষ্টাদশ শতিকাৰ ক্লাছিকেল কবিসকলে প্ৰকৃতি বুলিলে মানৱ প্ৰকৃতিকেই বুজিছিল। কেতিয়াবা আকৌ এই শব্দটোৱে যৌক্তিকতা স্বাভাৱিকতা যথোপযুক্ততা আৰু ঔচিত্য আদি অৰ্থও প্ৰকাশ কৰিছিল। ক্লাছিকেল কবিসকলৰ ৰচনাত যে বহি প্ৰকৃতিৰ বৰ্ণনা একেবাৰেই নাই সেইটো নহয়। পৰ্বত-ভৈয়াম জান জুৰি নীলা আকাশ সেউজীয়া বননি গছ লতা ফুল পাত আদিয়ে তেওঁলোককো আকৰ্ষণ কৰিছিল। কিন্তু তেওঁলোকে এই প্ৰকৃতিক কেতিয়াও শান্তি দায়িনী বুলি কোৱা নাই নাইবা প্ৰকৃতি জগতত তেওঁলোকে কোনো নৈতিক বা আধ্যাত্মিক তাৎপৰ্য্যও বিচাৰি পোৱা নাই। ৰোমাণ্টিক কবিসকলে কিন্তু প্ৰকৃতি বুলিলে মানৱ প্ৰকৃতিৰ সলনি নৈসৰ্গিক শোভাকেই বুজিছিল। তেওঁলোকৰ মতে প্ৰকৃতিৰ মাজত মানৱৰ তাপিত মনে শান্তি পায় প্ৰকৃতি হ'ল নৈতিক শিক্ষাৰ বাহক। ইয়াৰ উপৰিও প্ৰকৃতি জগতত তেওঁলোকে এক আধ্যাত্মিক তাৎপৰ্য্য প্ৰদান কৰিছে। তেওঁলোকৰ মতে এই প্ৰকৃতি জগততে বিৰাজ কৰিছে এক মহাশক্তিয়ে যাক আমি উপনিষদত পৰমব্ৰহ্ম বুলি কৈছো।

(ix) মানুহ সম্বন্ধেও ৰোমাণ্টিক কবি আৰু ক্লাছিকেল কবিৰ ধাৰণাৰ মাজত কিছু প্ৰভেদ লক্ষণীয়। "নব্য ধ্ৰুৱবাদীসকলৰ দৃষ্টিত মানুহ আছিল সমাজৰ অন্তৰ্গত প্ৰাণীবিশেষ। ব্যক্তিৰ ব্যক্তিত্ব নিৰূপিত হৈছিল সমাজৰ লঘিষ্ঠ সাধাৰণ গুণিতকৰ ৰূপত। তাৰ বিপৰীতে ৰমন্যাসিকসকলৰ দৃষ্টিত মানুহৰ ব্যক্তিসত্তাই মহত্তৰ মৰ্য্যদা ঘূৰাই পালে। কেৱল সেয়ে নহয় তেওঁলোকৰ দৃষ্টিত মানৱীয় সত্তা ৰাজনৈতিক ধ্যান ধাৰণা আৰু সমকালীন দাৰ্শনিক চিন্তাৰ প্ৰভাৱত বিশালতৰ সম্ভাৱনাৰেও অভিষিক্ত হৈ পৰিল। (অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা)

(x) ৰোমাণ্টিক কবিসকল আছিল অতীতমুখী আৰু ভৱিষ্যতমুখী। মধ্যযুগীয় পৰিবেশ আৰু গ্ৰীক সাহিত্য সংস্কৃতি ভাস্কৰ্য্য শিল্পকলা আদিয়ে তেওঁলোকক বিশেষ ভাৱে আকৰ্ষণ কৰিব পাৰিছিল। বৰ্তমানে তেওঁলোকক শান্তি দিব পৰা নাছিল। ইয়াৰ বিপৰীতে ক্লাছিকেল কবিসকল আছিল বৰ্তমানক লৈয়ে ব্যস্ত। সেই কাৰণে তেওলোকৰ কবিতাত অতীতৰ স্মৃতিও নাই আৰু ভৱিষ্যতৰ ৰঙীন কল্পনাও নাই।

(xi) ৰোমাণ্টিক কবিতাত আছে গীতিসুৰৰ (lyricism) প্ৰাধান্য। শ্বেলীৰ কবিতাৰ গীতিময়তা অতুলনীয়। ক্লাছিকেল কবিসকল কিন্তু এই ক্ষেত্ৰত আছিল পিছপৰা। সেই কাৰণে আমি অষ্টাদশ শতিকাত গীতি-কবিতাৰ বিকাশ দেখিবলৈ নাপাওঁ।

(xii) ক্লাছিকেল কবিতা হ'ল নীতিমূলক বা উপদেশধৰ্মী (didactic)। কিন্তু এই নীতিবচন বা উপদেশধর্মিতাও ব্যঙ্গাত্মক হৈ পৰা দেখা যায়। ৰোমাণ্টিক কবিতাতো বিশেষকৈ ওৱাৰ্ডছওৱাৰ্থৰ কবিতাত মাজে মাজে উপদেশধর্মিতাৰ ছাপ পৰিছে কিন্তু ই ক্লাছিকেল কবিসকলৰ দৰে বুদ্ধিদীপ্ত বা অলঙ্কাৰবহুল নহয়। ৰোমাণ্টিক কবিৰ উপদেশধর্মিতাই আমাৰ ভাবানুভূতিকহে স্পর্শ কৰে ই তেওঁলোকৰ নিজা আনুভূতিক সত্য বা উপলব্ধিৰহে প্রকাশ ক্লাছিকেল কবিতাত থকাৰ দৰে চিৰাচৰিত নীতিবচনৰ পুনৰাবৃত্তি নহয়।

(xiii) ছন্দপ্রয়োগৰ ক্ষেত্রতো আছে ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতাৰ মাজত ডাঙৰ পার্থক্য। ক্লাছিকেল কবিসকলে ব্যৱহাৰ কৰিছিল heroic couplet ৰোমাণ্টিক কবিসকলে ইয়াক পৰিহাৰ কৰি blank verse ballad metre আদি বিভিন্ন ধৰণৰ ছন্দ ব্যৱহাৰ কৰে। ছন্দবৈচিত্র্য ৰোমাণ্টিক কবিতাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য।

ওপৰত আমি ৰোমাণ্টিক কবিতা আৰু ক্লাছিকেল কবিতা বা ৰোমাণ্টিক সাহিত্য আৰু ক্লাছিকেল সাহিত্যৰ মাজত থকা পার্থক্যসমূহ বিচাৰ কৰিলেও এইটো আমি ধৰি লব নালাগিব যে ৰোমাণ্টিক আৰু ক্লাছিকেল —এই দুটা মনোভঙ্গী বা মানস দৃষ্টিভঙ্গী একেবাৰে পৰস্পৰ বিপৰীতধর্মী। একেজন কবিৰ কবিতাতেই এই দুয়োটা দৃষ্টিভঙ্গীৰ প্রকাশ ঘটিব পাৰে। কবিয়ে যেতিয়া জগত আৰু জীৱনৰ ভাব চিন্তাক নিয়মৰ মাজেৰে স যমৰ মাজেৰে ধীৰ স্থিৰ ভাৱে প্রত্যক্ষ কৰে তেতিয়া তেওঁৰ দৃষ্টিভঙ্গী ক্লাছিকেল কিন্তু যেতিয়া স্বকীয় ব্যক্তি কল্পনাৰ আলোকত তাক বিশোধিত কৰি গ্রহণ কৰে তেতিয়া তেওঁৰ দৃষ্টিভঙ্গী ৰোমাণ্টিক। কাব্যত বিভিন্ন ভাব কল্পনা যেতিয়া এটি বিশেষ কল্পনা প্রৱণতাৰ যোগেদি আত্মপ্রকাশ কৰে তেতিয়াই ই হয় ৰোমাণ্টিক এই বিভিন্নতাক যেতিয়া সঙ্গতি দান কৰা হয় তেতিয়াই ইয়াত ক্লাছি চিজমৰ লক্ষণ পৰিলক্ষিত হয়। (অধ্যাপক শ্রীশচন্দ্র দাস)। গতিকে আমি এই দুয়োটা মনোভঙ্গীক পৰস্পৰ বিপৰীতধর্মী বুলি নকৈ এটাক আনটোৰ পৰিপূৰক বুলিহে কোৱা উচিত।

একাদশ অধ্যায়

ৰোমাণ্টিক কবিতাত ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ

ফৰাচী বিদ্ৰোহক কেৱল ৰাজনৈতিকভাৱে তাৎপৰ্য্যপূৰ্ণ এটি ঐতিহাসিক ঘটনা বুলি বিচাৰ কৰিলে ভুল কৰা হ ব। পৃথিৱীক কঁপাই তোলা এই বিপ্লৱে যে কেৱল ফৰাচীসকলৰ ৰাজনৈতিক ভৱিষ্যতৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল সেয়ে নহয় ই গোটেই ইউৰোপৰ বৌদ্ধিক সাহিত্যিক আৰু ৰাজনৈতিক জগততো প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰে। ই নতুন চিন্তাচৰ্চা আৰু আত্মজিজ্ঞাসাৰ এটি নতুন যুগৰ আগমনৰ সূচনা কৰে। সেই সময়ত ইংলণ্ডৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থা এনে ধৰণৰ আছিল যে ফৰাচী বিপ্লৱে প্ৰচাৰ কৰা আদৰ্শ আৰু ধ্যান ধাৰণা গ্ৰহণ কৰিবলৈ ইংলণ্ডবাসী আছিল সততে সাজু। কাব্য-সাহিত্যৰ দিশত এই বিপ্লৱে কবি সাহিত্যিকসকলক প্ৰকৃতি জগত আৰু চহা জীৱনৰ প্ৰতি আকৰ্ষিত বা সহানুভূতি-সম্পন্ন কৰি তুলিলে। এই বিপ্লৱেই ইংলণ্ডত ৰোমাণ্টিক আন্দোলনৰ ঢৌ প্ৰবলতৰ কৰি তোলে আৰু অষ্টাদশ শতিকাৰ নব্য ক্লাছিকেল কবিতাৰ কণ কঠিয়া মাৰি পেলায়। গোটেই বিশ্বক কঁপাই তোলা এই ঘটনাৰ বৈপ্লৱিক দৰ্শনেই হ ল ইংৰাজ ৰোমাণ্টিক কবিসকলৰ আদৰ্শ। এলিজাবেথীয় যুগত কবি সাহিত্যিক সকলৰ কল্পনাশক্তিক উদ্দীপ্ত কৰি তুলিছিল ৰেনেছাঁই। ঠিক সেইদৰে ৰোমাণ্টিক কবিসকলৰো কল্পনাশক্তিক উদ্দীপ্ত কৰি তোলে এই ফৰাচী বিদ্ৰোহে। তেওঁলোকৰ এনেকুৱা লাগিল যেন মানৱ সভ্যতাৰ নতুন যুগ এটাতহে ভৰি দিছে। এলিজাবেথীয়সকলে নতুন পৃথিৱী আৰু দিগন্তৰ সন্ধান পোৱাৰ দৰে ৰোমাণ্টিক কবিসকলেও ১৭৮৯ চনৰ ১৪ জুলাইত (বেষ্টিল কাৰাগাৰ ধ্বংস কৰাৰ দিন) গোটেই পৃথিৱীখনকেই পৰিৱৰ্তিত হৈ যোৱা বুলি অনুমান কৰিলে। ইয়েই হ ল তেওঁলোকৰ কাৰণে এক নতুন যুগৰ আৰম্ভণি এক স্বৰ্ণযুগৰ আগমন। চন্দ্ৰ সূৰ্য্য গ্ৰহ নক্ষত্ৰ আকাশ বতাহ প্ৰকৃতি আদি সকলোৱে যেন নতুন বেশ ধাৰণ কৰিলে। সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ মহামন্ত্ৰই তেওঁলোকক যেন উতলা কৰি তুলিলে।

ফৰাচী বিদ্ৰোহ কোনো অপ্ৰত্যাশিত বা হঠাতে হোৱা ঘটনা নহয়। ই হ ল ফৰাচী জনগণৰ বহুদিনীয়া পুঞ্জীভূত বেদনা আৰু ক্ৰোধৰ উদগীৰণ। গণতান্ত্ৰিক চৰকাৰ এখন গঠন কৰাৰ ইচ্ছা মানুহৰ মনত বহুদিন আগৰেপৰা আছিল। সেইকাৰণে ভেণ্টনে লিখিছিল "The Republic was in men s minds twenty years before it was established বিপ্লৱৰ আৰম্ভণিৰ বহু বছৰ আগৰেপৰা ভল্টেয়াৰ

ৰুচো মণ্টেস্কো আদি দাৰ্শনিক পণ্ডিতসকলে প্ৰাচীন শাসন পদ্ধতিৰ দোষবোৰ মানুহৰ আগত দাঙি ধৰিছিল। এই শাসনত আছিল স্বেচ্ছাচাৰ অত্যাচাৰ আৰু শোষণ। উচ্চশ্ৰেণীৰ লোকবোৰ আছিল বিশেষ সুবিধাপ্ৰাপ্ত সাধাৰণ মানুহৰ দুখ-দুৰ্দশা বা বিলাই বিপত্তিৰ সীমা নাছিল জাত পাত পদমৰ্য্যাদা আদিৰ ভিত্তিত গোটেই দেশখনেই আছিল ভাগ ভাগ। সমতা বা সাম্যভাবৰ নাম গোন্ধেই নাছিল। ইয়াৰ বিপৰীতে দাৰ্শনিকসকলে প্ৰচাৰ কৰিছিল স্বাধীনতা (Liberty) সাম্য (Equality) আৰু মৈত্ৰীৰ (Fraternity) বাণী। ভল্টেয়াৰে চুইজাবলেণ্ডৰপৰা তেওঁৰ লিখনিৰ মাজেৰে ধৰ্মৰ নামত চলা ভণ্ডামি আৰু প্ৰবঞ্চনাৰ স্বৰূপ উদঙাই দিছিল। ৰুছোৰ ঘোষণা আছিল এই— Man is born free but is everywhere in chains ৰুছোৰ এইবাৰ কথাই আছিল প্ৰচলিত শাসনৰ বিৰুদ্ধে প্ৰত্যাহ্বান। তেওঁ দেখুৱাই দিছিল যে দুৰ্নীতিপৰায়ণ শাসন ব্যৱস্থাই মানুহৰ মনো কলুষিত কৰিছে। সেইকাৰণে তেওঁ প্ৰকৃত জগতলৈ উভতি যোৱাৰ কথা কৈছিল। প্ৰকৃতি জগতলৈ উভতি যোৱা মানে সহজ সৰল মুক্ত জীৱন যাপন কৰি শান্তি লাভ কৰা। মানুহৰ সততাত আছিল ৰুছোৰ গভীৰ বিশ্বাস। তেওঁৰ মতে মানুহৰ ব্যক্তিত্ব প্ৰকাশত প্ৰধান অন্তৰায় হ ল আমাৰ সমাজৰ কু প্ৰথা অন্ধবিশ্বাস যুক্তিহীন ৰীতি নীতি আদি। গতিকে এইবোৰৰ পৰা মুক্ত হ ব পাৰিলে মানুহৰ মানসিক আৰু বৌদ্ধিক বিকাশ সম্ভৱ হ ব পাৰে। এই ধৰণৰ ৰুছোৰ চিন্তা চৰ্চ্চাই ফৰাচী লোকৰ মনত বেছ আলোড়নৰ সৃষ্টি কৰিছিল।

ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ ই লণ্ডৰ কাব্য সাহিত্য আৰু ৰাজনীতি এই দুয়ো দিশতেই অনুভূত হয়। কবি ওৱাৰ্ডছৱৰ্থৰ যুগটো আছিল ৰাজনীতি আৰু কাব্য এই দুয়ো দিশতেই বিদ্ৰোহসূচক। এই দুয়ো ক্ষেত্ৰতেই যুগটোৱে ধৰাবন্ধা ৰীতি নীতি প্ৰাচীন পৰম্পৰা শাসনৰ স্বেচ্ছাচাৰিতা আৰু গতানুগতিকতাৰ বন্ধনৰ বিৰুদ্ধে অনমনীয় মনোভাৱ পোষণ কৰি আহিছে। ফৰাচী বিপ্লৱৰ পৰা এই যুগে বৈপ্লৱিক দৃষ্টিভ ঙ্গী গ্ৰহণ কৰে। ইয়াৰ ফলত মানুহে ব্যক্তিৰ স্বকীয় চিন্তাধাৰাতহে গুৰুত্ব দিবলৈ লয় আৰু এই স্বকীয় চিন্তাচৰ্চ্চাক দমন কৰি ৰখা যুগ যুগান্তৰ চলি অহা প্ৰথাবোৰৰ অৰ্থহীনতা সমাজৰ আগত দাঙি ধৰে। গতিকে ৰাজনীতি আৰু কাব্যচৰ্চ্চা—এই দুয়ো ক্ষেত্ৰতেই যে স্বাধীন চিন্তা বা আত্মমুক্তিৰ প্ৰয়োজন এই শিক্ষালাভ কৰে ফৰাচী বিদ্ৰোহৰ পৰা। ৰাজনীতিৰ ক্ষেত্ৰত স্বেচ্ছাচাৰিতা অন্যায় অত্যাচাৰ উৎপীড়ন আদিৰ কথা কোৱা হৈছে আৰু কাব্যচৰ্চ্চাৰ ক্ষেত্ৰত এই শৃঙ্খলহীনতাই বুজাইছে প্ৰাচীন লেখকসকলৰ কাব্যৰীতি পৰিহাৰ। এক কথাত ক বলৈ গ লে ফৰাচী বিদ্ৰোহে ৰাজনীতি আৰু কাব্য চৰ্চ্চা এই দুয়ো ক্ষেত্ৰতেই এক গণতান্ত্ৰিক ভাবধাৰাৰ প্ৰভাৱ

বিস্তাৰ কৰে। ফৰাচী বিদ্ৰোহৰ দ্বাৰা অনুপ্ৰাণিত হৈ কবি ৰাজনীতিজ্ঞ সকলোৱে প্ৰাচীন মূল্যবোধত আঘাত হানিবলৈ লাগি গ ল। অৱশ্যে দুই এজন লোকে এই পৰিবৰ্তনকামী লোকসকলক সন্দেহ বা অবিশ্বাসৰ চকুৰে নোচোৱা নহয়। উদাহৰণ স্বৰূপে লৰ্ড জেফ্ৰীয়ে (Lord Jeffrey) এডিনবৰা ৰিভিউত (Edinburgh Review) লিখিছিল যে ধৰ্ম আৰু কবিতাৰ কিছুমান দিশত মিল আছে। ধৰ্মৰ নীতি আৰু কাব্যৰ ৰীতি কিছুমান অনুপ্ৰাণিত (অৰ্থাৎ ঈশ্বৰদ্বাৰা অনুপ্ৰাণিত) আৰু আশীৰ্বাদ প্ৰাপ্ত লোকে বহুদিন আগেয়ে আমাৰ কাৰণে ঠিক কৰি থৈ গৈছে। গতিকে তেওঁলোকৰ কৰ্তৃত্ব বা মতবাদক আমি অগ্ৰাহ্য কৰা উচিত নহয়। কিন্তু দুই এজন মানুহৰ এনেকুৱা মতামতে গোটেই যুগটোৰ ভাবধাৰাক প্ৰতিনিধিত্ব কৰিব পৰা নাছিল। ফৰাচী বিদ্ৰোহৰ ধ্যান ধাৰণাইহে এই যুগৰ ধ্যান ধাৰণাক প্ৰতিনিধিত্ব কৰিব পাৰিছিল।

এইখিনিতে আমি এটা কথা মনকৰা উচিত। আমি ধৰি লব নালাগিব যে একেজন ব্যক্তিৰ ওপৰতে নতুন ৰাজনৈতিক বা কাব্যিক ধ্যান ধাৰণাসমূহ সমানে বা একেলগে পৰিছিল নাইবা যিজন ৰাজনৈতিক দিশত বৈপ্লৱিক দৃষ্টিভঙ্গীৰ তেওঁ কাব্যৰ দিশতো একে দৃষ্টিভঙ্গীৰ আছিল। এনে ধাৰণা ভুল বুলি আমি হেজলিট আৰু স্কটৰ কথা উল্লেখ কৰিলেই ধৰা পৰিব। সাহিত্যিক হিচাপে স্কট আছিল ৰোমাণ্টিক কিন্তু ৰাজনৈতিক ধ্যানধাৰণাত টোৰী (Tory)। সেইদৰে ৰাজনৈতিক দিশত হেজলিট আছিল গণআন্দোলনৰ সমৰ্থক ব্যক্তি (chartist) কিন্তু সাহিত্য জগতত তেওঁ নিজকে এজন অভিজাত লোক বুলি ক বলৈ ভাল পাইছিল। আনহাতে কীট্‌ছ ফৰাচী বিপ্লৱ বা ৰাজনীতি একোৰে দ্বাৰা প্ৰভাবিত হোৱা নাছিল। ওৱাৰ্ডছ ওৱাৰ্থ আৰু কোলেৰিজে প্ৰথমে বিপ্লৱবাদী (radicals) হিচাপে আত্মপ্ৰকাশ কৰি শেষত ৰক্ষণশীল টোৰী দলৰ সমৰ্থক হৈ পৰিছিল।

আমি প্ৰথমতেই উল্লেখ কৰিছোঁ যে ফৰাচী বিপ্লৱ আগৰ কোনো কথাৰ লগত সম্পৰ্ক নথকা অপ্ৰত্যাশিতভাৱে হোৱা কোনো বিস্ফোৰণ নহয়। বিদ্ৰোহৰ বীজ সিচা হৈছিল বহুদিন আগেয়ে কেৱল গজালিহে মেলে ১৭৮৯ চনত। ইংৰাজী সাহিত্যৰ বুৰঞ্জীলেখক আৰ্থাৰ কম্প টন ৰিকেটে (Arthur Compton Rickett) ফৰাচী বিপ্লৱৰ তিনিটা পৰ্য্যায় বা স্তৰৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ ল—

(১) মতবাদ বা চিন্তা চৰ্চ্চাৰ পৰ্য্যায় ইয়াক তত্ত্বগত বা তত্ত্ব সৰ্বস্ব পৰ্য্যায় বুলিও কোৱা হৈছে। ৰুছোৰ কালকে এই পৰ্য্যায়ত পেলোৱা হৈছে। (The Doctrinaire phase—The age of Rousseau)

(২) ৰাজনৈতিক পৰ্য্যায়, বা ৰাজনৈতিক ধ্যান ধাৰণাৰ পৰ্য্যায়—এইটো হ'ল ৰোবেছপীয়াৰ আৰু ডেন্টনৰ কাল। (The political phase—the age of Robespierre and Danton)

(৩) সামৰিক পৰ্য্যায় এই খিনিয়েই হ'ল নেপোলিয়নৰ কাল। (The Military phase—the age of Napoleon)

এতিয়া আমি এই তিনিটা পৰ্য্যায়ৰ কথা চমুকৈ আলোচনা কৰিম। এই বিপ্লৱৰ তাত্বিক দিশটোৰ প্ৰধান চিন্তানায়ক হ'ল ৰুছো। ৰুছোৰ শিকনি আৰু দাৰ্শনিক মতবাদবোৰেই হ'ল বীজ যিয়ে গোটেই ইংলণ্ডতে একপ্ৰকাৰ বৌদ্ধিক আৰু সাহিত্যিক বিপ্লৱৰ সূচনা কৰে। ৰুছো আছিল মূলত এজন প্ৰকৃতিবাদী আৰু তেঁৱেই প্ৰকৃতিলৈ উভতি যোৱা এই শ্লোগানৰ সৃষ্টি কৰে। সহজ সৰল জীৱন যাত্ৰাৰ প্ৰতি তেওঁৰ আছিল আন্তৰিক মোহ। আধুনিক সভ্যতাত তেওঁৰ আস্থা অলপো নাছিল আৰু তেওঁৰ মতে এই আধুনিক সভ্যতাই মানুহৰ মন কলুষিত হোৱাৰ প্ৰধান কাৰণ। তেওঁৰ মতে আধুনিক সভ্যতাত সভ্য হোৱাতকৈ মহৎ অসভ্য (noble savage) হৈ থকাই ভাল। সামাজিক অনুষ্ঠানবোৰক তেওঁ মানুহৰ ভৰিত লগাই থোৱা শিকলি বুলি গণ্য কৰিছিল। সামাজিক আৰু ৰাজনৈতিক অত্যাচাৰৰ তেওঁ উচ্চস্বৰে প্ৰতিবাদ কৰিছিল আৰু পদদলিত সকলো লোকক দাসত্বৰ পৰা মুক্তিৰ উদ্দেশ্যে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। তেওঁ মানুহক বুজাই দিছিল যে তেওঁলোকৰ দাৰিদ্ৰ্য দুখ দুৰ্দশা আদিৰ কাৰণে সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানবোৰেই দায়ী। এইবোৰ অনুষ্ঠানে কেৱল বিশেষ এটা শ্ৰেণীকহে লাভৱান কৰিছে। ৰুছোৰ সাৰল্যবাদ (Primitivism) আবেগপ্ৰৱণতা বা ভাৱপ্ৰৱণতা (sentimentalism) আৰু ব্যক্তিস্বাতন্ত্ৰবাদে (individualism) ই লণ্ডৰ চিন্তাজগত আৰু সাহিত্য জগতত পৰ্য্যাপ্তভাৱে প্ৰভাৱ বিস্তাৰ কৰে। ফ্ৰান্সত এইবোৰে বিপ্লৱৰ কাৰণে অনুকূল পৰিবেশৰ সৃষ্টি কৰে। মানুহৰ সততাত ৰুছোৰ এই বিশ্বাস বা চহা জীৱনৰ প্ৰতি তেওঁৰ যি মোহ সিয়ে শেষত ইংৰাজ কবি ব্লেইক ওৱাৰ্ডছৱৰ্থ আৰু কিছু পৰিমাণে কোলেৰিজৰ কবিতাত প্ৰতিফলিত হয়। প্ৰকৃতি প্ৰীতি আৰু সহজ সৰল গ্ৰাম্য জীৱনৰ প্ৰতি আকৰ্ষণ ওৱাৰ্ডছৱৰ্থৰ কবিতাৰ বিশেষ বৈশিষ্ট্য হৈ পৰে। ওৱাৰ্ডছৱৰ্থৰ প্ৰকৃতি প্ৰীতি ৰুছোৰ প্ৰভাৱৰেই ফল। ৰুছোৰ চিন্তাচৰ্চাৰ বৌদ্ধিক দিশটোৰ প্ৰভাৱ প্ৰথমতে পৰে গডউইনৰ ওপৰত আৰু গডউইনৰ জৰিয়তে শেলীৰ ওপৰত। গডউইনৰ Political Justice নামৰ পুথিখন ৰুছোৰ চিন্তাধাৰাৰেই অভিব্যক্তি। ৰুছোৰ দৰে তেৱোঁ ন্যায়বিচাৰ আৰু সমতাৰ হকে মাত মাতিছিল; তেৱোঁ আছিল মানুহৰ

সততাত আস্থাশীল। ৱৰ্ডছৱৰ্থৰ পুথিখনৰ উল্লেখ কৰি শ্বেলীয়ে স্বীকাৰ কৰিছে যে জ্ঞান আৰু নৈতিকতাৰ ক্ষেত্ৰত যি মূল্যবান (Valuable in knowledge and virtue) সেই সকলো তেওঁ এই পুথিখনৰপৰা আহৰণ কৰিছে।

ফৰাচী বিদ্ৰোহৰ ৰাজনৈতিক পৰ্য্যায়টো আৰম্ভ হয় বেষ্টিল (Bastille) কাৰাগাৰৰ পতনৰপৰা। এই ঘটনাই গোটেই ইউৰোপতে যুৱকসকলৰ অন্তৰত এটি শিহৰণৰ ঢৌ বোৱাই পেলালে। কবি ৱৰ্ডছৱৰ্থ আনন্দত আত্মহাৰা হৈ উঠিল কোলেৰিজ আৰু চাউদীও পিছ পৰি নাথাকিল। তেওঁলোক সকলোৱে গালে কাব্যৰ জৰিয়তে বিপ্লৱৰ জয়গান। কিন্তু এই আনন্দ-উদ্দীপনা দীৰ্ঘদিনীয়া নহ'ল। সন্ত্ৰাসৰ ৰাজত্ব (Reign of Terror) আৰু অপ্ৰতিদ্বন্দ্বী নায়ক হিচাপে নেপোলিয়নৰ উত্থানে ৰোমাণ্টিক কবিসকলৰ এই উৎসাহ-উদ্দীপনাত চেঁচা পানী ঢালিলে। নেপোলিয়ন একচ্ছত্ৰী সম্ৰাট হৈ উঠিল। নেপোলিয়নৰ উত্থানৰ লগে লগে বিপ্লৱৰ সামৰিক পৰ্য্যায়ৰ আৰম্ভণি বুলি ক'ব পাৰি। ফ্ৰান্স ইংলণ্ডৰ লগত যুদ্ধত লিপ্ত হোৱাৰ লগে লগে ইংৰাজ ৰোমাণ্টিক কবিসকলৰ মোহভঙ্গ হ'ল। বিপ্লৱবাদী হিচাপে আত্মপ্ৰকাশ কৰি ৱৰ্ডছ ৱৰ্থ কোলেৰিজ চাউদী আদি কবিসকল শেষত ৰক্ষণশীল টোৰী দলৰ সমৰ্থক হৈ পৰিল। বৈপ্লৱিক দৃষ্টিভংগীৰ পৰা আঁতৰি যোৱাৰ কাৰণে পিছৰ ৰোমাণ্টিক কবিসকলে তেওঁলোকক সমালোচনা কৰিলে। আনকি ভিক্টোৰীয় যুগৰ কবি ৰবাৰ্ট ব্ৰাউনিঙেও ৱৰ্ডছৱৰ্থক lost leader আখ্যা দিলে।

ফৰাচী বিপ্লৱৰ আদৰ্শ লক্ষ্য বা উদ্দেশ্য বা কেনেকুৱা ভাবধাৰাৰদ্বাৰা বিপ্লৱীসকল উদ্বুদ্ধ হৈছিল তাৰ এটি চমু আলোচনাৰ প্ৰয়োজন। এই প্ৰসঙ্গত প্ৰথমতেই আমি উল্লেখ কৰিব লাগিব সমতাৰ বা সাম্যভাবৰ (Equality) আদৰ্শৰ কথা। বিপ্লৱী সকলে গোটেই মানৱজাতিক এক ভ্ৰাতৃত্বৰ বান্ধোনেৰে বান্ধিব বিচাৰিছিল। তেওঁলোকৰ মতে দেশ আৰু ভাষাৰ ভেদ সত্বেও সকলো মানুহ মূলত একেই—অৰ্থাৎ তেওঁলোকৰ আশা আকাঙ্ক্ষা আৱেগ অনুভূতি আৰু মৌলিক প্ৰবৃত্তিসমূহ একেই। গোটেই বিশ্বতে বিৰাজ কৰিছে এক মানৱ পৰিয়াল। এই মানৱ পৰিয়ালৰ প্ৰত্যেকজন লোকেই অন্যায় অবিচাৰৰ পৰা মুক্তি পাবলৈ সুখী জীৱন যাপন কৰিবলৈ আৰু সকলো বিষয়তে সমান অধিকাৰ লবলৈ দাবী কৰিব পাৰে। জন্মসূত্ৰ পদমৰ্য্যাদা ধন দৌলত আদিৰ ভিত্তিত মানুহৰ মাজত বিভাজন একেবাৰেই অযুক্তিকৰ।

বিপ্লৱীসকলে ফৰাচী বিদ্ৰোহৰ জৰিয়তে বিশ্ববাসীৰ আগত দাঙি ধৰা আন এটি আদৰ্শ হ'ল মুক্তি বা স্বাধীনতাৰ (Liberty) আদৰ্শ। গোটেই বিদ্ৰোহটোৱেই আছিল অনাচাৰ অত্যাচাৰ আৰু শোষণৰ বিৰুদ্ধে বিদ্ৰোহ। বিপ্লৱীসকলৰ কাৰণে

পেৰিচত থকা বেষ্টিল দুৰ্গটোৱেই হ'ল অত্যাচাৰ নিপীড়নৰ প্ৰতীক। এই দুৰ্গটোকেই ফ্ৰান্সৰ ৰজাসকলে কাৰাগাৰ হিচাপে অতীতৰ পৰা ব্যৱহাৰ কৰি আহিছিল। বিপ্লৱী সকলে ১৭৮৯ চনৰ ১৪ জুলাই তাৰিখে এই কাৰাগাৰ আক্ৰমণ কৰি ধূলিসাৎ কৰি দিলে। এই ধ্বংসকাৰ্য্যই দমননীতিৰ ওপৰত প্ৰতিষ্ঠিত পুৰণি শাসনপদ্ধতিৰ অৱসান সূচনা কৰে। এই কাৰাগাৰ ধ্বংস কৰাৰ কেইদিনমান আগতে কবি কূপাৰে ইয়াক সম্বোধন কৰি এইদৰে লিখিছিল—

Ye horrid towers the abode of broken hearts
Ye dungeons and caverns of despair
That monarchs have supplied from age to age
With music such as suits their sovereign ears
The sighs and groans of miserable men !
There is not an English heart that would not leap
To hear that ye are fallen at last !

ওৱাৰ্ডছ্ওৱাৰ্থ আৰু কোলেৰিজে এই কাৰাগাৰ ভঙাৰ খবৰ পাই আনন্দত আত্মহাৰা হৈ উঠে আৰু ইয়াক নতুন যুগৰ ফেঁহুজালি বুলি অভিহিত কৰে। সম্পত্তিশালী আৰু ক্ষমতাশালী শ্ৰেণীসমূহে ইমাদিনে উপভোগ কৰি অহা সা স্বিধা আৰু অধিকাৰবক এতিয়াৰপৰা অন্যায় বুলি গণ্য কৰা হ'ল।

বিপ্লৱীসকল আছিল কল্পনাবিলাসী বা স্বপ্নবিলাসীও। তেওঁলোকে কল্পনা কৰিছিল গোটেই মানৱ জাতিৰে নৱজাগৰণ আশা কৰিছিল এক স্বপ্নযুগৰ। শ্বেলীৰ কল্পনা জগততো এই চিন্তাই ঠাই পায়। বৈপ্লৱিক উদ্দীপনাৰে উদ্দীপ্ত হৈ তেওঁ সকলো সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানৰ প্ৰতিবন্ধকতাক অস্বীকাৰ কৰে আৰু নৱযুগৰ আৱাহনৰ গীতত নিজৰ মন-প্ৰাণ ঢালি দিয়ে। তেওঁৰ Promtheus unbound নামৰ গীতিনাটকখনৰ চতুৰ্থ অংকলত সমবেত সঙ্গীতৰ জৰিয়তে প্ৰেম শান্তি আৰু আনন্দৰ মাজত গোটেই মানৱজাতিৰ নৱজন্মৰ ঘোষণা কৰা হৈছে। শ্বেলীৰ বাহিৰেও আন কেইবাজনো ইংৰাজ ৰোমাণ্টিক কবিয়ে ফৰাচী বিপ্লৱৰ বাণী তেওঁলোকৰ ছন্দোবদ্ধ ৰচনাত প্ৰকাশ কৰে। এই বিপ্লৱৰ প্ৰভাৱ কোনজন ৰোমাণ্টিক কবিৰ ওপৰত কেনেকৈ পৰিছিল তাৰ চমু আলোচনা তলত দাঙি ধৰা হ'ল।

ওৱাৰ্ডছওৱাৰ্থ ফৰাচী বিপ্লৱ আৰম্ভ হোৱা সময়ত ওৱাৰ্ডওৱাৰ্থৰ বয়স আছিল ১৯ বছৰ। গতিকে কাব্যজগতত স্থান এখনি অধিকাৰ কৰিবলৈ তেতিয়াও তেওঁৰ সময় হোৱা নাই। তথাপিও তেওঁৰ স্বাধীনতাপ্ৰিয় আৰু মানৱ দৰদী অন্তৰ বিপ্লৱৰ বাৰ্তাত

উদ্বেলিত হৈ উঠে। ই বাজ ৰোমাণ্টিক কবিসকলৰ ভিতৰত ওৱাৰ্ডছৱাৰ্থৰ ওপৰতেই ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ পোন-প্ৰথমতে পৰে। বিপ্লৱীসকলে যি সাম্য আৰু স্বাধীনতাৰ বাণী বিশ্ববাসীৰ মাজত বিয়পাইছিল ওৱাৰ্ডছৱাৰ্থেও কাম্বাৰলেণ্ডত বাস কৰোতে একে আদৰ্শকে মনৰ মাজত পুহি ৰাখিছিল অৰ্থাৎ তেৰে। আছিল এই তিনিটা আদৰ্শৰ সমৰ্থক। ওৱাৰ্ডছৱাৰ্থ এনে এখন সমাজত বাস কৰিছিল য'ত আছিল মানুহৰ গণতান্ত্ৰিক ব্যৱস্থাত অটল বিশ্বাস। কাম্বাৰলেণ্ড অঞ্চলৰ গ্ৰাম্য লোকৰ মাজত সদায়ে আছিল সাম্য আৰু মৈত্ৰীৰ ভাব। আনকি কেম্বি জত থাকোঁতেও ওৱাৰ্ডছৱাৰ্থ আন সকলো লোকৰ লগত ভ্ৰাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই আছিল। এই কথাকেই তেওঁ তেওঁৰ The Prelude নামৰ মহাকাব্য ধৰ্মী আত্মজীৱনীখনত উল্লেখ কৰিছে—

We were brothers all
In honour as in one community
Scholars and good gentlemen (Book IX)

গতিকে দেখা যায় যে ফৰাচী বিদ্ৰোহে কবিৰ মনত নতুনকৈ একো জোকাৰণি তুলিব পৰা নাই। তেওঁৰ দৃষ্টিত ঘটনাটো হ'ল একেবাৰে স্বাভাৱিক কাৰণ যি আদৰ্শক তেওঁ ইমান দিনে শ্ৰদ্ধা কৰি আহিছে বিপ্লৱটো হ'ল সেই আদৰ্শকে বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস। সেয়েহে তেওঁ ফৰাচী বিদ্ৰোহক উৎসাহ উদ্দীপনাৰে আদৰণি জনায়। তেওঁৰ এই উৎসাহ উদ্দীপনা প্ৰকাশ পাইছে ওপৰত উল্লেখ কৰা Prelude কাব্য গ্ৰন্থখনতেই—

Bliss was it in that dawn to be alive
But to be young was very heaven (Book XI)

ওৱাৰ্ডছৱাৰ্থ আনন্দিত হ'ল এই কাৰণেই যে এই বিপ্লৱটোৱে ৰাজতন্ত্ৰৰ অত্যাচাৰৰ পৰা মানুহক ৰক্ষা কৰি শান্তি আৰু সাম্যভাৱৰ যুগ এটিৰ সম্ভাৱনা দাঙি ধৰিলে। তেওঁ ভাবিলে যে এই বিদ্ৰোহে গোটেই ইউৰোপৰ জনতাৰ কাৰণে এটি গৌৰৱময় যুগৰ সূচনা কৰিব। সেয়েহে তেওঁ কৈছে—

Europe at that time was thrilled with joy
France standing on the top of golden hours
And human nature seeming born again. (Book VI)

কবি ওৱাৰ্ডছৱাৰ্থ বিদ্ৰোহৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিল আৰু সেই উদ্দীপনাৰ মাজতে ১৭৯ চনৰ জুলাই মাহত তেওঁ ফ্ৰান্স ভ্ৰমণ কৰে। তেওঁ লক্ষ্য কৰিলে যে সেই সময়ত ফ্ৰান্সৰ মানুহৰ মনত অফুৰন্ত আশা উদ্দীপনা। সকলো ফালে ৰাজহুৱা আনন্দ

উৎসৱ নাচ-গান হাঁহি ধেমালি মাল্যপ্ৰদান উৎফুল্লিত জনতাৰ হাতে হাতে পতাকা আৰু কিমান কি। কবিৰ মতে এয়ে হ'ল— pleasant exercise of hope and joy প্ৰথম ভ্ৰমণত তেওঁৰ এই অভিজ্ঞতা হ'ল একেবাৰে মধুৰ। ইয়াৰ পিছত তেওঁ ১৭৯১ চনৰ নৱেম্বৰ মাহত আকৌ এবাৰ ফ্ৰান্স ভ্ৰমণ কৰে। ইবাৰ তেওঁ ফৰাচী লোকৰ দুখ কষ্ট দেখি মনত বৰ আঘাত পায়। মাইকেল বুপয় (Michael Beaupuy) নামৰ সামৰিক বিষয়া এজনৰ লগত বন্ধুত্বই মানুহৰ অৱস্থা অধ্যয়ন কৰাত বিশেষভাৱে সহায় কৰে। বুপয় আছিল বিপ্লৱৰ সমৰ্থক আৰু তেওঁ ওৱাৰ্ডছৱৰ্থক বুজাই দিছিল যে বিপ্লৱীসকলে যুঁজ কৰিছে অন্যায় অত্যাচাৰ শোষণ আৰু দাৰিদ্ৰ্যৰ বিৰুদ্ধে। ফৰাচী লোকৰ সাহস দৃঢ়তা আৰু একাগ্ৰতা দেখি কবি মোহিত হ'ল। বুপয়ৰ লগত তেৰো বিপ্লৱীসকলৰ লগত সংহতি প্ৰকাশ কৰিলে। তেওঁৰ যেন এতিয়া একমাত্ৰ কৰ্তব্য হ'ল মানুহৰ দুখ মোচন কৰা। এই উদ্দেশ্যে তেওঁ বিপ্লৱী দল জিৰনদিন (Gerondins) সকলৰ লগতো কাম কৰে। বহুতে অনুমান কৰে যে যদি ওৱাৰ্ডছৱৰ্থ ফ্ৰান্সত বেছি দিন থাকিলহেঁতেন তেতিয়া তেৰোঁ হয়তো বিপ্লৱৰ শ্বহীদ হ'ব লাগিল হেঁতেন। কিন্তু তেওঁ ১৭৯৩ চনত স্বদেশলৈ ঘূৰি আহিব লগা হ'ল।

ইংলণ্ডলৈ ঘূৰি অহাৰ পিছতো বৈপ্লৱিক আদৰ্শত তেওঁৰ বিশ্বাস অলৰ অচৰ হৈয়েই থাকিল। কিন্তু তাৰ পিছত কিছুমান অপ্ৰত্যাশিত ঘটনা ঘটিল আৰু সেইবোৰে তেওঁৰ দৃঢ় বিশ্বাসত আঘাত হানিলে। ইংলণ্ডে যেতিয়া ১৭৯৩ চনত ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে তেতিয়া ওৱাৰ্ডছৱৰ্থ বৰ ক্ষুব্ধ হৈ পৰে। কিন্তু যেতিয়া তেওঁ শুনিলে যে সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ বাণী প্ৰচাৰ কৰা ফৰাচী বিপ্লৱীসকলে নিজেই এতিয়া সন্ত্ৰাসৰ ৰাজত্ব চলাইছে তেতিয়া মোহভঙ্গ হ'ল আৰু স্বদেশৰ প্ৰতি আনুগত্য বাঢ়িল। হত্যাকাণ্ড লুটপাত আদিৰ ঘটনাই বিশেষকৈ চেপ্তেম্বৰ মাহৰ হত্যাকাণ্ডৰ ঘটনাই বিপ্লৱীসকলৰ প্ৰতি তেওঁৰ মন তিক্ত কৰি তুলিলে। আকৰ্ষণ আৰু ঘৃণালৈকে ৰূপান্তৰিত হ'ল। তেওঁ মানসিক শক্তিও হেৰুৱাই পেলালে। মনৰ এই অৱস্থাটোকে তেওঁ Prelude অৰ এঠাইত তলত দিয়াৰ দৰে বৰ্ণনা কৰিছে—

I scarcely knew one night of quiet sleep
such ghastly visions had I of despair
And tyranny and implements of death
and long orations which in dream I pleaded
Before unjust tribunals (Book X)

ওৱাৰ্ডছৱৰ্থৰ বিপ্লৱত এতিয়া অকনো বিশ্বাস নোহোৱা হ'ল আৰু যেতিয়া তেওঁ

শুনিলে যে ফ্ৰান্সে এতিয়া চাৰিওফালৰ দেশবোৰহে আক্ৰমণ কৰিব ধৰিছে, তেতিয়া তেওঁৰ শেষ আশাকণো মাটি হৈ গ'ল। বিপ্লৱৰ ফালে পিঠি দি তেওঁ এতিয়া বৈপ্লৱিক ধ্যান ধাৰণাৰে পূৰ্ণ গডউইনৰ Political Justice পুথিখন পঢ়াত লাগিল। ইয়াত থকা তাত্ত্বিক কথাবোৰ পঢ়ি প্ৰথমতে তেওঁৰ ভালেই লাগিল। কিন্তু গডউইনৰ কিছুমান চিন্তাধাৰাৰ লক্ষ্যভ্ৰষ্টতাই তেওঁক বিবুদ্ধিত পেলালে। তেতিয়া তেওঁ অনুভৱ কৰিলে যে তেওঁ ভুলপথ বাছি লৈছে। গতিকে ৰাজনীতিৰ অধ্যয়নৰ পৰা তেওঁ আকৌ কাব্যজগতলৈ ঘূৰি আহিল। কাম্বাৰলেণ্ডৰ প্ৰকৃতি আৰু গ্ৰাম্য লোকেই তেওঁৰ এতিয়া আশ্ৰয়স্থল। প্ৰকৃতিৰ মাজত তেওঁ শান্তি ঘূৰাই পালে। সাধাৰণ লোকৰ কৃত্ৰিমতা বিহীন জীৱনে মানুহৰ সততাত তেওঁৰ আস্থা আকৌ ঘূৰাই আনিলে। মানসিক স্থিৰতা ঘূৰাই পোৱাত কোলেৰিজ আৰু ভনীয়েক ডৰোথীয়ে তেওঁক যথেষ্ট সহায় কৰিলে। ভনীয়েক ডৰোথীৰ প্ৰতি কৃতজ্ঞতা ওৱাৰ্ডছ্ৱাৰ্থে তেওঁৰ কবিতাৰ কেইবা ঠাইতো উল্লেখ কৰিছে। কোলেৰিজৰ সাহচৰ্য্যত ওৱাৰ্ডছ্ৱাৰ্থে তেওঁৰ আত্ম বিশ্বাস ঘূৰাই পালে আৰু ই তেওঁৰ কাব্যৰচনাৰ কাৰণে সহায়ক হ'ল।

কোলেৰিজ কোলেৰিজৰ ওপৰতো ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ ওৱাৰ্ডছ্ৱাৰ্থৰ ওপৰত পৰাৰ দৰে একেধৰণেই পৰে। কোলেৰিজেও পোন-প্ৰথমতে ফৰাচী বিপ্লৱক আদৰণি জনায় কাৰণ তেওঁৰ মতে বিপ্লৱীসকলে বিশ্ববাসীৰ আগত দাঙি ধৰা সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ আদৰ্শ হ'ল মহৎ আদৰ্শ। এই বিপ্লৱে সোতৰ বছৰীয়া কোলেৰিজৰ আগত এক নৱজীৱনৰ ছবি দাঙি ধৰে। বিপ্লৱীসকলে যেতিয়া বেষ্টিল কাৰাগাৰ ভাঙি বন্দীসকলক মুকলি কৰি দিয়ে তেতিয়া কোলেৰিজৰ মন আনন্দত নাচি উঠিল কাৰণ তেওঁ নিজকেই এজন স্বাধীনতাৰ প্ৰতিপোষক বুলি গণ্য কৰিছিল। সেই কাৰণে তেওঁ Destruction of the Bastille নামৰ কবিতাটোত লিখিছে—

> Liberty the soul of Life shall reign
> Shall throb in every pulse shall flow thro every vein!

কোলেৰিজৰ মতে বেষ্টিলৰ পতনে এনেকুৱা এটা সময়ৰ আগজাননী দিছে যেতিয়া—

> No fetter vile the mind shall know
> And Eloquence shall fearless glow
> Yes! liberty the soul of life shall reign
> Shall throb in every pulse shall flow thro every vein
>
> (Destruction of the Bastille)

নৱযুগৰ সূচনাৰ লগে লগে আমাৰ সমাজৰ পৰা অত্যাচাৰ অনাচাৰ শোষণ আদি সকলো নাইকীয়া হৈ যাব। ফৰাচী বিদ্রোহে কোলেৰিজৰ মনত এনেকুৱা ধৰণে আশাৰ সঞ্চাৰ কৰিবলৈ ধৰিলে যে তেওঁৰ মানস পটত মুক্ত আৰু শান্তিপূৰ্ণ জগত এখনৰ ছবি ভাহি উঠিল। চাউদী আৰু আন কেইজনমান কবিৰ লগ লাগি তেওঁ এনে এক শাসন ব্যৱস্থা বা সমাজ ব্যৱস্থাৰ চিন্তা কৰিলে য'ত সকলো মানুহৰে সমান ক্ষমতা থাকিব। এই শাসন ব্যৱস্থা বা সমাজ-ব্যৱস্থাৰ নাম দিয়া হৈছে Pantisocracy। ই হ'ল সমাজতান্ত্ৰিক শাসন ব্যৱস্থা। কোলেৰিজৰ মনত ভাব হ'ল যে মানুহৰ বিশ্বাস যদি গভীৰ বা অলৰ অচৰ হয় (অৰ্থাৎ দৃঢ় হয়) আৰু মনৰ অভিলাষ যদি বৰ প্ৰবল হয় তেতিয়া হ'লে সকলো কামেই সম্ভৱ হৈ উঠিব পাৰে।

কিন্তু অৱশেষত গৈ কোলেৰিজৰ অৱস্থাও ওৱাৰ্ডছৱাৰ্থৰ দৰেই হ'ল। অত্যাচাৰৰ কবলৰ পৰা মুক্ত হৈ বিপ্লৱীসকলে যেতিয়া নিজেই আনক অত্যাচাৰ কৰিবলৈ ধৰিলে তেতিয়া তেওঁলোকৰ প্ৰতি বিশ্বাস কৰিব নোহোৱা হৈ গ'ল। নিজে স্বাধীন হৈ তেওঁলোকে আনৰ স্বাধীনতা হৰণ কৰাত লাগি গ'ল। ফ্ৰান্সে ওচৰ চুবুৰীয়া সৰু সৰু দেশবোৰক জয় কৰি দখল কৰিবলৈ ধৰিলে। এইবোৰ দেখি শুনি কোলেৰিজে প্ৰচণ্ড মানসিক আঘাত পালে। বিশেষকৈ ফৰাচী বিপ্লৱীসকলে যেতিয়া চুইজাৰলেণ্ড আক্ৰমণ কৰে তেতিয়া কোলেৰিজ ক্ষুব্ধ হৈ পৰিল। তেওঁ নিশ্চিত হ'ল যে ফৰাচী সকলে ধ্বংসৰ পথ বাচি লৈছে। এইখিনি সময়ত কোলেৰিজৰ মনত সৃষ্টি হোৱা ক্ষোভ আৰু হতাশা প্ৰকাশ পাইছে—France An Ode (1798) নামৰ কবিতাটোত। সন্ত্ৰাসৰ ৰাজত্বৰ (Reign of Terror) কথা শুনি তেওঁৰ বুকু কঁপি উঠিল। শান্তিপ্ৰিয় আৰু ক্ষুদ্ৰ দেশ চুইজাৰলেণ্ডক ফ্ৰান্সে আক্ৰমণ কৰা কাৰণে ফৰাচী বিপ্লৱীসকলৰ প্ৰতি কোলেৰিজৰ ক্ৰোধ তীব্ৰ হৈ উঠিল। বৈপ্লৱিক আদৰ্শৰ মোহ জালৰ পৰা তেওঁ মুক্ত হ'ল। ওৱাৰ্ডছৱাৰ্থৰ আগতেই তেওঁ ৰক্ষণশীল হৈ পৰিল। তেওঁৰ মতে ফৰাচীসকলৰ কাৰ্য্যাৱলী হ'ল কেৱল গৰিহণাৰহে যোগ্য। সেয়েহে তেওঁ France An Ode অত লিখিছে—

O France that mockest Heaven adulterous blind
And patriot only in pernicious toils!
Are these thy boasts Champion of human kind?
To mix with kings in the low lust of sway
Yell in the hunt and share the murderous prey
To insult the shrine of Liberty with spoils
From freemen torn to tempt and to betray?

ইয়ানথিনিৰ পিছতো বিপ্লবীসকলৰ মনত হয়তো শুভবুদ্ধিৰ উদয় হ'ব বুলি তেওঁ যি আশা ৰাখিছিল সিয়ো ধূলিসাৎ হৈ গ'ল যেতিয়া ফ্ৰান্সে ইংলণ্ড আক্ৰমণ কৰিবলৈ প্ৰস্তুতি চলালে। ফ্ৰান্সে ইংলণ্ডৰ স্বাধীনতা হৰণ কৰাটো কোলেৰিজৰ পক্ষে কোনো মতে সহনীয় হ'ব নোৱাৰে। এই সময়ত ফ্ৰান্সৰ ভূমিকা শান্তিৰ দূতৰ সলনি সন্ত্ৰাসৰ দূতহে হ'ল। কোলেৰিজ আছিল বিশ্বপ্ৰেমিক। কিন্তু ঘটনাচক্ৰই তেওঁক কৰিলে ই লণ্ডপ্ৰেমিক। তেওঁৰ মনোযোগ আকৰ্ষিত হ'ল ফ্ৰান্সৰ পৰা ইংলণ্ডলৈকে। ইংলণ্ডৰ প্ৰতি তেওঁৰ ভালপোৱা আৰু আনুগত্য প্ৰকাশ পাইছে Fears in Solitude নামৰ কবিতাটোত—

O native Britain! O my Mother Isle!
How shouldst thou prove aught else but dear and holy
To me who from thy takes and mountain hills
The clouds thy quiet dales thy rocks and seas
Have drunk in all my intellectual life
All sweet sensations all ennobling thoughts

ফৰাচী বিপ্লৱে কোলেৰিজৰ মনত যি নিৰাশা বা হতাশাৰ সৃষ্টি কৰে সিয়ে তেওঁৰ কাব্য-প্ৰতিভা আৰু কল্পনাশক্তিক স্তিমিত কৰি তোলে। বৈপ্লৱিক উদ্দীপনা মাৰ যোৱাৰ পিছত দৰ্শন আৰু আধ্যাত্মিক চিন্তাত মনোনিবেশ কৰি হেৰোৱা শান্তি ঘূৰাই পাবলৈ তেওঁ যত্ন কৰে। কিন্তু ফ্ৰান্সৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গী সহানুভূতিহীনেই হৈ থাকিল। ১৮১১ চন মানত তেওঁ একেবাৰে তীব্ৰ নেপোলিয়ন বিৰোধী হৈ উঠিল।

বায়ৰণ বায়ৰণৰ জন্ম হয় ফৰাচী বিদ্রোহৰ মাত্ৰ এবছৰ আগেয়ে। গতিকে বিপ্লৱৰ প্ৰথম চোৰ প্ৰত্যক্ষ অভিজ্ঞতা তেওঁৰ নাই। বিপ্লৱৰ পাছৰ অৱস্থাটোহে তেওঁ দেখা পালে। সময়টো হ'ল নেপোলিয়নৰ উত্থানৰ সময়। বায়ৰণে যেতিয়া কবিতা লিখিবলৈ আৰম্ভ কৰে তেতিয়া ইতিমধ্যে বৈপ্লৱিক আদৰ্শত মানুহৰ বিশ্বাস নোহোৱা হৈ গৈছে। এইটো আছিল মানুহৰ আশাভঙ্গৰ সময়। বিপ্লৱৰ প্ৰাৰম্ভিক আৱেগ উদ্দীপনা এতিয়া একো নাই। ফৰাচী বিপ্লৱৰ আদৰ্শক ফৰাচীসকলেই প্ৰথমে ভৰিৰে মোহাৰি পেলালে। আনকি নেপোলিয়নৰ পতনেও স্বাধীনতা আৰু সমতাৰ ভিত্তিত কোনো নৱযুগৰ আগমনৰ সূচনা কৰিব নোৱাৰিলে। এই সময়টো হ'ল কেৱল প্ৰতিক্ৰিয়াৰ সময় হতাশা আৰু বিশ্বাসহীনতাৰ সময়। ইউৰোপীয় জাতিবোৰৰ Holy Alliance অৰ ফলস্বৰূপে যি ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ প্ৰৱৰ্তন হ'ল সিয়ে স্বাধীনতাপ্ৰিয় লোকৰ বুকত মাৰমাৰ সোধালে।

এনেকুৱা এটা অৱস্থাই বিৰাজ কৰা সত্বেও বায়ৰণৰ প্ৰায়বোৰ মুখ্য কবিতাতেই

ফৰাচী বিদ্ৰোহৰ আদৰ্শৰ প্ৰতিফলন ঘটিছে। সেয়েহে অধ্যাপক বাউৰাই (Bowra) কৈছে—"In Byron the ideals of 1789 were still a living force" ন বাদ্দি কালৰ পৰাই বায়ৰণ আছিল এজন বিপ্লবী। অন্যায় অত্যাচাৰ সামাজিক আচাৰ অনুষ্ঠান ভণ্ডামি আদিক তেওঁ কোনোমতে সহ্য কৰিব নোৱাৰিছিল। বিশেষকৈ ধৰ্মীয় ভণ্ডামিক তেওঁ কেতিয়াও প্ৰশ্ৰয় দিব নোৱাৰিছিল। ভীৰুতাক তেওঁ ঘৃণাৰ দৃষ্টিৰে চাইছিল। স্বাধীনতা প্ৰীতি আৰু সমাজৰ প্ৰচলিত ৰীতি নীতিৰ বিৰোধ— এই দুটাই হ'ল বায়ৰণৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। গ্ৰীছৰ স্বাধীনতা সংগ্ৰামত কবিয়ে নিজে অংশগ্ৰহণ কৰিছিল। On the Castle of Chillon নামৰ কবিতাটো বায়ৰণৰ স্বাধীনতা প্ৰীতিৰ এটি সুন্দৰ নিদৰ্শন। স্বাধীনতাৰ অগ্নিমন্ত্ৰক তেওঁ সম্বোধন কৰিছে এই বুলি—

> Eternal spirit of the chainless Mind !
> Brightest in dungeons Liberty ! thou art

অধ্যাপক জে নিকলৰ (J Nichol) মতে ফৰাচী বিপ্লৱৰ ধ্যান ধাৰণাৰ প্ৰতিফলন Don Juan নামৰ দীঘলীয়া কবিতাটোত যেনে ধৰণে হৈছে আন ক'তো হোৱা নাই। এই কবিতাটোৰ এঠাইত বায়ৰণে কৈছে—

> For I will teach if possible the stones
> To rise against earth s tyrants

নেপোলিয়নৰ প্ৰতি বায়ৰণৰ মনোভাব সৌহাৰ্দ্যপূৰ্ণ নাছিল। তথাপিও তেওঁ ভাবিছিল যে যদি নেপোলিয়নে তেওঁৰ মনোবাঞ্ছা পূৰণ কৰিব পাৰিলেহেঁতেন তেতিয়া হয়তো ইউৰোপৰ সকলো জাতিয়ে স্বাধীনতাৰ সোৱাদ পালেহেঁতেন। কিন্তু তেওঁৰ পতনৰ ফলত আকৌ আগৰ অৱস্থাই আহি পৰিল। বায়ৰণৰ এনেকুৱা ধৰণৰ চিন্তা চৰ্চাই তেওঁৰ Childe Harold নামৰ দীঘলীয়া কবিতাটোত ঠায়ে ঠায়ে ভুমুকি মাৰিছে।

বায়ৰণে গোটেই জীৱনতে প্ৰচলিত ধৰ্মব্যৱস্থা আৰু নৈতিকতাৰ বিৰুদ্ধে যুঁজ দি আহিছিল। তেওঁৰ Cain নামৰ নাটকখনত সামাজিক কৰ্তৃত্ব আৰু ব্যৱস্থাক প্ৰত্যাহ্বান জনোৱা হৈছে। সমসাময়িক ৰাজনৈতিক চিন্তাধাৰাকো বায়ৰণে গ্ৰহণ কৰা নাই। তেওঁ হ'ল ব্যক্তিস্বাতন্ত্ৰবাদৰ সমৰ্থক। ইংলণ্ডত জন্মগ্ৰহণ কৰিলেও মনোভঙ্গীত তেওঁ আছিল বিশ্বৰ নাগৰিক। তেওঁৰ হাততেই পোন প্ৰথমতে ইংৰাজী কবিতাই ইউৰোপীয় কবিতাৰ ৰূপ পায়। শ্বেলীৰ লগত বায়ৰণৰ অনেক বিষয়ত মিল থাকিলেও বায়ৰণে শ্বেলীৰ দৰে কেতিয়াও এখন আদৰ্শ ৰাজ্যৰ কল্পনা কৰা নাছিল। অৱশ্যে তেওঁ ভৱিষ্যত সম্বন্ধে নিৰাশাবাদী বুলিও ক'তো উল্লেখ কৰা নাই।

শ্বেলী ঃ শ্বেলীয়ে কবিতা লিখিবলৈ লোৱাৰ সময়ত ফৰাচী বিদ্ৰোহ ইতিমধ্যে এক ঐতিহাসিক ঘটনালৈ ৰূপান্তৰিত হৈ গৈছে। ই এতিয়া এক অতীতৰ বস্তু। তথাপি এই বিপ্লৱৰ দৰ্শনে শ্বেলীক স্পৰ্শ নকৰাকৈ থকা নাছিল। তেওঁ কিন্তু প্ৰভাৱান্বিত হৈছিল এই বিপ্লৱৰ আদৰ্শাত্মক বা ভাববাদী দিশটোৰ প্ৰতিহে। বায়ৰণৰ দৰে শ্বেলীয়েও এনেকুৱা এটা সময়ত কাপ হাতত তুলি লৈছিল যেতিয়া নাই বিপ্লৱৰ ঢৌ মাথো আছে ইয়াৰ প্ৰতিক্ৰিয়াৰহে ঢৌ। কিন্তু শ্বেলীৰ ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণ কথাটো হ'ল বাস্তৱ ঘটনাতকৈ বিমূৰ্ত্ত ধ্যান ধাৰণাইহে তেওঁৰ কল্পনাশক্তিক জাগ্ৰত কৰিব পাৰিছিল। গতিকে ফৰাচী বিদ্ৰোহৰ বিৰুদ্ধে গোটেই ইউৰোপত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তাৰ প্ৰভাৱ শ্বেলীৰ ওপৰত নপৰিল। ফৰাচী বিপ্লৱৰ প্ৰচাৰ ধৰ্মী দিশটোৰ প্ৰভাৱ শ্বেলীৰ কবিতাত গভীৰভাৱে পৰে। এই বিপ্লৱে দাঙি ধৰা সকলো প্ৰতিশ্ৰুতি যেনে মানুহৰ সততা শক্তি সামৰ্থ্য আদিত বিশ্বাস ন্যায়বিচাৰৰ প্ৰতি দাবী আৰু গোটেই মানৱ সমাজৰ মাজত ভ্ৰাতৃত্ববোধ—এই সকলোৱে শ্বেলীৰ কবিতাত বিশেষ গুৰুত্ব লাভ কৰে। আমি কেইটিমান কবিতা বিচাৰ কৰিলেই ই স্পষ্ট হৈ পৰিব।

শ্বেলীৰ এনেকুৱা কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য আছিল যিবিলাকৰ কাৰণে তেওঁ হৈ পৰিছিল একেধাৰে এজন বিপ্লৱী, সংস্কাৰক দ্ৰষ্টা আৰু আদৰ্শবাদী। ইটন স্কুলত পঢ়ি থকা দিনৰেপৰা তেওঁ আছিল স্বাধীনতাপ্ৰিয়। সকলো ধৰণৰ অত্যাচাৰ নিপীড়নৰ বিৰুদ্ধে তেওঁৰ মনে কৰিছিল বিদ্ৰোহ ঘোষণা। ধৰ্ম আৰু নৈতিকতাৰ নামত সমাজত চলা ভণ্ডামি দেখিলেই তেওঁ হৈ উঠিছিল উত্তেজিত। প্ৰচলিত সকলো সমাজ-ব্যৱস্থাৰ প্ৰতি তেওঁ আছিল খৰ্গহস্ত। শ্বেলীৰ মানৱতাবাদী দৃষ্টিভংগী স্বাধীনতা প্ৰিয়তা আৰু স্বেচ্ছাচাৰ বিৰোধী মনোভাৱৰ কাৰণে দমনমূলক কোনো ধৰণৰ সামাজিক ৰাজনৈতিক বা ধৰ্মীয় ব্যৱস্থাকেই তেওঁ সমৰ্থন কৰিব পৰা নাছিল। গতিকে তেওঁৰ বহুতো কবিতাত আমি দেখা পাওঁ ৰাজনীতিজ্ঞ ৰজা যোদ্ধা যাজক আদিৰ প্ৰতি তেওঁৰ কষ্ট মনোভাৱ। তেওঁৰ আক্ৰমণৰ সুৰ কঠোৰ আৰু পোনপটীয়া। শ্বেলীৰ বৈপ্লৱিক দৃষ্টিভঙ্গী তেওঁৰ কাব্যজীৱনৰ আদি ছোৱাতে পৰিস্ফুট হৈ উঠিছে। Queen Mab নামৰ কবিতাটো ৰচনা হয় ১৮১৩ চনত। শ্বেলীৰ তেতিয়া বয়স আছিল মাত্ৰ ২১। এই কবিতাটোত তেওঁ ৰাজনীতিজ্ঞ যাজক আৰু বীৰ যোদ্ধা সকলক তীব্ৰ সমালোচনা কৰিছে। তেওঁৰ ভাষা যেন আগ্নেয়গিৰিৰ পৰা উদ্গীৰিত হোৱা লাভাহে। তেওঁৰ মতে—

War is a statesman's game the priest's delight
The lawyer's jest the hired assassins trade

And to these royal murderers, whose mean thrones
Are bought by crimes of treachery and gore
The bread they eat the staff on which they lean

যাজক সকলকো তিৰস্কাৰ কৰিছে ব্যঙ্গাত্মক ভাষাত—

These gilded flies
That basking in the sunshine of court
Fatten on its corruption ! What are they ?
The drones of the community they feed
On the mechanic s labour

দৰিদ্ৰ আৰু পদদলিত লোকৰ ওপৰত চলা অত্যাচাৰেও কবিক ক্ষুব্ধ কৰি তুলিছে আৰু ক্ষমতাৰ কু প্ৰভাৱৰ বিষয়ে মন্তব্য দিছে এই—

Power like a desolating pestilence
Pollutes whatever it touches

The Revolt of Islam নামৰ কবিতাটোতে শ্বেলীয়ে গাইছে স্বাধীনতাৰ জয়গান। ই হ'ল তেওঁৰ গণতান্ত্ৰিক আদৰ্শবাদ আৰু আন কিছুমান সামাজিক আৰু নৈতিক মতবাদৰ অভিব্যক্তি। এই কবিতাটোত শ্বেলীৰ মূল উদ্দেশ্য হ'ল স্বাৰ্থপৰ আৰু ক্ষমতাশীল লোকক বিৰোধিতা কৰা যিসকলে tyrannise without reproach and check "prometheus unbound নামৰ গীতিনাট্যত শ্বেলীৰ বৈপ্লৱিক আদৰ্শবাদ আকৌ বেছি স্পষ্ট আৰু তীব্ৰতৰ প্ৰকাশ পাইছে।

সামৰণিত আমি এইটো উল্লেখ কৰিব লাগিব যে ফৰাচী বিপ্লৱৰ তিনিটা বেলেগ বেলেগ দিশৰ প্ৰভাৱ ইংৰাজ ৰমন্যাসিক কবিসকলৰ ওপৰত তিনিটা বেলেগ ৰীতিৰে পৰিছিল। ৱাৰ্ডছৱৰ্থ আৰু কোলেৰিজৰ ওপৰত পৰে ইয়াৰ ভাৱপ্ৰৱণ দিশটোৰ প্ৰভাৱ শ্বেলীক অনুপ্ৰাণিত কৰে ইয়াৰ বৌদ্ধিক দিশটোৱে। ইয়াৰ ৰাজনৈতিক দিশটোৱে আকৰ্ষণ কৰে বায়ৰণক। কেৱল কীট্ছৰ ওপৰতহে ফৰাচী বিদ্ৰোহৰ কোনো প্ৰভাৱ নাই।

দ্বাদশ অধ্যায়

ৰোমাণ্টিক কবিতাত প্ৰকৃতিৰ স্থান

প্ৰকৃতি-প্ৰীতি ৰোমাণ্টিক কবিতাৰ এটি প্ৰধান বৈশিষ্ট্য বুলি আগতে উল্লেখ কৰা হৈছে। কিন্তু এই প্ৰকৃতি-প্ৰীতিয়ে বেলেগ বেলেগ কবিৰ কবিতাত কেনে ৰূপ লৈছে নাইবা প্ৰকৃতিৰ ভূমিকা বিভিন্ন কবিৰ কবিতাত কেনে ; তাৰ বিশদ আলোচনাৰ প্ৰয়োজন। অষ্টাদশ শতিকাৰ ধ্ৰুপদী কবিতাত প্ৰকৃতি বুলিলে যি বুজোৱা হৈছিল ৰোমাণ্টিক কবিতাত তাকে বুজোৱা নাই। পোপে যেতিয়া তেওঁৰ সমসাময়িক লেখকসকলক উপদেশ দিছিল to follow nature তেতিয়া ইয়াত Nature শব্দই নৈসৰ্গিক জগতক বুজোৱা নাই। ক্লাছিকেল কবিসকলৰ নৈসৰ্গিক জগতৰ প্ৰতি বিশেষ কোনো আকৰ্ষণ নাছিল। গছ-লতা ফুল আদিৰ সৌন্দৰ্য্যত বা ছয় ঋতুৰ বিভিন্ন ৰূপত তেওঁলোকৰ অন্তৰ নাচি উঠা নাছিল। তেওঁলোকৰ সেই Nature আছিল human nature অৰ্থাৎ মানৱ প্ৰকৃতি। অষ্টাদশ শতিকাৰ কবিসকলৰ উদ্দেশ্য আছিল মানুহৰ স্বভাৱ চৰিত্ৰ চাল চলন ৰীতি নীতি আদৱ কায়দা আদিৰ ৰূপ দিয়া। সেইকাৰণে পোপে কৈছিল— The proper study of mankind in man আনহাতে আমি ৰোমাণ্টিক কবিতাত যি Return to Nature অৰ কথা পাওঁ তাক দুটা অৰ্থত লোৱা হয়। এটা অৰ্থ হ'ল সহজ সৰল কৃত্ৰিমতাবিহীন আৰু অনাড়ম্বৰ জীৱন যাপনৰ আহ্বান আৰু আনটো হ'ল প্ৰকৃতি জগতৰ বিভিন্ন বস্তুৰ প্ৰতি আকৰ্ষণ বা প্ৰীতি। ৰোমাণ্টিক যুগৰ প্ৰধান কবি কেইজনৰ কবিতাত প্ৰকৃতিলৈ প্ৰত্যাবৰ্তনৰ এই দুয়োটা দিশেই ৰূপায়িত হৈছে। তলত ইয়াৰ কিছু আলোচনা দাঙি ধৰা হ'ল।

ওৱাৰ্ডছ্ওৱাৰ্থ ইংৰাজী ৰোমাণ্টিক কবিতাৰ বুৰঞ্জীত প্ৰকৃতি কবি হিচাপে আমি পোন প্ৰথমতে ওৱাৰ্ডছ্ওৱাৰ্থৰ নামেই ল'ব লাগিব। বহুতে কৰলৈ বিচাৰে যে ফৰাচী বিদ্ৰোহত বিশ্বাস হেৰুৱাই কবিয়ে শান্তিৰ আলয় হিচাপে বাচি লয় প্ৰকৃতি জগতক। সি যিয়েই নহওক ওৱাৰ্ডছ্ওৱাৰ্থেই যে ইংৰাজী কাব্য সাহিত্যত প্ৰথম মহান প্ৰকৃতি-কবি তেৱেঁই যে মহান প্ৰকৃতি-পূজাৰী (High Priest of Nature) আৰু প্ৰকৃতি কবিতাই যে তেওঁৰ হাতত্তেই চমকপ্ৰদ আৰু আমাৰ মনত স্থায়ী সাঁচ বহুৱাব পৰাকৈ অভিব্যক্তি লাভ কৰিছে তাক অস্বীকাৰ কৰিব নোৱাৰি। আলেক জেণ্ডাৰ পোপক যেনেকৈ নগৰীয়া কৃত্ৰিম জীৱনৰ কবি বুলি কোৱা হয় তেনেকৈ ওৱাৰ্ডছ্ওৱাৰ্থকো গাঁৱলীয়া জীৱনৰ কবি বুলি কোৱা হয়। তেওঁৰ কবিতাত প্ৰকৃতি

জগতৰ বাহ্যিক (ইন্দ্ৰিয় গ্ৰাহ্য) আৰু আধ্যাত্মিক—এই দুয়োটা দিশেই চিত্ৰিত হৈছে এইটো ঠিক যে ওৱাৰ্ডছৱাৰ্থৰ আগতেও বাৰ্ণছ (Burns), কুপাৰ (Cowper) ক্ৰেব (Crabbe) গোল্ডস্মিথ (Goldsmith) আদিয়ে তেওঁলোকৰ কবিতাত প্ৰকৃতি জগতৰ অপৰূপ সৌন্দৰ্য্যৰ ছবি আঁকিছে কিন্তু তেওঁলোকৰ কবিতাত প্ৰকৃতিৰ বাহ্যিক দিশৰ ৰূপহে অঙ্কিত হৈছে। তেওঁলোকৰ কোনো এজনেই প্ৰকৃতি-জগতৰ মাজত এক আত্মাৰ সন্ধান পোৱা নাই নাইবা প্ৰকৃতিয়ে আমাক জ্ঞান বা নৈতিক শিক্ষা দিব পাৰে বুলিও কোৱা নাই তেওঁলোক আছিল প্ৰকৃতিৰ বাহ্যিক ৰূপৰ পূজাৰী। তেওঁলোকৰ দৃষ্টিভঙ্গী ৰহস্যবাদী বা দাৰ্শনিক নাছিল। তেওঁলোকে কোনো নৈতিক বা আধ্যাত্মিক তাৎপৰ্য্যও প্ৰকৃতি-জগতত বিচাৰি পোৱা নাই। এই তাৎপৰ্য্য বিচাৰি পাইছে কেৱল ওৱাৰ্ডছৱাৰ্থেহে। এই প্ৰসঙ্গত ইংৰাজী সাহিত্যৰ বুৰঞ্জী লেখক লংগে (Long) কৈছে Cowper Burns Keats Tennyson—all these poets give you the outword aspects of nature in varying degrees but wordsworth gives you her very life and the impression of some personal living spirit that meets and accompanies the man who goes alone through the woods and fields ওৱাৰ্ডছৱাৰ্থৰ মতে প্ৰকৃতি কেৱল সৌন্দৰ্য্য আৰু আনন্দৰ উৎসই নহয় ই এনে এটি গূঢ় শক্তি যিয়ে আমাৰ মন আৰু আত্মাক আলোকিত আৰু মহীয়ান কৰি তুলিব পাৰে। প্ৰকৃতিৰ কবি হিচাপে ওৱাৰ্ডছৱাৰ্থৰ গুৰুত্ব কেৱল প্ৰকৃতি জগতৰ বাহ্যিক ৰূপৰ যথাযথ বৰ্ণনা দিয়াৰ কাৰণে নহয়। তেওঁৰ গুৰুত্ব হ'ল ইয়াত নৈতিক আৰু আধ্যাত্মিক তাৎপৰ্য্য প্ৰদান কৰাতহে। প্ৰকৃতি নৈতিক আৰু আধ্যাত্মিক শক্তিৰে মহীয়ান আৰু তেওঁৰ মতে—

One impulse from a vernal wood
May teach you more of man
Of moral evil and of good
Than all the sages can

(The Tables Turned)

ওৱাৰ্ডছৱাৰ্থে তেওঁৰ কবিতাত প্ৰকৃতিৰ প্ৰতি যি দৃষ্টিভঙ্গী আমাৰ আগত দাঙি ধৰিছে তাৰ আমি তিনিটা স্তৰ বা পৰ্য্যায় লক্ষ্য কৰিব পাৰো। নৈতিক বা আধ্যাত্মিক দৃষ্টিৰে প্ৰকৃতিৰ যি বৰ্ণনা আৰু ব্যাখ্যা তেওঁ আমাৰ আগত দাঙি ধৰিছে সি তেওঁৰ ল'ৰাকালৰ বা কাব্যজীৱনৰ আৰম্ভণিৰে দৃষ্টিভঙ্গী নহয়। তেওঁৰ কাব্যিক মনৰ পৰিপক্কতাৰ ফলতহে এনে দৃষ্টিভঙ্গী সম্ভৱ হৈছে। ওৱাৰ্ডছৱাৰ্থৰ আত্মজীৱনীমূলক

আৰু মহাকাব্যধর্মী কবিতা Prelude-তেওঁৰ কবি মানসৰ বিকাশৰ সম্পূর্ণ ছবি এখনি আমাৰ আগত স্পষ্ট হৈ উঠিছে। ল'ৰাকালৰ পৰা আৰম্ভ কৰি শৈশত বয়সলৈকে প্ৰকৃতিৰ প্ৰতি তেওঁৰ যি দৃষ্টিভঙ্গী তাত কেনেকুৱা ধৰণৰ পৰিৱৰ্তন সাধিত হৈছিল তাৰ আভাষ কৰিয়ে নিজেই এই দীঘলীয়া কবিতাটোত দিছে। ওপৰত উল্লেখ কৰা তিনিটা স্তৰৰ কথা তেওঁৰ আন এটি বিখ্যাত কবিতা Tintern Abbey তো উল্লেখ কৰা হৈছে। এই তিনিটা স্তৰ হ'ল—(১) প্ৰকৃতিৰ লগত একাত্মবোধৰ স্তৰ বা কাল (Period of the blood) (২) ইন্দ্ৰিয়ানুভূতিৰ কাল বা স্তৰ (period of the senses) আৰু (৩) কল্পনাশক্তিৰ জৰিয়তে আধ্যাত্মিক তাৎপৰ্য্য অন্বেষণৰ স্তৰ (Period of the imagination and of the soul)। এতিয়া এই তিনিওটা স্তৰৰ বৈশিষ্ট্য চমুকৈ আলোচনা কৰা হ'ব।

প্ৰথম স্তৰটোক প্ৰকৃতিৰ লগত একাত্মবোধৰ স্তৰ বুলি কোৱা হৈছে। ল'ৰালি কালত ওৱাৰ্ডছ্‌ৱাৰ্থে জীৱন অতিবাহিত কৰিছিল মনোমোহা প্ৰাকৃতিক পৰিবেশৰ মাজত। এই অৱস্থাত নিজকে তেওঁ প্ৰকৃতিৰ লগত অভিন্ন বুলি কল্পনা কৰিছিল। তেৰোঁ যেন গছ লতা ফুল পাত চৰাই চিৰিকতিৰ দৰে প্ৰকৃতিৰ এটি অংশহে। এই সময়ত তেওঁ প্ৰকৃতিৰ বাহ্যিক ৰূপতো মোহ যোৱা নাই বা প্ৰকৃতি জগতত কোনো নৈতিক বা আধ্যাত্মিক তত্ত্বও বিচাৰি পোৱা নাই। এই সময়ত তেওঁ প্ৰকৃতিৰ মাজত যি আনন্দ লাভ কৰিছিল সি আছিল ল'ৰালি কালৰ স্থূলতৰ আনন্দ। Prelude কবিতাটোত এই কথাখিনিকে তেও তলত দিয়া ধৰণে বৰ্ণনা কৰিছে—

I held unconscious intercourse with beauty
Old as creation drinking in a pure
Organic pleasure from silver wreaths
Of curling mist or from the level plain
Of waters coloured by impending clouds (Book I)

অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰাৰ ভাষাত কবলৈ গ'লে এক অন্ধ আনন্দ আৰু কাৰণহীন তৃপ্তিৰ অনুভূতিয়েই আছিল প্ৰকৃতিৰ লগত প্ৰথম পৰিচয়ৰ সকলোখিনি। এই প্ৰাথমিক অৱস্থাটোৰ বৰ্ণনা কৰিয়ে Tintern Abbey নামৰ কবিতাটোত যেনেকৈ দিছে সি বেছি স্পষ্ট আৰু বোধগম্য। তেওঁ তাত উল্লেখ কৰিছে—

when like a roe
I bounded o'er the mountains by the sides
Of the deep rivers and the lonely streams
Wherever nature led more like a man

Flying from something that he dreads than one
Who sought the thing he loved For nature then
(The courser pleasures of my boyish days
And their glad animal movements all gone by)
To me was all in all

এই উক্তিয়ে আমাক স্পষ্ট কৰি দিয়ে যে এই সময়ত প্ৰকৃতিৰ প্ৰতি তেওঁৰ সঁহাৰি আছিল প্ৰকৃতি জগতৰ অবিচ্ছেদ্য অংশ পশু পক্ষীৰ দৰে। এই সময়ত প্ৰকৃতি জগতৰ লগত তেওঁ নিজকে বিলীন কৰি দিছিল। প্ৰকৃতি জগতৰ লগত নিজকে অভেদ বুলি ভাবিছিল।

দ্বিতীয় স্তৰত আছিল যুৱক হিচাপে প্ৰকৃতিৰ প্ৰতি কবিৰ দৃষ্টিভংগী। এই সময়ত তেওঁ প্ৰকৃতিৰ বাহিক সৌন্দৰ্য্যত মোহ গল। বননিৰ জীৱ জন্তুৰ পিছে পিছে লৰি তেওঁ পৰ্বত-ভৈয়াম চলাথ কৰিবলৈ ললে। প্ৰকৃতিৰ মনোমোহা আৰু বৈচিত্ৰ্যপূৰ্ণ দৃশ্যবাজি দেখি তেওঁ আপোন পাহৰা হল। ইন্দ্ৰিয় চেতনাৰ জৰিয়তে তেওঁ প্ৰকৃতিৰ ৰূপ বস শব্দ আৰু গন্ধৰ আস্বাদ পালে। তেওঁ অনুভৱ কৰিলে এটি অদ্ভুত মাদকতা প্ৰকৃতিৰ প্ৰতি দৃষ্টিভংগীৰ এই স্তৰটোৰ কথা তেওঁ অতি বৰ্ণাঢ্য ভাষাৰে Tintern Abbey নামৰ কবিতাটোত বৰ্ণনা কৰিছে—

The sounding cataract
Haunted me like a passion the tall rock
The mountain and the deep and gloomy wood
Their colours and their forms were then to me
An appetite a feeling and a love
That had no need of a remoter charm
By thought supplied nor any interest
Unborrowed from the eye

ইয়াত তেওঁ স্পষ্ট ভাষাত উল্লেখ কৰিছে যে চকুৰে যি দেখিছিল বা কাণেৰে যি শুনিছিল তাতেহে তেওঁ তৃপ্তি পাইছিল। প্ৰকৃতিৰ বুকুত তেওঁ কোনো গভীৰতৰ অৰ্থ বিচাৰি পোৱা নাছিল। এই পৰ্য্যায়টো হল প্ৰকৃতিৰ বাহিৰৰ সৌন্দৰ্য্যই আকুল কৰাৰ পৰ্য্যায়। এইটো পৰ্য্যায়ত নিজকে প্ৰকৃতিৰ অঙ্গ বুলি ভবাতকৈ প্ৰকৃতিকেই তেওঁ নিজৰ জীৱনৰ অঙ্গ বুলি বিবেচনা কৰিছিল। (অধ্যাপক মহেন্দ্ৰ বৰা)

তৃতীয় স্তৰত আমি পাওঁ কবিৰ পৈণত বয়সত প্ৰকৃতিৰ প্ৰতি দৃষ্টিভংগীৰ পৰিচয়। এই স্তৰতেই তেওঁ কল্পনাশক্তিৰ জৰিয়তে প্ৰকৃতি জগতৰ মাজত আবিষ্কাৰ কৰে এক

বিশাল আত্মা। ইয়েই হ'ল বিশ্বৰ কাৰণ সত্তা যাৰ নাম দিয়া হৈছে পৰমাত্মা পৰমব্ৰহ্ম আদি। প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গীৰ এই পৰিৱৰ্তনৰ প্ৰথম উত্থান আমি পাওঁ তেওঁৰ Nutting নামৰ কবিতাটোত। এই কবিতাটোতেই পোন প্ৰথমে তেওঁ there is a spirit in the woods বুলি উল্লেখ কৰিছে। প্ৰকৃতিৰ মাজত বিৰাজ কৰা এই মহাশক্তিৰ কথা পিছত তেওঁ Tintern Abbey নামৰ কবিতাটোত স্পষ্টভাৱে উল্লেখ কৰিছে—

And I have felt
A presence that disturbs me with the joy
Of elevated thoughts a sense sublime
Of something far more deeply interfused
whose dwelling is the light of setting suns
And the round ocean and the living air
And the blue sky and in the mind of man
A motion and a spirit that impels
All thinking things all objects of all thought
And rolls through all things

প্ৰকৃতিৰ বুকুত ঈশ শক্তিৰ সন্ধান হ'ল কবি ওৱাৰ্ডছৱৰ্থৰ এক আধ্যাত্মিক দৃষ্টিভঙ্গী। কবিয়ে অনুভৱ কৰিলে যে বিশ্বৰ সকলো বস্তুতে ঈশ্বৰ বিৰাজমান আৰু বিশ্বৰ সকলো বস্তুৰে ঈশ্বৰতে স্থিতি লৈছে। তেওঁৰ এই গভীৰ বিশ্বাসৰ কথা বাৰে বাৰে ঘোষণা কৰিছে বহুতো কবিতাত বহু বিচিত্ৰ ভাষাত। মুঠতে কবলৈ গ'লে প্ৰকৃতিৰ প্ৰতি ওৱাৰ্ডছৱৰ্থৰ তৃতীয় পৰ্য্যায়ৰ দৃষ্টিভঙ্গী সৰ্বেশ্বৰবাদৰ (Pantheism) ওপৰত প্ৰতিষ্ঠিত।

ওপৰত আমি ওৱাৰ্ডছৱৰ্থৰ প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গীৰ তিনিটা স্তৰৰ কথা চমুকৈ আলোচনা কৰিলোঁ। এতিয়া তেওঁৰ প্ৰকৃতি দৰ্শনৰ (philosophy of nature) কেইটামান বৈশিষ্ট্য চমুকৈ আলোচনা কৰা হ'ব।

(ক) ওৱাৰ্ডছৱৰ্থে বিশ্বাস কৰে যে প্ৰকৃতি জগতৰ সকলো বস্তুৱেই জীৱন্ত। জীৱন্ত কাৰণেই গছ লতা ফুল পাত আদি সকলোৱে সুখ দুখ অনুভৱ কৰিব পাৰে। প্ৰকৃতি জগতৰ সকলো বস্তুৱেই যেন অনুভূতিপ্ৰৱণ। এই বিশ্বাসটোকে কবিয়ে তেওঁৰ Lines Written in Early spring নামৰ কবিতাটোত স্পষ্টভাৱে ফুটাই তুলিছে—

And it is my faith
That everyflower enjoys the air it breathes

(খ) ওৱাৰ্ডছ্ওৱাৰ্থে বিশ্বাস কৰে যে একে ঈশ শক্তি বা আত্মাই প্ৰকৃতি জগতত্তো বিৰাজ কৰিছে আৰু মানৱ মনত্তো বিৰাজ কৰিছে। গতিকে মানুহ আৰু প্ৰকৃতি ইটো সিটোৰ ওচৰ চাপি অহাটো সম্ভৱ। দুয়োটোৰে মাজত আত্মিক সম্বন্ধ কেৱল সম্ভৱেই নহয় বাঞ্ছনীয়ও। কবিয়ে তেওঁৰ বহুত কবিতাত মানৱ জীৱনৰ চিত্ৰ আঁকিছে প্ৰকৃতি জগতক পটভূমি হিচাপে গ্ৰহণ কৰি। তেনেকুৱা ধৰণৰ কেইটিমান কবিতা হ'ল The Solitary Reaper Resolution and Independence Michael আদি। ওৱাৰ্ডছ্ওৱাৰ্থৰ মতে মানুহে জীৱনত কষ্ট পাইছে প্ৰকৃতি জগতৰ পৰা আঁতৰি অহা কাৰণে। প্ৰকৃতিয়ে মানুহক কেতিয়াও বিশ্বাসঘাতকতা নকৰে। মানুহক শান্তি দিয়াই প্ৰকৃতিৰ উদ্দেশ্য। এই বিশ্বাস ফুটাই তুলিছে কবিয়ে তেওঁৰ Tintern Abbey নামৰ কবিতাটোত—

> Nature never did betray
> The heart that loved her it is her privilege
> Through all the years of this our life to lead
> From joy to joy

(গ) ওৱাৰ্ডছ্ওৱাৰ্থে বিশ্বাস কৰে যে মানুহে তেওলোকৰ মানসিক নৈতিক আৰু আধ্যাত্মিক বিকাশৰ কাৰণে প্ৰকৃতিৰ পৰা শিক্ষা গ্ৰহণ কৰিব পাৰে। এই দৃষ্টিভংগী তেওঁ দাৰ্শনিক কৰ্ছোৰ পৰা গ্ৰহণ কৰা। প্ৰকৃতিৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে মানুহৰ লাগিব a heart that watches and receives কিন্তু meddling intellect অৰ দ্বাৰা চালিত হ'লে মানুহে প্ৰকৃতিৰ পৰা একো শিক্ষা লাভ কৰিব নোৱাৰে। প্ৰকৃতিৰ পৰা যে মানুহে শিক্ষালাভ কৰিব পাৰে কৰিব এই বিশ্বাসৰ প্ৰতিফলন হৈছে Tintern Abbey আৰু Lucy Poems কেইটাকে ধৰি আন বহুতো কবিতাত। The Tables Turned নামৰ কবিতাটোত তেওঁ ইয়াক কেইবাটাও স্তৱকত উল্লেখ কৰিছে—

> Come hear the woodland linnet
> How sweet his music ! On my life
> There s more of wisdom in it (stanza 3)
>
> And hark ! how blithe the throstle sings !
> He too is no mean precher
> Come forth into the light of things
> Let Nature be your Teacher (stanza 4)

(ঘ) ওৱাৰ্ডছ্‌ৱাৰ্থৰ বিশ্বাস যে গোটেই প্ৰকৃতি জগত হ'ল এখন বিৰাট আনন্দ মেলা। য'ত তৰু-তৃণ-পুষ্প লতিকা সকলো পুলকিত। প্ৰকৃতি জগতত নিৰানন্দৰ স্থান নাই। নিৰানন্দৰ স্থান মানৱ সমাজতহে। Lines Written in Early Spring নামৰ কবিতাটোৰ দুটিমান স্তৱকত কবিৰ এই বিশ্বাস দৃঢ়ভাৱে ফুটি উঠিছে—

The birds around one hopped and played
Their thoughts I can not measure—
But the least motion which they made
It seemed a thrill of pleasure (stanza 4)

The budding twigs spread out their fan
To catch the breezy air
And I must think do all I can
That there was pleasure there

সেইদৰে The Green Linnet নামৰ কবিতাটিতো তেওঁ উল্লেখ কৰিছে যে প্ৰকৃতি জগতত "birds and butter flies and flowers / Make all one band of paramours To a Skylark (1807) কবিতাটিতো তেওঁ স্কাইলাৰ্কৰ গানত আৱিষ্কাৰ কৰিছে joy divine প্ৰকৃতি জগতৰ আনন্দত আত্মহাৰা হৈ কবিৰ অন্তৰো আনন্দত নাচি উঠে— My heart leaps up when I behold/A rainbow in the sky

(ঙ) ওৱাৰ্ডছ্‌ৱাৰ্থৰ প্ৰকৃতি কবিতাৰ এটি উল্লেখযোগ্য দিশ হ'ল এয়ে যে তেওঁ সদায় প্ৰকৃতিৰ শান্ত সমাহিত ৰূপটোৰ ছবিহে আমাৰ আগত দাঙি ধৰিছে। প্ৰকৃতিৰ ৰৌদ্ৰৰূপৰ বৰ্ণনা তেওঁৰ কবিতাত নাই। টেনিচনে কোৱাৰ দৰে তেওঁৰ কবিতাত প্ৰকৃতি red in tooth and claw নহয়। (এই কাৰণেই ওৱাৰ্ডছৱাৰ্থৰ প্ৰকৃতি চিত্ৰণ খণ্ডিত আৰু এক পক্ষীয় বুলি প্ৰায় সকলো সমালোচকে মত দাঙি ধৰে।)

(চ) ওৱাৰ্ডছ্‌ৱাৰ্থৰ কবিতাত প্ৰকৃতি জগতৰ বিভিন্ন দিশৰ বৰ্ণনা জীৱন্ত সুস্পষ্ট আৰু বৰ্ণাঢ্য। ই তেওঁৰ তীক্ষ্ণ পৰ্য্যবেক্ষণ শক্তিৰেই পৰিচায়ক। প্ৰাকৃতিক দৃশ্যৱাজিৰ শোভা ইমান পুঙ্খানুপুঙ্খ ৰূপত বৰ্ণনা কৰিব পৰা কবি ওৱাৰ্ডওৱাৰ্থৰ দৰে খুব কমেই ওলাব।

(ছ) ওৱাৰ্ডছ্‌ৱাৰ্থৰ প্ৰকৃতি চিত্ৰণত শ্ৰুতিনিৰ্ভৰ বৰ্ণনাই আটাইতকৈ সফল ঠিক যেনেকৈ শেলীৰ কবিতাত দৃষ্টিনিৰ্ভৰ বৰ্ণনাই আটাইতকৈ মধুৰ। "প্ৰকৃতিৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপৰ শোভা তেওঁ যেন চকুৰে গ্ৰহণ কৰাতকৈ কাণেৰে গ্ৰহণ কৰিয়েই বেছি আনন্দ

লভিছিল। সেই কাৰণে কম্পটন বিকেটে কৈছে যে Wordsworth is the poet of the ear just as Shelley is the poet of the eye

ওৱার্ডছ্ওৱাৰ্থ আছিল প্ৰকৃতিৰ পূজাৰী। শৈশৱৰ পৰাই প্ৰকৃতি তেওঁৰ ওচৰত দীপ হৈ জ্বলি উঠিছিল আৰু সুৰ হৈ বাজি উঠিছিল। তেওঁৰ প্ৰত্যেকটি কবিতাই হ'ল প্ৰকৃতিৰ প্ৰতি গভীৰ বিশ্বাসৰ অভিব্যক্তি। প্ৰকৃতি জগত আৰু ওৱাৰ্ডছ্ওৱাৰ্থৰ নিবিড় সম্পৰ্কৰ কথা উপলব্ধি কৰিয়েই বোধহয় মেথিউ আৰ্ণল্ডে মন্তব্য কৰিছিল—

"Nature not only gave him the matter but wrote his poems for him (Essays in Criticism)

কোলেৰিজ ওৱাৰ্ডছ্ওৱাৰ্থৰ দৰে কোলেৰিজেও প্ৰকৃতি জগতৰ বাহিৰ ভিতৰ দুয়োটা দিশৰেই বিশ্লেষণ কৰিছে তেওঁৰ পৰ্য্যবেক্ষণ শক্তি আৰু কল্পনাশক্তিৰ সহায়ত। বহি প্ৰকৃতিৰ বৰ্ণনাতে ক্ষান্ত নাথাকি তেওঁ ইয়াক নৈতিক আৰু আধ্যাত্মিক দৃষ্টিভঙ্গীৰেও বিচাৰ কৰি চাইছে। ওৱাৰ্ডছ্ওৱাৰ্থৰ দৰে তেওঁ বিশ্বাস কৰে যে প্ৰকৃতি জগতত এক ঐশ্বৰিক শক্তিয়ে বিৰাজ কৰিছে অৰ্থাৎ তেওঁ সৰ্বেশ্বৰবাদী। সামগ্ৰিক বিচাৰত প্ৰকৃতি কবি হিচাপে কোলেৰিজৰ আমি তলত দিয়া বৈশিষ্ট্যকেইটা লক্ষ্য কৰিব পাৰো।

প্ৰকৃতি কবি হিচাপে কোলেৰিজৰ প্ৰথম উল্লেখযোগ্য বৈশিষ্ট্যটো হ'ল সকলো বস্তুকে সূক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিব পৰা তেওঁৰ অসাধাৰণ শক্তি। প্ৰকৃতিৰ বৰ্ণ গন্ধময় সৌন্দৰ্য্যৰ অতি সূক্ষ্ম নিৰীক্ষক হিচাপে তেওঁৰ প্ৰতিভাৰ তুলনা নাই। "অকল সেয়ে নহয় কোলেৰিজৰ কবিতাত প্ৰকৃতিৰ এনে কিছুমান সৌন্দৰ্য্যৰূপৰ বিৰল চিত্ৰণ পোৱা যায় যিবোৰৰ কোনো ইঙ্গিতেই ওৱাৰ্ডছ্ওৱাৰ্থৰ দৰে প্ৰকৃতিৰ একান্ত উপাসকৰ কবিতাতো পাবলৈ নাই। কবিৰ বৰ্ণনাশক্তিৰ উদাহৰণ হিচাপে আমি তেওঁৰ The Nightingale নামৰ কবিতাটোৰ প্ৰথম কেইশাৰীমানকে লব পাৰো। ইয়াৰ উপৰিও The Rime of the Ancient Mariner অত বৰফস্তূপ আৰু সমুদ্ৰৰ বৰ্ণনা আৰু Kubla Khan কবিতাত ভূভাগৰ দৃশ্যৰ বৰ্ণনাত কোলেৰিজে একেধৰণে বৰ্ণনাশক্তিৰ পৰিচয় দাঙি ধৰিছে। বৰ্ণনাত অৱশ্যে স যমশীলতা বিদ্যমান।

ওৱাৰ্ডছ্ওৱাৰ্থৰ দৰে কোলেৰিজেও বিশ্বাস কৰিছিল যে প্ৰকৃতি জগতত আনন্দ বিৰাজমান। তেওঁৰ এই ধাৰণা তেওঁৰ কাব্য জীৱনৰ আদিছোৱাৰ কেইবাটাও কবিতাত প্ৰকাশ পাইছে। The Nightingale নামৰ কবিতাটোত তেওঁ নিজা মত ব্যক্ত কৰি কৈছে যে নাইটিঙ্গেল চৰাই কেতিয়াও বিষণ্ণ নহয়। সেই কাৰণে তেওঁ দৃঢ়তাৰে কৈছে—

A melancholy bird? Oh! idle thought!
In Nature there is nothing melancholy

এই কবিতাটোতে তেওঁ উল্লেখ কৰিছে যে কোনোবা হতাশাগ্ৰস্ত লোকে নাইটিঙ্গেল পখীক বিষণ্ণ বুলি কলে আৰু তাকেই বহুতো কবিয়ে আওৰালে। প্ৰকৃতি জগত আনন্দময় বুলি কোলেৰিজে তেওঁৰ বিশ্বাসৰ কথা Dejection An ode নামৰ কবিতাটোতো ফুটাই তুলিছে—

Joy Lady! is the spirit and the power
Which wedding Nature to us gives in dower
A new Earth and new Heaven
Undreamt of by the sensual and the proud

ওৱাৰ্ডছৱৰ্থৰ দৰে কোলেৰিজৰো গভীৰ বিশ্বাস আছিল যে বেদনাত জৰ্জৰিত মানবাত্মাই প্ৰকৃতিৰ সান্নিধ্যত সান্ত্বনা লাভ কৰিব পাৰে। এই বিশ্বাসৰ প্ৰতিফলন হৈছে তেওঁৰ This Lime tree Bower My Prison নামৰ কবিতাটোত—

Yet still the solitary humble bee
Sings in the bean flower! Henceforth I shall know
That Nature ne er deserts the wise and pure

ঠিক একে ধৰণে তেওঁ বিশ্বাস কৰিছিল যে প্ৰকৃতি-জগতৰ পৰা মানুহে শিক্ষা গ্ৰহণ কৰিব পাৰে। দুয়োজন কবিৰ মাজত দৃষ্টিভঙ্গীৰ এনেকুৱা মিল দেখি বহুতে অনুমান কৰে যে কোলেৰিজ নিশ্চয় ওৱাৰ্ডছৱৰ্থৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। কিন্তু কথাটো তেনেকুৱা নহয়। ৰচনাকাল মিলাই চালে এইটো স্পষ্টভাৱে ওলাই পৰে যে ওৱাৰ্ডছৱৰ্থৰ কবিতাত এইবোৰ ধ্যান ধাৰণাই ঠাই লোৱাৰ বহুত আগতেই কোলেৰিজৰ কবিতাত সিবিলাকৰ পৰিণত প্ৰকাশ ঘটিছিল। Lime tree Bower নামৰ কবিতাটোৰ পৰা উদ্ধৃত কথাখিনি ওৱাৰ্ডছৱৰ্থে তেওঁৰ Tintern Abbey নামৰ কবিতাটোতো কৈছে। কিন্তু কোলেৰিজৰ কবিতাটো আগৰ ৰচনা—১৭৯৭ চনৰ জুন মাহ। আনহাতে ওৱাৰ্ডছৱৰ্থে তেওঁৰ কবিতাটো ১৭৯৮ চনৰ জুলাই মাহতহে ৰচনা কৰে। যিজনে প্ৰকৃতিক প্ৰাণেৰে সৈতে ভাল পায় তেওঁক যে প্ৰকৃতিয়ে বিশ্বাসঘাতকতা নকৰে ওৱাৰ্ডছৱৰ্থৰ এই বিশ্বাস হয়তো কোলেৰিজৰ সংস্পৰ্শতেই উপজিছিল।

প্ৰকৃতি-জগতৰ বিভিন্ন বস্তুৰ ৰূপ দিওঁতে কোলেৰিজক সাধাৰণতে ৰঙৰ প্ৰতি আকৰ্ষিত হোৱা লক্ষ্য কৰা যায়। ৰবি প্ৰতি এই আকৰ্ষণ আৰু ইয়াৰ প্ৰয়োগৰ

দক্ষতাৰ ক্ষেত্ৰত কাব্যজগতত তেওঁ তুলনীয় কীট্‌ছৰ লগত আৰু চিত্ৰজগতত টাৰ্ণাৰৰ লগত। প্ৰকৃতিৰ যি কোনো বস্তুৰ বৰ্ণনা দিওঁতে তেওঁ ইয়াৰ ৰঙৰ কথা কবলৈ কেতিয়াও পাহৰা নাই। বোধহয় কোলেৰিজৰ এনে ধৰণৰ প্ৰকৃতি চিত্ৰণৰ নিদৰ্শন সমূহ আগত ৰাখিয়েই কবি ৰছেটিয়ে তেওঁক কাব্য জগতৰ টাৰ্ণাৰ বুলি অভিহিত কৰিছিল কাৰণ তেওঁৰ বহুতো কবিতাত প্ৰকৃতিৰ বৰ্ণনা টাৰ্ণাৰৰ ছবিৰ দৰেই বৰ্ণবহুল।

প্ৰকৃতি চিত্ৰণত ৰহস্যময়তা আৰু অলৌকিকতা প্ৰদান কোলেৰিজৰ এটি উল্লেখ যোগ্য বৈশিষ্ট্য। কিন্তু ইয়ে সুবুজায় যে তেওঁৰ বৰ্ণনা বা উপস্থাপন মানুহৰ আৱেগ অনুভূতি বা চিন্তা চৰ্চাই ঢুকি নোপোৱা কিবা অবাস্তৱ বা উদ্ভট। প্ৰকৃতি জগত আৰু মানৱাত্মাৰ মাজত যি পাৰস্পৰিক ক্ৰিয়া প্ৰক্ৰিয়া অহৰহ চলি আছে তাক তেওঁ ১৭৯৫ চনতেই The Eolian Harp নামৰ কবিতাটোত ফুটাই তুলিছিল—

O ! the one Life within us and abroad
Which meets all motion and becomes its soul
A light in sound a sound like power in light
Rhythm in all thought and joyance everywhere

ওৱাৰ্ডছৱৰ্থৰ দৰে কোলেৰিজেও বিশ্বাস কৰিছিল যে প্ৰকৃতি জীৱন্ত ইয়াৰ এটি নিজস্ব সত্তা আছে। এক মহাশক্তিয়ে প্ৰকৃতি জগততো বিৰাজ কৰিছে। প্ৰকৃতি হ ল কোলেৰিজৰ মতে ঐশ্বৰিক শক্তিৰ প্ৰকাশ। This Lime tree Bower My Prison কবিতাত তেওঁ লিখিছে—

yea gazing round
On the wide landscape gaze till all doth seem
Less gross than bodily and of such hues
As veil the Almighty Spirit when yet he makes
Spirits perceive his presence

ওৱাৰ্ডছৱৰ্থৰ দৰে কোলেৰিজো সৰ্বেশ্বৰবাদী। তেওঁৰ এই সৰ্বেশ্বৰবাদী দৃষ্টিভঙ্গী Forest at Midnight নামৰ কবিতাটোতো প্ৰকাশ পাইছে—

So shalt thou see and hear
The lovely shapes and sounds intelligible
Of that eternal language which thy God
Utters who from eternity doth teach
Himself in all and all things in himself.

দেখা যায় যে ওৱাৰ্ডছ্‌ওৱাৰ্থৰ প্ৰকৃতি দৰ্শনৰ বহুতো দিশ (যেনে প্ৰকৃতি জগত জীৱন্ত আৰু আনন্দমুখৰ প্ৰকৃতি জগতত এক আত্মাই বিৰাজ কৰিছে মানুহ প্ৰকৃতি আৰু ঈশ্বৰ একেতাল প্ৰেমৰ ডোলত বান্ধ খাই আছে) কোলেৰিজে তেওঁৰ কবিতাত আগেয়ে পৰিস্ফুত কৰি গৈছে।

কোলেৰিজৰ কাব্যজীৱনৰ শেষৰফালে প্ৰকৃতিৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গীৰ আমূল পৰিৱৰ্তন ঘটে। তেওঁৰ বিশ্বাস হ'ল যে প্ৰকৃতিৰ কোনো নিজা জীৱনীশক্তি নাই আৰু ইয়াৰ অন্তৰালত কোনো মহান আত্মাৰো অৱস্থিতি অনুভূত নহয়। Dejection An Ode নামৰ কবিতাটোত তেওঁ কৈছে যে আমাৰ নিজৰ মনত থকা আনন্দ নিৰানন্দই প্ৰকৃতিৰ বুকুত প্ৰতিফলিত হয়—

> O Lady ! we receive but what we give
> And in our life alone does Nature live
> Ours in her wedding garment ours her shroud !

এই কবিতাটোত কবিয়ে এই সিদ্ধান্তত উপনীত হৈছে যে প্ৰকৃতি জগতত আমি আমাৰ নিজৰ মনৰ অৱস্থাৰেই প্ৰতিফলন হোৱা দেখিবলৈ পাওঁ। আমি যদি নিজে সুখী হওঁ প্ৰকৃতিকো সুখী যেন লাগে আৰু যদি আমি নিজেই বিষণ্ণ হওঁ তেন্তিয়াহ'লে প্ৰকৃতিকো বিষণ্ণ হোৱা যেন লাগে। কাৰোবাৰ অন্তৰ দুখেৰে ভৰি পৰিলে তেনেকুৱা মানুহক প্ৰকৃতিৰ সৌন্দৰ্য্যই কোনো আনন্দ দিব নোৱাৰে। কোলেৰিজৰ দৃষ্টিভঙ্গীৰ এই পৰিৱৰ্তন তেওঁৰ জাৰ্মান তুৰীয় দৰ্শনৰ (transcendental philosophy) অধ্যয়নৰ ফল বুলি ধৰিব পাৰি।

সদৌ শেষত আমি এটা কথা উল্লেখ কৰিব লাগিব যে কোলেৰিজে প্ৰকৃতি জগতৰ ৰূপ (গঢ় বা আকৃতি) ৰ আৰু বিভিন্ন বস্তুক প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰিছিল। সেইবোৰ হ'ল আমাৰ মানসিক আৰু আৱেগিক অৱস্থাৰ প্ৰতীক। তেওঁ সততে বায়ু পানী জুই পৃথিৱী আদিৰ প্ৰতীক ব্যৱহাৰ কৰিছে আৰু সেইবোৰৰ জৰিয়তে মানুহৰ মনোজগতৰ প্ৰতিফলন ঘটাইছে। মানুহৰ মনৰ অৱস্থাৰ লগত সঙ্গতি ৰাখি কোলেৰিজে প্ৰকৃতিৰ বিভিন্ন বস্তুৰ লগত মানৱমনৰ সম্বন্ধ ঘটাইছে। তেওঁৰ কবিতাত প্ৰতীকী অৰ্থত প্ৰয়োগ হোৱা আন কেতবোৰ প্ৰকৃতিৰ বস্তু হ'ল জোন জোনাক মেঘ তৰা আৰু জোনাকৰ আধা পোহৰ আধা ছাঁ আদি। কোলেৰিজৰ প্ৰায়বোৰ প্ৰখ্যাত কবিতাতে প্ৰকৃতিৰ চিত্ৰণত জোন আৰু জোনাকৰ অসংখ্য চিত্ৰকল্পৰ ব্যৱহাৰ বিশেষ ভাৱে প্ৰণিধানযোগ্য। প্ৰতীকবোৰক কবিয়ে আমাৰ মানসিক জীৱনৰ (অৰ্থ্যাৎ আমাৰ মনোজগতৰ) ৰহস্যময়তা আৰু অনিশ্চয়তা ফুটাই তুলিবলৈ প্ৰয়োগ কৰিছে।

বায়ৰণ আন আন ৰোমাণ্টিক কবিৰ দৰে বায়ৰণৰো আছিল প্ৰকৃতিৰ প্ৰতি গভীৰ অনুৰাগ। সেই কাৰণে তেওঁ কৈছিল— I love not man the less but Nature more' কিন্তু তেওঁৰ দৃষ্টিভঙ্গীত আন আন কবিৰ লগত মিল অমিল দুয়োটাই দেখা যায়। অমিলেই বেছি। এই প্ৰসঙ্গত ইংৰাজী সাহিত্যৰ বুৰঞ্জী লেখক কম্পটন ৰিকেটে কৈছে—"Lacking the intensity of Wordsworth the subtlety of Coleridge the receptivity of Keats the aerial fire of shelley Byron possessed a breath and vigour of imagination beyond that of any contemporary বাইৰণৰ প্ৰকৃতি বৰ্ণনাত ৱৰ্ডছৱৰ্থৰ সুগভীৰ ধ্যানময়তা নাই কোলেৰিজৰ সূক্ষ্মতাও নাই কীটছৰ সংবেদনশীলতাও নাই শ্বেলীৰ আকাশলজ্মা বা অবাস্তৱ কল্পনা বা উদ্দীপ্ততা আদি একো নাই কিন্তু তেওঁৰ আছে কল্পনাশক্তিৰ এক বিশেষ সজীৱতা আৰু প্ৰাবল্য যিটো তেওঁৰ সমসাময়িক আন কোনো কবিৰে নাছিল। প্ৰকৃতিৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গী হ'ল একেবাৰে স্বকীয় তাত নাই কোনো ৰহস্যবাদী বা দাৰ্শনিকৰ দৃষ্টি কিন্তু আছে প্ৰকৃতিৰ মহিমামণ্ডিত ৰূপত বিস্ময়বোধ আৰু আনন্দানুভূতি।

প্ৰকৃতি কবি হিচাপে বায়ৰণৰ প্ৰথম আৰু প্ৰধান বৈশিষ্ট্যটো হ'ল যে প্ৰকৃতি চিত্ৰণৰ জৰিয়তে তেওঁ আমাৰ আগত কোনো তত্ত্ব বা মতবাদ দাঙি ধৰা নাই। এই কথাটোকে অধ্যাপক বাউৰাই তেওঁৰ The Romantic Imagination নামৰ পুথিত স্পষ্টভাৱে উল্লেখ কৰিছে—

While Wordsworth sought vision or moral inspiration Byron took nature as he found it and appreciated much that Wordsworth missed His poetry of nature is instinctive and immediate free from theory or ulterior intention

অৰ্থাৎ ৱৰ্ডছৱৰ্থে প্ৰকৃতিৰ পৰা বিচাৰিছিল মন শক্তি বা নৈতিক প্ৰেৰণা কিন্তু বায়ৰণে প্ৰকৃতিক যেনেভাৱে পাইছিল বা দেখিছিল তেনেভাৱেই গ্ৰহণ কৰিছিল আৰু ৱৰ্ডছৱৰ্থৰ দৃষ্টিগোচৰ নোহোৱা দিশো তেওঁ উন্মোচন কৰিছে। বায়ৰণৰ প্ৰকৃতি কবিতা হ'ল সহজানুভূতিক আৰু তৎকালিক। প্ৰকৃতি চিত্ৰণৰ জৰিয়তে তেওঁ কোনো তত্ত্বকথা প্ৰতিপাদন কৰিবলৈ বিচৰা নাই নাইবা আন কোনো গুপুত উদ্দেশ্যও নাই।

ৱৰ্ডছৱৰ্থৰ দৰে বায়ৰণেও প্ৰকৃতিৰ কোলাত শান্তি বা আনন্দ পোৱাৰ কথা উল্লেখ কৰিছে। প্ৰকৃতি জগতত বিৰাজ কৰা নিৰ্জনতাৰ প্ৰতি তেওঁৰ আকৰ্ষণ তলত দিয়া কবিতা ফাঁকিত সুন্দৰকৈ ফুটি উঠিছে—

There is a pleasure in the pathless woods ;
There is a rapture on the lonely shore
There is society where none intrudes
By the deep sea and music in its roar
(Roll on Thou Deep and Dark Blue Ocean)

অন্যান্য ৰমন্যাসিক কবিসকলৰ দৰে বায়ৰণে প্ৰকৃতিৰ মাজত কোনো ৰহস্যময় শক্তিৰ অন্বেষণ কৰা নাছিল। তেওঁৰ মতে প্ৰকৃতি জগতত কোনো মহাশক্তিয়ে বিৰাজ কৰা নাই। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ দৰে তেওঁ প্ৰকৃতিৰ বুকুত জৰ্জৰিত আত্মাৰ সান্ত্বনা বিচৰা নাছিল। তেওঁ প্ৰকৃতিৰ ওচৰ চাপিছিল কেৱল মানুহৰ সমাজৰ পৰা আঁতৰি থকাৰ কাৰণেহে। বায়ৰণৰ দৃষ্টিভঙ্গী গ্ৰাম্যলোকৰ নাছিল নগৰবাসীৰহে আছিল। নগৰৰ হাই-উৰুমিত বিৰক্ত হৈহে তেওঁ প্ৰকৃতিৰ কোলাত জিৰণি বিচাৰিছিল।

বায়ৰণৰ প্ৰকৃতি চিত্ৰণ হ'ল তেওঁৰ মনোজগতৰে প্ৰতিফলন। তেওঁৰ হৃদয়ৰ অস্থিৰতা উত্তেজনা উল্লাস আদি প্ৰকাশ পাইছে প্ৰকৃতিৰ নিৰ্মম আৰু দুৰন্ত ৰূপটোত। পৰ্বতৰ চূড়া সাগৰৰ ঢৌ মেঘৰ গাজনি মহাসাগৰৰ ওপৰেৰে বৈ যোৱা ধুমুহা— এইবোৰেই চিত্ৰিত হৈছে তেওঁৰ কবিতাত। এই প্ৰসঙ্গত অধ্যাপক বাউৰাই (Bowra) মত পোষণ কৰিছে যে বায়ৰণে যিহেতু প্ৰকৃতিৰ লগত যোগাযোগৰ জৰিয়তে কোনো তত্ত্বকথা প্ৰতিপাদন কৰিবলৈ বিচৰা নাছিল তেওঁ অন্য ৰমন্যাসিক কবিসকলৰ দৰে প্ৰকৃতিৰ নিৰ্মম আৰু দুৰন্ত ৰূপটোৰ মুখামুখি হ'বলৈ ভয় খোৱা নাছিল। ("Because he had no gospel of nature and did not seek any special revelation through it Byron was able to face its cruel and inhuman aspects as most of the Romantics could not)

শ্বেলী ওৱাৰ্ডছ্‌ওৱাৰ্থ কোলেৰিজ বায়ৰণ আদিৰ দৰে শ্বেলীও আছিল প্ৰকৃতিৰ কবি আৰু প্ৰকৃতিৰ ৰূপৰ বৰ্ণনাৰে তেওঁৰ কাব্য মুখৰিত হৈ আছে। আন আন ৰোমাণ্টিক কবিৰ দৰে তেৱেঁ প্ৰকৃতিক প্ৰাণ ভৰি ভাল পাইছিল আৰু ইয়াৰ লগত এক আত্মিক সম্বন্ধ গঢ়ি তুলিছিল। On Love নামৰ গদ্য ৰচনা এখনত শ্বেলীয়ে তেওঁৰ প্ৰকৃতিৰ প্ৰতি কেনেধৰণৰ গভীৰ অনুৰাগ আছিল আৰু প্ৰকৃতিয়ে মানুহক কেনেধৰণে আনন্দ দিব পাৰে তাক স্পষ্টভাৱে বৰ্ণনা কৰি গৈছে। তেওঁ তাত লিখিছে জিভাহীন বতাহবো এনে এক বাগ্মিতা আছে বৈ যোৱা নিজৰাৰ ধাৰত আৰু তাৰ পাৰৰ ইকৰাৰ কঁপনিতো এনে এক সুৰ আছে যে সিহঁতৰ মতে আমাৰ আত্মাৰ ভিতৰৰ কিহবাৰ অনিৰ্বচনীয় সম্পৰ্কটোৱে প্ৰাণৰ মাজত ৰুদ্ধশ্বাস আনন্দৰ

নাচোন জগাই তোলে আৰু চকুৰ পাছিৰ পৰা এক ৰহস্যময় আনফুলীয়া বিষাদৰ চকুপানী সকৰাই যায় যেন সেই আনন্দ কোনোবা বিজয় মুহূৰ্তত স্বদেশপ্ৰেমিকৰ হিয়াত উথলি উঠা থৌকিবাথৌ অথবা সেই বিষাদ যেন তোমাকেই শুনাই যোৱা কোনোবা প্ৰেয়সীৰ কণ্ঠস্বৰৰ মৰ্মব্যথা। (অনুবাদ অধ্যাপক মহেন্দ্ৰ বৰা)

শ্বেলীৰ প্ৰকৃতি কবিতা আলোচনা কৰিলে প্ৰথমে আমি এটা কথা উল্লেখ কৰিব লাগিব যে প্ৰকৃতিৰ প্ৰতি তেওঁৰ যি দৃষ্টিভঙ্গী প্ৰকাশ পাইছে তাৰ কোনো স্পষ্ট ৰূপ নাই। তেওঁৰ প্ৰকৃতি ৰূপায়ণ মনৰ ভাব অনুযায়ী বিচিত্ৰ। কেতিয়াবা তেওঁ প্ৰকৃতিক চাইছে এক সামগ্ৰিক মহাশক্তিৰ ৰূপত। কেতিয়াবা আকৌ তেওঁ ইয়াক এক শক্তি হিচাপে গণ্য নকৰি নিজা জীৱনীশক্তি থকা কেতবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ বস্তুৰ সমষ্টি বুলি গণ্য কৰিছে। কেতিয়াবা আকৌ তেওঁ জীৱন্ত প্ৰকৃতিৰ বিভিন্ন বস্তুক লৈ অতিকথাৰ সৃষ্টি কৰিছে। কোনো কোনো ঠাইত তেওঁক প্ৰকৃতিৰ বিভিন্ন ৰূপময় বস্তুত আপোন মনৰ মাধুৰী মিহলাই মানবীয় গুণ আৰোপ কৰা দেখা যায়। তেওঁৰ কবিতাৰ পচোৱা বতাহজাক যিদৰে বাহিৰৰ নৈসৰ্গিক ঘটনা সেইদৰে তেওঁৰ আপোন মনৰো অভিব্যক্তি। আন কিছুমান ক্ষেত্ৰত তেওঁৰ বৰ্ণনা ইমান বস্তুধৰ্মী হৈ পৰে যে তেওঁৰ দৃষ্টিভঙ্গী কবিৰ নহৈ বিজ্ঞানীৰহে যেন লাগে।

শ্বেলীৰ কাব্যজীৱনৰ প্ৰথমছোৱাৰ কবিতাবোৰত ওৱাৰ্ডছ্‌ওৱাৰ্থৰ প্ৰভাৱ লক্ষ্যণীয়। এইবোৰত আছে বহি প্ৰকৃতিৰ বৰ্ণনা। নদ নদী গছ লতা ফুল পাত মেঘ আকাশ তৰা আদিৰ সৌন্দৰ্যত তেওঁ মোহিত। এই অৱস্থাত প্ৰকৃতিৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপটোৱেই আছিল তেওঁৰ আনন্দৰ উৎস। প্ৰকৃতি জগতত এতিয়ালৈকে তেওঁ কোনো নৈতিক বা আধ্যাত্মিক অৰ্থ বিচাৰি পোৱা নাই। প্ৰকৃতিৰ পৰা তেও কোনো শিক্ষা গ্ৰহণ কৰা নাই। দিন যোৱাৰ লগে লগে প্ৰকৃতিৰ বাহ্যিক ৰূপে তেওঁক বেছিকৈ আকৰ্ষণ কৰিবলৈ লয় আৰু প্ৰকৃতি জগতৰ ক্ষুদ্ৰ বা তুচ্ছ বস্তুৰ সলনি বৈভৱশালী মহিমামণ্ডিত চমকপ্ৰদ আৰু জাকজমকতাপূৰ্ণ বস্তুইহে তেওঁৰ কবিতাত স্থান পায়। ওখ ওখ পৰ্বত প্ৰকাণ্ড শিল গুহা নক্ষত্ৰশোভিত আকাশ—এইবোৰেই তেওঁৰ মন বেছিকৈ আকৃষ্ট কৰিবলৈ লয়।

প্ৰকৃতিৰ বৈভৱশালী ৰূপৰ বৰ্ণনাৰে তেওঁৰ বহুতো কবিতা উপচি পৰিছে যদিও বৰ্ণনা কিন্তু কতো চিত্ৰধৰ্মী হোৱা নাই। কোনো বস্তুৰে স্পষ্ট ছবি আমাৰ মানসচক্ষুত ভাহি নুঠে। তেওঁৰ বৰ্ণনা অনেক ঠাইত প্ৰকৃত অৰ্থত বৰ্ণনাধৰ্মী নহৈ ব্যঞ্জনাধৰ্মীহে হোৱা দেখা গৈছে। Ode to the West Wind কবিতাটোত জলগৰ্ভৰ দৃশ্যৰ যি বৰ্ণনা দিয়া হৈছে সি এনেকুৱা ধৰণৰ অস্পষ্ট বা ধুৱলি কুঁৱলী। ঠিক সেইদৰে তেওঁৰ

The Sensitive Plant নামৰ কবিতাটোত উদ্যান এখনৰ বিস্তৃত বৰ্ণনা আছে যদিও সিয়ে কেতিয়াও উদ্যান এখনৰ মূৰ্ত ছবি এখনি আমাৰ আগত দাঙি নধৰে। তেওঁৰ কবিতাৰ এই বৰ্ণনাৰ অস্পষ্টতাৰ মূলতে হ'ল বিমূৰ্ত চিত্ৰকল্পৰ ব্যৱহাৰ। শ্বেলীৰ বৰ্ণনাত মেঘ হ'ল the nursling of immortality আৰু স্কাইলাৰ্ক পখী হ'ল like a poet hidd n in the light of thought. কেতিয়াবা আকৌ এটাৰ পিছত এটাকৈ ক্ৰমাগতভাৱে (অৰ্থাৎ উপৰ্য্যুপৰি) উপমা ব্যৱহাৰ কৰাৰ কাৰণেও তেওঁৰ বৰ্ণিত ছবিয়ে এটা সুস্পষ্ট ৰূপ নাপায়।

প্ৰকৃতি-জীৱনৰ অমৰত্ব শ্বেলীয়ে তেওঁৰ কেইবাটাও গীতি কবিতাত স্বীকাৰ কৰি লৈছে। তেওঁৰ মতে প্ৰকৃতি হ'ল মানৱ জগতৰ বিপদ আপদে চুকি নোপোৱা এক অন্তহীন জীৱন-প্ৰবাহ।

ওৱাৰ্ডছৱাৰ্থৰ দৰে শ্বেলীয়েও বিশ্বাস কৰিছিল যেপ্ৰকৃতি-জগতত এক মহাশক্তিয়ে বিৰাজ কৰি আছে। এই শক্তিটোক বিশ্বৰ কাৰণ সত্তা বুলিও কোৱা হয়। তেওঁৰ মতে প্ৰকৃতি জগতত বিৰাজ কৰা এই মহাশক্তিয়েই হ'ল প্ৰেমৰ শক্তি। এই ক্ষেত্ৰত শ্বেলীক প্লেটোৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বুলি ধৰিব পাৰি। প্লেটোৱেও বিশ্বাস কৰিছিল যে প্ৰেমেই বিশ্বব্ৰহ্মাণ্ডৰ আত্মা। গতিকে দেখা যায় যে শ্বেলীৰ সৰ্বেশ্বৰবাদৰ ধাৰণাৰ লগত প্লেটোবাদৰ সমন্বয় ঘটিছে। প্ৰকৃতি-জগতত এই প্ৰেমৰ শক্তিয়ে বিৰাজ কৰা কাৰণে শ্বেলীয়ে বিশ্বাস কৰিছিল যে প্ৰকৃতিৰ আছে এক দৰদী অন্তৰ। যিজনে প্ৰাণেৰে সৈতে প্ৰকৃতিক ভাল পাব জানে প্ৰকৃতিয়ে তেওঁক মৰম আৰু সহানুভূতিৰ পৰা কেতিয়াও বঞ্চিত নকৰে। এই ক্ষেত্ৰত শ্বেলীৰ দৃষ্টিভঙ্গী ওৱাৰ্ডছৱাৰ্থৰ সমধৰ্মী। কিন্তু দুয়োৰে মাজত পাৰ্থক্য এইখিনিয়েই যে শ্বেলীৰ দৃষ্টিত প্ৰকৃতি জগতত বিৰাজ কৰা মহাশক্তিটো হ'ল প্ৰেমৰ শক্তি আৰু ওৱাৰ্ডছৱাৰ্থৰ দৃষ্টিত ই হ'ল প্ৰজ্ঞা আৰু চিন্তাৰ শক্তি। শ্বেলীৰ মতে এই প্ৰেমৰ শক্তিয়েই প্ৰকৃতি জগতৰ সকলো বস্তু আৰু মানৱাত্মাক একেডাল ডোলেৰে বান্ধিছে। এই প্ৰেমৰ শক্তিয়েই শ্বেলীক জীৱন যুঁজত অগ্ৰসৰ হবলৈ প্ৰেৰণা যোগাইছে। এই প্ৰসঙ্গত অধ্যাপক মহেন্দ্ৰ বৰাই উল্লেখ কৰা কথাখিনি উদ্ধৃত কৰিলোঁ। ৱৰ্ডছৱৰ্থৰ ধাৰণাত সেই কাৰণ সত্তাৰ গুণময় ৰূপটো চিন্তা অথবা ভাৱনা ৰূপে বৰ্ণিত। সেই চিন্তাৰ আধাৰতে জীৱন জগত আৰু ঈশ্বৰ একময়তাৰ বন্ধনত আবদ্ধ। শ্বেলীৰ ধাৰণাত সেই কাৰণ সত্তাৰ গুণময় স্বৰূপটো প্ৰেম ৰূপে বৰ্ণিত। প্ৰকৃতিৰ বহু বিচিত্ৰ সৌন্দৰ্য্য আৰু মানুহৰ আত্মাৰ মাজত মিলনৰ সেতু ৰচনা কৰি থৈছে সেই প্ৰেমৰ স্বৰূপেই। কাৰণ সেই প্ৰেমৰ বাহীৰ সুৰটো যেন সীমাৰ মাজত বাজি উঠা অসীমৰ জীৱনবে নিশাহ। ভাষান্তৰত

কৰ পাৰি বস্তু চৰ্য্যৰ ধাৰণাৰ অন্তৰালত আছে জাৰ্মান চিন্তানায়ক হেগেলৰ অতীন্দ্ৰিয় দৰ্শনৰ তত্ত্বকথা আৰু শ্বেলীৰ ধাৰণাৰ অন্তৰালত আছে গ্ৰীক চিন্তানায়ক প্লেটোৰ আদৰ্শবাদী দৰ্শনৰ প্ৰত্যয়।

শ্যেলীৰ কবিতাত প্ৰকৃতিৰ স্থান সম্পৰ্কে আলোচনা কৰিলে তেওঁৰ অতিকথা নিৰ্মাণ ৰ (Myth making) প্ৰসঙ্গ স্বাভাৱিকতে আহি পৰে। প্ৰাচীন গ্ৰীকসকলৰ দৰে তেৱে । প্ৰকৃতিক জীৱন্ত বুলি কল্পনা কৰিছিল আৰু প্ৰকৃতিৰ বিভিন্ন বস্তুত কিছুমান গুণ আৰোপ কৰি সেইবোৰৰ জৰিয়তে কিছুমান অতিকথা (Myth) নিৰ্মাণ কৰি উলিয়াইছিল। এই অতিকথা বা কাহিনীবোৰ তেওঁৰ নিজা কল্পনাশক্তিৰ সৃষ্টি। উদাহৰণ স্বৰূপে তেওঁ The Sensitive Plant নামৰ কবিতাটোত শীতকালক এটা দৈত্য হিচাপে কল্পনা কৰিছে। Ode to the West Wind কবিতাটোত পছোৱা বতাহ কেৱল সাধাৰণ পছোৱা বতাহেই নহয় ই ধ্বংসকাৰী আৰু ৰক্ষাকাৰী দুয়োবিধ শক্তি। ই হ'ল এক প্ৰচণ্ড শক্তি। The Cloud নামৰ কবিতাটোত মেঘে নিজৰ কাৰ্য্যাৱলীৰ বৰ্ণনা দি গৈছে আৰু ইয়াৰ জৰিয়তে ই এক ব্যক্তিৰূপ পাইছে। Prometheus Unbound নামৰ গীতিনাট্যখনতো পৃথিৱী (Earth) আৰু জোনক (Moon) ব্যক্তিৰূপে কল্পনা কৰা হৈছে। জোনটোক ৰথৰ ভিতৰত বহি থকা এগৰাকী দেৱী হিচাপে বৰ্ণনা কৰা হৈছে।

আগতে উল্লেখ কৰা হৈছে যে শ্বেলীৰ প্ৰকৃতি বৰ্ণনা কেতিয়াবা বস্তুনিষ্ঠ হোৱা দেখা যায়। কোনো কোনো ঠাইত ই ইমান বস্তুনিষ্ঠ হৈ পৰিছে যে শ্বেলীয়ে প্ৰকৃতিক বিজ্ঞানীৰ দৃষ্টিৰেই চোৱা যেন লাগে। উদাহৰণ স্বৰূপে The Cloud নামৰ কবিতাটোত নিয়ৰৰ বৰ্ণনা দিয়া কেইটামান শাৰী আছে যিকেইটা এজন বতৰ বিজ্ঞানীয়ে দিয়া যেনহে লাগে। শ্বেলীৰ The Sensitive Plant অৰ ফুলনিখনৰ বৰ্ণনাও এনেদৰে অতি বিত । সেইদৰে Ode to the West Wind কবিতাটোত সমুদ্ৰ গৰ্ভত থকা গছ ফুল ঘাঁহ আদিৰ বৰ্ণনাও সমানে বিতং।

প্ৰকৃতি কবি হিচাপে শ্বেলীৰ ফুলৰ প্ৰতি আকৰ্ষণ আছিল আন বস্তুতকৈ বেছি। সেই কাৰণে তেওঁৰ বহুতো কবিতাত অসংখ্য ফুলৰ নাম উল্লেখিত হৈছে। উদাহৰণ স্বৰূপে The Question নামে ছত্ৰিশ শাৰীৰ সৰু কবিতাটোতে চৌধ্যবিধ বেলেগ বেলেগ ফুলৰ নাম উল্লেখ কৰা হৈছে। সেইদৰে The S nsitive Plant নামৰ কবিতাটোতো তেৰবিধ ফুলৰ উল্লেখ আছে।

শ্বেলীয়ে প্ৰকৃতিৰ বস্তুবোৰক তেওঁৰ কবিতাত প্ৰায়েই প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। Adonais নামৰ কবিতাটোত তেওঁ Pansies আৰু Violet অক যথাক্ৰমে

তেওঁৰ কাব্যৰ দশা বা পৰিণতি আৰু তেওঁৰ জীৱনৰ সত্তাৰ প্ৰতীক হিচাপে দেখুওৱা হৈছে। আকাশ তৰা চন্দ্ৰ সূৰ্য বতাহ দিন ৰাতি আন্ধাৰ পোহৰ আদিক তেওঁ চিৰন্তনতাৰ (eternity) প্ৰতীক হিচাপে লৈছে। মেঘ হ'ল কবিৰ নিজৰ মনোধৰ্মী বা ব্যক্তিধৰ্মী সচেতনতাৰ প্ৰতীক। শ্বেলীৰ কবিতাত প্ৰকৃতিৰ এইবোৰ বস্তুৱে প্ৰতীকী ৰূপ লোৱাৰ কাৰণ হ'ল কবিৰ এইবোৰৰ লগত আত্মিক সম্বন্ধ বা অভেদত্ব স্থাপন। অশৰীৰী বস্তুকো ৰূপদান কৰাৰ প্ৰৱণতা তেওঁৰ কবিতাত দেখা যায়। ওৱাৰ্ডছৱৰ্থৰ কবিতাৰ দৰে শ্বেলীৰ কবিতাটো আছে প্ৰকৃতি আৰু মানৱৰ মাজত মিলনৰ সেতু বন্ধাৰ চেষ্টা। কবিয়ে নিজকে পছোৱা বতাহ বা মেঘক লগত এনেদৰে অভিন্ন কল্পনা কৰিছে যে তেওঁ নিজে সেইবোৰৰ প্ৰতিনিধিত্ব কৰা যেন লাগে। পছোৱা বতাহ হ'ল ধ্বংসকৰ্তা আৰু ৰক্ষাকৰ্তা দুয়োৰে প্ৰতীক।

ওপৰৰ চমু আলোচনৰ পৰা এইটো স্পষ্ট হৈ পৰে যে শ্বেলীৰ প্ৰকৃতি চিত্ৰণ কেতিয়াবা বিজ্ঞানভিত্তিক কেতিয়াবা দৰ্শনমূলককেতিয়াবা অতি কথা ধৰ্মী কেতিয়াবা প্ৰতীক ধৰ্মী আৰু কেতিয়াবা লৌকিক। কিন্তু এইটো কথা ঠিক যে ৰোমাণ্টিক কবিসকলৰ ভিতৰত ওৱাৰ্ডছৱৰ্থ আৰু শ্বেলীৰ প্ৰকৃতি কবিতাতেই দৃষ্টিভংগীৰ গভীৰতা আটাইতকৈ বেছি।

কীট্‌ছ অন্যান্য ৰোমাণ্টিক কবিৰ দৰে কীট্‌ছো প্ৰকৃতি জগতৰ প্ৰতি আকৰ্ষিত হোৱাটো স্বাভাৱিক। তেওঁ। আছিল প্ৰকৃতি প্ৰেমী প্ৰকৃতিৰ উপাসক। প্ৰকৃতি জগতৰ অপৰূপ সৌন্দৰ্য্যৰ বৰ্ণনাৰে তেওঁৰ কবিতাও উপচি আছে। কিন্তু এই বৰ্ণনাত ওৱাৰ্ডছৱৰ্থ বা শ্বেলীৰ দৰে দাৰ্শনিক বা নৈতিক দৃষ্টিভংগী নাই। প্ৰকৃতিৰ বুকুত তেওঁ যি দেখিছে বা শুনিছে তাক কেৱল ইন্দ্ৰিয়গ্ৰাহ্য ৰূপত বৰ্ণনা কৰিছে। তেওঁৰ চিত্ত আকৰ্ষণ কৰিছিল কেৱল প্ৰকৃতিৰ বৈভৱ আৰু ৰমণীয়তাই। সেইকাৰণে কম্পটন্ ৰিকেটে লিখিছে Keats had no religion save the religion of beauty

কীটছে প্ৰকৃতিক ভাল পাইছিল কেৱল ইয়াৰ বাহ্যিক সৌন্দৰ্য্যৰ বাবে। তেওঁ প্ৰকৃতিক নিখুঁতভাৱে চাবলৈ বিচাৰিছিল। সেই কাৰণে প্ৰকৃতিৰ সম্পদৰাজি নিৰীক্ষণ কৰোতে তেওঁ কতো দাৰ্শনিক তত্ত্ব আৰোপ কৰা নাই। তেওঁৰ আছে সৌন্দৰ্য্য উপভোগৰ স্পৃহা নাই কোনো দাৰ্শনিক বা ৰহস্যবাদীৰ দৃষ্টি। সেই কাৰণে কীট্‌ছে কতো ওৱাৰ্ডছৱৰ্থৰ দৰে প্ৰকৃতিৰ পৰা পোৱা নৈতিক শিক্ষাৰ কথা কোৱা নাই নাইবা প্ৰকৃতি জগতৰ মাজত কোনো ঐশ্বৰিক শক্তিৰ অস্তিত্বও কল্পনা কৰা নাই। প্ৰকৃতি জগতৰ ৰূপ ৰসৰ ইন্দ্ৰিয়গ্ৰাহ্য বৰ্ণনাতে তেওঁ সন্তুষ্ট। ফুলৰ বিচিত্ৰ ৰূপ চৰাইৰ সুমধুৰ সঙ্গীত আৰু বিভিন্ন গছ-লতাৰ বৰ্ণনা তেওঁৰ কবিতাত সজীৱ হৈ উঠিছে।

তেওঁৰ Ode to a Nightingale কবিতাটোতে প্ৰকৃতিৰ বিভিন্ন দিশ বা উপাদানৰ যি বৰ্ণনা দিছে সি আমাৰ পাঁচোটা ইন্দ্ৰিয়কে পৰিতৃপ্ত কৰে। তেওঁৰ বৰ্ণনা চিত্ৰধৰ্মীও। Sleep and Poetry আৰু Endymion আদি কবিতাত তেওঁৰ প্ৰকৃতি চিত্ৰণ এজন পৈণত শিল্পীৰ।

কীট্‌ছৰ প্ৰকৃতি চিত্ৰণ ইন্দ্ৰিয়গ্ৰাহ্য আৰু চিত্ৰধৰ্মী হলেও বিজ্ঞানীৰ বৰ্ণনাৰ দৰে একেবাৰে বস্তুনিষ্ঠ নহয়। কীটছৰ মতে যদি প্ৰকৃতিক সৌন্দৰ্য্যক বিজ্ঞানীৰ দৃষ্টি ভংগীৰে বিশ্লেষণ কৰিবলৈ লোৱা হয় তেতিয়াহলে সি মানুহক আনন্দ প্ৰদান কৰিব নোৱাৰে। বিশ্লেষণে প্ৰকৃতিৰ সৌন্দৰ্য্য নষ্ট কৰে। O thou whose face hath felt the winter s wind নামৰ কবিতাটোত তেওঁ কৈছে—

> Oh fret not after knowledge—I have none
> And yet my song comes native with the warmth
> Oh fret not after knowledge—I have none
> And yet the evening listens

প্ৰকৃতি জগতে যে তেওঁক বিমল আনন্দ দিব পাৰিছিল তাক তেওঁ বাৰে বাৰে কেইবা ঠাইতো উল্লেখ কৰি গৈছে। তেওঁৰ মতে প্ৰকৃতিয়েই হল আনন্দ আৰু কাব্য ৰচনাৰ মূলবস্তু—

> For what had made the sage or poet write
> But the fair paradise of Nature s light ?
>
> (I stood tip toe upon a Little Hill)

জীৱনৰ শেষৰ ফালে কীট্‌ছৰ দৃষ্টিভংগীৰ কিছু পৰিৱৰ্তন হয়। ইয়াৰ মূলতে হল তেওঁৰ ব্যক্তিগত দুখ যাতনা। প্ৰকৃতি চিত্ৰণৰ মাজতে তেওঁৰ ব্যক্তিগত নিৰাশা বেদনা হতাশা আদিৰ ছবি ফুটি উঠিল। তথাপি প্ৰকৃতি জগতৰ সৌন্দৰ্য্য আৰু আনন্দৰ মাজতে তেওঁৰ নিজৰ বেদনা পাহৰিবলৈ যত্ন কৰিলে। এই বেদনাৰ আভাস তেওঁৰ Ode to a Nightingale নামৰ বিখ্যাত কবিতাটোতো পোৱা যায়।

ত্ৰয়োদশ অধ্যায়
ৰোমাণ্টিক কবিতাত মানৱতাবাদী ভাবধাৰা

ৰোমাণ্টিক যুগৰ কবিতাত প্ৰকৃতিয়ে মুখ্য স্থান লাভ কৰিলেও কবিসকলে মানৱ জীৱনৰ ফালে একেবাৰে পিঠি দিয়া নাই। অৱশ্যে এইটো ঠিক যে এজন কবিৰ কবিতাতে সকলো শ্ৰেণীৰ মানুহৰ ছবি নাই। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ কবিতাত যেনেকৈ আছে সহজ সৰল মানুহৰ জীৱনৰ ছবি সেইদৰে শ্বেলী বা বায়ৰণৰ কবিতাত আছে অত্যাচাৰী শাসক যাজক আদিৰ কাৰ্য্যাৱলীৰ বৰ্ণনা আৰু তেওঁলোকৰ বিৰুদ্ধে সাধাৰণ মানুহৰ বিক্ষোভ বিপ্লৱৰ ছবি। এইটো ঠিক যে ৰোমাণ্টিক কবিসকল সাধাৰণ মানুহৰ প্ৰতিহে সহানুভূতিসম্পন্ন। সেইকাৰণে আমি এই যুগৰ কবিতাত পাওঁ ভেড়াৰখীয়া কুটীৰবাসী আদি সাধাৰণ লোকৰ জীৱনৰ সৰল চিত্ৰ। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ কবিতাৰ যি মানুহ সেই মানুহ হ'ল প্ৰকৃতিৰ মাজত ডাঙৰ দীঘল হোৱা সহজ সৰল মানুহ। সেইদৰে শ্বেলী বা বায়ৰণৰো আছিল সাধাৰণ মানুহৰ প্ৰতি গভীৰ সহানুভূতি। তেওঁলোকৰ বৈপ্লৱিক দৃষ্টিভংগীৰ মূলতে হ'ল সাধাৰণ লোকৰ মুক্তি আৰু কল্যাণ কামনা। সাধাৰণ মানুহৰ অন্তৰাত্মাক বুজিবলৈ আৰু ইয়াৰ স্বৰূপ আমাৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস কৰা প্ৰায় সকলো ৰোমাণ্টিক কবিকে দেখা যায়। ইয়াত আমি সেই সম্পৰ্কে অলপ বিস্তাৰিতভাৱে আলোচনা কৰিম।

ওৱাৰ্ডছ্‌ওৱাৰ্থ আমাৰ মাজত সাধাৰণতে এটি ধাৰণা আছে যে ওৱাৰ্ডছ্‌ওৱাৰ্থৰ কবিতাত প্ৰকৃতিহে মুখ্য মানুহ গৌণ। গতিকে মানৱৰ যি ছবি ইয়াত অঁকা হৈছে সি যেন বহিঃপ্ৰকৃতিৰেই এটা অংশ মানুহ যেন প্ৰকৃতি ৰাজ্যৰেই এখন সীমামূৰীয়া প্ৰদেশ প্ৰকৃতিৰ প্ৰভাৱতেই যেন চাকখোৱা মানুহ যেন প্ৰকৃতিৰ গোপন আত্মাৰেই সচেতন বিকাশ। কিন্তু এই ধাৰণা সম্পূৰ্ণৰূপে সত্য বুলি ক'ব নোৱাৰি। তেওঁৰ কবিতাত প্ৰকৃতিয়ে যি স্থান অধিকাৰ কৰিছে মানুহেও প্ৰায় একে স্থানকে অধিকাৰ কৰিছে। সেয়েহে অধ্যাপক ব্ৰুকে (S A Brooke) মন্তব্য কৰিছে—"Wordsworth was as much if not more the poet of Man as of Nature and the poetry of Man took in his hands as great a development as the poety of Nature" অৱশ্যে এটা কথা ঠিক যে নগৰত লাহ বিলাহত জীৱন কটোৱা চৌখিন লোকৰ জীৱনৰ ছবি তেওঁৰ কবিতাত নাই। ইয়াৰ সলনি তেওঁৰ কবিতাত আছে প্ৰকৃতি জগতৰ লগত মনে-প্ৰাণে মিলি যোৱা চহা জীৱনৰ ছবি। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ প্ৰথম পৰিচয় প্ৰকৃতিৰ কবি হিচাপে হ'লেও তেওঁ নিজকে মানুহৰ কবি বুলিয়েই

পৰিচয় দিবলৈ বেছি ভাল পাইছিল। The prelude অত এই কথাটো তেওঁ স্পষ্টভাৱে উল্লেখ কৰিছে

My theme

No other than the very heart of men.

ঠিক সেইদৰে Michael নামৰ কবিতাটোত তেওঁ কৈ'ছে যে তেওঁ চিন্তা কৰিবলৈ লৈছে On man the heart of man and human life" সেইকাৰণে হেজলিটেও মন্তব্য কৰিছিল He sees nothing loftier than human hopes nothing deeper than human heart ইয়াৰ অৰ্থ হ'ল "তেওঁ মানবীয় আশাতকৈ উচ্চতৰ আৰু মানৱ হৃদয়তকৈ গভীৰতৰ আন একোকে দেখা নাছিল। (অনুবাদ অধ্যাপক মহেন্দ্ৰ বৰা)। কৰ্লোজ বেকাৰ (Corlos Baker) নামে সমালোচক এগৰাকীয়েও মন্তব্য কৰিছে যে খুব কম সংখ্যক আধুনিক কবিয়েহে তেওঁ লোকৰ কবিতাত প্ৰকাশ্যেই হওক বা আকাৰে-ইঙ্গিতেই হওক সাধাৰণ মানুহৰ মহত্ব বা মৰ্য্যাদাবোধক ওৱাৰ্ডছ্‌ওৱাৰ্থৰ দৰে বলিষ্ঠ ৰূপ প্ৰদান কৰিছে।

এইটো ঠিক যে ওৱাৰ্ডছ্‌ওৱাৰ্থ হ'ল প্ৰধানকৈ এজন প্ৰকৃতি কবি আৰু মানুহ সম্বন্ধে তেওঁ যি দৃষ্টিভঙ্গী পোষণ কৰিছে সি তেওঁৰ প্ৰকৃতিৰ প্ৰতি থকা দৃষ্টিভঙ্গীৰ দ্বাৰাই প্ৰভাৱান্বিত। প্ৰকৃতি প্ৰীতিয়েই তেওঁৰ মানৱ-প্ৰীতিৰ মূল ভিত্তি। তেওঁ বিশ্বাস কৰিছিল যে মানৱ জীৱন সঁচাকৈয়ে অৰ্থপূৰ্ণ হ'ব পাৰে যদি মানুহে প্ৰকৃতিৰ লগত সাহচৰ্য্য স্থাপন কৰে আৰু ইয়াৰ প্ৰভাৱ মানৱমনত পৰে। ওৱাৰ্ডছ্‌ওৱাৰ্থে জোৰ দিছিল মানৱ মনৰ সৰলতাৰ ওপৰত আৰু প্ৰকৃতিৰ লগত আত্মিক সম্বন্ধ স্থাপন কৰাৰ ওপৰত। তেওঁ ভাবিছিল যে মানুহৰ নৈতিক আৰু আধ্যাত্মিক বিকাশ কোলাহলপূৰ্ণ নগৰীয়া জীৱনত নহয় হ'ব পাৰে কেৱল প্ৰকৃতি জগতৰ সৰলতা আৰু সৌন্দৰ্য্যৰ মাজত। তেওঁৰ মতে প্ৰকৃতিৰ লগত মানুহৰ আত্মাৰ এক সমগোত্ৰীয় সম্পৰ্ক আছে। মানুহে প্ৰকৃতিৰ পৰা আঁতৰি আহিবলৈ বিচাৰিলেও প্ৰকৃতিয়ে মানুহক বেছি আগ্ৰহেৰেহে হাতবাউল দি মাতে। মানুহে সেই আহ্বানৰ প্ৰতি সঁহাৰি দিব জানিলেই মনত শান্তি পোৱা সম্ভব। প্ৰকৃতিয়ে কাকো কেতিয়াও প্ৰতাৰণা নকৰে ই কল্যাণময়ী। Tintern Abb y ত ওৱাৰ্ডছ্‌ওৱাৰ্থে এই বিশ্বাসৰ কথাই দৃঢ়ভাৱে কৈছে—

Nature never did betray

The heart that loved her its her privilege

Through all the years of this our life to lead
From joy to joy

ওৱার্ডছৱার্থৰ মতে প্ৰকৃতি জগতৰ পৰা আঁতৰি আহি বিষয় বাসনাত মত্ত হৈ মানুহে নিজৰ নৈতিক স্খলন মাতি আনিছে। The world is too much with us নামৰ চনেটটোত কবিয়ে মানুহৰ এই বিষয়াসক্তি দেখি দুখ আৰু ক্ষোভ প্ৰকাশ কৰিছে—

The world is too much with us late and soon
Getting and spending we lay waste our powers;
Little we see in Nature that is ours;
We have given our hearts away a sordid boon!

কবিয়ে তেওঁৰ London 1802 নামৰ চনেটটোত একে ভাবকেই প্ৰকাশ কৰিছে—

No grandeur now in nature or in book
Delights us Rapine avarice expense
This is idolatry and these we adore
Plain l ving and high thinking are no more

প্ৰকৃতি জগতত বিৰাজ কৰা আনন্দ আৰু প্ৰকৃতিৰ বিভিন্ন বস্তুৰ মাজত পৰস্পৰ সহযোগিতা দেখি তেওঁ যেনেকৈ আনন্দ পাইছে ইয়াৰ বিপৰীতে মানৱ সমাজত বিৰাজ কৰা হিংসা বিদ্বেষ অবিশ্বাস অৰি অসহিষ্ণুতা দেখি তেওঁ তেনেকৈ মনত গভীৰ বেদনাও অনুভৱ কৰিছে। সেয়েহে তেওঁ Lines written in Early Spring নামৰ কবিতাটোত কৈ উঠিছে—

Have I not reason to lament
What man has made of man?

আগতেই উল্লেখ কৰা হৈছে যে ওৱার্ডছৱার্থ মানুহৰ কবি হলেও সেই মানুহ প্ৰকৃতিৰ সান্নিধ্যত জীৱন কটোৱা সহজ সৰল গাঁৱলীয়া মানুহ। ক্ষমতা আৰু লাহ বিলাহত মত্ত থকা বজা ৰাজকুমাৰ ৰাজনীতিজ্ঞ বা বৰলোকৰ স্থান তেওঁৰ কবিতাত নাই। এওঁলোকে স্থান পাইছিল অষ্টাদশ শতিকাৰ ধ্ৰুপদী কবিতাতহে। কবিয়ে এনেকুৱা লোকৰ জীৱন মহিমামণ্ডিত কৰি তুলিব বিচৰা নাই কাৰণ তেওঁলোকৰ জীৱনধাৰণ কৃত্ৰিমতাপূৰ্ণ আৰু এনে লোক প্ৰকৃতিৰ সান্নিধ্যত নাই। ইয়াৰ সলনি কবিয়ে মহিমামণ্ডিত কৰি তুলিছে কৃষক কুটীৰবাসী আদিক। তেওঁলোকৰ মাজতে

কবিয়ে আৱিষ্কাৰ কৰিছে মানসিক সবলতা সাহসিকতা সহিষ্ণুতা আদি মানৱীয় গুণবাজিক। এই প্ৰসঙ্গত অধ্যাপক মহেন্দ্ৰ বৰাই লিখিছে—"মানুহৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গীত তেওঁৰ প্ৰকৃতিৰ প্ৰতি থকা বৈশিষ্ট্যপূৰ্ণ দৃষ্টিভঙ্গীৰ একাধিক সাদৃশ্য পৰিলক্ষিত হয়। প্ৰকৃতিৰ ক্ষেত্ৰত তেওঁ যেনেকৈ অতি তুচ্ছ আৰু সাধাৰণ সৌন্দৰ্য্য ৰূপকেই আধ্যাত্মিকভাৱে অভিষিক্ত কৰিছে মানুহৰ ক্ষেত্ৰতো তেওঁ অতি সাধাৰণ আৰু অৰ্বাচীনজনকেই মৰ্য্যদাৰ আসনত প্ৰতিষ্ঠিত কৰিছে। চহা খেতিয়কৰ ঘৰৰ এজনী নিবলা দাৱনীৰ আনন্দমূৰ্ত্তি বয়সে গ্ৰাস কৰি অনা এজন চিকাৰীৰ নি সঙ্গতাৰ বেদনা এজন জৰাজীৰ্ণ ভিক্ষুকৰ জীৱন—সংগ্ৰামৰ ব্যথাতুৰ ৰূপ—এইবোৰ সামান্য মানুহৰ কাহিনীকেই হৃদয়ৰ গোটেইখিনি সহানুভূতি উবুৰিয়াই লেখিছিল। সিহঁত যদিও অত্যন্ত সাধাৰণ মানুহ তথাপি সিহঁতৰ নিয়তিৰ সতে মুখামুখী হোৱাৰ শক্তি অসাধাৰণ। কাৰণ সিহঁতৰ প্ৰত্যেকৰে আত্মাৰ মাজত সুমাই সুমাই অলি আছে অনন্তৰ স্ফুলিংগ। এইদৰেই তেওঁৰ মাইকেল কাম্বাৰলেণ্ড বেগাৰ স্থ লিচ্ছ গেদাবাৰ প্ৰভৃতিত ৱৰ্ডচৱৰ্থে মানুহৰ অপৰাজেয় মনৰ জয়গান গাইছে।

ওৱাৰ্ডছওৱাৰ্থে তেওঁৰ কবিতাত চহা জীৱনৰ তুচ্ছতা স্থূলতা সূক্ষ্ম ৰুচিবোধহীনতা আদি দোষবোৰৰ ছবি আমাৰ আগত দাঙি ধৰা নাই। সেই কাৰণে সমালোচকসকলে তেওঁৰ দ্বাৰা অঙ্কিত মানৱজীৱনৰ চিত্ৰ খণ্ডিত আৰু একপক্ষীয় বুলি অভিহিত কৰিছে। ওৱাৰ্ডছওৱাৰ্থে কেৱল চহালোকৰ নৈতিক গুণবাজিতহে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু তেওঁৰ নিজৰ জীৱনৰ কাৰণে জ্ঞান আৰু নৈতিকতাৰ শিক্ষা গ্ৰহণ কৰিছে। তেওঁ গ্ৰাম্যলোকক এনেকুৱা কিছুমান মহৎ গুণৰ অধিকাৰী কৰি তুলিছে যিবিলাক গুণ তেওঁলোকৰৰ আচলতে নাই। কবিয়ে তেওঁলোকক মানৱ জীৱনৰ নীতিশিক্ষাৰ পথ প্ৰদৰ্শক কৰি তুলিছে। Resolution and Independence নামৰ কবিতাটোত তেওঁ সাধাৰণ জোক বুটলি ফুৰা লোক এজনক দৃঢ়তা আৰু স্বতন্ত্ৰতাৰ প্ৰতীক হিচাপে উপস্থাপিত কৰিছে, যাৰ মহৎ আদৰ্শবাদৰদ্বাৰা কবিয়ে নিজেই অনুপ্ৰাণিত হৈ হতাশাৰ পৰা মুক্ত হৈছে। ঠিক সেইদৰে কাম্বাৰলেণ্ডৰ মগনীয়া টিলবেৰী উপত্যকাৰ খেতিয়ক মাৰ্গাৰেট মাইকেল আদি সকলো কবিৰ মানত মহৎ আদৰ্শেৰে উদ্বুদ্ধ আৰু তেওঁলোকৰ প্ৰত্যেকেই হতাশাগ্ৰস্ত মানৱক আশাৰ বাণী শুনাব পাৰে।

ওৱাৰ্ডছওৱাৰ্থে তেওঁৰ চৰিত্ৰবোৰক অতি সহানুভূতি সহকাৰে অঙ্কন কৰিছে। তেওঁলোকৰ ক্ৰুটী বিচ্যুতি থাকিলেও সেইবোৰক লৈ ব্যঙ্গ হাস্যৰ কোনো প্ৰশ্ন নুঠে। তেওঁৰ চৰিত্ৰাঙ্কন এনেকুৱা ধৰণৰ যে পাঠকৰ সহানুভূতিও চৰিত্ৰবোৰে আকৰ্ষণ কৰিব পাৰে। ওৱাৰ্ডছ্ওৱাৰ্থেই হ ল প্ৰথম ইংৰাজ কবি যিজনে সাধাৰণ নৰ-নাৰীৰ জীৱনক

প্ৰদান কৰিছে গৌৰৱ মাধুৰ্য্য আৰু গৰিমা—"threw around the lives of ordinary men the glory and sweetness of a song (S A. Brooke)

ওৱাৰ্ডছ্‌ৱাৰ্থৰ দ্বাৰা চিত্ৰিত গ্ৰাম্য চৰিত্ৰবোৰ দেখাত গাইগুটীয়া চৰিত্ৰ যেন লাগিলেও সেইবোৰৰ মাজেদিয়ে কৱিয়ে কিছুমান সাৰ্বজনীন মানৱীয় গুণৰ চিত্ৰণ দাঙি ধৰিছে। সেই কাৰণে এই চৰিত্ৰবোৰ গোটেই মানৱজাতিৰে মুখপাত্ৰ হৈ পৰা দেখা যায়। অৰ্থাৎ চৰিত্ৰবোৰক যিবোৰ গুণৰ অধিকাৰী কৰি তোলা হৈছে সেইবোৰ কোনো ব্যক্তি বিশেষৰ বিশেষ গুণ নহয়। এই কথাটোকে অধ্যাপক কম্পটন্ রিকেটে এটা বাক্যত সুন্দৰকৈ কৈছে—"Just as in Nature he is always eager to pass from the concrete to the abstract so in dealing with humanity he is less concerned with individuals than with certain qualities common to mankind অধ্যাপক মহেন্দ্ৰ বৰায়ো এই কথাটোকে উল্লেখ কৰিছে এনেদৰে— ৱৰ্ডচৱৰ্থৰ প্ৰকৃতি সম্পৰ্কীয় কবিতাবোৰত যিদৰে প্ৰকৃতিৰ মূৰ্ত্তিমান ৰূপৰ পৰিবৰ্ত্তে বিমূৰ্ত ৰূপটোৰেই ৰূপায়িত হৈছে সেইদৰে তেওঁৰ মানুহ সম্পৰ্কীয় কবিতা বোৰতো বিশেষৰ চৰিত্ৰতকৈ বিশ্বজনীন মানৱতাৰ সামান্য চৰিত্ৰই অংকিত হৈছে। সেইবাবেই তেওঁৰ কবিতাত ধ্বনিত হৈ উঠিছে জীৱন-প্ৰবাহত ভাঁহি অহা সকলো দেশৰ সকলো কালৰ মানুহৰ স্তব্ধ কৰুণ সংগীত।

ওৱাৰ্ডছ্‌ৱাৰ্থে মানৱ জীৱনৰ ভাল দিশটোহে আমাৰ আগত দাঙি ধৰিছে কদৰ্য্য ৰূপটো নহয়। অৱশ্যে ইয়াৰ দ্বাৰা এইটো বুজোৱা হোৱা নাই যে কৱিয়ে জগতত শঠতাৰ স্থান নাই বুলি কৈছে। তেওঁ জানে যে এই পৃথিবীত শঠতা ক্ৰূৰ প্ৰৱঞ্চনা হিংসা বিদ্বেষ আদি সকলো আছে কিন্তু এইবোৰক তেওঁ মানৱজীৱনৰ মূলনীতি বা মূলসূত্ৰ বুলি ধৰি লোৱা নাই। তেওঁ আছিল এজন সৰ্বেশ্বৰবাদী আৰু সেইকাৰণে তেওঁৰ মানত সকলো বস্তুৱেই পৰমব্ৰহ্মৰ অংশ বিশেষ। ঠিক একে ধৰণে ওৱাৰ্ডছ্‌ৱাৰ্থে মানৱ জীৱনৰ কোলাহলপূৰ্ণ আৰু উগ্ৰ দিশটোতো মনোনিবেশ কৰা নাই। কৱিৰ নিজৰ মনৰ প্ৰশান্তিয়ে গোটেই মানৱজীৱনকে শান্তিপূৰ্ণ বুলি দাঙি ধৰিবলৈ প্ৰেৰণা যোগোৱা যেন লাগে। Heart Leap Well নামৰ কবিতাটোত তেওঁ কৈছে—

The moving accident is not my trade
To freeze the blood I have no ready arts
Tis my delight alone in summer shade
To pipe a simple song for thinking hearts.

ওৱার্ডছওৱার্থে তেওঁৰ Laodamia নামৰ কবিতাটোতো আবেগিক উত্তেজনা বা উচ্ছ্বাস দমন কৰাৰ ওপৰত গুৰুত্ব দিছে—

Be taught O faithful consart to control
Rebellious passion for the Gods approve
The depth and not the tumult of the soul

ওৱার্ডছওৱার্থে বিশ্বাস কৰিছিল যে দুখ কষ্ট বিপদ আপদ অশান্তি আদি থাকিলেও মানৱজীৱন অসাৰ বা অৰ্থহীন নহয়। জীৱনৰ দুখ কষ্টই আমাক নৈতিকভাৱে সবলহে কৰে। তেওঁ ইয়াকো বিশ্বাস কৰিছিল যে সকলো মানুহৰে সৎভাৱে জীৱন যাপন কৰাৰ অধিকাৰ আছে। তেওঁ আছিল সকলোৰে সম অধিকাৰত বিশ্বাসী। তেওঁৰ মতে একেবাৰে নিঃকিন মানুহৰ জীৱনো নিৰৰ্থক নহয়। ওৱার্ডছওৱার্থৰ মতে মানৱজীৱনৰ আদৰ্শ কি হোৱা উচিত তাক তেওঁ Ode to Duty আৰু Character of a Happy Warrior নামৰ কবিতা দুটিত প্ৰকাশ কৰিছে। তেওঁৰ মতে নিজৰ কৰ্তব্যনিষ্ঠা আৰু আন্তৰিকতাৰে পালন কৰাই হ'ল সৎ জীৱন যাপন কৰা। নিজৰ কৰ্তব্য আন্তৰিকতাৰে পালন কৰা লোকহে জীৱনত সুখী হ'ব পাৰে। Ode to Duty নামৰ কবিতাটোত তেওঁ কৈছে—

Serene will be our days and bright
And happy will our nature be
When love is an unerring light
And joys its own security

ওপৰত আমি মানুহৰ কবি হিচাপে ওৱার্ডছওৱার্থৰ প্ৰধান বৈশিষ্ট্য কেইটিৰ উল্লেখ কৰিলোঁ। এতিয়া গ্ৰাম্য লোকৰ জীৱনৰ চিত্ৰ দাঙি ধৰা কেইটিমান কবিতাৰ চমু আলোচনা দাঙি ধৰিম। ওৱার্ড ছওৱার্থে যিবোৰ কৃষক বা ভেড়াৰখীয়াৰ কাহিনী বৰ্ণনা কৰিছে সেই সকলোবোৰৰ মাজেদি প্ৰকৃতিৰ অবিমিশ্ৰ সৰলতা উদাৰ অনাসক্তি আৰু সংযত গভীৰ ভাৱাবেগ মূৰ্ত হৈ উঠিছে। Michael নামৰ কবিতাটিত মাইকেল হ'ল এজন আশী বছৰীয়া বৃদ্ধ ভেড়াৰখীয়া। তেওঁৰ ভৱিষ্যতৰ একমাত্ৰ আশা হ'ল বৃদ্ধ বয়সৰ সন্তান লিউক। কিন্তু চহৰলৈ গৈ সেই লিউক যেতিয়া বিপথগামী হ'ল আৰু শেষত নিৰুদ্দেশ হৈ গ'ল তেতিয়া মাইকেলৰ নিজৰ জীৱন একেবাৰে অৰ্থহীন যেন লাগিল। পিতৃহৃদয়ৰ এই গভীৰ বেদনা ওৱার্ড ছওৱার্থে অত্যন্ত সংযত আৰু অনাড়ম্বৰ ভঙ্গীত কবিতাটোত প্ৰকাশ কৰিছে। Two Brothers নামৰ কবিতাটোত কৃষক-জীৱনৰ ছবিত আমি দেখা পাওঁ পাৰ্বত্য পৰিবেশৰ প্ৰভাৱত পাৰিবাৰিক বন্ধন

আৰু ভ্ৰাতৃস্নেহ কিমান গভীৰ হ'ব পাৰে। কবিৰ দ্বাৰা বৰ্ণিত কেম্বীৱালা ভ্ৰমণকাৰী গ্ৰাম্য শিক্ষক আদি সাধাৰণ শ্ৰেণীৰ চৰিত্ৰবোৰো প্ৰকৃতিৰ সান্নিধ্যত কবি আৰু দাৰ্শনিক হৈ উঠিছে। ওৱাৰ্ডছৱাৰ্থে অৱশ্যে কোনো কোনো ঠাইত গ্ৰাম্য জীৱনৰ অতি তুচ্ছ বা সাধাৰণ ঘটনা কিছুমানৰো বৰ্ণনা দিছে যিবিলাকে পাঠকক বৰ বেছি আকৃষ্ট কৰাৰ সম্ভাৱনা কম। তথাপি এই কথা ঠিক যে কবিৰ গ্ৰাম্য জীৱনৰ বেছিভাগ চিত্ৰই আমাৰ মনত গভীৰ সহানুভূতি আৰু কৰুণাৰ উদ্ৰেক কৰিব পাৰে। Th Affliction of Margaret নামৰ কবিতাটোত কবিয়ে পুত্ৰহাৰা মাতৃৰ মৰ্মবেদনা ফুটাই তুলিছে। Simon Lee ত ওৱাৰ্ডছৱাৰ্থে চাইমনৰ ডেকাকাল আৰু বুঢ়াকালৰ তুলনা কৰিছে। তেওঁৰ বুঢ়াকালৰ অৱস্থা অতি বেদনাদায়ক। The Old Cumber land Beggar নামৰ কবিতাটোত কবিয়ে আশী বছৰৰ ওপৰৰ এক বৃদ্ধ ভিখাৰীৰ মুক্ত আৰু স্বাধীন জীৱনযাত্ৰাৰ আকাংক্ষা প্ৰস্ফুটিত কৰি তুলিছে। সেই স্থবিৰ হৈ পৰিলেও বৃদ্ধৰ আছে প্ৰকৃতিৰ মাজত মুক্ত জীৱনযাত্ৰাৰ স্পৃহা। The Ruined Cottage নামৰ কবিতাটোত এজনী গাঁৱলীয়া তিৰোতাৰ কৰুণ কাহিনী অত্যন্ত সহানুভূতি আৰু সূক্ষ্মদৰ্শিতা সহকাৰে বৰ্ণিত হৈছে। এনেকুৱা ধৰণৰ সকলোবোৰ কবিতাৰ মাজেৰে প্ৰকাশ পাইছে প্ৰকৃতিৰ সৰলতা আৰু উদাৰতা। মাইকেল আৰু ভগা কুটীৰ কবিতা দুটি ওৱাৰ্ডছৱাৰ্থৰ গ্ৰাম্য জীৱন বৰ্ণনাৰ চৰম উৎকৰ্ষৰ পৰিচায়ক।

অন্যান্য ৰোমাণ্টিক কবি ঃ ওৱাৰ্ডছৱাৰ্থৰ বাহিৰে আন কোনো ৰোমাণ্টিক কবিৰ ৰচনাতে মানৱ জীৱনৰ চিত্ৰই উল্লেখযোগ্য স্থান অধিকাৰ কৰা নাই। অৱশ্যে ইয়াৰ দ্বাৰা এইটোকে বুজোৱা হোৱা নাই যে তেওঁলোক মানৱসমাজৰ দুখ বেদনা আশা আকাঙ্ক্ষা সমস্যা আদিৰ প্ৰতি একেবাৰে উদাসীন আছিল। কবি মানৱ-সমাজৰে এজন। গতিকে অলপ সময়ৰ কাৰণে হ'লেও কবিয়ে মানৱসমাজলৈ দৃষ্টি নিক্ষেপ কৰিবলৈ বাধ্য। কোলেৰিজৰ সৰ্বোৎকৃষ্ট কবিতা অতিপ্ৰাকৃত বিষয়লৈ ৰচিত। তেওঁৰ স্বপ্নাতুৰ দৃষ্টিৰ সম্মুখত কোনো ব্যক্তি বিশেষৰ জীৱন স্পষ্টভাৱে ফুটি উঠা নাই। তথাপি মানৱতাবাদৰ সুৰ তেওঁৰ কবিতাত ফুটি উঠা বুলি ক'ব নোৱাৰি। অধ্যাপক দাউডেনে তেওঁৰ কবিতাত fine humanity ৰ কথা উল্লেখ কৰিছে। ওৱাৰ্ডছৱাৰ্থৰ দৰে কোলেৰিজেও পোন প্ৰথমতে ফৰাচী বিদ্ৰোহক সমৰ্থন কৰিছিল কাৰণ তেওঁ ভাবিছিল যে এই বিপ্লৱে মানৱজাতিলৈ শান্তি আৰু সমৃদ্ধি আনিব। পিছত অৱশ্যে তেওঁ যেতিয়া দেখিলে যে বিপ্লৱী সকল নিজেই অত্যাচাৰী হৈ পৰিল মানৱতাবিৰোধী কামত লিপ্ত হ'ল তেতিয়া তেওঁৰ এই বিপ্লৱত বিশ্বাস নাইকীয়া হৈ পৰিল। তেওঁৰ এই দৃষ্টিভংগী প্ৰকাশ পাইছে Ode to France নামৰ কবিতাটোত ঃ

O France that mockest Heaven adulterous blind
And patriot only in pernicious toils !
Are these thy boasts champion of human kind ?
To mix with kings in the low last of sway
Yell in the hunt and share the murderous prey
To insult the shrine of Liberty with spoils
From freemen torn to tempt and to betray ?

কোলেৰিজৰ মানৱ দৰদী অন্তৰৰ পৰিচয় পোৱা যায় তেওঁৰ Reflections on Having Left a place of Retirement নামৰ কবিতাটোত। দুৰ্দশাগ্ৰস্ত লোকক সহায় কৰিবলৈ তেওঁ যে নিজৰ কুটীৰ এৰিবলৈ বাধ্য হৈছে তাকে বৰ্ণনা কৰা হৈছে এই কবিতাটোত। কোলেৰিজে কৈছে যে বহুত লোক আছে যিবোৰ মুখতহে মানৱতাবাদী কাৰ্য্যতঃ দুৰ্দশাগ্ৰস্ত লোকৰ কাৰণে একো নকৰে। এনে লোকক কবিয়ে তিৰস্কাৰ কৰিছে। এনে লোকবোৰ হ'ল তেনে প্ৰকৃতিৰ—

Who sigh for wretchedness yet shun the wretched
Nursing in some delicious solitude
Their slothful loves and dainty sympathies !

কবিৰ মতে এনেকুৱা মানুহতকৈ সহানুভূতি নোহোৱা কিন্তু ভাল কাম কৰা মানুহ বহুত ভাল। মানুহৰ মঙ্গলৰ বাবে কোলেৰিজে হাতে কামে লাগি যাবলৈ দৃঢ়প্ৰতিজ্ঞ—

I therefore go and join head heart and hand
Active and firm to fight the bloodless fight
Of Science Freedom and the Truth in Christ

ওৱাৰ্ডছৱাৰ্থৰ কবিতাত আমি যেনেকৈ ব্যক্তি বিশেষৰ জীৱনৰ চিত্ৰ দেখা পাওঁ, শ্বেলীৰ কবিতাত তেনেদৰে নাপাওঁ। তেওঁৰ নায়ক নায়িকা হয় আদৰ্শ লোকৰ অধিবাসী নহয় তেওঁৰ নিজৰ অন্তৰ্বেদনাৰ প্ৰতিমূৰ্ত্তি। সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ লগত তেওঁৰ ব্যক্তিগত সম্পৰ্ক আছিল নে নাই বা লাঞ্ছিতজনৰ প্ৰতি তেওঁৰ সহানুভূতি আন্তৰিক আছিল নে নাই সি সন্দেহৰ বিষয়। তথাপি তেওঁৰ কবিতাত ফুটি উঠিছে মানুহৰ প্ৰতি গভীৰ সহানুভূতি আৰু ই প্ৰকাশ পাইছে তেওঁৰ বৈপ্লৱিক চিন্তাধাৰাত। কবি হিচাপে শ্বেলীৰ প্ৰথম পৰিচয় গীতিকবি হিচাপে হ'লেও তেওঁ এজন স্বপ্নবিভোৰ বিপ্লৱীও। মানুহৰ মুক্তিৰ পয়গম্বৰ তেওঁ। শ্বেলীৰ বৈপ্লৱিক চিন্তা ধাৰাৰ স্বাক্ষৰ বহন কৰিছে Queen Mab The Revolt of Islam Ode to Naples, Ode to

Liberty আদি কেইটিমান কবিতাত। গডউইনৰ প্ৰভাৱ শ্যেলীৰ কেইবাটাও কবিতাত অনুভূত হয়। গডউইনৰ দৰে তেওঁৰে বিশ্বাস কৰিছিল যে বিশ্বৰ সকলো ঘটনা এক অন্ধ শক্তিৰ দ্বাৰাই পৰিচালিত। অন্ধ শক্তিৰ উৎপীড়নৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাটোৱেই মানুহৰ পালনীয় কৰ্তব্য। এই বিশ্বাস মনত সোমোৱাৰে পৰা তেওঁৰ মনত বৈপ্লৱিক চিন্তাধাৰাও গভীৰতৰ হ'বলৈ ধৰে।

Queen Mab নামৰ কবিতাটোত শ্যেলীয়ে ৰাজনীতিজ্ঞ, যাজক যোদ্ধা আদি সকলোকে গৰিহণা দিছে। দৰিদ্ৰলোকৰ অৱস্থা দেখি কবি ক্ষুব্ধ হৈ পৰিছে। দৰিদ্ৰ সকল হ'ল এনেবোৰ লোক—

Whose life is misery and fear and care
Whom the morn wakens to fruitless toil

এইসকল লোককেই ধনী আৰু শাসকসকলে তেওঁলোকৰ নিজৰ ক্ষমতা আৰু সমৃদ্ধিৰ কাৰণে শোষণ কৰে। এই কবিতাটো বহুৱা শ্ৰেণীৰ মাজত বৰ জনপ্ৰিয় হৈ উঠিছিল। বৈপ্লৱিক দৃষ্টিভংগীৰ জৰিয়তে মানৱতাবাদী ভাৱধাৰা প্ৰকাশ কৰা শ্যেলীৰ আন এটি কবিতা হ'ল The Revolt of Islam এই কবিতাটোৰ বিষয়বস্তু হ'ল শাসন-বন্ধনৰ পৰা মানৱজাতিৰ মুক্তি কামনা। বিপ্লৱৰ কবি হিচাপে শ্যেলীয়ে বিশেষ একোটি বৈপ্লৱিক ঘটনাক উপলক্ষ্য কৰি দুই এটি কবিতা লিখিছিল। এই সংক্ৰান্তত Ode to Naples আৰু Ode to Liberty নামৰ কবিতা দুটিলৈ আঙুলিয়াব পাৰি। ইয়াৰ প্ৰথমটো তেওঁ ৰচিছিল নেপল্‌ছত স্বৈৰাচাৰী শাসনৰ ওৰ পেলাই নিয়মতান্ত্ৰিক চৰকাৰ গঠনক উপলক্ষ্য কৰি আৰু দ্বিতীয়টো ৰচিছিল স্পেনীয় বিপ্লৱৰ জয়গান গায়। শ্যেলীয়ে তেওঁৰ গীতিনাট্য Prometheus Unbound আৰু Hellas অৰ জৰিয়তেও অত্যাচাৰিত নিষ্পেষিত আৰু পদদলিত জনৰ মুক্তি আৰু কল্যাণ কামনা কৰি তেওঁৰ বৈপ্লৱিক চিন্তাধাৰাৰ পৰিচয় দিছে। এই গোটেইবোৰ কবিতাৰ জৰিয়তে শ্যেলীয়ে মানৱতাবাদ স্পষ্ট ৰূপত আমাৰ আগত প্ৰতিভাত হৈছে।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত কীট্‌ছৰ কবিতাতে বাস্তৱ জীৱনৰ চিত্ৰ খুব কম। সমালোচকসকলে তেওঁক মানৱতাবাদী বুলি নকৈ পলায়নবাদী আখ্যাহে দিছে। তেওঁ যেন বাস্তৱ সমাজৰ প্ৰভাৱ মুক্ত এখন আদৰ্শ জগতহে সৃষ্টি কৰিব বিচাৰিছিল। অধ্যাপক ব্ৰুকে (S A Brooke) কীট্‌ছক পলায়নবাদী বুলি আখ্যা দি তেওঁৰ যুক্তি দাঙি ধৰি কৈছে যে তেওঁৰ যুগৰ সকলোবোৰ কবিয়েই সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ দ্বাৰা প্ৰভাৱিত হৈছিল। নতুন ধ্যান ধাৰণাই ফৰাচী বিদ্ৰোহত আত্ম-

প্ৰকাশ কৰিছিল। এটা সময়ত ওৱাৰ্ডছৱাৰ্থ আৰু কোলেৰিজে ফৰাচী বিদ্ৰোহক সমৰ্থন জনাইছিল। কিন্তু এই বিদ্ৰোহৰ আদৰ্শই কীট্‌ছক অনুপ্ৰাণিত কৰিব পৰা নাছিল। তেওঁ কতো সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ জয়গান গোৱা নাই। যি বৈপ্লৱিক আদৰ্শই শেলী বায়ৰণ আদিৰ অন্তৰ উতলা কৰি তুলিছিল তেনেকুৱা ভাবাবেগবো কীট্‌ছ কেতিয়াও বশৱৰ্ত্তী হোৱা নাছিল। তেওঁৰ কবিতাত কতো মানুহৰ জীৱন মৰণৰ সমস্যাৰ কথা উত্তেজনা হৈ-চৈ কোলাহল আদিৰ কথা নাইবা মানৱজাতিৰ সোণালী ভৱিষ্যতৰ কথাবো উল্লেখ নাই। আন আন ৰোমাণ্টিক কবিৰ কবিতাত আমি পাওঁ মানুহৰ ভৱিষ্যত সুখ দুখ অধিকাৰ কৰ্ত্তব্য বা আশা-আকাঙ্ক্ষা আদিৰ কথা। কিন্তু এইবোৰ বিষয়ত কীট্‌ছ আছিল একেবাৰে নিমাত। বৰ্তমান সমাজৰ প্ৰতি সমূহীয়াকৈ মানৱজাতিৰ প্ৰতি ৰাজনৈতিক আন্দোলনৰ প্ৰতি বা নতুন চিন্তাচৰ্চাৰ প্ৰতি তেওঁৰ কোনো আকৰ্ষণ নাই। দেশৰ শিক্ষা দীক্ষা ধৰ্মীয় সমস্যা মানুহৰ মাজৰ শ্ৰেণীবিভাগ নাইবা মানুহৰ প্ৰতি মানুহৰ কৰ্ত্তব্যৰ কথাও তেওঁৰ কবিতাত নাই। তেওঁৰ কবিতাত আছে কেৱল সৌন্দৰ্য্যবহে কথা। সেই কাৰণে অধ্যাপক ব্ৰুকে মন্তব্য কৰিছে যে "Keats was so pre-occupied with beauty that he turned a blind eye to the actualities of life around him অৰ্থাৎ কীট্‌ছৰ চিত্ত সৌন্দৰ্য্যতে এনেদৰে নিবিষ্ট হৈ আছিল যে তেওঁ চাৰিওফালৰ বাস্তৱ জগতখনৰ প্ৰতি দৃষ্টি নিক্ষেপেই নকৰিছিল।

অধ্যাপক ব্ৰুকৰ এই মন্তব্য সম্পূৰ্ণৰূপে মানি লোৱাটো টান। ইয়াক প্ৰতিপন্ন কৰিব পাৰি কীট্‌ছৰ কাব্য-জীৱনৰ আদিছোৱাৰ কবিতাসমূহ পঢ়িহে। পিছত কিন্তু কবিৰ মনোভঙ্গীৰ কিছু পৰিৱৰ্ত্তন ঘটে। তেওঁ উপলব্ধি কৰিলে যে সৌন্দৰ্য্যসৃষ্টিতে নিমজ্জিত হৈ থকাটো কবিৰ একমাত্ৰ কাম হ ব নোৱাৰে। মানুহৰ সুখ-দুখ আশা আকাঙ্ক্ষায়ো কবিতাত ঠাই পোৱা উচিত। সেই কাৰণে শেষত তেওঁ এনে এখন সমাজ আঁকোৱালি ললে যিখনত তেওঁ মানুহৰ সুখ-দুখৰ ভাগী হ ব পাৰে। কীট্‌ছে তেওঁৰ Sleep and poetry নামৰ কবিতাটোৰ এই কথাষাৰ স্পষ্টভাৱে কৈছে—

Yes I must pass them for a nobler life
Where I may find the agonics, the strife,
Of human hearts

কবিতাৰ উদ্দেশ্য সম্বন্ধেও কবিৰ দৃষ্টিভঙ্গীৰ পৰিৱৰ্ত্তন ঘটিল। তেওঁৰ মতে কবিতা—

Should be a friend
To sooth the cares and lift the
thoughts of men

(Sleep and Poetry)

কীটছক পলায়নবাদী বুলি তোলা অভিযোগটো অধ্যাপক গেৰডে (Garrod) মানি লোৱা নাই। তেওঁৰ মতে যুগৰ ভাৱধাৰাৰ অভিব্যক্তি কীটছৰ কবিতাতো আছে। তেওঁৰ যুক্তিৰ সমৰ্থনত Hyperion ; A vision নামৰ কবিতাটোলৈ তেওঁ আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁৰ মতে যুব-দেৱতাসকলৰ বিদ্ৰোহতো আছে বৈপ্লৱিক চেতনা। এই কবিতাটো আছে অত্যাচাৰ অন্যায় আদিৰ বিৰুদ্ধে সংগ্ৰামৰ ছবি। ইয়াৰ বাহিৰেও The Eve of st Aques Ode to Psyche Ode to a Nightingale আদি কেইটিমান প্ৰখ্যাত কবিতা আছে য ত কীট্‌ছে মানৱ জীৱনৰ দুখ কষ্টৰ প্ৰতি সচেতনতা প্ৰকাশ কৰিছে।

ৰোমাণ্টিক যুগৰ যিজন কবি সমসাময়িক মানৱ জীৱন সম্বন্ধে আটাইতকৈ বেছি কৌতুহলী আছিল তেওঁ হ ল বায়ৰণ। শ্বেলীৰ দৰে বায়ৰণৰ বৈপ্লৱিক দৃষ্টিভংগীতে ফুটি উঠিছে তেওঁৰ মানৱতাবাদ। মানৱৰ কল্যাণ কামনা আছিল তেওঁৰ লক্ষ্য। স্বাধীনতাপ্ৰিয়তা আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি ঘৃণা—এই দুয়োটা বৈশিষ্টাই তেওঁৰ কবিতাত সুন্দৰকৈ ফুটি উঠিছে। সকলো ধৰণৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তেওঁ হাতত তুলি লৈছে ব্যঙ্গবাণ। বায়ৰণে বিশ্বাস কৰিছিল যে মানুহৰ ব্যক্তিত্ব বিকাশৰ ডাঙৰ অন্তৰায় হ ল ৰজা মহাৰজা শাসক যাজক ধৰ্মপ্ৰচাৰক আদি। প্ৰচলিত ধৰ্ম আৰু নৈতিকতাৰ তেওঁ আছিল ঘোৰ বিৰোধী। Cain নামৰ নাটকখনত তেওঁ সকলো ধৰণৰ কৰ্তৃত্ব আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। বায়ৰণৰ দৃষ্টিত মানৱজাতিৰ ধাৰণাটো ঠেক অৰ্থত লোৱা নাই। গোটেই বিশ্বৰ মানৱজাতিৰ মাজত ভ্ৰাতৃত্ববোধৰ প্ৰয়োজনীয়তাই তেওঁৰ কবিতাৰ মাজেৰে অভিব্যক্তি লাভ কৰিছে। বায়ৰণ আছিল বিশ্বৰ নাগৰিক। বহুতো সমালোচকৰ মতে বায়ৰণৰ হাতুতেই ইংৰাজী কবিতাই ইউৰোপীয় কবিতাৰ মৰ্য্যাদা লাভ কৰে।

বায়ৰণৰ দৃষ্টিত স্বাধীনতা হ ল ব্যক্তিগত স্বাধীনতা আৰু জাতীয় স্বাধীনতা দুয়োবিধেই। পদদলিত আৰু নিষ্পেষিত লোকৰ স্বাধীনতা শাসক শোষক শ্ৰেণীৰ পৰা মুক্তি আৰু জাতীয় স্বাধীনতা হ ল বহিঃশত্ৰুৰ কৱলৰ পৰা মুক্তিলাভ। গ্ৰীছৰ স্বাধীনতা ৰণত তেওঁ নিজেই অংশগ্ৰহণ কৰিছিল। জনসাধাৰণৰ সাফল্যত তেওঁৰ আছিল গভীৰ আস্থা আৰু সেইকাৰণে এঠাইত তেওঁ কৈছিল—"Blood will be

shed lıke water and tears lıke mıst but people wıll eonquer ın the end

উপৰোক্ত প্ৰধান কবি কেইজনৰ বাহিৰে আনকেইজনমান দ্বিতীয় শ্ৰেণীৰ কবিৰ ৰচনাতো মানৱজীৱনৰ বিভিন্ন দিশৰ চিত্ৰ অঙ্কিত হোৱা দেখা যায়। স্কটৰ কবিতাত আছে বীৰোচিত আদৰ্শৰ লগত সামঞ্জস্য ৰাখি মধ্যযুগৰ প্ৰাত্যহিক বাস্তৱ জীৱনৰ উপভোগ্য বৰ্ণনা। স্কটৰ জীৱনাদৰ্শ মধ্যযুগৰ প্ৰভাৱৰ দ্বাৰা নিয়ন্ত্ৰিত। জৰ্জ ক্ৰেব (George Crabbe) নামৰ আন এজন কবিয়ে তেওঁৰ কবিতাত গাঁৱলীয়া জীৱনৰ বাস্তৱ ছবি অঙ্কিত কৰিছে। ওৱাৰ্ডছৱাৰ্থৰ দৰে তেৱে শ্ৰমজীৱি লোকৰ জীৱন যাত্ৰাৰ ছবি আঁকিছে কিন্তু তেওঁলোকৰ জীৱনত ওৱাৰ্ডছৱাৰ্থে কৰাৰ দৰে কোনো আদৰ্শবাদৰ মহিমা আৰোপ কৰা নাই।

চতুৰ্দশ অধ্যায়

ৰোমাণ্টিক কবিতাত মধ্যযুগীয় পৰিৱেশ

ইংৰাজী ৰোমাণ্টিক কবিতাত মধ্যযুগীয় পৰিৱেশ আলোচনা কৰিবলৈ লোৱাৰ আগতে ইউৰোপীয় বুৰঞ্জীত মধ্যযুগ কোনটো আৰু ইয়াৰ পৰিৱেশ অৰ্থাৎ ইয়াৰ সামাজিক ৰাজনৈতিক ধৰ্মীয় অৰ্থনৈতিক সাংস্কৃতিক আৰু বৌদ্ধিক অৱস্থা কেনেকুৱা ধৰণৰ আছিল তাৰ চমু আলোচনা এটি আগবঢ়োৱা প্ৰয়োজন। ইউৰোপৰ বুৰঞ্জীত মধ্যযুগ বুলি কলে আমি সাধাৰণতে ৰোমান সাম্ৰাজ্য পতনৰ পৰা আৰম্ভ কৰি নৱ জাগৰণলৈ এই কালছোৱাকে বুজো। এই কালছোৱাৰ বিস্তৃতি সম্পৰ্কে কেইটিমান মতামত আমি তলত উল্লেখ কৰিলোঁ।

The Concise Oxford Dictionary of English Literature-অত মধ্যযুগৰ বিস্তৃতি সম্পৰ্কে উল্লেখ কৰি ইয়াক "the period of time from the Roman decadence (5th cent A D) to the Renaissance (about 1500) বুলি কৈছে। তাৰ পিছত ইয়াৰ আকৌ অলপ ব্যাখ্যা দি কৈছে যে the term is no longer used in a pejorative sense and may include only the 11th—15th cents the earlier period being called the Dark Ages এই পুথিখনত উল্লেখ কৰা মতে ৰোমান সাম্ৰাজ্যৰ পতনৰ পৰা আৰম্ভ কৰি নৱজাগৰণৰ সময়লৈকে এই কালছোৱাই হ'ল মধ্যযুগ। এই কালছোৱাই পঞ্চম শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে সামৰিছে। মধ্যযুগ শব্দটো এতিয়া কোনো নিন্দাসূচক বা অৱজ্ঞাসূচক অৰ্থত ব্যৱহাৰ কৰা নহয় আৰু কেৱল একাদশ শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে এই কালছোৱা সামৰে। ইয়াৰ আগৰ কালছোৱাক অন্ধকাৰ যুগ আখ্যা দিয়া হয়। এই একেখন পুথিতে উল্লেখ কৰিছে যে ইংৰাজী ভাষা সাহিত্যত মধ্যযুগ বুলি কলে আমি দ্বাদশ শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভাষা সাহিত্যকে বুজো।।

অক্সফোৰ্ড অভিধানত উল্লেখ কৰা মতে মধ্যযুগ হ ল "the period intermediate b tween ancient and modern times in earlier us Commonly taken as extending from c 500 to c 1500 now used without precise definition but most frequently with reference to the four centuries after A D 1000 এই অভিধানখনৰ মতে প্ৰাচীন আৰু আধুনিক কালৰ মাজৰ খণ্ডই হ ল মধ্যযুগ। আগতে এই কালছোৱাৰ বিস্তৃতি ধৰিলোৱা হৈছিল প্ৰায়

৫ চনৰ পৰা ১৫ চনলৈকে। এতিয়া কিন্তু এই কালছোৱাক অনেকে কোনো ধৰাবন্ধা সংজ্ঞা বা চন তাৰিখৰ মাজত আবদ্ধ কৰা কথা নহয়। সচৰাচৰ ১ চনৰ পিছৰ চাৰিটা শতাব্দীকে মধ্যযুগ আখ্যা দিয়া হয়।

ওৱেবষ্টাৰৰ অভিধানতো প্ৰায় একে কথাকেই কৈছে। ইয়াত মধ্যযুগৰ আখ্যা দিছে "the period of European history between ancient and modern times C 500 A D—1450 A D" প্ৰাচীন আৰু আধুনিক যুগৰ মাজৰ কাল ছোৱাই হ'ল মধ্যযুগ। ইয়াৰ বিস্তৃতি মোটামুটিকৈ ৫ চনৰ পৰা ১৪৫ চনৰ ভিতৰত ধৰা হয়।

আন এখন বিখ্যাত অভিধান The Random House Dictionary of the English Language অত মধ্যযুগ সম্পৰ্কে লিখিছে এইদৰে—"the time in European history between classical antiquity and the Italian Renaissance (from the late fifth century A.D to about 1350) sometimes restricted to the later part of this period (after 1100) and sometimes extended to 1450 or 1500 প্ৰাচীন কাল আৰু ইটালীয় নৱজাগৰণৰ মাজৰ কালছোৱাই হ ল ইউৰোপৰ বুৰঞ্জীত মধ্যযুগ। এই কালছোৱা পঞ্চম শতিকাৰ শেষৰ পৰা প্ৰায় ১৩৫ চন মানলৈকে ধৰা হয়। কেতিয়াবা আকৌ এই কালছোৱাৰ শেষৰ কালটো অৰ্থাৎ ১১ চন মানৰ পিছৰ খিনিকহে মধ্যযুগ বুলি কোৱা হয়। কেতিয়াবা আকৌ মধ্যযুগৰ বিস্তৃতি ১৪৫ চন বা ১৫ চন মানলৈকে ধৰা হয়।

মধ্যযুগৰ বিস্তৃতি সম্বন্ধে এটি মোটামুটি সিদ্ধান্তত উপনীত হোৱাৰ কাৰণে আন কেইখনমান পুথিৰ মতামতো ইয়াত উল্লেখ কৰা ভাল হ ব বুলি আমাৰ ধাৰণা হয়। The New Columbia Encyclopaedia ত কোৱা হৈছে যে মধ্যযুগ হ ল "period in Western European history that followed the disintegration of the West Roman Empire in the 4th and 5th centuries and lasted into the 15th century i e into the period of the Renaissance. অৰ্থাৎ চতুৰ্থ আৰু পঞ্চম শতিকাত ৰোমান সাম্ৰাজ্যৰ যি ভাঙোন আৰম্ভ হ ল তাৰ পিছৰে পৰা পঞ্চদশ শতিকা অৰ্থাৎ নৱজাগৰণৰ সময়লৈকে এই কালছোৱাকে ইউৰোপীয় বুৰঞ্জীত মধ্যযুগ বুলি কোৱা হয়। ইয়াৰ পিছত পুথিখনত আন এটি প্ৰয়োজনীয় কথা যোগ দিছে এইদৰে—"The transitions were gradual and the exact dates for the demarcation of the Middle Ages are misleading. Although the entir e

Middle Ages period was once called the Dark Ages, medieval civilization is no longer thought to have been so dim and the term "Dark Ages if used at all usually refers to the period before c.1000" ইয়াত কোৱা হৈছে যে ৰোমান সাম্ৰাজ্যৰ পতনৰ পিছত ইউৰোপৰ বুৰঞ্জীত যি সামাজিক সাংস্কৃতিক বা বৌদ্ধিক পৰিবৰ্তনে দেখা দিয়ে সেই পৰিবৰ্তন অকস্মাৎ বা হঠাৎ হোৱা পৰিবৰ্তন নহয় এই পৰিবৰ্তন লাহে লাহে দেখা দিছে। মধ্যযুগৰ আৰম্ভণিৰ এটি নিৰ্দিষ্ট সীমাৰেখা টনাটো বিভ্ৰান্তিকৰ। এটা সময়ত গোটেই মধ্যযুগটো কেই অন্ধকাৰৰ যুগ বুলি কোৱা হৈছিল এই যুগত যেন মানুহ অজ্ঞান-অন্ধকাৰত ডুব গৈ আছিল। আজিকালি অৱশ্যে মধ্যযুগীয় সভ্যতা সম্বন্ধে এনেকুৱা ধাৰণা পোষণ কৰা নহয়। কোনো যুগক যদি একান্তই অন্ধকাৰ যুগ বুলি আখ্যা দিব লগা হয় তেতিয়াহলে আমি দশম শতিকাকে ধৰি ইয়াৰ আগৰ কালছোৱাকে আঙুলিয়াব লাগিব।

The University Desk Encyclopaedia স্থ দিয়া মতেও মধ্যযুগ হ'ল "the period in Western European history between the fall of the Roman Empire and the dawn of the Renaissance—roughly the 5th to the 15th centuries A.D ইয়াতো কোৱা হৈছে যে ৰোমান সাম্ৰাজ্যৰ পতনৰ পৰা আৰম্ভ কৰি নৱজাগৰণৰ সময়লৈকে এই কালছোৱাই হ'ল ইউৰোপীয় বুৰঞ্জীত মধ্যযুগ মোটামুটিকৈ পঞ্চম শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে এই সময়ছোৱা। অন্ধকাৰ যুগৰ প্ৰসঙ্গত ইয়াত উল্লেখ কৰা হৈছে এইবুলি—"The centuries preceding the eleventh century are aften called the Dark Ages অৰ্থাৎ একাদশ শতিকাৰ আগৰ কালছোৱাই হ'ল অন্ধকাৰৰ যুগ। পঞ্চম শতিকাত ৰোমান সাম্ৰাজ্যৰ পশ্চিম দিশত ভাঙোন আৰম্ভ হয় বেপাৰ-বাণিজ্যৰ অৱনতি ঘটে নগৰবোৰৰ আকৃতি সৰু হবলৈ ধৰে আইন আৰু শৃঙ্খলাৰ অৱনতি ঘটে। দশম শতিকাত সমস্ত ইউৰোপ কিছুমান সৰু সৰু ৰাজ্যলৈ ৰূপান্তৰিত হয় আৰু মানুহৰ আৰ্থিক অৱস্থা দুৰ্বল হৈ পৰে।

The Encyclopaedia Americana তো মধ্যযুগক "the period of European history between ancient and modern times. বুলি কৈছে। গতিকে মধ্যযুগ হ'ল প্ৰাচীন যুগ আৰু আধুনিক যুগৰ মাজৰ কালছোৱা। ইয়াৰ অলপ ব্যাখ্যা দাঙি ধৰি বিশ্বকোষখনে উল্লেখ কৰিছে—"Although the period cannot be precisely dated, the fall of the Western Roman Empire (476 A D) is after used as a starting point. The first centuries of the Middle

Ages are sometimes called the Dark Ages. The whole period is now divided into early medieval history extending to about 1000 and late medieval history from 1000 to about 1450 or 1500" ইয়াত উল্লেখ কৰা হৈছে যে যদিও এই কালছোৱাক কোনো নিৰ্দিষ্ট চন-তাৰিখৰ সীমাৰেখাৰে বান্ধি ৰাখিব নোৱাৰি তথাপিও ৰোমান সাম্ৰাজ্যৰ পতনৰ সময়কেই অৰ্থাৎ পঞ্চম শতিকাৰ শেষছোৱাকে এই যুগটোৰ আৰম্ভণি বুলি ধৰি লোৱা হয়। মধ্যযুগৰ প্ৰাৰম্ভিক কেইটামান শতিকাক আকৌ অন্ধকাৰৰ যুগ আখ্যা দিয়া হৈছিল। এতিয়া আমি সাধাৰণতে যুগটোক দুটা ভাগত ভাগ কৰো। ইয়াৰ প্ৰথম ভাগটো হ'ল আৰম্ভণিৰ পৰা দশম শতিকাৰ শেষলৈকে (১) ইয়াৰ নাম দিয়া হৈছে প্ৰাৰম্ভিক মধ্যযুগ। একাদশ শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে (১ —১৫) এই দ্বিতীয়াৰ্দ্ধৰ নাম দিয়া হৈছে অন্ত্য মধ্যযুগ।

Encyclopaedia Britannica তো মধ্যযুগৰ আৰম্ভণি আৰু অন্তৰ নিৰ্দিষ্ট চন তাৰিখ দিয়াৰ অসুবিধাৰ কথা উল্লেখ কৰিছে— Historical studies have differed and will continue to differ about the dates when this period should begin and end ঐতিহাসিক অধ্যয়ন সদায় বেলেগ বেলেগ হোৱা কাৰণে এই যুগটোৰ আদি অন্তৰ চন তাৰিখ সম্পৰ্কে ঐক্যমতত উপনীত হোৱা সম্ভৱ নহয়। এই যুগটোৰ আৰম্ভণি কেতিয়াৰ পৰা ধৰা হ'ব তাৰ অসুবিধা আলোচনা কৰি কৈছে— "It is impossible to fix any date for tastes differ and the date 250 or 410 or 476 has only a dogmatic significance in the minds of various historians ইয়াত কোৱা হৈছে যে নিৰ্দিষ্ট চন তাৰিখ দিয়াটো বহুতো ঐতিহাসিক পণ্ডিতে মতান্ধ দৃষ্টিভঙ্গী বুলি কব খোজে। নিৰ্দিষ্ট চন তাৰিখৰ উল্লেখ নকৰিলেও মধ্যযুগৰ আৰম্ভণি সম্পৰ্কে এই বিশ্বকোষতো আনবোৰৰ দৰে মানি লোৱা হৈছে যে "the middle ages are the period in the history of European people and especially of the western peoples science the down fall of the Roman Empire গতিকে ৰোমান সাম্ৰাজ্যৰ পতনৰ পিছতেই মধ্যযুগৰ আৰম্ভণি বুলি আমি ধৰিব পাৰো। কিন্তু আৰম্ভণি সম্পৰ্কে এটা মোটামুটি সিদ্ধান্তত উপনীত হ'লেও অন্ত সম্পৰ্কে এনেকুৱা সিদ্ধান্ত উপনীত হোৱাটো কঠিন—"It is still more impossible to fix any date as marking the end of the middle ages" বহুতে কব বিচাৰে যে ১৪৫৩ চনত কনষ্টাণ্টিনোপল মুছলমানৰ হাতত পৰাৰ লগে লগে পশ্চিমীয়া দেশবোৰৰ চিন্তাজগতত এক আমূল পৰিবৰ্তন ঘটে। এনেই নৱজাগৰণ বা

আধুনিক যুগৰ পাতনি আৰু মধ্যযুগৰ সমাপ্তি। কিন্তু ৰেনেছাঁ (নৱজাগৰণ) আন্দোলনৰো কোনো সুস্পষ্ট আদি-অন্ত ধৰিব নোৱাৰি—"It had no obvious beginning and has had no end" গতিকে এইবোৰ অসুবিধালৈ লক্ষ্য ৰাখি মধ্যযুগৰ অন্ত হিচাপে ইয়াত দাঙি ধৰা মতামত হ'ল এই—"We may define the end of the middle ages as the point reached in different ways and at different times at which the spirit of the Renaissance was victorious in political social and artistic life" ইয়াত কোৱা হৈছে যে যিটো সময়ত নৱজাগৰণৰ ভাৱধাৰাই ইউৰোপীয় লোকৰ ৰাজনৈতিক সামাজিক আৰু শৈল্পিক জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে সেইটোৱেই হ'ল মধ্যযুগৰ অন্ত্যকাল। কিন্তু ইয়াতো এটা কথা মন কৰিব লাগিব যে মধ্যযুগীয় ধ্যান ধাৰণা আৰু অনুষ্ঠানৰ প্ৰভাৱ বহুত পিছলৈকেও আছিল—"There has never been anywhere a complete breach with medieval institutions of modes of thoughts" বিশ্বকোষখনৰ এই আলোচনায়ো নৱজাগৰণৰ লগে লগেই মধ্যযুগৰো শেষ বুলি প্ৰকাৰান্তৰে মানি লৈছে।

মধ্যযুগৰ বিস্তৃতি সম্বন্ধে ওপৰত যিবোৰ মত দাঙি ধৰা হ'ল সেইবোৰৰ মাজত অমিল বৰ বিশেষ নাই। গতিকে এইবোৰৰ ভিত্তিত আমি মধ্যযুগৰ বিস্তৃতি সম্পৰ্কে কেইটামান মোটামুটি সিদ্ধান্তত উপনীত হ'ব পাৰো। সেইবোৰ হ'ল (১) প্ৰাচীন কাল আৰু আধুনিক কালৰ মাজৰ কালছোৱাই হ'ল মধ্যযুগ (২) ৰোমান সাম্ৰাজ্যৰ পতনেই প্ৰাচীন কালৰ অৱসানসূচক আৰু ৰেনেছাঁ বা নৱজাগৰণেই আধুনিক যুগৰ পত্তন। গতিকে ৰোমান সাম্ৰাজ্যৰ পতনৰ কালৰ পৰা আৰম্ভ কৰি নৱজাগৰণলৈকেই এই কালছোৱাই হ'ল মধ্যযুগ (৩) ৰোমান সাম্ৰাজ্যৰ পতন হয় পঞ্চম শতিকাৰ শেষৰ ফালে আৰু নৱজাগৰণৰ আৰম্ভ হ'ল পঞ্চদশ শতিকাত। গতিকে পঞ্চম শতিকাৰ শেষৰ পৰা আৰম্ভ কৰি পঞ্চদশ শতিকালৈকে এই এহাজাৰ বছৰেই হ'ল মধ্যযুগ; (৪) এই এহাজাৰ বছৰক আকৌ দুই ভাগত ভগোৱা হয়। পঞ্চম শতিকাৰ পৰা দশম শতিকালৈকে এই কালছোৱাক কোৱা হৈছে আদি মধ্যযুগ আৰু ইয়াৰ পিছৰ খিনিক কোৱা হৈছে অন্ত্য মধ্যযুগ (৫) আদি মধ্যযুগক অন্ধকাৰৰ যুগ আখ্যা দিয়া কাৰণে, একাদশ শতিকাৰ পৰা পঞ্চদশ শতিকালৈ এই পাঁচশ বছৰকে প্ৰকৃত অৰ্থত মধ্যযুগ আখ্যা দিয়া হয়। ইংৰাজী ভাষা সাহিত্যৰ বুৰঞ্জীতো এই কালছোৱাক মধ্যযুগ আখ্যা দিয়া হৈছে। সেই কাৰণে আমি এই কালছোৱাকে মধ্যযুগ বুলি গ্ৰহণ কৰিলোঁ।

একাদশ শতিকাৰ পৰা আৰম্ভ কৰি পঞ্চদশ শতিকালৈকে ইংলণ্ডৰ এই পাঁচশ বছৰীয়া ৰাজনৈতিক বুৰঞ্জী অতি ঘটনাবহুল। মধ্যযুগৰ প্ৰকৃত ৰাজনৈতিক বুৰঞ্জী আৰম্ভ হয় উইলিয়াম দি কংকাৰৰ (William the Conqueror) ৰাজত্বকালৰ পৰা। উইলিয়াম আছিল ফ্ৰান্সৰ নৰ্মাণ্ডি নামৰ প্ৰদেশখনৰ ডিউক। ইংলণ্ডৰ সিংহাসন দাবী কৰি তেওঁ ১০৬৬ খৃষ্টাব্দত ইংলণ্ড আক্ৰমণ কৰে আৰু হেষ্টিংছৰ যুদ্ধত ৰজা হেৰল্ডক পৰাজিত কৰি ৰাজসিংহাসন লাভ কৰে। নৰ্মানসকলৰ এই ইংলণ্ড বিজয় ইংৰাজসকলৰ জাতীয় ইতিহাসত এটি স্মৰণীয় ঘটনা কাৰণ ইয়ে ইংলণ্ডৰ সামাজিক আৰু ৰাজনৈতিক বুৰঞ্জীত বহুতো পৰিবৰ্তনৰ সূচনা কৰে। নৰ্মানসকল আছিল সুদক্ষ প্ৰশাসক আৰু সংগঠক। তেওঁলোকৰ শক্তিশালী প্ৰশাসনৰ ফলত ৰাজনৈতিক বিশৃংখলাৰ মাজত থকা ইংলণ্ডলৈ ৰাজনৈতিক স্থিৰতা ঘূৰি আহে। তেওঁলোকে এক শক্তিশালী কেন্দ্ৰীভূত চৰকাৰ প্ৰতিষ্ঠা কৰে। শক্তিশালী আৰু উদণ্ড বেৰনসকলৰ ক্ষমতা হ্ৰাস কৰে। সামন্ত প্ৰথাৰ (feudal system) প্ৰবৰ্তন কৰি সামাজিক আৰু অৰ্থনৈতিক দিশতো তেওঁলোকে বহুতো পৰিবৰ্তন সাধন কৰে। ইংলণ্ডৰ বিভিন্ন ঠাইত নতুন নতুন নগৰ গঢ়ি উঠে আৰু সেইবোৰত ব্যৱসায় বাণিজ্য চলোৱাৰ কাৰণে ফ্ৰান্সৰ পৰা বহুতো ইহুদী লোকৰ আগমন ঘটে। লণ্ডন নগৰখন ব্যৱসায় বাণিজ্যৰ প্ৰধান কেন্দ্ৰ হৈ উঠে। কিন্তু এই নৰ্মান ৰজাসকলৰ দিনত সাধাৰণ খেতিয়ক সকলে বহুতো ক্ষতিৰ সন্মুখীন হ'বলগীয়া হয়। খৃষ্টানধৰ্মৰ প্ৰভাৱো এই নৰ্মান ৰজাসকলৰ দিনৰ পৰা গভীৰতৰ হৈ পৰে। ধৰ্মযাজকসকল ইমান শক্তিশালী হৈ পৰে যে শেষত ৰজা আৰু তেওঁলোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। তথাপিও এই কথা আমি স্বীকাৰ কৰিব লাগিব যে এই ধৰ্ম বিভাগৰ (Church) পৃষ্ঠপোষকতাত সাহিত্য কলা আৰু শিক্ষা দীক্ষাৰ ক্ষেত্ৰত বহুতো বিকাশ সাধিত হয়। এইদৰে দেখা যায় যে নৰ্মানসকলৰ ৰাজত্বকালত ইংলণ্ডবাসীৰ জাতীয় জীৱনত বহুতো পৰিবৰ্তন ঘটে।

ৰজা উইলিয়াম আছিল এজন সুদক্ষ প্ৰশাসক আৰু তেওঁ ৰাজ্য শাসন কৰিছিল এজন একছত্ৰী শাসনকৰ্তা ৰূপেই। তেওঁ দেখিলে যে ৰাজ্য সুচাৰুৰূপে শাসন কৰিবলৈ হ'লে ভূস্বামী বা বেৰণসকলৰ ক্ষমতা হ্ৰাস কৰিবই লাগিব। ইয়াৰ কাৰণে তেওঁ দুটা ব্যৱস্থা গ্ৰহণ কৰে। আগতে বেৰণৰ তলতীয়া ৰায়তবোৰ প্ৰত্যক্ষভাৱে ৰজাৰ কৰ্তৃত্বৰ তলতীয়া নাছিল। সেইকাৰণে বেৰণবোৰো একোজন ৰজাৰ দৰেই আছিল। ৰজা উইলিয়ামে এই তলতীয়া ৰায়তবোৰক চেলিছবেৰী নামৰ ঠাইত গোট খুৱাই শপত খুৱালে যে তেওঁলোকে প্ৰত্যক্ষভাৱে ৰজাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব। ইয়েই

হ'ল প্ৰখ্যাত Salisbury Oath ইয়াৰ ফলত বেৰণসকলৰ ক্ষমতা হ্ৰাস পালে। দ্বিতীয়তে ৰজা উইলিয়ামে তেওঁৰ ৰাজ্যৰ সকলো লোকৰ মাটি-বাৰী বা আন সকলো সম্পত্তিৰ হিচাপ লিপিবদ্ধ কৰি ৰখাৰ ব্যৱস্থা কৰিলে। সা সম্পত্তিৰ হিচাপ পঞ্জীভুক্ত কৰা এই পুথিখনৰ নাম হ'ল Doomsday Book ইয়াৰ ফলত বেৰণসকলে কৰ ফাঁকি দিব নোৱাৰা হ'ল। ইয়াৰ উপৰিও বেৰণসকলৰ ক্ষমতা হ্ৰাসৰ কাৰণে আন কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰে। তেওঁ ইংৰাজ ভা ভাঙৰীয়া সকলৰ মাটি বাৰী কাঢ়ি নি নৰ্মানসকলৰ মাজত ভগাই দিয়ে। কিন্তু তেওঁলোকৰ সম্পত্তিবোৰ একে ঠাইতে নিদি বেলেগ বেলেগ ঠাইত দিয়ে যাতে তেওঁলোকে ঐক্যবদ্ধভাৱে ৰজাৰ বিৰুদ্ধে থিয় দিব নোৱাৰে। বেৰণসকলৰ বিৰুদ্ধে এনেবোৰ ব্যৱস্থা লোৱাৰ ফলস্বৰূপে বহুতো বেৰণ বিদ্ৰোহী হৈ উঠে। কিন্তু উইলিয়ামে সকলো বিদ্ৰোহীকে দমন কৰে।

বিজেতা উইলিয়ামৰ পিছত ৰজা হয় তেওঁৰ পুতেক উইলিয়াম ৰুফু (William Rufus)। ৰজা হৈয়েই তেৰে। দেউতাকৰ দৰে বেৰণসকলৰ বিৰোধিতাৰ সন্মুখীন হ'ব লগা হয়। কিন্তু তেৰে। সকলো বিদ্ৰোহ দমন কৰে আৰু ৰজাই দেশৰ সকলো মাটিৰ মালিক বুলি ঘোষণা কৰে। বেৰণসকলৰ পৰা সকলো ধৰণৰ কৰ কাটল তেওঁ অতি কঠোৰভাৱে আদায় কৰিছিল। ১১ খৃষ্টাব্দত ৰজা ৰুফুৰ মৃত্যু হয়। ৰুফুৰ মৃত্যুৰ পিছত বিজেতা উইলিয়ামৰ কনিষ্ঠতম পুত্ৰই প্ৰথম হেনৰী নাম লৈ সিংহাসনত উঠে। হেনৰীয়ে কিন্তু সকলো শ্ৰেণীৰ প্ৰজাৰ সমৰ্থনৰ আশাত "অধিকাৰ চনদ (Char er of Liberties) এখন জাৰি কৰিলে। বেৰণসকলক সন্তুষ্ট কৰাৰ কাৰণে তেওঁলোকৰ পৰা কোনো ধৰণৰ কৰ কাটল অন্যায়ভাৱে আদায় নকৰে বুলি প্ৰতিশ্ৰুতি দিলে। বেৰণসকলেও তেওঁক প্ৰতিশ্ৰুতি দিলে যে তলতীয়া বায়তসকলক ৰজাই যেনেকুৱা ধৰণে আচৰণ কৰে তেওঁলোকেও তেনেকুৱা ধৰণে আচৰণ কৰিব। তথাপিও ৰবাৰ্ট নামৰ এজন নৰ্মান বেৰণে বিদ্ৰোহ ঘোষণা কৰিলে। হেনৰীয়ে তেওঁক পৰাজিত কৰি নিৰ্বাসন দণ্ড দিয়ে। তেওঁ অৱশ্যে আন আন বেৰণবো নিজৰ বিচাৰালয়বোৰৰ ক্ষমতা হ্ৰাস কৰে। প্ৰথম হেনৰীৰ মৃত্যুৰ পিছত বিজেতা উইলিয়ামৰ নাতিয়েক ষ্টিফেন কেইদিনমানৰ কাৰণে ৰজা হয়। ষ্টিফেনৰ মৃত্যুৰ পিছত প্ৰথম হেনৰীৰ নাতিয়েক হেনৰী দ্বিতীয় হেনৰী নাম লৈ সিংহাসনত উঠে। হেনৰী আছিল এজন অতি শক্তিশালী শাসক। বেৰণসকলক দমন কৰাত তেওঁ বিশেষ সাফল্য লাভ কৰে। গৃহযুদ্ধৰ সময়ত বেৰণসকলে ৰজাৰ কোনো অনুমতি নোলোৱাকৈ বহুত দুৰ্গ আৰু অট্টালিকা সাজিছিল। হেনৰীয়ে সেইবোৰ ভাঙি পেলায়। তেওঁ বেৰণসকলৰ পৰা সামৰিক সাহায্য লোৱাৰ সলনি স্কাটেজ (Scutage) নামৰ একপ্ৰকাৰ কৰ আদায়

কৰি তাবে সহায়ত নিজা ৰবীন্নাকৈ সামৰিক বাহিনী ৰখাৰ দিহা কৰে। ইয়াৰ ফলত বেৰণসকলৰ সামৰিক গুৰুত্ব একেবাৰেই নোহোৱা হৈ যায়। ইয়াৰ উপৰিও তেওঁ বেৰণসকলক চেৰিফ (Sheriffs) পদৰ পৰা আঁতৰ কৰে। হেনৰীৰ এনেবোৰ ব্যৱস্থাত বেৰণসকল ক্ষুব্ধ হৈ বিদ্ৰোহ ঘোষণা কৰে যদিও তেওঁলোক সফল হ ব নোৱাৰিলে।

ৰজা দ্বিতীয় হেনৰীৰ মৃত্যুৰ পিছত তেওঁৰ পুতেকে প্ৰথম বিচাৰ্ড নাম লৈ সিংহাসন আৰোহণ কৰে। এওঁৰ ৰাজত্বত প্ৰধান ঘটনা হ ল ক্ৰুছেড (Crusade) বা ধৰ্মযুদ্ধ সমূহ। একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ চলি থকা এই ধৰ্মযুদ্ধসমূহ মধ্যযুগীয় ইউৰোপীয় বুৰঞ্জীত এটি উল্লেখযোগ্য ঘটনা। এই ধৰ্মযুদ্ধবোৰ আৰম্ভ কৰা হৈছিল ইউৰোপৰ বিভিন্ন দেশৰ খৃষ্টান ৰাজকুমাৰ সকলৰ দ্বাৰা। উদ্দেশ্য আছিল খৃষ্টানসকলৰ পবিত্ৰ ভূমি জেৰুছালেমক মুছলমান সকলৰ দখলৰ পৰা মুক্ত কৰা। এই ধৰ্মযুদ্ধ মুঠতে আঠখন হৈছিল আৰু ইয়াৰ তৃতীয়খন ৰজা প্ৰথম বিচাৰ্ডে সংগঠিত কৰিছিল। কিন্তু তেওঁ সাফল্য লাভ কৰিব নোৱাৰিলে। জেৰুছালেম উদ্ধাৰ কৰিব নোৱাৰিলেও এই ক্ৰুছেডবোৰৰ ফলস্বৰূপেই খৃষ্টান ৰজাসকলৰ মাজত এটি আন্তৰ্জাতিক অনুষ্ঠানৰ অঙ্কুৰে দেখা দিলে। তদুপৰি এই ধৰ্মযুদ্ধবোৰৰ ফলস্বৰূপেই প্ৰাচ্যদেশ সমূহলৈ মানুহৰ অহা যোৱাৰ বাট মুকলি হ ল। ভূমধ্যসাগৰৰ পাৰৰ নগৰবোৰ প্ৰাচ্যৰ লগত বেহা বেপাৰৰ সুবিধাৰ কাৰণে সমৃদ্ধিশালী হৈ পৰিল। নতুন কথা জনাৰ বা নেদেখা ঠাই দেখাৰ ঔৎসুক্য মানুহৰ বাঢ়ি গ ল। এই ঔৎসুক্যৰ ফলস্বৰূপেই শেষত কলম্বাছ ভাস্কো ডা গামা আদিৰ ভৌগোলিক আৱিষ্কাৰ সমূহ সম্ভৱ হৈ পৰিল। মাৰ্কোপলোৰ দৰে পৰিব্ৰাজক চীন দেশত ১৭ বছৰ কটাব পাৰিলে। জ্ঞান বিজ্ঞানৰ চৰ্চা বা বৌদ্ধিক বিকাশৰ মূলতে প্ৰাচ্যৰ লগত সংস্পৰ্শ বুলি বহুতে মত প্ৰকাশ কৰা দেখা যায়। এজনৰ মতে The World of Dante and Chaucer would never have come into existence if barbarous Europe remained aloof from the East বেহা বেপাৰ আৰু অহা যোৱাৰ সুচল হোৱা বাবে ই লণ্ডতো বহুতো নতুন নগৰ গঢ়ি উঠিল।

প্ৰথম বিচাৰ্ডৰ মৃত্যুৰ পিছত তেওঁৰ ভায়েক জন (King John) ৰজা হয়। জনে তেওঁ ৰাজত্বকালত কোনো দিশতে সাফল্য লাভ কৰিব নোৱাৰিলে। ফ্ৰান্সৰ ৰজা দ্বিতীয় ফিলিপৰ লগত কাজিয়া কৰি তাত থকা সকলো সা সম্পত্তি হেৰুৱালে। পোপৰ লগত কাজিয়া কৰি তেওঁ নিজে সমাজচ্যুত হ ব লগা হ ল। বেৰণসকলৰ লগত কাজিয়া কৰি তেওঁ তেওঁলোকৰ দাবী চনদ বা Magna Carta-ত চহী

কৰিবলগীয়া হ'ল। ইয়াৰ ফলস্বৰূপে ধৰ্মযাজক আৰু বেৰণসকলে তেওঁলোকৰ হেৰোৱা ক্ষমতা ঘূৰাই পালে। বহুতৰ মতে এই মেগ্নাকাৰ্টাই ইংলণ্ডৰ সংবিধানৰ ভেটি। ইয়েই হ'ল ৰজাৰ ক্ষমতা সীমিত কৰাৰ প্ৰথম প্ৰচেষ্টা। ৰজা জনৰ মৃত্যুৰ পিছত তেওঁৰ জ্যেষ্ঠ্যপুত্ৰ হেনৰীয়ে তৃতীয় হেন্‌ৰী নাম লৈ সিংহাসনত উঠে। সংসদীয় ৰাজনীতিৰ আৰম্ভণিয়েই তেওঁৰ ৰাজত্বকালৰ গুৰুত্ব। তৃতীয় হেনৰীৰ মৃত্যুৰ পিছত তেওঁৰ জ্যেষ্ঠ পুত্ৰ এডৱাৰ্ড ১২৭২ চনত ইংলণ্ডৰ ৰজা হয়। এওঁকেই প্ৰথম এডৱাৰ্ড বুলি জনা যায়। এওঁ আছিল এজন সুদক্ষ প্ৰশাসক। এওঁৰ যত্নতেই ১২৮৪ খৃষ্টাব্দত ওৱেলছ ইংলণ্ডৰ অন্তভু ক্ত হয়। ইয়াৰ উপৰিও তেওঁ কেতবোৰ আইন প্ৰণয়ন কৰি ধৰ্মবিভাগ (church) বা পুৰোহিত সম্প্ৰদায় আৰু বেৰণসকলৰ ক্ষমতা হ্ৰাস কৰে। এওঁৰ মৃত্যু হয় ১৩ ৭ খৃষ্টাব্দত। প্ৰথম এডৱাৰ্ডৰ পুতেক দ্বিতীয় এডৱাৰ্ড আছিল ৰজা হিচাপে বৰ দুৰ্বল। সেইকাৰণে এওঁৰ দিনত বেৰণসকল আকৌ প্ৰতাপী হৈ উঠে। ১৩২৭ খৃষ্টাব্দত এওঁ সিংহাসন পুতেকক এৰি দিবলৈ বাধ্য হয়। পুতেকে তৃতীয় এডৱাৰ্ড নাম লৈ শাসনভাৰ গ্ৰহণ কৰে। এওঁৰ ৰাজত্বকালৰ প্ৰধান ঘটনা হ'ল ফ্ৰান্সৰ বিৰুদ্ধে এশ বছৰীয়া যু দ্ধৰ আৰম্ভণি। এশ বছৰীয়া বুলি কলেও যু দ্ধখন প্ৰকৃততে ১৩৩৮ খৃষ্টাব্দৰ পৰা ১৪৫৩ খৃষ্টাব্দলৈকে চলে। এই যু দ্ধত ইংলণ্ডৰ অশেষ ক্ষতিহে হ'ল অৰ্থ নৈতিক অৱস্থা একেবাৰে ভাগি পৰিল আৰু খেতিয়কসকলৰ অৱস্থা একেবাৰে দুখলগা হৈ পৰিল। ৰজা তৃতীয় এডৱাড ৰ মৃত্যু হয় ১৩৭৭ খৃষ্টাব্দত আৰু তেওঁৰ নাতিয়েক ৰিচাৰ্ড নাম লৈ সিংহাসনত উঠে। কিন্তু সংসদে তেওঁক অযোগ্য ৰজা বুলি ঘোষণা কৰি সিংহাসনচ্যুত কৰে। ১৪ খৃষ্টাব্দত দ্বিতীয় ৰিচাৰ্ডৰ মৃত্যু হয়। ইয়াৰ পিছৰ গোটেই পঞ্চদশ শতিকাটো হ'ল ইংলণ্ডৰ ৰাজনৈতিক বুৰঞ্জীত একেবাৰে অশান্তি আৰু বিশৃঙ্খলাৰ যুগ। ১৪৫৫ খৃষ্টাব্দৰ পৰা আৰম্ভ কৰি ১৪৮৫ খৃষ্টাব্দলৈকে এই ত্ৰিশ বছৰ চলা গোলাপ যু দ্ধেই (The war of the Roses) হ'ল গোটেই শতিকাটোৰ প্ৰধান উল্লেখযোগ্য ঘটনা। পঞ্চদশ শতিকাত মুঠতে সাতজন ৰজা ইংলণ্ডৰ ৰাজপাটত বহে। তেওঁলোক হ'ল যথাক্ৰমে চতুৰ্থ হেনৰী পঞ্চম হেনৰী ষষ্ঠ হেনৰী চতুৰ্থ এডোৱাৰ্ড পঞ্চম এডোৱাৰ্ড তৃতীয় ৰিচাৰ্ড আৰু সপ্তম হেনৰী। সপ্তম হেনৰীৰ আচল নাম আছিল হেনৰী টিউদৰ আৰু সেইকাৰণে তেওঁ ৰাজপাটত বহাৰ লগে লগে টিউদৰ ৰাজবংশৰ (Tudor Dynasty) আৰম্ভণি হয় আৰু ৰাজ সিংহাসনৰ কাৰণে কৰা গোলাপ যু দ্ধৰো অৱসান ঘটে। ইয়েই মধ্যযুগৰো ৰাজ নৈতিক বুৰঞ্জীৰ শেষস্তৰৰ সূচনা কৰে।

ওপৰত আমি মধ্যযুগীয় ইংলণ্ডৰ ৰাজনৈতিক বুৰঞ্জীৰ চমু আভাস এটি দাঙি

ধৰিলোঁ। এতিয়া এই যুগটোৰ সামাজিক দিশৰ কেইটিমান বৈশিষ্ট্য চমুকৈ আলোচনা কৰিম। নৰ্মানসকল ইংলণ্ডলৈ অহাৰ লগে লগে সামাজিক শাসনব্যৱস্থা হিচাপে সামন্ত প্ৰথাৰ প্ৰচলন হয়। ইয়াক সহজ ভাষাত কবলৈ গলে জমিদাৰী শাসন-ব্যৱস্থা বা জমিদাৰী প্ৰথা বুলিও কব পাৰি। অৱশ্যে মধ্যযুগত এই প্ৰথা প্ৰচলন হোৱাৰ আগতে এংলো চেক্সন যুগৰ সামাজিক শাসন ব্যৱস্থা কেনেধৰণৰ আছিল তাকো আমি বিচাৰ কৰি চোৱা দৰ্কাৰ। যিবিলাক সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানক লৈ ইংৰাজ জাতিয়ে আজি গৌৰৱ কৰে সেইবোৰৰ ধাৰণা এংলো চেক্সন জাতিয়ে তেওঁলোকৰ আগৰ বাসস্থান ইউৰোপ মহাদেশৰ বিভিন্ন স্থানৰ পৰা ইংলণ্ডলৈ আহোতেই লগত কঢ়িয়াই অনা। ইংলণ্ডৰ গণতন্ত্ৰ স্বায়ত্বশাসন আৰু ন্যায়পালিকা আদিৰ আদৰ্শ এংলো চেক্সন সংস্কৃতিৰ পৰাই বিকশিত হোৱা বুলি কব পাৰি।

এংলো চেক্সন জাতিৰ লোকসকল আছিল প্ৰধানকৈ কৃষিজীৱি। খেতি কৰা আৰু গৰু ভেড়া চৰোৱাই আছিল তেওঁলোকৰ প্ৰধান ব্যৱসায়। কেইবাঘৰো লগলাগি একোখন গাঁও পাতি তেওঁলোকে বাস কৰিছিল। এই গাঁওবোৰেই আছিল তেওঁলোকৰ সামাজিক জীৱনৰ একোটি গোট। ইয়াৰ বাহিৰে তেওঁলোকে কিছুমান সৰু সৰু নগৰো পাতিছিল। প্ৰত্যেক পৰিয়ালৰে নিজা নিজা মাটি আছিল যদিও কিছুমান মাটি সমূহীয়াকৈও ৰখা হৈছিল। প্ৰত্যেক গাঁও বা নগৰৰ মাটিবোৰৰ ভাগবোৰ এনেদৰে কৰা হৈছিল—(১) খেতিমাটি য ত প্ৰত্যেক পৰিয়ালৰে বেলেগ বেলেগকৈ ভাগ আছিল (২) ঘাহনি পথাৰ আৰু (৩) ঘাহ বনেৰে আগুৰা ছনমাটি। সহায় সহযোগৰ মনোভাৱেৰে সকলো কাম চলাই নিয়া হৈছিল। কামবোৰ পৰিচালনাৰ কাৰণে ৰীভ (Reeve) হেৱাৰ্ড (Hayward) আদি কেতবোৰ গ্ৰাম্য বিষয়াবৰ সৃষ্টি কৰা হৈছিল।

এংলো চেক্সন সমাজৰ মানুহবোৰক তিনি ভাগত ভাগ কৰা হৈছিল। তেওঁলোক হ ল আৰ্ল (Earls) চাৰ্ল (Cearls) আৰু থিওৱা (Theowa) অৰ্থাৎ ভাঙৰীয়া শ্ৰেণী আৰু ক্ৰীতদাস শ্ৰেণী। ইংলণ্ডৰ আদিম অধিবাসীবোৰ ধৰুৱাবোৰ আৰু অপৰাধীবোৰেই সাধাৰণতে ক্ৰীতদাসত পৰিণত হৈছিল। ক্ৰীতদাসবোৰ ব্যক্তিগত ভাৱে স্বাধীনেই আছিল কিন্তু আনৰ মাটিত বসবাস কৰিছিল আৰু খেতি কৰিছিল। ইয়াৰ কাৰণে তেওঁলোকে মাটিৰ মালিকৰ ঘৰত (অৰ্থাৎ ভাঙৰীয়া সকলৰ ঘৰত) কাম কৰি দিব লাগিছিল। স্বাধীন নাগৰিকসকল (Free men) আকৌ দুই ধৰণৰ আছিল—কিছুমান নিজৰ মাটি থকা আৰু কিছুমান নিজৰ মাটি নথকা। এওঁলোকে সকলো ধৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা ভোগ কৰিব পাৰিছিল।

তাওবীয়া শ্ৰেণীটো আছিল মাটিৰ মালিক আৰু ৰজাৰ প্ৰতি অনুগত। গোটেই সমাজখনৰে মূৰব্বী আছিল ৰজা।

এংলো চেক্সন জাতিৰ লোকসকল মহাদেশৰ বিভিন্ন ঠাইত সি চৰতি হৈ থকা সময়ত তেওঁলোকৰ কোনো ৰজা নাছিল। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে ৰাজতন্ত্ৰৰ আৱিৰ্ভাৱ হ'ল। দশম আৰু একাদশ শতিকাত ৰাজতন্ত্ৰই ভালকৈ খোপনি পুতিলে। ৰজাই ৰাজ্য শাসন কৰিছিল সামৰিক শাসনকৰ্তাৰ হৰে। কিন্তু ৰাজপদ কেতিয়াও জন্মগত নাছিল। কোনো এজন ৰজা মৰিলে তেওঁৰ পুতেক বীৰযোদ্ধা হ'লেহে ৰজা হ'ব পাৰিছিল। তেনে নহলে ৰাজপৰিয়ালৰ আন লোকক ৰজা পতা হৈছিল। ৰজাই ৰাজ্যত সৰ্বেসৰ্বা হলেও উইটান (Witan) নামে সমিতি এখনে তেওঁক নিয়ন্ত্ৰণ কৰিব পাৰিছিল। উইটান আছিল এখন উপদেষ্টা কমিটি। ই গঠিত হৈছিল অভিজাত শ্ৰেণী পুৰোহিত শ্ৰেণী আৰু সমাজপতিসকলক লৈ। কোনো সিদ্ধান্ত লোৱাৰ আগতে ৰজাই উইটানৰ লগত আলোচনা কৰি লব লাগিছিল। ৰজাৰ মৃত্যু হলে এই উইটানেই ৰজাৰ বাচনি কৰিছিল। আমি এই উইটানক আজিকালিৰ মন্ত্ৰী-পৰিষদৰ প্ৰাচীনতম নিদৰ্শন বুলি কব পাৰো।

এংলো-চেক্সন যুগত ৰজাৰ কোনো কোনো স্থায়ী সৈন্যবাহিনী নাছিল। কিন্তু যুদ্ধৰ সময়ত শাৰীৰিকভাৱে সক্ষম সকলো লোকেই অস্ত্ৰ শস্ত্ৰ লৈ যুদ্ধত নামিব লাগিছিল। তেওঁলোকক অৱশ্যে সামৰিক প্ৰশিক্ষণ দিয়া হৈছিল। ৰজাৰ দেহৰক্ষী সকলক যেন (Thane) বোলা হৈছিল আৰু কালক্ৰমত তেওঁলোক বৰ ক্ষমতাশালী হৈ উঠিছিল। আগতেই উল্লেখ কৰা হৈছে স্বায়ত্বশাসনৰ ঐতিহ্য এংলো চেক্সন সকলে মহাদেশৰ পৰাই বহন কৰা। নগৰবোৰ পৰিচালনা কৰা হৈছিল town moot নামৰ এখন সমিতিৰ দ্বাৰা। গোটেই ৰাজ্যখনক কেইখনমান Shire বা জিলাত ভাগ কৰা হৈছিল। জিলাৰ বিধান পৰিষদত সকলো মানুহে অংশ লৈছিল। বিধান পৰিষদ বছৰত দুবাৰকৈ বহিছিল আৰু কৰ কাটল বা যুদ্ধ বিগ্ৰহ সম্বন্ধে ইয়াতেই সকলো ধৰণৰ সিদ্ধান্ত লোৱা হৈছিল।

খৃষ্টানধৰ্মত দীক্ষিত হোৱাৰ পিছৰ পৰা এংলো চেক্সনসকল বেছি সভ্য আৰু মাৰ্জিত হৈ পৰে। ঠায়ে ঠায়ে ধৰ্মীয় অনুষ্ঠানবোৰ গঢ়ি উঠে আৰু সেইবোৰ শিক্ষা সংস্কৃতিৰ কেন্দ্ৰ হৈ পৰে।

আগতেই উল্লেখ কৰা হৈছে যে খৃষ্টীয় একাদশ শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে এই কালছোৱাই প্ৰকৃত অৰ্থত মধ্যযুগ। এই কালছোৱাক ইংলণ্ডৰ বুৰঞ্জীত অতি গঠনমুখী (formative) কাল বুলি কোৱা হয় কাৰণ এই সময়ছোৱাৰ ভিতৰতে

বহুতো অনুষ্ঠান গঢ়ি উঠে। সংসদীয় চৰকাৰ স্থায়পালিকা বিশ্ববিদ্যালয় আদিৰ আৰম্ভণি এই যুগতেই। এই যুগতেই ইংৰাজী ভাষায়ো এটি গঢ় লবলৈ আৰম্ভ কৰে। দেশৰ বাহিৰৰ যুদ্ধবোৰত জয়লাভ কৰাৰ ফলস্বৰূপে ইংৰাজসকলৰ মনত স্বদেশপ্ৰিয়তাৰ ভাৱ শক্তিশালী হৈ উঠে। যোদ্ধা হিচাপে এই যুগত কাড়ীসকলৰ (yeomen) গুৰুত্ব বাঢ়ি যায় আৰু তেওঁলোকে ডা ডাঙৰীয়া সকলৰ লগত মিলা মিচা কৰিবলৈ সুবিধা পায়। এই মিলা মিচাৰ ফলত মধ্যবিত্ত শ্ৰেণী এটি গঢ়ি উঠে।

মধ্যযুগত উল্লেখযোগ্য ঘটনাবোৰৰ ভিতৰত ১৩৪৮ চনত দেখা দিয়া মহামাৰী (Bla.k D ath) আৰু ১৩৮৯ চনত জ্বলি উঠা কৃষক বিদ্ৰোহেই (Peasants Revolt) প্ৰধান। মহামাৰীৰ ফলস্বৰূপে ই লণ্ডৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত কিছু পৰিবৰ্তন ঘটে। বহুসংখ্যক শ্ৰমজীৱি মৃত্যুৰ মুখত পৰাৰ কাৰণে তেওঁলোকৰ সংখ্যা কমি যায়। শ্ৰমিক নাটনিৰ কাৰণে মজুৰিৰ পৰিমাণ বাঢ়ি যায়। উপায়ান্তৰ নাপাই জমিদাৰ সকলে তেওঁলোকৰ খেতি-মাটি খেতিয়কৰ ওচৰত বিক্ৰী কৰি দিব লগা হ ল। ইয়াৰ ফলত খেতি কৰা পদ্ধতিৰো সলনি হ ল। বহুতো মাটি চৰণীয়া পথাৰলৈ ৰূপান্তৰিত হ ল। শ্ৰেণী সংগ্ৰাম আৰম্ভ হ ল। ভিলেইন নামে পৰিচিত একেবাৰে তলশ্ৰেণীৰ শ্ৰমজীৱিবোৰে স্বাধীনতা পালে আৰু জমিদাৰী প্ৰথাটোৰ অৱনতি ঘটিল। কিন্তু পিছত আকৌ জমিদাৰী প্ৰথাটোকে ঘুৰাই অনাৰ কাৰণে চেষ্টা চলোৱা হ ল। ইয়াৰ ফলত আৰম্ভ হ ল ১৩৮১ খৃষ্টাব্দত কৃষক বিদ্ৰোহ। এই বিদ্ৰোহ কঠোৰভাৱে দমন কৰা হলেও ইয়াৰ ফলস্বৰূপে জমিদাৰসকলে চাফ ভিলেইন (শ্ৰমিক শ্ৰেণী) আদিক খটুৱাই নিজে খেতি কৰাৰ সলনি কৃষকক মাটি লীজত দিব লগা হ ল। ইয়াৰ ফলত কৃষকসকলৰ আৰ্থিক অৱস্থা ভালেখিনি উন্নত হয়।

সামন্ত প্ৰথা মধ্যযুগীয় সামাজিক জীৱনৰ এটি প্ৰধান দিশ বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। সামন্ত প্ৰথা কথাষাৰে মাটিৰ বন্দবস্তি ৰায়তীস্বত্ব আৰু শাসনপদ্ধতি আদিক সামৰিছিল। এইটো আছিল এটা সামাজিক গাঁথনি বা ব্যৱস্থা য ত নাগৰিকৰ দায়িত্ব আৰু অধিকাৰ নিৰ্ভৰ কৰিছিল তেওঁলোকে কেনেকুৱা চৰ্তত মাটি ভোগ কৰিছে তাৰ ওপৰত। ৰজাই আছিল ৰাজ্যৰ সকলো মাটিৰ গৰাকী। ৰজাই সেই মাটিবোৰ ৰাজ্যৰ ডা ডাঙৰীয়াসকলৰ মাজত ভগাই দিছিল। এই ডা ডাঙৰীয়াসকলেই আছিল মুখ্য ৰায়ত। এওলোককেই বেৰণ বা সামন্ত প্ৰভু বুলি কোৱা হৈছিল। এই বেৰণ সকলে ৰজাক যুদ্ধত সহায় কৰাৰ উপৰিও নিয়মিতভাৱে কৰ কাটল দিব লাগিছিল। বেৰণসকলে আকৌ এই মাটি কিছুমান তলতীয়া ৰায়তৰ মাজত ভগাই দিছিল। এই তলতীয়া ৰায়তসকলে সামন্ত প্ৰভুসকলক কৰ কাটল দিয়াৰ উপৰিও কিছুমান কাম

কৰি দিব লাগিছিল। এওঁলোকক নিৰাপত্তা দিয়াৰ দায়িত্ব আছিল বেৰণসকলৰ। এই শ্ৰেণীৰ বায়তৰ তলত আকৌ একশ্ৰেণীৰ বায়ত আছিল। এওঁলোকক চাৰ্ফ (Serf) আৰু ভিলেইন (Villein) বুলি কোৱা হৈছিল। প্ৰকৃততে খেতি কৰিছিল এওঁ লোকেহে। কিন্তু উৎপন্ন বস্তুৰ কিবা এটা অংশ পোৱাৰ বাহিৰে এওঁলোকৰ আন একো অধিকাৰ নাছিল। গতিকে দেখা যায় যে সমাজৰ বিভিন্ন লোকৰ মাজত সম্বন্ধৰ মাধ্যম আছিল এই মাটিয়েই। মধ্যযুগত সামন্ত প্ৰভু বা জমিদাৰসকল একোজন ৰজাৰ দৰেই আছিল। তেওঁলোকে কৰ কাটল তুলিব পাৰিছিল আৰু বায়তক বিচাৰ কৰি শাস্তি বিহিবও পাৰিছিল। তলতীয়া প্ৰজাবোৰ প্ৰত্যক্ষভাৱে ৰজাৰ তলত নথকা বাবে বেৰণসকলে এই সুবিধা লৈছিল। এই বেৰণসকল অতি ক্ষমতাশালী হৈ পৰা কাৰণে বিভিন্ন ৰজাই বিভিন্ন সময়ত কিছুমান আইন কানুন প্ৰবৰ্তন কৰি তেওঁ লোকৰ ক্ষমতা হ্ৰাস কৰিব লগা হৈছিল।

মধ্যযুগীয় জাতীয় জীৱনত ধৰ্মৰ প্ৰভাৱ আছিল অতি গভীৰ। ধৰ্ম মানে খৃষ্টধৰ্ম। সপ্তম শতিকাত এংলো চেক্সনসকল খৃষ্টধৰ্মত দীক্ষিত হয় আৰু তাৰ পিছৰে পৰাই ধৰ্মৰ প্ৰভাৱ সকলো দিশতে গভীৰতৰ হৈ পৰে। এংলো নৰ্মান যুগত ইংলণ্ড ইউৰোপৰ আন আন খৃষ্টান ৰাজ্যৰ গোষ্ঠীভুক্ত হৈ পৰে আৰু ৰোমৰ পোপৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে। কালক্ৰমত পুৰোহিত সম্প্ৰদায় আৰু ৰজাৰ মাজত সংঘৰ্ষ আহি পৰে। যাজকসকলৰ মতে তেওঁলোকে পোপৰ প্ৰতিহে আনুগত্য প্ৰকাশ কৰিবলৈ বাধ্য ৰজাৰ প্ৰতি নহয়। ৰজাৰ মতে তেওঁলোক যিহেতু ৰাজ্যৰ প্ৰজা সেইবাবে ৰজাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ বাধ্য। ৰজা আৰু যাজক সম্প্ৰদায়ৰ মাজত বিৰোধে এনে এটা স্তৰ পালে যে দ্বিতীয় হেনৰীৰ দিনত কেণ্টাৰবেৰীৰ আৰ্চবিচপ টমাছ বেকেটক হত্যা কৰা হ'ল। যাজক সম্প্ৰদায়ৰ ক্ষমতা হ্ৰাস কৰাৰ কাৰণে বিভিন্ন ৰজাই কাৰ্য্য পদ্ধতি হাতত লব লগা হৈছিল। মধ্যযুগত মানুহৰ ওপৰত কেথেলিক ধৰ্মৰ প্ৰভাৱ ইমান বেছি আছিল যে পোপে বা আন ধৰ্মগুৰুৱে যি কয় মানুহে বিনা দ্বিধাই তাকে মানি লৈছিল। এইটো কথা ঠিক যে বৌদ্ধিক দিশত চাৰ্চৰ বৰঙণি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ধৰ্মবিভাগটোৱে সাহিত্যকলা আদিৰ বিকাশত আগভাগ লৈছিল। বিশ্ববিদ্যালয়বোৰ স্থাপন কৰোতেও এই বিভাগটোৱে সাহায্য আগবঢ়ায়। পিছে ধৰ্মৰ নামত দুৰ্নীতি আৰু অন্ধবিশ্বাসো বৰ কম নাছিল। চচাৰৰ কেণ্টাৰবেৰী টেল্‌ছেই ইয়াৰ সুন্দৰ সাক্ষ্য দাঙি ধৰে।

প্ৰণয়াসক্তি (love making) আৰু বীৰধৰ্ম আচৰণ প্ৰথাই (chivalry) মধ্যযুগত বিশেষ গুৰুত্ব লাভ কৰিছিল বুলি এই যুগৰ সাহিত্যাই সাক্ষ্য দাঙি ধৰে। এই সংক্ৰান্তত

নাইটবোৰৰ (knights) উল্লেখ তাৎপৰ্য্যপূৰ্ণ। এই নাটকসকল আছিল অশ্বাৰোহী বীৰ যোদ্ধা বিপদগ্ৰস্ত নাৰীক উদ্ধাৰ কৰা আছিল তেওঁলোকৰ এটি মহৎ কৰ্ত্তব্য। তেওঁলোক আছিল প্ৰেমিকো। প্ৰেমিকাৰ প্ৰতি তেওঁলোকৰ অনুৰাগৰ কথা মধ্যযুগীয় সাহিত্যত বৰ্ণনা কৰা হৈছে। বীৰ যোদ্ধা হিচাপে ইয়োমেন (yeomen) বোৰৰ কথা আগতে উল্লেখ কৰা হৈছে। যু জৰ সঁজুলি আছিল ঢাল-তৰোৱাল যাঠী ধনুকাড় আদি।

মধ্যযুগীয় সাহিত্যৰ সমৃদ্ধিও উল্লেখযোগ্য। চচাৰ ল্যাংলাণ্ড আদি কবিসকলো এই যুগৰেই। কিন্তু বিভিন্ন সাহিত্যৰূপৰ ভিতৰত বেলাড (ballad) আছিল এই যুগত আটাইতকৈ বেছি জনপ্ৰিয়। যিমানবোৰ বেলাড লিখা হৈছিল তাৰ ভিতৰত এতিয়া প্ৰায় ৩ মান ৰক্ষিত হৈছে। এই কাব্যৰূপে ৰোমাণ্টিক যুগত আকৌ কেনেকুৱা ধৰণে উচ্চ আসন লাভ কৰিলে তাক ইয়াৰ আগৰ অধ্যায় এটাত আলোচনা কৰা হৈছে।

সাহিত্য সংস্কৃতি আৰু বৌদ্ধিক দিশত মধ্যযুগে যে অগ্ৰগতি লাভ কৰিছিল তাত কোনো সন্দেহ নাই। কিন্তু এই সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশে সাধাৰণ মানুহক স্পৰ্শ কৰিব পৰা নাছিল। অলৌকিক শক্তি ভূত প্ৰেত তন্ত্ৰ মন্ত্ৰ আদিত তেওঁলোকৰ বিশ্বাস গভীৰ আছিল বুলি অনুমান কৰিব পাৰি। বিভিন্ন সাহিত্যত এইবোৰৰ প্ৰসঙ্গয়ো এই কথাৰে সাক্ষ্য দাঙি ধৰে।

ওপৰত আমি মধ্যযুগীয় পৰিবেশৰ চমু আলোচনা এটি দাঙি ধৰিলো। এতিয়া এই পৰিবেশৰ কি কি দিশ ৰোমাণ্টিক কবিতাত পৰিস্ফুট হৈছে তাকে বিচাৰ কৰি চোৱা হ ব।

মধ্যযুগৰ প্ৰতি আকৰ্ষণ ৰোমাণ্টিক আন্দোলনৰ এটি প্ৰধান বৈশিষ্ট্য বুলি আগতে উল্লেখ কৰা হৈছে। হেইনেৰ (Heine) মতে ৰোমাণ্টিছিজম হ ল মধ্যযুগৰেই পুনৰ্জাগৰণ বা পুনৰুত্থান। এইচ এ বিয়াৰ্চেও (H A Beers) তেওঁৰ A History of English Romanticism নামৰ পুথিত ৰোমাণ্টিছিজমক মধ্যযুগৰেই পুনৰুত্থান বুলি কৈছে। এই দুয়োজন সমালোচকৰ মতে romanticism আৰু medievalism শব্দ দুটা সমাৰ্থক। এনেকুৱা ধৰণৰ মতামত অৱশ্যে একেবাৰে একপক্ষীয়। ৰোমাণ্টিছিজমৰ ধাৰণাটোৱেই এক জটিল ধাৰণা। গতিকে কেৱল মধ্যযুগীয় বৈশিষ্ট্য গ্ৰহণ কৰিয়েই ৰোমাণ্টিক আন্দোলনৰ সৃষ্টি হোৱা নাই। এইখিনিতে আন এটি মন কৰিবলগীয়া কথা আছে। মধ্যযুগে ৰোমাণ্টিক কবিসকলক কেনেধৰণে প্ৰভাৱিত কৰিছিল তাৰ এটি বৈশিষ্ট্য আছে। সাহিত্যৰ বিষয়বস্তু ৰূপ বা শৈলীৰ প্ৰভাৱতকৈ

মধ্যযুগৰ আদৱ-কায়দা ঘৰ-দুৱাৰ ভাৱ-ভঙ্গী ধ্যান ধাৰণা সামাজিক ৰীতি নীতি আৰু বিশ্বাস আদিৰ প্ৰসঙ্গহে ৰোমাণ্টিক কবিতাত বেছিকৈ পোৱা যায়। কাব্যিক প্ৰভাৱৰ ক্ষেত্ৰত কেৱল বেলাডৰ কথাহে উল্লেখ কৰিব পাৰি।

এতিয়া আমাৰ সন্মুখত এটি প্ৰশ্ন হ'ল—ৰোমাণ্টিক কবিসকলৰ এই মধ্যযুগ প্ৰীতিৰ কাৰণ কি? ইয়াৰ উত্তৰ বিচাৰি পোৱা বৰ টান কাম নহয়। ৰোমাণ্টিক কবিসকল আছিল বৌদ্ধিক চিন্তা চৰ্চা আধুনিক সভ্যতা আৰু কোলাহলপূৰ্ণ বাস্তৱ জগতখনৰ প্ৰতি বিমুখ। এইবোৰৰ পৰা হাত সাৰিবলৈ তেওঁলোকে বিচাৰিছিল দূৰ দিগন্ত। যি দূৰবৰ্তী অদ্ভুত বা ৰহস্যপূৰ্ণ তাৰ প্ৰতি আকৰ্ষণেই ৰোমাণ্টিক কবিসকলক মধ্যযুগ প্ৰিয় কৰি তোলে। বাস্তৱ জীৱনৰ দুখ কষ্ট অশান্তি আদিত অতিষ্ঠ হৈ তেওঁলোকৰ মনে বিচৰণ কৰে এক গৌৰৱোজ্জ্বল জগতত নাইবা কল্পনাসৃষ্ট এক নৱজগতত। এই কাৰণেই কীট্‌ছৰ আকৰ্ষণ আছিল বিশেষকৈ প্ৰাচীন গ্ৰীছদেশৰ প্ৰতি স্কট বিমুগ্ধ হৈছিল মধ্যযুগৰ ৰোমাণ্টিক পৰিবেশত আৰু শ্বেলীয়ে বিচৰণ কৰিবলৈ বিচাৰিছিল তেওঁৰ কল্পনাসৃষ্ট ৰামৰাজ্যত। ৰোমাণ্টিক কবিসকলৰ মধ্যযুগ প্ৰীতিৰ কথা আলোচনা কৰি সমালোচক চেমুৱেল চুৱে (Samuel C Chew) লিখিছে—" the Middle Ages offered a spiritual home remote and vague and mysterious The typical romanticist does not reconstruct the past from the substantial evidence provided by research but fashions it anew not as it was but as it aught to have been The more the writer insists upon the historical accuracy of his reconstruction the less romantic he is ইয়াত কোৱা হৈছে যে মধ্যযুগে ৰোমাণ্টিক কবিসকলৰ কাৰণে এনে এখন অতীন্দ্ৰিয় জগতৰ সন্ধান দিয়ে যিখন হ'ল দূৰত্ব অস্পষ্ট আৰু ৰহস্যপূৰ্ণ। গতানুগতিক অৰ্থত যিসকল ৰোমাণ্টিক লেখক তেওঁলোকে কোনো গভীৰ অধ্যয়ন বা চিন্তা চৰ্চা প্ৰয়োগ কৰি অতীতক পুনৰ্নিৰ্মাণ নকৰে কিন্তু তেওঁলোকৰ নিজস্ব ধাৰণামতে যেনেকুৱা হোৱা উচিত বুলি ভাবে তেনেকুৱা ৰূপ দিয়ে। ৰোমাণ্টিক লেখকসকলে অতীতক যি ৰূপ দিয়ে তাত যদি ঐতিহাসিক সত্যক বেছি গুৰুত্ব দিয়া যায় তেতিয়াহলে তেওঁৰ ৰোমাণ্টিকতা হ্ৰাস পায়। বহুতো ৰোমাণ্টিক লেখকে কেৱল বাস্তৱৰ পৰাই যে আঁতৰি আছে সেয়ে নহয় প্ৰকৃত মধ্যযুগৰ পৰাও আঁতৰি আছে। তেওঁলোকে মধ্যযুগক তেওঁলোকৰ মানসিক ৰুচি অনুসৰি ৰূপ দিয়ে আৰু এনে কৰোঁতে তেওঁলোকে ঐতিহাসিক সত্যকো গ্ৰহণযোগ্য নহয় বুলি বাদ দিয়ে। মধ্যযুগৰ জাকজমকতা আৰু বীৰধৰ্মক তেওঁলোকে গৰিমামণ্ডিত কৰি তোলে। কিন্তু সেই যুগৰ অন্ধবিশ্বাস, কু সংস্কাৰ আৰু সামাজিক নিপীড়ন আদিৰ বিষয়ে একো উল্লেখ নকৰে।

প্ৰসিদ্ধ সমালোচক ওৱাল্টাৰ পেটাৰেও ৰোমাণ্টিক কবিসকলৰ মধ্যযুগ প্ৰীতিৰ কাৰণ তেওঁৰ নিজৰ মতে দাঙি ধৰিছে। তেওঁ লিখিছে—"The essential elements of the romantic spirit are curisity and the love or beauty and it is as the accidental effect of these qualities only that it seeks the Middle Ages because in the overcharged atmosphere of the Middle Ages there are unworked sources of romantic effect of strange beauty to be won by strong imagination out of things unlikely or remote ইয়াত কোৱা হৈছে যে ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰধান দুটা উপাদান হৈছে ঔৎসুক্য আৰু সৌন্দৰ্য্য প্ৰিয়তা। এই গুণ দুটাৰ অপ্ৰত্যাশিত প্ৰভাৱৰ ফলস্বৰূপেই ৰোমাণ্টিক তাই মধ্যযুগক অৱলম্বন হিচাপে বাছি লয় কাৰণ মধ্যযুগৰ সামগ্ৰিক বাতাবৰণতহে ৰোমাণ্টিক ভাৱধাৰাৰ উদ্ৰেক কৰিব পৰা অনাৱিষ্কৃত সমল নিহিত আছে। মধ্যযুগীয় পৰিবেশতেই অবাস্তৱ বস্তুকো প্ৰবল কল্পনাশক্তিৰ সহায়ত অলৌকিক সৌন্দৰ্য্যলৈ ৰূপান্তৰিত কৰা সম্ভৱ হ ব পাৰে। পেটাৰৰ মতে ৰমন্যাসবাদ হ ল সৌন্দৰ্য্যৰ লগত অদ্ভুতৰ (Strangeness) সংযোগ। এই অদ্ভুত শব্দটোৰে বুজাইছে আৱেগিক আশ্চৰ্য্যবোধ আৰু বৌদ্ধিক ঔৎসুক্যবোধ। মধ্যযুগৰ ৰোমাঞ্চকৰ আৰু ৰহস্যাবৃত পৰিবেশে এই দুয়োটা অৰ্থকেই সামৰি লয়।

মধ্যযুগ প্ৰীতি ৰোমাণ্টিক কবিতাৰ এটি লক্ষণ হ লেও ইয়াকেই প্ৰধান লক্ষণ বুলি কব নোৱাৰি। সকলো ৰোমাণ্টিক কবি মধ্যযুগৰ প্ৰতি সমানে আকৰ্ষিত হোৱা নাছিল। উদাহৰণ স্বৰূপে ওৱাৰ্ডছ্ওৱাৰ্থ শ্বেলী আৰু বায়ৰণৰ কবিতাত মধ্যযুগ প্ৰীতিৰ স্বাক্ষৰ নাই। ওৱাৰ্ডছ্ওৱাৰ্থে মনৰ শান্তি বিচাৰি পাইছিল প্ৰকৃতিৰ কোলাত। তেওঁৰ মতে যিয়েই প্ৰকৃতিৰ ওচৰ চাপিব তাকেই প্ৰকৃতিয়ে আঁকোৱালি লৈ শান্তিৰ প্ৰলেপ ঘঁহি দিব। গতিকে শান্তিৰ উৎস হিচাপে ওৱাৰ্ডছ্ওৱাৰ্থৰ কাৰণে মধ্যযুগৰ কোনো গুৰুত্ব নাই। শ্বেলী আছিল এজন স্বপ্নবিলাসী। তেওঁ শান্তি বিচাৰিছিল ভৱিষ্যতৰ স্বপ্নৰাজ্যত। তেওঁ আশা কৰিছিল যে পৃথিৱীত এদিন সুখ শান্তিৰ ৰাজ্য স্থাপন হবই। গতিকে তেওঁৰ কাৰণেও মধ্যযুগীয় পৰিবেশৰ কোনো প্ৰয়োজন নাই। বায়ৰণ আছিল এজন বিপ্লৱী। তেওঁৰ সম্পৰ্ক আছিল নিজৰ সমাজখনৰ লগত। গতিকে তেওঁৰ কাৰণেও মধ্যযুগৰ কোনো গুৰুত্ব নাছিল। মধ্যযুগৰ প্ৰতি আকৰ্ষিত হৈছিল কোলেৰিজ স্কট আৰু কীট্ছ—এই তিনিজন কবিহে।

এইখিনিতে প্ৰাসঙ্গিক কথা এটিৰ উল্লেখ কৰা ভাল হ ব। গথিক উপন্যাসবোৰতো (gothie romances) মধ্যযুগীয় পৰিবেশ পুৰামাত্ৰাই ফুটাই তোলা হৈছিল। কিন্তু এই উপন্যাসৰ পৰিবেশ আৰু ৰোমাণ্টিক কবিতাত প্ৰকাশ পোৱা পৰিবেশৰ মাজত

তাতৰ পাৰ্থক্য আছে। গথিক উপন্যাসবোৰক ৰহস্য উপন্যাসো আখ্যা দিয়া হয়। গথিক শব্দটোৱে মধ্যযুগৰ পৰিপ্ৰেক্ষিতত গথিক অট্টালিকাৰ সন্মুখত এই উপন্যাসৰ কাহিনীবোৰৰ অৱতাৰণা কৰা হয়। গোমা পৰিৱেশ উন্মত্ত বা অদ্ভুত কাৰ্য্য অধঃপতন অৰক্ষম নৈৰাশ্য ক্ৰুৰ স্বাৰ ৰহস্যময়তা সংশয় সন্দেহৰ জটিলতা ভয় উত্তেজনা আদি হ'ল এইবোৰ উপন্যাসৰ উপাদান। (অধ্যাপক শ্ৰীপ্ৰফুল্ল কটকী) এই উপন্যাস ৰচনাৰ লগত জড়িত দুটি প্ৰখ্যাত নাম হ'ল হোৰেছ ওৱালপোল (Horace Walpole) আৰু এন্ ৰেডক্লিফ (Ann Radcliff)। মধ্যযুগ সম্বন্ধে এওঁলোকৰ শুদ্ধ জ্ঞান নাছিল বুলি ধাৰণা হয় আৰু সেইকাৰণে তেওঁলোকে মধ্যযুগটোক অলৌকিকতা আৰু বৰ্বৰতাৰ যুগ বুলিয়েই গণ্য কৰা যেন লাগে। তেওঁলোকৰ মধ্যযুগ উপস্থাপনত মনোবৈজ্ঞানিক বা কলাত্মক দিশ একো নাই। উদাহৰণ স্বৰূপে হোৰেছ ওৱালপোলৰ The Castle of Otranto নামৰ উপন্যাসখনত কেৱল অনেক ভূতপ্ৰেত ৰক্তপাত আৰু কঙ্কালৰ অট্টহাস্যৰ সমাবেশ ঘটিছে। উপন্যাসখনৰ সাহিত্যিক মূল্য বিশেষ একো নাই। এন্ ৰেডক্লিফৰ উপন্যাসতো ৰহস্য আৰু বিভীষিকা অত্যন্ত স্বাভাৱিকভাৱেই বৰ্ণিত হৈছে। এওঁলোকে কোনেও মধ্যযুগক তেওঁলোকৰ আধ্যাত্মিক জীৱনৰ অৱলম্বন বুলি গণ্য কৰা নাছিল। কোলেৰিজ স্কট আৰু কীট্ছ আছিল কিন্তু এই দিশত সম্পূৰ্ণ বিপৰীতধৰ্মী। তেওঁলোকৰ উপস্থাপন ৰীতি আছিল মনোবৈজ্ঞানিক আৰু কল্পনাত্মক। মধ্যযুগীয় পৰিৱেশতে তেওঁলোকে পাইছিল মানসিক শান্তি। মধ্যযুগৰ পৰিৱেশ সৃষ্টি তেওঁলোকৰ কাৰণে কিবা এটা উপকৰা নহৈ আত্মিক হৈ পৰিছিল।

কোলেৰিজ ৰোমাণ্টিক কবিসকলৰ ভিতৰত কোলেৰিজকেই মধ্যযুগীয় পৰিৱেশে আটাইতকৈ বেছি আকৰ্ষণ কৰা বুলি ধৰিব পাৰি। তেওঁৰ Christabel আৰু The Rime of the Ancient Mariner নামৰ প্ৰখ্যাত কবিতা দুটি পঢ়িলেই এই ধাৰণাৰ সত্যতা প্ৰতিপন্ন হয়। দুয়োটি কবিতাতে আছে মধ্যযুগীয় ৰহণ (colour) আৰু ইন্দ্ৰজাল (glamour) মধ্যযুগীয় পৰিৱেশ সৃষ্টিৰ কাৰণে Christabel কবিতাটোত আছে পুৰণিকলীয়া অট্টালিকা সামন্ত প্ৰভু ৰহস্যময়তা অলৌকিকতা যাদুবিদ্যা অন্ধবিশ্বাস আৰু ভয়াবহতা আদিৰ প্ৰসঙ্গ। কবিতাটোত বৰ্ণনা কৰা ঘটনাৰ বিশ্বাসযোগ্যতা সৃষ্টি কৰাৰ কাৰণে এই মধ্যযুগীয় ৰহণে বিশেষভাৱে সহায় কৰিছে। কবিতাটোৰ অনেক ঠাইত অলৌকিকতা আৰু অন্ধবিশ্বাসৰ ব্যঞ্জনা আছে। জিৰেলদাইন নামৰ ডাইনীজনীক সৰ্পাকৃতিৰ বুলি কোৱা হৈছে আৰু তাইৰ যি কোনো ৰূপ লব পৰা শক্তি আছে বুলি উল্লেখ কৰা হৈছে। এনেকুৱা ধৰণৰ বিশ্বাস মধ্যযুগীয় যি সময়ত বিজ্ঞানৰ পোহৰে সৰ্বসাধাৰণক চুকি পোৱা নাছিল। ক্ৰিষ্টাবেলৰ

শয়নকক্ষত জিৰেলদাইনে ক্রিষ্টাবেলৰ বৰ্গত মাকৰ প্রেতাত্মা দেখাৰ কথাও উল্লেখ কৰা আছে। প্রেতাত্মা দেখাৰ লগে লগে জিৰেলদাইনে চিঞৰি উঠি কৈছে—

Off Woman, off ၊ this hour is mine—
Though thou her guardian spirit be
Off woman off ! tis given to me

প্রেতাত্মাক আহ্বান কৰা আঁতৰ কৰা নাইবা প্রেতাত্মাই মানুহক ৰক্ষা কৰা আদি বিশ্বাসবোৰ মধ্যযুগীয়। Christabel কবিতাটোৰ দ্বিতীয় অংশত তিনিজন পাপী চেষ্টনৰ প্রেতাত্মাৰ প্রসঙ্গও আছে। ইয়াৰ উপৰিও কবিতাটোত আছে ক্রিষ্টাবেলৰ দেউতাক চাৰ লিওলীনৰ বীৰধৰ্ম আচৰণৰ উল্লেখ। মধ্যযুগত নাইটসকলৰ বীৰধৰ্ম আচৰণৰ কথা আগতেই উল্লেখ কৰা হৈছে।

The Rime of the Ancient Mariner কবিতাটো হ'ল এটি বেলাড। ইংৰাজী সাহিত্যৰ বেলাডবো উদ্ভৱ হয় মধ্যযুগতেই। বেলাডবোৰৰ ভাষা সহজ সৰল অনাড়ম্বৰ আৰু ইয়াৰ প্রকাশভঙ্গীও স্পষ্ট আৰু প্রত্যক্ষ। The Ancient Mariner কবিতাটোতো প্রয়োগ কৰা ভাষা সহজ সৰল আৰু বাহুল্যবৰ্জ্জিত। কবিতাটোৰ উপস্থাপন ৰীতিত চমৎকাৰিত্ব আছে কিন্তু জটিলতা নাই। বহুতো উপাদান আৰু ঘটনা কোনো আগতীয়া ইঙ্গিত নোহোৱাকৈয়ে প্রবৰ্তন কৰা হৈছে। গোটেই কবিতাটোতে বৰ্ণনা সৌন্দৰ্য্য বৃদ্ধি কৰিছে নাটকীয় পৰিস্থিতি সমূহে যাৰ মূলতে হ'ল বিয়াৰ অতিথি (wedding guest) জনৰ অৱতাৰণা। কেতবোৰ অপ্রচলিত শব্দ আৰু বানানৰ প্রয়োগ কৰিও কোলেৰিজে অতীতৰ পৰিবেশ এটিৰ সৃষ্টি কৰিছে এই কবিতাটোত। তেনেবোৰ শব্দৰ ভিতৰত eftsoons (১২) uprist (৯৮) clomb (২ ৯) well a day (১৩৯) marinere আৰু countree (৪৬৭) আদিয়েই প্রধান। মধ্যযুগীয় বেলাডবোৰৰ দৰে কোলেৰিজেও এই কবিতাটোত অলৌকিক উপাদানৰ প্রয়োগ কৰিছে। কিন্তু পাৰ্থক্য এয়ে যে প্রাচীন বেলাড লেখক সকলে তেওঁলোকৰ ৰচনাত যি অতিপ্রাকৃত পৰিবেশৰ সৃষ্টি কৰিছিল তাত বাস্তৱৰ কোনো স্পৰ্শই নাছিল। সেইবোৰ বেলাড পঢ়িলে পঢ়ুৱৈৰ এনেকুৱা লাগিব যেন তেওঁ এখন স্বপ্নৰাজ্যতহে বিচৰণ কৰিছে। কিন্তু কোলেৰিজে তেওঁৰ কবিতাত অতি প্রাকৃত পৰিবেশৰ সৃষ্টি কৰিলেও তাত বাস্তৱতাৰ আভাসো ফুটি উঠে। বাস্তৱৰ এই প্রতিচ্ছবি তেওঁ ফুটাই তুলিব পাৰিছে তেওঁৰ কাহিনীৰ বাস্তৱধৰ্মিতাৰ যোগেদি। তেওঁ এনেবোৰ কথাহে উপস্থাপিত কৰিছে যিবোৰ সাধাৰণ লোকৰ অভিজ্ঞতালব্ধ বা চকুত পৰা।

দুঃসাহসিক কাৰ্য্য আৰু ৰোমাঞ্চপ্রিয় হোৱাৰ উপৰিও মধ্যগৰ লোকসকলৰমু

আছিল ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ প্ৰতি অগাধ বিশ্বাস। সেই সময়ত খৃষ্টান ধৰ্মাবলম্বী সকলৰ মাত্ৰ এটাই সম্প্ৰদায় আছিল আৰু সেইটো হ'ল কেথলিক সম্প্ৰদায়। প্ৰটেষ্টান্ট (Protestant) সকলৰ আৱিৰ্ভাৱ ষোড়শ শতিকাতহে হয়। The Ancient Mariner কবিতা টোৰ মূল বিষয়টোকে কেথোলিক সকলৰ দৃষ্টিভঙ্গীৰ পৰা ব্যাখ্যা দিব পাৰি। এই বিষয়টো হ'ল পাপ আৰু পৰাচিত। নাবিকজনৰ পাপ তেওঁৰ পৰাচিত আৰু মুক্তি—এই সকলোবোৰতে জড়িত আছে কেথোলিক সকলৰ ধৰ্মীয় ধ্যান ধাৰণা। নাবিকজনৰ পাপমোচন কৰা সন্ন্যাসীজন আৰু গধূলিৰ প্ৰাৰ্থনা ঘণ্টা আদিৰ প্ৰসঙ্গয়ো কেথোলিক সকলৰ ধৰ্মীয় আচাৰ বিধিৰ কথাকেই আঙুলিয়াই দিয়ে। সমুদ্ৰৰ জীৱ জন্তুৰ প্ৰতি দয়া পৰবশ হৈ সেইবোৰক আশীৰ্বাদ কৰা ভগৱানক প্ৰাৰ্থনা কৰা আদিও ধৰ্মীয় অনুভূতি। ইয়াৰ উপৰি cross-bow ৰ উল্লেখেও আমাক মধ্যযুগীয় কেতবোৰ বস্তুৰ কথাই সোঁৱৰাই দিয়ে।

মধ্যযুগীয় পৰিবেশ গঢ়ীন কৰি তুলিবলৈ কবিয়ে আকৌ কিছুমান সেই যুগৰ লগত খাপ খোৱাকৈ অন্ধবিশ্বাসৰ অৱতাৰণা কৰিছে। উদাহৰণ স্বৰূপে নাবিকসকলৰ মাজত এটা বিশ্বাস আছিল যে যদি কোনো তৰাই জোনটোক অনুসৰণ কৰে তেতিয়া হ'লে ইয়াক কোনো বিপদৰ সঙ্কেত বুলি বুজিব লাগে। কোলেৰিজে The Ancient Mariner কবিতাটোত এই অন্ধবিশ্বাসৰ প্ৰয়োগ কৰিছে নাবিকসকলৰ মৃত্যুৰ আগ মুহূৰ্তত। ইয়াৰ উপৰিও কবিতাটোত আছে আন বহুতো মধ্যযুগীয় ধৰ্মীয় পৰিবেশৰ অৱতাৰণা।

স্কট ঔপন্যাসিক হিচাপে বেছি প্ৰসিদ্ধি লাভ কৰিলেও স্কটৰ উপন্যাস আৰু কবিতা উভয়তে মধ্যযুগীয় পৰিবেশ বিদ্যমান। সৰুকালতে পাৰ্চিৰ The Reliques পঢ়াৰ পিছত মধ্যযুগৰ প্ৰতি তেওঁৰ আকৰ্ষণ বৃদ্ধি হ'বলৈ ধৰে। ইয়াৰ ফলস্বৰূপে মধ্য যুগীয় বেলাড আৰু ৰোমাণ্টিক কাহিনীৰ আৰ্হিত তেওঁ কেতবোৰ ৰোমাণ্টিক কাহিনী পদ্যত ৰচনা কৰে। সেইবোৰৰ ভিতৰত The Lay of the Last Minstrel Marmion Rockby আৰু The Lady of the Lake আদিয়েই প্ৰধান। এইবোৰ কবিতাৰ পটভূমি হ'ল মধ্যযুগ। শেষৰ কবিতাটোৰ চৰিত্ৰবোৰ হ'ল মধ্যযুগীয় নাইট। এই কবিতাবোৰক বেলাড বুলি নকৈ অৰ্দ্ধ মহাকাব্যধৰ্মী (half epic) আৰু অৰ্দ্ধ গীতিধৰ্মী (half lyrical) বুলিহে লীগুৱে (Legouis) কৰ খোজে। স্কটৰ কবিতাৰ ৰোমাণ্টিকতাৰ মূলতেই হ'ল তেওঁৰ এই মধ্যযুগ প্ৰীতি। কোলেৰিজৰ কবিতাত মধ্যযুগীয় পৰিবেশৰ উপস্থাপনা আৰু স্কটৰ কবিতাত ইয়াৰ উপস্থাপনৰ মাজত মূল পাৰ্থক্য এয়ে স্কটৰ উপস্থাপন ৰীতি কোলেৰিজতকৈ কম কলাত্মক আৰু ইয়াৰ সূক্ষ্মতাও

কম। কোলেৰিজৰ পদ্ধতিত আছে সূক্ষ্মতা আৰু মনস্তাত্ত্বিক ব্যঞ্জনা কিন্তু ইয়াৰ বিপৰীতে স্কটৰ পদ্ধতিত আছে কাৰ্য্যৰ প্ৰত্যক্ষ বৰ্ণনাৰ প্ৰতি আকৰ্ষণ।

জন কীট্‌ছ কীট্‌ছৰ বৰ্ণনামূলক কবিতা আৰু বেলাড—এই দুয়ো শ্ৰেণীতে আছে মধ্যযুগীয় পৰশ। মধ্যযুগীয় জীৱন যাত্ৰাৰ প্ৰতিফলন ঘটিছে তেওঁৰ কেইবাটাও কবিতাত। ইয়াৰ ভিতৰত The Eve of St Agnes Isabella আৰু La Belle Dame Sans Merci আদিয়েই প্ৰধান। The Eve of St Agnes কবিতাটোত মধ্যযুগীয় প্ৰসঙ্গৰ ভিতৰত আমি উল্লেখ কৰিব পাৰো দুৰ্গ অট্টালিকা নাইট সামন্ত প্ৰভু আনন্দ-উৎসৱ অন্ধবিশ্বাস প্ৰণয়লিপ্সা আদি। কবিতাটোৰ কেইটামান পংক্তিয়ে মধ্যযুগীয় আড়ম্বৰ আৰু জাকজমকতাৰ সুন্দৰ ছবি এখনি আমাৰ আগত দাঙি ধৰে। মধ্যযুগীয় পৰিবেশৰ সাক্ষ্য হিচাপে তলত উদ্ধৃত পংক্তি কেইটাও উল্লেখযোগ্য—

These lovers fled away into the storm
That might the Baron dreamt of many a woe
And all his warrior guests with shade and form
Of witch and demon and large coffin worm
Were long be nightmar d

La Belle Dame Sans Merci নামৰ কবিতাটোত মধ্যযুগীয় পৰিবেশ একেবাৰে সুস্পষ্ট। মধ্যযুগীয় উপাদান হিচাপে ইয়াত আছে নাইট আৰু মায়াবিনী নাৰীৰ চৰিত্ৰ আদি ৰসাত্মক পৰিবেশ ৰহস্যময়তা আৰু অলৌকিকতা। কবিতাটোৰ গোটেই পটভূমিটোৱেই মধ্যযুগীয়। The Eve of St Mark নামৰ কবিতাটোৰ পটভূমিও মধ্যযুগীয়। মধ্যযুগীয় সৌন্দৰ্য্য আৰু ধৰ্মীয় আচাৰ পদ্ধতিৰ আধ্যাত্মিক প্ৰতীকধৰ্মিতা পৰিস্ফুট হৈছে এই কবিতাটোত।

পঞ্চদশ অধ্যায়

ৰোমাণ্টিক কবিতাত বিষাদৰ সুৰ

বিষাদগ্ৰস্ততা ৰোমাণ্টিক মনোভঙ্গী বা মেজাজৰ এটি লক্ষণীয় দিশ। সেইকাৰণে আমি প্ৰায়বোৰ ৰোমাণ্টিক কবিৰ ৰচনাতে কম-বেছি পৰিমাণে বিষাদৰ সুৰ শুনিবলৈ পাওঁ। কিন্তু ৰোমাণ্টিক কবিসকলৰ বিষাদগ্ৰস্ততাক আমি নিৰাশাবাদ (Pessimism) বুলি কব নোৱাৰো কাৰণ তেওঁলোকে জীৱন বা জগত সম্বন্ধে একেবাৰে নিৰাশাবাদী দৃষ্টিভঙ্গী দাঙি ধৰা নাই। তেওঁলোকৰ বিষাদগ্ৰস্ততা দুখবাদ নহয়। ৰোমাণ্টিক কবিসকল প্ৰকৃতাৰ্থত আশাবাদীহে আৰু সকলো আশাবাদীয়েই যেনেকৈ মাজে মাজে একোবাৰ বিষাদগ্ৰস্ত বা হতাশ হৈ পৰে ৰোমাণ্টিক কবিসকলৰো হতাশা তেনেকুৱাহে। ই তেওঁলোকৰ মতবাদ বা দৃষ্টিভঙ্গীৰ বৈত চৰিত্ৰৰহে ফল। জীৱন আৰু জগত সম্বন্ধে ৰোমাণ্টিক দৃষ্টিভঙ্গী হ'ল আশা নিৰাশাৰ সংমিশ্ৰণ। ৰোমাণ্টিক বিষাদগ্ৰস্ততা (romantic melancholy) হ'ল সাময়িক আৰু ই কবিসকলৰ আশাবাদী দৃষ্টিভঙ্গীৰে এটা অন্তৰ্নিহিত দিশ। ৰোমাণ্টিক কবিসকল মাজে সময়ে বিষাদগ্ৰস্ত হৈ পৰাৰ কাৰণ কেইবাটাও। কেতিয়াবা কোনো কোনো কবিক কম স্বাস্থ্য বৈবাহিক জীৱনৰ অশান্তি সামাজিক গৰিহণা বা লাঞ্ছনা আদি ব্যক্তিগত কাৰণতো বিষাদগ্ৰস্ত হৈ উঠা দেখা যায়। বাস্তৱ জগত আৰু কবিসকলৰ কল্পনাৰ জগতৰ মাজত যি পাৰ্থক্য পৰি লক্ষিত হয় সিয়ো তেওঁলোকক অশান্তি দিয়া দেখা যায়। কবিসকলে যেনেকুৱা এখন শান্তিৰ ৰাজ্যত বিচৰণ কৰিব বিচাৰে তেনেকুৱা এখন শান্তিৰ ৰাজ্য বাস্তৱ জীৱনত সম্ভৱ নহয় কাৰণে তেওঁলোক হৈ পৰে বেদনাক্লিষ্ট। ৰাজনৈতিক বিশ্বাসৰ ক্ষেত্ৰত মোহভঙ্গ হোৱাৰ কাৰণেও কোনো কোনো কবিক সাময়িকভাৱে হ'লেও হতাশাগ্ৰস্ত কৰি তোলা লক্ষ্য কৰা যায়। নিঃসঙ্গতাৰ অনুভূতিও কাৰো কাৰো ক্ষেত্ৰত বিষাদ-গ্ৰস্ততাৰ কাৰণ। তলত আমি প্ৰধান ৰোমাণ্টিক কবিকেইজনৰ কবিতাত বেদনাৰ সুৰ কেনেদৰে পৰিলক্ষিত হৈছে তাৰ চমু আলোচনা এটি আগবঢ়াম।

ওৱাৰ্ডছৱৰ্থ: ওৱাৰ্ডছৱৰ্থৰ কবিতাত বেদনাৰ আভাস মাজে সময়ে ফুটি উঠিলেও তেওঁ আছিল কবি হিচাপে প্ৰকৃততে আশাবাদী। প্ৰকৃতিৰ কোলাত তেওঁ বিচাৰি পাইছিল শান্তি। ব্যক্তিগতভাৱে নিঃসঙ্গ অনুভৱ কৰাৰো তেওঁৰ কোনো প্ৰশ্ন উঠা নাছিল কাৰণ তেওঁৰ কাষত আছিল সদায় তেওঁৰ ভনীয়েক ডৰোথী। ব্যক্তিগত জীৱনত কেতবোৰ দুৰ্ভাগ্যজনক ঘটনা ঘটিলেও ইয়াৰ কবিতাত তেওঁৰ বৈবাহিক জীৱন দুখজনক হোৱা বুলিও কতো উল্লেখ কৰা নাই। বৰং তেওঁ

She was a Phantom of Delight নামৰ কবিতাটোত বৈণীয়েকৰ বিষয়ে এই দৰেহে লিখিছে—

A perfect woman nobly planned
To warn, to comfort, and Command

ওৱার্ডছ্ওৱার্থে আনকি তেওঁৰ শোক কবিতাগুচ্ছতো (Elegiac Stanzas) শেষত আশাবাদী দৃষ্টিভঙ্গীহে পোষণ কৰিছে। এই কবিতাখনিৰ একেবাৰে শেষত তেওঁ মত প্ৰকাশ কৰিছে যে আমি আশাবাদী মনোভাৱ লৈহে দুখ কষ্ট সহ্য কৰো—

But welcome fortitude and patient cheer
And frequent sights of what is to be borne!
Such sights or worse as are before me here—
Not without hope we suffer and we mourn

এনে আশাবাদী মনোভাৱ প্ৰকাশ কৰিলেও ওৱার্ডছ্ওৱার্থৰ কবিতাত ঠায়ে ঠায়ে বেদনাৰ ভাৱ পৰিস্ফুট হোৱা লক্ষণীয়। ইয়াৰ কাৰণ বহুতো বুলি অনুমান কৰিব পাৰি। তাৰে এটা হ'ল অতীতৰ স্মৃতি সঁচাকৈয়ে বেদনাদায়ক। সেই দিনবোৰ কেতিয়াও ঘূৰাই আনিব নোৱাৰি। শৈশৱৰ স্মৃতিয়ে কবিৰ মন ভাৱাক্ৰান্ত কৰাৰ স্বাক্ষৰ তেওঁৰ কেইবাটাও কবিতাই বহন কৰিছে। বিখ্যাত Immortality ode অত তেওঁ আবেগবিহ্বল হৈ কৈ উঠিছে—

Whither is fled the visionary gleam ?
Where is it now the glory and the dream ?

ওৱার্ডছ্ওৱার্থ আছিল মানব দৰদী কবি। সমাজৰ পদদলিত আৰু নিষ্পেষিত জনৰ প্ৰতি তেওঁৰ আছিল গভীৰ সহানুভূতি। সাধাৰণ লোকৰ জীৱনৰ কাৰুণ্যই সেয়েহে কবিক কৰি তুলিছিল বিমৰ্ষ। কবিৰ এই বিমৰ্ষতা প্ৰকাশ পাইছে Resolution and Independence Michael Idiot Boy আদি কেইটামান কবিতাত। মানৱসমাজত বিৰাজ কৰা হিংসা বিদ্বেষ খিয়লা খিয়লী আদিয়েও কবিৰ মন ভাৱাক্ৰান্ত কৰি তুলিছিল। সেয়েহে তেওঁ Written in Early Spring নামৰ কবিতাটোত প্ৰকৃতি জগতৰ আনন্দৰ মহামেলাৰ লগত মানৱ সমাজৰ নিৰানন্দৰ তুলনা কৰি বিষাদগ্ৰস্ত হৈ পৰিছে। প্ৰকৃতি জগতত আছে পৰস্পৰৰ মাজত সহায় সহানুভূতি কিন্তু মানৱসমাজত আছে হিংসা বিদ্বেষ। সেই কাৰণেই তেওঁ স্পষ্টকৈ কৈছে—

And much it grieved my heart to think
What man has made of man.

মানুহৰ ক্ষমতা লিপ্সা বিষয়াসক্তি বিলাসিতা আদিয়েও ওৱাৰ্ডছ্‌ৱৰ্থক মানসিক আঘাত দিছিল। কবিৰ এই মনোভাৱৰ স্বাক্ষৰ বহন কৰিছে London নামৰ দুটি চনেটে। ইয়াৰ প্ৰথমটোত তেওঁ কৈছে যে সৰল জীৱন যাপন আৰু মহৎ চিন্তা-চৰ্চাৰ প্ৰতি মানুহৰ কোনো আকৰ্ষণ নাই। ধন-দৌলতহে সন্মান। প্ৰকৃতিৰ সৌন্দৰ্য্যত নাইবা কিতাপৰ জ্ঞানত মানুহে এতিয়া কোনো আনন্দ নাপায়।

Rapine avarice expense,
This is idolatry ; and these we adore
Plain living and high thinking are no more

দ্বিতীয় কবিতাটোত তেওঁ ইংলণ্ডক a fen of stagnant waters বুলি আখ্যা দি ইয়াৰ সকলো লোকক স্বাৰ্থপৰ বুলি গৰিহণা দিছে। কবিৰ এই উক্তি গভীৰ দুখানুভূতিৰ পৰিচায়ক।

ওৱাৰ্ডছ্‌ৱৰ্থৰ লুচী কবিতা (Lucy Poems) কেইটাটো বেদনাৰ আভাস সুন্দৰকৈ পৰিস্ফুট হৈছে। তলত উদ্ধৃত স্তৱক এটিয়েই তেওঁৰ বেদনাৰ তীব্ৰতা হৃদয়ংগম কৰোৱাৰ কাৰণে যথেষ্ট—

She lived unknown and few could know
When Lucy ceased to b
But she is in her grave and oh
The difference to me

ওৱাৰ্ডছ্‌ৱৰ্থৰ ৰাজনৈতিক বিশ্বাসত কুঠাৰাঘাত পৰাৰ কাৰণেও তেওঁৰ কোনো কোনো কবিতাত বিষাদৰ সুৰ বাজি উঠিছে। ফৰাচী বিদ্ৰোহীসকলৰ প্ৰতি তেওঁ প্ৰথমতে আছিল সহানুভূতিশীল। কিন্তু বিপ্লৱীসকল নিজেই যেতিয়া অত্যাচাৰীলৈ ৰূপান্তৰিত হ'ল তেতিয়া তেওঁৰ মন গভীৰ নিৰাশাত নিমজ্জিত হৈ পৰিল। ইয়াক তেওঁ প্ৰকাশ কৰিছে তেওঁৰ Prelude নামৰ মহাকাব্যধৰ্মী কবিতাটোৰ দশম খণ্ডত। কবিৰ এই নিৰাশা ৰাজনৈতিক বিশ্বাসত মোহভংগ হোৱাৰ কাৰণ। কোনো ব্যক্তিগত কাৰণত সৃষ্টি হোৱা হতাশাৰ প্ৰতিফলন ওৱাৰ্ডছ্‌ৱৰ্থৰ কবিতাত ঘটা নাই।

কোলেৰিজ বেদনাৰ ভাৱ ওৱাৰ্ডছ্‌ৱৰ্থৰ কবিতাতকৈ কোলেৰিজৰ কবিতাতহে বেছি তীব্ৰ ৰূপত প্ৰকাশ পাইছে। ওৱাৰ্ডছ্‌ৱৰ্থে প্ৰকৃতিৰ কোলাত শান্তি বিচাৰি পাইছিল আৰু প্ৰকৃতিয়ে যে মানুহক শান্তি দিব পাৰে এই বিশ্বাসত তেওঁৰ কোনো দিনে সন্দেহ ওপজা নাছিল। কোলেৰিজেও প্ৰথমতে এই বিশ্বাস পোষণ কৰিলেও শেষত তেওঁৰ দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন ঘটে। Ode to Dejection অত তেওঁ স্পষ্টভাৱেই উল্লেখ কৰিছে যে আমাক আনন্দ দিব পৰা নিজা শক্তি প্ৰকৃতিৰ

নাই। এনে দৃষ্টিভঙ্গী তেওঁৰ মানসিক হতাশাৰে পৰিচায়ক। এই কবিতাটোত বিষাদৰ সুৰ ভলত দিয়া পংক্তি কেইটাতো লক্ষণীয়—

A grief without a pang void dark and drear
A stifled drowsy unimpassioned grief
Which finds no natural outlet no relief
In word, or sigh or tear

এই পংক্তি কেইটাত কবিয়ে তেওঁৰ বেদনাৰ প্ৰকৃতি নিজেই ব্যাখ্যা কৰিছে। স্বপ্ন বা কল্পনাবিলাসিতাই কবিক সদায় জীৱন্ত বা ক্ৰিয়াশীল কৰি ৰাখিব নোৱাৰে। এইবোৰ মানসিক বৃত্তি এদিন তেওঁ হেৰুৱাবই লাগিব। এই উপলব্ধি বা সচেতনাই তেওঁক কৰি তোলে বিষাদগ্ৰস্ত। Ode to Dejection নামৰ কবিতাটোৰ আন এঠাইতো তেওঁ উল্লেখ কৰিছে— My genial spirits fail ই তেওঁৰ বিষাদগ্ৰস্ততাৰ স্পষ্ট স্বীকাৰোক্তি। কোলেৰিজৰ Pains of sleep নামৰ কবিতাটোৰো কোনো কোনো শাৰীত প্ৰেমৰ ক্ষেত্ৰত ব্যৰ্থতাই তেওঁৰ মনলৈ আনি দিয়া হতাশাৰ উমান পোৱা যায়। এঠাইত তেওঁ লিখিছে— To be loved is all I need

ফৰাচী বিদ্ৰোহৰ বিফলতায়ো ওৱাৰ্ডছওৱাৰ্থৰ দৰে কোলেৰিজক হতাশ কৰি তুলিছিল। তেওঁৰ হতাশা দুখ আৰু ক্ষোভ প্ৰকাশ পাইছে France An ode নামৰ কবিতাটোত।

শ্বেলী কবি হিচাপে শ্বেলী আছিল প্ৰকৃততে আশাবাদী আৰু সেই কাৰণে যি সোণালী যুগৰ সপোন তেওঁ দেখিছিল সি বাস্তৱত পৰিণত হ'ব বুলি দৃঢ়ভাৱে বিশ্বাস কৰিছিল। তেওঁৰ Queen Mab The Revolt of Islam আদি দীঘলীয়া কবিতাবোৰ আৰু Prometheus Unbound নামৰ গীতিনাটকখনো আশাবাদৰে পৰিচায়ক। এইবোৰত হতাশা বা নিৰাশাৰ স্থান নাই। কেৱল লিৰিকবোৰতহে শ্বেলীৰ বেদনাৰ সুৰ বাজি উঠিছে। তেওঁৰ দীঘলীয়া কবিতা আৰু লিৰিকবোৰে দুটি বিপৰীতমুখী দৃষ্টিভঙ্গী দাঙি ধৰা দেখা যায়। প্ৰথম বিধত আমি পৰিচয় পাওঁ তেওঁৰ আশাবাদৰ কিন্তু দ্বিতীয় বিধত পাওঁ নিৰাশাবাদৰ। কিন্তু প্ৰকৃতপক্ষে এই দুয়োটা মনোভঙ্গীৰ মাজত বিশেষ বিৰোধ নাই বুলি সমালোচকসকলে মন্তব্য আগবঢ়াইছে। এই প্ৰসঙ্গত আয়ান জেকে (Ian Jack) কৈছে—"Shelley was optimistic about the future of the human race pessimistic about his own failure as an individual মানৱজাতিৰ ভৱিষ্যত সম্পৰ্কে তেওঁ সদায় আশাবাদী ; মানৱৰ আনন্দময় নৱজন্মত তেওঁ বিশ্বাসী। তেওঁৰ হতাশা কেৱল ব্যক্তি

হিচাপে তেওঁৰ বিফলতাত বা কৃতিকার্যহীনতাত। তেওঁ যেতিয়া নিজৰ বিষয়ে কয় তেতিয়া হৈ পৰে নিৰাশাবাদী।

এতিয়া আমাৰ মনত এটি প্ৰশ্নৰ উদয় হয়—শ্যেলীৰ এই বিষাদগ্ৰস্ততা বা হতাশাৰ কাৰণ কি? ইয়াৰ উত্তৰ হিচাপে সমালোচক সকলে কেইবাটাও কাৰণ দাঙি ধৰিছে। গোটেই জীৱনতে শ্যেলীক আনে ভুল বুজিছিল আৰু ইয়াৰ ফলত তেওঁ কটু সমালোচনাৰ সন্মুখীন হৈছিল। তেওঁক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হয় আৰু দেউতাকেও তেওঁক সম্পত্তিৰ পৰা বঞ্চিত কৰে। প্ৰেমৰ ক্ষেত্ৰত ব্যৰ্থতা আৰু তেওঁৰ মতবাদবোৰৰ প্ৰত্যাখ্যানেও শ্যেলীক নিৰাশ কৰি তুলিছিল। ইয়াৰ উপৰিও তেওঁ হৈছিল সামাজিক গৰিহণা আৰু লাঞ্চনাৰ পাত্ৰ। ইয়াৰ বাহিৰে শ্যেলীৰ আদৰ্শবাদো তেওঁৰ দুখানুভূতিৰ এটি কাৰণ হৈ পৰিছিল। তেওঁৰ আদৰ্শবাদ আনৰ গ্ৰহণীয় নোহোৱা কাৰণে কবিৰ মানসিক পীড়া দিয়াটো স্বাভাৱিক। সমালোচকৰ মতে শ্বেলীৰ বিষাদগ্ৰস্ততাৰ কাৰণ এইবোৰেই।

শ্বেলীৰ দুটি দীঘলীয়া কবিতাত নিজৰ যি ছবি দাঙি ধৰিছে সি একেবাৰেই হতাশাব্যঞ্জক। Alastor কবিতাটোত কবিয়ে নিজৰ চিত্ৰ এখনি দাঙি ধৰিছে এইদৰে—

There was a po t whose untimely tomb
No human hands with pious reverence reared
But the charmed eddies of autumnal winds
Built o er his mouldering bones a pyramid
Of mouldering leaves in the waste wilderness
A lovely you th —no mourning maiden decked
With weeping flowers or votive cypress wreath
The lone couch of his everlasting sleep
Gentle and brave and generous —no lorn bard
Breathed o er his dark fate one melodious sigh
He lived he died he sung in solitude

ঠিক সেইদৰে Adonais নামৰ শোক কবিতাটোতো কবিয়ে শোকাকুল লোক সকলৰ এজন হিচাপে নিজকে এজন পুতৌলগা ব্যক্তি হিচাপে দাঙি ধৰিছে—

Midst others of less note came one frail Form
A phantom among men companionless
As the last cloud of an expiring storm
Whose thunder is its Knell

শ্যেলীৰ কবিতাৰ বিষাদৰ সুৰ বেছি তীব্ৰৰূপত প্ৰকাশ পাইছে তেওঁৰ লিৰিক-বোৰতহে। কবিৰ ব্যক্তিগত জীৱনৰ দুখ আৰু হতাশা কেনে তীব্ৰৰূপত প্ৰকাশ পাইছে তাৰ আমি তেওঁৰ Stanzas Written in D jection near Naples নামৰ কবিতাটোৰ পৰাই উদ্ধৃত কৰিব পাৰো —

Alas ! I have nor hope nor health
Nor peace within nor calm around
Nor that content surpassing wealth
The sage in meditation found
And walked with inward glory crowned—
Nor fame nor power nor love nor leisure
Others I see whoms these surround—
Smiling they live and call life pleasure
To me that cup has been dealt in another measure

শ্যেলীয়ে তেওঁৰ O World ! O Life ! O Time ! নামৰ ক্ষুদ্ৰ লিৰিকটোতো জীৱনৰ শূন্যতাবোধৰ এটি বিষাদাত্মক ৰূপ দিছে—

O World ! O Life ! O Time !
On whose last steps I climb
Trembling at that where I had stood before
When will return the glory of your prime ?
No more—Oh never more !
Out of the day and night
A joy has taken flight
Fresh spring and summer and winter hoar
Move my faint heart with grief but with delight
No more—Oh never more !

শ্যেলীয়ে তেওঁৰ প্ৰখ্যাত কবিতা Ode to the West Wind অত মানৱৰ আনন্দ মুখৰ নৱজন্মৰ আশা পোষণ কৰিলেও তেওঁৰ ব্যক্তিগত জীৱনৰ দুখ আৰু হতাশাই তেওঁক জৰ্জৰিত কৰি তুলিছে—

Oh lift me as a wave a leaf a cloud !
I fall upon the thorns of life ! I bleed !
A heavy weight of hours has chained and bowed
One too like thee : tameless and swift and proud.

শ্যেলীয়ে তেওঁৰ কোনো কোনো কবিতাত মৃত্যু বাসনাও তীব্ৰভাৱে প্ৰকাশ কৰিছে। Stanzas Written in Dejection near Naples নামৰ কবিতাটোত তেওঁৰ এই প্ৰৱণতাৰ মৰ্মস্পৰ্শী প্ৰতিফলন ঘটিছে তলত দিয়া শাৰীকেইটাত—

I could lie down like a tired child,
And weep away the life of care
Which I have borne and yet must bear
Till death like sleep might steal on me

শ্যেলীৰ বিষাদগ্ৰস্ততা সদায় ব্যক্তিগত কাৰণৰ পৰা উদ্ভূত বুলি কব নোৱাৰি। কেতিয়াবা মনোধৰ্মী অনুভূতিতকৈ বস্তুধৰ্মী পৰ্য্যবেক্ষণো তেওঁৰ মনোবেদনাৰ কাৰণ হৈ পৰিছে। ইয়াৰ এটি সুন্দৰ উদাহৰণ দাঙি ধৰিব পাৰি তেওঁৰ To a Skylark কবিতাটোৰ পৰা—

We look before and after
And pine for what is not
Our sincerest laughter
With some pain is fraught
Our sweetest songs are those that tell of saddest thought

অধ্যাপক কুইলাৰ কাউছৰ (Quiller Couch) মতে শ্বেলীৰ বিষাদগ্ৰস্ততাৰ ভিত্তি কোনো ব্যক্তিগত নিৰাশা বা হতাশা নহয় বিষাদগ্ৰস্ততা আছিল তেওঁৰ মজ্জাগত তেওঁৰ মেজাজৰে এটি বিশেষ বৈশিষ্ট্য। এই সম্পৰ্কত তেওঁ যুক্তি দাঙি ধৰিছে যে শ্বেলী আছিল ধনীৰ সন্তান। অভাৱ অনাটনৰ মাজত তেওঁ কোনোদিনে পৰা নাছিল। তেওঁৰ হতাশাৰ মূলতে হ ল ভাৱপ্ৰৱণতা।

কীট্‌ছ কীটছৰ ব্যক্তিগত জীৱন আছিল অতি দুখৰ। কিন্তু তেওঁৰ এই ব্যক্তিগত দুখ বেদনাই তেওঁৰ কবিতাত কোনো গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰা নাই। নিজৰ স্বাস্থ্যৰ অৱনতিৰ উপৰিও ২৫ বছৰীয়া জীৱনলৈ তেওঁৰ নামি আহে এটাৰ পাছত এটাকৈ দুৰ্ভাগ্য। ১৮১৮ চনত তেওঁৰ ভায়েক টমৰ ক্ষয়ৰোগত মৃত্যু হয়। তেওঁৰ আন এজন ভায়েক জৰ্জো আমেৰিকালৈ গুছি যায়। তাৰ পিছত তেওঁ নিজে ক্ষয়ৰোগত ভোগে। এই ৰোগৰ পৰা তেওঁ কেতিয়াও নিস্তাৰ নাপালে। ইয়াৰ পিছত আকৌ ফেনীৰ (Fanny) প্ৰতি তেওঁৰ তীব্ৰ প্ৰণয়াসক্তিয়ে জীৱনলৈ দুখৰ বোজাৰ বাহিৰে আন একো আনিব নোৱাৰিলে। কিন্তু ফেনীক উদ্দেশ্য কৰি লিখা চিঠিকেইখন আৰু দুটিমান কবিতাত দুখানুভূতিতকৈ আবেগৰ তীব্ৰতাহে বেছিকৈ প্ৰকাশ পাইছে। কবি হিচাপে কীট্‌ছ পলায়নবাদী বুলিয়েই চিহ্নিত হৈছে। তথাপি আমি জানো যে

বাস্তৱক অস্বীকাৰ কৰা কোনো মানুহৰ পক্ষেই সম্ভৱ নহয়। কীট্‌ছেও শেষত এই সত্যৰ উপলব্ধি কৰিবলৈ বাধ্য হ'ল। মানৱ জীৱনৰ দুখ কষ্টক তেওঁ একেবাৰে অস্বীকাৰ কৰিব নোৱাৰিলে। মানৱ জীৱনৰ হতাশা ব্যৰ্থতা আদিয়ে প্ৰকাশ পালে তেওঁৰ বিখ্যাত কবিতা Ode to a Nightingale ত। বিষাদচিত্তে তেওঁ কৈ উঠিল—

The weariness the fever and the fret
Here where men sit and hear each other groan
Where palsy shakes a few sad last grey hairs
Where youth grows pale and spectre thin and dies
Where but to think is to be full of sorrow
And leaden eyed despairs
Where Beauty cannot keep her lustrous eyes
Or new love pine at them beyond to-morrow

বায়ৰণ আন আন ৰোমাণ্টিক কবিৰ দৰে বায়ৰণো বিষাদ গ্ৰস্ততাৰ পৰা মুক্ত হ'ব পৰা নাছিল। ৰোমাণ্টিক বিষাদগ্ৰস্ততা বায়ৰণৰো এটা বিশেষ বৈশিষ্ট্য বুলি অধ্যাপক চাইমনছে তেওঁৰ Romantic Movement in English Poetry নামৰ পুথিখনত আলোচনা কৰিছে। বহিৰ্জগতৰ প্ৰকৃতি আৰু কবিৰ নিজৰ প্ৰকৃতি—এই দুয়োটাই তেওঁৰ বিষাদগ্ৰস্ততাৰ কাৰণ। বায়ৰণৰ কাব্য নাটক Manfred আৰু মহাকাব্যধৰ্মী কবিতা Childe Harold ৰ অনেক ঠাইত কবিয়ে তেওঁৰ মনোবেদনাৰ ইংগিত দিছে। এবাৰ এখন আলোচনীতো তেওঁ এইদৰে লিখিছিল—

"Neither the music of the shepherd the crashing of the avalanche nor the torrent the mountain the glacier the forest nor the cloud have for one moment lightened the weight upon my heart

এই উক্তি তেওঁৰ বিষাদগ্ৰস্ততাৰে স্পষ্ট পৰিচায়ক। তথাপি এই কথা আমি স্বীকাৰ কৰিব লাগিব যে বায়ৰণৰ কবিতাত বিষাদগ্ৰস্ততাতকৈ তেওঁৰ ব্যঙ্গপ্ৰৱণতা আৰু বদমেজাজৰ অভিব্যক্তিহে বেছি প্ৰকট হৈ উঠিছে।

ষোড়শ অধ্যায়

ৰোমাণ্টিক কবিতাত 'ফুল' আৰু 'চৰাই'

প্ৰকৃতি জগতৰ প্ৰতি আকৰ্ষণ সকলো ৰোমাণ্টিক কবিৰে এটি সাধাৰণ বৈশিষ্ট্য। প্ৰকৃতি জগতৰ ৰূপ ৰস গন্ধ স্পৰ্শ—এই সকলোবোৰ কবিৰ অনুপ্ৰেৰণা আৰু আনন্দৰ উৎস। কবিৰ মানত প্ৰকৃতি জগতৰ সকলো বস্তুৱেই জীৱন্ত। বিভিন্ন ৰোমাণ্টিক কবিৰ কবিতাত প্ৰকৃতি জগতৰ নৈ জান জুৰি পৰ্বত-পাহাৰ গছ লতিকা আদিৰ চিত্ৰধৰ্মী বৰ্ণনাই আমাক বিস্ময়াভূত নকৰি নোৱাৰে। কিন্তু প্ৰকৃতি জগতৰ বিভিন্ন বস্তুৰ ভিতৰত ফুল আৰু চৰায়ে কবি কল্পনাত এক বিশেষ স্থান লাভ কৰিছে। প্ৰকৃতি জগতৰ এই দুবিধ বস্তু সম্বন্ধে বিভিন্ন কবিৰ কল্পনাৰ লীলা বৈচিত্ৰ্যৰ কথা ভাবিলে বিস্মিত হ'ব লাগে। সেই সম্বন্ধে এতিয়া ইয়াত অলপ আলোচনা আগবঢ়োৱা হ'ব।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত ফুল আৰু চৰাই সম্পৰ্কীয় কবিতা ওৱাৰ্ডছ্‌ওৱাৰ্থৰেই আটাইতকৈ সৰহ। তেওঁৰ পুষ্পকবিতাবোৰৰ বৈশিষ্ট্য ফুলৰ ৰূপ বৰণ বা গোন্ধৰ বৰ্ণনাত নহয় প্ৰকৃতপক্ষে তেওঁ এইকেইটা দিশৰ ওপৰত জোৰেই দিয়া নাই। তেওঁৰ বৈশিষ্ট্য ফুটি উঠিছে সৌন্দৰ্য্যহীন আৰু বাটৰ কাষত অনাদৃতভাৱে ফুলি উঠা ফুলসমূহৰ প্ৰতি তেওঁৰ কবিহৃদয়ৰ সহানুভূতি আৰু আকৰ্ষণতহে। এইসকলো তেওঁৰ আনন্দ আৰু প্ৰেৰণাৰ উৎস। কল্পনাশক্তিৰ সহায়ত তেওঁ এই অনাদৃত আৰু অতি সাধাৰণ ফুলবোৰকো মহিমামণ্ডিত কৰি তুলিছে। এইবোৰৰ মাজতে তেওঁ আবিষ্কাৰ কৰিছে মানৱৰ অনেক শিক্ষণীয় গুণ আৰু প্ৰচাৰ কৰিছে গাৰ্হস্থ্য জীৱনৰ উপযোগী বহু নীতি কথা। চেলানদাইন (Celandine) বা অৰ্কপুষ্প (এক প্ৰকাৰ সৰু হালধীয়া ফুল) সম্বন্ধে ওৱাৰ্ডছ্‌ওৱাৰ্থে তিনিটা কবিতা লিখিছে। তাৰে প্ৰথমটো (To the Small celandine) ৰচিত হয় ১৮ ২ চনত আৰু প্ৰকাশিত হয় ১৮ ৭ চনত। কবিতাটো লিৰিকৰ শ্ৰেণীত পৰে। আঠোটা স্তৱকযুক্ত এই কবিতাটোত কবিয়ে কৈছে যে পেনজী (Pausy) লিলি (Lily) কিংকাপ (Kingcup), ডেইজী (Daisy) প্ৰিমৰোজ (Primrose) ভায়োলেট (Violet) আদি ফুলৰ প্ৰশংসা কৰে তেনে মানুহৰ অভাৱ নাই। কিন্তু চেলানদাইন ফুলৰ ওপৰত কাৰো চকু নপৰে। কোনো কবিয়ে ইয়াৰ প্ৰশংসাত কবিতা ৰচনা নকৰে। কিন্তু সাধাৰণ কুটীৰবাসীৰ কাৰণে ইয়েই আনন্দৰ উৎস। ওৱাৰ্ডছ্‌ওৱাৰ্থৰ মতে আন আন ফুলৰ দৰে লোকৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা গুণ ইয়াৰো আছে। তেওঁৰ কাৰণে এই অনাদৃত চেলানদাইন হ'ল—

> Prophet of delight and mirth
> Ill requited upon earth ,

Herald of a mighty band
Of a joyous train ensuing
(To the small Celandine 1807)

দ্বিতীয় কবিতাটোও একে চনতেই ৰচিত আৰু প্ৰকাশিত হয়। এই চেলানদাইন ফুলবোৰ দেখিলে তেওঁ কেনেকুৱা ধৰণে আনন্দিত হৈ উঠে তাক তেওঁ এই কবিতাটোত উল্লেখ কৰিছে। কবিৰ মতে এই ফুল হ'ল blithe of heart (আনন্দচিত্তৰ) আৰু "Liveliest of the vernal train" (বসন্তকালৰ সকলো ফুলতকৈ সজীৱ)। ইয়াৰ এনে এক সম্মোহনীয় শক্তি আছে যে মৌ মাখিয়ে আনক বাদ দি ইয়াৰ ওপৰতহে পৰে। কবিৰ মতে সকলোৱে এই ফুলক অনাদৰ কৰিলেও তেওঁৰ দৰে দুই চাৰিজনে আদৰ কৰিলেও যথেষ্ট। তৃতীয় কবিতাটো পিছত লিখা কিন্তু একে চনতেই প্ৰকাশিত। এই কবিতাটোত কিন্তু কবিৰ আগৰ দুটাৰ আনন্দৰ ভাৱ নাই। চেলান দাইন ফুলক তেওঁ ভাল পালেও ইয়ো এদিন মৰহি যায়।

ওৱাৰ্ডছৱাৰ্থে ডেইজী ফুলক লৈও চাৰিটা কবিতা লিখিছে। ইয়াৰ প্ৰথম তিনিটাৰ ৰচনাৰ সময় ১৮ ২ চন আৰু প্ৰকাশৰ সময় ১৮০৭ চন। চতুৰ্থটাৰ ৰচনাৰ সময় ১৮ ৪ চন আৰু প্ৰকাশৰ সময় ১৮১৫ চন। ওৱাৰ্ডছৱাৰ্থৰ মতে ডেইজী ফুলো আনন্দৰ উৎস বিশেষকৈ কবিসকলৰ বৰ প্ৰিয়—

Thou liv st with less ambitious aim
Yet hast not gone without thy fame
Thou art indeed by many a claim
The poet s darling (To the Daisy)

ডেইজী ফুলৰ দৰ্শনতেই কবিৰ দুখ ভাগৰ আঁতৰি যায়—

He needs but look about and there
Thou art !—a friend at hand to scare
His melancholy

ডেইজী ফুল কেৱল আনন্দৰ উৎসই নহয় ই মানুহক দিব পাৰে বোধশক্তি আৰু জ্ঞান বা প্ৰজ্ঞা ই জগাই তোলে কবিৰ কল্পনাশক্তিক—

Have I derived from they sweet power
Some apprehension
Some steady love some brief delight ,
Some memory that had taken flight
Some chime of fancy wrong or right
Or stray invention

If stately passions in me burn
And one chance look to Thee should turn
I drink out of an humbler urn
A lowlier pleasure
The homely sympathy that heeds
The common life our nature breeds
A wisdom fitted to the needs
Of hearts at leisure

কবিৰ মতে ডেইজী ফুল কেৱল কবিৰে প্ৰিয় নহয়, প্ৰকৃতিৰো প্ৰিয়— Nature s favourite দ্বিতীয় কবিতাটোতো কবিৰ বক্তব্য প্ৰায় একেই। ইয়াত কবিয়ে ডেইজী ফুলক তেওঁৰ মন আনন্দিত কৰাৰ উপৰি নম্ৰ স্বভাৱৰ ভাগো দিবলৈ অনুৰোধ কৰিছে—

Do thou as thou art wont repair
My heart with gladness and a share
Of thy meek nature

ডেইজী ফুলৰ নম্ৰ স্বভাৱৰ ভাগ দিবলৈ কোৱা মানে প্ৰকৃতি জগতৰ শিক্ষণীয় দিশটোৰ কথাই কবিয়ে ইয়াত দোহাৰিছে। তৃতীয় কবিতাটোত কবিয়ে ডেইজী ফুলক শান্তিৰ দূত বুলি কোৱাৰ উপৰিও মানৱ জীৱন আৰু প্ৰকৃতি জগতৰ মাজৰ আত্মিক সম্বন্ধৰ কথা উল্লেখ কৰি মানৱ জীৱনত যে প্ৰকৃতিয়ে আশাৰ সঞ্চাৰ কৰিব পাৰে তাকে বিশ্বাস কৰিছে। চতুৰ্থ কবিতাটোত কিন্তু আছে গভীৰ বেদনাৰ আভাস। তেওঁৰ সান্ত্বনা কেৱল এইখিনিতে যে যি ডেইজী ফুল তেওঁৰ ভায়েকৰ অতি প্ৰিয় আছিল তাৰ কাষতেই তেওঁ অনন্ত শয্যাত শয্যায়িত। তেওঁৰ সমাধিৰ কাষতে ডেইজী ফুল ফুলিব আৰু মৰহি যাব। কবিৰ নিজৰ ক্ষেত্ৰতো সম্ভৱতঃ একে কথাই খাটিব।

ওপৰত উল্লেখ কৰা এই কবিতা কেইটাৰ বাহিৰে আন কেইটামান কবিতা ৱৰ্ডছৱৰ্থৰ পুষ্পকবিতাসমূহৰ ভিতৰুৱা। প্ৰকৃতি জগতত যে সকলোৰে জীৱন শান্তিপূৰ্ণ কবিৰ সেই বিশ্বাসটোৰ প্ৰতিধ্বনি হৈছে তেওঁৰ A Flower Garden নামৰ কবিতাটোত য ত তেওঁ ফুলৰ জীৱনক কৈছে Peaceful lives বুলি। এই কবিতা টোত তেওঁ Rose আৰু lily —এই দুবিধ ফুলৰহে উল্লেখ কৰিছে। ৱৰ্ডছৱৰ্থৰ Flowers নামে এটি চনেটো আছে। ইয়াত তেওঁ হথৰ্ণ (hawthorn) ষ্ট্ৰবেৰী (strawberry) আইব্ৰাইট (eyebright) থাইম (thyme) আদি জোপোহা

গছ আৰু সেইবোৰৰ ফুলৰ গোন্ধ আৰু ৰঙৰ বৰ্ণনা দি সেইবোৰে কেনেকৈ এটি মনোমোহা দৃশ্যৰ (fair to view) সৃষ্টি কৰিছে তাৰ এটি চিত্ৰ আমাৰ আগত দাঙি ধৰিছে। এই সকলোবোৰ যেন ভগৱানৰ অতি প্ৰিয়। Flowers in Madeira নামৰ কবিতাটোৰ এটা বিশেষত্ব আছে। ই কবিৰ মাদিয়াৰা দ্বীপৰ ফুলৰ প্ৰত্যক্ষ দৰ্শনৰ ফল নহয় এখন ছবি চাই লিখা কবিতাহে। তথাপিতো কবিয়ে তেওঁৰ প্ৰখৰ কল্পনাশক্তিৰ বলত এই ছবিখনতেই যেন তেওঁ প্ৰত্যক্ষ কৰিছে Heart s—ease Speedwell Star of Bethlehem Forget me-not আদি বিভিন্ন ফুল। Poor Robin নামৰ কবিতাটোত আকৌ প্ৰকাশ পাইছে ওৱাৰ্ডছৱাৰ্থৰ অথ্যাত আৰু অনাদৃত ফুলৰ প্ৰতি আকৰ্ষণ। ৰবীন হ'ল এক প্ৰকাৰ সৰু বনৰীয়া ফুল। এই কবিতাটোত কবিয়ে কৈছে যে বসন্তকালক আদৰিবলৈ যেতিয়া প্ৰিমৰোজ লিলি আদি ফুল জাতিকাৰ হৈ উঠে তেতিয়া ৰবীন ফুল নুফুলেই। তথাপিও ইয়াৰ ৰঙা ঠাৰিবোৰ ৰ'দত চিকমিকাই ঠাইডোখৰ সুশোভিত কৰি তোলে। ইয়াৰ পাতৰ খোপাৰ সৌন্দৰ্য্য বসন্তকালত ফুলি উঠা আন আন উজ্জ্বল ৰঙা ফুলতকৈ কোনো গুণে কম নহয়। এই পাতবোৰকে ফুল যেন দেখি। মানুহক আনন্দ দিয়াত ইয়ো আন ফুলৰ দৰে সমানেই ভাগ লৈছে। ফুল থাকক নাথাকক ই সকলো সময়তে একেদৰে সজীৱ আনন্দমুখৰ। এই ফুলৰপৰা মানুহে এইটো শিক্ষা লোৱা উচিত যে যি অনাদৃত বা যাক আমি মূল্যহীন বুলি ভাবোঁ সি কেতিয়াও তেনে ধৰণে তুচ্ছ হ'ব নোৱাৰে। সিয়ো সৌন্দৰ্য্যশীল মহিমামণ্ডিত। ভগৱানে সকলোকে কিবা নহয় কিবা এটা গুণ দিছেই। The Primrose of the Rock নামৰ কবিতাটো তাৎপৰ্য্য পূৰ্ণ। ইয়াত কবিয়ে ফুলটোৰ জৰিয়তে মানুহ প্ৰকৃতি আৰু ভগৱানৰ মাজৰ এৰাব নোৱাৰা সম্বন্ধটো স্পষ্টভাৱে উল্লেখ কৰিছে দুটা স্তবকৰ মাজেৰে—

The flowers still faithful to the steams
Their fellowship renew
The steams are faithful to the root
That worketh out of view
And to the rock the root adheres
In every fibre true (Stanza 3)

Close clings to earth the living rock
Though threatening still to fall ;
The earth is constant to her sphere
And God upholds them all. (Stanza 4)

ৱৰ্ডছৱৰ্থে ফুল বিষয়ক বহুতো কবিতা ৰচনা কৰিছে যদিও কিন্তু সকলো এই কথাত একমত নিশ্চয় হ’ব যে সেইবোৰৰ ভিতৰত The Daffodils নামৰ কবিতাটো সৰ্বোৎকৃষ্ট। কবিতাটোৰ বিকল্প শিৰোনামা হ’ল I wandered lonely as a cloud কবিতাটো ৰচনাৰ সময় হ’ল ১৮ ৪ চন কিন্তু ইয়াক প্ৰকাশ কৰা হয় ১৮ ৭ চনতহে। উপমা আৰু চিত্ৰকল্পৰ সহায়ত কবিৰ ডেফোডিল ফুলৰ বৰ্ণনা ইমান জীৱন্ত আৰু চিত্ৰধৰ্মী হৈ উঠিছে যে কবিতাটো পঢ়ি গ’লে ফুলেৰে সৈতে গোটেই ঠাইখন আমাৰ চকুৰ আগত ভাঁহি উঠা যেন লাগে। চাৰিটা স্তৱকত সম্পূৰ্ণ এই কবিতাটোৰ প্ৰত্যেককেইটা স্তৱকেই উদ্ধৃতি যোগ্য। ডেফোডিল ফুলবোৰ ফুলি থকা ঠাইডোখৰ আৰু ফুলবোৰৰ অৱস্থিতি প্ৰথম স্তৱকটোতেই সুন্দৰকৈ ফুটি উঠিছে—

I wandered lonely as a cloud
That floats on high o er vales and hills
When all at once I saw a crowd
A host of golden daffodils
B side the lake beneath the trees
Fluttering and dancing in the breeze (Stanza 1)

ফুলবোৰে হ্ৰদৰ পাৰত থকা গছৰ তলত হালি জালি নাচি বাগি কেনেকুৱা ধৰণৰ অপৰূপ সৌন্দৰ্য্যৰ সৃষ্টি কৰিছিল তাক কবিয়ে বৰ্ণনা কৰিছে দ্বিতীয় স্তৱকত –

Continuous as the stars that shine
And twinkle on the milky way
The stretched in never ending line
Along the margin of a bay
Ten thousand saw I at a glance
Tossing their heads in sprightly dance

ফুলবোৰৰ সৌন্দৰ্য্যই কবিৰ মনত কেনে ধৰণে ক্ৰিয়া কৰিছিল তাক বৰ্ণনা কৰা হৈছে তৃতীয় স্তৱকত। কবিয়ে কৈছে যে হ্ৰদৰ পানীৰ ঢৌবোৰেও নাচি আনন্দ প্ৰকাশ কৰিছিল কিন্তু ডেফোডিল ফুলবোৰৰ নাচোনে যেন সেইবোৰক চেৰ পেলাই গৈছে। এনেকুৱা আনন্দমুখৰ পৰিবেশত কোনো কবিয়েই আনন্দ প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰে—

A poet could not but be gay
In such a jocund company
gazed—and gazed—but little thought
What wealth the show to me had brought

যেকোনো দিন ফুলবোৰে তেওঁৰ মনত যি পুলকৰ সৃষ্টি কৰিছিল সি ক্ষণেকীয়া নহয়। সেই ঠাইখিনি এবাৰ পিছতো কল্পনাশক্তিৰ সহায়ত কবিয়ে ফুলবোৰৰ সৌন্দৰ্য্য উপভোগ কৰে। গোটেই পৰিস্থিতিটোৱেই তেওঁৰ মানস চকুত আকৌ এবাৰ প্ৰতিভাত হৈ উঠে আৰু আনন্দৰ যোগান ধৰে—

For oft when on my couch I lie
In vacant or in pensive mood
They flash upon that inward eye
Which is the bliss of solitude
And then my heart with pleasure fills
And dances with the daffodils (Stanza 4)

ফুল বিষয়ক কবিতাৰ তুলনাত ৱৰ্ডছৱাৰ্থৰ চৰাই বিষয়ক কবিতাৰ সংখ্যা অলপ বেছি। তলত উল্লেখ কৰা কবিতাকেইটাই তেওঁৰ চৰাই বিষয়ক প্ৰধান কবিতা —

1 The Redbreast Chasing the Butterfly (1807)
2 To the Cuckoo (1807)
3 The Green Linnet (126)
4 The Nightingale (1807)
5 To a Skylark (1807)
6 The Sparrow s Nest (1807)
7 To the Cuckoo (1827)
8 The Parrot and the Wren (1827)
9 To a Skylark (1827)
10 Eagles (1835)
11 The Poet and the Caged Turtle dove (1835)
12 The Redbreast (1835)
13 A Wren s Nest (1835)
14 The Thrush (1838)
15 The Cuckoo at Laverna (1842)
16 The Eagle and the Dove (1842)
17 To a Redbreast (1842)

ওপৰৰ কবিতা কেইটালৈ মন কৰিলে এটা কথা আমাৰ মনলৈ আহে যে কবি ৱৰ্ডছৱাৰ্থৰ বোধহয় ফুলিচৰাইৰ প্ৰতি বিশেষ এটা আকৰ্ষণ আছিল আৰু এই

কাৰণেই এই চৰাই বিষয়ক আমি তিনিটামান কবিতা পাওঁ। বৰীন বেডব্ৰেষ্ট চৰাই বিষয়ক কবিতাও পাওঁ তিনিটা। অৱশ্যে আন আন ৰোমাণ্টিক কবিৰ দৰে স্কাইলাৰ্ক আৰু নাইটিঙ্গেলেও ভেওঁৰ কবি হৃদয়ক আকৰ্ষণ কৰিছে। কুলিচৰাই বিষয়ক কবিতা বোৰৰ ভিতৰত ১৮ ২ চনত ৰচনা কৰা আৰু ১৮ ৭ চনত প্ৰকাশ পোৱা "To the Cuckoo নামৰ কবিতাটোৱেই সৰ্বপ্ৰথম আৰু সৰ্বোৎকৃষ্ট। এই কবিতাটোত চৰাই টোতকৈ ইয়াৰ গানটোতহে বেছি গুৰুত্ব দিয়া হৈছে। প্ৰকৃতি জগতত সকলো সুখী বুলি ওৱাৰ্ডছ্ৱাৰ্থৰ বিশ্বাসৰ মূৰ্ত প্ৰকাশ হৈছে এই কুলি চৰাইটো—"blithe new comer কুলিক চৰাই বুলি নকৈ এটি ভ্ৰাম্যমান স্বৰ বুলি কোৱাতেই প্ৰকাশ পাইছে চৰাইটোৰ গৰিমা মহিমা। ই হল এটি প্ৰহেলিকাও। কুলিয়ে কবিৰ শৈশৱৰ স্মৃতি জগাই তোলে আৰু ইয়াৰ গানে গোটেই পৃথিৱীখনকে এখন তপোনপুৰী লগা যেন কৰে য'ত কুলিৰ দৰে প্ৰাণী থকাৰ যোগ্য। কুলি চৰাই বিষয়ক ওৱাৰ্ডছ্ৱাৰ্থৰ দ্বিতীয় কবিতাটোৰ নামো To the Cuckoo ইয়াৰ প্ৰকাশৰ সময় হল ১৮২৭ চন। এই কবিতাটোতো বৰ্ণিত হৈছে তাপিত অত্যাচাৰিত আৰু বেদনাক্লিষ্টজনক শান্তি দিব পৰা কুলিৰ সঙ্গীতৰ ক্ষমতা। বনলিঙ্গ কবিয়ে নিৰ্বিচাৰে ঈগলৰ চিকাৰৰ দৃশ্য বা সিংহৰ গৰ্জন কিন্তু বিচাৰে বসন্তকালত কুলিৰ কুউ কুউ মাত। কুলি চৰাইক আৱৰি জনাই গুণকীৰ্তন কৰা ওৱাৰ্ডছ্ৱাৰ্থৰ তৃতীয় কবিতাটো হল "The Cuckoo at Laverna. কোকিলকণ্ঠৰ সম্মোহনীয়তা আৰু চৰাইটোৰ আগমনত কবিৰ আনন্দ উদ্দীপনাৰ বৰ্ণনা কৰিয়ে কবিতাটোৰ আৰম্ভণিতে দিছে—

> List— twas the Cuckoo—O with what delight
> Heard I that voice ! and catch it now though faint
> For off and faint and melting into air
> Yet not to be mistaken. Hark again !
> Those louder cries give notice that the Bird
> Although invisible as Echo s self
> Is wheeling hitherward Thanks happy creature
> For this unthought of greeting !

ছেলীৰ স্কাইলাৰ্কৰ দৰে বিখ্যাত নহলেও ওৱাৰ্ডছ্ৱাৰ্থেও এইটো পখী বিষয়ক দুটা কবিতা লিখিছিল। দুয়োটা কবিতা বেলেগ বেলেগ সময়ত লিখা, প্ৰায় বিশ বছৰৰ ব্যৱধানত। প্ৰথমটোৰ ৰচনাকাল হল ১৮ ২ চন আৰু প্ৰকাশৰ সময় হল ১৮০৭ চন। কবিতাটোৰ নাম হল To a Skylark ছেলীৰ স্কাইলাৰ্কৰ দৰে ইয়াতো

আছে কবিৰ ঊৰ্দ্ধমুখী গতি। চৰাইটোৰ গানে কবিৰ প্ৰাণ এনেদৰে উতলা কৰিছে যে তেওঁ যেন স্কাইলাৰ্কৰ লগত আকাশলৈ উৰি যাব

There is madness about thee and joy divine
In that song of thine
Lift me guide me high and high
To thy banqueting place in the sky

ঊৰ্দ্ধমুখী গতি হলেও স্কাইলাৰ্কে মৰ্ত্যৰ লগত সম্বন্ধ একেবাৰে চিঙিব নোখোজে। কাৰণ Thou hast a nest for thy love and thy rest দ্বিতীয় কবিতাটোতে এই ভাবৰেই পুনৰুক্তি হৈছে। এই কবিতাটোৰ নাম কোনো কোনো ঠাইত To a Skylark আৰু কোনো কোনো ঠাইত To the Skylark বুলি দিয়া হৈছে। ইয়াত স্কাইলাৰ্ক পখীটো আধ্যাত্মিকতা আৰু বৈষয়িকতাৰ সমন্বয়ৰ প্ৰতীক। সেয়েহে ই—

Type of the wise who soar but never roam
True to the kindred points of Heaven and Home

কবিৰ মতে স্কাইলাৰ্ক পখীটো বিজ্ঞলোকৰ দৰে। বিজ্ঞলোকসকলে সদায় ওপৰৰ ফালে উৰা মাৰে অৰ্থাৎ তেওঁলোকে নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষৰ কথা চিন্তা কৰে কিন্তু তেওঁলোকে উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰি সময় নষ্ট নকৰে (অবাবত সময় নষ্ট নকৰে)। ইয়াৰ দ্বাৰা এইটোকে বুজোৱা হৈছে যে তেওঁলোক কল্পনাপ্ৰৱণ হলেও তেওঁলোকৰ কল্পনা সৃষ্টিধৰ্মী কল্পনা অলীক (অলস বা মূল্যহীন) কল্পনা নহয়। নৈতিক আৰু আধ্যাত্মিক উন্নতিৰ কথা চিন্তা কৰিলেও সাংসাৰিক দায়িত্বৰ ফালে তেওঁলোকে কেতিয়াও পিঠি নিদিয়ে। সাংসাৰিক (ঘৰুৱা) কৰ্তব্য তেওঁলোকে সুচাৰুৰূপে পালন কৰে। কবিতাটোত হেভেন শব্দটোৰে নৈতিক আৰু আধ্যাত্মিক চিন্তা আৰু হোম শব্দটোৰে সাংসাৰিক কৰ্তব্য বা দায়িত্ব অৰ্থত লোৱা হৈছে। স্কাইলাৰ্ক পখীটো আকাশত উৰি ফুৰিলেও ইয়াৰ বাহটো আছে মাটিত। গতিকে ই বাহটোৰ কথা পাহৰিব নোৱাৰে। জ্ঞানীলোকে যেনেকৈ সাংসাৰিক কৰ্তব্য নাপাহৰে ঠিক তেনেকৈ স্কাইলাৰ্ক পখীটোৱে নিজৰ বাহটো এৰি নাযায়। ওৱাৰ্ডছৱাৰ্থে এই কবিতাটোত পখীটোৰ জৰিয়তে এটি নৈতিক দৃষ্টিভঙ্গী দাঙি ধৰিছে।

ৰবীন বেডব্ৰেষ্ট পখীক লৈ ওৱাৰ্ডছৱাৰ্থে তিনিটা কবিতা ৰচনা কৰিছে। ইয়াৰ ভিতৰত ১৮ ৭ চনত প্ৰকাশ কৰা প্ৰথমটো হল The Redbreast Chasing the Butterfly ইয়াত কবিয়ে কৈছে যে চৰাইটো আৰু পখিলাটো উভয়েই প্ৰকৃতিৰ সন্তান আৰু উভয়েই মানুহৰ আনন্দৰ উৎস। চৰাইটো হ'ল Cheerer of indoor Sadness

আৰু পখিলাটো হ'ল friend of our summer gladness. কবিৰ মতে ফুলৰ ফকফকা বতৰত দুয়োটাই যেন জোনাকিৰ সখী হোৱা উচিত। দুয়োটাই আনন্দ মনে একেলগে আকাশত উৰি ফুৰিব লাগে। দুয়োটাই দেখাত একে ধুনীয়া। কিন্তু দুয়ো বন্ধু হোৱাৰ সলনি চৰাইটোৱে পখিলাটোক খেদিছে খুটিছে। সেয়েহে কবিৰ মনত বেদনা। প্ৰকৃতি জগতত তেওঁ সহযোগ আৰু বন্ধুত্বহে বিচাৰে হিংসা বিদ্বেষ বা শত্ৰুতা নহয়। সেইকাৰণে তেওঁ চৰাইটোক অনুৰোধ কৰিছে—

Wouldst thou be happy in thy nest
O pious Bird ! whom man loves best,
Love him o leave him alone !

ৰেডব্ৰেষ্ট চৰাই বিষয়ক দ্বিতীয় কবিতাটোৰ নাম হ'ল The Redbreast ইয়াক প্ৰকাশ কৰা হয় ১৮৩৫ চনত। এই কবিতাটোত কবিয়ে চৰাইটোৰ আগমনক স্বাগত জনাইছে। শৰত কালৰ আগমনৰ লগে লগে বননি আৰু ঘাঁহনি পথাৰবোৰ যেতিয়া মুকলি হবলৈ ধৰে তেতিয়া ৰবীন পখীয়েই ঠাই সলাই মানুহৰ বাসস্থানলৈ আহে। এই পখীটো মানুহৰ বহু প্ৰতীক্ষিত আলহী স্বৰূপ। মানুহৰ ঘৰলৈ আহিয়েই ই গান গোৱা আৰম্ভ কৰি দিয়ে। ইয়াৰ মাত কেতিয়াবা মজিয়াত আৰু কেতিয়াবা চিলিঙৰ পৰা শুনা যেন লাগে। একেবাৰে অকণমান হোৱা বাবে চৰাইটোক কেতিয়াবা দেখা যায় কেতিয়াবা নাযায়। তথাপিও কবিৰ কাৰণে ই আনন্দৰ উৎস—

Heart pleased we smile upon the Bird
If seen and with like pleasure stirred
Commend him when he s only heard

ৰেডব্ৰেষ্ট বিষয়ক তৃতীয় কবিতাটো হ'ল To a Redbreast ইয়াক প্ৰকাশ কৰা হৈছিল ১৮৪২ চনত। কবিতাটো ক্ষুদ্ৰ আৰু একেবাৰে সৰল। ইয়াতো কবিয়ে স্বীকাৰ কৰিছে চৰাইটোৰ গানৰ সন্মোহনীয়তা আৰু বিষণ্ণজনক সান্ত্বনা দিব পৰা শক্তি। কবি এতিয়া বৃদ্ধ। গতিকে তেওঁ ৰেডব্ৰেষ্ট পখীটোক অনুৰোধ কৰিছে তেওঁৰ খিৰিকীৰ কাষত বহি তেওঁক গান শুনাবলৈ। পখীটোৰ গান শুনা এয়েই হয়তো তেওঁৰ শেষ। গানৰ মাধুৰ্য্য বৰ্ণনা কৰি কবিয়ে কৈছে—

A charm that thought can not destroy
Doth to thy strain belong.

কোলেৰিজ আৰু কীট্‌ছৰ দৰে ওৱাৰ্ডছ্‌ৱাৰ্থেও নাইটিংগেলক সম্বোধন কৰি এটি কবিতা লিখিছে। কবিয়ে কিন্তু এই চৰাইটোক কুলি বা ৰবীনৰ শাৰীত একেলগে থোৱা নাই। এই পখীৰ গানে কবিৰ অন্তৰ স্পৰ্শ কৰিব পৰা নাই। তেওঁৰ মতে

নাইটিংগেল হ'ল উগ্রচিত্তৰ (fiery heart) এক প্ৰাণী। ওৱাৰ্ডছৱৰ্থৰ পক্ষী কবিতাবোৰৰ ভিতৰত এটি উল্লেখযোগ্য কবিতা হ'ল The Green Linnet সেউজীয়া লিনেট পক্ষীকো কুলিচৰাইৰ দৰে কবিয়ে মহিমামণ্ডিত কবি তুলিছে আৰু বসন্তকালৰ গোটেই আনন্দ উৎসৱৰ মূল বুলি আদৰণি জনাইছে—

Hail to Thee far above the rest
In joy of voice and pinion!
Thou Linnet! in Thy green array
Presiding spirit here to day
Dost lead the revels of the May
And this is thy dominion

এই কবিতাটোত প্ৰকৃতিৰ শোভাৰ লগত লিনেট পখীৰ একাত্মতা কবিয়ে অনুভৱ কৰিছে।

একে ৰোমাণ্টিক কবি হলেও অলৌকিক জগতখনে যেনেকৈ আকৰ্ষণ কৰিছিল তেনেকৈ প্ৰকৃতি জগতে কোলেৰিজক আকৰ্ষণ কৰিব পৰা নাছিল। প্ৰকৃতি জগতৰ প্ৰতি একেবাৰে উদাসীন নহলেও ফুলৰ সৌন্দৰ্য্য বা পখীৰ গানে কোলেৰিজৰ মন সিমান আকৰ্ষণ কৰিব নোৱাৰিছিল। সেই কাৰণে পুষ্পবিষয়ক বা পখীবিষয়ক কবিতা তেওঁৰ খুব কম। তেওঁৰ পুষ্পকবিতাৰ ভিতৰত On observing a Blossom The Rose আৰু পক্ষীবিষয়ক কবিতাৰ ভিতৰত The Nightingale To the Nightingale আৰু The Raven আদি দুটিমান কবিতাৰহে উল্লেখ কৰিব পাৰি। On Observing a Blossom কবিতাটোত কোলেৰিজৰ দৃষ্টিভঙ্গী ওৱাৰ্ডছৱৰ্থৰ বিপৰীতধৰ্মী। ফেব্ৰুৱাৰী মাহত ঠাণ্ডাত ঠেঁৰেতা লাগি থকা ধুনীয়া ফুল এপাহ দেখি কবিৰ মনত দুখহে লাগিছে কাৰণ বতাহৰ কোবত ই সোনকালে সৰি পৰিব নাইবা এনেয়ে মৰহি যাব। সেইকাৰণে কবিয়ে ফুলপাহক প্ৰথমে Sweet flower বুলি সম্বোধন কৰি পিছত দুখেৰে poor flower আখ্যা দিছে কাৰণ ফুলৰ এই সৌন্দৰ্য্য একেবাৰে ক্ষন্তেকীয়া। ফুলৰ সৌন্দৰ্য্যৰ ক্ষণস্থায়িত্ব বুজাবলৈ কবিয়ে এটি তুলনা দাঙি ধৰিছে—

Shall I liken thee
To some sweet girl of too too rapid growth
Nipp d by consumption mid untimely charms?

The Ros নামৰ কবিতাটোত কবিয়ে গোলাপ ফুলক The garden s আখ্যা দি ইয়াৰ সহায়ত এটি অতিকথাৰ সৃষ্টি কৰিছে। কোলেৰিজৰ চৰাই কবিতাবোৰৰ

ভিতৰত The Nightingale টোৱেই উল্লেখযোগ্য। এই কবিতাটোত প্ৰকৃতিৰ প্ৰতি এটা সময়ত কোলেৰিজৰ দৃষ্টিভঙ্গী প্ৰকাশ পাইছে। তেওঁৰ মতে আন আন কিছুমান কবিয়ে কোৱাৰ দৰে নাইটিংগেল চৰাই কেতিয়াও নিৰানন্দ (melancholy) নহয়। কাৰণ প্ৰকৃতি-জগতত একো বাস্তৱেই নিৰানন্দ নহয়। তেওঁৰ মতে—

> Tis the merry Nightingale
> That crowds and hurriee and precipitates
> With fast thick warble his delieious notes

ৰোমাণ্টিক কবিসকলৰ ভিতৰত ফুলৰ প্ৰতি বিশেষ আকৰ্ষণ থকা কবিজন হ'ল শ্বেলী। শ্বেলীৰ মানত ফুল মানুহৰ দৰেই জীৱন্ত আৰু মানুহৰ দৰে ফুলবো আছে সূক্ষ্ম অনুভূতি। এওঁৰ পুষ্পকবিতাবোৰৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল The S nsitive Plant আৰু The Question নামৰ কবিতা দুটি। প্ৰথমটো কবিতাত কবিয়ে তেৰবিধ ফুলৰ ৰঙৰ সৌন্দৰ্য্য আৰু সুগন্ধৰ যি বৰ্ণনা দিছে তাৰ জৰিয়তে পাঠকৰ মানস চক্ষুত ভাহি উঠে ফুলবোৰৰ প্ৰতীতি। এই কবিতাটোত উল্লেখ কৰা ফুলবোৰ হ'ল স্নোড্ৰপ (snowdrop) ভায়োলেট (violet) উইণ্ডফ্লাৱাৰ (wind flower) টিউলিপ (tulip) নাৰ্চিচাছ (narcissi) লিলি (lily) হাইচিন্থ (hyacinth) ৰজ (rose) জেছমিন (jessamine) টিউবৰোজ (tub ros) ডেইজী (daisy) আৰু এস্ফোডেল (asphodel)। তলত উদ্ধৃত কৰা স্তৱকটোৱেই ফুলেৰে জাতিষ্কাৰ হৈ থকা গোটেই বাগিচাখনৰ মনোমোহা সৌন্দৰ্য্যৰ ছবি এখনি আমাৰ মানস চক্ষুত দাঙি ধৰে—

> And the jessamine faint and the sweet tuberose
> The sweetest flower for scent that blows
> And all rare blossoms from every chime
> Grew in that garden in perfect prime
>
> (Stanza 10)

চল্লিশ শৰীয়া The Question নামৰ কবিতাটোতো শ্বেলীয়ে চৈধ্যবিধ বিভিন্ন ফুলৰ নাম উল্লেখ কৰিছে। সেইবোৰ হ'ল—wind flower violet daisy oxslip bluebell egaltine cowbind mayflower cherry blossom rose flag flower water lily আদি। কবিতাটোৰ কেইটিমান শাৰী উদ্ধৃত কৰিলেই কবিৰ বৰ্ণনাৰ প্ৰাচুৰ্য্যৰ উমান পোৱা যাব—

> There grew pied wind flowers and violets
> Daisies those pearled Arcturi of the earth
> The constellated flower that never sets

Faint oxslips tender bluebells at whose birth
The sod scarce heaved (Stnnza 2)

* * *

And in the warm hedge grew lush eglantine
Green cowbind and the moonlight co oured may
And cherry b ossoms and whi e cups whose wine
Was the bright dew yet drained not by the day

(Stan a 3)

শ্বেলীৰ পুষ্পকবিতাত ফুলৰ বহি সৌন্দৰ্য্যৰ বৰ্ণনা আৰু ৰসোপলব্ধি আছে কিন্তু লগে লগে আছে ইয়াৰ শিশিৰ অশ্ৰুসিক্ত ক্ষণস্থায়ী জীৱনৰ কৰুণ আবেদন মানৱ জীৱনৰ লগত সহানুভূতিসম্পন্ন সূক্ষ্ম চেতনাবোধ আৰু অসীম ব্যঞ্জনা। শ্বেলীৰ মানত ফুল এহাতে মানুহৰ নিচিনাকৈ জীৱন্ত আৰু সূক্ষ্ম অনুভূতিশীল আনহাতে বিশ্বজোৰা সৌন্দৰ্য্যমালাৰ লগত এৰাব নোৱাৰাকৈ বন্ধনযুক্ত। (শ্ৰীকুমাৰ বন্দ্যোপাধ্যায়)

শ্বেলীৰ চৰাই বিষয়ক কবিতাবোৰৰ ভিতৰত To a skylark কবিতাটো নি সন্দেহে সৰ্বশ্ৰেষ্ঠ। কেৱল শ্যেলীৰ কবিতাৰ ভিতৰতে নহয় সমগ্ৰ ইংৰাজী কাব্য সাহিত্যৰ ভিতৰতে ই এটি লেখত লবলগীয়া কবিতা। গীতিধৰ্মিতাত ই অতুলনীয়। এই কবিতাটোত অপৰূপ চিত্ৰকল্প আৰু সুৰৰ ঝঙ্কাৰেৰে শ্যেলীয়ে তেওঁৰ বলিষ্ঠ আদৰ্শ বাদৰ কাব্যৰূপ দিছে। ইয়াত কবিৰ যি মনোভঙ্গী প্ৰকাশ পাইছে সি ওৱাৰ্ডছৱৰ্থৰ একেবাৰে বিপৰীতধৰ্মী। ওৱাৰ্ডছৱাৰ্থৰ স্কাইলাৰ্কে আকাশলৈ উৰা মাৰিলেও পৃথিৱীৰ লগত সম্বন্ধ ত্যাগ কৰা নাই নিজৰ বাহটো ই কেতিয়াও নাপাহৰে। শ্যেলীৰ স্কাইলাৰ্কে কিন্তু পৃথিৱীৰ লগত সকলো সম্বন্ধ অস্বীকাৰ কৰি আকাশলৈ উৰা মাৰিছে। শ্যেলীৰ মন বাস্তৱ জগত চেৰাই আকাশমুখী হোৱাৰ দৰে তেওঁৰ স্কাইলাৰ্ক পখী আকাশমুখী হৈছে। মনোৰম কল্পনাশক্তিৰে বিভিন্ন কল্পচিত্ৰেৰে সমৃদ্ধ কৰি শ্যেলীয়ে বৰ্ণনা কৰিছে মেঘৰ বিচিত্ৰ লীলা সূৰ্য্যৰ নানা ৰঙীন পোহৰ আৰু স্কাইলাৰ্ক পখীৰ আকাশৰ কোনোবা থিনিত উৰি উৰি গোৱা গীতৰ মহিমা। কবিয়ে স্কাইলাৰ্ক পখীক আবেগৰ প্ৰাচুৰ্য্যত পখী বুলি কব খোজা নাই—কৈছে আনন্দৰ দূত বুলি।

(অধ্যাপক বীৰেন বৰকটকী)

ৰোমাণ্টিক কবি সকলৰ ভিতৰত কীট্‌ছ আছিল সৌন্দৰ্য্যৰ উপাসক আৰু সেই কাৰণে সৌন্দৰ্য্যৰ উৎস হিচাপেই ফুলে তেওঁৰ কবিতাত স্থান পাইছে। কেৱল ফুলকেই বিষয়বস্তু হিচাবে লোৱা বিশেষ উল্লেখযোগ্য কবিতা তেওঁৰ নহলেও বহুতো কবিতাত তেওঁ ইয়াৰ ৰূপমাধুৰীৰ বৰ্ণনা দি নিজৰ আনন্দানুভূতি প্ৰকাশ কৰিছে।

Ode to a Nightingale কবিতাত তেওঁ কৈছে যে মে মাহত বিভিন্ন ফুলৰ সুঘ্ৰাণে তেওঁৰ মন আহ্লাদিত কৰিছে আৰু সেইবোৰৰ ভিতৰত আছে—

White howthorn and the pastoral eglantine
Fast fading violets cover d up in leaves
And mid May s eldest child
The coming musk rose full of dewy wine
The murmurous haunt of flies on summer caves (Stanza 5)

কীট ছৰ Daisy s song নামৰ কবিতাটোত বসন্ত কালৰ আগমনত ডেইজী ফুলে নিজেই আনন্দ প্ৰকাশ কৰিছে—

And Oh the spring the spring !
I lead the life of a King !
Couched in the teeming grass
I spy each pretty lass

পক্ষী বিষয়ক কীট ছৰ বিখ্যাত কবিতাটো হ ল Ode to a Nightingale কবিতাটো সকলো সমালোচকৰদ্বাৰাই উচ্চ প্ৰশংসিত। চুইনবাৰ্ণৰ মতে এই কবিতাটো হ ল One of the final master pieces of human work of all time and for all ages ' অৰ্থাৎ এই কবিতাটো হ ল সকলো কালৰ আৰু সকলো যুগৰ কাৰণে মানৱীয় কৃতিৰ এটি চূড়ান্ত শ্ৰেষ্ঠ ৰচনা। ৰবাৰ্ট ব্ৰীজেছে কৈছে— I could not name an English poem of the some length which contains so much beauty as this Ode অৰ্থাৎ তেওঁৰ মতে আন কোনো ইংৰাজী কবিতা নাই য ত এই প্ৰশস্তিমূলক কবিতাটোৰ সৌন্দৰ্য বিচাৰি পোৱা যায়। কবিয়ে নাইটিঙ্গেল চৰাইটোক প্ৰেম আৰু আনন্দৰ বাৰ্তাবাহী দেৱদূত ৰূপেই কল্পনা কৰিছে। তেওঁৰ মতে পখীটো অমৰ। অমৰত্বৰ প্ৰমাণ এয়ে যে নাইটিঙ্গেল চৰাইৰ গানৰ সুৰে যুগ যুগান্তৰ ধৰি একেধৰণে মানৱমনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। কবিৰ ইচ্ছা নিষ্ঠুৰ বাস্তৱতাৰ পৰা আঁতৰি নাইটিঙ্গেল চৰাইৰ আদৰ্শ প্ৰাকৃতিক জগতৰ সৌন্দৰ্যলৈ উৰা মৰা। তেওঁৰ উদ্দেশ্য হ ল পখীটোৰ আনন্দ ৰাজ্যত বিচৰণ কৰি মানৱজীৱনৰ দুখ কষ্ট পাহৰি যোৱা। কিন্তু ই কেতিয়াও সম্ভৱ নহয়। বাস্তৱৰ ৰূঢ় আঘাতত তেওঁৰ কল্পনা জগত ভাঙি চুৰমাৰ হৈ যায় সৌন্দৰ্য্যৰ আদৰ্শ জগতৰ পৰা বাস্তৱ জগতলৈ নামি আহিবলৈ তেওঁ বাধ্য হয়। এই কবিতাটোত নাইটিঙ্গেলৰ বৰ্ণনাতকৈ কবিৰ মনোজগতৰ অভিব্যক্তিহে বেছিকৈ পোৱা যায়।

ওপৰত আমি ফুল আৰু চৰাই বিষয়ক কেইটামান ৰোমাণ্টিক কবিতাৰ পৰিচয়

দাঙি ধৰিলোঁ। এতিয়া এই সম্পৰ্কত সচৰাচৰ এটি প্ৰশ্ন উদয় হয়—এই কবিতাবোৰৰ ভিতৰত কিবা দাৰ্শনিক বা আনুভূতিক ঐক্য লক্ষ্য কৰিব পাৰিনে? এই প্ৰশ্নটোৰ উত্তৰ নিশ্চয় ইতিবাচকেই হ'ব। কাব্য ৰূপ হিচাপেও এই কবিতাবোৰৰ এটি লক্ষণীয় দিশ আছে। পুষ্পকবিতাবোৰ লিৰিক জাতীয় কোনো কোনো ঠাইত বৰ্ণনামূলক যেন লাগিলেও সেই বৰ্ণনা কবিৰ আবেগ অনুভূতি ৰঞ্জিত। পক্ষী বিষয়ক কবিতাবোৰ প্ৰশস্তিমূলক (Ode)। অৱশ্যে প্ৰশস্তিমূলক কবিতাও লিৰিকৰে এটি বিভাগহে। কবিতাবোৰৰ মাজত যি দাৰ্শনিক বা আনুভূতিক ঐক্য লক্ষ্য কৰা যায় তাৰ মূলতে হ'ল কবিসকলৰ একে ৰোমাণ্টিক দৃষ্টিভঙ্গী। ৰোমাণ্টিক কবিৰ দৃষ্টিত ফুল বা চৰাই সাধাৰণ মানুহৰ দৃষ্টিত ধৰা দিয়া ফুল বা চৰাই নহয় ইয়াতকৈ কিবাকিবি বহুত বেছি। তেওঁলোকৰ দৃষ্টিত ফুল বা চৰাই আনন্দৰ উৎস প্ৰেৰণাৰ উৎস শান্তিৰ দূত নৈতিক বা আধ্যাত্মিক চিন্তাৰ খোৰাক। ৰোমাণ্টিক কবিৰ কল্পনাৰ দীপ্তিয়ে সেইবোৰত কিছুমান অসাধাৰণ গুণ আৰোপ কৰা দেখা যায়। সামান্য ফুল এপাহেও বহস্যাবৃত গভীৰ চিন্তাৰ উদ্ৰেক কৰিব পাৰে। ওৱাৰ্ডছ্ৱাৰ্থে তেওঁৰ Immortality Ode অত সেয়েহে কৈছেই—

> To me the meanest flower that blows can give
> Thoughts that do often lie too deep for tears

ৰোমাণ্টিক কবিৰ দৃষ্টিত প্ৰকৃতি জগতৰ ফুল চৰাই আদি সকলো জীৱন্ত সকলো সুখী। ফুলক সম্বোধন কৰোতে সকলোৱে happy flower বুলিহে সম্বোধন কৰিছে। ওৱাৰ্ডছ্ৱাৰ্থৰ কুলি চৰাই এটি সাধাৰণ কুলি চৰাই নহয় তেওঁ কবিকল্পনাত ই—

> No bird but an invisible thing
> A voice-a mystery

তেওঁৰ দৃষ্টিত ই হ'ল এটি স্বৰ এটি প্ৰহেলিকা। ইয়াৰ মাতে কবিৰ শৈশৱৰ স্মৃতি জগাই তুলিব পাৰে। সেইদৰে তেওঁৰ স্কাইলাৰ্ক পখীটোও আকাশী গায়ক গগন বিহাৰী— Ethereal minstrel, pilgrim of the sky। ইয়াৰ অনুভূতি হ'ল ঐশ্বৰিক। শ্বেলীৰ স্কাইলাৰ্কো যেন এটি চৰাই নহয়। ই যেন এটি ঐশ্বৰিক শক্তি আনন্দৰ প্ৰতীক—

> Hail to thee blithe spirit
> Bird thou never wert

একেধৰণে কীটছৰ নাইটিংগেলো হ'ল অমৰ পক্ষী— Immortal Bird, ই আনন্দ আৰু সৌন্দৰ্য্যৰ প্ৰতীক। এইদৰে ফুল আৰু চৰাইক মহিমামণ্ডিত কৰি তোলোতেই ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ দাৰ্শনিক বা আনুভূতিক ঐক্য প্ৰদৰ্শন কৰিছে।

সপ্তদশ অধ্যায়

ৰোমাণ্টিক চেতনাৰ অভিব্যক্তি

পুথিখনৰ এই সামৰণি অধ্যায়ত প্ৰখ্যাত ৰোমাণ্টিক কবিকেইজনৰ কাব্যত ৰোমাণ্টিক বৈশিষ্ট্য কেনেদৰে পৰিলক্ষিত হৈছে তাৰে আলোচনা এটি আগবঢ়োৱা হ ব। ৰোমাণ্টিক কবিকেইজন বুলি কওঁতে ইংৰাজ ৰোমাণ্টিক কবিকেইজনৰ কথাহে বুজোৱা হৈছে। তেওঁলোক হ ল ওৱার্ডছৱৰ্থ কোলেৰিজ বায়ৰণ শ্বেলী আৰু কীটছ। ইয়াৰ প্ৰথম দুজন হ ল প্ৰথম চামৰ আৰু বাকী তিনিজন দ্বিতীয় চামৰ। ওৱার্ডছৱৰ্থ আৰু কোলেৰিজৰ যুটীয়া প্ৰচেষ্টাৰ ফলস্বৰূপেই ইংৰাজী কাব্যসাহিত্যত ৰোমাণ্টিক আন্দোলনৰ সূচনা হয় বুলি আগতে উল্লেখ কৰা হৈছে।

ওৱার্ডছৱৰ্থৰ কাব্যসম্ভাৰক সমালোচকসকলে বিভিন্ন ধৰণে ভাগ কৰিছে। টমাছ হাটচিন্‌চনে (Thomas Hutchinson) তেওঁৰ সঙ্কলনত ওৱার্ডছৱৰ্থৰ কবিতাক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাইছে। ভাগবোৰৰ ভিতৰত পৰে ঃ (১) Poems written in youth বা ডেকাকালৰ কবিতা। এই ভাগৰ উল্লেখযোগ্য কবিতাবোৰ হ ল An Evening Walk Descriptive sketches Guilt and Sorrow আদি (২) Poems Referring to the Period of Childhood বা ল বালিকালৰ প্ৰসঙ্গৰ কবিতা। এইভাগৰ প্ৰখ্যাত কবিতাবোৰ হ ল Lucy Gray We are Seven আদি (৩) Poems founded on the Affections বা সহৃদয়ত ভিত্তিক কবিতা। এই ভাগত আছে কবিৰ বিখ্যাত লুচী কবিতাবোৰৰ তিনিটা কবিতা। ইয়াৰ বাহিৰেও The Affliction of Margaret The Idiot Boy Michael Her Eyes are Wild আদি সুপৰিচিত কবিতাবোৰ এই ভাগৰে অন্তভু ক্ত (৪) Poems on the Naming of places বা ঠাইৰ নামকৰণ সম্পৰ্কীয় কবিতা (৫) Poems of the Fancy বা লঘুকল্পনা ভিত্তিক কবিতা। ফুল আৰু চৰাই সম্পৰ্কীয় কেইবাটাও কবিতা ইয়াৰ অন্তভু ক্ত (৬) Poems of the Imagination বা কল্পনাভিত্তিক কবিতা। দুটি লুচী কবিতাৰ বাহিৰেও এইভাগৰ আন আন উল্লেখযোগ্য কবিতাবোৰ হ ল To the Cuckoo Nutting I wandered lonely as a Cloud Ruth Resolution and Independence The Thorn Hart leap Well Tintern Abbey To a Skylark Laodamia আদি। ইয়াৰ বাহিৰেও Peter Bell নামৰ দীঘলীয়া কবিতাটোও এই খণ্ডৰে (৭) Miscellaneous Sonnets বা বিবিধ চনেট। এই চনেটবোৰক তিনিটা অংশত ভাগকৰি দেখুওৱা

হৈছে (৮) Memorials of a tour in Scotland 1803 অৰ্থাৎ ১৮ ৩ চনত স্কটলেণ্ড ভ্ৰমণৰ স্মৃতি বিজড়িত কবিতা (৯) Memorials of a tour in Scotland 1814 বা ১৮১৪ চনত স্কটলেণ্ড ভ্ৰমণৰ স্মৃতিবিজড়িত কবিতা (১০) Poems D dicated to National Independence and Liberty বা জাতীয় স্বাধীনতাৰ নামত উৎসৰ্গীত কবিতা (১১) Memorials of a tour in the Continent 1820 অৰ্থাৎ ১৮২ চনত মহাদেশ ভ্ৰমণৰ স্মৃতিবিজড়িত কবিতা (১২) Memorials of a tour in Italy 1837 অৰ্থাৎ ১৮৩৭ চনত ইটালী ভ্ৰমণৰ স্মৃতিবিজড়িত কবিতা (১৩) The River Duddon A Series of Sonnets অৰ্থাৎ ডাডন নদী শিৰোনামাৰে কেইটামান চনেট (১৪) Yarrow Revisited and other Poems এই কবিতাবোৰ লিখা হৈছিল ১৮৩১ চনত স্কটলেণ্ডৰ ইয়েৰো নদীৰ উপত্যকা পুনৰায় ভ্ৰমণ কৰাৰ কালত; (১৫) The white Doe of Rylstone বা The Fate of the Nartons নামৰ দীঘলীয়া কবিতাটো এই কবিতাটো ওৱাৰ্ডছৱাৰ্থে ১৮ ৭ চনত ইয়ৰ্কছায়াৰ ভ্ৰমণ কৰা কালত লিখা (১৬) Ecclesiastical Sonnets বা ধৰ্মীয় চনেট এই চনেটবোৰক তিনিভাগত ভাগ কৰি লোৱা হৈছে (১৭) Evening Voluntaries এই শীৰ্ষক ১৬টি কবিতা আছে (১৮) Poems Composed or Suggested during a tour in the Summer of 1833 অৰ্থাৎ ১৮৩৩ চনৰ ভ্ৰমণকালত ৰচিত কবিতা (১৯) Poems of Sentiment and Reflection অৰ্থাৎ ভাবানুভূতিমূলক আৰু চিন্তামূলক কবিতা (২) Sonnets Dedicated to Liberty and Order অৰ্থাৎ স্বাধীনতা আৰু শৃঙ্খলাৰ নামত উৎসৰ্গীত কবিতা (২১) Sonnets Upon the Punishment of Death বা মৃত্যুদণ্ড সম্পৰ্কীয় চনেটমালা (২২) Miscellaneous Poems বা বিবিধ কবিতা (২৩) Inscriptions শিৰোনামাৰ কেইটামান কবিতা (২৪) Selections from Chaucer Modernized বা চচাৰৰ কেইটামান কবিতাৰ আধুনিক ইংৰাজী ভাষালৈ ৰূপান্তৰ (২৫) Poems referring to the Period of Old Age বা বৃদ্ধবয়সৰ প্ৰসঙ্গ কবিতা (২৬) Epitaphs and Elegiac Pieces বা স্মৃতিলিপি আৰু শোক কবিতা এই ভাগতেই ধৰা হৈছে ওৱাৰ্ডছৱাৰ্থৰ বিখ্যাত Immortality Ode টোক (২৭) Supplement of Pieces not appearing in the Edition of 1849 50 অৰ্থাৎ ১৮৫ চনৰ সংকলনত প্ৰকাশ নোপোৱা কেইটিমান কবিতা (২৮) মহাকাব্যধৰ্মী কবিতা The Prelude আৰু The Excursion ওৱাৰ্ডছৱাৰ্থৰ কাব্যসম্ভাৰক আমি এনেদৰে বিস্তৃতভাৱে বিভাগ নকৰি কাব্যৰূপৰ ভিত্তিত (১) লিৰিক

(২) চনেট (৩) ওড (৪) শোক কবিতা আৰু (৫) বৰ্ণনামূলক কবিতা বুলি পাঁচোটা ভাগত ভাগ কৰিবও পাৰে।।

ওৱাৰ্ডছ্ওৱাৰ্থ আৰু কোলেৰিজৰ যুটীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে তেওঁলোকৰ কাব্যসংকলন লিৰিকেল বেলাড প্ৰকাশ হয় ১৭৯৮ চনত। কোলেৰিজে তেওঁৰ বায়োগ্ৰাফিয়া লিটাৰেৰিয়া গ্ৰন্থৰ চতুৰ্দশ অধ্যায়ত উল্লেখ কৰিছে যে এই সংকলনটিৰ কাৰণে কবিতা লিখোতে তেওঁলোক দুয়ো বেলেগ বেলেগ উদ্দেশ্য আগত ৰাখি আগবাঢ়িছিল। দুই বন্ধুৱে আলোচনা কৰি এইটো ঠিক কৰি লৈছিল যে কোলেৰিজে অলৌকিক চৰিত্ৰ আৰু বিষয়বস্তুক আহিলা হিচাপে লৈ কবিতা লিখিব কিন্তু ইয়াক তেওঁ পাঠকৰ আগত বিশ্বাসযোগ্য কৰি তুলিব। আনহাতে ওৱাৰ্ডছ্ওৱাৰ্থে সাধাৰণ ঘটনা আৰু পৰিস্থিতিক আহিলা হিচাপে লৈ কবিতা ৰচনা কৰিব কিন্তু সেইবোৰত নতুনত্বৰ মাধুৰ্য্যৰ বোল সানিব অৰ্থাৎ সেইবোৰক অচিন আচহুৱা যেন লগা কৰি তুলিব। এই লক্ষ্য আগত ৰাখিয়েই ওৱাৰ্ডছ্ওৱাৰ্থে মানৱজীৱনৰ বা প্ৰকৃতি জগতৰ সাধাৰণ এটা ঘটনা নাইবা সচৰাচৰ আমি দেখি থকা সাধাৰণ বস্তু এটাতেই কল্পনাৰ ৰহণ সানি তাক অলৌকিক বা অতি প্ৰাকৃত যেন লগা কৰি তোলা দেখা যায়। কল্পনাৰ দীপ্তিৰে বা কল্পনা শক্তিৰ সহায়ত অতি তুচ্ছ বস্তু এটিকো বিস্ময়কৰ কৰি তোলে। এই কল্পনা শক্তিৰ সহায়তেই ওৱাৰ্ডছ্ওৱাৰ্থে এটি সাধাৰণ ফুল এজন সাধাৰণ ভেড়াৰখীয়া নাইবা এটি চৰাইকো অসাধাৰণ ৰূপ দিছে। ৰোমাণ্টিক কবিতাত ফুল চৰাইৰ আলোচনা প্ৰসংগত ইয়াৰ বিস্তাৰিত বিৱৰণ দাঙি ধৰা হৈছে। কবিতাৰ বিষয়বস্তু হৈ পৰিলে ওৱাৰ্ডছ্ওৱাৰ্থৰ হাতত সাধাৰণ বস্তুৱেও অসাধাৰণ বা বিস্ময়কৰ ৰূপ পৰিগ্ৰহ কৰে। এই কথাটোৰ উপলব্ধি কৰিয়ে নিজেই কৈছে—

The earth and every common sight
To me did seem
Apparelled in celestial light
The glory and the freshness of a dreem
(Immortality Ode)

অলৌকিক পৰিৱেশ সৃষ্টিৰ কাৰণে অলৌকিক ঘটনা বা চৰিত্ৰৰ যে প্ৰয়োজন নাই তাক ওৱাৰ্ডছ্ওৱাৰ্থে তেওঁৰ Peter Bell নামৰ কবিতাটোৰ জৰিয়তে সুন্দৰকৈ দেখুৱাইছে। কবি চাউদীলৈকে লিখা এখন চিঠিত তেওঁ লিখিছিল—"The poem of Peter Bell as the prologue will show was composed under a belief that the Imagination not only does not require for its exercise

the intervention of supernatural agency but that though such agency be excluded the faculty may be called forth as imperiously and for kindred results of pleasure by incidents within the compass of poetic probability in the humblest departments of daily life

ইয়াত তেওঁ ইয়াকে প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে যে কল্পনাশক্তি এনে এটা মানসিক বৃত্তি যেই কোনো অলৌকিক ঘটনা বা চৰিত্ৰৰ সহায় নোহোৱাকৈয়ে আশ্চৰ্য্য বা বিস্ময়ভাবৰ সৃষ্টি কৰি আমাৰ মনত আনন্দানুভূতি জগাই তুলিব পাৰে। এই উদ্দেশ্যে কাব্যিক ৰূপ দিবলৈ যিকোনো এটি সাধাৰণ বস্তু নাইবা আমাৰ দৈনন্দিন জীৱনৰ যিকোনো এটি সাধাৰণ ঘটনাই যথেষ্ট। ওৱাৰ্ডছওৱাৰ্থৰ কবিতাত সৌন্দৰ্য্যৰ লগত অপৰিচিত বা অদ্ভুতৰ যি সংযোজন ঘটিছে সিয়েই তেওঁক প্ৰকৃত অৰ্থত ৰোমাণ্টিক কৰি তুলিছে।

কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত ওৱাৰ্ডছওৱাৰ্থে যি বন্ধনহীনতা প্ৰকাশ কৰিছে সিয়ো তেওঁৰ ৰোমাণ্টিক দৃষ্টিভঙ্গীৰেই এটা দিশ। অষ্টাদশ শতিকাত কবিসকলে কাব্যৰচনা কৰিছিল কিছুমান ধৰা বন্ধা নিয়ম আগত ৰাখি। ওৱাৰ্ডছওৱাৰ্থে সেইবোৰ নীতি নিয়ম বা পদ্ধতিক অগ্ৰাহ্য কৰি আপোন মনৰ ৰুচি অনুসৰি বিষয়বস্তু আৰু প্ৰকাশভঙ্গী বাচি লয়।

ওপৰত উল্লেখ কৰাৰ দৰে ওৱাৰ্ডছওৱাৰ্থৰ কবিতাৰ বিষয়বস্তুও ক্লাছিকেল কবিতাৰ বিষয়বস্তুতকৈ বেলেগ হৈ পৰে। অষ্টাদশ শতিকাত কবিসকলে প্ৰকৃতি বা সাধাৰণ মানুহৰ প্ৰতি কোনো ধৰণৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰা নাছিল। কিন্তু ওৱাৰ্ডছওৱাৰ্থৰ প্ৰকৃতি প্ৰীতি আৰু চহা জীৱনৰ প্ৰতি আকৰ্ষণে তেওঁৰ ৰোমাণ্টিক বৈশিষ্ট্য ফুটাই তোলে। প্ৰকৃতিক তেওঁ পূজাৰ বেদীত স্থাপন কৰে আৰু প্ৰকৃতিৰ মনোমোহা পৰিবেশৰ মাজত বাস কৰা কুটীৰবাসীৰ জীৱনক গৰিমামণ্ডিত কৰি তোলে। প্ৰকৃতি জগত আৰু মানবজীৱন সম্বন্ধে ওৱাৰ্ডছওৱাৰ্থৰ যি মতবাদ সি আছিল পোপ বা তেওঁৰ সমসাময়িক কবিসকলৰ মতবাদতকৈ সম্পূৰ্ণ বেলেগ আৰু ইয়াতেই নিহিত আছে তেওঁৰ ৰোমাণ্টিক ভাৱাদৰ্শ।

ৰহস্যবাদৰ সুৰ ওৱাৰ্ডছওৱাৰ্থৰ ৰোমাণ্টিক ভাৱধাৰাৰ আন এটি উল্লেখযোগ্য দিশ। ৰহস্যবাদ কোনো দাৰ্শনিক মতবাদ বা তথ্য নহয়। ই কোনো যাদুবিদ্যা বা অলৌকিক কাৰ্য্য সম্পন্ন কৰাৰ উপায়ো নহয়। ই এটা বিশেষ দৃষ্টিভঙ্গী এটা বিশেষ অনুভূতিযুক্ত মানসিক অৱস্থা বা মানসিক বাতাবৰণ য'ত জ্ঞানতকৈ অনুভূতি বিশেষকৈ দৈৱী অনুভূতিয়ে প্ৰাধান্য লাভ কৰে। "সাধাৰণ দৃষ্টিত জড় আৰু চৈতন্যময় জগতখন

বৈচিত্র্যেৰে পৰিপূৰ্ণ। ইয়াৰ গছ-লতিকা চৰাই চিৰিকতি নৈ-নলা পৰ্বত পাহাৰ পশু-পক্ষী নৰ নাৰী কোনোটোৱে এটা আনটোৰ সৈতে নিমিলে। অৰ্থাৎ জগতৰ প্ৰতিটো বস্তুৰে যেন একোটা স্বকীয়া সত্তা আছে। কিন্তু কিছুমান এনেকুৱা লোক আছে যিসকলৰ চকুত এই বৈচিত্ৰ্যৰ মাজত এক ঐক্যৰ সন্ধান দৃষ্টিগোচৰ হয়। তেওঁলোকে জগতৰ বিভিন্ন সত্তাবোৰৰ বিশেষ অস্তিত্ব অনুভৱ নকৰে বৰং সকলো সত্তাৰ গুৰিত এক পৰম সত্তাৰ অস্তিত্বহে উপলব্ধি কৰে। আনভাবে ক'বলৈ গ'লে জগতৰ সকলো বস্তু বা শক্তিৰ মূলতে হৈছে এটা পৰম শক্তি। এনে দৃষ্টিসম্পন্ন লোকক সাধাৰণভাৱে ৰহস্যবাদী বুলিব পাৰি। তেওঁলোকৰ মানত জগতৰ বৈচিত্ৰ্যৰ অন্তৰালত থকা ঐক্য শক্তিটোৱেই হৈছে চৰম পৰম একমাত্ৰ বা প্ৰকৃত শক্তি আৰু জগতৰ প্ৰতিটো বস্তু সেই শক্তিৰ একোটা অংশ বা ফিৰিঙতি মাথোন। আনপিনে জগতৰ প্ৰতিটো বস্তু সেই পৰম শক্তিৰ অকল অংশই নহয় তেওঁৰ গুণো সেই অংশ বোৰৰ মাজত আছে। এডোখৰ সোণৰ পৰা নানা টুকুৰা কৰি নানা ৰূপ দি নানা অলঙ্কাৰ সজালেও সোণৰ মূল যিখিনি গুণ সেইখিনি নাইকীয়া নোহোৱাৰ নিচিনা জগতৰ নানা বস্তুবোৰো পৰম সত্তাৰ অংশ হোৱা বাবে তেওঁৰ গুণবোৰৰ অংশীদাৰ। আন বস্তুৰ দৰে মানৱো তেওঁৰ অংশ। গতিকে মানৱ অন্তৰতো তেওঁৰ গুণ নিহিত হৈ আছে। অৰ্থাৎ ক্ষুদ্ৰ বা সসীম বিৰাট বা অসীমৰ গুণেৰে গুণী আৰু সেই গুণবোৰৰ বিকাশৰ জৰিয়তে সসীম মানৱে অসীমজনক লাভ কৰিব পাৰে। ভক্ত ৰহস্যবাদীয়ে এই অসীমজনক ভগৱান পৰম-পুৰুষ আদি নামেৰেও বিভূষিত কৰে। এইখিনিতে বিজ্ঞান আৰু ৰহস্যবাদৰ মাজত পাৰ্থক্য। বিজ্ঞানে জ্ঞানৰ জৰিয়তে পৰম সত্তাক জানিবলৈ বিচাৰে। কিন্তু ৰহস্যবাদীয়ে অনুভূতিৰ মাজেদি পৰম সত্তাক উপলব্ধি কৰি পৰম গুণবোৰৰ বিকাশ ঘটাই নিজে পৰমজন হ'বলৈ বিচাৰে। জনা আৰু হোৱাৰ মাজত যিখিনি পাৰ্থক্য জ্ঞানী আৰু ৰহস্যবাদীৰ মাজতো সেইখিনিয়েই পাৰ্থক্য।

(অধ্যাপক শ্ৰীউপেন্দ্ৰনাথ গোস্বামী)

অধ্যাপক গোস্বামীয়ে তেওঁৰ ৰহস্যবাদ নামৰ প্ৰবন্ধত ৰহস্যবাদৰ স্বৰূপ বৰ সুন্দৰকৈ ব্যাখ্যা কৰিছে। আলোচনা প্ৰসঙ্গত তেওঁ উল্লেখ কৰিছে যে ৰহস্যবাদী সকলে পৰম সত্তাক দৈৱী অনুভূতিৰ সহায়েৰে উপলব্ধি কৰে। এই দৈৱী অনুভূতিক দিব্যদৃষ্টি বা বোধ দৃষ্টি বুলিও কোৱা হয়। ইংৰাজীত ব্যৱহাৰ কৰা হয় intuition শব্দটো। পৰম সত্তাৰ উপলব্ধি বিশ্লেষণ বা তৰ্কৰ জৰিয়তে নহয়। ৰহস্যবাদীয়ে অনুভূতিৰ জড়িয়তে আত্মাৰ সকলো শক্তিকে এক পৰম শক্তিত কেন্দ্ৰীভূত কৰি এজন ব্যক্তিৰূপে ভাল পায়। সেয়েহে ৰহস্যবাদক ভাৱানৰ নীৰৱ উপ ভ গ পায়ন ৰ

সৈতে মিলনৰ বিজ্ঞান আৰু একান্তলৈ একান্তৰ অভিযান (Silent enjoyment of God scince of the Union with the Absoluto flight of the Alone to the Alone) বুলি কোৱা হৈছে। কিছুমানৰ মতে সেইকাৰণে বহস্যবাদ হ'ল মই মোৰ আদি ভাবৰ বিলুপ্তিসাধন। এক কথাকে আন কিছুমানে কৈছে যে যি চৰম সত্য বা ভগৱান তাৰ লগত যোগাযোগ স্থাপনৰ নামেই বহস্যবাদ গত্তিকে যি অখণ্ড দৃষ্টিৰ সহায়েৰে কবিয়ে ভগৱৎ সত্তা তথা তেওঁৰ বিশ্ব সৃষ্টিৰ পৰম সত্যক উপলব্ধি কৰি তেওঁৰ লগত মিলনৰ পৰম আনন্দ লাভ কৰিব পাৰে সাহিত্যৰ মাজেদি সেই দৈৱী অনুভূতি সাধনক বহস্যবাদ বুলিব পাৰি। (শ্ৰীশচন্দ্ৰ দাস)। বহস্যবাদ এনে এটা অনুভূতি যাৰ সহায়ত মানুহে দিব্য আৰু অলৌকিক শক্তিৰ লগত নিজৰ সম্বন্ধ স্থাপন কৰিবলৈ বিচাৰে আৰু সেই সম্বন্ধ ইমানলৈ বাঢ়ি যায় যে দুয়োৰে ভিতৰত কোনো পাৰ্থক্যই নাথাকে। এই আনুভূতিক মুহূৰ্তত মানৱাত্মাৰ ভগৱানৰ সৈতে সম্বন্ধই আন সকলো সম্বন্ধক গ্ৰাস কৰি পেলায়। অৰ্থাৎ এই অৱস্থাত বাহস্যিকসকলে বাস্তৱ জগতৰ অস্তিত্ব পাহৰি যায়।

সাধাৰণতে ধৰ্ম ভক্তি দৰ্শন প্ৰেম প্ৰকৃতি বা সৌন্দৰ্য্যমূলক সাহিত্যত বহস্যবাদৰ পৰশ পোৱা যায়। কবি ওৱাৰ্ডছৱাৰ্থৰ বহস্যবাদী ভাৱধাৰাৰ প্ৰতিফলন ঘটিছে তেওঁৰ প্ৰকৃতি-কবিতাবোৰত আৰু সেইকাৰণে কিছুমান সমালোচকে তেওঁৰ বহস্যবাদক nature mysticism বা প্ৰকৃতি বিষয়ক বহস্যবাদ আখ্যা দিছে। প্ৰকৃতি জগতৰ মনোমোহা দৃশ্যৰ ছবি আঁকিয়েই ওৱাৰ্ডছৱাৰ্থ সন্তুষ্ট হোৱা নাছিল। তেওঁৰ উদ্দেশ্য আছিল ইয়াতকৈ বহুত বেছি। প্ৰকৃতিৰ মাজেৰেই তেওঁ প্ৰকাশ কৰিছে তেওঁৰ বাহস্যিক অনুভূতি (mystic experence) আৰু ধ্যানমগ্ন ভাবানুভূতি বা তন্ময়তা।

ওৱাৰ্ডছৱাৰ্থৰ কবিতাত বহস্যবাদী চিন্তাধাৰাৰ প্ৰভাৱ সহজে অনুভূত হয়। তেওঁৰ মতে যুক্তিৰ আধাৰত আমাৰ জীৱন সম্বন্ধে কোনো সিদ্ধান্তত উপনীত হোৱাটো সম্ভৱ নহয়। তেওঁ বিশ্বাস কৰিছিল যে মানুহৰ জীৱনত কেতিয়াবা এনে কিছুমান আনুভূতিক মুহূৰ্ত আহে যে সেইসময়ত মানুহে নিজৰ মানৱীয় অস্তিত্ব পাহৰি এক পৰম সত্তালৈ ৰূপান্তৰিত হয়। এনেকুৱা অৱস্থাত মানুহৰ প্ৰজ্ঞাদৃষ্টিত বিশ্বৰ সমস্ত বহস্য আপোনা আপুনি ধৰা দি যায়হি। এই আনুভূতিক অৱস্থাটোৱেই বৰ্ণনা ওৱাৰ্ডছৱাৰ্থে তেওঁৰ Tintarn Abbey নামৰ কবিতাটোত এনেদৰে দিছে—

That serene and blessed mood
In which the affection gently lead us on

Until the breath of this Corporeal frame
And even the motion of our human blood
Almost suspended we are laid asleep
In body and become a living soul
While with an eye made quiet by the power
Of harmoney and the deep power of joy
We see into the life of things

ৱৰ্ডচৱৰ্থে বিশ্বাস কৰিছিল প্ৰকৃতিৰ প্ৰাণৰ সতে মানুহৰ মনৰ এক পূৰ্বনিৰ্দিষ্ট সম্পৰ্ক আছে। সেয়ে মানুহৰ হৃদয়তন্ত্ৰীত যেতিয়া প্ৰকৃতিৰ সুৰ বাজি উঠে তেতিয়া লাহে লাহে মানুহৰ হৃদয়ৰ সকলো চিন্তাৰ ভাব লুপ্ত হৈ যায়। লুপ্ত হৈ যায় মানুহৰ অন্ননিৰ্ভৰ প্ৰাণ দেহসঞ্জাত বন্দী মানুহটো গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ পৰে আৰু সি সাৰ পাই উঠে জীৱন্ত আত্মাৰ ৰূপত। সেইবোৰ আলোকদীপ্ত মুহূৰ্ততে মানুহৰ দৃষ্টিৰ সন্মুখত উদ্ভাসিত হৈ উঠে বস্তুজগতৰ প্ৰাণকেন্দ্ৰত ঢাকখাই থকা অব্যক্ত ৰূপৰ মহিমা। সেইবোৰ মুহূৰ্ততে তাৰ চেতনাত ধৰা দি যায়হি মানুহৰ আত্মাৰ স্তব্ধ কৰুণ সংগীতৰ প্ৰকৃত স্বৰূপ। (অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰা)

ওৱাৰ্ডছ্ওৱাৰ্থে বিশ্বাস কৰিছিল যে গোটেই বিশ্ব ব্ৰহ্মাণ্ডতে এক মহাশক্তিয়ে বিৰাজ কৰি আছে। এই শক্তিৰ অস্তিত্ব জড়জগত আৰু জীৱজগত উভয়তে অনুভূত হয়। (ইয়াকেই আমি বিভিন্ন নাম দিছোঁ—কেতিয়াবা কৈছোঁ ঈশ্বৰ বুলি কেতিয়াবা পৰম সত্তা বুলি কেতিয়াবা মহাশক্তি বুলি কেতিয়াবা পৰম ব্ৰহ্মা বুলি আৰু কেতিয়াবা পৰমাত্মা বুলি।) এই একে ঐশী শক্তিয়ে গছ লতা ফুল-পাত পশু পক্ষী পোক পতঙ্গ শিল বালি আদি সকলোতে বিৰাজ কৰিছে। একে আত্মাই বিৰাজ কৰিছে প্ৰকৃতি জগত আৰু মানৱ মনত আৰু ইয়াৰ ফলতেই দুয়োটাৰে মাজত আত্মিক সম্বন্ধ সম্ভৱ হৈছে। এই বিশ্বাসটোকে ওৱাৰ্ডছ্ওৱাৰ্থে ৰহস্যবাদীৰ দৃষ্টিভঙ্গীৰে প্ৰকাশ কৰিছে তেওঁৰ Tintern Abbey নামৰ কবিতাটোৰ কেইটামান শাৰীত—

And I have felt
A presencc that disturbs me with the joy
Of elevated thoughts a sense sublime
Of something for more deeply interfused,
Whose dwelling is the light of setting suns,
And the round Ocean and the living air
And the blue sky and in the mind of man

A motion and a spirit that impels
All thinking things all objects of all thought
And rolls through all things

সকলো বস্তুতে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰাটো এটি মিষ্টিক দৃষ্টিভঙ্গী। ওৱার্ডছ্ওৱার্থৰ কবিতাত প্ৰকাশ পোৱা এই অতীন্দ্ৰিয় চেতনাৰ ৰূপটোৱেই দাৰ্শনিক পৰিভাষাত সৰ্বেশ্বৰবাদ বুলি উল্লেখিত হৈছে।

ৰহস্যবাদী দৃষ্টিভঙ্গীৰ আন দুই এটি দিশো ওৱাৰ্ডছ্ওৱাৰ্থৰ কবিতাত প্ৰতিফলিত হৈছে। আন আন ৰহস্যবাদী কবিৰ দৰে তেৱেঁ বিশ্বাস কৰিছিল যে প্ৰকৃতি জগতৰ সকলো বস্তুৰে একোটি নিজস্ব জীৱন আছে। এই বিশ্বাসেই তেওঁক ভাবিবলৈ বাধ্য কৰিছিল যে সেইবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ স্থাপনো সম্ভৱ। তেওঁ বিশ্বাস কৰিছিল যে প্ৰকৃতিৰ সকলো বস্তু জীৱন্ত হোৱা কাৰণে সুখ দুখ আদি অনুভৱ কৰিব পৰা শক্তিও সিবোৰৰ মাজত আছে। এই বিশ্বাসেই অভিব্যক্তি লাভ কৰিছে তেওঁৰ Written in Early Spring নামৰ এটি ক্ষুদ্ৰ কবিতাত—

It is my faith that every flower
Enjoys the air it breaths

একেটি কবিতাতে তেওঁ কৈছে—

The budding twigs spread out their fan
To catch the breezy air
And I must think do all I can
That there was pleasure there

ৰহস্যবাদীৰ দৃষ্টিভঙ্গীত জগতৰ কোনো বস্তুৱে মূল্যহীন নহয় কোনো বস্তু ক্ষুদ্ৰ বা তুচ্ছ নহয়। কোনোৱে সামান্য বা অস্পষ্ট নহয়। জগতৰ সকলো বস্তুৱে একোটি মহান বাতৰি যোগায়। সকলোতে আছে ঈশ্বৰৰ অস্তিত্ব। সেই কাৰণেই আমি কওঁ —যত জীৱ তত শিৱ। এই বিশ্বাসৰ বলতেই কবি ব্লেইক (Blake) সমৰ্থ হৈছিল—

To see a World in a grain of sand
And a Heaven in a Wild flower

আমাৰ দাৰ্শনিক কবি দুৰ্গেশ্বৰ শৰ্মায়ো কৈছে—

বাটৰ দুবৰি বন গছকত পৰা
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।

একে ধৰণৰ চিন্তাৰেই প্ৰতিফলন হৈছে ওৱাৰ্ডছ্ওৱাৰ্থৰ কবিতাতো। তেওঁৰ

দৃষ্টিত প্ৰকৃতি হ'ল সুন্দৰৰ আধাৰত পৰম সত্যৰেই অভিব্যক্তি। সেই বিশ্বাসৰে এটি নিটোল প্ৰকাশ হ'ল তেওঁৰ বিখ্যাত Immortality Ode ৰ তলৰ শাৰী দুটা—

To mé the meanest flower that blows can give
Thoughts that do often lie too deep for tears.

কবিতাৰ স্বৰূপ কবিৰ প্ৰকৃতি আৰু কাব্যশৈলী সম্পৰ্কে ওৱাৰ্ডছ্ওৱাৰ্থে যি মতামত প্ৰকাশ কৰি গৈছে সিয়ো তেওঁৰ ৰোমান্টিক ভাবধাৰাৰ বাহক। অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবিসকলৰ অলঙ্কাৰবহুল আৰু শূন্য বাগাড়ম্বৰপূৰ্ণ ভাষাৰ সলনি সহজ সৰল ভাষাক কবিতাৰ ভাষা হিচাপে প্ৰয়োগ কৰাত ওৱাৰ্ডছ্ওৱাৰ্থে যি গুৰুত্ব দিছিল সিয়ো হ'ল কাব্যজগতত এটি নতুন দৃষ্টিভঙ্গীৰ প্ৰৱৰ্তন। এই অভিনৱত্বই হ'ল ৰোমান্টিকতা। ভাষাৰ এই অভিনৱত্বই কবিতাৰ ভাষাক সাধাৰণ মানুহৰ ওচৰ চপাই আনি অষ্টাদশ শতিকাৰ কৃত্ৰিমতাৰ পৰা মুক্ত কৰে। ওৱাৰ্ডছ্ওৱাৰ্থে জোৰ দি কৈছিল যে গদ্যৰ ভাষা আৰু পদ্যৰ ভাষাৰ মাজত কোনো পাৰ্থক্য নাই আৰু থাকিব নোৱাৰে। কাব্য শৈলীৰ ক্ষেত্ৰত তেওঁ আছিল ক্লাছিকেল কবিসকলৰ বিপৰীত ধৰ্মী। একেধৰণে কবিতাৰ স্বৰূপ আৰু কবিতাৰ লক্ষ্যবস্তু সম্বন্ধে ওৱাৰ্ডছ্ওৱাৰ্থৰ মতামতো আছিল অষ্টাদশ শতিকাৰ কবি সকলোতকৈ বেলেগ।

ওৱাৰ্ডছ্ওৱাৰ্থৰদ্বাৰা ৰচিত লিৰিক প্ৰশস্তি কবিতা আৰু চনেটসমূহতো ৰোমান্টিক বৈশিষ্ট্য স্পষ্টভাৱে ফুটি উঠিছে। সেইবোৰত আছে স্বধৰ্মিতা আৱেগ অনুভূতিৰ প্ৰাবল্য আৰু কল্পনা-প্ৰৱণতাৰ প্ৰাধান্য। অষ্টাদশ শতিকাৰ হিৰোয়িক কাপলেট ৰ সলনি ওৱাৰ্ডছ্ওৱাৰ্থে ব্যৱহাৰ কৰে অমিত্ৰাক্ষৰকে আদি কৰি আন বিভিন্ন ধৰণৰ ছন্দ।

ওৱাৰ্ডছ্ওৱাৰ্থ আছিল ৰোমান্টিক আন্দোলনৰ গুৰি-ধৰোতা। কিন্তু আচৰিত কথা এয়ে যে বহুত সমালোচকে তেওঁক ৰোমান্টিক কবিৰ শাৰীত ঠায়েই দিব নোখোজে। বিখ্যাত কবি চুইনবাৰ্ণেতো ওৱাৰ্ডছ্ওৱাৰ্থৰ সমগ্ৰ কবিতাৰ মাজত ৰোমান্টিক গুণবিশিষ্ট শাৰী মাত্ৰ দুটাহে পালে। ওৱাৰ্ডছ্ওৱাৰ্থক ৰোমান্টিক কবিৰ শাৰীত ঠাই দিব নোখোজা সমালোচকসকল হ'ল বিয়াৰ্ৰ্চ (Bear) মেগ্ৰোজ (Megroz) আৰু মাইৰিজ (Myres) আদি। বিয়াৰ্চে কৈছে—The spirit of Wordsworth s art as a whole was far from Romantic মেগ্ৰোজে কৈছে— By his human concerns and his insistance upon natural language and the n glected normalities of life Wordsworth is the most classical of Nineteenth Century poets and it is only the accident of the leadership of a literary revolt against effete poetry that caused his romantic

quality to be so exaggerated. গতিকে দেখা যায় যে এইজন সমালোচকৰ মতে ওৱার্ডছৱার্থৰ কবিতা ক্লাছিকেল গুণবিশিষ্টহে।

সকলোৱেতো সমৰ্থিত নহলেও ওৱার্ডছৱার্থক প্রকৃত অর্থত ৰোমাণ্টিক কবি নহয় বুলি কোৱাৰ আৰু তেওঁৰ কবিতাত ক্লাছিকেল কবিতাৰহে বৈশিষ্ট্য থকা বুলি কোৱাৰ কাৰণ তলত দিয়া ধৰণে বিভিন্ন সমালোচকে উল্লেখ কৰিছে। তেওঁলোকৰ মতে—প্রথমতে ওৱার্ডছৱার্থে শ্বেলী বা বায়ৰণৰ দৰে আদর্শ আৰু বাস্তৱৰ মাজত কোনো পার্থক্য বিচাৰ কৰা নাছিল। তদুপৰি ৰোমাণ্টিক বিষাদ (romantic melancholy) বুলিলে আমি যি বুজো তেনেকুৱা ধৰণৰ বিষাদৰ সুৰ ওৱার্ডছৱার্থৰ কবিতাত শুনিবলৈ পোৱা নাযায়। দ্বিতীয়তে ওৱার্ডছৱার্থৰ কবিতাত বৈপ্লৱিক দৃষ্টিভঙ্গী প্রবল আৱেগময়তা আৰু কল্পনা বিলাসিতাৰ অভিব্যক্তি ঘটা নাই। তেওঁৰ কাব্য কল্পনা আছিল একেবাৰেই সংযত উদ্দাম নহয়। আন আন কিছুমান কবিৰ দৰে তেওঁ স্বপ্নবিলাসীও নাছিল। তৃতীয়তে আন আন ৰোমাণ্টিক কবিৰ দৰে অতীত প্রীতিৰ স্বাক্ষৰো তেওঁৰ কবিতাত নাই। মধ্যযুগৰ প্রতি তেওঁৰ কোনো আকর্ষণ নাছিল। তেওঁ আছিল বর্তমানক লৈয়েই ব্যস্ত। ক্লাছিকেল কবিসকলৰ দৰে তেওঁৰ কবিতাতো আছে বাস্তৱবাদৰ পৰশ। চহা লোকৰ জীৱনৰ চিত্র ওৱার্ডছৱার্থে তেওঁৰ কবিতাত আঁকিছে। চতুর্থতে শ্বেলী কীট্‌ছ আদিৰ দৰে ওৱার্ডছৱার্থ প্রেমৰ কবিও নাছিল। তেওঁৰ কবিতাত প্রেমৰ যি চিত্র পোৱা যায় সি হ'ল প্রধানকৈ বৈবাহিক জীৱনৰ প্রেম পিতা মাতা বন্ধু বান্ধৱৰ প্রতি থকা প্রেম দেহজ প্রেম বা যৌৱনৰ উচ্ছ্বাস নহয়। পঞ্চমতে আন এটা বিষয়ত ওৱার্ডছৱার্থক ক্লাছিক ধর্মী বুলি কব পাৰি। কবিতা ৰচনা কৰোতে ক্লাছিকেল কবিসকলে বিষয়বস্তু বা প্রকাশভঙ্গী সম্পর্কে নির্দিষ্ট নিয়মলৈ লক্ষ্য ৰাখি যেনেকৈ কবিতা ৰচনা কৰিছিল তেনেকৈ ওৱার্ডছৱার্থেও কবিতাৰ বিষয়বস্তু আৰু প্রকাশভঙ্গী সম্পর্কে নিজস্ব ধাৰণা এটি কৰি লৈছিল। তেওঁৰ কাব্যতত্ত্বৰ প্রয়োগ নিজৰ কবিতাতে তেওঁ কৰি গৈছে। ইয়াৰ উপৰিও ওৱার্ডছৱার্থে তেওঁৰ An Evening walk আৰু Descriptive Sketches) নামৰ দীঘলীয়া কবিতা দুটিত ক্লাছিকেল কবিসকলৰ দৰে হিৰোয়িক কাপলেট ব্যৱহাৰ কৰিছে। সদৌ শেষত আন এটা কথা উল্লেখ কৰিব পাৰি যে বার্ণছ (Burns) হগ (Hogg) আৰু স্কট (Scott) আদিৰ কবিতাত থকাৰ দৰে ওৱার্ডছৱার্থৰ কবিতাত লোকসংস্কৃতি (folk lore) বা লোকগীতৰ (folk song) কোনো প্রভাৱ নাই।

ওৱার্ডছৱার্থৰ কবিতাৰ ক্লাছিকেল উপাদানৰ কথা স্বীকাৰ কৰিও আমি মানি লব লাগিব যে তেওঁৰ কবিতাত কিছুমান শাৰী আছে যিবিলাকৰ আনুভূতিক উচ্ছ্বাস

(lyric passion) কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। Her Eyes are Wild নামৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা তলৰ শাৰীকেইটাই ইয়াৰ প্ৰমাণ দাঙি ধৰিব—

About that tight and deadly band
I see thy little fingers prest
The breeze see is in the trees
It comes to cool my babe and me

একে গুণবিশিষ্ট শাৰী কেইটামান The Complaint of Forsaken Indian Woman নামৰ কবিতাটোতো পোৱা যায়—

B fore I see another day
Oh let my body die away ।
In sleep I heard the northern gleams
The stars they were among my dreams.

অতীতৰ প্ৰতি শ্ৰদ্ধা ওৱাৰ্ডছ্ৱৰ্থৰ কবিতাৰ কোনো বিশেষ লক্ষণ নহলেও তেওঁৰ দুটিমান কবিতাত এনে কেতবোৰ শাৰী আছে যে সেইবোৰ পঢ়িলেই আমাৰ মন মায়াপুৰী আৰবলৈ নাইবা প্ৰেম সৌন্দৰ্য আৰু বীৰধৰ্মৰ প্ৰতীক মধ্যযুগলৈ উৰা মাৰে—

No nightingale did ever chant
More welcome notes to weary bands
Of travellers in some shady haunt
Among Arabian sands (The Reaper)

মধ্যযুগ প্ৰীতি ওৱাৰ্ডছ্ৱৰ্থৰ কবিতাৰ কোনো উল্লেখযোগ্য বৈশিষ্ট্য নহলেও তলৰ শাৰীকেইটাত এই যুগৰ ছবি এখনি বৰ সুন্দৰকৈ ফুটি উঠিছে সেই যুগৰ চাৰণ কবিৰ কাৰ্য্যাৱলীৰ প্ৰসঙ্গত—

Wandering on from hall to hall
Baronial court or royal Cheered with gifts
Munificent and Love and ladies praise
Now meeting on the road an armed knight
Now resting with a pilgrim by the side
Of a clear brook (Excursion)

ওৱাৰ্ডছ্ৱৰ্থৰ লগত সঘনে উচ্চাৰিত হোৱা আনজন ৰোমাণ্টিক কবিৰ নাম হল কোলেৰিজ। ৰোমাণ্টিক কবি হিচাপে কোলেৰিজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো

হ'ল এয়ে যে তেওঁৰ কবিতাত ৰোমান্টিক বৈশিষ্ট্য যিমানবোৰ ফুটি উঠিছে আন কোনো কবিৰে ৰচনাত সিমান ফুটি উঠা নাই।

সমালোচকসকলে কোলেৰিজৰ কাব্য জীৱনক চাৰিটা অধ্যায়ত ভাগ কৰি দেখুৱাইছে। ইয়াৰ প্ৰথম অধ্যায়টো আৰম্ভণিৰ পৰা ১৭৯৭ চনলৈকে বিস্তৃত। এই কালছোৱাক তেওঁৰ কাব্যজীৱনৰ চালুকীয়া গঠনশীল বা পৰীক্ষামূলক স্তৰ (forma tiv or experimental phase) বুলি ক ব পাৰি। কবি হিচাপে তেওঁ এইছোৱাত কোনো পৰিপক্কতা লাভ কৰিব পৰা নাছিল। এই সময়ছোৱাত তেওঁৰ ওপৰত ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ পৰে। সেই প্ৰভাৱ অৱশ্যে অতি সোনকালেই তেওঁৰ মনৰ পৰা নোহোৱা হয়। এই সময়ছোৱাত কোলেৰিজে যি কেইটা কবিতা লিখিছিল সেই বোৰৰ ওপৰত গডউইনৰ প্ৰভাৱ সুস্পষ্ট। এই প্ৰভাৱৰ ফলত এই প্ৰথম অধ্যায়ৰ কবিতাবোৰত সামাজিক অন্যায় অবিচাৰ ক্ষমতাশীল লোকৰ শঠতা দুখীয়াৰ প্ৰতি দয়া প্ৰদৰ্শন আদি কবিতাৰ মূলবস্তু হিচাপে পৰিগণিত হৈছিল। এই সময়ত তেওৰ কবিতাবোৰ প্ৰচাৰধৰ্মীও হৈ পৰে। উচ্চস্তৰৰ কবিতা ৰচনা নকৰিলেও এই সময় ছোৱাতে পৰৱৰ্তীকালৰ শ্ৰেষ্ঠ কবিজনৰ সম্ভাৱনাৰ আভাস বিৰিঙি উঠিছিল। এই প্ৰথম অধ্যায়ৰ উল্লেখযোগ্য কবিতাবোৰ হ ল—Destruction of the Bastille (1789) To a Friend To the Nightingale The Eolian Harp Religious Musings Ode to the Departing Year This Lime Tree Bower আদি কোলেৰিজৰ কাব্যজীৱনৰ দ্বিতীয় অধ্যায়টো ১৭৯৭ চনৰ পৰা ১৮ ২ চনলৈকে বিস্তৃত। এই কালছোৱাতেই কোলেৰিজৰ কাব্য প্ৰতিভা বিশেষভাৱে বিকশিত হয়। তেওঁৰ জীৱনীকাৰ ট্ৰেইলে এই কালছোৱাৰ নাম সেইকাৰণেই দিছে blossoming time এই সময়ছোৱাতে কোলেৰিজৰ লগত কবি ওৱাৰ্ডছৱৰ্থ আৰু তেওঁৰ ভনীয়েক ডাৰাথীৰ ঐতিহাসিক বন্ধুত্বই গঢ়লৈ উঠে। কোলেৰিজৰ বিখ্যাত কবিতাবোৰ এই কালছোৱাৰেই ৰচনা। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ ল—The Rime of the Ancient Mariner Christab l Kubla Khan Frost at Midnight France An Ode The Nightingale F ars in Solitude Love আদি। কোলেৰিজে এই উজ্জ্বল অধ্যায়টোৰ সামৰণি মাৰে Ode to Dejection নামৰ কবিতাটোৰে। তৃতীয় অধ্যায়টো ৮ ৩ চনত আৰম্ভ হৈ ৮১৭ চনত সামৰণি পৰে। কবি হিচাপে এই অধ্যায়টোক তেওঁৰ নিষ্ফলতাৰ অধ্যায় নাম দিব পাৰি। কিন্তু এই কালছোৱাতে তেওঁ বিখ্যাত সমালোচক হিচাপে আত্মপ্ৰকাশ কৰে। কোলেৰিজৰ কাব্যজীৱনৰ শেষ অধ্যায়টো ৮১৮ চনৰ পৰা ১৮৩৪ চন পৰ্যন্ত বিস্তৃত। এই সময়

ছোৱাত তেওঁ অৱক্ষে কেইটামান সাৰ্থক কবিতা লিখি উলিয়ায়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল Epitaph Night s Tomp youth and Age আৰু The garden of Boccaccio আদি।

কোলেৰিজৰ এই কাব্য সম্ভাৰৰ মাজত ৰোমাণ্টিক ভাৱধাৰা কেনেদৰে বিকশিত হৈছে সেয়ে আমাৰ বিচাৰ্য্য। এই প্ৰসংগত প্ৰথমতেই আমি উল্লেখ কৰিব লাগিব তেওঁৰ কল্পনাশক্তি। আৱেগপ্ৰৱণতা বা আত্মনিষ্ঠতাৰ দৰে কল্পনাশক্তিও ৰোমাণ্টিক কবিসকলৰ এটি প্ৰধান বৈশিষ্ট্য। যি অন্তৰ্জগতক তেওঁলোকে বহিৰ্জগততকৈ বেছি সত্য বুলি গণ্য কৰে সি তেওঁলোকৰ কল্পনাদৃষ্টিতেই প্ৰতিভাত হয়। অতিপ্ৰাকৃত জগত নাইবা সুদূৰ আৰু আমাৰ দৃষ্টিয়ে ঢুকি পাব নোৱাৰা জগত এখনকো তেওঁলোকে মানসচক্ষুৰে প্ৰত্যক্ষ কৰে। আকৌ যাক আমি একেবাৰে তুচ্ছ বুলি জ্ঞান কৰো কল্পনাৰ আলোকসম্পাতত সিয়েো অলৌকিক হৈ উঠে। শিল্পীৰ যি সৃজনীপ্ৰতিভা তাক মূলতেও এই কল্পনাশক্তি বুলি ৰোমাণ্টিক কবিসকলে নিজে মানি লৈছে। ৰোমাণ্টিক কবি হিচাপে কোলেৰিজৰো প্ৰধান সহায় হ'ল তেওঁৰ কল্পনাশক্তি। এই কল্পনাশক্তিৰ সহায়তেই তেওঁৰ হাতত ছায়াই কায়াৰূপ ধাৰণ কৰিছে আৰু সেই কাৰণে আমাৰ মনৰ পৰা অবিশ্বাসৰ ভাবো আপোনা আপুনি নোহোৱা হৈ যায়। কবি কল্পনাক কোলেৰিজে সৃজনীপ্ৰতিভাৰ মূলশক্তি ৰূপে কল্পনাশক্তিৰ জৰিয়তে তেওঁ আমাৰ সন্মুখত উপস্থাপন কৰিছে সাগৰৰ দৃশ্য জাহাজৰ দৃশ্য এলবেট্ৰোছ চৰাইৰ প্ৰতিৰূপ (Ancieat Mariner) আৰু মধ্যযুগীয় অট্টালিকা আদিৰ দৃশ্য (Christa bel) আৰু এই সকলোবোৰকে এক ৰহস্যময় আৰু বিস্ময়কৰ পৰিবেশৰ মাজত স্থাপন কৰি পাঠকৰ মনো এখন অপৰিচিত জগতলৈ টানি লৈ যায়। কল্পনাশক্তিৰ যোগে দিয়েই তেওঁ লৌকিক আৰু অলৌকিক জগতৰ মাজত সেতু নিৰ্মাণ কৰিবলৈ সমৰ্থ হৈছে।

আমি আগতেই উল্লেখ কৰিছো যে মধ্যযুগ প্ৰীতি ৰোমাণ্টিক চিন্তাধাৰাৰ এটি বৈশিষ্ট্য আৰু কোলেৰিজৰ কবিতাত ইয়াৰ প্ৰতিফলন অতি সুস্পষ্ট। মধ্যযুগতেই কোলেৰিজে বিচাৰি পাইছিল তেওঁৰ কবি কল্পনাৰ স্ফুৰণৰ কাৰণে উপযুক্ত পৰিৱেশ। তেওঁৰ Christabel নামৰ কবিতাটোৰ পটভূমি হ'ল মধ্যযুগীয়। ইয়াত আছে প্ৰাচীন অট্টালিকা সামন্ত প্ৰভু অন্ধবিশ্বাস অলৌকিকতা ৰহস্যময়তা আৰু বিভীষিকা আদিৰ প্ৰসঙ্গ। The Rime of the Ancient Mariner নামৰ কবিতাটোতো মধ্যযুগীয় পৰিবেশ আৰু প্ৰসঙ্গ বিদ্যমান। এই কবিতাটোত উল্লেখিত cross-bow vesper bell the shivering hermit আৰু Mary Queen আদিয়ে মধ্যযুগীয়

ধৰ্মীয় পৰিৱেশ এটিৰ কথাই গোঁৱাই দিয়ে। প্ৰকৃতপক্ষে ৰোমাণ্টিক চিন্তাধাৰাৰ বিকাশত কোলেৰিজৰ এটা ডাঙৰ বৰঙণি হ'ল তেওঁৰ সৃজনীশীল কল্পনাশক্তিৰ সহায়ত মধ্যযুগৰ মোহনীয়তা তেওঁৰ কবিতাত প্ৰতিফলন কৰাটো।

স্বপ্নময় পৰিৱেশৰ সৃষ্টি ৰোমাণ্টিক দৃষ্টিভংগীৰ আন এটি বৈশিষ্ট্য। কোলেৰিজৰ কবিতাৰ স্বপ্নময়তাত ফুটি উঠিছে তেওঁৰ কাব্য প্ৰতিভাৰ এটি অবিস্মৰণীয় দিশ। তেওঁৰ প্ৰখ্যাত তিনিটা কবিতা Christabel Ancient Mariner আৰু Kubla Khan অত বাস্তৱ আৰু সপোনৰ মাজৰ সীমাৰেখাডাল যেন নোহোৱা হৈ গৈছে। কোলেৰিজৰ কবিতাৰ স্বপ্নময়তাৰ কথা আলোচনা কৰিবলৈ গলেই আমি Kubla Khan কবিতাটোৰ নাম লবলগীয়া হয়। কবিতাটো স্বপ্নলব্ধ কিন্তু সপোনত ৰচনা কৰা গোটেইখিনি তেওঁ বাস্তৱত সামৰিব নোৱাৰিলে। অপূৰ্ব চিত্ৰকল্পৰ সহায়ত কোলেৰিজে ইয়াত সপোন এটিক ভাষাৰে বন্দী কৰি ৰাখিছে। কোলেৰিজৰ সপোন কবিতাসমূহৰ ভিতৰত অন্য এটা উল্লেখযোগ্য কবিতা হ'ল Lewti মাত্ৰ বাইশ বছৰ বয়সতে লিখা এই কবিতাটোক কুবলাখানৰ পূৰ্বাভাষ বুলি ক'ব পাৰি। এই কবিতাটোতেই তেওঁ প্ৰথম বাৰৰ কাৰণে বিশুদ্ধ সপোনক কবিতালৈ ৰূপায়িত কৰাৰ সফল প্ৰচেষ্টাৰ আভাস পোৱা যায়।

ৰোমাণ্টিকতাৰ অন্যতম বৈশিষ্ট্য অলৌকিকতা কোলেৰিজৰ কবিতাত অপৰূপ হৈ ফুটি উঠিছে। অলৌকিক বা অতিপ্ৰাকৃত বিষয়ক শিল্পৰূপ দান কৰা অত্যন্ত কষ্টসাধ্য কাম কাৰণ যি প্ৰকৃতপক্ষে অবাস্তৱ আৰু কাৰ্য্যকাৰণসম্পৰ্কহীন সি সাধাৰণতে বিশ্বাসযোগ্য হ'ব নোৱাৰে আৰু সেইকাৰণে সেইবোৰ চিৰন্তন মানৱীয় অনুভূতিৰ লগত সম্বন্ধহীন। গতিকে এনে ক্ষেত্ৰত আৱেগ সঞ্চাৰণদ্বাৰা অতিপ্ৰাকৃত বিষয়ক বিশ্বাসযোগ্য কৰি তোলাটো কবিৰ প্ৰধান কৰ্তব্য আৰু কোলেৰিজ এই দিশত সফল হৈছে। কোলেৰিজৰ কালজয়ী প্ৰতিভাৰ প্ৰধান বৈশিষ্ট্য এইখিনিতে যে তেওঁ অলৌকিকতাক স্থুল কল্পনাৰ পৰা মুক্ত কৰি ইয়াক সূক্ষ্মতৰ মনস্তত্ত্বৰ ওপৰত প্ৰতিষ্ঠা কৰিলে। ইয়াৰ ফলত অপাৰ্থিৱ বস্তু আহি দেখা দিছে পাৰ্থিৱ ৰূপত স্বাভাৱিক পৰিৱেশৰ মাজেদি। অতিপ্ৰাকৃত বিষয়ক কবিতা হিচাপে কোলেৰিজৰ তিনিটা কবিতা বিশেষভাৱে স্মৰণীয়। সেই কেইটা হ'ল Christabel Anci nt Mariner আৰু Kubla Khan এই তিনিটা অমৰ কবিতাৰ বাহিৰে The Three Graves The Raven আৰু Lewti নামৰ আন তিনিটা কবিতাতো অলৌকিক উপাদান বৰ্তমান।

কোলেৰিজে তেওঁৰ কবিতাৰ মাজেদি একপ্ৰকাৰ আশ্চৰ্য্যবোধ বা বিস্ময়বোধৰ

সৃষ্টি কৰিব পাৰিছে আৰু সেইকাৰণে ৰমন্যাসক অদ্ভুতৰ জগত বিস্ময়ৰ সংযোগ বুলি পেটাৱে দাঙি ধৰা সংজ্ঞাৰ সুপ্ৰয়োগ কোলেৰিজৰ কবিতাতে হোৱা বুলি ক'ব পাৰি। The Ancient Mariner কবিতাটোত বৃদ্ধ নাবিকজনৰ নিজৰ অভিজ্ঞতা আৰু কাৰ্য্যাৱলীৰ বৰ্ণনা আৰু Christabel কবিতাটোত বৰ্ণিত ক্ৰিষ্টাবেল আৰু জিৰেল ডাইনৰ কাহিনীৰ মাজেৰে কোলেৰিজে যি ঐন্দ্ৰজালিক অথচ মোহনীয় পৰিৱেশৰ সৃষ্টি কৰিছে তাতেই তেওঁৰ কাব্যত ৰোমাঞ্চধৰ্মিতা উদ্ভাসিত হৈ উঠিছে।

প্ৰকৃতি প্ৰীতি হ'ল ৰমন্যাসবাদৰ অন্যতম বৈশিষ্ট্য। ওৱাৰ্ডছৱৰ্থৰ দৰে কোলেৰিজো আছিল প্ৰকৃতিৰ উপাসক আৰু প্ৰথম অৱস্থাত প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গী দুয়োৰে প্ৰায় একেই আছিল। ওৱাৰ্ডছৱৰ্থৰ দৰে কোলেৰিজেও প্ৰকৃতিক জীৱন্ত বুলি কল্পনা কৰিছিল আৰু প্ৰকৃতিৰ নৈতিক আৰু আধ্যাত্মিক শিক্ষাদানতো বিশ্বাসী আছিল। প্ৰকৃতি জগতত এক মহাশক্তিয়ে বিৰাজ কৰা বুলি কোলেৰিজেও বিশ্বাস কৰিছিল। পিছলৈ অৱশ্যে তেওঁৰ দৃষ্টিভঙ্গীৰ বহুতো পৰিৱৰ্তন ঘটে। তথাপিও তেওঁৰ কবিতাত প্ৰকৃতিয়ে যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সিয়ে তেওঁৰ কবিতাৰ ৰোমাণ্টিক বৈশিষ্ট্য প্ৰস্ফুটিত কৰাত তাৎপৰ্য্যপূৰ্ণ অৰিহণা আগবঢ়াইছে।

বিষাদৰ সুৰ ৰোমাণ্টিক কবিতাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। ৰোমাণ্টিক কবিতাৰ এই বৈশিষ্ট্যলৈ লক্ষ্য ৰাখিয়েই বোধহয় মহাকবি গ্যেটে ৰমন্যাসবাদক ৰোগ আখ্যা দিছিল। বেদনাৰ ভাব ওৱাৰ্ডছৱৰ্থৰ কবিতাতকৈ কোলেৰিজৰ কবিতাতহে বেছি গভীৰ। তেওঁৰ Ode to Dejection আৰু Pains of Sleep নামৰ কবিতা দুটি পঢ়িলেই ইয়াৰ সত্যতা ওলাই পৰে। ইয়াৰ প্ৰথমটোত কবিয়ে নিজে স্বীকাৰ কৰিছে যে স্বপ্ন বা কল্পনাবিলাসিতাই কবিক সদায় জীৱন্ত বা ক্ৰীয়াশীল কৰি ৰাখিব নোৱাৰে। Pains of Sleep নামৰ কবিতাটোৰ কোনো কোনো শাৰীত প্ৰেমৰ ক্ষেত্ৰত ব্যৰ্থতাই তেওঁৰ মনলৈ আনি দিয়া হতাশাৰ উমান পোৱা যায়। ইয়াৰ উপৰি কোলেৰিজৰ কবিতাৰ সুৰধৰ্মিতা বা প্ৰকাশভঙ্গীৰ সৰলতাও ৰোমাণ্টিকতাৰে বৈশিষ্ট্যসূচক।

ৰোমাণ্টিক আন্দোলনক আগবঢ়াই নিয়াত কোলেৰিজে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল তাক আলোচনা কৰি অধ্যাপক শ্ৰীমহেন্দ্ৰ বৰাই কৈছে—"ইংৰাজী কাব্য সাহিত্যৰ ইতিহাসত ৰমন্যাসবাদক এটা সুস্পষ্ট আন্দোলনৰ গঢ়াদি তোলা কাৰ্য্যত কলৰিজ ৱৰ্ডচৱৰ্থৰ সমান অংশীদাৰ। দুয়ো দুটা দিশত সৰ্বোত্তম কাব্যৰ সৃষ্টি কৰি গৈছে। ৱৰ্ডচৱৰ্থে প্ৰাত্যহিক অভিজ্ঞতাৰ প্ৰকৃতিক স্বৰ্গৰ মহিমাৰে অভিষিক্ত কৰি থৈ গৈছে আৰু কলৰিজে লোকোত্তৰ জগতৰ স্বপ্নময় ৰূপক মাটিৰ পৃথিৱীৰ বাস্তৱিকতা দান কৰি থৈ গৈছে। অথবা এই কথাষাৰকে ইতিহাসৰ পটভূমিত

এইদৰেও কব পাৰি ৱৰ্ডচৱৰ্থে বাস্তৱৰ ওপৰত কল্পনাৰ পৰশ দি প্ৰকৃতিবাদক ক্ৰেবৰ আক্ষৰিকতাৰ পৰা ৰক্ষা কৰিবলৈ প্ৰয়াস পাইছিল কলৰিজে মনস্তাত্বিক সত্যৰ লগত সম্পৰ্কযুক্ত কৰি বমন্যাসক ৱালপোল আৰু বেডক্লিফৰ স্থূল চাঞ্চল্যকাৰিতাৰ পৰা মুক্ত কৰিলে।' মুঠতে দুয়োগৰাকী কবিয়ে নিজস্ব প্ৰতিভাৰ বৈশিষ্ট্যৰে ইংৰাজী বমন্যাসিক কাব্যৰ দুটা প্ৰধান দিশক একেটা জোকাৰতে সিইতৰ পূৰ্ণতম অভিব্যক্তি দান কৰি থৈ গৈছে।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত যিজন কবিৰ কবিতা একান্তৰূপে প্ৰবল চিত্ত বিক্ষোভৰ (Passion) অভিব্যক্তি সেইজন হ'ল বায়ৰণ। বমন্যাসবাদৰ ইতিহাসত বায়ৰণ এক জটিল সাঁথৰ। মানুহ হিচাপে তেওঁৰ দৰে উৎকেন্দ্ৰিক (eccentric) বমন্যাসিক ব্যক্তিত্বৰ অধিকাৰী আন কোনোজন কবিয়েই নহয়। ৰোমাণ্টিক কবি হ'লেও বায়ৰণ অষ্টাদশ শতাব্দীৰ নব্য ধ্ৰুপদী কাব্যাদৰ্শৰ পৰা একেবাৰে আঁতৰি অহা নাছিল। নিজকেই তেওঁ পোপ আৰু ড্ৰাইডেনৰ উত্তৰসাধক বুলি ঘোষণা কৰিছিল। ৰোমাণ্টিক যুগৰ কবি হ'লেও বায়ৰণ আছিল স্বতন্ত্ৰপন্থী আৰু এই স্বতন্ত্ৰতাৰ পৰিচয় হ'ল তেওঁৰ বাস্তৱবোধ আৰু ব্যঙ্গাত্মক মনোভাৱ। ৰোমাণ্টিক ভাবধাৰাও তেওঁৰ কাব্যত প্ৰবহমান। বায়ৰণৰ সাৰ্থক কাব্যসৃষ্টিত দুই পৰস্পৰ বিৰোধী ভাবৰ অৰ্থাৎ বাস্তৱতা আৰু ৰোমাণ্টিছিজমৰ সমন্বয় সাধন হৈছে। তেওঁৰ কবিতা সম্পৰ্কীয় এই পৰিস্থিতিটোৰ কথা সমালোচকসকলে বমন্যাসিক স্ববিৰোধ (romantic paradox) বুলি উল্লেখ কৰিছে।

সমালোচকসকলে বায়ৰণৰ কাব্য-জীৱনক চাৰিটা অধ্যায়ত ভাগ কৰি দেখুৱাইছে। প্ৰথম অধ্যায়টোৰ বিস্তৃতি হ'ল ৮ ৭ চনৰ পৰা ১৮১১ চনলৈকে। ওলিভাৰ এল্টাণ এই সময়ছোৱাক— poetical adolecence অৰ্থাৎ কাব্য জীৱনৰ কৈশোৰকাল বুলি উল্লেখ কৰিছে। Hours of Idleness নামৰ বায়ৰণৰ প্ৰথম কাব্য গ্ৰন্থখন ১৮ ৭ চনতেই লিখা। পোপ আৰু গ্ৰে ৰ প্ৰভাৱ এই সঙ্কলনটোত সুস্পষ্ট। এডিনবৰা ৰিভিউ নামৰ আলোচনীখনত এই কাব্য সঙ্কলনটিৰ অতি কটু সমালোচনা হয়। বায়ৰণে তাৰ প্ৰতিশোধ ল'লে English Bards and Scottish Reviewers নামৰ বিখ্যাত ব্যঙ্গ কবিতাটো ৰচনা কৰি। এই কবিতাটোৰ যোগেদি তেওঁ বহুতো সমসাময়িক কবি সমালোচকক ব্যঙ্গ বাণেৰে ঠকা সৰকা কৰে। এয়েই বায়ৰণৰ ব্যঙ্গ কবিতাৰ আৰম্ভণি। এই কবিতাটো ৰচনা কৰাৰ পিছত এই সময়ছোৱাও তেওঁ আন যিকেইটা ব্যঙ্গ কবিতা ৰচনা কৰে তাৰ ভিতৰত উল্লেখযোগ্য হ'ল Age of Bronge The Curse of Minerva আৰু Hints from Horace আদি। বায়ৰণৰ

কাব্য জীৱনৰ দ্বিতীয় অধ্যায় ১৮১২ চনৰ পৰা ১৮১৬ চন পৰ্যন্ত বিস্তৃত। ইউৰোপৰ বিভিন্ন দেশত দুবছৰ কাল ভ্ৰমণ কৰি আহি ১৮ ২ চনত তেওঁ তেওঁৰ বিখ্যাত কবিতা Child Harold অৰ প্ৰথম দুটা সৰ্গ প্ৰকাশ কৰে। এই সৰ্গ দুটা লিখিয়েই তেওঁ বিখ্যাত হৈ পৰে। ইয়াৰ পিছৰ চাৰি বছৰত প্ৰকাশ পোৱা কবিতাবোৰ হ ল—The Giaour The Bride of Abydos The Corsair Lara Parisina The Siege of Coriath Hebrew Melodies আৰু The Dream তেওঁৰ কাব্য জীৱনৰ তৃতীয় অধ্যায়টো ১৮১৬ চনৰ পৰা ৮২৩ চনলৈকে বিস্তৃত। এই সময়ছোৱাতে বায়ৰণে তেওঁৰ Childe Harold-অৰ তৃতীয় আৰু চতুৰ্থ সৰ্গ প্ৰকাশ কৰে। Manfred Cain আদি কেইখনমান নাটকো এই সময়ৰে ৰচনা। এই অধ্যায়ৰ অন্যান্য ৰচনা সমূহ হ ল Lament of Tasso Ode on Venice The Dream Prisoner of Chillon আদি কবিতাবোৰ। বায়ৰণৰ কাব্যজীৱনৰ শেষ অধ্যায়টো মাত্ৰ দুটা বছৰে (১৮২৩ ১৮২৪) সামৰিছে। এই দুটা বছৰতে তেওঁৰ কাব্য জীৱনৰ কীৰ্ত্তিস্তম্ভ Don Juan আৰু The vision of Judgement ৰচনা কৰি উলিয়ায়।

ইংৰাজী ৰোমাণ্টিক কাব্য সাহিত্যৰ বুৰঞ্জীত বায়ৰণৰ স্থান অদ্ভুতধৰণে বিশেষত্বপূৰ্ণ (Peculiar)। এই প্ৰসঙ্গত অধ্যাপক বাউৰাই লিখিছে "ইংৰাজ ৰমন্যাসিক সকলৰ ইতিহাসত বায়ৰণৰ স্থান আনৰ লগত নিমিলা ধৰণৰ। ইউৰোপীয় দৃষ্টিকোণৰ পৰা তেওঁ ৰমন্যাস আন্দোলনৰ প্ৰধান উদ্যোক্তা আৰু আটাইতকৈ জনাজাত ব্যক্তি যি জনে তেওঁৰ নিজৰ ভিতৰত ইয়াৰ কাৰণে আৱশ্যকীয় গুণবোৰ আহৰণ কৰিছিল আৰু তেওঁ উদাহৰণমূলক উদাহৰণেৰে সেইবিলাক সভ্যজগতত প্ৰতিষ্ঠা কৰিছিল। ই ৰাজসকলৰ স্বাভাৱিক দৃষ্টিকোণৰ পৰা তেওঁ কিন্তু ৰমন্যাসিক মুঠেই নহয়। অষ্টাদশ শতিকাৰ এজন অৱশিষ্ট আৰু প্ৰকৃত ৰমন্যাসিক সকলে যিটো আটাইতকৈ পবিত্ৰ বুলি ভাবে সেইটোৰ তেওঁ বিৰোধী। (অনুবাদ অধ্যাপক বীৰেন বৰকটকী)। এইটো ঠিক যে বিষয় বস্তু আৰু প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত বায়ৰণ আৰু আন আন ৰোমাণ্টিক কবিৰ মাজত আকাশ-পাতাল পাৰ্থক্য। ঠায়ে ঠায়ে ৰোমাণ্টিক ভাৱধাৰাৰে গভীৰ ভাৱে উদ্বুদ্ধ হ লেও যি অৰ্থত আমি কোলেৰিজ শ্বেলী বা ওৱাৰ্ডছৱাৰ্থক ৰোমাণ্টিক কবি বুলি কও সেই অৰ্থত বায়ৰণক কেতিয়াও ৰোমাণ্টিক কবি বুলি কব নোৱাৰি। কোনো কোনো ঠাইত তেওঁক ওৱাৰ্ডছৱাৰ্থ বা কোলেৰিজৰ দৰে ৰোমাণ্টিক চেতনাই স্পৰ্শ কৰিছে কিন্তু আন কোনো কোনো ঠাইত ইয়াৰ পৰা বহুদূৰ আঁতৰি গৈছে।

কি কি দিশত বায়ৰণ আন আন ৰোমাণ্টিক কবিতকৈ বেলেগ তাৰ আলোচনা অধ্যাপক বাউৰাই তেওঁৰ Romantic Imagination নামৰ পুথিখনিত সুন্দৰকৈ

কৰিছে। প্ৰথমে তেওঁ ৰোমাণ্টিক কবি সকলৰ কল্পনাপ্ৰিয়তা বা কল্পনা বিলাসৰ কথাই উল্লেখ কৰিছে। ৰোমাণ্টিক কবিসকলে কল্পনাশক্তিৰ ওপৰত বিশেষ জোৰ দিয়া লক্ষণীয়। কল্পনাশক্তিৰ জৰিয়তেই তেওঁলোকৰ কিছুমানে মনক আবদ্ধ কৰিছিল মধ্য যুগীয় ৰহস্য আৰু সৌন্দৰ্য্যৰ মাজত কিছুমানে আকৌ এই কল্পনাশক্তিৰ বলতেই সপোন পুৰীৰ স্বপ্ন দেখিছিল। কিন্তু বায়ৰণৰ কবিতাত কীটছ বা শ্বেলীৰ দৰে কল্পনা বিলাসিতা নাই। কল্পনাৰ ঠাইত তেওঁৰ গুৰুত্ব দিছিল অনুভূতিক (instinct)। কল্পনাক প্ৰত্যাখ্যান কৰি বায়ৰণে তেওঁৰ গভীৰ আত্ম প্ৰত্যয়ৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে আৰু এই প্ৰত্যাখানৰ ফলতেই সৃষ্টি তেওঁৰ সৰ্বোৎকৃষ্ট কাব্যসম্ভাৰ। ইয়াৰ ফলত তেওঁ সমসাময়িক কবিসকলৰ মাজত এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হয়। দ্বিতীয়তে কৌতুক (wit) প্ৰদৰ্শনৰ ক্ষমতাতো বায়ৰণ আছিল আন আন ৰোমাণ্টিক কবিতকৈ একেবাৰে স্বতন্ত্ৰীয়া। এই প্ৰসংগত অধ্যাপক বাউৰাই লিখিছে

Byron differs from the authentic Romantics not merely in his low estimate of the imagination but in the peculiar quality and power of his wit Indeed his wit rises largely from his loss of belief in the imagination জীৱনৰ মধুৰতা মসৃণতা আৰু মোহময়তা তেওঁৰ মেজাজৰ বিৰোধী আছিল। সেইকাৰণে তেওঁ কল্পনাতকৈ কৌতুকক অধিক সম্মানৰ আসন দিছিল। তেওঁৰ মনত সংঘৰ্ষ হৈছিল আবেগ অনুভূতি আৰু বুদ্ধিমত্তাৰ আৰু কৌতুকৰ যোগেদিয়েই এই দুটাৰ মাজত একপ্ৰকাৰ সমিল মিল স্থাপন কৰিবলৈ তেওঁ সমৰ্থ হৈছিল। তৃতীয়তে জীৱনৰ অভিজ্ঞতাৰ প্ৰতি তেওঁৰ প্ৰতিক্ৰিয়াৰ জটিলতাৰ দিশতো বায়ৰণ আছিল আন আন ৰোমাণ্টিক কবিতকৈ পৃথক। বাউৰাই কৈছে

Where as the other Romantics tended to follow a single principle in their approach to life Byron followed his own wayward Changing moods আন আন ৰমন্যাসিক কবিৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকৰ প্ৰত্যেকেই জীৱনক একোটামাত্ৰ বিশেষ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিছে কিন্তু বায়ৰণে মানৱ জীৱনক প্ৰতিটো ভিন্ন পৰিৱেশত সম্পূৰ্ণ অভিনৱ আৰু পৰিবৰ্ত্তিত দৃষ্টিকোণৰ পৰা বিচাৰ কৰিছে। তেওঁৰ দৃষ্টিভংগী ওৱাৰ্ডছৱাৰ্থৰ দৰে আধ্যাত্মিক নহয় শ্বেলীৰ দৰে বৌদ্ধিক নহয় বা কোলেৰিজৰ দৰে দাৰ্শনিক নহয়। তেওঁৰ দৃষ্টিভংগী হ ল বহুল বৈচিত্ৰ্যময়। উদাহৰণ হিচাপে ডন জুৱান ৰ কথাকেই ল ব পাৰি। ই হ ল সমসাময়িক জীৱনৰ পূৰ্ণাংগ চিত্ৰ। এটা কেৱল বিশেষ দৃষ্টিভংগীৰে চালে আমি এনে্‌ৰা ধৰণৰ পূৰ্ণাংগ চিত্ৰ কেতিয়াও নাপালোহেঁতেন। ডন জুৱান ক যুগৰ মহাকাব্য বুলি কোৱাটো

এবো ভুল কথা নহয়। বাস্তৱ জীৱনৰ বিভিন্ন দিশৰ চিত্ৰ ৰূপায়িত হৈছে ইয়াত যথোপযুক্ত প্ৰকাশভঙ্গীৰ জৰিয়তে। জীৱনৰ বিভিন্ন দিশৰ অভিজ্ঞতা লাভৰ ইচ্ছা আছিল বায়ৰণৰ অতি প্ৰবল আৰু তেওঁৰ দৃষ্টিগোচৰ হোৱা সকলো বিষয়কে তেওঁ পৰীক্ষা কৰি চাইছিল। ইয়াৰ ফলস্বৰূপে তেওঁৰ ডন জুৱান মহাকাব্যখন সমসাময়িক সমাজ জীৱনৰ ওপৰত চিত্ৰধৰ্মী আৰু স্বৰূপ সন্ধানী ভাষ্যৰূপ হৈ পৰিছে।

বায়ৰণৰ স্বকীয়তা সম্পৰ্কে আন কেইটামান কথাত উল্লেখ কৰিব পাৰি। আদৰ্শ বাদী শ্বেলীৰ বাহিৰে আনবোৰ ৰোমাণ্টিক কবি আছিল প্ৰায়েই বাস্তৱ বিমুখ। আমাৰ সমাজত সচৰাচৰ ঘটি থকা ঘটনাবোৰৰ প্ৰতি তেওঁলোকৰ মনোযোগ আছিল খুবেই কম। ওৱাৰ্ডছ্‌ওৱাৰ্থে পৰ্বতে ভৈয়ামে এচপৰা মেঘৰ দৰে ঘূৰি ফুৰি প্ৰকৃতিৰ ৰহস্য উদ্ঘাটন কৰোতেই ব্যস্ত থাকিল। কোলেৰিজে অলৌকিক পৰিৱেশ সৃষ্টিতহে বেছি গুৰুত্ব দিলে আৰু সপোনৰ কবিতাহে ৰচিলে। শ্বেলীয়ে অতিকথা নিৰ্মাণ কৰিলে আৰু সোণালী ভৱিষ্যতৰ ছবি এখনি আমাৰ আগত দাঙি ধৰিলে আৰু কীটছেও জোৰ দিলে সৌন্দৰ্য্যৰ সন্ধান আৰু সৃষ্টিত। কেৱল বায়ৰণেহে বাস্তৱ জগতখনৰ প্ৰতি মনোযোগ দিয়া দেখা যায়। বাস্তৱ জগতখনৰ ভাল বেয়া দুয়োটা দিশকে তেওঁ গ্ৰহণ কৰিছে। শ্বেলীয়ে বিচৰণ কৰিবলৈ বিচাৰিছিল মেঘৰ মাজত কিন্তু বায়ৰণে পৃথিৱীক পাহৰা নাছিল। এই প্ৰসঙ্গত গ্ৰীয়াৰ্চনে কৈছে— Byron never quits the earth From first to last he is concerned with realities and nothing but realities mundane realities real persons and scens and happenings

বায়ৰণৰ বাস্তৱবাদে তেওঁক আন আন ৰোমাণ্টিক কবিৰ পৰা পৃথক কৰি ৰাখিছে। কীট ছৰ সম্বন্ধ আছিল অতীতৰ লগত আৰু শ্বেলীৰ ভৱিষ্যতৰ লগত। বায়ৰণে কিন্তু সম্বন্ধ ৰাখিছিল বৰ্তমানৰ লগত তেওঁৰ সমসাময়িক সমাজখনৰ লগত। কল্পনা বিলাসী হোৰাচকৈ বাস্তৱবাদী হোৰাচটোকেই বায়ৰণে বাঞ্ছা কৰিছিল। ডন জুৱান' মহা কাব্যৰ দ্বাদশ স্বৰ্গত তেওঁ কৈছে

> I mean to show things really as they are
> Nor as they aught to be for I avow
> That till we s e what is what infact We re far
> From much improvement

বাস্তৱটোক বায়ৰণ বাস্তৱ হিচাপেই গ্ৰহণ কৰিবলৈ বিচাৰিছে। কোনো ধৰ্মীয় বা দাৰ্শনিক দৃষ্টিভঙ্গী লৈ ইয়াৰ আলাপ আলোচনা কৰিবলৈ বিচৰা নাই। এই ক্ষেত্ৰত তেওঁৰ দৃষ্টিভঙ্গী অষ্টাদশ শতিকাৰ কবিসকলৰ সমধৰ্মী তেওঁৰ সমসাময়িক আন ৰোমাণ্টিক কবিসকলৰ দৃষ্টিভঙ্গীৰ লগত তেওঁৰ মিল নাই। আন যিটো বিষয়ত বায়ৰণ

তেওঁৰ সাময়িক কবিসকলৰ বিপৰীতধৰ্মী আৰু অষ্টাদশ শতিকাৰ নব্য ধ্ৰুপদী কবি-সকলৰ সমধৰ্মী হৈ পৰিছিল সেইটো হ ল তেওঁৰ কবিতাৰ ব্যঙ্গধৰ্মিতা। ওৱাৰ্ডছৱাৰ্থ কোলেৰিজ বা কীট্‌ছৰ কবিতাত ব্যঙ্গৰ স্থান নাই। কিন্তু ব্যঙ্গাত্মক দৃষ্টিভঙ্গী হ ল বায়ৰণৰ কবিতাৰ এটি প্ৰধান বৈশিষ্ট্য।

বহুত বিষয়ত বায়ৰণ তেওঁৰ সমসাময়িক ৰোমাণ্টিক কবিসকলোতকৈ পৃথক হ লেও তেওঁক আমি ৰোমাণ্টিক কবি নহয় বুলি ক ব নোৱাৰো। বায়ৰণ আছিল ৰোমাণ্টিক যুগৰেই কবি আৰু সেইকাৰণে যুগৰ প্ৰভাৱ একেবাৰেই এৰাই চলাটো তেওঁৰ পক্ষে কোনোমতে সম্ভৱ হোৱা নাছিল। এই প্ৰসঙ্গত অধ্যাপক বাউৰাই কৈছে যে বায়ৰণে যদিও ৰোমাণ্টিক কল্পনাক গ্ৰহণ কৰা নাছিল আৰু বাস্তৱধৰ্মী দৃষ্টিভঙ্গী এটি গ্ৰহণ কৰিছিল তথাপিও আন ৰোমাণ্টিক কবিয়ে গ্ৰহণ কৰা কিছুমান বিষয়বস্তু আৰু ভাৱধাৰা তেওঁ গ্ৰহণ কৰিছিল। আন আন ৰোমাণ্টিক কবিৰ দৰে তেওঁৰো আছিল প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ। মানৱজীৱনত প্ৰেমৰ গুৰুত্বকো তেও লাঘৱ কৰিবলৈ বিচৰা নাছিল। বৰং তেওঁ বিশ্বাস কৰিছিল যে প্ৰকৃতি আৰু প্ৰেম এই দুয়োটা বিষয়েই কাব্য ৰচনাৰ অনুপ্ৰেৰণা হ ব পাৰে। আন আন ৰোমাণ্টিক কবিৰ দৰে তেওঁৰ কবিতাতো অনুৰণিত হৈছে বিষাদৰ সুৰ। ফৰাচী বিদ্ৰোহৰ আদৰ্শৰদ্বাৰা তেৱেঁা অনুপ্ৰাণিত হৈছিল। ৰুছো (Rousseau) আৰু চাটোব্ৰিয়াৰ (Chateaubriand) গুণমুগ্ধ হৈ পৰিছিল তেওঁ। তেওঁৰ দৃষ্টিভঙ্গী আছিল শ্যেলীতকৈও বেছি বৈপ্লৱিক। তেওঁৰ দৃষ্টিভঙ্গী আছিল শ্যেলী বা ওৱাৰ্ডছৱাৰ্থৰ দৃষ্টিভঙ্গীতকৈ বহুত বেছি বহল। জীৱন আৰু জগত সম্বন্ধে এই দুয়োজন কবিৰ দৃষ্টিভঙ্গী প্ৰভাৱিত হৈছিল তেওঁলোকৰ স্বকীয় জীৱনদৰ্শনৰদ্বাৰা। বায়ৰণে কিন্তু আন দহজনে যেনেকুৱা ধৰণে ভাবে তেনেকুৱা ধৰণেহে সকলো কথাৰ ব্যাখ্যা দাঙি ধৰিছিল। দৃষ্টিভঙ্গীৰ প্ৰসাৰতাৰ কাৰণে বায়ৰণক সমস্ত ইউৰোপৰে কবি বুলি আখ্যা দিয়া হৈছে। বায়ৰণৰ লিৰিক বা ইলিজিসমূহো ৰোমাণ্টিক বৈশিষ্ট্যযুক্ত। তেওঁৰ The Death of Calmar and Orla নামৰ কবিতাটোত মেক্‌ফাৰছনৰ ওচিয়ানৰ প্ৰভাৱ অতি গভীৰ। ৰোমাণ্টিক বৈশিষ্ট্য স্পষ্টভাৱে চকুত পৰা তেওঁৰ আন আন কবিতা হ ল—I would I were a Careless Child When I roved a young Highlander Laching gair আদি। বায়ৰণৰ কবিতাত কল্পনাৰ কোনো ভূমিকাই নাই বোলা কথাষাৰো একেবাৰে সঁচা নহয়। তেওঁৰ জীৱনেই আছিল কল্পনাৰ সুৰম্য প্ৰসাদ কেৱল কবিতাৰ কেঁচামাল নহয়—যাক কল্পনাৰ ৰঙীন বোলোৱে বুলাই লোৱাৰ পাছতহে সি কবিতাৰ পৰ্য্যায়লৈ উন্নীত হয়। (অধ্যাপক মহেন্দ্ৰ বৰা)

বায়ৰণৰ কবিতাত ৰোমাণ্টিক বৈশিষ্ট্য আৰু ক্লাছিকেল বৈশিষ্ট্যৰ সংমিশ্রণ কেনেদৰে ঘটিছে তাক অধ্যাপক মহেন্দ্র বৰাই ভালদৰে দাঙি ধৰিছে। "দৰাচলতে বায়ৰণৰ কবি-প্রতিভা ধ্রুবাদ আৰু ৰমন্যাসবাদৰ উভয় খাতেদি প্রবাহিত হৈছিল। তেওঁৰ কাব্য পৰিক্রমাৰ ওপৰত ভালকৈ চকু ফুৰাই চালে বুজিব পাৰি তেওঁৰ জীৱনত উভয় ধাৰাৰ প্রভাৱ প্রায় পাৰম্পৰিক উত্থান-পতনৰ ৰূপত দেখা দিছিল। তেওঁৰ ব্যংগ কবিতাবোৰ যিদৰে ধ্রুপদী পৰম্পৰাৰ অনুবর্তী কাহিনী-কবিতাবোৰ সেইদৰে ৰমন্যাসিক আস্বাদযুক্ত। তেওঁৰ প্রথম কাব্যগ্রন্থ 'আৱাৰচ অৱ আইডল্নেচ'ত দুয়োটা ধাৰাৰ কবিতাৰ সহাৱস্থান তাৎপর্য্যপূর্ণ। কেতিয়াবা এনেও ঘটিছে যে একোটা কবিতাতে দুয়োটা ধাৰাৰ মধুৰ আৰু অভাৱনীয় মিলন পৰিস্ফুট হৈ উঠিছে। চাইল্ড হেৰল্ড আৰু ডন জুৱান তাৰ উজ্জ্বল নিদর্শন। ফঁহিয়াই চালে উমান পোৱা যায় বায়ৰণৰ সহজাত মেজাজটো আছিল একান্তভাৱেই ৰমন্যাসিক আৰু ৰুচিৰ আদর্শটো আছিল ধ্রুপদী। সেইবাবেই এগৰাকী সাহিত্যৰ বুৰঞ্জীবিদে মন্তব্য কৰিছে "হয়তো তেওঁ ৰমন্যাসবাদৰ অতিমিষ্ট আনন্দৰ প্রতি বিস্বাদ অনুভৱ কৰিছিল কিন্তু তেওঁৰ এনে এটা মিঠালগা দাঁত আছিল যে তাৰ মিঠা কুটকুটনিটোকেই মানি লৈছিল। ফলত সেইবোৰ কবিতা হৈ উঠিছিল ৰমন্যাসিক কল্পনাবোধ আৰু ধ্রুপদী বাস্তৱবুদ্ধিৰ অদ্ভুত আৰু অভাৱনীয় মিশ্রণৰ ফলশ্রুতি।

ৰোমাণ্টিক কবি হিচাপে বায়ৰণৰ বিশেষ বৈশিষ্ট্য হ'ল তেওঁৰ কবিতাৰ মাজেৰে প্রকাশ পোৱা প্রবল আৱেগিক আৰু আনুভূতিক উচ্ছ্বাস। ওৱার্ডছৱার্থে কবিতাক প্রকৃতি জগত'ল আদৰি আনে কোলেৰিজে ইয়াত মনস্তাত্ত্বিক পদ্ধতিৰে অতিপ্রাকৃতৰ অৱতাৰণা কৰে আৰু বায়ৰণে ইয়াত তীব্র অনুভূতিৰ সুৰ (tones of passionate f eling) ঢালি দিয়ে। অধ্যাপক জন নিকলৰ (John Nichol) মতে "the note of passion is Byron s most essential contribution to the re awakening of English poerty

ৰোমাণ্টিক কবি হিচাপে শ্বেলীৰ কবিতাও স্বকীয় বৈশিষ্ট্যেৰে সমুজ্জ্বল। তেওঁৰ কবিতাত আছে নতুন বিষয়বস্তু নতুন সুৰ আৰু ভৱিষ্যতৰ মধুৰ কল্পনা। শ্বেলীৰ কাব্যসম্ভাৰক সাধাৰণতে দীঘলীয়া কবিতা আৰু লিৰিক—এই দুটা প্রধান ভাগত ভাগ কৰি লব পাৰি। ইয়াৰ উপৰিও তেওঁৰ আছে কেইখনমান গীতি নাটক (lyrical drama)। শ্বেলীৰ প্রথম দীঘলীয়া কবিতা Queen Mab প্রকাশ হয় ১৮১৩ চনত। এই কবিতাটো শ্বেলীয়ে ওঠৰ বছৰ বয়সত ৰচনা কৰে। তেওঁৰ Alastor নামৰ আন এটা দীঘলীয়া কবিতা প্রকাশ হয় ১৮ ৬ চনত। এই বছৰতে বায়ৰণৰ লগত শ্বেলীৰ

বন্ধুৰ গঢ়ি উঠে। এই সময়তে তেওঁ Hymn to Intellectual Beauty নামৰ বিখ্যাত কবিতাটো ৰচনা কৰে। The Revolt of Islam নামৰ দীঘলীয়া কবিতাটো প্ৰকাশ হয় ১৮১৮ চনত। এই চনতেই শ্বেলী ইটালিলৈ যায় আৰু তাতে Rosalind and Helen নামৰ ট্ৰেজেডিখন লিখে। এই একে বছৰতে তেওঁ বায়ৰণৰ লগত থাকি Lines written in the Euganean Hill নামৰ কবিতাটো লিখে। এই বছৰত তেওঁৰ আন কামৰ ভিতৰত উল্লেখযোগ্য হ ল কথোপকথনৰ ৰূপত লিখা Julion and Maddalo নামৰ কবিতাটো আৰু Stanzas written in Dejection near Naples নামৰ প্ৰখ্যাত লিৰিকটো। তাৰ পিছ বছৰত অৰ্থাৎ ১৮১৯ চনত তেওঁ ৰোমলৈ যায়। এই বছৰতে তেওঁৰ The Cenci নামৰ ট্ৰেজেডিখন প্ৰকাশ হয়। তেওঁৰ বিখ্যাত গীতি নাটক Prometheus Unbound অৰ ৰচনাও এই চনতেই হয় কিন্তু ইয়াৰ প্ৰকাশ হয় ১৮২ চনত। ১৮১৯ চনৰ শেষফালে তেওঁ ইটালিৰ পীছা নগৰীত বসবাস কৰে আৰু ইয়াত থকা সময়ছোৱাই তেওঁ Ode to the West wind to a Skylark আৰু The Cloud আদি কেইটামান বিখ্যাত গীতি কবিতা ৰচনা কৰে। এই সময়তেই তেওঁ The Sensitive plant Ode to Naples Ode to Liberty আদি আন কেইটামান কবিতাও ৰচনা কৰে। ১৮২১ চনৰ ৰচনাৰ ভিতৰত উল্লেখযোগ্য হ ল Adonais নামৰ কবিতাটো আৰু Epipsychidion নামৰ কবিতাটো। ১৮২২ চনত তেওঁৰ গীতি নাট্য Hellas প্ৰকাশিত হয়। তেওঁৰ মৃত্যুৰ আগে আগে ৰচনা কৰা কেইটামান মনোমোহা গীতি-কবিতা হ ল O World! O Life! O time! আৰু When the Lamp is shaltered আদি। কেইটামান প্ৰেমৰ কবিতাও উল্লেখযোগ্য।

শ্বেলীৰ কবিতাৰ জৰিয়তে প্ৰকাশ পোৱা তেওঁৰ প্ৰকৃতি প্ৰীতি মানৱ প্ৰীতি স্বৰধৰ্মিতা আদিৰ ক্ষেত্ৰত তেওঁ আন কেইজনমান কবিৰ লগত একে দৃষ্টিভঙ্গীকেই প্ৰকাশ কৰিছে। ওৱাৰ্ডছ্ওৱাৰ্থৰ দৰে তেৱোঁ বিশ্বাস কৰিছিল যে প্ৰকৃতি জগতত এক মহাশক্তিয়ে বিৰাজ কৰিছে। অৱশ্যে প্ৰকৃতিৰ বিভিন্ন বস্তুক প্ৰতীক হিচাপে ব্যৱহাৰ কৰাটো তেওঁৰ স্বকীয় কাব্য কৌশল। ইয়াৰ বাহিৰে Hymn to Intellectual B auty Epipsychidion Adonais The Triumph of Life আদি কেইটামান কবিতাত ঠায়ে ঠায়ে তেওঁৰ ৰহস্যবাদী দৃষ্টিভঙ্গীৰো প্ৰকাশ ঘটিছে। তথাপি আমি স্বীকাৰ কৰিব লাগিব যে আন কেইটমান দিশত আনবোৰ ৰোমাণ্টিক কবিৰ লগত শ্বেলীৰ অমিল পৰিলক্ষিত হয়। শ্বেলীৰ ক্ষেত্ৰত মন কৰিব লগীয়া এটা প্ৰধান কথা হ ল যে তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু কবিতাৰ মাজেদি প্ৰকাশ পোৱা চিন্তাধাৰাৰ

মাজত আছে এক অতি ওচৰ সম্বন্ধ। শ্বেলীৰ কবিতা তেওঁৰ ব্যক্তিত্বৰেই প্ৰকাশ। গতিকে শ্বেলীৰ কবিতা বুজিবলৈ হ'লে প্ৰথমতে আমি মানুহজনক বুজি লব লাগিব। শ্বেলীৰ ক্ষেত্ৰত কোনো কৃত্ৰিমতাৰ স্থান নাই। তেওঁ যি উপলব্ধি কৰিছিল তাক আন্তৰিকতাৰে আৰু গভীৰতাৰে উপলব্ধি কৰিছিল আৰু ইয়াক প্ৰকাশ কৰাৰ স্বাভাৱিক মাধ্যম হ'ল তেওঁৰ কবিতা। গোলাপ ফুলৰ পৰা সুগন্ধি যেনেকৈ আপোনা আপুনি ওলাই আহে তেওঁৰ হাতৰ পৰাও কবিতাৰ সৃষ্টি হৈছিল তেনেকৈ স্বতস্ফূৰ্ত ভাৱে। যত্নহীনতা আৰু সাৱলীলতা আছিল তেওঁৰ প্ৰধান বৈশিষ্ট্য। ওৱাৰ্ডছৱৰ্থ স্কট কোলেৰিজ বায়ৰণ আৰু কীট্‌ছৰ প্ৰত্যেকেই আছিল কম-বেছি পৰিমাণে একোজন সচেতন শিল্পী। কবিতা ৰচনা কৰোঁতে কিছু হলেও সময় আৰু যত্নৰ প্ৰয়োজন তেওঁলোকৰ হৈছিল। কিন্তু শ্বেলীৰ ক্ষেত্ৰত কথাটো আছিল একেবাৰে সুকীয়া। তেওঁ কবিতা ৰচনা কৰিছিল একেবাৰে অপ্ৰয়াসে। এই প্ৰসঙ্গতে অধ্যাপক ক্ৰাম্পে (Crump) কৈছে Wordsworth Coleridge even Keats infact almost every poet that ever wrote were occasionally pedestrian and trivial Shelley never

বায়ৰণৰ দৰে শ্বেলীৰ কবিতাতো প্ৰকাশ পাইছে তেওঁৰ বৈপ্লৱিক দৃষ্টিভঙ্গী। প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে দুয়োজনেই বিদ্ৰোহ ঘোষণা কৰিলেও বায়ৰণ শ্বেলীৰ দৰে আদৰ্শবাদী নাছিল। শ্বেলীৰ দৰে তেওঁ ভৱিষ্যতৰ মধুৰ কল্পনাও দাঙি ধৰা নাছিল। ৰামৰাজ্যৰ সপোন দেখাৰ উপৰিও শ্বেলীৰ কবিতাত প্ৰকাশ পাইছে এটি সংস্কাৰকামী মন। এই ক্ষেত্ৰতো তেওঁ আন আন ৰোমাণ্টিক কবিতাকৈ আছিল পৃথক। ৰোমাণ্টিক কবি হিচাপে আমি শ্বেলীৰ কবিতাতেই সন্মুখীন হওঁ অস্পষ্টতাৰ স্বপ্নবিলাসিতাৰ আৰু বিমূৰ্ত ভাৱৰ। কিন্তু এইবোৰে আমাৰ কাৰণে আমনিদায়ক নহয় কাৰণ তেওঁৰ প্ৰকাশভঙ্গী হ'ল সুৰধৰ্মী আৰু সাৱলীল।

ৰোমাণ্টিক কবি হিচাপে শ্বেলীয়ে যিটো গুণৰ কাৰণে শ্ৰেষ্ঠত্ব দাবী কৰিব পাৰে সেইটো হ'ল তেওঁৰ কবিতাৰ গীতি ধৰ্মিতা। শ্বেলী হ'ল ইংৰাজী সাহিত্যৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ গীতি কবিতাৰ কবি। এই ক্ষেত্ৰত আন কোনো ৰোমাণ্টিক কবিয়েই তেওঁৰ সমকক্ষ নহয়। অধ্যাপক কাজামিয়াই ঠিকেই কৈছে — Shelley s lyricism in incomparable In no other do we find the perfect sureness the triumphant rapidity of this upward flight this soaring hight the superterrostrial quality as well as the poignant intensity of the sounds which fall form these aerial regions Truly never was the soul of a poet so spontaneously lyrical

আনুভূতিক গভীৰতা, বস্তুস্ফূৰ্ততা আৰু সঙ্গীতধৰ্মিতাই হ'ল শ্বেলীৰ গীতিকবিতাবোৰৰ প্ৰধান বৈশিষ্ট্য। অধ্যাপক মহেন্দ্ৰ বৰাই উল্লেখ কৰিছে যে "তেওঁৰ গীতিকাব্যৰ সৌন্দৰ্য্য জোনৰ মুখৰ জোনাকৰ দৰে। ফুলৰ পাহিৰ সুৰভিৰ দৰে অথবা জুৰিৰ পানীৰ ফটিক ধাৰৰ দৰে। ইবিলাকৰ কতোৱেই কোনো জড়তা, প্ৰচেষ্টা বা আবিলতাৰ আভাস নাই। শ্বেলীৰ গীতিকবিতাবোৰৰ ভিতৰত বিশেষভাৱে উল্লেখ যোগ্য হ'ল—To Night The Cloud Love s Philosophy To a skylark Ode to the West wind Stanzas Written in Dejection near Naples আদি। ইয়াৰ ভিতৰত আকৌ To a skylark অৰ স্থান একেবাৰে স্বকীয়া।

ৰোমাণ্টিক যুগৰ দ্বিতীয় চামৰ যি তিনিজন কবিয়ে প্ৰতিষ্ঠা অৰ্জন কৰে তেওঁলোকৰ ভিতৰত শিল্পী হিচাপে কিট্‌ছেই শীৰ্ষস্থানীয়। প্ৰচুৰ সম্ভাৱনা বুকুত বান্ধি মাত্ৰ পঁচিশ বছৰ-বয়সতে অকাল মৃত্যু বৰণ কৰা কবিজনে এনে কিছুমান কবিতা আমাৰ মাজত এৰি থৈ গৈছে যিবোৰ প্ৰকৃতপক্ষে তেওঁৰ মহৎ প্ৰতিভাৰ পৰিচায়ক। সমসাময়িক ঘটনাৱলীৰদ্বাৰা প্ৰভাৱিত নহৈ তেওঁ গোটেই জীৱনে একাগ্ৰচিত্তে কাব্যলক্ষ্মীৰ সাধনা কৰে আৰু গতানুগতিকভাৱে ৰোমাণ্টিছিজমৰ অনুশীলন নকৰি নিজস্ব গৌৰৱেৰে প্ৰতিষ্ঠিত হয় কবি কীটছ। তেওঁৰ জীৱনৰ শেষৰ চাৰি পাঁচ বছৰ মানতহে তেওঁৰ অমৰ কবিতাসমূহৰ ৰচনা হয়। আলোচনাৰ সুবিধাৰ কাৰণে তেওঁৰ কাব্য-সম্ভাৰক কেইটামান ভাগত ভাগ কৰি লব পাৰি। সেইবোৰ হ'ল (১) বৰ্ণনামূলক কবিতা ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল Isabella or the Pot of Basil The Eve of st Agnes Lamia Endymion আৰু Hyperion (২) প্ৰশস্তিমূলক কবিতা। এই শ্ৰেণীৰ কবিতাৰ ভিতৰত ছয়টা প্ৰখ্যাত। সেইকেইটা হ'ল—Ode to a Nightingale Ode to Autumn Ode on a Grecian Urn Ode to Melancholy Ode to Psyche আৰু Ode to Indolence (৩) বেলাড জাতীয় কবিতা। এই জাতীয় কবিতাৰ ভিতৰত La Bella Dame Sans Merci নামৰ কবিতাটো অতি জনপ্ৰিয়। (৪) চনেটবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল When I have fears that I may cease to be Bright star Would I were steadfast as thou art On First Looking into Chapman s Homer আদি। ইয়াৰ বাহিৰে তেওঁ কেইটামান লিৰিকো ৰচনা কৰিছিল।

অধ্যাপক কাজামিয়াই সঠিকভাৱেই মন্তব্য কৰিছে যে "English romanticism attains in K ats the final stage of its progress অৰ্থাৎ ইংৰাজী কাব্য সাহিত্যৰ ৰমন্যাসিক ভাৱধাৰাই কীটছৰ হাতত ইয়াৰ অগ্ৰগতিৰ শেষসীমাত উপনীত

হয়। গতিকে আমি ধৰি ল'ব পাৰো যে এই ভাৱধাৰাই তেওঁৰ হাতত পৰিপক্বতা বা পৰিপূৰ্ণতাও লাভ কৰে। ৰোমাণ্টিক আন্দোলনৰ পূৰ্ণ পয়োভৰৰ সময়তে কীটছে কবি হিচাপে আত্ম-প্ৰকাশ কৰে আৰু ওৱাৰ্ডছওৱাৰ্থ আৰু কোলেৰিজৰ উদ্দীপনাৰ প্ৰভাৱ তেওঁৰ ওপৰতো পৰে। এক উচ্ছ্বসিত মুহূৰ্তত তেওঁ কৈ উঠিছিল "Great spirits now on earth are sojourning মহান ৰোমাণ্টিক কবিসকলৰ ঐতিহ্য কঢ়িয়াই নিয়াত কীটছে এক বিশেষ ভূমিকা গ্ৰহণ কৰে আৰু এই ঐতিহ্যই তেওঁৰ কলাকৃতিত পৰিপক্বতা লাভ কৰে। ৰোমাণ্টিক কবিতাৰ প্ৰায়বোৰ প্ৰধান বৈশিষ্ট্যই সেইকাৰণে তেওঁৰ কবিতাত স্থান পায়। এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া উচিত হ'ব যে কীটছ আছিল ভাবধাৰাত ক্লাছিক দৃষ্টিভংগীৰ। ৰোমাণ্টিক হোৱা স্বত্বেও কীটছৰ কাব্যত প্ৰাচীন গ্ৰীক কবিসুলভ অনেক বৈশিষ্ট্য পৰিলক্ষিত হয়। গ্ৰীকসকলৰ দৰে তেওঁ আন্তৰিকতাৰে বিশ্বাস কৰিছিল যে প্ৰকৃতি চিন্ময়ী অৰ্থাৎ জীৱন্ত। কীটছৰ নৈৰ্ব্যক্তিকতা আৰু সৌন্দৰ্য্যানুৰাগ প্ৰাচীন গ্ৰীক মনোভাৱৰ পৰিচায়ক। কীটছে তেওঁৰ কেইবাটাও কবিতাৰ বিষয়বস্তু গ্ৰীক পুৰাণৰ পৰাই লৈছে কিন্তু সেইবোৰৰ উপস্থাপন ৰীতি হ'ল ৰোমাণ্টিক। Endimion Lamia Hyperion আদি কবিতাৰ বিষয়বস্তু ক্লাছিকেল কিন্তু সেইবোৰৰ উপস্থাপন ৰীতি ৰোমাণ্টিক। অৱশ্যে Eve of St Agnes Isabella আৰু La Belle Dame Sans Merci আদি কেইটামান কবিতাৰ বিষয়বস্তু আৰু উপস্থাপন ৰীতি উভয়েই ৰোমাণ্টিক।

কীটছৰ কবিতাৰ এটি প্ৰধান ৰোমাণ্টিক গুণ হ'ল তেওঁৰ অতীতমুখিতা। নিজৰ যুগ বা সমাজৰ প্ৰতি ৰোমাণ্টিক কবিসকলৰ কোনো আকৰ্ষণ নাছিল। তেওঁলোকৰ আকৰ্ষণ আছিল প্ৰাচীন গ্ৰীছৰ প্ৰতি মধ্যযুগৰ প্ৰতি বা এলিজাবেথীয় যুগৰ প্ৰতি। গ্ৰীক সাহিত্য সংস্কৃতি কলা ভাস্কৰ্য্য আদিৰ প্ৰতি আকৰ্ষণকে হেলাচীয়বাদ (Hellenism) নাম দিয়া হৈছে। মধ্যযুগীয় সৌন্দৰ্য্য আৰু ৰহস্যময়তা আৰু এলিজাবেথীয় যুগৰ শৌৰ্য্য বীৰ্য্য আৰু উৎসাহ উদ্যম আদি আছিল ৰোমাণ্টিক কবি সকলৰ কাৰণে আকৰ্ষণীয় বিষয়। কীটছৰ The Eve of St Agnes The Eve of St Mark আৰু La Belle Dame Sans Marci কবিতা কেইটাত মধ্যযুগীয় পটভূমি আৰু পৰিৱেশ বিদ্যমান।

সৌন্দৰ্য্যপ্ৰিয়তা হ'ল ৰোমাণ্টিক কবিসকলৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। এই দিশত কীটছৰ স্থান আন সকলো কবিতকৈ ওপৰত। কীটছৰ কাৰণে A thing of Beauty is a joy for ever কেৱল এয়েই নহয় তেওঁৰ দৃষ্টিত

B.auty is Truth. প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বৰ্ণনাৰ পৰা আৰম্ভ কৰি নাৰীদেহৰ সৌন্দৰ্য্য বৰ্ণনালৈকে সকলোখিনিয়ে তেওঁৰ কবিতাত স্থান পাইছে। আন আন ৰোমাণ্টিক কবিৰ দৰে কীট্‌ছো আছিল প্ৰকৃতিৰ পূজাৰী। তেওঁ কিন্তু প্ৰকৃতি জগতত কোনো নৈতিক বা আধ্যাত্মিক গুণ আৰোপ কৰা নাছিল। তেওঁ প্ৰকৃতিক ভাল পাইছিল কেৱল বাহ্যিক সৌন্দৰ্য্যৰ বাবে। আন আন ৰোমাণ্টিক কবিৰ দৰে কীট ছৰো আছিল প্ৰবল কল্পনাশক্তি যাৰ বলত তেওঁ কবিতাত সৃষ্টি কৰিছে মধ্যযুগীয় ৰোমাঞ্চৰ সৌন্দৰ্য্য আৰু ৰহস্যময়তা। কীট ছৰ কবিতাৰ আন এটি ৰোমাণ্টিক বৈশিষ্ট্য হ'ল তেওঁৰ বিষাদৰ সুৰ। চিত্ৰধৰ্মী বৰ্ণনা দিয়াত তেওঁ আছিল আন কেইবাজনো ৰোমাণ্টিক কবিৰ সমধৰ্মী কিন্তু কবিতাৰ প্ৰখৰ ইন্দ্ৰিয়জ সংবেদনশীলতাৰ (Sensuous ness) ক্ষেত্ৰত কীট ছ আছিল অনন্য। সংবেদনৰ ওপৰত কীট ছে যিমান জোৰ দিছে আন কোনো কবিয়ে সিমান দিয়া নাই। আন ৰোমাণ্টিক কবিৰ দৰে কীট ছৰ কবিতাতো আছে বেদনাৰ সুৰ।

ৰমন্যাসিক কবি হিচাপে কীট ছৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল তেওঁৰ ভাষাৰ ৰমণীয়তা। অন্য ৰমন্যাসিক কবিসকলৰ দৰে কীট ছৰ প্ৰকাশভঙ্গীত কোনো শিথি লতাই পাবলৈ নাই। অনুপম অনুপ্ৰাস আৰু নিটোল বাক্যপুঞ্জেৰে তেওঁৰ কাব্যৰ অনবদ্য ভাষাৰ চাৰুতা যি কোনো কবিৰ কাৰণেই ঈৰ্ষাৰ বস্তু। অন্তত এই দিশটোত তেওঁৰ লগত ফেৰ মাৰিব পৰা কবি সমকালৰ কোনোজনৰ কাব্যত যে পাবলৈ নায়েই সমগ্ৰ ইংৰাজী কাব্য বুৰঞ্জীতেই দ্বিতীয় কোনো কবিৰ কাব্যতো নাই।

(অধ্যাপক মহেন্দ্ৰ বৰা)

ৰোমাণ্টিক যুগৰ যি পাঁচজন কবিৰ উল্লেখ ওপৰত কৰা হৈছে তেওঁলোকৰ কবিতা পঢ়িলে আমাৰ মনলৈ এটা কথা নহাকৈ নাথাকে যে তেওঁলোকৰ প্ৰত্যেকৰে কবিতাত ৰমন্যাসবাদৰ এটা বা দুটা বৈশিষ্ট্যই বিশেষ গুৰুত্ব লাভ কৰিছে। ওৱাৰ্ডছৱাৰ্থৰ প্ৰকৃতি প্ৰীতি কোলেৰিজৰ অলৌকিকতা বায়ৰণৰ বৈপ্লৱিক দৃষ্টিভঙ্গী শ্যেলীৰ আদৰ্শবাদ আৰু কীচ ছৰ সৌন্দৰ্য্য প্ৰিয়তা এইক্ষেত্ৰত লক্ষ্যণীয়।

গ্ৰন্থপঞ্জী

১। ইংৰাজী

1 Ashley Brown & J L Kimmey (Ed) Romance (1968)
2 Arthur Tilly Studies in the French Renaissance (1968)
3 Bush English Poetry
4 B Ifor Evans Tradition and Romanticism.
5 C A. Cuddon A Dictionary of Literary Terms (1977)
6 Cazamian A History of English Literature
7 C M Bowra The Romantic Imagination.
8 Compton Rickett A History of English Literature
9 Encyclopadia Britannica Vol 19(1966)
10 Ernest Rose A History of German Literature (1960)
11 F L Lucas Decline and Fall of the Romantic Ideal
12 G N Shastri A Concise History of Classical Sanskrit Literature (1974)
13 Hudson An Outline History of English Literature
14 M M Rai Jame An Introduction to English Poetry
15 Mundra A History of English Literature
16 Oxford English Dictionary Vol VIII (1961)
17 The Random House Dictionary of English Language (1966)
18 Webster s New Twentieth Century Dictionary (1964)
19 W P Ker Epic and Romance (1957)
20 Walter Pater Appreciations.
21 W J Long English Literature

২। অসমীয়া

১। মহেন্দ্ৰ বৰা ৰমন্যাসবাদ
২। বীৰেন বৰকটকী ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা
৩। পৰাগ কুমাৰ ভট্টাচাৰ্য্য : বিশ্বসাহিত্যৰ জিলিঙনি
৪। বাণীকান্ত কাকতি বধকাব্য (প্ৰবন্ধ)

৫। সত্যেন্দ্রনাথ শর্মা অসমীয়া সাহিত্যৰ ইতিবৃত্ত
৬। অসম সাহিত্য সভা সাহিত্যৰ বাদ বৈচিত্র্য
৭। উপেন্দ্র নাথ গোস্বামী ভাষা আৰু সাহিত্য
৮। প্ৰফুল্ল কটকী সাহিত্য আৰু সংজ্ঞা

৩। বঙালী

১। শ্ৰীশচন্দ্ৰ দাস সাহিত্য সন্দৰ্শন
২। বিমলকৃষ্ণ সৰকাৰ ইংৰেজী সাহিত্যৰ ইতিবৃত্ত ও মূল্যায়ন
৩। সত্যপ্ৰসাদ সেনগুপ্ত ইংৰাজী সাহিত্যেৰ সংক্ষিপ্ত ইতিহাস
৪। শ্ৰীকুমাৰ বন্দ্যোপাধ্যায় ইংৰাজী সাহিত্যেৰ ইতিহাস।

———